UG S4-01
(AEC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ; এন ই পি-২০২০ অনুসৰি)

চতুৰ্থ ষাণ্মাসিক

অসমৰ সংস্কৃতি অধ্যয়ন

পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **দীপ্তি ফুকন পাটগিৰি**, অধ্যাপিকা (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **বিমল মজুমদাৰ**, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **অনুৰাধা শর্মা**, অধ্যাপিকা, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অধ্যায়ৰ নাম	লেখক
১	ঐতিহাসিক প্রেক্ষাপটত অসম	ড° মৃণাল জ্যোতি গোস্বামী
২	সংস্কৃতি — চমু পৰিচয়	ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক. কৃ. কা. স. ৰা. মু. বি. ড° মাধৱ চন্দ্র বৰুৱা, সহকাৰী অধ্যাপক, শিৱসাগৰ মহাবিদ্যালয়
৩	অসমৰ সংস্কৃতি — বৈচিত্র্যৰ মাজত ঐক্য	ড° মাধৱ চন্দ্র বৰুৱা
৪	অসমীয়া সংস্কৃতিত বিভিন্ন জাতীয়-জনগোষ্ঠীয় উপাদান আৰু অৱদান	ড° মিলন নেওগ ড° মৃণাল জ্যোতি গোস্বামী
৫	অসমৰ ধর্মীয় পৰম্পৰা	ড° জোনমণি গগৈ, সহকাৰী অধ্যাপক, কৃষ্ণ বৰা বি. এড. কলেজ ড° মৃণাল জ্যোতি গোস্বামী
৬	সত্রীয়া সংস্কৃতি	ড° সুৰভি মাধুৰী গগৈ, সহকাৰী অধ্যাপক, প্রাগজ্যোতিষ মহাবিদ্যালয়
৭	নামঘৰ — চমু পৰিচয়	ড° মৃণাল জ্যোতি গোস্বামী
৮	সত্রীয়া পৰিৱেশ্য কলা	ড° মৃণাল জ্যোতি গোস্বামী
৯	লোকসংস্কৃতিৰ সাধাৰণ পৰিচয়	ড° সুৰভি মাধুৰী গগৈ
১০	মৌখিক সাহিত্য	ড° মৃণাল জ্যোতি গোস্বামী
১১	সামাজিক লোকাচাৰ	ড° জোনমণি গগৈ আৰু ড° মৃণাল জ্যোতি গোস্বামী
১২	ভৌতিক সংস্কৃতি	ড° জোনমণি গগৈ আৰু ড° মৃণাল জ্যোতি গোস্বামী
১৩	লোকপৰিৱেশ্য কলা	ড° জোনমণি গগৈ আৰু ড° মৃণাল জ্যোতি গোস্বামী
১৪	অসমৰ কেইটামান নির্বাচিত লোকপৰিৱেশ্য কলা	ড° মৃণাল জ্যোতি গোস্বামী

সম্পাদনা

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, (অধ্যায় ২, ৩, ৪, ৬, ৯)
ড° হৰি প্রসাদ বৰুৱা, সহযোগী অধ্যাপক, এল. অ. কে. ডি. কলেজ (বাকী কেইটা অধ্যায়)

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

এপ্রিল, ২০২৫

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰাষ্ট্রীয় ঘাইপথ-৩৭, ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২; www.kkhsou.in

বিষয়সূচী

		পৃষ্ঠা নং
অধ্যায় ১ ঃ	**ঐতিহাসিক প্রেক্ষাপটত অসম** প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি; অসমৰ ভৌগোলিক অৱস্থিতি; অসমৰ জাতি-জনজাতিৰ নৃতাত্ত্বিক বিশ্লেষণ ঃ ভাৰতীয় মানুহৰ নৃ-গোষ্ঠীগত পৰিচয়, অসমত জাতি গঠনৰ স্বৰূপ	৭-২৯
অধ্যায় ২ ঃ	**সংস্কৃতি — চমু পৰিচয়** সংস্কৃতি — সাধাৰণ পৰিচয়; সংস্কৃতিৰ সংজ্ঞা; সংস্কৃতিৰ স্বৰূপ; সংস্কৃতিৰ উপাদান; সংস্কৃতিৰ বৈশিষ্ট্য; সংস্কৃতিৰ বিভিন্ন ভাগ ঃ অভিজাত সংস্কৃতি বা মার্গীয় সংস্কৃতি, লোকসংস্কৃতি বা জনকৃষ্টি, জনজাতীয় সংস্কৃতি	৩০-৪৯
অধ্যায় ৩ ঃ	**অসমৰ সংস্কৃতি — বৈচিত্র্যৰ মাজত ঐক্য** অসমৰ সংস্কৃতি — সমন্বয় আৰু সমাহৰণৰ বিভিন্ন বিষয় ঃ ভাষা, সাহিত্য, ধর্ম, উৎসৱ-অনুষ্ঠান, সামাজিক লোকাচাৰ, নৃত্য-গীত, খাদ্য, সাজ-পাৰ	৫০-৫৯
অধ্যায় ৪ ঃ	**অসমীয়া সংস্কৃতিত বিভিন্ন জাতীয়-জনগোষ্ঠীয় উপাদান আৰু অৱদান** সত্ৰীয়া সংস্কৃতি ঃ সত্ৰৰ সংজ্ঞা, উৎপত্তি, সত্ৰৰ বিভিন্ন বিভাগ আৰু বিস্তৃতি, সত্ৰৰ বিষয়ৱবীয়া তথা প্ৰশাসন, সত্ৰৰ নিত্যকৰ্ম — সত্ৰীয়া নাম-প্ৰসংগ, সত্ৰৰ নৈমিত্তিক কাৰ্য তথা সত্ৰৰ উৎসৱ-অনুষ্ঠান, সত্ৰৰ কেতবোৰ পালনীয় আচাৰ-ৰীতি, সত্ৰীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা	৬০-৮৭
অধ্যায় ৫ ঃ	**অসমৰ ধর্মীয় পৰম্পৰা** শাক্ত ধর্ম ঃ অসমত শাক্ত ধর্ম, অসমৰ শক্তিপীঠ আৰু মঠ-মন্দিৰ, অসমৰ শাক্ত সাহিত্য; শৈৱ ধর্ম ঃ অসমত শৈৱ ধর্ম, অসমৰ শৈৱ মঠ-মন্দিৰ, অসমৰ শৈৱ সাহিত্য; বৈষ্ণৱ ধর্ম ঃ অসমৰ বৈষ্ণৱ আৰু নৱ-বৈষ্ণৱ ধর্ম, অসমৰ বৈষ্ণৱ সাহিত্যৰ চমু আভাস	৮৮-১১১
অধ্যায় ৬ ঃ	**সত্ৰীয়া সংস্কৃতি** সত্ৰীয়া সংস্কৃতি ঃ সত্ৰৰ সংজ্ঞা, উৎপত্তি, সত্ৰৰ বিভিন্ন বিভাগ আৰু বিস্তৃতি, সত্ৰৰ বিষয়ৱবীয়া তথা প্ৰশাসন, সত্ৰৰ নিত্যকৰ্ম — সত্ৰীয়া নাম-প্ৰসংগ, সত্ৰৰ নৈমিত্তিক কাৰ্য তথা সত্ৰৰ উৎসৱ-অনুষ্ঠান, সত্ৰৰ কেতবোৰ পালনীয় আচাৰ-ৰীতি, সত্ৰীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা	১১২-১২৪
অধ্যায় ৭ ঃ	**নামঘৰ — চমু পৰিচয়** নামঘৰ ঃ নির্মাণ শৈলী বা গঠন শৈলী, নামঘৰৰ কার্যপ্রণালী আৰু নামঘৰৰ কর্মকতা/বিষয়ৱবীয়া, ধর্মীয়-চর্চা তথা শিল্প-চর্চাৰ কেন্দ্ৰ, নামঘৰৰ সামাজিক কর্তৃত্ব	১২৫-১৪১
অধ্যায় ৮ ঃ	**সত্ৰীয়া পৰিৱেশ্য কলা** সত্ৰীয়া পৰিৱেশ্য কলা; সত্ৰীয়া সংগীত ঃ বৰগীত, *কীর্তন, নামঘোষা* আৰু আনুষংগিক ধাৰা; সত্ৰীয়া নৃত্য আৰু বাদ্য; অংকীয়া নাট আৰু ভাওনা	১৪২-১৬৫

অধ্যায় ৯ ঃ লোকসংস্কৃতিৰ সাধাৰণ পৰিচয় **১৬৬-১৭৯**
লোকসংস্কৃতি — সাধাৰণ পৰিচয়; অসমৰ লোকসংস্কৃতি ঃ মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকপ্রথা বা লোকাচাৰ, লোকপৰিৱেশ্য কলা

অধ্যায় ১০ ঃ মৌখিক সাহিত্য **১৮০-১৯৫**

অধ্যায় ১১ ঃ সামাজিক লোকাচাৰ **১৯৬-২১১**
সামাজিক লোকাচাৰ ঃ লোকবিশ্বাস আৰু লোকধর্ম, লোক উৎসৱ-অনুষ্ঠান, অৱসৰ-বিনোদন আৰু খেল-ধেমালি, লোকঔষধ আৰু লোকচিকিৎসা

অধ্যায় ১২ ঃ ভৌতিক সংস্কৃতি **২১২-২২৭**
ভৌতিক সংস্কৃতি ঃ লোকশিল্প, লোককলা, লোকস্থপতি বিদ্যা, লোকআভৰণ, লোকৰন্ধন প্রণালী

অধ্যায় ১৩ ঃ লোকপৰিৱেশ্য কলা **২২৮-২৪৫**
লোকপৰিৱেশ্য কলা; অসমৰ লোকপৰিৱেশ্য কলা ঃ লোকসংগীত, লোকনাট্য

অধ্যায় ১৪ ঃ অসমৰ কেইটামান নির্বাচিত লোকপৰিৱেশ্য কলা **২৪৬-২৬১**
অসমৰ কেইটামান নির্বাচিত লোকপৰিৱেশ্য কলা ঃ ওজাপালি, কুশানগান, ঢুলীয়া ভাওনা, খুলীয়া ভাওনা

প্রসঙ্গ পুথি **২৬২-২৬৮**

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমৰ সংস্কৃতি অধ্যয়ন

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বর্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম (চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি) আগ বঢ়াবলৈ লৈছে। এই স্নাতক পাঠ্যক্রমত শিক্ষার্থীসকলে আন আন পাঠ্যবিষয়ৰ লগতে প্রথম চাৰিটা ষাণ্মাসিকত সক্ষমতা বিকাশ পাঠ্যবিষয় (Ability Enhancement Courses) হিচাপেও চাৰিখন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। সেই অনুসৰি চতুর্থ ষাণ্মাসিকত অসমৰ সংস্কৃতি অধ্যয়ন শীর্ষক এখন পাঠ্যবিষয় আগবঢ়োৱা হৈছে।

আমি সকলোৱে জানো যে ভাৰতবর্ষ এনে এখন দেশ য'ত বিভিন্ন সংস্কৃতিৰ সংমিশ্রণ ঘটিছে আৰু অনৈক্যৰ মাজত ঐক্যৰ দোলেৰে বান্ধ খাই সকলো একগোট হৈ আছে। ভাৰতবর্ষৰ উত্তৰ-পূর্বাঞ্চলত অৱস্থিত অসম দেশক এই ক্ষেত্রত ভাৰতৰ ক্ষুদ্র সংস্কৰণ বুলিয়েই সকলোৱে অভিহিত কৰে। অসমত বিভিন্ন জাতি-জনগোষ্ঠীয়ে অনৈক্যৰ মাজত একাতাৰে বান্ধ খাই বৃহৎ অসমীয়া জাতিৰ, সংস্কৃতিৰ সৃষ্টি কৰিছে। এই পাঠ্যবিষয়টিত অসম নামৰ উৎপত্তি, নৃতাত্ত্বিক দৃষ্টিভংগীৰে ইয়াৰ জনগাঁথনি আদিৰ পৰা আৰম্ভ কৰি কোনবোৰ বৈশিষ্ট্যৰ বাবে একক আৰু অনন্য ৰূপেৰে অসমীয়া সংস্কৃতিৰ সৃষ্টি হৈছে সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে। সংস্কৃতি, লোকসংস্কৃতিৰ চমু পৰিচয় দাঙি ধৰি অসমীয়া সংস্কৃতিৰ বিবিধ উপাদানৰ বিষয়ে বিভিন্ন অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। এই পাঠ্যবিষয়টি অধ্যয়ন কৰি আপুনি অসমীয়া সংস্কৃতি সম্পর্কে, ইয়াৰ বিবিধ উপকৰণ, মণি-মৰকতৰ বিষয়ে বিস্তৃত ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

এই গোটেইকেইটা বিষয়বস্তু সর্বমুঠ চৌধ্যটা অধ্যায়ত সজোৱা হৈছে। ইয়াৰে প্রথমটো অধ্যায় 'অসমীয়া জাতি গঠনত প্রজাতীয় উপাদান'ত প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি; আধুনিক কালত সৃষ্টি হোৱা জাতিৰ ধাৰণাৰ আধাৰত অসমীয়া জাতি গঠন প্রক্রিয়া সম্পর্কে আলোচনা কৰি নৃতাত্ত্বিক দৃষ্টিভংগীৰে অসমীয়া জাতি গঠনত প্রজাতীয় উপাদান সম্পর্কে বহলাই আলোচনা কৰা হৈছে। দ্বিতীয়টো অধ্যায়ত সংস্কৃতি মানে কি সেই বিষয়ে আলোচনা কৰি সংস্কৃতিৰ সংজ্ঞা, স্বৰূপ, উপাদান, বৈশিষ্ট্যৰ বিষয়ে বহলাই আলোকপাত কৰি সংস্কৃতিৰ বিভিন্ন ভাগ সম্পর্কে অৱলোকন কৰা হৈছে।

নিজস্ব গতিত বৈ থকা নদীসমূহ এসময়ত মহাসাগৰৰ জলৰাশিৰ সৈতে বিলীন হৈ যায়। ঠিক সেইদৰে বিভিন্ন জাতি-জনজাতি-জনগোষ্ঠীয় সংস্কৃতি একগোট হৈ বৃহৎ অসমীয়া জাতি, অসমীয়া সংস্কৃতিৰ সৃষ্টি কৰিছে। অসমীয়া সংস্কৃতিত কেনেদৰে এই সমন্বয় তথা সমাহৰণ প্রক্রিয়া সাধিত হৈছে সেয়াও এই পাঠ্যবিষয়ৰ তৃতীয় অধ্যায় 'অসমৰ সংস্কৃতি — বৈচিত্র্যৰ মাজত ঐক্য'ত আলোচনা কৰা হৈছে। অসমীয়া সংস্কৃতিৰ গঠন প্রক্রিয়াত বিভিন্ন জনজাতি, টাই (আহোম)সকলৰ উপাদান তথা মুছলমানসকলৰ অৱদান অপৰিসীম। বিশেষভাৱে অসমৰ ভূমিপুত্রস্বৰূপ বিভিন্ন জনগোষ্ঠীয়ে বিভিন্ন ধৰণে অতীজৰে পৰা অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিছে। অসমীয়া সংস্কৃতি সম্পর্কে অধ্যয়ন কৰোঁতে এই বিষয়েও পৃথকে-পৃথকে অধ্যয়ন কৰাৰ প্রয়োজনীয়তা উপলব্ধ হয় যদিও সকলোখিনি থোৱতে সামৰি এটা অধ্যায় অন্তর্ভুক্ত কৰা হৈছে।

অতি প্রাচীন কালৰে পৰা অসমত বিভিন্ন ধর্মীয় পৰম্পৰা প্রচলন হৈ আছে। প্রাচীন অসমৰ ধর্মীয় পৰম্পৰাৰ তিনিটা প্রধান ধাৰা— শাক্ত, শৈৱ আৰু বৈষ্ণৱৰ বিষয়ে আলোচনা সন্নিৱিষ্ট কৰা হৈছে। অধ্যাটোৰ শিৰোনাম — 'অসমৰ ধর্মীয় পৰম্পৰা'। নৱ-বৈষ্ণৱ আন্দোলনৰ ফলস্বৰূপে মহাপুৰুষ শংকৰদেৱে খ্রীষ্টীয় পঞ্চদশ শতিকাতে প্রতিষ্ঠা কৰা সত্র আৰু নামঘৰে অসমৰ ধর্মীয়, সামাজিক, সাংস্কৃতিক আদি আটাইকেইটা দিশতে প্রভাৱ বিস্তাৰ কৰি আহিছে। সত্র আৰু নামঘৰসমূহক কেন্দ্র কৰিয়েই সাহিত্য, সংগীত আৰু বিবিধ শিল্প-কলাৰ উদ্ভাৱন ঘটিছে। মানুহক শৰণ-ভজনৰ দ্বাৰা আত্মবিশ্বাস আৰু আত্ম-উপলব্ধিৰ কর্ষণৰ বাবে সত্রই অৱদান যোগাই আহিছে। অসমীয়া সমাজৰ জাতীয় জীৱনত গভীৰ প্রভাৱ পেলোৱা সত্র আৰু নামঘৰৰ বিষয়ে এই পাঠ্যবিষয়ৰ ষষ্ঠ আৰু সপ্তম অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। সত্রক কেন্দ্র হিচাপে লৈ শংকৰদেৱ-মাধৱদেৱৰ সময়ৰে পৰা বিভিন্ন পৰিৱেশ্য কলাৰ সৃষ্টি হৈছিল। সেই বিষয়ে 'সত্রীয়া পৰিৱেশ্য কলা' শীর্ষক অষ্টম অধ্যায়ত বহলাই আলোচনা কৰা হৈছে।

অসমীয়া সংস্কৃতিৰ অধ্যয়নৰ প্রসংগত আমি অসমীয়া লোকসংস্কৃতিৰ বিষয়ে অধ্যয়ন নকৰিলে সেয়া আধৰুৱা হৈ ৰ'ব। সাধাৰণভাৱে ক'বলৈ হ'লে লোকসমাজৰ সামাজিক আচৰণেই লোকসংস্কৃতি। লোকসংস্কৃতিক আকৌ বিভিন্ন পণ্ডিতে ভিন ভিন ধৰণে ভাগ কৰি দেখুৱাইছে। তাৰে ভিতৰত এটি উল্লেখযোগ্য বিভাজন হ'ল প্রসিদ্ধ লোকসংস্কৃতিবিদ ৱিচার্ড এম. ডৰচনে কৰা শ্রেণীবিভাজনটি; যথা — (ক) মৌখিক সাহিত্য, (খ) ভৌতিক সংস্কৃতি, (গ) সামাজিক লোকপ্রথা বা লোকাচাৰ আৰু (ঘ) লোকপৰিৱেশ্য কলা। এই শ্রেণীবিভাজনৰ আধাৰতে অসমীয়া লোকসংস্কৃতিক বিভাজন কৰি আলোচনা কৰিব পাৰি। অৱশ্যে তাৰ আগতে লোকসংস্কৃতি সম্পর্কে সম্যক ধাৰণা লোৱাৰ প্রয়োজনীয়তা আছে। সেয়ে নৱম অধ্যায়ত লোকসংস্কৃতি সম্পর্কে চমুকৈ

আলোচনা কৰি অসমীয়া লোকসংস্কৃতি সম্পৰ্কে আলোকপাত কৰা হৈছে। 'মৌখিক সাহিত্য' শীৰ্ষক দশম অধ্যায়টোত মৌখিক সাহিত্যৰ চমু পৰিচয় দাঙি ধৰি অসমীয়া মৌখিক সাহিত্য সম্পৰ্কে বহলাই আলোচনা কৰা গৈছে। ঠিক সেইদৰে ক্ৰমান্বয়ে একাদশৰ পৰা ত্ৰয়োদশ অধ্যায়লৈ ক্ৰমে সামাজিক লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু লোকপৰিৱেশ্য কলা সম্পৰ্কে আলোচনা কৰি অসমৰ লোকসংস্কৃতিৰ এই দিশবোৰৰ ওপৰত অৱলোকন কৰা হৈছে। অসম দেশ লোকপৰিৱেশ্য কলাৰ ক্ষেত্ৰত অতিকে চহকী। সেয়ে এই পাঠ্যবিষয়টিৰ শেষৰটো অধ্যায়ত অসমৰ কেইটামান নিৰ্বাচিত লোকপৰিৱেশ্য কলা সম্পৰ্কে পৃথকে আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায় ১ ঃ ঐতিহাসিক প্রেক্ষাপটত অসম

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি
১.৪ জাতি — জাতিৰ ধাৰণা, অসমীয়া জাতি
১.৫ অসমীয়া জাতি গঠনত প্রজাতীয় উপাদান
১.৫.১ নৃতাত্ত্বিক দৃষ্টিভংগীৰে অসমত জাতি গঠনৰ স্বৰূপ
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি সম্পর্কে জ্ঞাত হ'ব
- জাতি— জাতিৰ ধাৰণা আৰু অসমীয়া জাতি বুলিলে কি বুজা যায় সেই বিষয়ে অৱগত হ'ব
- ভাৰতীয় মানুহৰ মাজত থকা নৃ-গোষ্ঠীয় প্রজাতিৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমৰ ঐতিহাসিক আৰু ভৌগোলিক অৱস্থিতিৰ সম্পর্কে অৱগত হোৱাৰ লগতে অসমীয়া জাতি গঠনৰ স্বৰূপৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াব পাৰিব।

১.২ পৰিচয়

এইটো সক্ষমতা বিকাশ পাঠ্যবিষয়ৰ অন্তর্গত অসমৰ সংস্কৃতি অধ্যয়ন পাঠ্যবিষয়ৰ প্রথম অধ্যায়। অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশ সম্পর্কে আলোচনা কৰাৰ পূর্বে আমি অসম নামৰ উৎপত্তি আৰু অসমীয়া জাতিৰ বিষয়ে কিছু কথা আলোচনা কৰাৰ প্রয়োজনীয়তা আছে। সেয়ে এইটো অধ্যায়ত উল্লিখিত বিষয় সম্পর্কে চমুকৈ আলোকপাত কৰা হ'ব। আপুনি নিশ্চয় জানে যে অসম ভাৰতবর্ষৰ পূব প্রান্তত অৱস্থিত এখন ঠাই বা ৰাজ্য। অসমীয়া জাতি অতি প্রাচীন জাতি, কিন্তু 'অসম' নামটো অতি বেচি পুৰণি নহয়। অসমক আগতে 'কামৰূপ' আৰু 'প্রাগ্‌জ্যোতিষপুৰ'হে বোলা হৈছিল। এই নামৰ উল্লেখ বিভিন্ন পুৰণি মহাকাব্য, পুৰাণ আদিত পোৱা যায়। অসমীয়া জাতি অলেখ প্রজাতি-উপজাতিৰ সংমিশ্রণেৰে গঠিত। এনে সংমিশ্রণৰ

ফলতেই অসমৰ জনগোষ্ঠীসমূহৰ মাজত এক সুকীয়া অৱয়ৱিক বৈশিষ্ট্য পৰিলক্ষিত হয়।

এই অধ্যায়টোত আমি 'অসম' নামৰ উৎপত্তি আৰু ইয়াৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে আলোচনা কৰিম। তদুপৰি সাম্প্ৰতিক সময়ত সৃষ্টি হোৱা 'জাতি'ৰ ধাৰণাৰ আধাৰত অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰা যাব। অসমত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ নৃতাত্ত্বিক বিশ্লেষণো অধ্যায়টিত আগবঢ়োৱা হ'ব। অধ্যায়টো অধ্যয়ন কৰি আপুনি উল্লিখিত দিশকেইটাৰ সম্যক ধাৰণা লাভ কৰিব।

১.৩ প্ৰাগ্‌জ্যোতিষপুৰ, কামৰূপ আৰু অসম নামৰ উৎপত্তি

'অসম' বুলি ক'লে বৰ্তমান আমি ২৪°৮´ - ২৭°৫৮´ উত্তৰ অক্ষাংশ আৰু ৮৯°৫০´ - ৯৬°১´ পূব দ্ৰাঘিমাংশত অৱস্থিত ভূখণ্ডৰ কথাই বুজি পাওঁ। ২০১১ চনৰ ভাৰত চৰকাৰৰ লোকপিয়ল অনুসৰি ইয়াৰ মাটি কালি ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ আৰু মুঠ জনসংখ্যা ৩১,২০৫,৫৭৬ জন। আচলতে ভৌগোলিকভাৱে সীমা নিৰ্দ্ধাৰণ কৰিব পৰাকৈ কোনো ধৰণৰ প্ৰাকৃতিক সীমা এই ভূখণ্ডত দেখা পোৱা নাযায়। ইয়াত লিপিবদ্ধ এই সীমা ৰাজনৈতিকভাৱেহে নিৰ্ণয় কৰা হৈছে। বৰ্তমান এই ভূখণ্ডৰ পূবে আছে অৰুণাচল প্ৰদেশ, নগালেণ্ড আৰু মণিপুৰ; পশ্চিমে মেঘালয়, বাংলাদেশ আৰু পশ্চিমবংগ; উত্তৰে অৰুণাচল প্ৰদেশ আৰু ভূটান; দক্ষিণে মিজোৰাম আৰু ত্ৰিপুৰা। ভৌগোলিক অৱস্থানৰ দৃষ্টিৰে চালে অসম ৰাজ্যখন উত্তৰ সমমণ্ডলত অৱস্থিত আৰু ইয়াৰ ভূভাগ পাহাৰ অৰণ্যৰে আবৃত আৰু জলভাগ নদী-নিজৰাৰে বিস্তৃত। অসমৰ চাৰিওফালে সেউজীয়া উচ্চ পৰ্বতমালাই বেৰি আছে। তদুপৰি অসমৰ পৰিসীমাৰ ভিতৰত অসংখ্য সৰু-বৰ পাহাৰ-পৰ্বত, নদ-নদী, জান-জুৰি আৰু হাবি-বননিবোৰ, বন-বিৰিখ, জীৱ-জন্তুৰে ভৰি আছে। ব্ৰহ্মপুত্ৰ নদী তিব্বতৰ পৰা ওলাই অসম, বাংলাদেশ আৰু পশ্চিম বংগৰ মাজেদি প্ৰৱাহিত হৈ গংগাৰ সৈতে লগ লাগি বঙ্গোপসাগৰত পৰিছে। ৰৰাক বা সুৰমা নদী কাছাৰ জিলাৰ ৰৰাইল পাহাৰৰ পৰা ওলাই অসম-পশ্চিমবংগ হৈ ব্ৰহ্মপুত্ৰৰ সৈতে মিলি বঙ্গোপসাগৰত পৰিছে।

বৰ্তমানৰ অসম পূৰ্বৰ 'প্ৰাগ্‌জ্যোতিষপুৰ', 'কামৰূপ'ৰ অংশ বিশেষ। ভৌগোলিক সমীক্ষা অনুসৰি এই ভূখণ্ড টেৰচিয়াৰী যুগত, প্ৰায় আজিৰ পৰা ১৪০ নিযুত বছৰৰ আগতে টেথিচ সাগৰৰ পৰা উঠি আহিছে। হিমালয় পৰ্বতমালা উঠি অহা সময়তে এই ভূখণ্ডও উঠি আহে। প্ৰাগ্‌জ্যোতিষ আৰু কামৰূপ— শব্দ দুটি *মহাভাৰত, ৰামায়ণ, কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, কৌটিল্যৰ অৰ্থশাস্ত্ৰ, ৰঘুবংশ, হৰ্ষচৰিত* আদিৰ উপৰি ভিন্ ভিন্ পুৰাণ, বিভিন্ন সময়ত এই ভূখণ্ডলৈ অহা বিদেশী ভ্ৰমণকাৰীসকলে তেওঁলোকৰ টোকাত উল্লেখ কৰি গৈছে। আনহাতে খ্ৰীঃ চতুৰ্থ শতিকাৰ সমুদ্ৰগুপ্তৰ বিখ্যাত 'এলাহবাদ প্ৰশস্তি'ত কামৰূপ নামটিৰ উল্লেখ আছে আৰু এয়াই কামৰূপৰ নাম উল্লেখ থকা প্ৰাচীনতম প্ৰত্নতাত্ত্বিক নিদৰ্শন। খ্ৰীষ্টীয় প্ৰথম শতিকাতে ৰচিত গ্ৰীক্ পুথি *পেৰিপ্লাছ অব্ দি এৰিথ্ৰিয়ান ছিতো* প্ৰাগ্‌জ্যোতিষপুৰৰ উল্লেখ আছে।



জানি থোৱা ভাল

প্রাচীন অসমৰ ভূমিখণ্ডৰ ভূ-তাত্ত্বিক গঠন প্রণালীত সৃষ্টি হোৱা আটাইতকৈ তলৰ শিলাখণ্ড মিলিয়েম গ্রেনাইট (Miliem Granite) প্রায় ৭৬০ মিলিয়ন বছৰ পূর্বৰ বুলি ভূ-তাত্ত্বিকসকলে ঠাৱৰ কৰিছে। বিভিন্ন অধ্যয়নে দেখুৱাইছে যে গোলাঘাট জিলাৰ দেৱগাঁৱৰ নেঘেৰিটিং অঞ্চলত পোৱা শিলাখণ্ডই অসমৰ পূর্বৰ প্রাক্-কেম্ব্রিয়ান (Pre-combrian) শিলাৰ শেষ সীমা। ইয়াৰ উপৰি তৈলক্ষেত্রসমূহৰ খননকার্যৰ যোগেদি অতি সম্প্রতি পোৱা সমলে নিশ্চিত কৰা মতে এচাম প্রাচীন প্রাক্-কেম্ব্রিয়ান শিলা ডিব্রুগড় জিলাৰ টেঙাখাত আৰু ইয়াৰ অধিক পূবলৈ প্রসাৰিত হৈ আছে।

বাণীকান্ত কাকতিয়ে প্রাগ্জ্যোতিষ শব্দটো কেতবোৰ অনার্য শব্দৰ সমষ্টি বুলি ফঁহিয়াই দেখুৱাইছে— পগৰ - পর্বত; জ্যো, জুহ - ওখ, তিক্ তিছ-দীঘল। ইয়াৰ অর্থ— দীঘল আৰু ওখ পর্বত মালা। আনহাতে কামৰূপ নাম সম্পর্কে *কালিকা পুৰাণত* উল্লেখ আছে যে শিৱৰ কোপ দৃষ্টিত মৃত্যু হোৱা কামদেৱে ইয়াতেই পুনৰ জীৱন লাভ কৰিছিল (*কালিকা পুৰাণ* ৫১/৬৭); অর্থাৎ কামদেৱে পুনৰ ৰূপ লাভ কৰা (কাম+ৰূপ) ঠাই। এই অলৌকিক ব্যাখ্যাত বর্ণিত হৈছে যে মৃত ব্যক্তি এজনে ইয়াত পুনর্জীৱন পাইছিল; অর্থাৎ ই প্রেত পূজাৰ এখন সাৱৱা ভূমি। তদুপৰি *যোগিনীতন্ত্রত* কামাখ্যা দেৱীৰ উদ্ভৱৰ বিৱৰণত উল্লেখ থকা প্রেত পূজা, শ্মশান পূজা আদিয়ে প্রমাণ কৰে যে এই দেশ প্রেত পূজাৰ বাবে অনুকূল ঠাই আছিল। বাণীকান্ত কাকতিয়ে কামৰূপ শব্দটিও দুটা অনার্য শব্দৰ সমষ্টি বুলি মত পোষণ কৰিছে, যথা— কামৰূ + প; অর্থাৎ কামৰূ নামক দেৱতাৰ পর্বত (পা)। এই সম্পর্কে বিষ্ণু ৰাভাই কৰা এষাৰ মন্তব্য স্মর্তব্য—

> এই অঞ্চলত লোকসকলৰ অগাধ বিশ্বাস ভূত, প্রেত, দেৱ-দেৱীৰ প্রতি। সেই কাৰণে এই ৰাজ্যৰ নাম হ'ল 'কামৰূ' অর্থাৎ ভূত-প্রেত, দেৱ-দেৱীৰ ৰাজ্য। আৰু আদ্যাশক্তি গোসাঁনীৰ নাম হ'ল কামাখী বা কামলক্ষী।... ...যেতিয়া দেখিলে নৰকাসুৰ 'কামৰূ'ৰ বর্বৰ সভ্যতাৰ মাজত বিলীন হ'ল, আর্য সভ্যতাৰ চাব এই ৰাজ্যত পেলাব নোৱাৰিলে, তেতিয়া শ্রীকৃষ্ণই নিজেই অসমলৈ আহি... ...নৰকক বধ কৰি... ...ষোল্ল হাজাৰ গোপিনীক লগতে দ্বাৰকালৈ নিলে। তেতিয়াৰ পৰাহে আর্য সভ্যতা 'কামৰূ'ত চলিল, 'কামৰূ'ৰ নাম সলাই কামৰূপ কৰা হ'ল। কামাখী বা কামলক্ষী গুছি কামাখ্যা হ'ল...।

ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি যে এই ভূখণ্ডলৈ আর্যসকল অহাৰ পাছতহে ইয়াৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্রচলিত ধর্মীয় পৰম্পৰাৰ পৰা আৰম্ভ কৰি সকলো বিলাক আর্যীকৰণ কৰি আর্যভাষাসিদ্ধ নামেৰে নামকৰণ কৰা হয়।

এই প্রাগ্জ্যোতিষপুৰ বা কামৰূপৰ ভৌগোলিক সীমা পূর্বতে বহু ঠাই জুৰি আছিল। অৱশ্যে এটা কথা ঠিক যে এই ভূখণ্ডৰ ভৌগোলিক সীমা প্রকৃততে কিমান আছিল সেই সম্পর্কে বিজ্ঞানসন্মত কোনো ঐতিহাসিক তথ্য বা সমল উপলব্ধ নহয়। তেনেধৰণৰ কোনো সমল পূর্বতে

আছিল যদিও বর্তমানলৈকে উদ্ধাৰ হোৱা নাই। পুৰাকথাৰ আধাৰত আমি ক'ব পাৰোঁ— নেপালৰ কাঞ্চন-পর্বতৰ পৰা (কাঞ্চনজংঘাৰ পৰা) ব্রহ্মপুত্রৰ সংগমলৈকে আৰু কৰতোয়াৰ পৰা দিক্কৰবাসিনীলৈকে ধৰি, উত্তৰে কুঞ্জ-পর্বত (কাঞ্চনজংঘা), পশ্চিমে তীর্থশ্রেষ্ঠ কৰতোয়াৰ পৰা ইক্ষু নদীলৈকে, পূবে পর্বতৰ দুগৰাকীলৈকে (দিক্কৰবাসিনী আৰু ললিতাকান্ত পার্বতীৰে দুটা ৰূপ) আৰু দক্ষিণে লাক্ষা নদীৰে সৈতে ব্রহ্মপুত্রৰ সংগমলৈকে অঞ্চলটোক সকলো শাস্ত্রতে নিশ্চিতভাৱে কামৰূপ বুলি কয়। *যোগিনীতন্ত্রৰ* একাদশ পটলত উল্লেখ আছে—

নেপালস্য কাঞ্চনাদ্রিং ব্রহ্মপুত্রশ্য সঙ্গম। ১৬
কৰতোয়াং সমাশ্রিত্য যাবদ্দিক্কৰবাসিনীং।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়াতু পশ্চিমে।।১৭
তীর্থশ্রেষ্ঠ দিক্ষুনদী পূর্ব্বস্যাং গিৰিকন্যকে।
দক্ষিণে ব্রহ্মপুত্রস্য নাক্ষায়াঃ সঙ্গমবধি।
কামৰূপ ইতিখ্যাতঃ সর্ব্বশাস্ত্রেষু নিশ্চিত।। ১৮

(*যোগিনীতন্ত্রম*, ১৯৭২, পৃ.১৪৭-১৪৮)

এই কথাৰ খেও ধৰিয়েই নগেন্দ্র নাথ আচার্য্যই মত পোষণ কৰিছে যে পুৰণি কামৰূপ ৰাজ্যই ব্রহ্মপুত্র উপত্যকা, ভূটান, ৰংপুৰ আৰু কোচবিহাৰ ৰাজ্যলৈকে সামৰি লৈছিল। সপ্তম শতিকাত অসমলৈ অহা চীনা পৰিব্রাজক হিউৱেন চাঙে মত পোষণ কৰিছিল যে কামৰূপ ৰাজ্যৰ পৰিধি আছিল ১০,০০০ লি (প্রায় ১,৭০০ মাইল)। ৰাজধানীৰ আছিল ৩০ লি (৬ মাইল)। বৌদ্ধ চর্যাপদসমূহ, *হৰগৌৰী সম্বাদ*, মুছলমানসকলৰ *তবাকৎ-ই-নাচাৰি* আৰু *ৰিয়াজ-উচ-চালাটিন* আদিত কামৰূপক 'কামৰুদ' হিচাপে বর্ণনা কৰিছে। চীনা পৰিব্রাজক ফাহিয়ান, হিউ-ৱেন-চাঙৰ বর্ণনাত অসম দেশখনৰ নাম 'কামলোপ', 'কাম-ৰূ' আদি নামেৰে উল্লেখ আছে। কৰতোৱা নৈখনক হিউ-ৱেন-চাঙে 'কা-লো-টা' বুলি কৈছে।

পুৰণি কামৰূপখনক চাৰিটা ভাগত ভাগ কৰা হৈছিল। কৰতোয়া নদীৰ পৰা পূবে স্বর্ণকোষ বা সোণকোষ নদীলৈকে ৰত্নপীঠ, সোণকোষৰ পৰা ৰূপহী নদীলৈকে কামপীঠ, ৰূপহীৰ পৰা ভৰলী নদীলৈকে স্বর্ণপীঠ আৰু ভৰলীৰ পৰা দিকৰাই বা দিক্রঙলৈকে সৌমাৰপীঠ। নগেন্দ্রনাথ আচার্য্যৰ মতে — "কামৰূপ ৰাজ্যৰ কামপীঠত নৰকাসুৰে ৰাজত্ব কৰাৰ সময়ত স্বর্ণপীঠ আৰু সৌমাৰপীঠৰ বেলেগ বেলেগ বংশৰ দুজন ৰজাই ৰাজত্ব কৰিছিল। স্বর্ণপীঠৰ ৰাজ্যখনৰ নাম শোণিতপুৰ আৰু সৌমাৰপীঠৰ ৰাজ্যখনৰ নাম আছিল কুণ্ডিল্য। ভীষ্মকে বিদর্ভ ৰাজ্যত ৰাজত্ব কৰিছিল। এওঁ চুটীয়া বংশৰ ৰাজা।"

১২২৮ খ্রীঃত আহোমসকলে এই ভূখণ্ডত প্রৱেশ কৰে। ইয়াৰ পূর্বতে এই ভূখণ্ডত বর্মন বংশ (৩৫৫-৬৫০), শালস্তম্ভ বংশ (৬৫০-৯৯০), পাল বংশ (৯৯০-১৩৩৮) তথা বৈদ্যদেৰ আৰু অন্যান্য ৰজাসকলে (১১৩৮-১২২৮) ৰাজত্ব কৰিছিল। এওঁলোকৰ আগৰ সময়ছোৱাত নৰকাসুৰৰ বংশধৰসকলে ৰাজত্ব কৰাৰ কথা পুৰাকথাবোৰত উল্লেখ আছে। আহোমসকল এই

ভূখণ্ডত প্ৰৱেশ কৰাৰ পূৰ্বে পশ্চিম দিশৰ পৰা ১২০৫-০৬ খ্ৰীঃত পোন প্ৰথমবাৰৰ বাবে ইছলাম ধৰ্মৱালম্বী বখ্তিয়াৰ খিলিঞ্জীয়ে কামৰূপত প্ৰৱেশ কৰি যুদ্ধত পৰাস্ত হয়। এই কথা 'কানাই বৰশীবোৱা শিলালিপি'ত খোদিত আছে। অৱশ্যে পৰৱৰ্তী কালত (১২২৭ খ্ৰীঃ) বখ্তিয়াৰ মহম্মদ নাছিৰুদ্দিনে কামৰূপ আক্ৰমণ কৰি পৃথু ৰজাক পৰাভূত কৰে। সেই সময়ৰে পৰা অসমত মুছলমানসকলৰ প্ৰৱেশ ঘটে। আহোমসকলে পূব দিশৰ পৰা অসমত প্ৰৱেশ কৰিছিল। উল্লেখযোগ্য যে তেওঁলোক কিন্তু আক্ৰমণকাৰী নাছিল। এই তাই-আহোমসকলৰ ৰাজবংশৰ বেলি মাৰ যোৱালৈকে কেইবাটাও ৰাজবংশই এই সমগ্ৰ ভূখণ্ডত ৰাজত্ব কৰিছিল। ১২২৮ খ্ৰীষ্টাব্দৰ পাছত কামৰূপ ৰাজ্যখন ভাগি ছখন সৰু সৰু ৰাজ্যৰ সৃষ্টি হয়। যথা— কমতা ৰাজ্য (১২২৮-১৫১৫), কোচ ৰাজ্য (১৫১৫-৮১), ভূঞাসকলৰ ৰাজ্য (১৪৯৮-১৫১৫), কছাৰী ৰাজ্য (১২২৮-১৮৩২), চুতীয়া ৰাজ্য (১১৮৯-১৫২৩) আৰু আহোম ৰাজ্য (১২২৮-১৮২৪)। আহোমসকলে সাতৰাজ মাৰি একৰাজ প্ৰতিষ্ঠা কৰাৰ লগতে এই ভূখণ্ডৰ ভৌগোলিক সীমাও বৃদ্ধি কৰিছিল। আহোমসকলে ৰাজত্ব কৰি থকাৰ সময়তেই এই ভূখণ্ডটিৰ নাম আছাম, আসাম, অসম হয়।

আহোমসকলে ৰাজত্ব কৰাৰ প্ৰথম অৱস্থাত এই ঠাইখনক তেখেতসকলে 'মুং-দুন-চুন-খাম' (সোণোৱালী বাগিচাৰে ভৰপূৰ দেশ) নামেৰে নামকৰণ কৰিছিল। পৰৱৰ্তীকালত <A:ca:m> (Assam) নামেৰে পৰিচিত হয়। আছাম, অসম নাম উৎপত্তি সম্পৰ্কে ভিন্নজনে ভিন্ ভিন্ মত পোষণ কৰে। বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছে—

> The word Assam was connected with the shan invaders of the Brahmaputra Valley... ...It seems curious that while the shan invaders called themselves Tāi (Gait, p.245) they come to be referred to as Āsām, Āsåm, Asåm and Acåm by the natives of the Province... ...The modern Assamese word Āhom by which the Tāi people and known evidently goes back to early Assamese Āsâm; Āsâm>Āsåm>Āham, Āhom. The last syllable of Āsåm might very well be connected with sham but the initial vowel - Ā - would remein unexplained, Ā-, as a prefix having a privative or derogatory significalce. (Kakati, 1941, p.1-2)

ৰাজমোহন নাথে কৈছে—

> The conquerers however named the country as Meung-dun-Chun-Kham or the gold abounding country; but as they were known generally by their Burmese name sham (shan) the people of this the country appears to have assumed the present from of its name–Assam, and the People

descending from the shan invadevs are called the Ahoms. (Nath,1949, p.127)

বহু সমালোচকে আচাম শব্দটোৰ মূল সংস্কৃত 'অসম' শব্দ বুলি ক'ব বিচাৰে যদিও সেয়া যে এক ভ্ৰান্ত ধাৰণাহে সেয়া বিভিন্ন পণ্ডিতে আঙুলিয়াই দিছে আৰু যুক্তিপূৰ্ণভাৱে প্ৰতিপন্ন কৰিছে। শংকৰদেৱৰ লিখনিতেই 'অসম' শব্দটোৱে পোন প্ৰথমবাৰৰ বাবে লিখিত ৰূপ লাভ কৰে। *ভাগৱত* (অসম মুলুক ৰজক তুৰুক। /কুবাচ ম্লেচ্ছ চাণ্ডাল।। —ভাগৱত ২/৪/৪) আৰু *নামঘোষাত* ইয়াৰ উল্লেখ আছে। অৱশ্যে তেওঁ অসম শব্দটো আহোমসকলক বুজাবৰ বাবেহে ব্যৱহাৰ কৰিছিল। এইবোৰৰ উপৰি বিভিন্ন চৰিতপুথি, দৰং ৰাজবংশাৱলী, ভূমিদান পত্ৰ, বিবিধ লিপিত এই নামটি পোৱা যায়। আনকি গদাধৰ সিংহৰ দিনৰ বৰতোপৰ গাত আচাম-অচম-আসাম-অসম শব্দৰ ব্যৱহাৰ সণ্চালনিকৈ উল্লেখ আছে। ১৬৬২ চনত Mattheus Van den Broucke (1620- 1685)ৰ নিৰ্দেশ মতে অংকন কৰা বংগদেশৰ ৰাজতন্ত্ৰৰ (Kingdom of Bangla) এখন মেপত Assam শব্দটিৰ উল্লেখ পোৱা যায়। ১৬৬১ চনত বংগত থকা এজন ডাচ ব্যক্তি Johvan Leenen-এ এই মেপখন আঁকিছিল। মেপখন *Francois Valentijn's 'Oud en nicuw Oost- Indien (Dor drecht,1724)* নামৰ গ্ৰন্থখনত সন্নিৱিষ্ট হৈছে আৰু এইখনেই অসম নামটি লিখিতভাৱে উল্লেখ থকা এতিয়ালৈকে প্ৰাপ্ত পুৰণি মেপ। কিতাপখনত মেপখন সন্নিবিষ্ট হৈছে ১৪৬-১৪৭ পৃষ্ঠা দুটিৰ মাজত। মেপখনত বেলেগে পৃষ্ঠা সংখ্যা উল্লেখ কৰা হোৱা নাই।

আচাম/আসাম/Assam নামটোৰ উৎপত্তি সম্পৰ্কে প্ৰফুল্ল মহন্তই শৰৎ কুমাৰ ফুকনে লিখিতভাৱে জনোৱা এটি তথ্য সন্নিৱিষ্ট কৰিছে তেওঁৰ *জনগোষ্ঠীগত চেতনা ঃ আত্ম প্ৰতিষ্ঠাৰ প্ৰশ্ন* নামৰ পুথিখনত। ইয়াত তেওঁ উল্লেখ কৰিছে—

> তাই আহোমৰ নেতৃত্বত মধ্যযুগৰ অসমীয়াৰ সন্মিলিত প্ৰচেষ্টাত যি আচাম, আসাম নামৰ সৃষ্টি হ'ল, সি মূলতঃ তাইসকলৰ লগত জড়িত। শেহান্তৰত অদ্যাপি হোৱা নৃতত্ত্ব, ভাষাতত্ত্ব, নামতত্ত্ব, ইতিহাসৰ অধ্যয়নৰ পটভূমিত ক'ব পাৰি যে খ্ৰীঃ ১৩ শতিকাৰ আৰম্ভণীত থলুৱা বড়ো, কছাৰী, মৰাণ, বৰাহীসকলে—তাই বা শ্যাম শান সকলে ন'কৈ গঢ় দিয়া ভূমিখণ্ডক উদ্দেশি হা-শ্যাম বা হা-শাম বা হা-শান বা হ-চাম (অর্থ শ্যামসকলৰ দেশ, মাটি; তুলনা— হা-বং, হা-জু, হা- তকামা প্ৰভৃতি) বোলাৰ পৰাই হা-শ্যাম > হা-শান> হা-শাম > হা-চাম > আ-শাম > আশাম > আচাম > আসাম > অসম হয়গৈ। জাতিটোৰ ক্ষেত্ৰত ই 'আসাম' পৰ্যায়ৰ পৰা ক্ৰমে অসম > অহম > আহোম স্থিতি লয়। বৰ্তমানে ব্যৱহাৰ হোৱা অসম, আহোম, অসমীয়া তিনিওটা শব্দই দৰাচলতে মঙ্গোলীয় মূলৰ আৰু ইহঁত অপভ্ৰংশ ৰূপত।

বাডেন পাৱেলে বড়োৰ 'হা-কম্ব' শব্দৰ পৰা আচাম হৈছে বুলি ব্যক্ত কৰিছে— "The name 'Assam' (Āsām) is most pobably traceable to (the Boro) Hā-Çam– the low or level country." ইয়াত উল্লেখ কৰা বিভিন্ন তথ্যসমূহৰ উপৰি বিভিন্ন পণ্ডিতে

মতপোষণ কৰিছে যে আসাম শব্দটো অনার্যমূলীয়া শব্দ আৰু আহোমসকলৰ নামৰ ৰূপান্তৰ। বিভিন্ন বিদেশী পর্যটকসকলেও এই ভূখণ্ডৰ প্রসংগত Assam, Asham, Ascham, Acham, Āsām, Assen (French language), ASEM শব্দ ব্যৱহাৰ কৰিছিল। এই সকলোবোৰেই প্রমাণ কৰে যে আহোমসকলৰ ৰাজত্বকালতে এই ভূখণ্ডটিৰ নাম 'অসম' নামেৰে পৰিচিত হয়।

আহোম ৰজা লক্ষ্মীসিংহৰ দিনৰ পৰা (১৭৬৯-১৭৮০) আহোম সাম্রাজ্যৰ ভাঙোন আৰম্ভ হয়। এইজনা স্বর্গদেউৰ দিনতে অসম বুৰঞ্জীখ্যাত 'মায়ামৰীয়া বিদ্রোহ' আৰম্ভ হয়। এওঁৰ পৰৱর্তী ৰজা গৌৰীনাথ সিংহ(১৭৮০-১৭৯৫)-ৰ দিনত মায়ামৰীয়াসকলক দমন কৰিবৰ বাবে ব্রিটিছসকলে প্রথমবাৰৰ বাবে এই ভূখণ্ডত ভৰি দিয়ে। এওঁৰ মৃত্যুৰপাছত কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০)ৰাজপাতত উঠে।পাছত চন্দ্রকান্ত সিংহৰ দিনতে (১৮১০-১৮১৮) আহোম ৰাজ্যত দেখা দিয়া খামখেয়ালিৰ বাবে মান সৈন্যই পোন প্রথমবাৰৰ বাবে অসম আক্রমণ কৰে।

ইয়াৰ পাছত মান সেনাই ক্রমগতভাৱে কেইবাবাৰো অসম আক্রমণ কৰে আৰু ১৮২৪ চনৰ হাদিৰাচকীৰ ৰণত আহোমক ঘটোৱাই অসম অধিকাৰ কৰে। এনেদৰেই অসমৰ স্বাধীনতাৰ বেলি প্রথমবাৰৰ বাবে মাৰ গ'ল। মান সেনাই ব্রিটিছ অধীনষ্ঠ গোৱালাপাৰা, কাছাৰ, মণিপুৰ, ঢাকা, চট্টগ্রাম আদি আক্রমণ কৰাত ব্রিটিছৰ লগতো সংঘাত আৰম্ভ হয়। পৰিশেষত ব্রিটিছে মান সেনাক হৰুৱাই ইয়াণ্ডাবুলৈ গতি কৰে। তেতিয়া মানসকলে ১৮২৬ খ্রীঃৰ ২৪ ফেব্রুৱাৰীত ব্রিটিছৰ সৈতে চুক্তিবদ্ধ হয় আৰু অসম ব্রিটিছৰ অধীন হয়। ক্রমান্বয়ে ১৮৩২ খ্রীঃ দক্ষিণ কাছাৰ, ১৮৩৩ খ্রীঃ খাচীয়া পাহাৰ, ১৮৩৫ খ্রীঃ জয়ন্তীয়া আৰু শদিয়াৰ খামতি ৰাজ্য, ১৮৪২ খ্রীঃ মটকৰাজ্য, ১৮৫৪ উত্তৰ কাছাৰ, ১৮৩৮ খ্রীঃ পুৰন্দৰ সিংহক লালবন্দীকৈ দিয়া উজনি অসম ব্রিটিছসকলে নিজৰ সাম্রাজ্যত চামিল কৰে। এনেদৰে ১৮৯৮ চন পর্যন্ত এখনৰ পিছত এখনকৈ অসমৰ পর্বত-ভৈয়াম সকলো ৰাজ্য ব্রিটিছে নিজৰ অধীনলৈ আনে। এই সম্পর্কে ভুৱন মোহন দাসৰ এযাৰ মন্তব্য স্মতর্ব্য—

> During the British regime Assam Covered a much larger geographical area. The present day Meghalaya, Nagaland, Mizoram, part of Arunachal Pradesh were within Assam. Besidas a small portion of Bangladesh was also included in Assam. Hence, at one time, by Assam it meant the whole of this region. (Das, 2010, p.12)

ইংৰাজসকলে প্রথমে অসমখনক চাৰিটা ভাগত ভাগ কৰি লৈছিল। যথা— খামটি আৰু চিংফৌ ৰাজ্য, মটক ৰাজ্য, উজনি অসম, নামনি অসম। ১৮৩৪ খ্রীঃত জেনকিন্স চাহাবে নামনি অসমক পুনৰ দৰং, নগাওঁ, কামৰূপ আৰু গোৱালপৰা জিলা হিচাপে বিভাজন কৰে। ১৮৭৪ চনত অসমক বংগৰ পৰা পৃথক কৰি চীফ কমিচনাৰৰ হাতলৈ আনে আৰু একেবাৰে শেষত লুচাই পাহাৰ (১৮৯৮ চনত) ব্রিটিছৰ অধীনলৈ আহে। ১৯১২ খ্রীঃত অসমক এখন

বেলেগ প্রদেশ কৰি চীফ কমিচনাৰ চাৰ আর্চডেল আর্লৰ হাতত শাসনভাৰ চমজাই দিয়ে। ১৯৪৭ চনত ভাৰতবর্ষ স্বাধীন হোৱা লগতে ব্রিটিছ ভাৰতবর্ষৰ অংগ ৰাজ্য হিচাপে অসমো স্বাধীন হয়। কিন্তু তেতিয়াৰ পৰা অসম ভাৰতবর্ষৰ ৰাজনৈতিক ছত্রছায়াৰ অধীনস্থ হয়। প্রথম অৱস্থাত সেইসময়ৰ NEFA, নাগালেণ্ড, মিজোৰাম, মেঘালয় তথা বর্তমানৰ 'অসম' ভূখণ্ড মিলি থাকি অসম নামেৰে পৰিচিত হৈছিল। পৰৱর্তীকালত বিভিন্ন ধৰণৰ সংঘাতৰ বাবে ১৯৬৩ চনত নগালেণ্ড, ১৯৭২ চনত মেঘালয়, ১৯৮৭ চনত মিজোৰাম আৰু অৰুণাচল প্রদেশ (পূর্বতে, ১৯৭২ চনৰ ২১জানুৱাৰীৰ পৰা কেন্দ্রীয় শাসিত ৰাজ্য হিচাপে আছিল) অসমৰ পৰা ফাটি গৈ নতুন ৰাজ্য গঠন কৰে। পূর্বতে থকা বৃহৎ ভূখণ্ড এইদৰে ভাগ ভাগ হৈ অসমখন বর্তমানৰ অৱস্থাত পৰিণত হৈছিহে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক —

(ক) প্রাক্‌জ্যোতিষ' শব্দটো পূর্বৰ ..... শব্দ 'পগৰ-জো-তিচ্'-ৰ পৰা গ্রহণ কৰা হৈছে।

(খ) গ্রীক্ পুথি ..... ত প্রাগ্‌জ্যোতিষপুৰৰ নাম উল্লেখ আছে।

(গ) কৰতোৱা নৈখনক চীনা পৰিব্রাজক ..... 'কা-লা-টা' বুলি উল্লেখ কৰিছে।

(ঘ) 'অসম' নামৰ উৎপত্তি ..... ৰাজত্বৰ সময়তেই হৈছিল।

প্রশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) অসমৰ ভূমিখণ্ডত প্রাক্-কেম্ব্রিয়ান শিলাখণ্ড পোৱা গৈছে।

(খ) North Eastern Registration Act-1971-ৰ মতে নগালেণ্ড অসমৰ পৰা আঁতৰি পৃথক ৰাজ্যৰূপে গঠিত হয়।

(গ) ব্রহ্মপুত্র নদী তিব্বতৰ পৰা ওলাই বংগোপ সাগৰত পৰিছে।

.....

১.৪ জাতি — জাতিৰ ধাৰণা, অসমীয়া জাতি

প্রকৃতার্থত জাতিৰ ধাৰণাটোৱেই এটা আধুনিক ধাৰণা। ফৰাছী বিপ্লৱৰ পিছৰ পৰাহে আধুনিক অর্থত জাতিৰ ধাৰণা গঢ় লয়। 'জাতি' হ'বলৈ নৃ-গোষ্ঠীয় পৰিচয়তকৈ অন্য কিছুমান কাৰকেহে প্রধান ভূমিকা লয়। অৱশ্যে নৃ-গোষ্ঠীয় সত্তা এটাৰ পৰাও জাতিসত্তাৰ বিকাশ হ'ব পাৰে। কোনো এটা নৃ-গোষ্ঠীয়ে অন্য নৃ-গোষ্ঠীকো সাংস্কৃতিক আৰু অর্থনৈতিক ক্ষেত্রত সামৰি ল'ব পৰা উদাৰতা দেখুৱাব পাৰিলেই জাতিসত্তা গঠনৰ বাট মুকলি হয়। গতিকে, জাতিসত্তা বিকাশৰ বাবে বিভিন্ন জনগোষ্ঠী, বিভিন্ন সংস্কৃতিৰ সংমিশ্রণ আৰু সমাহৰণ বা সহাৱস্থান নিতান্তই প্রয়োজনীয় চর্ত। সমাহৰণ বা সহাৱস্থানৰ কথা অহাৰ লগে লগেই অৱধাৰিতভাৱে আহে ভৌগোলিক অৱস্থানৰ কথা। সেয়ে আমি অসমীয়া জাতিৰ বিষয়ে আলোচনা কৰাৰ প্রসংগত

অসমৰ ভৌগোলিক অৱস্থানৰ কথাও আলোচনা কৰিবলগীয়া হয় আৰু এই বিষয়ে কিছু কথা পূৰ্ৱৱৰ্তী শাখাটোত উল্লেখ কৰি অহা হৈছে।

এতিয়া অসমীয়া জাতি গঠন সম্পৰ্কে বহলাই আলোচনা কৰা হওক। অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে ভিন ভিন ধৰণে আলোচনা কৰিছে। আমাৰ এই আলোচনাত ৰাজনৈতিক বিচাৰ ধাৰাৰ পৰিৱৰ্তে ঐতিহাসিক আৰু সাংস্কৃতিক ধাৰণাৰ আধাৰতহে অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে বিচাৰ কৰিবলৈ যত্ন কৰিম। 'অসমীয়া'ৰ পৰিচয় একে আষাৰে দিবলৈ অসুবিধা। কাৰণ, আপোনালোকে জানে অসমীয়া এটা সুকীয়া নৃ-গোষ্ঠী নহয়, অসমীয়া এটা জাতিসত্তাৰ নাম। ***প্ৰাক্-ঔপনিবেশিক যুগত*** অসমীয়া বুলি কোনো জাতি/জাতিসত্তা নাছিল; কিন্তু অসমীয়া জাতিসত্তা গঠনৰ আধাৰবোৰ প্ৰাক্-ঔপনিবেশিক যুগতেই এক ঐতিহাসিক প্ৰক্ৰিয়াৰে গঢ় লৈ উঠিছিল।

আপুনি নিশ্চয় জানে যে, আহোম শাসন কালতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিৰ্দিষ্ট ভূখণ্ডত সুস্থিৰ আৰু নিয়মিত প্ৰশাসনিক শৃংখলা প্ৰতিষ্ঠা হৈছিল। 'আহোম' জনগোষ্ঠীটো নিজেই বিভিন্ন জনগোষ্ঠীৰ ৰক্তসম্পৰ্ক আৰু সাংস্কৃতিক সংমিশ্ৰণৰ মাজেদি বিকাশ হোৱা জনগোষ্ঠী। আনহাতে আহোম শাসন ব্যৱস্থা (পাইক ব্যৱস্থা) আৰু মোমাই তামুলীৰ গাঁও সংগঠনৰ মাজেদি বিভিন্ন জনগোষ্ঠীৰ মাজত সাংস্কৃতিক সহাৱস্থানৰ অনুকূল পৰিৱেশ ৰচিত হৈছিল। একে সময়তে শংকৰদেৱৰ ভক্তি আন্দোলনৰ মাজেদিও বিভিন্ন জনগোষ্ঠীয় সত্তাৰ স্বকীয় সাংস্কৃতিক পৰম্পৰাৰ অতিৰিক্ত এক বহল আৰু উমৈহতীয়া সাংস্কৃতিক পৰিচয় গঢ়ি উঠিছিল। এনেদৰে অসমীয়া জাতিসত্তাৰ সাহটো নিৰ্মাণ হৈছিল। কিন্তু এইখিনিতে আমি পুনৰ মনত পেলাব লাগিব যে, ঔপনিবেশিক যুগৰ আগলৈকে 'অসমীয়া' বুলি কোনো জাতিসত্তাৰ পৰিচয় নাছিল, মাথোঁ আধাৰবোৰহে তৈয়াৰ হৈছিল। সেয়ে, সেই সময়ত 'অসমীয়া' শব্দটোৰো প্ৰচলন দেখা পোৱা নাযায়। আনকি বৰ্তমানৰ কামৰূপ জিলাৰ একাংশ আৰু গোৱালপাৰা জিলা আহোম ৰাজত্বৰ বাহিৰতে থাকি গৈছিল।



প্ৰাক্-ঔপনিবেশিক যুগঃ প্ৰাক্-ঔপনিবেশিক যুগ বুলি ক'লে আমি ভাৰতত ব্ৰিটিছসকলে তেওঁলোকৰ ঔপনিৱেশ প্ৰতিষ্ঠা কৰাৰ আগৰ সময়খিনিৰ কথা বুজোৱা হয়।

১৮২৬ চনত অসমত ঔপনিবেশিক শাসন প্ৰতিষ্ঠা হয়। ব্ৰিটিছৰ পুঁজিবাদী অৰ্থনীতিৰ ভেটিত উল্লিখিত আধাৰবোৰৰ পৰাই অসমীয়া জাতিৰ ধাৰণা গঢ় লৈ উঠিল। মন কৰিবলগীয়া জাতিৰ ধাৰণা (আধুনিক অৰ্থত) বিকাশত মধ্যশ্ৰেণীৰ ভূমিকাই সৰ্বাধিক। ঔপনিবেশিক আমোলত অসমত ন-কৈ বিকাশ হোৱা মধ্যশ্ৰেণীটোৱে, পূৰ্বৰ আহোম ৰাজ্য, কোচ ৰাজ্য আৰু জনজাতীয় গোষ্ঠীপতি শাসনাধীন যিটো এলেকা ব্ৰিটিছে প্ৰশাসনিক সুবিধাৰ বাবে অসমৰ অন্তৰ্গত কৰিলে সেই ভৌগোলিক এলেকাৰ জনবসতিক সামৰি অসমীয়া জাতিৰ ধাৰণা গঢ়ি তুলিলে। মধ্যবিত্ত শ্ৰেণীৰ ধাৰণাৰ অসমীয়া জাতি কিন্তু আৰ্যমূলীয়। ইয়াৰ বাবে প্ৰাচীন কামৰূপৰ জনবসতিৰ ইতিহাস, আৰ্যীকৰণ বা সংস্কৃতায়ন প্ৰক্ৰিয়া আৰু ভাষা-সাহিত্যৰ ক্ৰমবিকাশৰ ইতিহাস ৰচনা কৰা হ'ল। এনেদৰেই, অসম ভূখণ্ডৰ সকলো জনগোষ্ঠীক সামৰি লৈ 'অসমীয়া জাতিৰ' ধাৰণা গঢ়ি উঠিল। অসমীয়া জাতিৰ এই ধাৰণাৰ কেইটামান মন কৰিবলগীয়া দিশ হ'ল —

- আৰ্যীকৰণৰ মাজেদি বিভিন্ন মংগোলীয় জনগোষ্ঠীৰ সংস্কৃতিক আৰ্য সুঁতিৰ মাজত উদাৰভাৱে

সামৰি লোৱা হৈছিল। এনেদৰে আর্যীকৰণ হোৱা জনগোষ্ঠীসমূহক অসমীয়া জাতিসত্তাৰ গুৰুত্বপূর্ণ উপাদান ৰূপে বিবেচনা কৰা হৈছিল।

- শংকৰদেৱৰ ভক্তিধর্ম 'অসমীয়া জাতি'ৰ ধাৰণাৰ এটা প্রধান আধাৰ।

এইখিনিতে আৰু এটা কথা কোৱা প্রয়োজন। নৰক ভগদত্তৰ দিনৰ পৰাই অসমৰ মানুহৰ— বিভিন্ন ভাষা, বিভিন্ন সংস্কৃতি, বিভিন্ন অৱয়ব (শাৰীৰিক/ৰক্ত)-ৰ সংমিশ্রণ ঘটিছে। আজি কোনেও নিজকে বিশুদ্ধ ৰক্তৰ কোনো এক প্রজাতিৰ (Race) অন্তর্গত বুলি দাবী কৰিব নোৱাৰে। আনহাতে, নৰক-ভগদত্তৰ দিনৰে পৰা আর্য ধর্ম আৰু আর্য সংস্কৃতিয়ে ধীৰে ধীৰে প্রাধান্য পাই আহিছে। ইয়াৰ কাৰণ অর্থনৈতিক। আর্যসকলৰ উন্নত উৎপাদন কৌশল আৰু বহুযুগীয়া লিখিত সাহিত্যৰ পৰম্পৰা থকা ভাষাই অন্যান্য নৃ-গোষ্ঠীসকলৰ ওচৰত স্বাভাৰিকতে অগ্রাধিকাৰ পালে। D.D. Kosambi এ *The Culture and Civilization of Ancient India, A Historical Outline* নামৰ গ্রন্থখনত মন্তব্য কৰিছে— "This is normal phenomenon when two cultures are in contact, the stronger form of production often imposes its language upon the other." ফলত ঔপনিবেশিক যুগলৈ আর্যমূলীয় সংস্কৃতিয়েই 'অসমীয়া জাতিসত্তা'ৰ সাংস্কৃতিক আৰু মতাদর্শগত আধাৰ হৈ পৰিল। এই আলোচনাখিনিৰ পৰা ক'ব পাৰি যে, পৰম্পৰাগত অর্থত অসমত বাস কৰা সকলো জনগোষ্ঠীয়েই অসমীয়া।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ কেতিয়াৰ পৰা আধুনিক অর্থত জাতিৰ ধাৰণা গঢ় লৈ উঠে?

.....

প্রশ্ন নং ৪ ঃ 'অসমীয়া জাতি' ধাৰণাটিৰ আটাইতকৈ মনকৰিবলগীয়া দিশ কেইটা কি কি? (৪০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

১.৫ অসমীয়া জাতি গঠনত প্রজাতীয় উপাদান

জনগাঁথনিৰ ফালৰ পৰা অসম এখন ভূ-স্বর্গস্বৰূপ। অতি প্রাচীন কালতে বিভিন্ন ঠাইৰ জনগোষ্ঠী কিছুমানে কৃষিৰ উপযোগী ভূমি বিচাৰি বিভিন্ন ঠাই পৰিভ্রমণ কৰি আহি ব্রহ্মপুত্র উপত্যকাৰ সাৱৰা অঞ্চলত উপস্থিত হয়। এনে দৰেই বিভিন্ন সময়ত ব্রহ্মপুত্র উপত্যকাত বহু জনগোষ্ঠীৰ সমাৱেশ ঘটিছিল আৰু এই বহু জনগোষ্ঠীৰ মিলন সংমিশ্রণৰ ফলতেই বৃহৎ অসমীয়া

জাতিৰ সৃষ্টি হৈছিল। এক কথাত ক'ব পাৰি বিভিন্ন ধর্মৰ, জাতিৰ, সংস্কৃতিৰ মানুহে উমৈহতীয়া সহিষ্ণুতা, পাৰস্পৰিক সহযোগিতা আৰু সৌহার্দ্যৰে অসমৰ জনগাঁথনি সমৃদ্ধ কৰিছে আৰু বৃহৎ অসমীয়া সমাজ গঢ়ি তুলিছে। অসমৰ জনগাঁথনিক আমি বিভিন্ন দৃষ্টিকোণেদি আলোচনা কৰিব পাৰোঁ, যেনে— নৃতাত্ত্বিক দৃষ্টিভংগীৰে, ধর্মীয় পৰম্পৰাৰে, ভাষাতাত্ত্বিক দিশেৰে। আমাৰ এই আলোচনাত আমি কেৱল নৃতাত্ত্বিক দৃষ্টিভংগীৰেহে অসমীয়া জনগাঁথনি সম্পর্কে আলোচনা কৰিম।

নৃতাত্ত্বিক দৃষ্টিভংগীৰে আলোচনা কৰিলে আমি দেখোঁ যে অসমৰ জনগাঁথনি বা অসমৰ সমাজ গঠন প্রক্রিয়াত মূলতঃ তিনিটা প্রজাতিয়ে অংশগ্রহণ কৰিছে, যথা— অষ্ট্রলয়ড, মংগোলয়ড আৰু ককেছীয়। উল্লেখযোগ্য যে সাম্প্রতিক সময়ত পৃথিৱীৰ সমগ্র মানৱকে এটা জীৱগোষ্ঠীৰ অন্তর্ভুক্ত কৰা হৈছে। সেই গোষ্ঠীটো হ'ল মানৱ জীৱগোষ্ঠী আৰু ইয়াৰ বৈজ্ঞানিক নাম *হম' ছিপিয়েন্স*। ইয়াক পুনৰ নিগ্রো বা নেগ্রিট, অষ্ট্রেলীয় বা অষ্ট্রলয়ড, মংগোলীয় বা মংগোলয়ড আৰু ককেছীয় নামেৰে চাৰিটা প্রজাতিত ভাগ কৰা হয়। অৱশ্যে কোনো কোনোৱে অষ্ট্রেলীয়ক বেলেগ বুলি নির্দ্ধাৰণ নকৰি ককেছীয়ৰে অন্তর্গত বুলিও বিবেচনা কৰে। ভাৰতীয় জনগোষ্ঠীসমূহৰ মাজত থকা বিভিন্ন প্রজাতীয় উপাদান সম্পর্কে ভিন্ ভিন্ সময়ত বেলেগ বেলেগ নৃতাত্ত্বিকে নিজ নিজ ধৰণে শ্রেণীবিভাজন কৰি ব্যাখ্যা কৰিছে আৰু প্রত্যেকেই বেলেগ বেলেগ ধৰণে একোখনকৈ প্রজাতিকৱণৰ তালিকা দাঙি ধৰিছে। ড° বিৰজা শঙ্কৰ গুহই ভাৰতীয় মানুহৰ মূল ছয়টা নৃ-গোষ্ঠীগত বিভাগ তথা নটা উপশাখাত ভাগ কৰিছে। সেইসমূহ হ'ল—

১। নিগ্রো বা নেগ্রিটো (Negrits)
২। প্রায় অষ্ট্রেলীয় (Proto-Australoid)
৩। মংগোলীয় (Mongoloid)
    (ক) প্রত্ন-মংগোলীয় (Paleo-Mongoloid)
        (i) প্রশস্ত মস্তকী (Broad-readed)
        (ii) দীর্ঘ মস্তকী (Long-headed)
    (খ) তীব্বত-মংগোলীয় (Tribeto-Mongoloid)
৪। ভূমধ্যসাগৰীয় (Mediterrarear)
    (ক) প্রত্ন-ভূমধ্যসাগৰীয় (Paleo-Mediterrarear)
    (খ) ভূমধ্যসাগৰীয় (Mediterrarear)
    (গ) প্রাচ্য (Oriental Type)
৫। পশ্চিমীয়া প্রশস্তমস্তকী (Western Brachycephal)
    (ক) আলপাইন (Alpinoid)
    (খ) ডিনাৰিক (Dinaric)
    (গ) আর্মেনীয় (Armenoid)
৬। নার্ডিক (Nordic)

শশাংক শেখৰ সৰকাৰে ভাৰতৰ নৃ-গোষ্ঠীক ছটা ভাগত ভাগ কৰিছে। সেইকেইটা হ'ল—

১। অষ্ট্রেলীয় (Australoid)
২। ইণ্ডো-আর্য (Indo-Aryan)
৩। ইৰাণোস্কাইথিয়ান (Irano-Schythiar)
৪। মুণ্ডাৰী ভাষী(Mundari-speaker)
৫। মালয়-পলিনেছীয় (Malay-Polynesian or Far Eastern)
৬। মংগোলীয় (Mongoloid)

ৰিজ্‌লিয়ে ভাৰতীয়ক তলত দিয়াৰ দৰে ভাগ কৰিছে—

১। টুর্ক-ইৰাণীয়ান (Turko-Irarian)
২। ইণ্ড'-আর্য (Indo-Aryan)
৩। স্কাইথিঅ'-দ্রাবিড় (Schythio-Dravidian)
৪। আর্য-দ্রাবিড় (Aryo-Dravidian or Hindustari type)
৫। মংগোলীয়-দ্রাবিড় (Mongolo-Dravidian or Bengali type)
৬। মংগোলীয় (Mongoloid)
৭। দ্রাবিড় (Dravidian)

এই প্রজাতিকৰণৰ তালিকাসমূহৰ ভিতৰত বিৰজা শংকৰ গুহৰ প্রজাতিকৰণ তালিকাখনেই বেছি জনপ্রিয় তথা স্বীকৃত; কাৰণ এই তালিকাখন যিবিলাক তথ্যৰ আধাৰত লিপিবদ্ধ কৰা হৈছে সেই তথ্যসমূহ সকলোৰে বাবে সহজলভ্য। সেয়ে কোনোবাই ভাৰতীয় জনগাঁথনিৰ প্রজাতিগত উপাদানৰ বিষয়ে আলোচনাত প্রবৃত্ত হ'লেই এই তালিকাখনলৈকে আঙুলিয়াই দিয়ে। গুহৰ প্রজাতিগত তালিকা সম্পর্কে ভুৱন মোহন দাসৰ এযাৰ মন্তব্য উল্লেখযোগ্য— "...নেগ্রিটো নিগ্রো প্রজাতিৰ প্রতিনিধি। প্রায়-অষ্ট্রেলীয়বোৰেই অষ্ট্রেলীয়; ভূমধ্য সাগৰীয়, পশ্চিমীয় প্রশস্তমস্তকী আৰু নার্ডিক ককেছীয়ৰ অন্তর্ভুক্ত। মংগোলীয় লোক আছেই। গুহৰ মতে ভাৰতৰ আদিবাসীবোৰ প্রধানকৈ প্রায়-অষ্ট্রলীয় আৰু মংগোলীয় উপাদানেৰে গঠিত।" এই তালিকাখনৰ আধাৰতেই তলত অসমীয়া মানুহৰ নৃ-গোষ্ঠীয় উপাদান সম্পর্কে বহলাই আলোচনা দাঙি ধৰা হ'ল।

১.৫.১ নৃতাত্ত্বিক দৃষ্টিভংগীৰে অসমত জাতি গঠনৰ স্বৰূপ

বিৰজা শংকৰ গুহৰ প্রজাতিগত তালিকাত থকা প্রথম প্রজাতিটো হ'ল নেগ্রিটো। অসমৰ জনগাঁথনিৰ ক্ষেত্রত কোনো কোনো নৃতত্ত্ববিদে নেগ্রিট প্রজাতিৰ উপাদান সংমিশ্রিত হৈ আছে বুলি মতপোষণ কৰিছিল যদিও সাম্প্রতিক কালত সম্পন্ন কৰা ৰক্তজিন পৰীক্ষাত প্রমাণ হৈছে যে এই ভূখণ্ডৰ কোনো জনসমষ্টিৰ গাতে নেগ্রিট

প্রজাতিৰ উপাদান নাই। নৃ-তত্ত্ববিদ G. Oliver-ৰ মতে "none of the subjects showed any Negritoid characteristis." মূলতঃ বৰ অসমৰ বাসিন্দা নগা জনগোষ্ঠীৰ মাজত দেখা পোৱা কেকোৰা চুলিৰ বৈশিষ্ট্যটোৰ লগতে তেওঁলোকৰ সাংস্কৃতিক জীৱনত দেখা পোৱা দুই এক বৈশিষ্ট্যৰ আধাৰত তেওঁলোকৰ গাত নেগ্রিট উপাদান আছিল বুলি বিবেচনা কৰা হৈছিল।

এই ভূখণ্ডৰ লগতে সমগ্র ভাৰতৰে আদিম অধিবাসীসকল অষ্ট্রেলীয় প্রজাতিৰ আছিল বুলি বিভিন্ন নৃতাত্ত্বিকে মত পোষণ কৰিছে। "অষ্ট্রেলীয়সকল বিভিন্ন নামেৰে পৰিচিত। কোনোৱে এই বিধ লোকৰ নাম দিছে প্রাক্-দ্রাবিড়, কোনোৱে প্রাক্-অষ্ট্রেলীয়, কোনোৱে ভেড্ডীয়, কোনোৱে বা নিষাদ।" নৃতাত্ত্বিকভাৱে অষ্ট্রেলীয় বা অষ্ট্রলয়ড বোলা জনসমষ্টিটোকেই ভাষাতাত্ত্বিকসকলে অষ্ট্রিক বোলে। দুই এক পণ্ডিতে এই ক্ষেত্রত সঠিক সিদ্ধান্ত প্রদান কৰা নাই। ভূৱন মোহন দাসে কৈছে— "অষ্ট্রেলীয় ভাষা কি আছিল সেই বিষয়ে সঠিককৈ একোকে ক'ব নোৱাৰি, কিন্তু অষ্ট্রিক ভাষা আৰু অষ্ট্রেলীয়ৰ মাজত কিবা এটা সম্বন্ধ থকা যেন লাগে।" কিন্তু ঐতিহাসিক ৰমিলা থাপাৰে স্পষ্ট ৰূপে কৈ গৈছে— " Proto Austroloid was the basic element in India population and their speach was of the Austric."

মন কৰিবলগীয়া যে, অসমৰ কোনো জনগোষ্ঠীয়েই অষ্ট্রেলীয় প্রজাতিৰ অন্তর্গত নহয়। অৱশ্যে সাম্প্রতিক কালত হোৱা ৰক্তজিন পৰীক্ষাত নির্ণিত হৈছে— "একালত অসম, উত্তৰ বংগ আৰু আনকি নেপালৰ একাংশলৈকে অষ্ট্রো-এছীয় জনজাতিৰ লোক বিস্তৃত হৈ আছিল। পিছলৈ দক্ষিণ-পূব এছিয়াৰ পৰা অহা এটা প্রব্রজনৰ সোঁতে অন্য ধৰণৰ ৰক্তজিন এওঁলোকৰ মাজত প্রৱেশ কৰালে।" উল্লেখযোগ্য যে এসময়ৰ বৰ অসমৰ বাসিন্দা খাচীয়াসকলৰ ভাষা অষ্ট্রিক যদিও এওঁলোক মূলতঃ মংগোলীয় প্রজাতিৰ হে— "The Khasis who mainly lives in Meghalaya deserve a special treatment, because though they are Mongoloid, they speak Austric language which is somehow associated with the Austroloid." অৱশ্যে খাচীসকল অষ্ট্রলয়ড নে মংগোলয়ড আছিল সেই বিষয়ে সঠিক সিদ্ধান্তত উপনীত হ'ব পৰা নাই। তথাপিও এই সমগ্র ভূখণ্ডৰ মংগোলয়ড জনগোষ্ঠীৰ মাজত অষ্ট্রলয়ড উপাদান নিহিত হৈ থকাৰ কাৰণে তেওঁলোকক মংগোলয়ড বুলি বিবেচনা কৰি প্রব্রজন কালতে অষ্ট্রিক ভাষা নিজৰ কৰি ল'লে বুলি পণ্ডিতসকলে মত পোষণ কৰে। প্রসংগক্রমে উল্লেখযোগ্য যে অসমীয়া সমাজ জীৱনৰ বিভিন্ন দিশত অষ্ট্রিকসকলৰ অৱদান অপৰিসীম।

ঊনবিংশ শতিকাত ব্রিটিছসকলে অসমত চাহ খেতি আৰম্ভ কৰে আৰু চাহবাগানত কাম কৰিবলৈ বনুৱা হিচাপে মধ্য ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অজস্র লোক আনে। এনেদৰে অহা বনুৱাসকল আৰু তেওঁলোকৰ বংশধৰসকলক লৈয়েই অসমৰ

চাহ জনগোষ্ঠীটোৰ সৃষ্টি হ'ল। চাহ জনগোষ্ঠীৰ অন্তর্গত কোল, মুণ্ডা, খাৰীয়া, ভূমিজ, চাওতাল আদি লোকসকল অষ্ট্রেলীয় প্রজাতিৰ, তেওঁলোকৰ ভাষাও অষ্ট্রো-এছীয়।

অসমৰ প্রাচীন বাসিন্দাসকলৰ ভিতৰত অষ্ট্রেলীয়সকলৰ পিছতে আমি পাওঁ মংগোলীয়সকলক। প্রাচীন সংস্কৃত গ্রন্থত এওঁলোককে 'কিৰাত' আখ্যা দিয়া হৈছে। কিৰাতসকলৰ প্রথম উল্লেখ পোৱা যায় *যজুর্বেদত*। *বিষ্ণুপুৰাণ* আৰু *মার্কণ্ডেয় পুৰাণত* বর্ণিত আছে যে ভাৰতৰ মধ্য অঞ্চলত ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্রসকলে বাস কৰে; পশ্চিম অঞ্চলত যৱনসকলৰ আৰু পূর্ব অঞ্চলত কিৰাতসকলৰ বাস। *মহাভাৰতত* ভীমে দিগ্বিজয় কৰিবলৈ ওলাই গৈ বিদেহ ৰাজ্য পাৰ হৈ সাতজন কিৰাত ৰজাক ৰণত ঘটুওৱা কথা বর্ণনা কৰা হৈছে। সম্ভৱতঃ তেতিয়া সমগ্র পূর্বাঞ্চলতে কিৰাতসকলৰ আধিপত্য আছিল। খ্রীঃ ১৪ শতিকাত গ্রীক ভাষাত ৰচিত নৌবিদ্যাৰ পুথি দি *পেৰিপ্লাছ অব্ দি এৰিথ্রিয়ান ছিত* 'কিৰহাডি' বুলি এই কিৰাতসকলৰ কথাকে কোৱা হৈছে। সাম্প্রতিক কালত সুনীতি কুমাৰ চেটার্জীয়েও অসমৰ সংস্কৃতিক বহল অর্থত 'কিৰাত জন কৃতি' ৰূপে উল্লেখ কৰি একে নামৰ গ্রন্থত আলোচনা কৰিছে। এই কথাখিনিয়েই সূচায় অসমৰ জনগাঁথনিত মংগোলীয়সকলৰ অৱদান কিমান।

কিংবদন্তি অনুসৰি প্রাচীন কালত প্রাগ্জ্যোতিষত মহীৰঙ্গ দানৱ নামেৰে এজন ৰজাই ৰাজত্ব কৰিছিল। গুৱাহাটীৰ ওচৰৰ মৈৰাং পর্বতৰ নামৰ পৰা মহীৰঙ্গৰ নাম হৈছিল বুলি কোৱা হয়। মৈৰাং শব্দৰ উৎপত্তি বড়ো ভাষাৰ পৰা হৈছে। মহীৰঙ্গৰ পিছত ক্রমে হটকাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ আৰু ঘটকাসুৰ ৰজা হৈছিল। মহীৰঙ্গৰ পৰা ঘটকাসুৰলৈ এইসকল ৰজা আছিল কিৰাত অর্থাৎ মংগোলীয়। ঘটকাসুৰক পৰাস্ত কৰি ৰজা নৰকে নিজ ৰাজবংশ প্রতিষ্ঠা কৰে। ৰজা হোৱাৰ পাছতে নৰকে এই ৰাজ্যৰ নাম প্রাগ্জ্যোতিষৰ পৰা কামৰূপলৈ পৰিৱর্তন কৰে।

কিৰাত আখ্যাৰে আখ্যায়িত মংগোলীয় প্রজাতিৰ অন্তর্গত কাৰ্বি, মিছিং, বড়ো, ডিমাছা, গাৰো, ৰাভা, দেউৰী, মেছ, লালুং, সোণোৱাল, হাজং আদি জনজাতিসমূহে প্রাচীন কালৰে পৰা অসমৰ পাহাৰে-ভৈয়ামে বসবাস কৰি আহিছে। একে প্রজাতিৰে টাই-আহোমসকল ত্রয়োদশ শতিকাত ব্রহ্মদেশৰ পৰা অসমলৈ আহে আৰু পৰৱর্তীকালত তেওঁলোকৰ নেতৃত্বতে আটাইবোৰ জাতিৰ মাজত সংযোগ আৰু সমাহৰণৰ যোগেদি অসমীয়া সংস্কৃতিয়ে এক বর্ণাঢ্য ৰূপ লাভ কৰে। ভাষাগোষ্ঠীৰ ফালৰ পৰা এওঁলোক তীব্বত চীনীয় বা চীন তিব্বতীয়। চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ য়াংছিকিয়াং অঞ্চল আৰু হোৱাংহো নদীৰ উৎপত্তি স্থলেই এই জনগোষ্ঠীৰ লোকসকলৰ আদিম বাসস্থান বুলি অনুমান কৰা হয়।

অসমৰ জাতি গঠন প্রক্রিয়াত অংশগ্রহণ কৰা তৃতীয়টো প্রজাতি হ'ল ককেছীয়। এই ককেছীয় প্রজাতিৰ কেইবাটিও উপ-প্রজাতিয়ে বিভিন্ন সময়ত অসমলৈ প্রব্রজিত হৈছে। ককেছীয় প্রজাতিৰ ঠাল-ঠেঙুলিবোৰ হ'ল— ভূমধ্য সাগৰীয়, পশ্চিম প্রশান্তমস্তকী,

ইৰানো-চীথীয় ইত্যাদি। ককেছীয় প্ৰজাতিৰ অন্তৰ্গত ভূমধ্য সাগৰীয় প্ৰজাতিৰ লোকসকলেই প্ৰাচীন সিন্ধু সভ্যতা গঢ়ি তুলিছিল। বৰ্তমান ভাৰতত তেওঁলোকৰ বিস্তাৰ দাক্ষিণাত্যতে বেছি যদিও ভাৰতৰ আন আন ঠাইৰ লগতে উত্তৰ-পূব ভাৰতৰ লোকৰ মাজতো ভূমধ্য সাগৰীয় উপাদান বিদ্যমান। তেওঁলোক ইণ্ডো-দ্ৰাবিড় নামেৰে পৰিচিত আৰু দ্ৰাবিড় ভাষা ভাষী। পূৰ্বতে তেওঁলোকৰ বিস্তাৰ ভাৰতৰ উত্তৰাঞ্চলতো প্ৰবল আছিল যদিও পৰৱৰ্তী কালত প্ৰব্ৰজন ঘটা ইণ্ডো-আৰ্যসকলে তেওঁলোকক ভাৰতৰ উত্তৰ অংশৰ পৰা দক্ষিণ অঞ্চললৈ খেদি পঠিয়ালে। এই প্ৰজাতিৰ লোকসকল কেতিয়া অসমত প্ৰথমবাৰৰ বাবে প্ৰৱেশ কৰিলে তাৰ কোনো সঠিক সময়সীমা নিৰূপণ কৰিব নোৱাৰি। উল্লেখ্য যে, ভূমধ্যসাগৰীয়সকলৰো বিভিন্ন প্ৰকাৰভেদ আছে। তাৰে এটা ঠাল অতি প্ৰাচীন কালতে এই ভূখণ্ডৰ মাজেদি দক্ষিণ-পূব এছিয়ালৈকে বিস্তৃত হৈ আছিল। নৃতত্ত্ববিদ ইলিয়ট স্মিথে এই ভাগটোক 'কপিল উপ-প্ৰজাতি' বুলি নামকৰণ কৰিছে। এই সম্পৰ্কে ভূবন মোহন দাসে মন্তব্য কৰিছে—

> It is not perfectly known at what time the Mediterranean people, a varity of the Caucasoid race entered Assam... ...the Brown Race and existence of Nesiot element in certain populations, a suggestive of Mediterranean migration into this part of the country in avery ancient time. However, it is difficult to ascertain the time. (Das, 2010, pp. 115-116)

অসমত ৰাজত্ব কৰা নৰকাসুৰ ভূমধ্য সাগৰীয় প্ৰজাতিৰ লোক আছিল আৰু নৰকাসুৰৰ সময়তে অসমলৈ ভূমধ্য সাগৰীয় উপাদান অহাৰ সম্ভাৱনা আছে বুলি বহু পণ্ডিতে মত পোষণ কৰে। অৱশ্যে আন এচাম পণ্ডিতে তেওঁ কিৰাত আছিল বুলিহে মতপোষণ কৰে। প্ৰফুল্ল মহন্তই তেওঁৰ *জনগোষ্ঠীগত চেতনা ঃ আত্মপ্ৰতিষ্ঠাৰ প্ৰশ্ন* নামৰ গ্ৰন্থখনত নৰক সম্বন্ধে পু�ৰাণসমূহত বৰ্ণিত আখ্যানটোৰ বিষয়ে বাণীকান্ত কাকতিয়ে তেওঁৰ *পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা* (১৯৫৫) নামৰ কিতাপখনত থকা আলোচনাৰ আঁত ধৰি আৰু ৰমিলা থাপাৰ, ডি. ডি. কৌশাম্বী, ৰামচৰণ শৰ্মা আদিয়ে পু�ৰাকথা সম্পৰ্কে আৰম্ভ কৰা আধুনিক বিজ্ঞানসম্মত অধ্যয়নৰ প্ৰসংগ উল্লেখ কৰি পুৰাকথাৰ মাজত লুকাই থকা ঐতিহাসিক সত্যৰ অন্বেষণত ৰত হৈছে। তেওঁ মন্তব্য কৰিছে— "ৰাজ্যভাৰ লোৱাৰ পাছত নৰকে লাহে লাহে নিজ ভাই-ককাই, জ্ঞাতি-কুটুমৰ ওচৰ চাপি যাবলৈ ধৰিলে।" অৰ্থাৎ নৰক প্ৰকৃততে কিৰাত আছিল। উল্লেখযোগ্য যে, ভূমধ্য সাগৰীয় প্ৰজাতিৰ গাত দেখা পোৱা কেতবোৰ উপাদান সাম্প্ৰতিক কালৰ অসমৰ মানুহৰ মাজতো দেখা যায়; কিন্তু পৰিৱেশ, সংমিশ্ৰণ আদি নানান কাৰণত সেই লক্ষণবোৰে বিভিন্ন ৰূপ লৈছে। আধুনিক কালত চাহ বনুৱা হিচাপে মধ্য ভাৰতৰ পৰা প্ৰব্ৰজিত হৈ অহা লোকসকলৰ মাজতো ভূমধ্য সাগৰীয় দ্ৰাবিড় জনগোষ্ঠীৰ বংশধৰ পোৱা যায়।

ককেছীয় প্রজাতিৰ আন এটা ঠাল আলপাইন-আৰ্মেনীয়সকলেও হিমালয়ৰ পাদদেশেৰে আহি অসমত প্ৰৱেশ কৰিছিল বুলি কনকলাল বৰুৱাই অনুমান কৰে আৰু ভূৱন মোহন দাসে— "ভূমধ্য সাগৰীয়ৰ লগতে আলপাইন-আৰ্মেনীয়ৰ উপাদানৰ অৱস্থিতিও দেখি অহা হৈছে।... ...কিন্তু প্ৰকৃত আলপাইন-আৰ্মেনীয় উপাদানৰ প্ৰাবল্য আধুনিক অসমৰ মানুহৰ মাজত কম" বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে, পশ্চিম অঞ্চলৰ পৰিৱৰ্তে উত্তৰ-পূব দিশৰ পৰাও ককেছীয় লোকৰ এটা ঠাল অসমত প্ৰৱেশ কৰিছিল বুলি বহু পণ্ডিতে মত পোষণ কৰে। এই ক্ষেত্ৰত তেওঁলোকে মিছিমি, ডফলা, নগা, মণিপুৰীসকলৰ মাজত দেখা পোৱা ককেছীয় উপাদানবোৰলৈ আঙুলিয়াইছে।

ইয়াৰ উপৰি ককেছীয়ৰ অন্তৰ্গত ইৰানো-চীথীয় নামৰ আন এটা গোষ্ঠীও ভাৰতৰ লগতে অসমলৈও প্ৰব্ৰজিত হৈছিল। ভূবন মোহন দাসে এই গোষ্ঠীটোৰ লক্ষণৰ লগত অসমৰ কেইবাটিও জাতিৰ লক্ষণসমূহ বিচাৰ কৰি কৈছে যে— "অসমৰ বিভিন্ন জাতিগোটৰ মাজত ইৰানো-চীথীয় উপাদানৰ প্ৰাবল্য বেছি যেন অনুমান হয়।"

অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষলৈ প্ৰব্ৰজিত হোৱা শেষ ফৈদটো হ'ল আৰ্যসকল। আৰ্যসকলৰ প্ৰব্ৰজনৰ কাল খ্ৰীঃ পূঃ ১২০০ শতিকা বুলি অনুমান কৰা হয়। অৱশ্যে বহু বুৰঞ্জীবিদে আৰ্যসকলক এটা নিৰ্দিষ্ট নৃ-গোষ্ঠী হিচাপে বিবেচনা কৰিব নিবিচাৰে। এই সম্পৰ্কে ৰমিলা থাপাৰেও কৈ গৈছে —

> Aryan is in fact a linguistic term indicating a speach group of Indo-Europeans origin, and is not an ethnic term. To refer to the coming of Aryan is therefore inaccurate. However this inaccuracy has become so current in historical studies of early India that is would sound unduly pedentic to refer to the Aryans as the Aryan speaking peoples. Their ethnic identity is not known on the basis of Indian evidence. (Thapar,1990, p. 27)

ঠিক সেইদৰে ৰামচৰণ শৰ্মাই আৰ্যসকলৰ সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতামত বিশ্লেষণ কৰি এক নিৰ্দিষ্ট মতত উপনীত হৈছে যে *ঋগ্বেদত* যি আৰ্য জনগোষ্ঠীৰ কথা কোৱা হৈছে সিহঁত হয়তো এক নৃ-কুলভুক্ত নাছিল, কিন্তু তেওঁলোকে এক হৈ আছিল এক সাধাৰণ ভাষা আৰু একে ধৰণৰ জীৱন যাত্ৰাৰ বন্ধনত। এই কথাৰ প্ৰমাণস্বৰূপে আমি গুহৰ প্ৰজাতিকৰণ তালিকাখনলৈকে আঙুলিয়াব পাৰোঁ, কাৰণ সেই তালিকাখনতো আৰ্য নামেৰে কোনো উপ প্ৰজাতি অন্তৰ্ভুক্ত হোৱা নাই। সেয়ে আৰ্যসকলক নৃতাত্ত্বিক দৃষ্টিভংগীৰে বিচাৰ কৰা সম্ভৰ নহয়।

আৰ্যসকল এক নৃ-গোষ্ঠীসম্ভূত নহয় যদিও তেওঁলোক আছিল উন্নত কৃষি পদ্ধতিসমৃদ্ধ, সাংগঠনিক শক্তিসম্পন্ন, সহজে সকলোৰে লগত মিলি যাব পৰা, মিলাব পৰা গুণযুক্ত আৰু এখন নতুন সমাজ গঢ়াৰ বাবে অত্যাৱশ্যক বহু উপাদানৰ সমাহাৰেৰে

গঠিত এক সংমিশ্রিত জনসমষ্টি। মন কৰিবলগীয়া যে,— আর্যসকলৰ জাতিগত প্রসাৰতকৈ তেওঁলোকৰ উৎপাদন কৌশল আৰু জীৱন যাত্রা পদ্ধতিৰহে (ইয়াৰ ভিতৰত ভাষাকো ধৰিব লাগিব, কাৰণ আদিম লোকে অত্যাৱশ্যকীয় বুলি বিবেচনা কৰা আর্য পূজা পদ্ধতি গ্রহণ কৰাৰ লগে লগে তেওঁলোকৰ উচ্চ ভাব প্রকাশক ভাষাও গ্রহণ কৰিছিল) প্রসাৰ ঘটিছিল। কাৰণ আদিবাসীসকলে আর্যসকলৰ অনুষ্ঠানৰ লগত গভীৰভাৱে জড়িত থকা নতুন উৎপাদনত আহিলাবোৰকো অত্যাৱশ্যকীয় বস্তু বুলি গ্রহণ কৰিছিল।

উন্নত কৃষি কর্মৰ অধিকাৰী, ধাতুবিদ্যাত পাৰদর্শী এই আর্যসকলে ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰ বিকাশত এক গুৰুত্বপূর্ণ ভুমিকা গ্রহণ কৰিছিল। এই ক্ষেত্রত ডি. ডি. কৌশাম্বীয়ে কোৱা এযাৰ মন্তব্য উল্লেখযোগ্য— "আর্যসকলে যিহকে শুজা যেন পাইছিল তাকে সংস্পর্শলৈ অহা সকলো লোকৰ পৰা গ্রহণ কৰিছিল। সাধাৰণতে তেওঁলোকৰ দৈহিক আৰু প্রজননমূলক বৈশিষ্ট্য একে বুলিব নোৱাৰি। তেওঁলোকৰ মাজত তুলি লোৱা প্রথা ব্যাপকভাৱে প্রচলিত আছিল আৰু বিভিন্ন ধৰণৰ সংসর্গ আৰু বিজয়ৰ দ্বাৰা আর্য কৰা মানুহৰ লগত তেওঁলোকৰ বিয়া-বাৰু হৈছিল।" সিন্ধু আৰু গঙ্গা উপত্যকাত পশ্চিম বিহাৰ পর্যন্ত আর্যসকলৰ আছিল অখণ্ড বিস্তাৰ; তাৰ পূবফালে বংগ, অসম আদিত বিক্ষিপ্তভাৱে তেওঁলোকে বিস্তাৰ লাভ কৰিছিল। হয়তো সৰু সৰু দলত বিভিন্ন সময়ত আর্যসকল পূবলৈ আগবাঢ়িছিল। কিন্তু কেতিয়াৰে পৰা আর্যসকলে অসমত প্রৱেশ কৰিলে তাৰ কোনো সঠিক তথ্য উপলব্ধ নহয়। *কালিকা পুৰাণত* পোৱা যায় যে নৰকে কিৰাতসকলৰ সাগৰৰ পাৰলৈকে খেদি কৰতোয়া আৰু ললিতাকান্তাৰ অন্তর্ৱর্তী অঞ্চলত দ্বিজ (ইণ্ডো-আর্য, ব্রাহ্মণ)সকলক প্রতিষ্ঠা কৰে। অৱশ্যে পৰৱর্তীসময়ত তেওঁ আর্য গোষ্ঠীসম্ভূত ব্রাহ্মণসকলৰ ওপৰত অত্যাচাৰ কৰাৰ বাবে শ্রীকৃষ্ণই আহি তেওঁক বধ কৰি এই ভূখণ্ডত আর্য সভ্যতা প্রতিষ্ঠা কৰে। বর্তমান নৰক এটা বংশৰ নাম বুলি বিশ্বাস কৰাৰ বাবে কোনজন নৰকে এই কার্য সম্পাদন কৰিছিল সেয়া ঠাৱৰ কৰা কঠিন। *মহাভাৰত-ৰামায়ণ* আদিতো প্রাগ্‌জ্যোতিষপুৰৰ নাম উল্লেখ আছে। তাৰ পৰাই অনুমান কৰিব পাৰি যে আর্যসকলে এই ভূখণ্ডৰ কথা জানিছিল। সপ্তম শতিকাত কামৰূপৰ ক্ষত্রিয় ৰজা ভাস্কৰ বর্মনৰ প্রত্নলিপিৰ পৰা জনা যায় যে কামৰূপত ব্রাহ্মণ আৰু ক্ষত্রিয় লোক আছিল। বর্মন বংশৰ আদি ৰজা পুষ্যবর্মনৰ কাল আনুমানিক খ্রীঃ পূঃ ৩য় শতিকা, নিশ্চয় তাৰো পূর্বৰে পৰা কামৰূপলৈ আর্যসকলৰ প্রব্রজন হৈছিল। এই পুৰাকথা তথা ঐতিহাসিক তথ্যসমূহৰ পৰা ধাৰণা হয় যে প্রাক্-ঐতিহাসিক কালতে এই ভূখণ্ডত আর্যসকলে প্রৱেশ কৰে। আর্যসকলে সংস্কৃতি গ্রহণ-বর্জনৰ এক প্রক্রিয়াৰে সমগ্র দেশতে নিজৰ স্থিতি সবল কৰি তোলে। এই প্রক্রিয়াটোক 'আর্যীকৰণ' বা 'সংস্কৃতায়ন' বুলি সমালোচক-গৱেষকসকলে অভিহিত কৰিছে। ই এনে এক প্রক্রিয়া "যাৰ দ্বাৰা জনজাতি বা অইন গোষ্ঠীৰ লোকসকলে নিজৰ নীতি-নিয়ম, বিশ্বাস, আদর্শ আৰু জীৱন ধাৰণৰ পদ্ধতি সলনি কৰি উচ্চ হিন্দুৰ জীৱন যাত্রা গ্রহণ কৰে আৰু সেই পর্যায়লৈ যায়।" এই প্রক্রিয়াটোৰ বাবে জনজাতিসকলৰ কৃষি অর্থনীতি

বিশেষভাৱে লাভৱান হৈছিল কিন্তু নব্য হিন্দু হিচাপে তেওঁলোকক সমাজৰ নিম্ন স্তৰতহে স্থান দিয়া হৈছিল। আনহাতে হিন্দু কাঠামোটোৰ মাজত সোমাই পৰাৰ লগে লগে কেতবোৰ শোষণৰ বাট মুকলি হৈ পৰিছিল। আর্যসকলৰ আগমনে বর্ণবাদী ব্যৱস্থাটিও অসমীয়া সমাজ জীৱনৰ অংগ কৰি তুলিলে, অৱশ্যে জাত-পাতৰ লগত পৰিচয় নথকা থলুৱা জনগোষ্ঠীসমূহে সেই বর্ণবাদী ব্যৱস্থাটি গ্রহণ কৰিবলৈ মুঠেই সাজু নাছিল আৰু সেইবাবেই সংঘাত অনিবার্য হৈ পৰিছিল।

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে বিভিন্ন সময়ত অসমলৈ ভিন্ ভিন্ নৃ-গোষ্ঠীৰ প্রব্রজন ঘটিছিল। তেওঁলোকৰ মাজত অৱশ্যম্ভাৱীভাৱে সংঘটিত হৈছিল সংঘাত; কিন্তু এটা সময়ত আর্যসকলে নিজৰ প্রভাৱ বৃদ্ধি কৰি আর্যীকৰণ প্রক্রিয়াৰে প্রায় সকলোৰে ওপৰত প্রভাৱ বিস্তাৰ কৰিলে আৰু অসমতো বর্ণবাদী প্রথা আৰম্ভ কৰে। উল্লেখ্য যে, অসমত বসবাস কৰা লোকসকলৰ ভিতৰত মংগোলীয় প্রজাতিৰ লোকৰ সংখ্যাই আটাইতকৈ বেছি যদিও ককেছীয় প্রজাতিৰ লোকৰ সংখ্যাও কম নহয়। কিন্তু যুগ যুগ ধৰি পৰিৱেশ আৰু সংমিশ্রণৰ প্রক্রিয়াই প্রজাতিসমূহক এনেভাৱে সানমিহলি কৰি পেলাইছে যে বিশুদ্ধ কোনো এক প্রজাতিৰ লোক নাই বুলিবই পাৰি। ভূৱন মোহন দাসৰ ভাষাৰে ক'ব পাৰি—

> Thus, a glance at the racial elements in the populations of Assam reveals that Assam is a meeting place of various ethnic stocks having diverse socio-cultural backgrounds who came to this part of the country in different times from different directions. In this course of times these populations contributeed their respective shares towards the growth and development of a composite Assamese people and culture. (Das, 2010, p. 130)

এই কথাৰ আধাৰত ধাৰণা কৰিব পাৰি যে অসমৰ জনগাঁথনিও এই কেউটা প্রজাতীয় উপাদানেৰেই গঠিত। অসমীয়া জাতি-গঠন প্রক্রিয়াত তিনিটা মুখ্য প্রজাতিৰ লোকে অংশগ্রহণ কৰিছে। সেইকেইটা হ'ল— অষ্ট্রেলীয়, ককেছীয় আৰু মংগোলীয়। ভাৰতবর্ষত অষ্ট্রেলীয়ক প্রায়-অষ্ট্রেলীয়, প্রাক্-দ্রাবিড়, নিষাদ, ভেড্ডিড আদি বিভিন্ন নামেৰে জনা যায়। কোনো কোনো নৃতাত্ত্বিকে আকৌ অষ্ট্রেলীয়ক মুখ্য প্রজাতি বুলি স্বীকৃতি দিব নোখোজে; তেওঁলোকে ইয়াক ককেছীয়ৰ এটা প্রকাৰ বুলি গণ্য কৰি প্রত্ন-ককেছীয় বুলি অভিহিত কৰে। অসমীয়া জাতি প্রধানকৈ ককেছীয় প্রজাতিৰ লোকৰ দ্বাৰা গঠিত। ইয়াৰ লগতে মংগোলীয় প্রজাতিৰ বিভিন্ন প্রকাৰ মিলিত হৈছে। এইখিনিতে এটা কথা মন কৰিব লাগে যে অত্যন্ত সীমিত গোষ্ঠীগত জীৱন-যাপন কৰা জনসমষ্টিৰ বাহিৰে বাকী সকলোবোৰ সমষ্টিৰে মাজত তেজৰ সংমিশ্রণ ঘটাৰ ফলত মূল নৃ-গোষ্ঠীসমূহৰ নৃতাত্ত্বিক উপাদানসমূহ স্থিৰ অৱস্থাত ক'তো পাবলৈ নাই। অসমীয়া জাতিটো

সেইবাবে ঘাইকৈ বর্ণসংকৰ ৰূপতেই পোৱা যায়। সকলোখিনি মিলিয়েই সাম্প্রতিক বৃহৎ অসমীয়া জাতিৰ গঠন হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ভাৰতীয় নৃ-গোষ্ঠীৰ প্রজাতিকৰণৰ তালিকাসমূহৰ ভিতৰত কোনখন তালিকা আটাইতকৈ জনপ্রিয় তথা স্বীকৃত? কাৰণ দর্শাৱক। (৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

প্রশ্ন নং ৬ ঃ আর্যসকলক একে নৃ-গোষ্ঠীসম্ভূত জাতি বুলি বিবেচনা কৰা হয়নে?

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমক আগতে কামৰূপ আৰু প্রাগ্‌জ্যোতিষপুৰ বুলিহে কোৱা হৈছিল। 'অসম' নামটো আহোমসকলৰ ৰাজত্বৰ পিছতহে সৃষ্টি হৈছে। 'প্রাগ্‌জ্যোতিষ' নামটো পুৰণি কাব্য, মহাকাব্য, প্রাচীন ইতিহাস, ভ্রমণকাৰীৰ টোকা, প্রত্নতাত্ত্বিক নিদর্শন আদিত উল্লেখ আছে। ভাৰতীয় কিংবদন্তি মতে মহাদেৱৰ ক্রোধানলত ভস্ম হৈ এইখন দেশতে কাম ভাৱৰ অধিপতি দেৱতা কামদেৱে পুনৰ জীৱন লাভ কৰা আখ্যানৰ ভিত্তিত ৰাজ্যখনৰ নাম 'কামৰূপ' হ'ল। অসম ব্রিটিছৰ অধীনলৈ যোৱাৰ পিছৰপৰা এই ভূমিখণ্ডক 'অসম' আৰু ইয়াত বাস কৰা অধিবাসীসকলক 'অসমীয়া' বোলা হ'ল। অধ্যায়টোত এই নাম কেইটাৰ সৃষ্টি সম্পর্কে বহলাই আলোচনা দাঙি ধৰা হৈছে ।
- অসমত বহু জনগোষ্ঠীৰ সংমিশ্রণৰ ফলতেই এটি বৃহৎ অসমীয়া জাতিৰ সৃষ্টি হৈছিল। অসমীয়া এটা সুকীয়া নৃ-গোষ্ঠী নহয়, অসমীয়া এটা জাতিসত্তাৰ নাম। প্রাক্-ঔপনিবেশিক যুগত অসমীয়া বুলি কোনো জাতি/জাতিসত্তা নাছিল; কিন্তু অসমীয়া জাতিসত্তা গঠনৰ আধাৰবোৰ প্রাক্-ঔপনিবেশিক যুগতেই এক ঐতিহাসিক প্রক্রিয়াৰে গঢ় লৈ উঠিছিল।
- আৱয়ৱিক বৈশিষ্ট্য আৰু গাৰ বৰণৰ ভেটিত পৃথিৱীৰ মানুহক ককেছীয়, মংগোলীয়, নেগ্রিটো আৰু অষ্ট্রেলীয়— এই চাৰিটা প্রধান নৃ-গোষ্ঠীত বিভক্ত কৰা হৈছে। নৃতাত্ত্বিক দৃষ্টিৰে অসমীয়া

জাতি গঠন প্রক্রিয়াত অষ্ট্রেলীয়, মংগোলীয় আৰু ককেছীয় এই তিনি মুখ্য প্রজাতিৰ লোকে অংশগ্রহণ কৰিছে। এই বিষয়েও অধ্যায়টোত বিস্তৃতভাৰে আলোচনা সন্নিৰিষ্ট কৰা হৈছে।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) অসম সাহিত্য সভা (১৯৮৭); *অসমীয়া জাতিৰ ইতিবৃত্ত;* পাঠশালা ঃ সাহিত্য সভাৰ পাঠশালা অধিৱেশন।

২) আচার্য্য, নগেন্দ্র নাথ (১৯৬৮); *অসমৰ ঐতিহাসিক ভূচিত্রাৱলী;* গুৱাহাটী।

৩) কাকতি, বাণীকান্ত (২০০৬); *বাণীকান্ত ৰচনাৱলী, অসমীয়া খণ্ড;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৪) কৌশাম্বী, ডি. ডি. (১৯৮১); *ভাৰতৰ ইতিহাস;* (ভট্টাচার্য, বীৰেন্দ্র কুমাৰৰ অনুঃ) গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ (প্রথম প্রকাশ ১৯৫৬) ।

৫) খাৰঘৰীয়া, যুগল (সম্পা.), (২০০৯); *অসমীয়া জনপ্রৱাহৰ সংস্কৃতি;* শিৱসাগৰ ঃ জয়সাগৰ সাহিত্য সভা ।

৬) গগৈ, লীলা, (২০০৬); *অসমৰ সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৭) গগৈ, হীৰেন (২০০৪); *অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত;* গুৱাহাটী ঃ অসম প্রকাশন ন্যাস।

৮) গেইট, এডবার্ড (১৯৯১); *অসম বুৰঞ্জী;* (বেগম, চেনেহীৰ অনুঃ) গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল (প্রথম প্রকাশ ১৯০৬)।

৯) চলিহা, সদানন্দ (১৯৯১); 'অসমৰ জনগোষ্ঠীত মঙ্গোলীয় উপাদান'; গোস্বামী, প্রকাশ আৰু চৌধুৰী, সতীশ চন্দ্র (সম্পা.)ৰ *বুৰঞ্জীৰ প্রকৃতি আৰু স্বৰূপ* (পৃ. ৫০-৫৬); যোৰহাট ঃ অসম সাহিত্য সভা।

১০) ঠাকুৰ, নগেন (১৯৮৩); *ভাৰতীয় ভাষাৰ পৰিচয়;* গোলাঘাট ঃ ভাৰতী বুক ষ্টল।

১১) দলৈ, ভট্টাচার্য্য, শ্রীচক্রেশ্বৰ (সানুবাদম) (১৯৭২); *যোগিনীতন্ত্রম;* গুৱাহাটী ঃ দত্তবৰুৱা এণ্ড কোম্পানী।

১২) দাস, ভুবন মোহন (২০০৫); 'জনগোষ্ঠীত প্রজাতীয় উপাদান'; অসম সাহিত্য সভাৰ *অসমীয়া জাতিৰ ইতিহাস* (পৃ. ৯-৩০); যোৰহাট ঃ অসম সাহিত্য সভা।

১৩) বৰা, দিলীপ (২০০৮); *সমাজ সাহিত্য আৰু সংহতি;* গুৱাহাটী ঃ ভৱানী অফচেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্রাঃ লিঃ।

১৪) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড*, অসম ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১৫) মহন্ত, প্রফুল্ল (২০০৯); *জনগোষ্ঠীগত চেতনা ঃ আত্মপ্রতিষ্ঠাৰ প্রশ্ন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৬) ৰাজবংশী, পৰমানন্দ (সম্পাঃ), (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ অসমীয়া বিভাগ, প্রাগ্‌জ্যোতিষ মহাবিদ্যালয়।

১৭) ৰাভা, বিষ্ণু (১৯৮২); *বিষ্ণু ৰাভাৰ ৰচনাৱলী, প্রথম খণ্ড;* নলবাৰী ঃ বিষ্ণু ৰাভা সোঁৱৰণী গৱেষণা সমিতি।

১৮) সিং, মনজিৎ আৰু নাথ, সুৰেশ কুমাৰ (সম্পাঃ), (২০০৯); *সাহিত্য সংস্কৃতি আৰু অন্যান্য প্রসঙ্গ;* গুৱাহাটী ঃ আপ্পুকাছ (Association of Past and Present Office - Bearers of Cotton College Union Society - APPOCCUS)।

ইংৰাজী গ্রন্থ ঃ

১৯) Baruah, K. L. (1978). *Early History of Kamrupa*. New Delhi: Sahitya Academy.

২০) Chatterji, S. K. (1974). *Kirat Jana Kriti*. Kolkata: The Asiatic Society.

২১) Chatterji, S. K. (1970). *The Place of Assam in the History and Civilisation of India*. Guwahati: Gauhati University.

২২) Das, B. M. (2010). *The People of Assam*. New Delhi: Gyan Publishing House.

২৩) Dordrecht (1724). François Valentijn's *Oud en nieuwOost-Indien*. Natherland: s.l.

২৪) Kakati, B. K. (1941). *Assamese : Its Formation and Development.* Shillong: Government of Assam.

২৫) Kosambi, D. D. (1965). *The Culture and Civilisation of Ancient India in Historical Outline*. London: Routledge & Kegan Paul.

২৬) Lenski, G. E. (1966). *Power and Privilege: A Theory of Social Satisfaction.* New York: McGraw Hills.

২৭) Nath, R. (1949). *The Background of Assamese Culture*. Shillong. s.n

২৮) Olivier, G. (1958). 'Physical Anthropology of the Nagas of Assam', *Man in India,* 38.

২৯) Thapar, R. (1990). *A History of India* (Vol 1). Penguin Books. s.n.

৩০) Das, M. M. (1994). *Ethnic Elements in North East India. In : Bulletia of*

the Department of Anthropology, Dibrugarh University. Vol. 22 pg 1-12. Dibrugarh: Registrar, Dibrugarh University.



১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অষ্ট্ৰিক (খ) *পেৰিপ্লাছ অব্ দি এৰিথ্ৰিয়ান ছি*
(গ) হিউ-ৱেন-চাঙে (ঘ) আহোম

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ফৰাছী বিপ্লৱৰ পিছৰ পৰাহে আধুনিক অৰ্থত জাতিৰ ধাৰণা গঢ় লয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আৰ্যীকৰণৰ মাজেদি বিভিন্ন মংগোলীয় জনগোষ্ঠীৰ সংস্কৃতিক আৰ্য-হিন্দু সুঁতিৰ মাজত উদাৰভাৱে সামৰি লোৱা হৈছিল। এনেদৰে হিন্দু হোৱা জনগোষ্ঠী সমূহক অসমীয়া জাতিসত্তাৰ গুৰুত্বপূৰ্ণ উপাদান ৰূপে বিবেচনা কৰা হৈছিল। শংকৰদেৱৰ ভক্তিধৰ্ম 'অসমীয়া জাতি'ৰ ধাৰণাৰ এটা প্ৰধান আধাৰ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় নৃ-গোষ্ঠী সম্পৰ্কে কৰা প্ৰজাতিকৰণৰ তালিকাসমূহৰ ভিতৰত বিৰজা শংকৰ গুহৰ প্ৰজাতিকৰণ তালিকাখনেই আটাইতকৈ জনপ্ৰিয় তথা স্বীকৃত; কাৰণ এই তালিকাখন যিবিলাক তথ্যৰ আধাৰত লিপিবদ্ধ কৰা হৈছে সেই তথ্যসমূহ সকলোৰে বাবে সহজলভ্য। সেয়ে কোনোবাই ভাৰতীয় জনগাঁথনিৰ প্ৰজাতিগত উপাদানৰ বিষয়ে আলোচনাত প্ৰবৃত্ত হ'লেই এই তালিকাখনলৈকে আঙুলিয়াই দিয়ে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নহয়।



১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) অসমৰ পৌৰাণিক নাম কি আছিল?

(খ) অৰুণাচল প্ৰদেশ কোন চনত পূৰ্ণ পৰ্যায়ৰ ৰাজ্য হিচাপে স্বীকৃত হয়?

(গ) অসমৰ চাহ বাগিচাৰ বনুৱাসকল কোন নৃ-গোষ্ঠীয় প্ৰজাতিৰ অন্তৰ্গত?

(ঘ) পৃথিৱীৰ মানুহক কেইটা প্ৰধান নৃ-গোষ্ঠীত বিভক্ত কৰা হৈছে আৰু কি কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'অসম' নামৰ উৎপত্তি সম্বন্ধে এটি চমু টোকা লিখক।

প্রশ্ন ২ ঃ বর্তমান অসমৰ ভৌগোলিক অৱস্থান সম্পর্কে বহলাই আলোচনা কৰক?

প্রশ্ন ৩ ঃ অসমীয়া জাতি বুলিলে কি বুজে? ইয়াৰ স্বৰূপ ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ আৰু অসম নামৰ উৎপত্তি সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ অসমীয়া জাতি-গঠন প্রক্রিয়া সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ ভাৰতীয় মানুহৰ মাজত থকা নৃগোষ্ঠীয় প্রজাতিসমূহ কি কি? ইয়াৰ আধাৰত অসমৰ জাতি-জনজাতিৰ এটি নৃতাত্ত্বিক বিশ্লেষণ আগ বঢ়াওক।

*** ***** ***

অধ্যায় ২ ঃ সংস্কৃতি — চমু পৰিচয়

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ সংস্কৃতি — সাধাৰণ পৰিচয়

২.৪ সংস্কৃতিৰ সংজ্ঞা

২.৫ সংস্কৃতিৰ স্বৰূপ

২.৬ সংস্কৃতিৰ উপাদান

২.৭ সংস্কৃতিৰ বৈশিষ্ট্য

২.৮ সংস্কৃতিৰ বিভিন্ন ভাগ

২.৮.১ অভিজাত সংস্কৃতি বা মার্গীয় সংস্কৃতি

২.৮.২ লোকসংস্কৃতি বা জনকৃষ্টি

২.৮.৩ জনজাতীয় সংস্কৃতি

২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১০ অধিক জানিবলৈ

২.১১ অগ্রগতিৰ খতিয়ান

২.১২ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ব্যক্তি, সমাজ, সভ্যতা আৰু সংস্কৃতি কেনেকৈ পৰস্পৰৰ লগত সম্বন্ধযুক্ত তাৰ সাধাৰণ আভাস লাভ কৰিব
- সংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- সংস্কৃতিৰ স্বৰূপ কেনে সেয়া জানিব পাৰিব
- সংস্কৃতিৰ বৈশিষ্ট্যসমূহৰ লগত পৰিচিত হ'ব
- সংস্কৃতিৰ উপাদানসমূহৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- সংস্কৃতিৰ বিভিন্ন ভাগসমূহৰ লগত পৰিচিত হ'ব
- মার্গীয়, লোক আৰু জনজাতীয় সংস্কৃতিৰ সাধাৰণ পৰিচয় লাভ কৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি 'অসম' নামৰ উৎপত্তি, ইয়াৰ ভৌগোলিক অৱস্থিতি,

আৰু নৃ-তাত্ত্বিক দৃষ্টিভংগীৰে অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পৰ্কে অধ্যয়ন কৰিলে। এই অধ্যায়টোত আপুনি সংস্কৃতিৰ সাধাৰণ পৰিচতি লাভ কৰিব। কোনো এটা জাতিৰ বিষয়ে সম্পূৰ্ণভাৱে জানিবলৈ হ'লে আমি সেই জাতিৰ সংস্কৃতি অধ্যয়ন কৰাতো বাধ্যতামূলক। সংস্কৃতি হ'ল সামাজিক আচৰণ বিশেষ। সামাজিক জীৱ হিচাপে মানুহে সম্পাদন কৰা বিভিন্ন কৃতিৰ সমন্বয়তে সংস্কৃতিৰ জন্ম। অসমীয়া সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰাৰ আগতে আমি 'সংস্কৃতি' মানেনো কি, ইয়াৰ লক্ষণ, উপাদান, বৈশিষ্ট্য আদিৰ বিষয়ে সম্যক ধাৰণা ল'ব লাগিব।

পৰিৱৰ্তনশীল সময়ৰ লগে লগে সমাজলৈ পৰিৱৰ্তন আহে, ঠিক তেনেদৰে পৰিৱৰ্তন ঘটে সংস্কৃতিৰ অৱয়বৰো। সংস্কৃতিৰ বৈশিষ্ট্যসমূহৰ আধাৰত আকৌ ইয়াক তিনিটা শ্ৰেণীত বিভক্ত কৰা হয়, যথা— লোকসংস্কৃতি, জনজাতীয় সংস্কৃতি আৰু অভিজাত সংস্কৃতি। উল্লেখযোগ্য যে, এই তিনিবিধ সংস্কৃতিৰ মাজত আকৌ সদায় অন্যোন্য প্ৰক্ৰিয়া চলি থাকে। আনহাতে সংস্কৃতিত স্থবিৰতা আৰু গতিশীলতা— উভয় বৈশিষ্ট্যই বিদ্যমান। এই অধ্যায়টিত সংস্কৃতিৰ লগত জড়িত এনেবোৰ বিষয় সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হৈছে। অধ্যায়টি অধ্যয়ন কৰি আপুনি সংস্কৃতি সম্পৰ্কে সঠিক ধাৰণা লাভ কৰিব।

২.৩ সংস্কৃতি ঃ সাধাৰণ পৰিচয়

প্ৰতিজন মানুহ স্বতন্ত্ৰ সত্তা, স্বভাৱ-চৰিত্ৰ, অভ্যাস আৰু ভিন ভিন বৈশিষ্ট্য আদিৰ সমষ্টি। এই সকলোবোৰ মিলি একোজন ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ পায়। বিভিন্ন শাৰীৰিক ক্ৰিয়া আৰু কাৰ্যৰ দ্বাৰা ব্যক্তিৰ এই বৈশিষ্ট্যসমূহ প্ৰকাশ পায় অথবা দৃষ্টিগোচৰ হয়। ব্যক্তিৰ এই আচৰণ আৰু কাৰ্যাৱলীসমূহক মূৰ্ত ৰূপ প্ৰদান কৰাত সমাজে বিশেষ ভূমিকা গ্ৰহণ কৰে। ব্যক্তিসকলে য'ত সংগঠিত ৰূপত সমষ্টিগতভাৱে বাস কৰে সেই ক্ষেত্ৰখনকে সমাজ আখ্যা দিয়া হয়। অৰ্থাৎ নিৰ্দিষ্ট জীৱন পদ্ধতি অনুসৰণকাৰী সংগঠিত ব্যক্তি সমষ্টিয়েই সমাজ। এই সংগঠিত ৰূপত সমষ্টিত বাস কৰা বৈশিষ্ট্যৰ পৰাই সামাজিক জীৱ হিচাপে মানুহ যে অন্যান্য প্ৰাণীৰ পৰা পৃথক সেইটো স্পষ্ট হয়। সেয়েহে কেইটামান বিশেষ জৈৱিক দিশৰ বাহিৰে অন্যান্য প্ৰাণীৰ লগত মানুহৰ জীৱন পদ্ধতিৰ কোনো সাদৃশ্য নাই। মানুহক সমাজৰ একোটা অংশ বুলি কোৱাৰ লগে লগে সামাজিক অনুষ্ঠানটোৰ বিভিন্ন দিশ, যেনে তাৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক ৰূপ বা গাঁথনি, পাৰিবাৰিক আৰু পাৰস্পৰিক সম্পৰ্ক ইত্যাদি বিভিন্ন দিশৰ কথাও এই প্ৰসঙ্গৰ মাজলৈ আহে। সামাজিক সংগঠনৰ মাধ্যমেদি মানুহৰ ব্যক্তিগত আৰু সামাজিক আচৰণ প্ৰকাশ পায়। ব্যক্তি ভেদে ব্যক্তিগত আচৰণ ভিন্ন হ'লেও সামূহিকভাৱে সেই আচৰণৰ মাজত সদায় কিছু সাদৃশ্য থাকে। জন্ম-মৃত্যুৰ চক্ৰৰ মাজেদি মানৱ সমাজখন এটা যুগৰ পৰা পৰৱৰ্তী যুগলৈ আগবাঢ়ি গৈ থাকে। মানৱ জীৱনৰ এই নিৰবচ্ছিন্ন ধাৰাৰ লগে লগে সমাজখনে নিৰ্মাণ কৰি লোৱা আচাৰ-নীতি-ব্যৱস্থাও প্ৰৱহমান হৈ থাকে। লোকসংস্কৃতিৰ গৱেষক-পণ্ডিতসকলে কোৱাৰ দৰে আচৰণৰ অৱস্থা আৰু পদ্ধতিয়ে সমাজ আৰু সংস্কৃতিক পুৰুষানুক্ৰমে জীয়াই ৰাখে। সেই দিশৰ পৰা চাবলৈ গ'লে সামাজিক

প্ৰৱাহে (Social Continuity) সাংস্কৃতিক প্ৰৱাহক জীয়াই ৰাখে, অথবা ত্ৰেটা আনটোৰ পৰিপূৰক। এই সামাজিক প্ৰৱাহৰ নিৰৱচ্ছিন্ন ধাৰাটোৱেই সভ্যতাক একোটা স্থিতি প্ৰদান কৰাৰ লগতে সভ্যতাৰ বিস্তাৰত অৱিহণা যোগায়।

সভ্যতা অর্থাৎ ইংৰাজী Civilisation শব্দৰ আভিধানিক অর্থ হৈছে — সাহিত্য, বিজ্ঞান, দর্শন আদিত উৎকর্ষ সাধন কৰা উন্নত মানৰ সমাজ ব্যৱস্থা। সংস্কৃতিৰ গৱেষক-পণ্ডিতসকলে সভ্যতাক সংস্কৃতি যৌগ (Culture Complex) হিচাপে আখ্যা দিছে। আলোচনাৰ সুবিধাৰ বাবে তেওঁলোকে সমাজক তিনিটা স্তৰত ভাগ কৰিছে — (১) বন্য স্তৰ (২) বর্ৱৰ স্তৰ আৰু (৩) সভ্য স্তৰ। সভ্যতাৰ বিকাশৰ আলোচনাত 'সভ্য স্তৰ'ৰ গুৰুত্ব আছে। কিয়নো এইটো স্তৰতে নগৰ সৃষ্টি, কলা শিল্প, সাহিত্য আৰু বিজ্ঞানৰ উত্তৰোত্তৰ বিকাশৰ লগতে মুদ্রণশিল্পৰ বিকাশ সাধন হয়। ইয়াৰ পৰা এইটো ধাৰণা কৰিব পাৰি যে সভ্যতাই একোটা নির্দিষ্ট সংস্কৃতিক প্ৰতিনিধিত্ব কৰে। সংস্কৃতিক উপাদানসমূহেই সভ্যতা। ই দিনৰ পাছত দিন ধৰি সঞ্চিত হৈ গৈ থাকে। সভ্যতাৰ বিষয়ে মনত ৰাখিব লগীয়া কথাটো হৈছে যে ইয়াৰ উন্নতি বা অৱনতি নির্ভৰ কৰে সেই নির্দিষ্ট সভ্যতা বহন কৰা সমাজখনত স্থিতি লাভ কৰা ব্যক্তিসমূহে প্ৰদর্শন কৰা আচৰণৰ ওপৰত। এখন সমাজত প্ৰচলিত আচৰণ অন্য এখন সমাজত গ্ৰহণীয় নহ'বও পাৰে। সমাজ বিশেষত পৰম্পৰাগতভাৱে চলি থকা আচাৰ-আচৰণৰ মাজেদি সমাজখনৰ বৈশিষ্ট্যপূর্ণ দিশ উন্মোচিত হয়। এই বৈশিষ্ট্যপূর্ণ দিশটোৱেই হৈছে সমাজখনৰ Culture বা সংস্কৃতি।

Culture শব্দটোৰ মূল বিচাৰ কৰিলে দেখিম যে পোন প্ৰথমবাৰৰ বাবে এডৱার্ড টাইলাৰে ১৮৬৫ চনত এই শব্দটো ব্যৱহাৰ কৰিছিল। Culture পদটোৰ মূল হৈছে লেটিন ভাষাৰ 'কোল' ধাতুজাত Colere বা Cūltura অথবা কুলতুৰা। Colere বা Cūltura শব্দৰ অর্থ কর্ষণ কৰা বা খেতি কৰা। গতিকে সংস্কৃত কৃষ্টি আৰু লেটিন Cūltura মাজত যে অর্থৰ ফালৰ পৰা মিল আছে, সেই প্ৰসঙ্গত সন্দেহৰ অৱকাশ নাই। আমাৰ গ্ৰাম্য সমাজত খেতিৰ বতৰত কৃষিভূমিত এটা চিনাকি দৃশ্য প্ৰত্যক্ষ কৰিবলৈ পোৱা যায়— খেতিয়কে বলদ হালত ডিঙিত নাঙল-যুঁৱলি যুতি লৈ হাল বাই যায়। হাল বোৱাৰ পিছত সেই মাটি ডৰা মৈয়াই শস্যৰ বীজ সিঁচাৰ বাবে মাটি ডৰা প্ৰস্তুত কৰা হয়। ভালদৰে মৈয়োৱা কৃষি ভূমিত চটিওৱা বীজৰ শস্য ভাল হয়। সেইদৰে মৈ দিয়া পদ্ধতিটোৱো সমানেই তাৎপর্যপূর্ণ। ***মৈ*** দিওঁতে খেতিয়কজনে মৈত উঠি বলদ গৰু হাল বা ম'হ হালক নির্দেশ দি সম্পূর্ণ মাটি ডৰা মৈয়াই পেলায়। তেওঁ এইটো কথাৰ প্ৰতি সাৱধান হয় যাতে মৈ দি অনা স্থানত ভৰিৰ খোজ নপৰে। নহ'লে সিঁচি দিয়া বীজৰ পৰা ভাল শস্য প্ৰাপ্তিত কিছু অসুবিধাৰ সৃষ্টি হয়। সংস্কৃতিও এক প্ৰকাৰৰ কর্ষণ— এয়া হৈছে মনৰ কর্ষণ। এই কর্ষণ কার্যত ব্যক্তিয়ে কৃষকৰ ভূমিকা পালন কৰে। সমাজ হৈছে কৃষি ক্ষেত্ৰ আৰু সমাজত বাস কৰা লোকসকলে অভ্যাস কৰা আচাৰ-আচৰণসমূহ হৈছে সেই বীজ, যাৰ অভ্যাস আৰু উপযুক্ত সংৰক্ষণে সংস্কৃতিৰ জন্ম দিয়ে। বীজৰ পৰা ভাল শস্য পাবলৈ কৃষকে যথেষ্ট যত্ন কৰিব লগীয়া হয়। সেইদৰে সংস্কৃতিক যথার্থ ৰূপত সুন্দৰ কৰি গঢ় দিবলৈ হ'লে ব্যক্তিৰ সেই প্ৰয়াস হ'ব লাগিব পৰিপূর্ণ আৰু এই সৃষ্টি



মৈ ঃ চাহকৰা মাটি সমান কৰিবলৈ বা সিঁচা গুটি মাটিৰ তল পৰিবলৈ ব্যৱহাৰ কৰা দুচলা ফলীয়া বাঁহৰ এক খেতিৰ সঁজুলি। (তাত খেতিয়ক উঠি গৰু বা ম'হৰ দ্বাৰাই টনাই নিয়ে।)

বা নির্মাণ কার্যত (সংস্কৃতি নির্মাণ) তেওঁ অন্তঃকৰণেৰে সৈতে যুক্ত হ'ব লাগিব। স্বৰূপার্থত তেতিয়াহে সংস্কৃতিয়ে এক দৃঢ় ৰূপত গঢ় লৈ উঠে। লোকসংস্কৃতিৰ গৱেষক পণ্ডিত নবীন চন্দ্র শর্মাই তেওঁৰ গ্রন্থৰ *অসমীয়া লোকসংস্কৃতিৰ আভাস*ত উল্লেখ কৰিছে যে কার্য সাধনৰ ফালৰপৰা লেটিনৰ 'কোল' ধাতুজাত 'কুলতুৰা' আৰু ইন্দো-আর্য গোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ সাদৃশ্য লক্ষণীয়। কৃষ বা কর্ষণত মার্জিত বা ৰুচিবান হোৱাৰ প্রৱণতাও বর্তমান।

আন এজন অসমীয়া লোকসংস্কৃতিবিদ প্রফুল্ল দত্ত গোস্বামীয়ে তেওঁৰ গ্রন্থ *অসমীয়া জন-সাহিত্য*ত উল্লেখ কৰি গৈছে —

> অসমীয়া ভাষাত সংস্কৃতি, কৃষ্টি আদি শব্দ সমার্থক ৰূপে ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়, আৰু নৃ-তত্ত্ব নাইবা সমাজতত্ত্বৰ কালচাৰ শব্দৰ প্রতিশব্দ ৰূপে বহুত সময়ত সংস্কৃতি কথাযাৰ চলে। কালচাৰৰ অর্থ ব্যাপক আৰু তাৰ প্রতিশব্দ সংস্কৃতি নকৰিলেই ভাল। কোনো এক অঞ্চলৰ সমাজে যি ধৰণে খাই লৈ কৰি জীয়াই থাকে তাৰ সকলোখিনি লৈ কালচাৰ। কালচাৰে খোৱা-বোৱা, গালি-শপনি পৰা, ছোৱালী পলুৱাই নিয়া, নাইবা পিন্ধন উৰণৰ পৰা গীতপদ গোৱালৈকে সকলো সামাজিক ৰুচি, আচাৰ চিন্তা আৰু কর্ম সামৰে। ইয়াৰ কেতবিলাক আপুনি সমর্থনযোগ্য বুলি ভাবিব পাৰে আৰু আন কেতবিলাক অহিতকাৰী নাইবা নিম্ন ৰুচিৰ বুলিও গণ্য কৰিব পাৰে, কিন্তু এই আটাইবিলাক লৈয়ে কালচাৰ। এই অর্থ কালচাৰৰ প্রতিশব্দ হিচাপে কৃষ্টি শব্দ সমর্থন কৰিব পাৰি, কিন্তু যেতিয়া সংস্কাৰৰ কথা উঠে, তেতিয়া যিখিনি ভাল, বিশিষ্ট, অর্থাৎ 'কালচাৰড্' (Cultured) তাৰ কথাহে চিন্তা কৰিব লাগে।... ...কৃষ্টিৰ ব্যঞ্জনা ব্যাপক, সংস্কৃতিৰ তাতকৈ সীমাবদ্ধ। কৃষ্টিয়ে সংস্কৃতিকো সামৰে, আনহাতে কৃষ্টিত সময়ৰ লগে লগে পৰিৰ্তনো ঘটে আৰু এই পৰিবর্তনে সংস্কৃতিৰো ৰূপ সলায়...।

প্রফুল্ল দত্ত গোস্বামীয়ে তেওঁৰ গ্রন্থত এইদৰেই কৃষ্টি আৰু সংস্কৃতিৰ মাজত থকা সূক্ষ্ম অথচ মৌলিক পার্থক্যটো আমাৰ আগত দাঙি ধৰিছে।

সমাজত বাস কৰা লোকসকলৰ ভাব-চিন্তা আৰু আদর্শৰ বহিঃপ্রকাশ হৈছে সংস্কৃতি। সংস্কৃতি আয়ত্ব কৰা প্রসঙ্গত ব্যক্তিয়ে সক্রিয় ভূমিকা গ্রহণ কৰে। সংস্কৃতি বুলিলে আমি পৰিশীলিত আচাৰ-আচৰণৰ কথা বুজোঁ। গতিকে এই দৃষ্টিভংগীৰ ফালৰ পৰা বিচাৰ কৰিলে ব্যক্তিয়ে বা সমাজে অনুমোদন জনোৱা সাকাৰাত্মক আচাৰ-আচৰণসমূহ অনুশীলন কৰি তাক আয়ত্ব কৰি সামাজিক আদান-প্রদানৰ বেলিকা সেই জ্ঞান প্রয়োগ কৰে। অৱশ্যে এই ক্ষেত্রত সামাজিক পৰিৱেশ আৰু ব্যক্তি বিশেষৰ মনস্তত্ত্বৰ কথাও মন কৰিবলগীয়া দিশ। সামাজিক জীৱ হিচাপে ব্যক্তি চৌপাশৰ সামাজিক বাতাবৰণ বা পৰিৱেশৰ দ্বাৰা প্রভাৱিত নোহোৱাকৈ নাথাকে। ইয়ে তেওঁৰ মনস্তত্ত্বকো প্রভাৱিত কৰে। ব্যক্তি ভেদে মনস্তাত্ত্বিক গঢ় সুকীয়া। তদুপৰি ইয়াত চৌপাশৰ সমাজখনৰ পাৰিপার্শ্বিক প্রভাৱ আছেই। এই সকলোবোৰ দিশৰ ক্রিয়া-প্রতিক্রিয়াৰ মাজেদি ব্যক্তিৰ মনত সংস্কৃতিৰ চেতনা গঢ় লৈ উঠে। এই সাংস্কৃতিক চেতনাই ব্যক্তিৰ জীৱনৰ গতিপথ নিয়ন্ত্রণ কৰিছে। সেয়েহে জি এন মজুমদাৰ নামৰ নৃ-তত্ত্ববিদ গৰাকীয়ে কৈছে যে সমাজৰ দ্বাৰা ব্যক্তি বিশেষ অনুগৃহীত হ'বলৈ হ'লে তেওঁ সমাজৰ দ্বাৰা স্বীকৃত পথ অনুসৰণ কৰিব লাগে। এই ফালৰ পৰা

সংস্কৃতি ব্যক্তিৰ পথ প্রদর্শক, ই ব্যক্তিক মুক্তিৰ সন্ধান দিয়ে। আনহাতে সামাজিক অনুশাসনৰ দ্বাৰা সংস্কৃতিয়ে মানৱক নিয়ন্ত্রণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ Culture শব্দৰ মূল কি?

.....

প্রশ্ন নং ২ ঃ সংস্কৃতিৰ গৱেষক পণ্ডিতসকলে সভ্যতাক কি হিচাপে আখ্যা দিছে?

.....

২.৪ সংস্কৃতিৰ সংজ্ঞা

ইতিমধ্যে আপুনি সংস্কৃতি মানেনো কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিলে। এতিয়া আমি সংস্কৃতি সম্পর্কে বিভিন্ন সংস্কৃতিবিদ-পণ্ডিতে আগ বঢ়োৱা কেইটিমান সংজ্ঞা সম্পর্কে আলোচনা কৰিম। উল্লেখযোগ্য যে সংস্কৃতিৰ সংজ্ঞা নিৰূপণৰ ক্ষেত্রত বিভিন্নজনৰ মত পার্থক্য আছে। তথাপিতো এই সংজ্ঞাবোৰে সংস্কৃতি একো একোটা স্বৰূপ উদ্ভাসিত কৰি তুলিছে। নৃ-তাত্ত্বিক Edward Burnett Tylor-ৰে তেওঁৰ *Primitive Culture, Vol. 1* নামৰ গ্রন্থখনত সংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰিছে এনেদৰে— "... that complex whole which includes knowledge, belief, art, morals, law, custom, and any after capabilities and habits acquired by man as a member of society." (Tylor, 1920, p. 1)

অর্থাৎ— সমাজৰ অংগীভূত সদস্যৰূপে মানুহে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক কার্যৰ সামগ্রিক ৰূপেই সংস্কৃতি। মানুহ স্বভাৱতে সংগ প্রিয়। পাৰস্পৰিক আদান-প্রদান আৰু সহযোগিতাৰ আধাৰতে সমাজত মানুহ তিষ্ঠি থাকে। মানুহৰ পাৰস্পৰিক সহযোগিতা অবিহনে সমাজ জীৱন অচল। গাইগুটীয়াভাৱে কোনেও সামাজত জীৱন অতিবাহিত কৰিব নোৱাৰে। সামাজিক জীৱন সার্থক কৰিবলৈ হ'লে ব্যক্তিয়ে দ্বিতীয় এজন ব্যক্তিৰ লগত সম্পর্ক স্থাপন কৰিবই লাগিব। এইদৰে পাৰস্পৰিক সম্পর্ক ৰক্ষাৰ মাধ্যমেৰে এক বৃহৎ সামাজিক গোট গঠিত হয়। যাৰ মাজত একে ধৰণৰ বিশ্বাস, পৰম্পৰা, ৰীতি-নীতিয়ে গঢ় লৈ উঠে। সমাজখন প্রসাৰিত হোৱাৰ লগে লগে আৰু এটা যুগৰ পৰা অন্য এটা যুগলৈ সমাজখনৰ বিৱর্তন হোৱাৰ লগে লগে তাত বাস কৰা লোকসকলে আচৰণ কৰা আৰু অনুসৰণ কৰা নীতি-নিয়ম, বিশ্বাস ইত্যাদিত ন ন ধাৰণাৰ সংযোজন ঘটে। সময়ৰ লগত খাপ খোৱাকৈ এই নীতি-নিয়ম, বিশ্বাস, অভ্যাস, ইত্যাদিক ব্যৱহাৰোপযোগী কৰি লোৱা হ'ল। অর্থাৎ এইবোৰৰ মাজত থকা ঋণাত্মক দিশসমূহ আঁতৰাই পৰিশীলিত কৰি লোৱা হ'ল। এই পৰিশীলন বা সংস্কাৰ সাধনৰ ফলত নতুন ৰীতি-নীতি, বিশ্বাস, পৰম্পৰা আদিয়ে সমাজৰ

সৰ্বত্ৰতে মান্যতা লাভ কৰে। কালক্ৰমত সেই সমাজত এই বিলাকেই সংস্কৃতিৰ উপাদান ৰূপে স্বীকৃত হয়। এই সকলোবোৰৰে যৌগিক ৰূপটোকে সংস্কৃতি বোলা হয়।

আন এগৰাকী বিখ্যাত আমেৰিকান নৃ-তত্ত্ববিদ Melville J. Herskovits তেওঁৰ *Man and his Works: The Science of Cultural Anthropology* শীৰ্ষক গ্ৰন্থখনত সংস্কৃতি সম্পৰ্কে কৈ গৈছে যে— "Culture is the man made part of the environment." (Herskorits,1948, p.17) অৰ্থাৎ— মানুহৰ দ্বাৰা সৃষ্ট পাৰিপাৰ্শ্বিক অংশই সংস্কৃতি। ব্যক্তি ভেদে প্ৰত্যেকৰে আচাৰ-আচৰণ বেলেগ বেলেগ; কিন্তু সামাজিক আদান-প্ৰদানৰ বেলিকা ব্যক্তিগত জীৱনৰ পাৰ্থক্যবোৰৰ কথা পাহৰি সমাজৰ আন দহজনে প্ৰদৰ্শন কৰা আচৰণ মানি চলিব লাগে। এইদৰে ভিন্ ভিন্ সামাজিক পৰিৱেশ, পৰিস্থিতিৰ লগত খাপ খুৱাকৈ মানুহে কেতবোৰ আচাৰ-আচৰণ, নীতি-নিয়ম অনুসৰণ কৰে বা পালন কৰে। সময়ৰ সোঁততে সেই আচৰণ তথা নীতিসমূহে সামাজিক মান্যতা লাভ কৰি সেই বিশেষ সমাজখনৰ সাংস্কৃতিক উপাদানৰ ভিতৰুৱা হৈ পৰে। এইদৰে সামাজিক পৰিৱেশৰ অনুকূলে সমাজত বাস কৰা লোকসকলে আচৰণ কৰা আৰু তেওঁলোকৰ দ্বাৰা সৃষ্ট সেই নিয়ম-আচৰণসমূহেই সেই সমাজখনক বিশিষ্টতা প্ৰদান কৰা সাংস্কৃতিক উপাদান হিচাপে চিহ্নিত হয়। সেয়েহে এইটো কোৱা হৈছে যে সংস্কৃতি মানুহে সৃষ্টি কৰা পাৰিপাৰ্শ্বিক অংশৰ বাদে আন একো নহয়।

ঠিক সেইদৰে নৃ-তত্ত্ববিদ William. A. Haviland-যে *Cultural Anthropology: The Human Challenge* নামৰ গ্ৰন্থখনত মন্তব্য আগ বঢ়াইছে যে — "Culture is a set of rules or standards which, when acted upon by the members of a society, produce behaviour that falls within a range of variance the members consider proper and acceptable." (Haviland, 1974. P. 264)

অৰ্থাৎ— এখন সমাজত বাস কৰা সদস্যসকলে সামাজিকভাৱে কিছুমান নিয়ম মানি চলে। এনে নিয়মবোৰৰ বাবেই সেইখন সমাজৰ সকলোৰে গ্ৰহণযোগ্য তথা উপযুক্ত বিভিন্ন আচৰণৰ সৃষ্টি হয়। এনে আচৰণৰ সমষ্টিকেই সংস্কৃতি বোলে। সমাজ জীৱন সুকলমে পৰিচালিত হ'বলৈ হ'লে তাত বাস কৰা লোকসকলে কিছুমান নীতি-নিয়ম আৰু আচাৰ-আচৰণ মানি চলিব লাগে। তেতিয়াহে সামাজিক ধাৰাটোৰ গতি মসৃণ হ'ব। বিভিন্ন সামাজিক আচাৰ-অনুষ্ঠান, বিধি-বিধান আদিৰ লগত কিছুমান নীতি বা নিয়ম জড়িত হৈ থাকে। সেই নীতি-নিয়মসমূহৰ যথোপযুক্ত প্ৰয়োগৰ ফলত ব্যক্তি জীৱনৰ লগতে সমষ্টিগত জীৱনৰ মঙ্গল হয়। ব্যক্তিয়ে নিজৰ বিচাৰ-বিবেচনাৰ আধাৰত কোনবোৰ আচৰণ উচিত আৰু উপযুক্ত তথা কোনবোৰ অনুচিত আৰু অনুপযুক্ত সেয়া স্থিৰ কৰি গ্ৰহণ-বৰ্জনৰ নীতিৰে কিছুমান স্থায়ী সামাজিক পৰম্পৰাৰ গঢ় দিয়ে। সময় সাপেক্ষে আৰু প্ৰয়োজন সাপেক্ষে এই পৰম্পৰাসমূহত নৱ সংযোজন ঘটে অথবা কেতিয়াবা সংশোধনো ঘটে। এই সামাজিক পৰম্পৰাসমূহেই সময়ত সমাজখনৰ পৰিচয় বহনকাৰী সংস্কৃতি বা সাংস্কৃতিক উপাদানৰ ৰূপ পৰিগ্ৰহ কৰে। সেই ফালৰ পৰা চাবলৈ গ'লে সংস্কৃতি সমাজত বাস কৰা সমষ্টিৰ কিছুমান ইতিবাচক আচৰণৰ লগত জড়িত দিশ বুলিও বিবেচনা কৰিব পাৰি।

তিনিগৰাকী প্ৰখ্যাত নৃতত্ত্ববিদ ক্ৰমে এডৱার্ড বার্ণেট টাইলাৰ, মেলভিল জে হার্চকভিট্চ আৰু ৱিলিয়াম এ হাভিলেণ্ডে ভালেকেইটা দিশ বিচাৰ-বিবেচনা কৰি সংস্কৃতিৰ একোটা সুচিন্তিত সংজ্ঞা আগ বঢ়াইছে। মন কৰিবলগীয়া যে তিনিওগৰাকীয়ে সংস্কৃতিৰ সংজ্ঞা আগবঢ়াওঁতে সমাজ বা সামাজিক অনুষ্ঠানটোৰ প্ৰভাৱৰ কথা স্বীকাৰ কৰিছে। তেওঁলোকে আগবঢ়োৱা সংস্কৃতিৰ সংজ্ঞা কেইটাত কেইটামান উমৈহতীয়া দিশ থকাৰ কথা দৃষ্টিগোচৰ হয়। সেই দিশকেইটাৰ হ'ল—

- সংস্কৃতিৰ সৃষ্টিৰ বাবে সমাজ এখনৰ স্থিতি থাকিবই লাগিব।
- সমাজত বাস কৰা ব্যক্তিসমূহ কিছুমান সমাজ স্বীকৃত নিয়ম-আচৰণৰ দ্বাৰা পৰিচালিত হয়।
- সমাজত বাস কৰা ব্যক্তিসমূহে কিছুমান আচৰণ আৰু বিশ্বাস অচেতনভাৱে আয়ত্ব কৰে আৰু অন্য কেতবোৰ আচৰণ আৰু বিশ্বাস সচেতনভাৱে শিক্ষণৰ দ্বাৰা জীৱনৰ বিভিন্ন স্তৰত আয়ত্ব কৰি লয়।
- নির্দিষ্ট সমাজ এখনত বাস কৰা ব্যক্তিসমূহৰ মনৰ অবচেতন স্তৰত অহৰহ এক সামাজিক আনুগত্যৰ ভাবে ক্ৰিয়া কৰি থাকে। এই ভাবনাই ব্যক্তিৰ বাহ্যিক আচাৰ-আচৰণক এক সুশৃংখলিত, সংস্কাৰমূলক ৰূপ প্ৰদান কৰে। এইদৰে সামাজিক জীৱনৰ সুশৃংখলিত গতিটো অব্যাহত হৈ থাকে।
- সামাজিক জীৱ হিচাপে প্ৰত্যেকজন ব্যক্তি পৰস্পৰ পৰস্পৰৰ ওপৰত নির্ভৰশীল। এই পাৰস্পৰিক নির্ভৰশীলতাই ব্যক্তিৰ সমষ্টিগত জীৱন সার্থক কৰে।
- ব্যক্তিভেদে প্ৰত্যেকেই স্বকীয় আচৰণযুক্ত একো একোটা ভিন্ন সত্তা। কিন্তু সামাজিক ক্ষেত্ৰত সামাজিক ধাৰাটোক গতিশীল কৰি ৰাখিবলৈ সকলোৱে পৰস্পৰাগতভাৱে চলি থকা কিছুমান বিশ্বাস, আচাৰ-আচৰণ অভ্যাস কৰা উচিত। এইদৰে ব্যক্তিগত স্তৰত ভিন্নতা থকা সত্বেও সমাজত বাস কৰা সকলো ব্যক্তি ঐক্য সূত্ৰেৰে বন্ধা। সংস্কৃতিৰ স্থিতি আৰু বিকাশত এই দিশটোৰ অৱদান নথকা নহয়।

এইদৰে এখন সমাজত অৱস্থান কৰা ব্যক্তিসমূহে সামাজিক পাৰিপার্শ্বিকতাৰ লগত নিজকে মিলাই দিবলৈ প্ৰয়াস কৰে। এই প্ৰয়াসৰ ফলত তেওঁলোকে দৈনন্দিন জীৱনত লাভ কৰা ভিন্ন তৰহৰ অভিজ্ঞতাৰ উৎকৃষ্ট ভাগটো সংৰক্ষণ কৰিবলৈ চেষ্টা কৰে। পৰৱর্তী সময়ত এই সংৰক্ষিত ভাগটো সেইখন সমাজৰ সাংস্কৃতিক চিন্তা ৰূপে প্ৰকাশ পায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ "Culture is the man made part of the environment". কথাষাৰ বুজাই লিখক। (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

২.৫ সংস্কৃতিৰ স্বৰূপ

ইয়াৰ পূৰ্বৱৰ্তী শাখা কেইটাত আপুনি ক্ৰমে ব্যক্তি, সমাজ, সভ্যতা আৰু সংস্কৃতিৰ চমু আভাস লাভ কৰিলে। লগতে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ নৃ-তত্ত্ববিদ তথা সংস্কৃতিবিদসকলে আগবঢ়োৱা সংস্কৃতিৰ সংজ্ঞাৰ লগত পৰিচিত হ'ল। এইটো শাখাত আমি সংস্কৃতিৰ স্বৰূপ কেনেকুৱা সেই বিষয়ে আলোচনা কৰিম। ব্যক্তিৰ সমষ্টিত সমাজ গঠিত হয়। সেই সমাজত অন্তৰ্ভুক্ত ব্যক্তিসকলে কিছুমান নিৰ্দিষ্ট বিশ্বাস, পৰম্পৰা, আচাৰ, আচৰণ মানি চলে। তাৰ সামগ্ৰিক ৰূপেই সংস্কৃতি। গতিকে সংস্কৃতিৰ স্বৰূপ বিচাৰ কৰিবলৈ হ'লে আমি ভৌতিক (Material) আৰু অভৌতিক (Non-Material) উভয় শ্ৰেণীৰ উপাদানৰ কথা সামৰিব লাগিব। সমাজ এখনত বাস কৰা ব্যক্তিৰ দৈনন্দিন জীৱন চৰ্যাত ব্যৱহাৰিক উদ্দেশ্যত সমাধা হোৱা ক্ৰিয়া-কাৰ্যকলাপসমূহ, যেনে— ৰন্ধা-বঢ়া কৰা, ঘৰ-বাৰী পৰিষ্কাৰ কৰা, খেতি-বাতি কৰা, তাঁত বোৱা, খৰি ফলা ইত্যাদি ভৌতিক উপাদানৰ অন্তৰ্গত। আনহাতে ব্যক্তিৰ ধৰ্মীয় জীৱন বা সামাজিক জীৱনক অনুসৰণ কৰা বিশ্বাস-পৰম্পৰা, আস্থা-নিষ্ঠাৰ লগত জড়িত চেতনা অভৌতিক উপাদানৰ অন্তৰ্গত। এই ফালৰ পৰা বিচাৰ কৰিলে সংস্কৃতি জীৱনৰ সামগ্ৰিক পদ্ধতি বাহিৰে আন একো নহয়।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই সংস্কৃতিৰ স্বৰূপ বিচাৰ কৰাৰ প্ৰসঙ্গত উল্লেখ কৰা কথাকেইষাৰ এই প্ৰসংগত উল্লেখযোগ্য। তেওঁ কৈ গৈছে—

> পশুৰ পৰা মানুহ বেলেগ তাৰ কৃতিৰ বাবে। আদিম বৰ্বৰতাতকৈ আজিৰ মানুহ বেলেগ তাৰ সংস্কৃতিৰ বাবে। সাধাৰণতে মানুহে তাৰ দেহ-ধাৰণৰ বাবে আৰু স্বাভাৱিকতে তাৰ ইন্দ্ৰিয়ৰ যোগেদি যি আনন্দ পোৱা কাম কৰে আৰু তাৰ উৎকৰ্ষণৰ বাবে মানুহৰ যি যত্ন, আমি তাক কৃতি বুলিব পাৰোঁ। এই কৃতিকেই যেতিয়া মানুহে সৌন্দৰ্য সৃষ্টিৰ দৃষ্টিৰে চাই তাত কলা ৰূপ দিবলৈ যায়, তেতিয়াৰ পৰাই সেই কৃতি সংস্কৃতিৰ অন্তৰ্ভুক্ত হয়। সেই কাৰণেই মই ক'ব খোজোঁ, সংস্কৃতি হৈছে সুন্দৰৰ পূজা। আমাৰ আৱশ্যকতাৰ ফালৰ পৰা আমি এটা বাহানি যিমানেই মানসিক উৎকৰ্ষ খটুৱাই নকৰোঁ, সি সংস্কৃতি নহয়। তাক সভ্যতা বুলিব পাৰোঁ কিন্তু যেতিয়াই সেই আৱশ্যকীয় বাহানিত তাক আৱশ্যকতাৰ ফালৰ পৰা গঢ়োতে আমাৰ সৌন্দৰ্যবোধৰ ফালৰ পৰাও এটা আনন্দ পাবলৈ তাৰ গঢ়নত আমাৰ সৌন্দৰ্যবোধৰে ৰূপ দিবলৈ যাওঁ — সি তেতিয়াই সাংস্কৃতিক বস্তু হৈ পৰে। আমি বাস্তৱিক জীৱনৰ সকলো আহিলাতে সৌন্দৰ্য প্ৰয়োগ কৰাৰ লগে লগে আমাৰ মন আৰু হৃদয়ৰ গুণতো সৌন্দৰ্য প্ৰয়োগ কৰোঁ। এই বাহিৰ আৰু ভিতৰ দুয়োৰে উৎকৰ্ষণ আৰু তাত সৌন্দৰ্য প্ৰয়োগ হ'লেই মানুহৰ সংস্কৃতিৰ পূৰ্ণ ৰূপ প্ৰকাশ পায়। এজন মানুহ যদি সুকুমাৰ কলাৰ সৃষ্টিত অভিনৱ সৌন্দৰ্য সৃষ্টি কৰিব পৰা হৈও, মানুহৰ সৈতে ব্যৱহাৰত আৰু সম্বন্ধত মানসিক সুগুণবোৰ প্ৰকাশ কৰিব নোৱাৰে তেন্তে সেই মানুহজনৰ সংস্কৃতি নিশ্চয় অসম্পূৰ্ণ বুলিব লাগিব।

সৌন্দর্য স্পৃহায়েই মানুহৰ কেৱল মাত্র জীৱন-প্রয়াসক মধুৰ কৰি তুলিছে। মানুহৰ কাৰণে জীৱনক আনন্দৰ বস্তু কৰি তুলিছে। সেই কাৰণেই মানুহে যাবতীয় জীৱন প্রয়াসৰ সকলো মানসিক, দৈহিক আৰু বাস্তৱিক ৰান্ধনি-বাঢ়নিৰ পৰা থকা-মেলা, পিন্ধা-উৰা, চলন-ফুৰণ, আচাৰ-ব্যৱহাৰ আৰু জীৱন-দৃষ্টিতো সৌন্দর্য প্রয়োগ কৰিবলৈ যত্ন কৰে। সৌন্দর্যৰ প্রয়োগেই সংস্কৃতি।

২.৬ সংস্কৃতিৰ উপাদান

ইতিমধ্যে কৰা আলোচনাৰ পৰা আপুনি নিশ্চয় ধাৰণা লাভ কৰিলে যে — মানুহে নিজৰ বাবে সৃষ্টি কৰি লোৱা সামাজিক আচৰণকেই সামগ্রিকভাৱে সংস্কৃতি বুলিব পাৰি। অৱশ্যে আমি এইটো কেৱল ব্যক্তিৰ দৈনন্দিন জীৱনৰ জৈৱিক আচৰণ আৰু কার্য-কলাপৰ মাজতে সীমাবদ্ধ কৰিব নোৱাৰোঁ। ইয়াৰ কাৰণ হ'ল সংস্কৃতিৰ পৰিসৰ ইয়াতকৈয়ো ব্যাপক। সংস্কৃতিৰ এই ব্যাপক পৰিসৰৰ কথা বিবেচনা কৰিয়েই সংস্কৃতিৰ বিভিন্ন উপাদানসমূহৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল—

- **ভাষা ঃ** ভাষা হ'ল মানুহৰ মনৰ ভাব আদান-প্রদান কৰাৰ এক মাধ্যম। সামাজিক জীৱ হিচাপে মানুহে ভাষাৰ মাধ্যমেৰে নিজৰ মনোভাব ব্যক্ত কৰে আৰু সমাজৰ অন্যান্য সদস্যৰ লগত ভাবৰ আদান-প্রদান কৰে। ভাষাৰ পৰা সাহিত্যৰ সৃষ্টি হয়। সাহিত্যক দুটা ভাগত ভগাব পাৰি— মৌখিক সাহিত্য আৰু লিখিত সাহিত্য। বিবিধ লোকগীত-মাত, প্রবচন, ফঁকৰা-যোজনা, পটন্তৰ, প্রবাদ, সাধুকথা, ইত্যাদি মৌখিক সাহিত্যৰ অন্তর্ভুক্ত। এইবোৰৰ মাজেদি লোকমনস্তত্ত্বৰ বর্ণাঢ্য দিশ ফুটি উঠে। লিখিত সাহিত্যৰ মাজেদি একোখন সমাজত বর্তি থকা ব্যক্তিসকলৰ আশা-আকাঙ্খা, পোৱা-নোপোৱাৰ বেদনা, জীৱন যুদ্ধত সন্মুখীন হোৱা সংঘাতপূর্ণ স্থিতি, জীৱনোপলব্ধি আদি প্রকাশিত হয়। আটাইতকৈ গুৰুত্বপূর্ণ কথাটি হ'ল লিখিত সাহিত্যৰ পাতে পাতে প্রত্যক্ষ অথবা পৰোক্ষ ৰূপত সামগ্রিকভাৱে সেই সমাজখনৰ ধাৰাবাহিক ইতিহাসো উদ্ভাসিত হৈ থাকে।
- **প্রচলিত বা স্বীকৃত নীতি-নিয়ম ঃ** ব্যক্তিগত স্তৰতে হওক বা সামাজিক স্তৰতে হওক, একোখন সমাজৰ অন্তর্গত ব্যক্তিসমূহে কিছু নির্দিষ্ট নীতি-নিয়ম অনুসৰণ কৰে। হয়তো সময়ৰ কোনো এটা বিন্দুত সেই সমাজখনত সেই নীতি-নিয়মসমূহে প্রৱেশ কৰিছিল। কালৰ গতিত এনে নীতি-নিয়মক সামাজিক ব্যৱস্থাটোৱে স্বীকৃতি প্রদান কৰাত সেইবোৰ সেই সমাজখনত প্রচলিত নীতি-নিয়মৰ পর্যায়ভুক্ত হ'ল। একোখন সমাজৰ সাংস্কৃতিক দৃশ্যপটত সমাজখনত প্রচলিত নীতি-নিয়মসমূহৰ বিশেষ অৰিহণা থাকে।
- **লোক আচাৰ-আচৰণ ঃ** এখন সমাজত প্রচলিত লোকাচাৰ, লোকআচৰণো সেই সমাজখনত প্রতিনিধিত্ব কৰা সংস্কৃতিৰে অংশ। ইয়াৰ ভিতৰত লোকআচাৰ-বিচাৰ, নিষেধাত্মক কথা, লোকসমাজত প্রচলিত খাদ্য, ৰন্ধনৰ লগত জড়িত বিশ্বাস, সময় আৰু পৰিস্থিতি ভেদে পুৰুষ-নাৰীয়ে পালন কৰিবলগীয়া আৰু নলগীয়া আচৰণসমূহ, গৃহ নির্মাণ, কৃষিকার্য আৰু

অন্যান্য ঘৰুৱা কাম-কাজ বা গমন-ভোজন আদিৰ লগত জড়িত পালনীয় আৰু বৰ্জনীয় আচৰণসমূহৰ মাজেদি এটা বিশেষ সংস্কৃতিৰ স্বৰূপ প্ৰকাশ পোৱাৰ লগতে সেই সংস্কৃতি বহন কৰি থকা জনসমষ্টিৰ মনস্তাত্ত্বিক দিশৰ লগতো কিছু পৰিচিত হ'ব পাৰি।

- **মূল্যবোধ ঃ** মূল্যবোধৰ শিক্ষাই ব্যক্তি জীৱনকে যে উপকৃত কৰে এনে নহয়। বৰঞ্চ সামাজিক পটভূমিত ইয়াৰ মূল্য অতি বেছি। সমাজ এখনৰ সাংস্কৃতিক চিন্তাৰ লগত মূল্যবোধৰ ওতপ্ৰোত সম্পৰ্ক আছে। মূল্যবোধহীন সমাজ এখনৰ সাংস্কৃতিক চিন্তাত কেৰোণ লাগে। ফলত তাৰ সাংস্কৃতিক ধাৰাটো বাধাপ্ৰাপ্ত হয়। উদাহৰণস্বৰূপে— যোগ্যজন আৰু জ্যেষ্ঠজনক যে সন্মান জনাব লাগে সেয়া মূল্যবোধৰ শিক্ষা।
- **ধৰ্ম আৰু বিশ্বাস ঃ** ব্যক্তিৰ জীৱনত মানসিক স্তৰত ধৰ্মৰ প্ৰভাৱ থাকে। তাক আমি পোনপটীয়াভাৱে ধৰ্মীয় চিন্তা বুলি নকৈ এক অজানা, নেদেখা চৰম শক্তিৰ প্ৰতি থকা আনুগত্য আৰু সশ্ৰদ্ধা আকৰ্ষণ বুলিব পাৰোঁ। সামাজিক বাতাবৰণ আৰু পৰিয়ালত প্ৰচলিত পৰম্পৰাগত বিশ্বাস আৰু নিষ্ঠাপূৰ্ণ আচৰণে ব্যক্তিৰ মানসিক জগতত স্থান পোৱা এই ভাবনাটোক মূৰ্ত ৰূপ প্ৰদান কৰে। ধৰ্মৰ লগত ধৰ্মীয় আচৰণ আৰু কিছুমান বিশ্বাসো জড়িত। এই বিশ্বাসসমূহৰ কিছুমান অন্ধবিশ্বাস আৰু অন্য কিছুমান পৰম্পৰাগত নীতি-নিয়ম আৰু আচাৰ-আচৰণৰ পৰা কালক্ৰমত ৰূপ পৰিগ্ৰহ কৰা বিশ্বাস। অৱশ্যে লোকসমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ বা অন্য যাদু বিদ্যাসমূহক অন্ধবিশ্বাসৰ শাৰীতে থ'ব পাৰি।
- **সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান ঃ** বিভিন্ন সামাজিক গোটসমূহক আমি সংস্কৃতিৰ উপাদান হিচাপে গণ্য কৰিব পাৰোঁ। সমাজ জীৱনত পাৰস্পৰিক আদান-প্ৰদানৰ মাধ্যমেদি ব্যক্তি জীৱন পৰিচালিত হয়। ব্যক্তিয়েই হওক বা ব্যক্তি সমষ্টিয়েই হওক, বিভিন্ন সামাজিক কাম-কাজৰ ৰূপায়ণৰ বাবে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ পৰিব পাৰে বা সহায় ল'বলৈ বাধ্য হয়। সমাজ এখনৰ সাংস্কৃতিক চেতনাত এই যোগাযোগ আৰু আদান-প্ৰদানসমূহে কিবা নহয় কিবা প্ৰকাৰে অৰিহণা যোগাব পাৰে।
- **উৎসৱ-পাৰ্বন ঃ** উৎসৱ-পাৰ্বনসমূহে একোখন সমাজৰ সু-সংস্কৃতি ধাৰাটোৰ পৰিচয় বহন কৰে। উৎসৱ-পাৰ্বনসমূহৰ আয়োজনৰ লগত সামাজিক বিশ্বাস-পৰম্পৰা আৰু ধৰ্মীয় পৰম্পৰায়ো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। উদাহৰণস্বৰূপে 'বিহু'ৰ কথাকে ক'ব পাৰি। জাতি-ভাষা-বৰ্ণ নিৰ্বিশেষে বিহু সকলো অসমীয়া লোকৰে চিৰ আপোন। জনগোষ্ঠীভেদে বিহুৰ ৰূপ বেলেগ বেলেগ যদিও আত্মা একেটাই। এইদৰে উদ্‌যাপিত হোৱা বিহুৰ মাজেদি অসমীয়া জনজীৱনৰ লগতে সাংস্কৃতিক চিন্তাৰ কেতবোৰ বৈশিষ্ট্যপূৰ্ণ দিশো প্ৰতিভাত হয়। সেইদৰে দেউল, মথনি আদি উৎসৱৰ মাজেদিও অসমীয়া সমাজৰ সাংস্কৃতিক জীৱনচৰ্চা আৰু সংস্কৃতিৰ কিছু দিশ উন্মোচিত হয়। সংস্কৃতিৰ আলোচনাৰ প্ৰসঙ্গত এই কথাসমূহৰ গুৰুত্ব আছে।
- **পৰম্পৰাগত কলা ঃ** এখন সমাজত প্ৰচলিত পৰম্পৰাগত কলাসমূহৰ মাজেদিও সমাজখনৰ সাংস্কৃতিক ধাৰাটোৰ স্বৰূপ প্ৰকাশ পায়। এই কলাসমূহৰ মাজেদি জনমনত সুপ্ত হৈ থকা সৃষ্টিশীল ক্ষমতা, কলাত্মক গুণ আদিৰ প্ৰকাশ ঘটে। এখন বিশেষ সমাজৰ সংস্কৃতি অধ্যয়নৰ

ক্ষেত্রত সমাজত প্রচলিত বিভিন্ন পৰম্পৰাগত কলাৰ উল্লেখযোগ্য ভূমিকা আছে।

- **খাদ্যাভ্যাস ঃ** সমাজ ভেদে খাদ্যাভ্যাস ভিন ভিন হয়। সমাজখন যিটো ভৌগোলিক খণ্ডত অৱস্থান কৰে, তাৰ জলবায়ু আৰু অন্যান্য পাৰিপার্শ্বিক দিশৰ ওপৰত সমাজৰ ব্যক্তিসকলৰ খাদ্যাভ্যাস নির্ভৰ কৰে। সেয়েহে ভাৰতৰ উত্তৰ-পূব প্রান্তত প্রচলিত খাদ্যসমূহ উত্তৰ-ভাৰত বা দক্ষিণ-ভাৰতৰ খাদ্য তালিকাৰ তুলনাত ভিন্ন। তদুপৰি স্থান ভেদে থকা পান-ভোজনৰ ভিন্নতাৰ পৰা সেই স্থানত বসবাস কৰা লোকসকলৰ মানসিকতাৰ কিছু তাৎপর্যপূর্ণ দিশো চকুত পৰে।
- **গৃহ-সজ্জা, পিন্ধন-উৰণ ইত্যাদি ঃ** অসমীয়াত এযাৰ কথা আছে 'ধানটোৱে প্রতি কণটো, মানুহটোৱে প্রতি মনটো'। এই কথাষাৰৰ আঁত ধৰিয়েই ক'ব পাৰি প্রত্যেকজন ব্যক্তিৰে সৌন্দর্যস্পৃহা বেলেগ বেলেগ। সামাজিক জীৱনত ব্যক্তিয়ে তেওঁৰ দৈনন্দিন জীৱনচর্চাৰ মাজেৰে নিজৰ সৌন্দর্যস্পৃহা পূৰণ কৰিবলৈ বাঞ্ছা কৰে। ঘৰুৱা আচবাব-পাত্র, গৃহ-সজ্জা, গৃহ-নির্মাণ আদিৰ লগত জড়িত দিশসমূহৰ মাজেদি সকলো ব্যক্তিয়ে নিজৰ সৌন্দর্যস্পৃহা প্রদর্শন কৰিব বিচাৰে। সামাজিক জীৱ হিচাপে প্রত্যেকজন ব্যক্তিৰ এই সৌন্দর্যস্পৃহাৰ অন্তৰালত ক্রিয়া কৰি থাকে কিছুমান পৰম্পৰাগত ধাৰণাই। সেয়ে ক'ব নোৱাৰাকৈয়ে এখন সমাজৰ ব্যক্তিসকলৰ সৌন্দর্যস্পৃহাৰ মাজত এক ধৰণৰ মিল থকা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে— অসমীয়া সমাজৰ গৃহ-সজ্জাৰ কথাটিয়েই উল্লেখ কৰিব পাৰি। অসমীয়া মানুহে ঘৰ সাজোতে সাধাৰণতে বাঁহ, কাঠ আৰু খেৰ ব্যৱহাৰ কৰে।

  ঠিক সেইদৰে মানুহে নিজৰ ৰুচি-অভিৰুচি অনুযায়ী সাজ-পাৰ পিন্ধে। মানুহে পৰিধান কৰা সাজ-পাৰৰ মাজেদি একোজন ব্যক্তিৰ ব্যক্তিত্ব ফুটি উঠাৰ লগতে তেওঁ বাস কৰা সমাজখনৰ কিছুমান পৰম্পৰাগত ধ্যান-ধাৰণা আৰু মনস্তাত্ত্বিক বিশেষত্ব ফুটি উঠে। উদাহৰণস্বৰূপে অসমৰ ৰাভা জনগোষ্ঠী আৰু মিচিং জনগোষ্ঠীৰ সাজ-পাৰৰ ক্ষেত্রত দেখা পোৱা পার্থক্যসমূহৰ মাজেদি এই বৈশিষ্ট্যটো স্পষ্ট হয়। সেইদৰে নাগালেণ্ডত বসবাস কৰা বিভিন্ন ফৈদৰ নগাসকলৰ মাজত সাজ-পাৰ, পিন্ধন-উৰণৰ ক্ষেত্রত যথেষ্ট বৈসাদৃশ্য পৰিলক্ষিত হয়। এই সকলোবোৰ উপাদানৰ মাজেদি সেই জনগোষ্ঠীৰ স্বকীয় বিশেষত্ব ফুটি উঠে। এখন সমাজৰ সংস্কৃতি-আলোচনাৰ প্রসঙ্গত এই দিশসমূহৰ মহত্বপূর্ণ অৰিহণা আছে।
- **সামাজিক মর্যাদা আৰু নীতি-নিয়ম ঃ** সামাজিক মর্যাদাৰ বিষয়টোৰ লগত সামাজিক গোটৰ সম্পর্ক আছে। সমাজত বনুৱা শ্রেণীটোৰ যি স্থিতি তাৰ তুলনাত মহাবিদ্যালয়ৰ শিক্ষক সম্প্রদায়টোৰ সামাজিক স্থিতি বেলেগ। তদুপৰি ইয়াৰ লগত দুয়োটা বৃত্তিত নিয়োজিত ব্যক্তিৰ মানসিক গঢ় আৰু দৃষ্টিভংগীৰ প্রসঙ্গটো আহি পৰে। গতিকে সামাজিক জীৱনত বনুৱা শ্রেণীটোৰ যি স্থিতি, তাৰ তুলনাত শিক্ষক শ্রেণীটোৰ স্থিতি বেলেগ।



সামাজিকীকৰণ ঃ যি প্রক্রিয়াৰ সহায়ত ব্যক্তিবিশেষ তেওঁৰ সমাজৰ সৈতে সংহতিত হয় সেই প্রক্রিয়াকে সামাজিকীকৰণ বোলে।

সংস্কৃতিৰ গতিশীল ৰূপৰ কথা আগত ৰাখি আলোচনা কৰিলে আমি দেখিম যে একোটা বিশেষ সংস্কৃতিক প্রতিনিধিত্ব কৰা সমাজ এখনত ভিন্ন আচৰণ আৰু বিচাৰ ধাৰাৰ লোকে অৱস্থান কৰে। *সামাজিকীকৰণ* প্রক্রিয়াৰ বাবেই হওক অথবা অন্য কিবা কাৰণতেই হওক ব্যক্তিগত পার্থক্য থকা সত্বেও সমাজত বাস কৰা লোকসকলে কিছুমান উমৈহতীয়া সামাজিক নিয়ম-

আচৰণৰ প্ৰতি আনুগত্য প্ৰকাশ কৰে।

অসমীয়া সমাজখনৰ কথা বিচাৰ কৰিলে এইটো দেখা যায় যে ইয়াত বাস কৰা লোকসকলে অসমীয়া ভাষাটোক সামাজিক আদান-প্ৰদানৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে যদিও ইয়াৰ মাজৰ অনেকলোকৰ স্বকীয় মাতৃভাষা একোটা আছে। যেনে— ৰাভা, বড়ো, মিচিং, কাৰ্বি আদি জনগোষ্ঠীৰ লোকসকলে সামাজিক আদান-প্ৰদানৰ বেলিকা অসমীয়া ভাষাটো ব্যৱহাৰ কৰে যদিও স্বকীয় আচাৰ-অনুষ্ঠানত নিজৰ নিজৰ জনগোষ্ঠীয় ভাষাহে ব্যৱহাৰ কৰে। কিন্তু তেওঁলোকে বৃহত্তৰ অসমীয়া জাতিটোকো প্ৰতিনিধিত্ব কৰিছে। সাম্প্ৰতিক সময়ত অসমলৈ ভাৰতৰ অন্যান্য প্ৰান্তৰ লোকৰ আগমন ঘটিছে। অসমীয়া সমাজ আৰু সংস্কৃতিত বাহিৰৰ সেই সমাজৰো প্ৰভাৱ নপৰাকৈ থকা নাই। আন কথাত ক'বলৈ হ'লে সেই অঞ্চলসমূহৰ সাংস্কৃতিক সমলে অসমীয়া সংস্কৃতিত প্ৰবেশ কৰিছে। সময়ৰ বিভিন্ন পৰ্যায়ত গ্ৰহণ-বৰ্জনৰ নীতিৰে সেই সমলসমূহৰ ভালখিনি লৈ বেয়াখিনি পৰিহাৰ কৰি অসমীয়া সংস্কৃতি ক্ৰমশঃ আগ বাঢ়িছে। এই নিৰবচ্ছিন্ন গতিত ওপৰত আলোচনা কৰি অহা উপাদানসমূহে মহত্বপূৰ্ণ অৰিহণা আগবঢ়াইছে। এনেদৰে বিভিন্ন টুকুৰা-টুকুৰ তথ্য তথা বৈশিষ্ট্যসমূহৰ মাজেদি একোখন সমাজৰ বৰ্ণাঢ্য ৰূপটি আমাৰ চকুৰ আগত উদ্ভাসিত হয়। এই সকলোবোৰৰ সামগ্ৰিক ৰূপেই হ'ল সংস্কৃতি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) সংস্কৃতিৰ স্বৰূপ বিচাৰ কৰিবলৈ হ'লে আমি ভৌতিক (Material) আৰু অভৌতিক (Non-Material) উভয় শ্ৰেণীৰ উপাদানৰ কথা সামৰিব লাগিব।

(খ) একোখন সমাজৰ সাংস্কৃতিক দৃশ্যপটত সমাজখনত প্ৰচলিত নীতি-নিয়মসমূহৰ কোনো ধৰণৰ অৰিহণা থাকে।

(গ) লোকসমাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ বা অন্য যাদু বিদ্যাসমূহক অন্ধবিশ্বাসৰ শাৰীতে থ'ব পাৰি।

(ঘ) অসমীয়া মানুহে ঘৰ সাজোতে সাধাৰণতে বাঁহ, কাঠ আৰু খেৰ ব্যৱহাৰ কৰে।

.....

২.৭ সংস্কৃতিৰ বৈশিষ্ট্য

সংস্কৃতিৰ স্বৰূপ বিশ্লেষণ কৰি বিভিন্ন সময়ত ভিন ভিন সমাজ বিজ্ঞানী, সংস্কৃতিবিদ আৰু নৃ-তত্ত্ববিদে আগ বঢ়োৱা মতামতৰ আধাৰত সংস্কৃতিৰ কেইটিমান নিৰ্দিষ্ট বৈশিষ্ট্য নিৰূপণ কৰা হৈছে। সেইকেইটা হ'ল—

- সংস্কৃতি বিশ্বজনীন, তথাপিতো ইয়াৰ স্থানীয় আৰু আঞ্চলিক ৰূপ লক্ষ্য কৰা যায়।

- সংস্কৃতিত স্থবিৰতা আৰু গতিশীলতা উভয় বৈশিষ্ট্য দৃষ্টিগোচৰ হয়।
- সংস্কৃতিয়ে আমাৰ জীৱনৰ গতি নির্ধাৰণ আৰু ইয়াৰ পৰিপুষ্টিত সমল যোগালেও ই কেতিয়াবাহে আমাৰ সচেতন ভাব-চিন্তাত প্ৰবেশ লাভ কৰিব পাৰে।
- সমাজ পাতি বাস কৰিবলৈ মানুহে কিছুমান নীতি-নিয়ম, আচাৰ-আচৰণৰ অনুবর্তী হৈ চলে। মানুহে আচৰণ কৰা এই পৰিশীলিত নিয়ম-প্ৰথা-আচাৰসমূহেই সংস্কৃতিৰ ভিতৰুৱা। পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা সমাজসমূহে এই দৰে অভ্যাস আৰু পৰিশীলনৰ মাধ্যমেদি আহৰণ কৰা আচাৰ-আচৰণ আৰু পদ্ধতিসমূহ আৰ্থ-সামাজিক জীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰয়োগ কৰি ব্যক্তিগত জীৱনৰ লগতে সামাজিক জীৱনৰ গতি সুগম কৰে। ইয়াতে সংস্কৃতিৰ বিশ্বজনীন ৰূপ পৰিস্ফুট হয়।

  অৱশ্যে অঞ্চল ভেদে একোখন সমাজত বাস কৰা জনসমষ্টিৰ সাংস্কৃতিক চিন্তাত ভিন্নতা পৰিলক্ষিত হয়। নবীন চন্দ্ৰ শৰ্মাৰ কথাতে সুৰ মিলাই ক'ব পাৰি যে পৰম্পৰৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাস অটুট ৰাখি তথা অতীত আৰু বৰ্তমানৰ অভিজ্ঞতাৰ ওপৰত নির্ভৰ কৰি বিশেষ এক অঞ্চলৰ সংস্কৃতি গঢ় লৈ উঠে। ঐতিহাসিক উৎস, জীৱন চর্যাৰ বিভিন্ন পদ্ধতিৰ লগত থকা পাৰস্পৰিক তুলনা, পুৰাতাত্ত্বিক সাক্ষ্য আদিৰ ওপৰত প্ৰতিষ্ঠিত অতীতক বিচাৰ-বিশ্লেষণ নকৰাকৈ সংস্কৃতিৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰি। গতিকে মানুহৰ অস্তিত্বৰ পটভূমিতহে সংস্কৃতিৰ বিশ্বজনীন বৈশিষ্ট্যৰ স্বৰূপ উপলব্ধি কৰিব পাৰি। বিষয়গত প্ৰমাণৰ ফালৰ পৰা নিশ্চিতভাৱে ক'ব পাৰি যে দুখন দেশ বা দুটা অঞ্চলৰ সংস্কৃতিৰ মাজত প্ৰায়ে মিল দেখা নাযায়। স্থান, কাল অনুসৰি সংস্কৃতিয়ে বিকাশ লাভ কৰে। প্ৰত্যেক সংস্কৃতিৰ বিকাশ আৰু অগ্ৰগতি নিজস্ব বৈশিষ্ট্যৰে সমুজ্জ্বল। সংস্কৃতিৰ বিশ্বজনীন বৈশিষ্ট্যই মানৱৰ আচাৰ-ব্যৱহাৰ অনুসৰি স্থানীয় বা আঞ্চলিক ৰূপ লাভ কৰে আৰু এই স্থানীয় বা আঞ্চলিক ৰূপৰ মাজেদিয়েই সংস্কৃতিৰ বিশ্বজনীন বৈশিষ্ট্য প্ৰকাশ পায়।
- সংস্কৃতিক এখন বোৱতী নৈৰ লগত তুলনা কৰিব পাৰি। নৈৰ গতিশীল ৰূপৰ মাজত এক সজীৱ, স্বচ্ছ ৰূপ দৃশ্যমান হোৱাৰ নিচিনাকৈ সংস্কৃতিৰ গতিশীল ৰূপৰ মাজত সেই সংস্কৃতিযুক্ত সমাজখনৰ ভৱিষ্যৎ প্ৰগতি নিহিত হৈ থাকে। সংস্কৃতিৰ গতিশীল ৰূপ মানে হ'ল সময়ে সময়ে সেই বিশেষ সাংস্কৃতিক ক্ষেত্ৰত পৰিলক্ষিত হোৱা পৰিবর্তনসমূহ। এটা নির্দিষ্ট ভৌগোলিক ক্ষেত্ৰৰ কথা আগত ৰাখি ক'ব পাৰি যে একে লেথাৰিয়ে কেইবা বছৰ ধৰি যদি সেই নির্দিষ্ট ভৌগোলিক ক্ষেত্ৰটোৰ লোকৰ জীৱনচর্যা অর্থাৎ তাত বাস কৰা লোকসকলৰ খাৱন-শোৱন, পিন্ধন-উৰণ, ধৰণ-কৰণৰ প্ৰতি লক্ষ্য ৰখা হয়, তেতিয়া কেতবোৰ পৰিবর্তন আমাৰ দৃষ্টিগোচৰ হ'ব। অর্থাৎ মানুহৰ জীৱনচর্যালৈ পৰিবর্তন আহে। অৱশ্যে সংস্কৃতিৰ স্থবিৰ ৰূপটোকো আমি আওকাণ কৰিব নোৱাৰো। কাৰণ সাংস্কৃতিক পৰিৱর্তনসমূহ সাংস্কৃতিক স্থবিৰতাৰ পটভূমিতে অধ্যয়ন কৰিব পাৰি। সেয়েহে আমেৰিকাৰ নৃতত্ত্ববিদ হার্স্কভিট্‌চৰ মতামতকে সাৰোগত কৰি ক'ব পাৰি যে সাংস্কৃতিক স্থবিৰতাৰ সমস্যাটোৰ এটা অংশ হিচাপেহে সাংস্কৃতিক পৰিৱর্তনৰ কথা অধ্যয়ন কৰিব পাৰি; সংৰক্ষণশীলতাৰ বিৰুদ্ধে

পৰিৱর্তন সূচিত হোৱাৰ গভীৰতাৰ সংযোগতহে সাংস্কৃতিক স্থবিৰতাৰ আভাস পোৱা যায়।

- আমাৰ জীৱন বীক্ষাত সাংস্কৃতিক চেতনাই প্রত্যক্ষ অথবা পৰোক্ষভাৱে ক্রিয়াশীল হৈ থাকে। কিন্তু আমি সেই বিষয়ে সর্বদা সজাগ আৰু সচেতন হৈ নাথাকোঁ। অথচ একোখন সমাজৰ সদস্য হিচাপে আমি আমাৰ সামাজিক আচাৰ-আচৰণ প্রদর্শন কৰোঁতে পদে পদে অচেতনভাৱে সাংস্কৃতিক চেতনাৰ দ্বাৰা উদ্বুদ্ধ হওঁ। এগৰাকী লোকসংস্কৃতি বিশাৰদ পণ্ডিতে কোৱাৰ দৰে সংস্কৃতি মানৱৰ বিশেষ গুণ, ই মানৱ সমাজতহে সীমিত। ব্যক্তি বিশেষে গ্রহণ কৰিব পৰা ক্ষমতাৰ বাহিৰতো সংস্কৃতিৰ সত্তা বর্তমান। গতিকে সংস্কৃতিৰ পৰিসৰ ব্যক্তি সত্তাৰ পৰিসৰতকৈ ব্যাপক। অন্যহাতে মনস্তাত্ত্বিক সত্তাৰ বাহিৰে সংস্কৃতিৰ আন সত্তা নাই; মানৱ মনত নির্মিত ৰূপৰ মাজেদিহে ই স্থিতি লাভ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সংস্কৃতিৰ এটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

প্রশ্ন নং ৬ ঃ ব্যক্তি সত্তাৰ পৰিসৰতকৈ সংস্কৃতিৰ পৰিসৰ ব্যাপক নে?

.....

২.৮ সংস্কৃতিৰ বিভিন্ন ভাগ

ইতিমধ্যে আমি সংস্কৃতিৰ স্বৰূপ আৰু সংজ্ঞা আলোচনা কৰাৰ লগতে ব্যক্তি আৰু সমাজৰ লগত সংস্কৃতিৰ সম্পর্ক তথা সভ্যতাৰ লগত সংস্কৃতিক কিদৰে সম্বন্ধযুক্ত কৰিব পাৰি তাৰ আলোচনা কৰিলোঁ। এতিয়া আমি সংস্কৃতিৰ লগত জড়িত অন্য এটা গুৰুত্বপূর্ণ দিশৰ কথা আলোচনা কৰিম। সেয়া হৈছে সংস্কৃতিৰ শ্রেণী বিভাজন। সংস্কৃতি এটা ব্যাপক পৰিসৰৰ বিষয়। ইয়াৰ বিভিন্ন উল্লেখনীয় দিশসমূহ চিনাক্ত কৰি সেই সেই দিশৰ বস্তুনিষ্ঠ আলোচনা আৰু বিচাৰ-বিশ্লেষণৰ দ্বাৰাহে সংস্কৃতি নামৰ অভিধাটোৰ প্রকৃত অর্থ আৰু তাৎপর্য উপলব্ধি কৰিব পৰা যাব। এই ক্ষেত্রত সংস্কৃতিৰ শ্রেণী বিভাজন অর্থাৎ সংস্কৃতিৰ বিভিন্ন ভাগসমূহৰ কথাই এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। বিদ্যায়তনিক ক্ষেত্রত আলোচনাৰ সুবিধাৰ বাবে সংস্কৃতিক তলত দিয়া ধৰণে শ্রেণী বিভাগ কৰা হৈছে— অভিজাত সংস্কৃতি বা মার্গীয় সংস্কৃতি, লোকসংস্কৃতি বা জনকৃষ্টি আৰু জনজাতীয় সংস্কৃতি।

২.৮.১ অভিজাত সংস্কৃতি বা মার্গীয় সংস্কৃতি

আলোচক পণ্ডিতসকলে অভিজাত সংস্কৃতিক বুজাবলৈ শিষ্ট সংস্কৃতি, মার্গী বা মার্গীয় সংস্কৃতি বা পৰিশীলিত সংস্কৃতি, ইত্যাদি অভিধা প্রয়োগ কৰা দেখা যায়। অভিজাত সংস্কৃতিৰ সৃষ্টি আৰু বিকাশ লোকসংস্কৃতিৰ পূর্বে হৈছিল নে লোকসংস্কৃতিৰ পৰৱর্তী পর্যায়ত

হৈছিল, সেই লৈ পণ্ডিতসকল সর্বসম্মত সিদ্ধান্তত উপনীত হ'ব পৰা নাই। এই মত পার্থক্যৰ যুক্তিসংগত কাৰণো নথকা নহয়। পৰিশীলন বা পৰিমার্জনে কিবা এটা পৰিষ্কাৰ কৰি তাক আকর্ষণীয় ৰূপত উপস্থাপন কৰা বুজায়। গতিকে সামাজিক জীৱ হিচাপে মানুহে আহৰণ কৰা আস্থা, বিশ্বাস, আচৰণসমূহৰ পৰা অনিষ্টকৰ, অহিতকৰ, অবৈজ্ঞানিক উপাদানসমূহ আঁতৰাই সেই আস্থা, নিষ্ঠা, বিশ্বাস, পৰম্পৰাসমূহ মার্জিত, হিতকাৰী ৰূপত গঢ় দি তাক উপস্থাপন কৰাৰ নামেই শিষ্ট সংস্কৃতি। আলোচক সমাজ বিজ্ঞানীসকলে অভিজাত সংস্কৃতিক 'গ্ৰেট ট্ৰেডিশ্যন' (Great Tradition) আখ্যা দিছে। ভাৰতবর্ষৰ প্রসংগত গৱেষক পণ্ডিতসকলে কৈছে যে ভাৰতবর্ষৰ অভিজাত বৈশিষ্ট্যসমূহৰ ভিতৰত অন্যতম হৈছে ৰীতিবদ্ধতা, সুনির্দিষ্টতা আৰু আত্মসচেতনতা। কোনো কোনো সময়ত অভিজাত সংস্কৃতিৰ পৰাও লোকসংস্কৃতিৰ উদ্ভৱ হ'ব পাৰে। স্বৰূপার্থত ক'বলৈ গ'লে অভিজাত বা মার্গীয় সংস্কৃতি আৰু লোকসংস্কৃতিৰ মাজত অন্যোন্য প্রক্রিয়া চলি থাকে।

২.৮.২ লোকসংস্কৃতি বা জনকৃষ্টি

ইংৰাজী Folk Culture শব্দৰ আক্ষৰিক অর্থ হিচাপে অসমীয়াত লোকসংস্কৃতি শব্দটো ব্যৱহাৰ কৰা হয়। ইংৰাজ সমাজ বিজ্ঞানী উইলিয়াম জনচ্ থম্পছনে (William Jones Thompson) উদ্ভাৱন কৰা 'Folklore' নামৰ বিশেষ শব্দটোৰ অর্থ লোকবিদ্যা বা লোকজ্ঞান। সমাজবিজ্ঞানীসকলে লোকজীৱনৰ প্রসংগত কৰা আলোচনাত এই 'Folk' শব্দটো প্রয়োগ কৰিবলৈ ধৰিলে (Folklife-লোকজীৱন)। লোকজীৱন লোকসমাজৰ পৰিসৰৰ ভিতৰত পৰে। তদুপৰি সমাজৰ কথা আলোচনা কৰিলে সংস্কৃতিৰ প্রসঙ্গটোও আহি পৰে।

আৰম্ভণিৰ সময়ছোৱাত ইউৰোপীয় পণ্ডিতসকলে এইটো মত ব্যক্ত কৰিছিল যে কৃষি কার্যত নিয়োজিত লোকসকলৰ সংস্কৃতিয়েই লোকসংস্কৃতি। তেওঁলোকৰ মনত এইটো বদ্ধমূল ধাৰণা আছিলে যে লোকসংস্কৃতিৰ সৃষ্টি আধুনিক কালত হ'বই নোৱাৰে। এই ৰক্ষণশীল চিন্তাৰ বাবে তেওঁলোকৰ বিচাৰত আধুনিক যুগত লোকসংস্কৃতি সংগ্রহালয়ত সংৰক্ষিত বস্তু হ'ব বুলি ভাবিছিল। কিন্তু পৰৱর্তী সময়ছোৱাৰ নব্যবাদী আমেৰিকীয় সমাজ বিজ্ঞানীসকলে পূর্বৰ এই মতামতক গ্রহণ নকৰি কিছু ভিন্ন মত পোষণ কৰিলে। সেই মতটো হ'ল— "The term 'Folk' can refer to any group of people whatsoever who share at least one common factor." অর্থাৎ — উমৈহতীয়া উপাদানৰ ন্যূনতম অংশীদাৰ কোনো এক জনসমষ্টিক লোক বা Folk বুলিব পাৰি। এই ফালৰ পৰা বিচাৰ কৰিলে মাছমৰীয়া গোষ্ঠীভুক্ত লোকসকলে অনুসৰণ কৰা পৰম্পৰাগত আচাৰ-নীতিসমূহো লোকসংস্কৃতিৰ ভিতৰুৱা হ'ব আৰু তেওঁলোকৰ সেই পৰম্পৰাক লোকসংস্কৃতি বা লোকবিদ্যা হিচাপে জনা যাব। এই অধ্যায়টিৰ

আৰম্ভণিৰ শিতান এটিত আমি ইতিমধ্যে উল্লেখ কৰি আহিছো যে 'কালচাৰ' (সংস্কৃতি) শব্দটোৱে একোটা ভৌগোলিক পৰিসীমাৰ ভিতৰৰ জনসমষ্টিয়ে অভ্যাস কৰা আৰু আচৰণ কৰা ভাল-বেয়া সকলো ৰীতি-নীতি, আচাৰ-আচৰণ, বিশ্বাস, আস্থাৰ দিশসমূহ সামৰে। ইয়াত 'জন' শব্দটোৰ ওপৰত প্ৰাধান্য দিলেই লোকসংস্কৃতি আৰু অভিজাত সংস্কৃতিৰ মাজত থকা মৌলিক পাৰ্থক্যটো ওলাই পৰে। অৰ্থাৎ অভিজাত বা মাৰ্গীয় সংস্কৃতিয়ে কেৱল পৰিশীলিত বা পৰিমাৰ্জিত সাংস্কৃতিক উপাদানসমূহহে গ্ৰহণ কৰে। ইয়াৰ বিপৰীতে লোকসংস্কৃতিত বাচ-বিচাৰ নকৰাকৈ, পৰম্পৰাগতভাৱে চলি অহা সকলো উপাদান গ্ৰহণ কৰা হয়। থোৱতে লোকসংস্কৃতি বা লোকবিদ্যাই সামৰি লোৱা বিষয়সমূহ হ'ল— লোকবিশ্বাস, অন্ধবিশ্বাস, লোকঔষধ-পাতি, লোকভাষা, লোকউপমা-ৰূপক, লোককবিতা, প্ৰবাদ, সাঁথৰ, মন্ত্ৰ, আশীৰ্বাদ, অভিশাপ, গালি-গালাজ, শপত, উপহাস, লোকনৃত্য, বেশ-ভূষা, ৰাজহুৱা ঘৰ বা ৰাজহুৱা পায়খানা-স্নানাগাৰ আদিৰ বেৰ-লেখা, পঞ্চপদী-অৰ্থহীন কবিতা, অঙ্গী-ভঙ্গী, নিচুকণি গীত, লোকব্যুৎপত্তি, ব্ৰত-উপবাস, ৰন্ধন-প্ৰণালী, হামি-হাঁচি মৰা আদিৰ ওপৰত কৰা পৰম্পৰাগত মন্তব্য, লোকধৰ্ম, ইত্যাদি।

২.৮.৩ জনজাতীয় সংস্কৃতি

সমাজতত্ত্ববিদ আৰু আলোচকসকলৰ কথাত সুৰ মিলাই ক'বলৈ হ'লে সাধাৰণতে সুকীয়া ভৌগোলিক অঞ্চলত বাস কৰা, সুকীয়া ভাষা, সংস্কৃতি সম্পন্ন, সুকীয়া অৰ্থনৈতিক চিন্তাৰ দ্বাৰা প্ৰভাৱিত জনগোষ্ঠী একোটাক জনজাতি বোলা হয়। অসমৰ বেলিকা ৰাভা, বড়ো, কাৰ্বি, মিচিং, ডিমাছা, ইত্যাদি জনগোষ্ঠীসমূহ হৈছে জনজাতি। প্ৰত্যেকটো জনজাতিৰে নিজস্ব সাংস্কৃতিক পৰিচয় আছে। সেইদৰে জনজাতি গোষ্ঠীভুক্ত হ'লেও পৰস্পৰৰ লগত প্ৰত্যেকটো জনজাতিৰে বৈসাদৃশ্য মন কৰিবলগীয়া। প্ৰত্যেক জনজাতিৰে একোটা স্বয়ং সম্পূৰ্ণ সাংস্কৃতিক পৰিচয় আছে। সেই পৰিচয়ে ৰাভা, কাৰ্বি, মিচিং, বড়ো আদি জনজাতিক একোটা সুকীয়া সংস্কৃতিযুক্ত জনজাতি হিচাপে চিহ্নিত কৰিছে। অৱশ্যে জনজাতীয় সংস্কৃতিতো পৰিবৰ্তন নোহোৱাকৈ নাথাকে। কেতিয়াবা এইটোও দেখা যায় যে জনজাতীয় সংস্কৃতিয়ে অভিজাত সংস্কৃতিৰ প্ৰভাৱত পৰিবৰ্তিত ৰূপ লাভ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ অভিজাত সংস্কৃতিৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

.....

প্রশ্ন নং ৮ ঃ খালি ঠাই পূৰণ কৰক—

(ক) ভাৰতবৰ্ষৰ প্রসংগত গৱেষক পণ্ডিতসকলে কৈছে যে ভাৰতবৰ্ষৰ অভিজাত বৈশিষ্ট্যসমূহৰ ভিতৰত অন্যতম হৈছে....., সুনির্দিষ্টতা আৰু আত্মসচেতনতা।

(খ) উমৈহতীয়া উপাদানৰ ..... অংশীদাৰ কোনো এক জনসমষ্টিক লোক বা Folk বুলিব পাৰি।

(গ) প্রত্যেক জনজাতিৰে একোটা .....সাংস্কৃতিক পৰিচয় আছে।



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত সংস্কৃতিৰ বিষয়ে সাধাৰণ পৰিচয় প্রদান কৰিবলৈ প্রয়াস কৰা হৈছে। ইয়াত সংস্কৃতিৰ স্বৰূপ, বিভিন্ন সময়ত বিভিন্ন গৰাকী সমাজ বিজ্ঞানী, সংস্কৃতিবিদ আৰু নৃ-তত্ত্ববিদে আগবঢ়োৱা সংস্কৃতিৰ সংজ্ঞা আৰু তাৰ অর্থৰ চমু ব্যাখ্যা আগবঢ়োৱা হ'ল।
- সংস্কৃতিৰ বৈশিষ্ট্যসমূহৰ আলোচনাই আপোনাক সংস্কৃতিৰ গতিশীল ৰূপৰ লগত পৰিচয় কৰাই দিব। সামাজিক জীৱ হিচাপে মানুহৰ লগত সংস্কৃতিৰ এটা তাৎপর্যপূর্ণ সম্বন্ধ আছে। মানুহ আৰু সংস্কৃতিৰ মাজত থকা এই সম্বন্ধ ব্যক্তি আৰু সংস্কৃতি, সমাজ আৰু সংস্কৃতিৰ মাজেদি আলোচনা কৰা হৈছে।
- সভ্যতা আৰু সংস্কৃতিৰ মাজত থকা সম্বন্ধৰ কথা আৰু তাৰ স্বৰূপ সম্পর্কেও কিছু দিশৰ আলোচনা ইয়াত সন্নিবিষ্ট কৰা হৈছে।
- ইয়াত সংস্কৃতিৰ তিনিটা প্রধান ভাগ সম্পর্কে থুলমূল আলোচনা আগবঢ়োৱা হ'ল। এই অধ্যায়টি অধ্যয়নৰ যোগেদি আপুনি সংস্কৃতি আৰু সংস্কৃতিৰ লগত জড়িত বিভিন্ন অভিধা সম্পর্কে সম্যক ধাৰণা লাভ কৰিলে।



২.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) অসম সাহিত্য সভা (১৯৬২);*অসমৰ জনজাতি;* যোৰহাট।

২) আগৰৱালা, জ্যোতিপ্রসাদ (২০০৫);*জ্যোতিপ্রসাদৰ ৰচনাৱলী;* গুৱাহাটীঃ অসম প্রকাশন পৰিষদ।

৩) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি*; ডিব্রুগড় ঃ বনলতা।

৪) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জন সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৫) নার্জী, ভবেন (১৯৬৬); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৬) নেওগ,মহেশ্বৰ (সম্পা.) (১৯৬৯); *পবিত্র অসম;* যোৰহাট ঃ অসম সাহিত্য সভা।

৭) নেওগ, মহেশ্বৰ (১৯৯৫); *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

৮) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পা.) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৯) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোক সংস্কৃতি*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১০) বর্মন, শিৱনাথ (১৯৮২); *লোক কৃষ্টিৰ উৎস;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১১) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোক সংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

১২) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৩) শর্মা, গিৰিধৰ (সম্পা.)(১৯৭৪);*অসমীয়া জাতিৰ ইতিবৃত্ত*; যোৰহাট ঃ অসম সাহিত্য সভা।

১৪) শর্মা, নবীন চন্দ্র (২০০৯); *অসমৰ সাংস্কৃতিক ইতিহাস* (২য় খণ্ড); যোৰহাট ঃ অসম সাহিত্য সভা।

১৫) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোক সংস্কৃতিৰ আভাস*; গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৬) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্রন্থ ঃ

১৭) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

১৮) Boro, A. (2001). *Folk Literature of the Boros – An Introduction*. Guwahati: Adhunik Prakasan.

১৯) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

২০) Dundes, A. (1978). *Essays in Folkloristics*. Folklore Institute.

২১) Dutta, B. N. (ed.) (1999). *Traditional Performing Arts of North-East*. Guwahati: ABILAC.

২২) Dutta, B. N. et. al.(ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

২৩) Haviland, W. A. (2014). *Cultural Anthropology: The Human Challenge.* US: Thomson Wadswarth

২৪) Herskovits, M.J. (1948). *Man and his Works: The Science of Cultural Anthropology.* New York: Knopf.

২৫) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

২৬) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

২৭) Sarma, N. C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasan.

২৮) Tylor E. B.(1920). *Primitive Culture, Vol. 1.* London: John Murray, Albemarle Street.

২.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'Culture' পদটোৰ মূল হৈছে লেটিন ভাষাৰ 'কোল' ধাতুজাত colere বা cultura অর্থাৎ কুলতুৰা

২ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতিৰ গৱেষক পণ্ডিতসকলে সভ্যতাক সংস্কৃতি যৌগ (Culture Complex) হিচাপে আখ্যা দিছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তি ভেদে প্রত্যেকৰে আচাৰ-আচৰণ বেলেগ বেলেগ; কিন্তু সামাজিক আদান-প্রদানৰ বেলিকা সমাজৰ আন দহজনে প্রদর্শন কৰা আচৰণ মানি চলিব লাগে। ভিন্ ভিন্ সামাজিক পৰিৱেশ, পৰিস্থিতিৰ লগত খাপ খুৱাকৈ মানুহে কেতবোৰ আচাৰ-আচৰণ, নীতি-নিয়ম পালন কৰে। এই নিয়ম-আচৰণসমূহেই সেই সমাজখনক বিশিষ্টতা প্রদান কৰা সাংস্কৃতিক উপাদান হিচাপে চিহ্নিত হয়। সেয়েহে কোৱা হয় সংস্কৃতি মানুহে সৃষ্টি কৰা পাৰিপার্শ্বিক অংশৰ বাদে আন একো নহয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) অশুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতি বিশ্বজনীন, তথাপিতো ইয়াৰ স্থানীয় আৰু আঞ্চলিক ৰূপ লক্ষ্য কৰা যায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃতিৰ পৰিসৰ ব্যক্তি সত্তাৰ পৰিসৰতকৈ ব্যাপক।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰীতিবদ্ধতা, সুনির্দিষ্টতা আৰু আত্মসচেতনতা।

৮ নং প্রশ্নৰ উত্তৰ ঃ ক) ৰীতিবদ্ধতা খ) ন্যূনতম গ) স্বয়ং সম্পূর্ণ



২.১২ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) Culture শব্দটো পোন প্ৰথমবাৰৰ বাবে কোনে ব্যৱহাৰ কৰিছিল?

খ) সংস্কৃতিৰ উপাদানসমূহ কি কি?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) সংস্কৃতিৰ সৃষ্টিৰ বাবে সমাজ এখনৰ স্থিতি থাকিবই লাগিব।

খ) সমাজত বাস কৰা সদস্যসকলে সামাজিকভাৱে কোনো ধৰণৰ নিয়ম মানি চলাৰ প্ৰয়োজনীয়তা নাই।

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সংস্কৃতি বুলিলে কি বুজে? চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

ক) লোকসংস্কৃতি খ) মাৰ্গীয় সংস্কৃতি

গ) জনজাতীয় সংস্কৃতি

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সংস্কৃতিৰ এটা সংজ্ঞা উল্লেখ কৰি তাৰ আধাৰত সমাজ, ব্যক্তি আৰু সংস্কৃতিৰ মাজত থকা সম্বন্ধ বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ সংস্কৃতিৰ বৈশিষ্ট্যসমূহ কি কি? বহলাই আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সংস্কৃতিৰ প্ৰধান ভাগ কেইটাৰ আলোচনা আগ বঢ়াওক।

*** ***** ***

অধ্যায় ৩ ঃ অসমৰ সংস্কৃতি — বৈচিত্র্যৰ মাজত ঐক্য

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ অসমৰ সংস্কৃতি — সমন্বয় আৰু সমাহৰণৰ বিভিন্ন বিষয়

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্রগতিৰ খতিয়ান

৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সংস্কৃতি গঠনত বিভিন্ন নৃগোষ্ঠীসকলৰ অৱদান সম্পর্কে জানিব পাৰিব
- অসমীয়া সংস্কৃতিত কেনেদৰে বৈচিত্র্যৰ মাজত ঐক্য ৰক্ষিত হৈছে সেই সম্পর্কে অৱগত হ'ব
- অসমীয়া সংস্কৃতি যে 'সমন্বয় আৰু সমাহৰণ সংস্কৃতি' এই সম্পর্কে বিস্তৃত আলোচনা আগবঢ়াব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাত আপুনি অসম নামৰ উৎপত্তি, অসমৰ ভৌগোলিক অৱস্থিতি, অসমীয়া জাতিৰ ধাৰণা আদিৰ বিষয়ে অধ্যয়ন কৰিলে। লগতে সংস্কৃতি স্বৰূপ, উপাদান, বৈশিষ্ট্য, বিভিন্ন ভাগ আদিৰ সম্যক পৰিচয়ো লাভ কৰিলে। অসম দেশ বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি। সেইবাবেই বিভিন্ন সংস্কৃতিৰ উপাদান আৰু অৱদান অসমীয়া সংস্কৃতিত পৰিলক্ষিত হয়।

মন কৰিবলগীয়া যে, সংস্কৃতিৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল সমন্বয়ৰ প্রৱণতা। যিদৰে দুখন সুকীয়া নদী কোনো এঠাইত মিলিত হৈ মহাসাগৰৰ জলৰাশিৰ সৈতে বিলীন হৈ যায়, ঠিক তেনেদৰে বিভিন্ন সাংস্কৃতিক গুণ সম্পন্ন সংস্কৃতিৰ মাজত সান্নিধ্যবশতঃ সংমিশ্রণ ঘটে। সংস্কৃতিৰ এনে প্রক্রিয়াৰ নামেই হ'ল সাংস্কৃতিক সমন্বয়। সমাহৰণ প্রক্রিয়া আৰু সমন্বয় প্রক্রিয়া মূলতঃ একেই। সমাহৰণ বুলিলে বিশেষকৈ বিভিন্ন উপাদানৰ সংমিশ্রণত একক বস্তু এটাৰ সৃষ্টি হোৱা প্রক্রিয়াকে বুজা যায়। সমালোচকৰ ভাষাত— "যি প্রক্রিয়াৰ জৰিয়তে বিভিন্ন নৃ-গোষ্ঠীৰ সাংস্কৃতিক সমলৰ সংযোগত পৰিপূর্ণ সংস্কৃতি গঢ়ি উঠে তাক সমাহৰণ প্রক্রিয়া বুলিব পাৰি।" সেই বাবেই

অসমীয়া সংস্কৃতিত বৈচিত্র্যৰ মাজতো ঐক্য দেখিবলৈ পোৱা যায়। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি অসমীয়া সংস্কৃতিৰ সমন্বয় আৰু সমাহৰণ সম্পর্কেও সঠিক ধাৰণা লাভ কৰিব।

৩.৩ অসমৰ সংস্কৃতি — সমন্বয় আৰু সমাহৰণৰ বিভিন্ন বিষয়

ভাৰতীয় সংস্কৃতিৰ মূল ভিত্তি হ'ল বৈচিত্র্যৰ মাজত ঐক্যৰ সমাহাৰ। সংস্কৃতি সমাহৰণ, গ্রহণ, একীকৰণ, সংস্কৃতকৰণ, আর্যীকৰণ, সংশ্লেষণ আদি বিভিন্ন সামাজিক, সাংস্কৃতিক প্রক্রিয়াৰ জড়িয়তে মংগোলয়ড, নেগ্রিতো, অষ্ট্রলয়ড আৰু নর্ডিক সংস্কৃতিৰ মাজত সমন্বয় ঘটি গঢ়লৈ উঠিছে ভাৰতীয় সংস্কৃতি। ভাৰতীয় সংস্কৃতিৰ দৰে অসমীয়া সংস্কৃতিও মূলতঃ সমন্বয়ৰ সংস্কৃতি। স্বৰূপার্থত অষ্ট্রলয়ড, মংগোলয়ড, দ্রাবিড়ীয় আৰু আর্য এই চাৰিটা পৃথিৱীৰ অন্যতম নৃ-গোষ্ঠীৰ সাংস্কৃতিক সমলৰ সমাহৰণত অসমীয়া সংস্কৃতিৰ জন্ম হৈছে। এই বিষয়ে ইতিমধ্যে আপুনি প্রথম অধ্যায়তে অধ্যয়ন কৰি আহিছে। এক কথাত আমি ক'ব পাৰোঁ যে, অসমীয়া সংস্কৃতি আৰু সভ্যতা, ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ ক্ষুদ্র সংস্কৰণ।

অসমীয়া সংস্কৃতিৰ সমন্বয় আৰু সমাহৰণ অসমৰ জন-গাঁথনি, অসমীয়া ভাষা, সাহিত্য, কলা, ধর্মীয় আদর্শ, সামাজিক লোকাচাৰ, উৎসৱ অনুষ্ঠান, গীত-নৃত্য-বাদ্য, খাদ্য, সাজপাৰ আদি সকলোতে সাধিত হৈছে। ইতিমধ্যে প্রথম অধ্যায়ত অসমৰ জন-গাঁথনি সম্পর্কে বহলাই আলোচনা কৰা হ'ল। সেয়ে ইয়াত পুনৰাই আলোচনা কৰা নহ'ল।

- **ভাষা ঃ** অসমীয়া ভাষাৰ ক্ষেত্রতো সমন্বয় বা সমাহৰণ ঘটিছে। অসমীয়া ভাষা মূলতঃ সংস্কৃতমূলীয় হ'লেও সান্নিধ্যবশতঃ ইয়াৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব আৰু অর্থতত্ত্বত অনেক জনজাতীয় অথবা অনা-আর্য ভাষাৰ প্রভাৱ পৰিলক্ষিত হৈছে। গোলোক চন্দ্র গোস্বামীৰ ভাষাত— "অসমীয়া ভাষাটো প্রভাৱান্বিত হৈ বর্তমানে এনে এটা ৰূপত বিকশিত হৈছে যিটো ৰূপৰ বিভিন্ন উপাদানবোৰৰ চিনাক্তকৰণ কঠিনেই নহয়, এক প্রকাৰে অসম্ভৱেই হৈ পৰিছেগৈ। পৰিণতি স্বৰূপে অসমীয়া ভাষা আর্য ভাষা সম্ভূত ভাষা যদিও আর্যেতৰ ভাষাৰ বৈশিষ্ট্যহে ইয়াত বেছিকৈ ফুটি ওলাইছে। আর্য ভাষাত নোহোৱা নোপোজা নানান গুণেৰে বিভূষিতা হৈ চিৰ চেনেহী মোৰ ভাষা জননীয়ে স্বকীয়ত্ব প্রতিপন্ন কৰিছে।" এই ক্ষেত্রত আমি অন্য নালাগে 'অসম' শব্দটোকে উদাহৰণ স্বৰূপে ল'ব পাৰোঁ। এচাম পণ্ডিতৰ মতে 'অসম' শব্দটো 'তাই আহোম' ভাষাৰ পৰা আহিছে আৰু অন্য এচাম পণ্ডিতৰ মতে আকৌ ই বড়ো 'হা-চাম' ৰূপৰ পৰা অসম শব্দটো বিকাশ লাভ কৰিছে। সেইদৰে 'কামৰূপ' শব্দটো অষ্ট্রিক ভাষাৰ পৰা আৰু 'প্রাগ্‌জ্যোতিষ' শব্দটো কেইটিমান অনা-আর্য ভাষাৰ সম্ভূত শব্দৰ সমষ্টি (পাগাৰ—পর্বত; জ্যো, জুহ —ওখ; তিক্, তিছ —দীঘল) বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। অসমীয়া বিভিন্ন ধ্বনি উচ্চাৰণৰ ক্ষেত্রত জনজাতীয় প্রভাৱ বিদ্যমান। সমন্ধবাচক শব্দ যেনে — এনাই, পুঠাও, মোমাই, আপা, নিচা আদি সম্বন্ধবাচক শব্দবোৰ তাই (আহোম) ভাষাৰ পৰা আহিছে। অকল সেয়াই নহয়, মুছলমানসকল অসমলৈ অহাৰ ফলত অসমীয়া

ভাষাত বহুতো আৰবী আৰু ফাৰ্চী শব্দই প্ৰৱেশ কৰিছে। তদুপৰি অসমত ইংৰাজ শাসনৰ ফলস্বৰূপে অনেক ইংৰাজী শব্দইও অসমীয়া ভাষাত স্থান লাভ কৰিছে।



জনি থোৱা ভাল

অসমীয়া ভাষা মূলতঃ ইন্দো-ইউৰোপীয় বা ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত। খ্ৰীষ্টীয় নৱম-দশম শতিকামানত ৰচিত চৰ্যাপদসমূহত অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন পোৱা যায়।

- **সাহিত্য ঃ** অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো সমাহৰণ বা সমন্বয়ৰ পৰিচয় পোৱা যায়। প্ৰাচীন অসমীয়া সাহিত্যৰ সৰ্বাত্মক প্ৰেৰণা হ'ল *ৰামায়ণ, মহাভাৰত* আৰু পু�ৰাণসমূহ। পুৰাণসমূহৰ ভিতৰত আকৌ *বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ, হৰিবংশৰ* বৰঙণি সৰ্বাধিক। অসমীয়া ভাষাৰ গীত, পদ, কাব্য নাটক, ধৰ্মীয় গ্ৰন্থ আদি কেতবোৰ ইয়াৰে ভাবানুবাদ, আক্ষৰিক অনুবাদ মাথোন। আনপিনে আধুনিক অসমীয়া সাহিত্যৰ ৰূপ ৰীতি সম্পূৰ্ণৰূপে পাশ্চাত্যধৰ্মী। জোনাকী কাকততে প্ৰথম ভুমুকি মৰা পশ্চিমৰ নানান উপাদান পৰৱৰ্তী কালত অধিক ৰূপত অসমীয়া সাহিত্যলৈ আহি আছে। ইয়াৰ মাজতে আকৌ অসমৰ লোকসাহিত্য নিজা মাটিৰ ৰসেৰে পুষ্ট হৈ থলুৱা লোকমনৰ ধ্যান-ধাৰণাৰে গঢ়লৈ উঠিছে। আইনাম, অপেচৰা সবাহৰ নাম, লখিমী সবাহৰ নাম, বিয়ানাম, মালিতা, জুনা, সাঁথৰ, প্ৰৰচন আদি বিভিন্ন লৌকিক ধ্যান-ধাৰণাৰে পুষ্ট। অন্যহাতে বিহুগীত, হুঁচৰি গীত আদি নিশ্চিতভাৱে অনা-আৰ্যসকলৰ অৱদান। সোণোৱালসকলৰ মাজত প্ৰচলিত 'হাইদাংগীত', পাতি ৰাভাসকলৰ 'মাৰে গান'ৰ লগত জড়িত 'বিষহৰী গীত', 'বহুৰঙী গীত'বোৰেও অসমীয়া লোকসাহিত্য চহকী কৰিছে। সেইদৰে অসমীয়া জন্তু বিষয়ক সাধুকথাৰ সৃষ্টিত বড়ো-কছাৰী, ৰাভাসকলৰ অৱদানৰ পৰিচয় পোৱা যায়। ঠিক সেইদৰে টেটোন জাতীয় সাধুকথাৰ পৰম্পৰা মংগোলয়ড সংস্কৃতিৰ পৰা আহিছে।

দেহবিচাৰৰ গীতৰ আৰ্হিত অসমীয়া ভাষাত সৃষ্টি হৈছে 'জিকিৰ' আৰু 'জাৰী' গীতসমূহ। সেইদৰে অসমীয়া সংস্কৃতিৰ সংশ্লেষণৰ অপূৰ্ব নিদৰ্শন বহন কৰি আহিছে ফকিৰয়ালী গীত, ওঝা উঠা গীত (আই তুতি), কবীৰা গীত বা বাদছাহী গীত আদিয়ে।

অসমীয়া লিখিত পৰম্পৰাৰ দুলৰ্ভ সম্পত্তি হ'ল আহোমসকলৰ বুৰঞ্জী সাহিত্যসমূহ। আহোম নৃপতিসকলৰ পৃষ্ঠপোষকতাত বুৰঞ্জী সাহিত্য, শাক্ত সাহিত্য আদি ৰসাত্মক পৌৰাণিক সাহিত্য, নাট্য সাহিত্য, ব্যৱহাৰিক আদি পুথি ৰচিত হৈছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই *শিৱপুৰাণ*, জয়ধ্বজ সিংহ, শিৱ সিংহ আদি স্বৰ্গদেউসকলে গীত ৰচনা কৰিছিল। সুকুমাৰ বৰকাথৰ দ্বাৰা প্ৰণিত *হস্তীবিদ্যাৰ্ণৱ* পুথিখনো এই সময়তে ৰচিত হৈছিল।



জানি থোৱা ভাল

লিপিৰ উদ্ভৱ হোৱাৰ বহু আগৰে পৰা জনসাধাৰণৰ মাজত এক প্ৰকাৰ সাহিত্য প্ৰচলিত আছিল। ইয়াক মৌখিক সাহিত্য বোলা হয়। মৌখিক সাহিত্য জনসাধাৰণৰ মুখে মুখে চলি আহে আৰু ইয়াক জন-সাহিত্য, মৌখিক প্ৰক্ৰম আদি বুলিও অভিহিত কৰা হয়।

মুছলমানৰ অসম আক্ৰমণৰ ফলস্বৰূপে অসমলৈ ইছলামী সংস্কৃতিৰ আগমন হয়। সেই সময়তে চুফীবাদী মুছলমান কাব্যৰ বিষয়বস্তুবোৰৰ ওপৰত নিৰ্ভৰ কৰি পশুপতি দ্বিজে *চন্দ্ৰাৱলী-কাব্য*, ৰামদ্বিজে *মৃগাৱতী চৰিত* ৰচনা কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত জনপ্ৰিয় গীতবিধৰ নাম কি?

.....

প্ৰশ্ন নং ২ ঃ আহোম যুগত ৰচিত এখন ব্যৱহাৰিক পুথিৰ নাম উল্লেখ কৰক।

.....

- **ধৰ্ম ঃ** অসমৰ ধৰ্মীয় ইতিহাসো সমন্বয়ৰ ইতিহাস। ধৰ্মীয় দিশত অসমীয়া সংস্কৃতিত জনজাতীয় সাংস্কৃতিক সমল নিহিত হৈ আছে। বিশেষকৈ শিৱ-মহাদেৱ-বুঢ়াগোঁসাইৰ ধ্যান-ধাৰণাত জনজাতীয় সমল সুদূৰ প্ৰসাৰী বুলিব পাৰি।

  শিৱ মূলতঃ দ্ৰাবিড়ীয় দেৱতা আৰু ৰুদ্ৰ বৈদিক দেৱতা। শিৱ ৰুদ্ৰৰ সংযোজন আৰু সমাহৰণৰ ফলস্বৰূপে উদ্ভৱ হৈছে পৌৰাণিক শিৱ। অসমৰ বড়ো-কছাৰী, ৰাভা, ডিমাছা, লালুং (তিৰা), সোণোৱাল, ঠেঙ্গাল, দেউৰী, চুতীয়া, কাৰ্বি আদি সৰহভাগ জনজাতীয় লোকেই শিৱপূজক। মুঠতে, অসমৰ শৈৱধৰ্ম প্ৰাগাৰ্য, আৰ্য, জনজাতীয় আৰু লোকায়ত সমলৰ সংমিশ্ৰত ৰূপ।

  দুৰ্গাদেৱী, পাৰ্বতী দেৱী আদিৰ উদ্ভৱ আৰু বিকাশত প্ৰাগাৰ্য, আৰ্য আৰু জনজাতীয় সংস্কৃতিৰ সংমিশ্ৰিত প্ৰক্ৰিয়া বিৰাজমান। একেদৰে সৰ্পদেৱী মনসা-বিষহৰী উদ্ভৱ হৈছে আৰ্য-অনাৰ্য আৰু দ্ৰাবিড়ীয় সংস্কৃতিৰ সংশ্লেষণৰ পৰিণতিত। তদুপৰি গ্ৰাম্য দেৱদেৱী, ভূতপ্ৰেত, অপদেৱতা আদিৰ ধ্যান-ধাৰণা, উপাসনা আদি পদ্ধতিত জনজাতীয় সাংস্কৃতিক সমলৰ প্ৰভাৱ দেখা যায়। হিন্দুসকলৰ সত্যনাৰায়ণ দেৱতাৰ ধ্যান-ধাৰণাত ইছলামিক সংস্কৃতিৰ প্ৰভাৱ পৰিছে। পণ্ডিতসকলৰ মতে কামাখ্যা দেৱীও মূলতঃ জনজাতীয় দেৱী।
- **উৎসৱ-অনুষ্ঠান, সামাজিক লোকাচাৰ ঃ** অসমৰ জাতীয় উৎসৱ-অনুষ্ঠানবোৰ সমাহৰণ বা সমন্বয় প্ৰক্ৰিয়াৰ অপূৰ্ব নিদৰ্শন। অসমৰ জাতীয় উৎসৱ বিহু (ৰঙালী, কঙালী আৰু ভোগালী)

মূলতঃ সমাহৰণ উৎসৱ। মাঘ বিহুত ব্যৱহৃত 'মেজি' শব্দটো আহিছে সংস্কৃত 'মেধ্য' শব্দৰ পৰা। সেইদৰে মেজিৰ সৈতে সংযোজিত 'ভেলাঘৰ' শব্দটো আহিছে সংস্কৃত 'মেষ গৃহ'ৰ পৰা। মাঘ বিহুত খোৱা 'চুঙা-পিঠা', 'ম'হ যুঁজ' প্রথা আহিছে ক্রমে মংগোলীয় আৰু দ্রাবিড়ীয় সংস্কৃতিৰ পৰা। বিহু কৃষিজীৱী মানুহৰ উর্বৰা বিশ্বাসৰ ভেটিত জন্ম। এই উৎসৱৰ লগত সর্বভাৰতীয় বহুতো উৎসৱৰ উপাদান লক্ষ্য কৰা যায়। তামিলনাডুৰ 'পুঙ্গল', উৰিষ্যাৰ 'পৌষ সংক্রান্তি', কেৰেলাৰ 'বিচু', পঞ্জাৱৰ 'বৈশাখী', উত্তৰ ভাৰতৰ 'ষট্ পূজা' আদি উৎসৱৰ কিছু ধ্যান-ধাৰণা বা বিশ্বাস বিহু উৎসৱৰ বুকুতো পোৱা যায়। 'গৰু বিহু' বৈদিক ধাৰণা সম্ভূত যদিও গৰুক মাহ-হালধি, বেঙেনা, কেৰেলা, থেকেৰা, জাতিলাও আদিৰে গা- ধুওৱা পদ্ধতিটো অনার্যমূলীয়।

অসমৰ বাঁহকেন্দ্রিক উৎসৱসমূহতো সমাহৰণ প্রক্রিয়া লক্ষ্য কৰা যায়। বাঁহ মংগোলীয় সংস্কৃতিৰ অৱদান। গতিকে বাঁহকেন্দ্রিক উৎসৱ, যেনে— ভঠেলি, দেউল, পাউৰাতোলা, সুঁৱেৰী, সুৰী, দহৰফুৰৱা আদি অনুষ্ঠানত মংগোলীয় সংস্কৃতিৰ সমল নিহিত আছে। সেইদৰে নামনি অসমত প্রচলিত 'মহোহো' উৎসৱ বড়ো-কছাৰীৰ 'মাচা-হানা' (বাঘ চিকাৰ) অনুষ্ঠানৰ সৈতে সাদৃশ্য মন কৰিবলগীয়া।

অসমীয়া বিয়া অনুষ্ঠানতো সমন্বয়ৰ সাধিত হৈছে। আঠ প্রকাৰ বিবাহৰ ভিতৰত হোমপুৰি, মন্ত্র মাতি সামাজিকভাৱে পতা বিবাহকেই শ্রেষ্ঠ বুলি কোৱা হয় যদিও বিবাহৰ লগত জড়িত আনুষঙ্গিক, যেনে— জোৰণ-পিন্ধোৱা, গাঁঠিয়ণ খুন্দা, সুৱাগুৰি তোলা, টেকেলি দিয়া, খোবা-খুবী, জোৰণৰ লগত মাছ দিয়া, বেইৰ তলত কণী পোতা, মূৰত তেল দিয়া, মূৰত চাউল দিয়া, দৰা-কন্যাক কণী খাবলৈ দিয়া অদি ৰীতি সম্পূর্ণ অসমৰ থলুৱা লোকমনৰ বিশ্বাসৰ ভেটিত প্রতিষ্ঠিত।

অসমৰ লোকজীৱনত প্রচলিত বেজ-বেজালি, ঔষধপাতি আদিত জনজাতীয় বিশ্বাস আৰু বেজ-বেজালিৰ সমল নিহিত হৈ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শিৱ মূলতঃ কি দেৱতা?

.....

প্রশ্ন নং ৪ ঃ মনসা-বিষহৰী দেৱীৰ উদ্ভৱত কি কি সংস্কৃতি প্রভাৱ পৰিছে?

.....

প্রশ্ন নং ৫ ঃ অসমৰ বাঁহ কেন্দ্রিক উৎসৱসমূহ কি কি?

.....

- **নৃত্য-গীত ঃ** অসমীয় গীত-নৃত্য-বাদ্যৰ ক্ষেত্রতো সমন্বয়ৰ আদর্শ স্পষ্ট। অসমীয়া বিহুগীতৰ

গায়ন পদ্ধতি আৰু নৃত্য শৈলীত জনজাতীয় গীতৰ গায়ন পদ্ধতি আৰু নৃত্য শৈলীৰ প্ৰভাৱ বৰ্তমান। বৰো-কছাৰীসকলৰ 'বৈশাগু গীত'ৰ লগত বিহুগীতৰ বহুখিনি মিল আছে। সেইদৰে মিচিংসকলৰ 'ঐ-নিঃতম'ৰ বিষয়বস্তু, সুৰ, গায়ন পদ্ধতিত বিহুগীতৰ প্ৰভাৱ সহজেই অনুমেয়। অসমীয়া 'বিয়াহ গোৱা ওজাপালি'ৰ গীতৰ লগত মুছলমানসকলৰ 'ফকিৰ আলিগীত'ৰ ঠাঁচৰ সাদৃশ্য আছে। মুছলমানসকলৰ মাজত প্ৰচলিত 'জিকিৰ'সমূহ অসমীয়া দেহবিচাৰ গীত, ওজাপালি, বৰগীত আদি গীতৰ সুৰৰ লগত বহুখিনি মিল আছে। সাহিত্যিক চৈয়দ আব্দুল মালিকৰ ভাষাত— "এই জিকিৰ গীতবোৰৰ সুৰত উত্তৰ ভাৰতৰ সৰবৰহী কাওবানী, কচিদা, গজল আদিৰ অথবা ধ্ৰুপদ, খেয়াল, ঠুংৰী আদিৰ প্ৰভাৱ দেখা নাযায়, প্ৰধান প্ৰভাৱ অসমীয়া ওজাপালি, দেহবিচাৰৰ গীত, বৰগীত আদিৰহে।"

অসমৰ পাতিৰাভাসকলৰ মাজত প্ৰচলিত 'মাৰে গান' আৰু তুকুৰীয়া 'ওজাপালি'ৰ উদ্ভৱ আৰু বিকাশত 'সুকনানি ওজাপালি'ৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। সেইদৰে 'মনসা পূজা'ৰ লগত জড়িত 'দেওধনী নৃত্য', 'দেৱদাসী' আৰু বৰো-কছাৰীৰ 'খেৰাই নৃত্য'ৰ সমাহৰণ প্ৰক্ৰিয়াৰ পৰিণতিত জন্ম হৈছে। বিভিন্ন প্ৰকাৰৰ ঢোল (ঢেপা ঢোল, বিহু ঢোল, বৰ ঢোল) আৰু ঢোলৰ লগত জড়িত নৃত্য-গীত আৰু ছং আদিত জনজাতীয় প্ৰভাৱ দেখা যায়।

- **খাদ্য ঃ** অসমীয়া সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত খাদ্য আৰু ৰন্ধন প্ৰণালীটো সমন্বয় আৰু সমাহৰণ পৰিলক্ষিত হৈছে। ভাৰতৰ আন আন ৰাজ্যৰ ব্ৰাহ্মণ-গোস্বামী আদিয়ে কেতিয়াও মাছ-মঙহ অন্ন হিচাপে গ্ৰহণ নকৰে। কিন্তু জনজাতীয় সান্নিধ্যহেতু অসমীয়া ব্ৰাহ্মণ-গোস্বামী, সত্ৰৰ সত্ৰাধিকাৰ আদিয়েও মাছ-মঙহ খায়। জনজাতীয় প্ৰভাৱত আজি অসমৰ বৰ্ণ হিন্দুসকলেও জাল, জাকৈ, প'ল, জুলুকি আদিৰে মাছ ধৰে। মাছ জাল দি খোৱা, পাতত দি খোৱা, পুৰি খোৱা, খাৰ দি খোৱা আদি প্ৰস্তুত প্ৰণালীত জনজাতীয় প্ৰভাৱ লক্ষ্য কৰা যায়। সেইদৰে নানাবিধ বনৰীয়া শাক-পাচলি খোৱা, পইতাভাত খোৱা আদিৰ ক্ষেত্ৰতো জনজাতীয় প্ৰভাৱ বিদ্যমান। বিভিন্ন পিঠাপনাৰ ব্যৱহাৰতো জনজাতীয় আৰু অজনজাতীয় সংস্কৃতিৰ সমাহাৰ ঘটিছে। অসমীয়া সমাজত বহুলভাৱে ব্যৱহৃত 'তামোল-পাণ' আকৌ অষ্ট্ৰিকসকলৰ অৱদান।
- **সাজ-পাৰ ঃ** অসমীয়া মানুহে ব্যৱহাৰ কৰা সাজ-পোছাক, আ-অলংকাৰ আদিও লোকায়ত, জনজাতীয় আৰু ইছলামিক সংস্কৃতিৰ সমন্বয়ৰ অপূৰ্ব নিদৰ্শন। অন্য নালাগে অসমীয়া নাৰীৰ অতিকে আপোন তাঁতশালখনিতো জনজাতীয় উপাদান বিৰাজমান। তদুপৰি পাট আৰু মুগা সূতা জনজাতীয়সকলৰ অৱদান। ভাৰতৰ আন ঠাইৰ বৰ্ণ হিন্দুসকলৰ তিৰোতাই তাঁতশালত কাপোৰ নবয়, কিন্তু অসমীয়া তিৰোতাই বয়।

  অসমীয়া মানুহৰ সাজ-পোছাক পৰিধানতো সমন্বয় আৰু সমাহৰণ ঘটিছে। অসমৰ বৰ্ণ হিন্দুৰ মহিলাসকলে জনজাতীয় মহিলাৰ নিচিনাকৈ বুকুত মেঠনি মাৰি মেখেলা পিন্ধে। মহিলাৰ দেহৰ উপৰি ভাগত ব্যৱহাৰ কৰা আৱৰণ বস্ত্ৰ, খোপাবন্ধা আৰু তিলক ধাৰণ কৰাৰ শৈলীতো জনজাতীয় সংস্কৃতিৰ সংশ্লেষণ হৈছে। মহিলাৰ দৰে পুৰুষৰ পোছাক পৰিধানতো

জনজাতীয় প্রভাৱ লক্ষ্য কৰিব পাৰি। অন্যহাতে ৰুদ্রসিংহৰ ৰাজত্ব দিনৰে পৰা অসমীয়া পোছাক-পৰিচ্ছদত মোগলী আৰ্হিৰ প্রভাৱ পৰিবলৈ ধৰে। বিশেষকৈ পাগ-জামা আদি পৰিধানত মোগলীৰ প্রভাৱ বিদ্যমান। উল্লেখযোগ্য যে পিছলৈ এই আৰ্হি ক্রমে সত্রৰ ভিতৰলৈ গৈ সূত্রধাৰী নৃত্য, নটুৱা নৃত্যৰ বিশিষ্ট সাজ-পাৰৰ ভিতৰুৱা হৈছিল। সেইদৰে বিহা-মেখেলা আদিত ফুল বছা ক্ষেত্রতো মোগলী প্রভাৱ লক্ষণীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ অসমত প্রচলিত যিকোনো এবিধ ওজাপালিৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৭ ঃ কোনজন আহোম স্বর্গদেউৰ ৰাজত্ব কালৰ পৰা অসমীয়া সাজ-পোছাকত মোগলী আৰ্হিৰ প্রভাৱ পৰিবলৈ ধৰে?

.....



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া সংস্কৃতি সমন্বয় সংস্কৃতি। বিভিন্ন আর্য-অনার্য আৰু থলুৱা উপাদানৰ সমন্বয় আৰু সমাহৰণত অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে।
- অসমীয়া ভাষাৰ মূল হ'ল সংস্কৃত ভাষা যদিও ইয়াৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব, অর্থতত্ত্ব আৰু শব্দসম্ভাৰৰ ক্ষেত্রত জনজাতীয় অথবা অনা-আর্যভাষাৰ প্রভাৱ পৰিলক্ষিত হৈছে। অসমীয়া সাহিত্যৰ লিখিত আৰু মৌখিক দুয়োবিধ সাহিত্যতে সমন্বয় সাধিত হৈছে। অসমীয়া 'দেহবিচাৰ গীত'ৰ লগত 'জিকিৰ' আৰু 'জাৰী' গীতৰ সাদৃশ্য আছে।
- অসমৰ হিন্দুৰ ধর্মীয় দেৱতা শিৱ, ৰুদ্র, দুর্গা, পার্বতী আদিৰ উদ্ভৱ আৰু বিকাশত দ্রাবিড়ীয়, প্রাগার্য, আর্য আৰু জনজাতীয় সংস্কৃতিৰ প্রভাৱ বিদ্যমান। অসমৰ বিহু উৎসৱত মংগোলীয় আৰু দ্রাবিড়ীয় সংস্কৃতিৰ প্রভাৱ পৰিছে। অসমৰ বাঁহকেন্দ্রিক উৎসৱসমূহো মংগোলীয় সংস্কৃতিৰ প্রভাৱ বিদ্যমান।
- অসমীয়া গীত, নৃত্য, খাদ্য, সাজ-পাৰ আদিতো বিভিন্ন জাতি-জনজাতিৰ প্রভাৱ বিদ্যমান। অসমৰ বিহু উৎসৱৰ লগত মিচিংসকলৰ ঐ-নিঃতমৰ সাদৃশ্য আছে।



৩.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) অসম সাহিত্য সভা (১৯৬২);*অসমৰ জনজাতি;* যোৰহাট।

২) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি*; ডিব্রুগড় ঃ বনলতা।

৩) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জন সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৪) নাৰ্জী, ভবেন (১৯৬৬); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) নেওগ,মহেশ্বৰ (সম্পাঃ) (১৯৬৯); *পবিত্র অসম;* যোৰহাট ঃ অসম সাহিত্য সভা।

৬) নেওগ, মহেশ্বৰ (১৯৯৫); *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

৭) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পাঃ) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৮) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোক সংস্কৃতি*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৯) বর্মন, শিৱনাথ (১৯৮২); *লোক কৃষ্টিৰ উৎস;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১০) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোক সংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

১১) ৰাভা হাকাচাম, উপেন (২০০৫); *অসমৰ জনজাতি সংস্কৃতি;* গুৱাহাটী।

১২) শর্মা, গিৰিধৰ (সম্পাঃ)(১৯৭৪);*অসমীয়া জাতিৰ ইতিবৃত্ত*; যোৰহাট ঃ অসম সাহিত্য সভা।

১৩) শর্মা, নবীন চন্দ্র (২০০৯); *অসমৰ সাংস্কৃতিক ইতিহাস* (২য় খণ্ড); যোৰহাট ঃ অসম সাহিত্য সভা।

১৪) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোক সংস্কৃতিৰ আভাস*; গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৫) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্ৰন্থ ঃ

১৬) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

১৭) Boro, A. (2001). *Folk Literature of the Boros – An Introduction*. Guwahati: Adhunik Prakasan.

১৮) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago:The University of Chicago Press.

১৯) Dundes, A. (1978). *Essays in Folkloristics*. Folklore Institute.

২০) Dutta, B. N. (ed.) (1999). *Traditional Performing Aarts of North-East*. Guwahati: ABILAC.

২১) Dutta, B. N. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

২২) Herskovits, M. J. (1969).*Cultural Anthropology*. Knopf.

২৩) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

২৪) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

২৫) Sarma, N. C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasan.

২৬) Tylor E. B.(1920). *Primitive Culture, Vol. 1.* W. London: John Murray, Albemarle Street.

৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ হাইদাং গীত।

২ নং প্রশ্নৰ উত্তৰ ঃ *হস্তীবিদ্যার্ণৱ।*

৩ নং প্রশ্নৰ উত্তৰ ঃ দ্রাবিড়ীয় দেৱতা।

৪ নং প্রশ্নৰ উত্তৰ ঃ আর্য, অনার্য আৰু দ্রাবিড়ীয় সংস্কৃতি।

৫ নং প্রশ্নৰ উত্তৰ ঃ ভঠেলি, দেউল, পাউৰাতোলা, সুঁৱেৰী, সুৰী, ইত্যাদি।

৬ নং প্রশ্নৰ উত্তৰ ঃ সুকনানি ওজাপালি।

৭ নং প্রশ্নৰ উত্তৰ ঃ স্বর্গদেউ ৰুদ্রসিংহ।



৩.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) টেটোন জাতীয় সাধুকথাৰ পৰম্পৰা ক'ৰ পৰা অসমীয়া সংস্কৃতিলৈ আহিছে?

(খ) কোনে *মৃগাৱতী চৰিত* ৰচনা কৰিছিল ?

(গ) এনাই, পুঠাও, মোমাই, আপা, নিচা আদি সম্বন্ধবাচক শব্দবোৰ কোন ভাষাৰ পৰা আহিছে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক —

ক) অসমীয়া সাজপাৰত সমন্বয় খ) অসমীয়া খাদ্যত সমন্বয়

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া সংস্কৃতি সমন্বয় আৰু সমাহৰণত বিভিন্ন জাতি-জনজাতি আৰু থলুৱা উপাদান কেনেদৰে ৰক্ষিত হৈছে, আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া সংস্কৃতি 'সমন্বয় আৰু সমাহৰণ সংস্কৃতি'— ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া সংস্কৃতিৰ কোনবোৰ দিশত সমন্বয় সাধন হৈছে বুজাই লিখক।

*** ***** ***

অধ্যায় ৪ ঃ অসমীয়া সংস্কৃতিত বিভিন্ন জাতীয়-জনগোষ্ঠীয় উপাদান আৰু অৱদান

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান
৪.৪ অসমীয়া সংস্কৃতিত টাই (আহোম) উপাদান
৪.৫ অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান
৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সংস্কৃতিত জনজাতীয় উপদান সম্পর্কে জানিব পাৰিব
- অসমীয়া সংস্কৃতিত টাই (আহোম) উপদান সম্পর্কে অৱগত হ'ব
- অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ বৰঙণিৰ বিষয়ে জানিব পাৰিব।

৪.২ পৰিচয়

ইতিমধ্যে আমি আগৰ অধ্যায় কেইটাত সংস্কৃতি মানে কি, তাৰ বৈশিষ্ট্য, উপাদান আদিৰ লগতে 'অসমীয়া' পদটোৰ সৃষ্টি আৰু তাৰ ধাৰণাৰ বিষয়েও কিছু কথা অধ্যয়ন কৰিলোঁ। তাৰ আধাৰত অসমীয়া সংস্কৃতিৰ সম্যক পৰিচয়ো লাভ কৰিলোঁ। অসমীয়া সংস্কৃতি যে সমন্বয়ৰ আৰু সমাহৰণৰ সংস্কৃতি সেয়াও আমি অধ্যয়ন কৰিলোঁ। এই অধ্যায়টোত আমি অসমীয়া সংস্কৃতিত বিভিন্ন জাতীয়-জনগোষ্ঠীয় উপাদান তথা অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান সম্পর্কে কিছু কথা অধ্যয়ন কৰিম।

অসম দেশ বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি। অসমত বাস কৰা জনগোষ্ঠীসমূহৰ অধিকাংশই মূলতঃ মংগোলীয় প্রজাতিৰ অন্তর্গত। উদাহৰণস্বৰূপে মংগোলীয় প্রজাতিৰ অন্তর্গত টাই গোষ্ঠীৰ অহোমসকলে প্রায় ছশ বছৰ কাল অসমত ৰাজত্ব কৰিছিল। টাই (আহোম)সকলৰ উপৰি মংগোলীয় প্রজাতিৰ বিভিন্ন জনগোষ্ঠীৰ বিবিধ উপাদনৰ মণি-মৰকতেৰে অসমীয়া সংস্কৃতিৰ

ভঁৰাল সমৃদ্ধ। ঠিক সেইদৰে এনেদৰে এদিন ইছলামীয় সংস্কৃতিৰ বাহক মুছলমানসকলৰো অসমলৈ আগমন ঘটিল। কালক্রমত অসমীয়া সংস্কৃতিৰ লগত তেওঁলোকৰ সংস্কৃতিৰ সমন্বয় সাধন হ'ল। অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত মুছলমানসকলৰ অজস্র শব্দই ঠাই পালে। আনকি আহোম যুগৰ ৰাজকার্যতো অসমীয়া মুছলমানসকলে সহায়ৰ হাত আগবঢ়ালে। অসমীয়া লোকসাহিত্যতো ইছলামী সস্কৃতিৰ প্রভাৱ বিদ্যমান। মুঠতে বিয়া-বাৰুৰ পৰা মৰাশ সৎকাৰলৈকে আদি বিভিন্ন দিশত হিন্দু-মুছলমানৰ সম্প্রীতি বাঢ়ি গ'ল। স্বতঃপ্রণোদিতভাৱে হোৱা এই সমন্বয় হ'ল এক স্বাভাৱিক প্রক্রিয়াৰ ফল। অসমীয়া সংস্কৃতিৰ পৰা এতিয়া ইছলামীয় সংস্কৃতি আঁহ ফালি উলিয়াই আনিব নোৱাৰি। জাতীয় সংহতি আৰু সম্প্রীতি ৰক্ষাৰ কাৰণে এনে বৈচিত্র্যপূর্ণ তথা সুসংহত সংস্কৃতিৰ অধ্যয়ন অতিকে প্রয়োজনীয়। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি সামগ্রিকভাৱে এই দিশ কেইটাৰ বিষয়ে জানিব পাৰিব।

৪.৩ অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান

অসমীয়া সংস্কৃতিত জনজাতীয় উপাদনৰ বিষয়ে জানিবলৈ হ'লে আমি "জনজাতি" মানে কি সেই বিষয়েও কিছু কথা জানিব লাগিব। সাধাৰণতে "জনজাতি" শব্দই একোটা নৃগোষ্ঠী/জনগোষ্ঠীকে বুজায়। জনগোষ্ঠী (Ethnic Group) বুলিলে বুজা যায় — এখন বৃহত্তৰ সমাজৰ জনসংখ্যাৰ মাজৰ একোটা সামাজিক গোট বা ভাগ। এই ভাগবোৰ গঠন হয় প্রজাতি, ভাষা, জাতীয়তা বা সংস্কৃতিৰ উমৈহতীয়া বন্ধনৰ ভিত্তিত। প্রধানতঃ বস্তু সংস্কৃতিৰ ফালৰ পৰা পিছপৰা, শ্রমৰ বিশেষীকৰণ নোহোৱা, নিজৰ মাজতে সীমিত অর্থনৈতিক আৰু ৰাজহুৱা জীৱন, গোষ্ঠীবন্ধন তথা আদিম ধৰণৰ জীৱন ধাৰণ আদি জনজাতিৰ বৈশিষ্ট্য। কিন্তু সাম্প্রতিক বিশ্বত নৃতত্ত্ববিদসকলে নিৰূপণ কৰা আটাইবোৰ বৈশিষ্ট্য অটুট থকা জনজাতি তেনেই সীমিত। উন্নত জনগোষ্ঠী/জাতিৰ সংস্পর্শ, চৰকাৰী আঁচনি, আধুনিক শিক্ষা আৰু সভ্যতাৰ সংস্পর্শৰ ফলত "জনজাতি"সমূহৰ মাজতে বহু স্তৰ সৃষ্টি হৈছে। ভাৰতৰ প্রশাসনিক ব্যৱস্থাত কিছুমান জনগোষ্ঠীক "অনুসূচীত জনজাতি" (Schedule Tribe) ৰূপে চিহ্নিত কৰি তেওঁলোকৰ উন্নয়নৰ বাবে বিভিন্ন সা-সুবিধা আৰু ব্যৱস্থা গ্রহণ কৰি আহিছে। গতিকে ভাৰতবর্ষৰ ক্ষেত্রত সাধাৰণতে "জনজাতি" বুলিলে সংবিধানস্বীকৃত "অনূসূচীত জনজাতি"সমূহকেহে বুজা যায়। ২০১১ চনৰ লোকপিয়লৰ তথ্য মতে অসমৰ ২৩ টা জনগোষ্ঠী অনুসূচীত জনজাতিৰ অন্তর্ভুক্ত; কিন্তু "জনজাতি মন্ত্রণালয়, ভাৰত চৰকাৰ"ৰ মতে বর্তমান অসমৰ ২৯ টা জনগোষ্ঠী অনুসূচীত জনজাতি হিচাপে তালিকাভুক্ত হৈছে। অসমৰ জনজাতিসমূহ মূলত মংগোলীয় প্রজাতিৰ অন্তর্গত। ভাষিকভাৱে এওঁলোকৰ একাংশ অসমীয়া ভাষী আৰু বেছিভাগেই তিব্বত-বর্মী বড়োমূলীয়া ভাষা-ভাষী। কিন্তু বড়োমূলীয়া ভাষা-ভাষীৰো সৰহভাগ দ্বিভাষী; অসমীয়া ভাষা তেওঁলোকৰ দ্বিতীয় ভাষা। অসমীয়া সংস্কৃতিত এই জনগোষ্ঠীসমূহৰ বিভিন্ন উপাদানে ভৰি আছে।

এই পাঠ্যবিষয়ৰে পূর্বৱর্তী অধ্যায়ত অসমৰ/অসমীয়া সংস্কৃতি সম্পর্কে কৰা আলোচনাৰ

পৰা এটা কথা স্পষ্ট হৈছে নিশ্চয় যে 'অসমীয়া সংস্কৃতি'ৰ ধাৰণাটো অবাচীন হ'লেও বহুযুগীয়া ঐতিহাসিক প্ৰক্ৰিয়াৰে এই সাংস্কৃতিক সত্তাটো নিৰ্মাণ হৈছে। অসমীয়া সংস্কৃতিক আমি Great Tradition বুলিলে এই সাংস্কৃতিক সত্তাটোৰ মাজত সোমাই থকা ক্ষুদ্ৰ গোষ্ঠীগত সংস্কৃতি বা জাত/সম্প্ৰদায়গত সংস্কৃতিবোৰক Little Tradition বুলি ক'ব পাৰি। সেয়ে মৰাণৰ 'ধৰ্মচৰি', সোণোৱাল কছাৰীৰ 'লখিমী তোল সবাহ', তিৱাসকলৰ 'জোনবিল উৎসৱ' আৰু 'মেলা উৎসৱ', সোণোৱাল কছাৰীৰ 'গোহাই' উলিওৱা উৎসৱ, ৰাজবংশীসকলৰ 'কালি পূজা' আদিবোৰ বহল অৰ্থত অসমীয়া সংস্কৃতিৰে অংগ; একেসময়তে এইবোৰ সেই সেই জনগোষ্ঠীৰ স্বকীয় পৰিচয়দায়ক সাংস্কৃতিক সম্পদ। এই উৎসৱ বা সামাজিক লোকাচাৰবোৰত ব্যৱহৃত গীত-মাতবোৰৰ ভাষা অসমীয়া ভাষাৰে নৃ-গোষ্ঠীয় উপভাষা। সেয়ে এইবোৰ অসমীয়া লোকসাহিত্যৰো সম্পদ। কিন্তু বড়োসকলৰ 'খেৰাই পূজা', মিছিংসকলৰ 'আলি-আই-লৃগাং' আদি উৎসৱৰ গীত-মাতৰ, মন্ত্ৰৰ ভাষা বড়ো বা মিছিং ভাষা; এই উৎসৱবোৰ অসমীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ বুলি ক'বলৈ অসুবিধা — যদিহে সেই উৎসৱ পালন কৰোঁতা জনগোষ্ঠীয় লোকসকলে নিজকে 'অসমীয়া জাতি'ৰ অন্তৰ্গত বুলি বিবেচনা নকৰে।

গতিকে অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ উপাদান দুটা স্পষ্ট দিশত ভাগ কৰিব পাৰি — ক) সংশ্লেষিত ৰূপত খ) স্বতন্ত্ৰ গোষ্ঠীয় পৰিচয় ৰূপত।

কোনো জনগোষ্ঠীয়/জনজাতীয় সংস্কৃতিক উপাদান আৰ্য হিন্দু সংস্কৃতিৰ ৰূপৰ লগত সংশ্লেষিত হৈ নতুন ৰূপ পাইছে। এইবোৰ সংশ্লেষিত ৰূপ। যেনে — অসমীয়া বিহু, ৰিহা-মেখেলা, অসমীয়া ভাষাত নিহিত জনগোষ্ঠীয় উপাদানবোৰ মাতৃপ্ৰধান ব্যৱস্থাৰ পৰা অহা সামাজিক লোকাচাৰ আদি। আনহাতে, নিজকে অসমীয়া জাতিৰ অংগ বুলি পৰিচয় দিয়া জনজাতিসকলৰ নিজস্ব সাংস্কৃতিক ৰূপবোৰ (খ) ভাগৰ অন্তৰ্গত কৰিব পাৰি।

অসমত প্ৰচলিত ধৰ্ম সাধন পদ্ধতিসমূহত আমি জনজাতীয় বৰঙণি দেখিবলৈ পাওঁ। মন কৰিব যে অসমত প্ৰধানতঃ হিন্দু, ইছলাম, বৌদ্ধ আৰু খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকে বাস কৰে। ইয়াৰ ভিতৰত হিন্দু ধৰ্মাৱলম্বীসকলৰ সংখ্যাই লেখত ল'বলগীয়া। সামাজিক সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশৰ পৰাও হিন্দু ভাগেই প্ৰভাৱী। কাৰণ অসমীয়া সংস্কৃতি সম্পৰ্কে কৰা আলোচনাত নিশ্চয় আপুনি মন কৰিছে যে, অসমীয়া জাতিসত্তাৰ বুনিয়াদী ৰূপটো হিন্দুধৰ্ম আৰু আৰ্যমূলীয়া সংস্কৃতিৰ ওপৰতে প্ৰতিষ্ঠিত। হিন্দুসকলৰ প্ৰধান ভাগ দুটা — ক) শাক্ত খ) বৈষ্ণৱ। শৈৱধাৰাটো শাক্ত ধাৰাৰ পৰা পৃথক নহয়।

শাক্ত আৰু বৈষ্ণৱ ধাৰাত জনজাতীয় সংস্কৃতিৰ উপাদান লক্ষণীয়। ইয়াৰ ভিতৰত শাক্তধৰ্মত অতি গভীৰ। অসমৰ প্ৰখ্যাত হিন্দু দেৱী 'কামাখ্যা' মূলতঃ খাছী বা গাৰোৰ দৰে কোনো মাতৃপ্ৰধান দেৱী বুলি বাণীকান্ত কাকতীয়ে মত পোষণ কৰিছে। কামাখ্যা মন্দিৰ আদিতে কোনো জনজাতীয় দেৱীৰ উপাসনা স্থান আছিল। সংস্কৃতায়ন প্ৰক্ৰিয়াৰ মাজেদি কামাখ্যাৰ দৰেই তাম্ৰেশ্বৰী মন্দিৰ, মালিনীথান, মহামায়া থান আদি জনজাতীয় উপাসনা স্থান আৰু দেৱীসকলক হিন্দু দেৱীলৈ ৰূপান্তৰ হৈছে। শাক্ত ধৰ্ম পদ্ধতিগতভাৱে তান্ত্ৰিক ধৰ্ম। 'তন্ত্ৰ' মূলতঃ জনজাতীয়

সমাজৰ সাংস্কৃতিক উপাদান। N.S. Dasgupta-ই কৈছে যে তন্ত্রবাদৰ মূল বৌদ্ধধর্মও নহয়, হিন্দুধর্মও নহয়; ই হ'ল ভাৰতৰ ধর্মৰ বুৰঞ্জীত অতি প্রাচীন কালৰ পৰা স্বাধীনৰূপত প্রবাহিত ধর্মীয় অন্তস্রোত। অসমৰ হিন্দুধর্মৰ দুখন অতি বিখ্যাত শাক্তগ্রন্থ *কালিকা পুৰাণ* আৰু *যোগিনীতন্ত্রও* তন্ত্রগ্রন্থই। আর্যীকৰণ বা সংস্কৃতায়ন প্রক্রিয়াৰ মাজেৰেই জনজাতীয় আদিম উর্ৰাশক্তি সিংহবাহিনী দশভুজা দুর্গাৰ ৰূপলৈ বিকাশ হৈছে। আজি দুর্গাপূজা জনজাতি-অজনজাতি সকলো অসমীয়া মানুহেৰে (শাক্তপন্থী/আনকি বহু বৈষ্ণৱেও দুর্গাপূজা কৰে) উমৈহতীয়া উৎসৱ।

শংকৰদেৱৰ আন্দোলনৰ আগলৈকে বিষ্ণুপূজাও মূলতঃ তন্ত্র মতেই কৰা হৈছিল। মহেশ্বৰ নেওগে কামৰূপৰ বিষ্ণুপূজাৰ আদিস্তৰটোক Tantric Vaisnavism বুলিয়েই আলোচনা কৰিছে। *কালিকা পুৰাণ* আৰু *যোগিনীতন্ত্রতো* বিষ্ণু-বন্দনা পর্যাপ্ত পৰিমাণে আছে। এই দুখন গ্রন্থৰ বিষ্ণু-প্রসংগ জনসাধাৰণৰ মাজত প্রচলিত পৰম্পৰাগত জনজাতীয় ধর্ম (বা লোকায়ত ধর্ম)-ৰ ওপৰত নতুনকৈ আর্য-হিন্দুসকলে পৰিচিত কৰা ভাগৱত ধর্মৰ প্রভাৱতে সৃষ্টি হোৱা তান্ত্রিক ভাগৱত ধর্মই বুলিব পাৰি। শংকৰদেৱে অসমত বৈষ্ণৱ ধর্মৰ সংস্কাৰ জাগৰণ আৰম্ভ কৰিছিল যদিও শংকৰদেৱ প্রচাৰিত নৱ-বৈষ্ণৱবাদৰ মাজতো যাদুবিদ্যাৰ উপাদান ৰৈ গৈছিল মূলতঃ জনজাতীয় প্রভাৱৰ বাবেই। যাদু (magic) তন্ত্র জনজাতীয় ধর্মৰ এটা প্রধান উপাদান।

শংকৰী সাহিত্যৰ প্রহ্লাদ, বিপ্র দামোদৰ, অজামিল আদি চৰিত্রৰ মুক্তিৰ মাজত যাদুধর্মীতা লক্ষণীয়। 'অনাদি পাতন'ত তান্ত্রিক মার্গৰ ষড়চক্রবাদৰ বিৱৰণ পোৱা যায়। শংকৰদেৱৰ ভক্তি ধর্মই সৃষ্টি কৰা সাংস্কৃতিক সংৰূপবোৰৰ বিভিন্ন দিশৰ পৰা জনজাতীয় বৰঙণি নিহিত থকাৰ কাৰণ হ'ল — ব্যাপকহাৰত জনজাতীয় লোকে এই ধর্ম গ্রহণ কৰিছিল। নামঘৰৰ গণতান্ত্রিক আদর্শ, স্থাপত্য আর্হি আৰু ধর্মীয় অনুষংগৰ লগত জনজাতীয় সমূহীয়া উপসনা স্থলী আৰু ডেকাচাঙৰ সাদৃশ্য আছে। গনেশ চন্দ্র শর্মা ঠাকুৰে *Selected Essays of Tribes and Caste of Assam (Part I)*-ত কৈছে যে দেউৰীসকলৰ থানঘৰ আৰু তিৰাসকলৰ বৰঘৰে নিশ্চয় শংকৰদেৱক নামঘৰৰ ধাৰণা মনলৈ অনাত সহায় কৰিছিল। লীলা গগৈয়ে ক'ব খোজে যে বৈষ্ণৱ পৰম্পৰাগত আর্শীবাদ দিয়া ৰীতি (অ' হৰি, অ' ৰাম) জনজাতীয় (মংগোলীয়) আদর্শসম্ভূত। অসমীয়া সমাজৰ ভূত-প্রেত, বীৰা, পিশাচ আদি জনজাতীয় উপাদানৰ পৰাই অহা বুলিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া সংস্কৃতিলৈ জনজাতীয় সংস্কৃতিৰ বৰঙণি কি কি ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি?

.....

প্রশ্ন নং ২ ঃ নামঘৰৰ গণতান্ত্রিক আদর্শ, স্থাপত্য আর্হি আৰু ধর্মীয় অনুষংগৰ লগত জনজাতীয় কি কি দিশৰ সাদৃশ্য আছে?

.....

অসমীয়া মানুহে বাৰটা মাহত ভালেমান উৎসৱ পালন কৰে। ইয়াৰে বেছিভাগ কৃষিমূলক বা ঋতুকালীন। তদুপৰি পঞ্জিকা আশ্রয়ী উৎসৱ আৰু সংস্কাৰমূলক উৎসৱ কিছুমানো পালন কৰে। কৃষিৰ প্রাচুর্য, পৃথিৱীৰ প্রজনন শক্তি বৃদ্ধি, নতুন বছৰৰ আদৰণি আদি উদ্দেশ্য পালন কৰা উৎসৱবোৰেই কৃষিমূলক বা ঋতুকালীন উৎসৱ। ব'হাগ বিহু এনে উৎসৱৰ এটা উদাহৰণ। অসমৰ সকলো নৃগোষ্ঠীয়েই বসন্ত কালত বিভিন্ন নামেৰে (বিচু, বৈচাগু, বাইখু আদি) সমধর্মী উৎসৱ পালন কৰে। প্রমোদ চন্দ্র ভট্টাচার্যই কৈছে — "অসমৰ বিহু উৎসৱৰ মূল অনুপ্রেৰণাত বৈদিক যাযজ্ঞৰ দূৰণীয়া প্রভাৱ থাকিলেও বিহুৰ পান-ভোজন, বিহুৱান, ঘৰুৱা মদ, তামোল-পানৰ ব্যৱহাৰ, নৃত্য-গীত, টকা, পেঁপা, গগণা, কৰতাল, বাঁহী, ঢোল আদি বাজনাৰ প্রয়োজন; বিহুৰ সময়ত সমূহীয়া মাছমৰা, পহুচিকাৰ আদিত জনজাতীয় প্রভাৱ সুস্পষ্ট।" গৰু বিহু বৈদিক ধাৰণাপ্রসূত। প্রাচীন আর্যসকলে গৰুক মাতৃজ্ঞান কৰিছিল — গোমাতা। কিন্তু মাহ-হালধি, লাও-বেঙেনা-থেকেৰা আদি দি গা ধুওৱা পদ্ধতিটো অসমৰ মংগোলীয় জনজাতিসকলৰ বৰঙণি বুলি ভাবিব পাৰি। বিহু উৎসৱত ডেকা-গাভৰুৰ অবাধ মিলন আৰু যৌৱনোচ্ছল যৌনতামূলক গীতমাতৰ পয়োভৰৰ বাবে এসময়ত বর্ণহিন্দু অসমীয়া মধ্যশ্রেণীয়ে বিহুক ঘৃণা আৰু অবজ্ঞাৰ দৃষ্টিৰে চাইছিল। কিন্তু বিহু আজি অসমৰ জাতীয় উৎসৱ ৰূপে পৰিগণিত হৈছে।

বৃক্ষপূজাকেন্দ্রিক ভালেমান উৎসৱ অসমীয়া মানুহে উলহ-মালহেৰে পালন কৰে। যেনে— কামৰূপ নলবাৰী অঞ্চলৰ ভঠেলি, দৰঙৰ দেউল উৎসৱ, দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ কোনো কোনো অঞ্চলত পালন কৰা সুঁৱৰি আদি। এই বৃক্ষ পূজা মূলতঃ জনজাতীয় লোকাচাৰ — "Tree worship is commonly practiced by caste Hindus, no doubt is a tribal custom"। এই উৎসৱ বিলাকত ব্যাপক হাৰত নৱ-বৈষ্ণৱ ভক্তিধর্মৰ প্রভাৱ পৰি এতিয়া অজনজাতীয় আৰু জনজাতীয় লোকৰ আদৰৰ অনুষ্ঠান ৰূপে বিকাশ হৈছে। এইবোৰৰ উপৰি আইসবাহ, লখিমী সবাহ, তুলসী পূজা আদিৰ লগত জড়িত দেৱীবোৰৰ ধাৰণাত আর্য-অনার্য সংস্কৃতিৰ সংমিশ্রণ ঘটিছে।

অসমীয়া সংস্কৃতি লোকসাহিত্য আৰু লোকসংগীতত অত্যন্ত চহকী। এই লোকসাহিত্যবোৰৰ মাজত জনজাতীয় লোককথা এনেদৰে সোমাই আছে যে, সেইবোৰ বাচি উলিওৱাটো জটিল। অসমৰ জনজাতিসমূহৰ মাজত প্রচলিত সাধুকথাবোৰ সামান্য ইফাল-সিফাল ৰূপত অসমীয়া ভাষাৰ সাধুবোৰৰ সৈতে মিল আছে। সাংস্কৃতিক সমন্বয়, সমাহৰণৰ ফলতে এই সাধুবোৰ কেতিয়াবা অজনজাতি সমাজৰ মাজত প্রচলিত হৈছে আৰু কেতিয়াবা জনজাতীয় সমাজলৈ বিয়পি গৈছে। অসমীয়া সমাজত প্রচলিত মন্ত্রবোৰৰ জনজাতীয় উপাদান আছে। সোণোৱাল কছাৰী সমাজত প্রচলিত লখিমী সবাহৰ গীত, তিৱাসকলৰ বৰত উছবৰ গীত, শৰণীয়া কছাৰীৰ গোহাঁই উলিওৱা উৎসৱত গোৱা গীত-মাত, কোচ-ৰাজবংশীসকলৰ কাতিপূজাৰ গীত আদিবোৰ অসমীয়া লোকসাহিত্যলৈ সেই সেই জনগোষ্ঠীৰ মূল্যৱান অৱদান। মন কৰিবলগীয়া যে, লোকউৎসৱবোৰৰ লগত অবিচ্ছেদ্যভাৱে লোকগীত, মন্ত্র, নাম আদি জড়িত থাকে। দেউৰী বিহু, মৰাণসকলৰ ধর্ম হুচৰি আদিয়ে যিদৰে অসমীয়া জাতীয় উৎসৱ বিহুক বৈচিত্র্যময় ঐশ্বর্য

প্রদান কৰিছে, একেদৰে এই উৎসৱৰ গীত-মাত বোৰে অসমীয়া লোকসাহিত্যকো সমৃদ্ধ কৰিছে। সঞ্জীৱ কুমাৰ বৰকাকতীয়ে বৰগীতৰ সুৰৰ লগত তিৱাসকলৰ লালী-হিলালী গীতৰ সুৰৰ সাদৃশ্য মন কৰিছে। গোলাপ মহন্তৰ মতে মহাপুৰুষীয়া পৰম্পৰাৰ নাম প্রসংগৰ সুৰত জনজাতীয় গীতৰ সুৰৰ সাদৃশ্য আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ কামৰূপ নলবাৰী অঞ্চলৰ ভঠেলি, দৰঙৰ দেউল উৎসৱ কি কেন্দ্রিক উৎসৱ?

.....

প্রশ্ন নং ৪ ঃ সঞ্জীৱ কুমাৰ বৰকাকতীয়ে বৰগীতৰ সুৰৰ লগত কিহৰ মিল আছে বুলি মন্তব্য কৰিছে?

.....

জনজাতিসমূহৰ গভীৰ প্রভাৱৰ বাবে অসমৰ বর্ণহিন্দুসকলৰ খাদ্যাভ্যাসৰ ক্ষেত্রত ভাৰতৰ অন্য অংশৰ পৰা পার্থক্য লক্ষণীয়। ভাৰতৰ ব্রাহ্মণ বা উচ্চবর্ণৰ হিন্দুৱে, প্রধানকৈ বৈষ্ণৱে মাছ-মাংস নাখায়। কিন্তু অসমৰ ব্রাহ্মণ আৰু উচ্চবর্ণৰ বৈষ্ণৱেও মাছ-মাংস খায়। অসমৰ জনজাতিসকলে আমৰলি পৰুৱাৰ টোপ, গাহৰিৰ মাংস, ঘৰুৱা মদ, জিলী, উঁই-চিৰিঙা, কুচিয়া, সিজোৱা মাছ, কুকুৰাৰ মাংস, শালমাছ, বাঁহ গাজ, পলু আদি খাদ্য ৰূপে গ্রহণ কৰে। জনজাতিলোকৰ সুদীর্ঘকালীন সংস্পর্শৰ ফলত অজনজাতি বর্ণহিন্দু অসমীয়া মানুহৰ খাদ্যৰীতি এই অনুক্রমে সলনি হৈ পৰিল। বাঁহগাজ, কুকুৰা মাংস অসমীয়া মানুহৰ নিয়মিত খাদ্য তালিকাত সোমাই পৰাৰ উপৰি গাহৰিও বহু বর্ণহিন্দু লোকে খাদ্য হিচাপে গ্রহণ কৰে।

তামোল-পান অসমীয়া সমাজলৈ জনজাতি (মংগোলীয়/অষ্ট্রিক)সকলৰ বৰঙণি। ভাৰতৰ আন ঠাইত তামোল-পানৰ ব্যৱহাৰ নাই (কেঁচা তামোল বা মাটিত পুতি থৈ পচোৱা তামোল)। অসমীয়া সংস্কৃতিও বিয়া-বাৰু আদি অনুষ্ঠানৰ উপৰি ধর্মীয় (বৈষ্ণৱ পৰম্পৰাতো) অনুষংগটো তামোল-পানৰ গুৰুত্ব অত্যন্ত গভীৰ। (মৰাণ মটকসকলৰ মাজত এই গুৰুত্ব মন কৰিবলগীয়া।)

ঠিক সেইদৰে অসমীয়া সাজপাৰৰ ক্ষেত্রটো জনজাতীয় উপদান বহুল পৰিমাণে লক্ষ্য কৰা যায়। অসমৰ তিৰোতাই চাদৰ-মেখেলা পৰিধান কৰে (আধুনিক সাজ-পোচাকৰ কথা এই প্রসংগলৈ অনা হোৱা নাই)। কিন্তু সর্বভাৰতীয় নাৰীৰ পৰম্পৰাগত সাজ এখনীয়াহে। অসমৰ জনজাতীয় নাৰীৰ পৰম্পৰাগত সাজ হিচাপে মেখেলা আৰু বুকু ঢাকি দুই বাহুত পেলাই লোৱা দুখনীয়া কাপোৰ দেখা যায়। মেখেলাখন বুকুত (মেথনি) বান্ধি লয়। গতিকে অসমীয়া নাৰীৰ দুখনীয়া কাপোৰ জনজাতীয় সাজৰ পৰা বিৱর্তন হোৱা বুলিও কোনোৱে ভাবে। নাহেন্দ্র পাদুনে তেওঁৰ *অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি* পুথিখনত এই মত পোষণ কৰিছে।

এড়ি আৰু পাট-মুগা মংগোলীয় সংস্কৃতিৰ অৱদান। সম্প্রতি অসমৰ পাট-মুগা

বিশ্ববিখ্যাত। প্রাচীন কালত অসমৰ মাজেৰেই চীনৰ পাট-মুগা বিভিন্ন ঠাইলৈ ৰপ্তানি হৈছিল। অসমৰ জনজাতিসমূহৰ প্রায়ভাগেই যে চীনৰ পৰা প্রাগ্-ঐতিহাসিক কালতে অসমলৈ নামিছিল সেই বিষয়ে আপুনি নিশ্চয় জ্ঞাত।

শিপিনী হিচাপে অসমৰ তিৰোতাৰ বিশেষ সুনাম আছে। জনজাতিসকলৰ মাজত কঁকালৰ মেৰাই লৈ বোৱা তাঁতৰো প্রচলন আছে। কাপোৰত বিভিন্ন ফুলৰ চানেকি বঁচাত অসমীয়া তিৰোতা অতিকে নিপুন। হস্ত তাঁত শিল্পৰ ক্ষেত্রত, বিভিন্ন ফুলৰ আৰ্হিৰ ক্ষেত্রত অসমীয়া সংস্কৃতি জনজাতিসকলৰ ওচৰত ঋণী বুলিবই লাগিব। আজিকালি মিছিং জনগোষ্ঠীৰ বৰণীয়া ফুল বচা কাপোৰৰ চানেকিয়ে অসমীয়া সমাজত ব্যাপক সমাদৰ লাভ কৰিছে।

অসমীয়া সমাজত তিৰোতাৰ স্থান ভাৰতীয় বর্ণহিন্দু সমাজৰ তুলনাত মর্যদাজনক। ইয়াৰ মূলতে জনজাতীয় প্রভাৱ। জনজাতি সমাজত তিৰোতাই যথেষ্ট স্বাধীনতা ভোগ কৰিব পাৰে। কাৰণ সেই সমাজত তিৰোতা গৰাকীয়েই কৃষিকর্মৰ হোতা, ঘৰুৱা কাম, সন্তান পালনৰ প্রধান কর্তা। তদুপৰি জনজাতি সমাজত তিৰোতাসকলৰ কিছুমান গোষ্ঠীয় সংগঠন থাকে, এই সংগঠনবোৰে জনগোষ্ঠীটোৰ মাজত যথেষ্ট মান্যতা পায়। যেনে — ৰাভাসকলৰ এটা গোত্রৰ তিৰোতাক লৈ এটা 'মাহাৰী' হয়। মাহাৰীৰ অনুমতি অবিহনে কোনো পত্নীহাৰা পুৰুষে দ্বিতীয়া পত্নী গ্রহণ কৰিব নোৱাৰে। নাৰীৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্রত মাহাৰীৰ হস্তক্ষেপক সমাজে সহযোগিতা কৰে। অসমীয়া তিৰোতাই কৃষিকর্মৰ প্রায় সকলো কামেই পুৰুষৰ সমানে সমানে কৰে। অসমত বাল্য বিবাহৰ প্রচলন বহু কম। প্রাচীন কালত মন্দিৰত দেৱগণিকা আছিল যদিও সেই ব্যৱস্থা ব্রাহ্মণ্য ব্যৱস্থা দৃঢ় হোৱাৰ ফলহে। অসমীয়া বিবাহিত নাৰী 'মাকৰ ঘৰলৈ যায়'। জনজাতিসকলৰ প্রভাৱতে অসমীয়া সমাজত জাত-পাত, অস্পৃশ্যতাৰ প্রভাৱ বৰ দৃঢ় নহয়। উচ্চ বর্ণৰ মাজত এই ভাব দৃঢ় যদিও সাধাৰণ মানুহৰ মাজত ই বৰ শিথিল। ইয়াৰ মূলতে জনজাতি সমাজ ব্যৱস্থা বুলি পণ্ডিতসকলে ক'ব খোজে। বিবাহযোগ্যা কন্যাক পলুৱাই নি বিবাহ কৰোৱাটো জনজাতীয় সমাজৰ এটা স্বীকৃত নিয়ম। অসমীয়া সমাজৰ 'বুঢ়া বিয়া' জনজাতীয় সমাজৰ প্রভাৱ বুলিব পাৰি। তদুপৰি দৰাক বাটত হেঙাৰ দি টকা-পইচা বা তামোল পানৰ শৰাই লৈ আশীৰ্বাদ দিয়াৰ প্রথা — এইবোৰ আর্যভিন্ন জনজাতীয় সমাজৰ পৰা অহা ৰীতি।

অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্রতো জনজাতীয় প্রভাৱ সুস্পষ্ট। অসমীয়া ভাষা আর্যমূলীয় হ'লেও এই ভাষাৰ বিকাশত তিব্বতবর্মীয় বড়োমূলীয় ভাষাবোৰৰ সুগভীৰ প্রভাৱ ভাষাতত্ত্ববিদসকলৰ গৱেষণাত উন্মোচিত হৈছে। ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দগত, ধ্বনিগুণ আৰু ধাতুগত — আটাইবোৰ দিশতে এই প্রভাৱ আলোচিত হৈছে। অসমীয়া ভাষাৰ 'স' ধ্বনিটো ভাৰতৰ কোনো আর্যভাষাতে পাবলৈ নাই। অঘোষ উষ্ম পশ্চতালব্য উষ্ম ধ্বনি ৰূপে এই ধ্বনিটোৰ বিকাশত জনজাতীয় তিব্বতবর্মী ভাষাৰ প্রভাৱ পৰিছে বুলি অনুমান কৰা হয়। অসমীয়া ভাষালৈ জনজাতীয় বৰঙণি সর্বাধিক লক্ষণীয় ৰূপতত্ত্বৰ ক্ষেত্রত। অসমীয়া ভাষাত কোনো নামপদৰ আকৃতি-প্রকৃতি, বচন, লিংগ আদিৰ ধাৰণা দিয়া নির্দিষ্টতাবাচক প্রত্যয় (যেনে — টো, জনী, খিলা, মখা আদি) বোৰৰ ব্যৱহাৰৰ প্রকৃতি জনজাতীয় ভাষাৰ লগতহে মিলে। একেদৰে স্বার্থিক প্রত্যয়ৰ

(যেনে — চোন/হবলা/জানোচা/গৈ আদি) ব্যৱহাৰ; ক্রিয়াপদৰ আগত 'ন-' প্রত্যয় সংযোগ কৰি নঞৰ্থক ৰূপ কৰা ৰীতি; কেৰ্‌কেৰ> কেৰকৰা, চপ চপ> চপ চপা আদি ধ্বন্যাত্মক শব্দ আৰু তাৰ ধাতুৰূপ কৰা ৰীতি অনার্যমূলীয়। অসমীয়া ভাষাত সম্বন্ধবাচক শব্দবোৰৰ লগত পুৰুষ অনুসৰি কিছুমান বিভক্তি লগ লাগে। অন্যান্য নব্য ভাৰতীয় আর্যভাষাত এইবোৰৰ ব্যৱহাৰ নাই। যেনে — প্রথম পুৰুষত দেউতা, দ্বিতীয় পুৰুষত দেউতা-ৰে (তুচ্চার্থ্যত) আৰু দেউতা-ৰা (মান্যার্থত) আৰু তৃতীয় পুৰুষত দেউতা-ক আদি। এই ধৰণৰ প্রত্যয়ৰ ব্যৱহাৰ ৰাভা, বড়ো, মণিপুৰী আদি ভাষাত আছে। অসমীয়া ভাষাৰ কিছুমান ধাতু জনজাতীয় ভাষাৰ পৰা অহা। যেনে— চেলেক, চেৰা, গৰা মাৰ, খাম বান্ধ, তিৰা, ৰেপ, গছক আদি। শব্দৰ ক্ষেত্রতো অসমীয়া ভাষালৈ স্বাভাৱিকভাৱেই ভালেমান জনজাতীয় শব্দ আহি নিগাজী হৈ পৰিছে। তাঁতশালৰ সঁজুলি, হাতী বিষয় শব্দ, মাছ, গছ-লতাৰ নাম আদিৰ ক্ষেত্রত এনে শব্দ পোৱা যায়। প্রমোদচন্দ্র ভট্টাচার্য্যই কৈছে — "অসমীয়া ভাষাৰ সুৰীয়া, সুৱদি মাতৰ হেতু হৈছে বেছিভাগ তিৱ্বতবর্মী ভাষাত থকা সুৰ প্রাধান্য।"

অসমীয়া সাহিত্যৰ প্রাচীন যুগটো গভীৰভাৱে জনজাতীয় শাসকসকলৰ সহযোগিতাৰ ফল। প্রাক্-ঔপনিবেশিক যুগৰ অসমৰ শাসন ক্ষমতা মূলতঃ জনজাতীয় শাসকৰ হাততে আছিল। সাহিত্য-চর্চাও এমুঠি মানুহৰ মাজতে সীমাবদ্ধ আছিল। দুর্লভ লেখন সামগ্রী, দুর্লভ গ্রন্থ আৰু শ্রমসাধ্য প্রক্রিয়াৰ মাজত সাহিত্য-চর্চা কৰিবলগীয়া হৈছিল। ৰজাঘৰৰ সহযোগিতা বা পৃষ্ঠপোষকতা অবিহনে সাহিত্য-চর্চা প্রায় দুঃসাধ্য কাম হৈ আছিল। কিন্তু অসমৰ জনজাতীয় শাসকসকলে অসমীয়া ভাষাত সাহিত্য-চর্চা কৰা কবিকূললৈ পৃষ্ঠপোষকতা আগবঢ়াইছিল। ইয়াৰ ভিতৰত দুর্ল্লভনাৰায়ণ, মহামাণিক্য, তাম্রধ্বজ, নৰনাৰায়ণ-চিলাৰায়ৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এইসকলে ৰজাৰ পৃষ্ঠপোষকতা অবিহনে মাধব কন্দলীৰ *ৰামায়ণ*, শংকৰদেৱ-মাধৱদেৱ, ৰাম সৰস্বতী, ৰুদ্র কন্দলী, হেম সৰস্বতী আদি কবি বিশাল সাহিত্যকৃতি হয়তো ৰচিতই নহ'লহেতেন।

এই আলোচনাৰ পৰা আপুনি নিশ্চয় ধাৰণা লাভ কৰিব পাৰিছে যে, অসমীয়া সংস্কৃতিৰ বৈচিত্র্য আৰু বৈভৱময় ৰূপ নির্মাণত এইসমূহ বৰঙণিৰ তাৎপর্যপূর্ণ ভূমিকা আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অসমীয়া সংস্কৃতিৰ এৰাব নোৱৰা অংগ এড়ি আৰু পাট-মুগাৰ ব্যৱহাৰ কোন সংস্কৃতিৰ পৰা অহা?

.....

প্রশ্ন নং ৬ ঃ 'মাহাৰী' মানে কি বুজে? চমুকৈ লিখক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ৭ ঃ সাম্প্ৰতিক সময়ৰ অসমীয়া ভাষাৰ ব্যৱহাৰ হোৱা জনজাতীয় ভাষাৰ পৰা অহা ধাতু কেইটামান উল্লেখ কৰক।

.....

.....

৪.৪ অসমীয়া সংস্কৃতিত টাই (আহোম) উপাদান

অসমীয়া সংস্কৃতিত টাই উপাদান বহুল পৰিমাণে দেখিবলৈ পোৱা যায়। মূলতঃ টাই জাতিৰে এটা ঠাল আহোমসকলে ১২২৮ চনৰ পৰা প্ৰায় ছশ বছৰকাল অসমত ৰাজত্ব কৰে। এই ছশ বছৰীয়া ৰাজত্বকালত আহোমসকলে অসমৰ ৰাজনৈতিক, সামাজিক, ধাৰ্মিক আদি সকলো দিশতে পৰিবৰ্তনৰ সূচনা কৰে। অসমখনত ভৌগোলিক একতা স্থাপন কৰি এক শাসনৰ বাঘজৰীৰে সংহত কৰে। আহোমসকল অতি প্ৰতাপী আছিল আৰু নিজ প্ৰতাপৰ বলতে তেওঁলোকে স্থাপন কৰা ৰাজ্যখনৰ নামো তেওঁলোকৰ নামেৰেই গঢ়ি উঠিল। অৰ্থাৎ 'কামৰূপ' আৰু 'প্ৰাগ্‌জ্যোতিষ'ৰ ঠাইত আহোমৰ পৰা হোৱা 'অসম' নামেৰে নামকৰণ হ'ল দেশখন। এই বিষয়ে ইতিমধ্যে প্ৰথম অধ্যায়তে কিছু কথা পঢ়ি আহিছে। আহোমসকলে অসমক একগোট কৰি সুসংহত আৰু শৃংখলাবদ্ধ শাসন প্ৰণালীৰ দ্বাৰা কেইবাটাও বিশিষ্ট ৰাজনৈতিক প্ৰথাৰ প্ৰবৰ্তন কৰিছিল। বাৰেৰহনীয়া সংস্কৃতিৰে বৰ্তমানৰ যি বৃহৎ অসমীয়া জাতি আছে সেয়া আহোমসকলৰ নিষ্ঠা, ঐকান্তিকতা, অতিথিপৰায়ণতা তথা ৰুচিবোধসম্পন্নতাৰ সংমিশ্ৰিত ফল। আহোমসকলৰ বৰঙণি কেৱল অসমতে সীমাবদ্ধ নহয়, ই সমগ্ৰ ভাৰতবৰ্ষজুৰি বিয়পি আছে।

আহোমসকল অসমলৈ অহাৰ সময়ত উজনি অসমত চুতীয়া, মৰাণ, বৰাহী, কছাৰী আদিকে ধৰি কেইবাখনো সৰু সৰু ৰাজ্য আছিল আৰু প্ৰতিখন ৰাজ্যতে সুকীয়া সুকীয়া ৰজাই শাসন কৰি আছিল। আহোমসকল অহাৰ পাছত সেই ৰাজ্যবোৰ নিজৰ অধীন কৰি কালক্ৰমত এখন বৃহৎ ৰাজ্য গঠন কৰি অসমৰ ভৌগোলিক সীমা পশ্চিমে মানাহ নদীলৈকে বিস্তাৰ কৰে। আনহাতে পাহাৰ-ভৈয়াম লগ লগাই বিভিন্ন জাতি-উপজাতিক একগোট কৰি বৃহত্তৰ অসমীয়া জাতি আৰু বৰ সংস্কৃতিৰ ভেটি স্থাপন কৰে।

বিভিন্ন দিশত অসমীয়া সংস্কৃতিলৈ আহোমসকলে আগবঢ়োৱা বৃহৎ পৰিমাণৰ অৱদানলৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াৰ পটভূমিত কেইটামান কাৰণ আছে। প্ৰথমতেই ক'ব পাৰি যে, আহোমসকলৰ আছিল উদাৰ দৃষ্টিভংগী, সাংস্কৃতিক সহিষ্ণুতা তথা গুণগ্ৰাহী স্বভাৱ। সেয়েহে নিজৰ স্বকীয় সংস্কৃতি তথা ভাষা-সাহিত্য, ধৰ্ম আদি থকা সত্বেও অসমৰ লোকসকলৰ ভাষা-সাহিত্য-ধৰ্ম আদি গ্ৰহণ কৰিছিল। প্ৰথমতে সাহিত্য ৰচনাৰ ক্ষেত্ৰত 'টাই' লিপি ব্যৱহাৰ কৰিছিল যদিও পাছলৈ 'অসমীয়া লিপি' গ্ৰহণ কৰাৰ লগতে হিন্দু ধৰ্মও গ্ৰহণ কৰিছিল। এইবোৰ কাৰ্যই অসমীয়া সংস্কৃতিৰ এনাজৰীডাল সুদৃঢ় কৰিছিল।

দ্বিতীয়তে আহোমসকলে লগত তিৰোতা মানুহ অনা নাছিল। তেওঁলোকে স্থানীয় মানুহৰ লগতেই বৈবাহিক সম্বন্ধ স্থাপন কৰিছিল আৰু স্বাভাৱিকতে স্থানীয় লোকৰ ভাষা-সংস্কৃতিৰ

লগত সংমিশ্রণ ঘটিছিল। এই বৈবাহিক সম্বন্ধ অসমৰ পর্বতীয়া আৰু ভৈয়ামৰ জনজাতিৰ মাজতো হৈছিল যাৰ ফলস্বৰূপে পৰস্পৰৰ মাজত সাংস্কৃতিক বিনিময় আৰু বিকাশ সাধন হৈছিল। ৰুদ্রসিংহকে ধৰি কেইগৰাকীমান আহোম বিষয়াই চুবুৰীয়া ৰাজ্যৰ সাংস্কৃতিক সম্পদ অসমীয়া সংস্কৃতিৰ লগত মিলাই দিবলৈ প্রচেষ্টা চলাইছিল।

আহোমসকল পূর্বতে বৌদ্ধধর্মৰ অনুগামী আছিল বুলি কোৱা হয়। অসমলৈ অহাৰ পাছত তেওঁলোকে হিন্দু ধর্ম গ্রহণ কৰিলে। আহোম স্বর্গদেউ চ্যুদাংফা বা বামুণী কোঁৱৰৰ ৰাজত্বকালতে পোন প্রথমে 'লক্ষীনাৰায়ণ শালগ্রাম' আহোমসকলৰ ইষ্টদেৱতা 'সোমদেও'ৰ লগতে পূজা-পাতল কৰা হৈছিল। স্বর্গদেউ প্রতাপসিংহ শিৱভক্ত আছিল। শিৱসিংহৰ ৰাজত্বকালত শক্তি ধর্মই প্রাধান্য লাভ কৰিছিল। স্বর্গদেউ উদয়াদিত্যকে ধৰি কামধ্বজ সিংহ, চুজিনফা, ল'ৰা ৰজা আদিয়েও বৈষ্ণৱ ধর্মত শৰণ লৈছিল। ৰুদ্রসিংহই হিন্দুৰ পঞ্চদেৱতাৰ উদ্দেশ্যে বিষ্ণুদল, শিৱদল, শিৱদুর্গা, গণেশ আৰু সূর্যমূর্তি আদি স্থাপিত কৰিছিল।

শাসনযন্ত্র সুদৃঢ় কৰাৰ উদ্দেশ্যে আহোমসকলে প্রবর্তন কৰা ৰাজনৈতিক প্রথাৰ ভিতৰত আছিল— সীমাবদ্ধ ৰাজ্য ক্ষমতা, ডা-ডাঙৰীয়াৰ মেল, তিৰোতাৰ সিংহাসন অধিকাৰ আদি। আহোমসকলৰ শাসন-নীতিৰ এটা উল্লেখনীয় দিশ হ'ল অভিজাত শ্রেণীৰ সৃষ্টি। আহোমসকলে মর্যাদাসূচক বহুতো পদবী সৃষ্টি কৰি গ'ল, যিবোৰ বর্তমান পদবী হিচাপে নাথাকিলেও অন্য প্রান্তৰ মানুহৰ লগত আহোমক পৃথক হিচাপে চিহ্নিত কৰিছে। অভিজাত শ্রেণীত আছিল সাতঘৰীয়া আহোম ফৈদ। এই ফৈদে বিশেষ ৰাজ সমাদৰ আৰু সুযোগ লাভ কৰিছিল।



জানি থোৱা ভাল

স্বর্গদেউ চুকাফাৰ লগত উচ্চ শ্রেণীৰ প্রধান সাতঘৰ মানুহ আহিছিল। তেওঁলোককেই সাতঘৰীয়া আহোম বোলা হয়। এই সাতঘৰ আহোম হ'ল— ১) বুঢ়াগোঁহাই, ২) বৰগোঁহাই, ৩) আদাবৰীয়া সন্দিকৈ, ৪) ৰূপ সন্দিকৈ, ৫) কেঞ্চু বা কপলীয়াল সন্দিকৈ, ৬) থাও-মুঙ-ত্যাও আৰু ৭) থাও-মুঙ-কেৰুংখাম্।

আহোমসকলে অতি সুশৃংখলিত আৰু মনোৰম পদ্ধতিৰে নগৰ নির্মাণ কৰিছিল। নগৰৰ চাৰিওফালে খাল খান্দি গড় মাৰিছিল আৰু প্রতিখন নগৰত বৰচৰা ৰাজকাৰেঙৰ উপৰি হাট-বজাৰ, পুখুৰী-মন্দিৰ আদি নির্মাণ কৰিছিল। এই পদ্ধতিক অনুকৰণ কৰিয়েই পিছত বহুতে নগৰ নির্মাণ হৈছে।

ঠিক তেনেকৈ একে বৃত্তিধাৰী লোকৰ দ্বাৰা পৰিৱেষ্টিত হৈ থকা গাঁওবিলাক নতুন পদ্ধতিৰে সুপৰিকল্পিতভাৱে নির্মাণ কৰে, য'ত সকলো বর্ণৰ বিভিন্ন বৃত্তিধাৰী লোক থকাটো বাঞ্ছনীয় আছিল। গাঁৱৰ লোকসকলৰ সুবিধার্থে গাঁৱৰ ভিতৰত পুখুৰী খন্দা, আলিবাট বন্ধা বা মন্দিৰ নির্মাণ কৰি দিছিল। পৰস্পৰে পৰস্পৰক বিপদ-আপদত সহায় কৰি দিছিল। ইয়াৰ দ্বাৰা জাতিৰ সংস্কৃতিৰ সমন্বয় সাধন হৈছিল।

অসমীয়া ভৌতিক কলাৰ ভিতৰুৱা প্ৰতিটো দিশেই আহোমসকলৰ উপাদানেৰে সমৃদ্ধ। ঘৰৰ পদূলিত নঙলা-জপনা দিয়া, বাৰীৰ ঢাপ তোলা তথা জেওৰাৰে বেৰি থোৱা, পুখুৰী খন্দা আদি ৰীতি আহোমসকলৰ পৰা আহিছে। তদুপৰি কুঁৱা খান্দি পকী বেৰ দিয়া প্ৰথাও আহোমৰে। তদুপৰি ঘৰত এখন জুইশাল (জুহাল), জাকি এগছ, টঙনা খৰি, আদি থকাৰ উপৰি বেৰত খৰিকামাৰি খুচি থোৱা আদি নিয়ম আহোমসকলৰ আছিল। আহোমৰ দিনত বিভিন্ন ধৰণৰ নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ প্ৰচলন ঘটিছিল। যেনে — খাট, পালেং, চালপীৰা, তামুলীপীৰা, সিংহাসন, মুখা, মূৰ্তি, শৰাই, পেৰা, সফুঁৰা, চৰা নাও, বাচৰ, হয়ফলি, মগৰী, নাও, মাইহাং, তাওকিন, বানকাঁহী, বানবাতি, খুৰীবাতি, ৰূপৰ ঘৰা, ভৃঙ্গাৰ, কাহ, পিতল আৰু মাটিৰে তৈয়াৰী বিভিন্ন সামগ্ৰী, ঢাৰি-পাটী, কঠ-ঢৰা, বিচনী, বাঁহ-বেতৰ পাচি, খৰাহী, তুলা-চালনী, জপা-জাপি আদিৰ উপৰি তাঁতশালৰ বিভিন্ন সামগ্ৰী, খেতিৰ আহিলা তথা ঘৰ নিৰ্মাণত ব্যৱহৃত কাঠ-বাঁহ-বেত-খেৰ- ইকৰাৰ কৰ্মসমূহো আহোমসকলে ব্যৱহাৰ কৰিছিল।

অসমীয়া মানুহৰ খোৱা-বোৱাৰ ক্ষেত্ৰত থকা জুতি লগা আঞ্জাসমূহৰ বহুখিনি আহোমৰে উপাদানেৰে সমৃদ্ধ। আহোমসকলৰ দিনৰ পৰাই মাংস খোৱা প্ৰথাটো বৃদ্ধি পালে। গাহৰি, হাঁহ, কুকুৰা আদি খোৱাৰ লগতে হাঁহ কুকুৰা ঠেং জুইত পুৰি খোৱাটো আহোমসকলৰ পৰাই আহিছে। ঔটেঙা ঢেকীয়াৰ লগত মাছৰ টেঙা জোল তথা বাঁহৰ গাজৰ বিভিন্ন আঞ্জা আহোমসকলৰ প্ৰিয় খাদ্য। মাছ জুইত শুকুৰাই গুড়ি-খুন্দি খোৱাটো আহোমসকলৰে দান। বৰলৰ টোপ, আমৰলি টোপ, মুগাৰ লেটা, কুকুৰা, কুচিয়া, ভেকুলী আদি আহোমসকলে খাইছিল। বিবিধ বনৰীয়া শাক তুলি খোৱা প্ৰথা আহোমসকলৰ পৰা আহিছে।

ভাপত সিজোৱা চেৰা দিয়া ভাত (দ্যুনচিং), পিঠাৰে বনোৱা ভাত পিঠা, জা-জলপানৰ ক্ষেত্ৰত বৰা চাউলৰ বিবিধ জলপান, সান্দহ-পিঠাগুৰি আৰু কোমল চাউলৰ জলপান আৰু হুৰুম আহোমসকলৰ পৰাই অসমীয়া সংস্কৃতিলৈ আহিছে। জলপানৰ লগত দৈ গাখীৰ, ভীমকল খোৱাটোও আহোমসকলৰ ৰীতি। লাওপানী আহোমসকলৰ নিত্য প্ৰয়োজনীয় পানীয়। লাওপানী বৰা চাউল আৰু বিভিন্ন বন দৰবৰ গুৰি মিহলি কৰি বনোৱা পিঠাৰ পৰা তৈয়াৰ কৰা হয়। ইয়াৰ পৰা বিভিন্ন ৰোগ, নিৰাময় হয় বুলিও বিশ্বাস কৰা হয়। আহোমসকলে ইয়াক 'সাজ' অথবা 'সোমৰস' বুলি কয়।

সাজপাৰলৈ চালে দেখা যায় যে মেখেলা-চাদৰ, ৰিহা পিন্ধা প্ৰথা আহোমসকলৰ, যি বৰ্তমান অসমীয়া মহিলাৰ জাতীয় পোছাক। আহোম মহিলাই হাত দীঘল, ডিঙি উঠা, পেট ঢকা চোলা পিন্ধিছিল। মুগাৰ মেখেলা-চাদৰ আহোমৰ বিশেষ বস্ত্ৰ। আহোমসকলে প্ৰচলন কৰি থৈ যোৱা আন কেতবোৰ বস্ত্ৰ, সাজ-পাৰ এনেধৰণৰ— বৰ কাপোৰ চেলেং চাদৰ, এৰীয়া চাদৰ, বিভিন্ন গামোচা, টঙ্গালি, হাঁচতি, মূৰৰ পাগ আদি। বিভিন্ন ধৰণৰ সিয়া কাপোৰৰ ভিতৰত বুকু চোলা, হোলোং চোলা, ফতুৱৈ, ঘগেৰা, মিৰ্জাই আৰু বিভিন্ন মোনা; যেনে— খামটি মোনা, দুফলী মোনা, বটুৰা, থুনুপাক আদি। মুনিহে পিন্ধা বস্ত্ৰৰ ভিতৰত চুৰিয়া, ডুনি বা আওচা, তিয়নি গামোচা, পানী গামোচা, ইত্যাদি। ইয়াৰ উপৰি নানা তৰহৰ কিংখাপ, মেজাঙ্কৰি, কাৰচিপি, বন

কৰা কাপোৰ উল্লেখযোগ্য। সূতা কাটি তাঁতশালত কাপোৰ বোৱাটো পৰম্পৰাটিতো আহোম প্ৰভাৱ অনুভূত হয়। আ-অলংকাৰৰ ভিতৰত নতুন গঢ়ৰ সোণৰ জোনবিৰি, ঢোলবিৰি, বানা, গেজেৰা, কটীয়া-থুৰীয়া, দীঘল কেৰু, বৰৈলগা কেৰু, মাদলী, বাখৰাম-সোণৰ আঙুঠি, সোণৰ টেমী, শিলিখামণি, পোৱালমণি, হাতৰ চেও, গামখাৰু, সোণৰ হাৰ, ডুগডুগী, লোকাপাৰ আদি বিভিন্ন অলংকাৰ পাতি প্ৰচলন কৰিছিল আহোমসকলে। আনকি নদীত সোণ কমোৱা ব্যৱসায়ো আৰম্ভ কৰিছিল।

আহোমসকলৰ আমোলত বহুতো লোক খেল-ধেমালিৰ প্ৰচলন হৈছিল। তাৰ ভিতৰত উল্লেখ কৰিব পাৰি— দৰা-কইনা খেল, ঘিলাখেল, কড়িখেল, তাংগুটি, ঢোপ খেল, গৰখীয়া এচাৰি খেল, কচুগুটি খেল, কোমোৰা খেল, লুকা-ভাকু খেল, ঘাই পকোৱা খেল, হৈ গুদু খেল, কপৌ কু, আঙুলি খেল, পেংখেল, আলি ছিগা খেল, টোকৰ মৰা খেল, হৈ খেল, টোপা খেল, কণী যুঁজ, গছ কুমতি, কুকুৰা যুঁজ আদি। তদুপৰি ৰংঘৰ বাকৰিত অনুষ্ঠিত কৰিছিল ম'হ যুঁজ, শেন যুঁজ, হাতী যুঁজ, ইত্যাদি। আহোমসকলৰ এনে বিবিধ উপাদনে অসমীয়া সংস্কৃতিৰ ভৌতিক কলাক আৱৰি ৰাখিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ আহোম নাৰীসকলে পৰিধান কৰা বিশেষ বস্ত্ৰ কি?

.....

.....

একোটা জাতিৰ সৌন্দৰ্যবোধ, শিল্পচেতনা, ভাৱ-অনুভূতি আদিৰ দৃশ্যমান ৰূপ প্ৰকাশ পায় স্থাপত্য-ভাস্কৰ্যৰ যোগেদি। ভাৰতবৰ্ষৰ লগে লগে অসমৰো স্থাপত্যসমূহ মূলতঃ ধৰ্মমূলক। দেৱ-দেৱীৰ পূজা উপাসনাৰ কাৰণে মন্দিৰ, দৌল-দেৱালয় আদি স্থাপন কৰা হয়। আকৌ ৰাজপ্ৰাসাদ, অট্টালিকা, দুৰ্গ, প্ৰাচীৰ আদিও ইয়াৰ পৰা বাদ দিব নোৱাৰি। অসমৰ ব্ৰহ্মপুত্ৰৰ দুয়োপা�ৰৰ যি স্থাপত্য-ভাস্কৰ্য বৰ্তমান দেখিবলৈ পোৱা যায় বা পুৰণি অসমীয়া স্থাপত্য-ভাস্কৰ্য বুলি যিখিনিক চিহ্নিত কৰা হয়; তাৰে অধিকাংশই আহোমসকলে নিৰ্মাণ কৰা। আহোমসকলে নিৰ্মাণ কৰা স্থাপত্যক এনেদৰে ভাগ কৰিব পাৰি —

(ক) ইটাৰে নিৰ্মিত ৰাজভৱন আৰু ঘৰ

(খ) দ'লসমূহ আৰু অন্যান্য ধৰ্মীয় ঘৰসমূহ

(গ) মৈদাম

(ঘ) পুখুৰী, খাল, সাকোঁ, চহৰ পৰিকল্পনা, আলি, সু�ৰংগ, গড় আদি।

আহোমসকলে অসমত প্ৰৱেশ কৰাৰ পিছত দুই এটা ইটাৰ ঘৰ সজাৰ বাদে আৰম্ভণিতে কাঠৰ ঘৰ-দুৱাৰহে নিৰ্মাণ কৰিছিল। কাৰণ সেইসময়ত ৰাজধানী সঘনাই পৰিবৰ্তন হৈ আছিল। পোন্ধৰ শতিকা মানৰ পৰাহে স্থায়ী ঘৰ-দুৱাৰ নিৰ্মাণ আৰম্ভ হয় আৰু সেইবোৰে চূড়ান্ত ৰূপ লাভ

কৰে স্বৰ্গদেউ ৰুদ্রসিংহৰ দিনত। সেই সময়ত এই স্থাপত্য নির্মাণৰ বাবে ব্যৱহাৰ কৰিছিল মিঠাতেল, ধূনা, গুৰ, বৰালি মাছ, চূণ, শণ, মাটিমাহ, বৰা চাউলৰ কৰাই গুৰি, হাঁহকণী আদি নির্দিষ্ট পৰিমাণত মিহলি কৰি প্রস্তুত কৰা কৰাল। এই কামবোৰ কৰাৰ বাবেই সৃষ্টি হৈছিল শিলাকুটি, বাঢ়ৈ আৰু খনিকৰৰ দৰে খেলসমূহৰ।

ইটাৰে নির্মিত ৰাজভৱন আৰু ঘৰসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— তলাতল ঘৰ, ৰংঘৰ আৰু গড়গাঁৱৰ কাৰেংঘৰ। এই কাৰেংঘৰটো সাতখলপীয়া; তিনিখলপ মাটিৰ তলত, তিনি খলপ ওপৰত আৰু এখলপ মাটিত। এই কাৰেংঘৰ নির্মাণ কৰিছিল চাও-ফ্রা-চুৰেন ফ্রাই। তলাতল ঘৰৰ ভিতৰত সুৰংগৰ ব্যৱস্থা আছে। ইয়াক শত্রু আক্রমণৰ পৰা ৰক্ষা পাবৰ বাবে নির্মাণ কৰা হৈছিল। ৰংঘৰ নির্মাণত টাইসকলৰ নিজা ৰীতিৰ চাপ স্পষ্টভাৱে পৰিছে। অর্থাৎ এইটো এটা পকী চাংঘৰৰ দৰে।

বর্তমান অসমৰ স্থাপত্যৰ কথা সগৌৰৱে ঘোষণা কৰা বিভিন্ন দ'ল-দেৱালয়সমূহৰ অধিকাংশই আহোমসকলে নির্মাণ কৰা। আহোমসকলে সকলো ধর্মকে শ্রদ্ধা কৰিছিল আৰু হিন্দুধর্ম গ্রহণ কৰাৰ পিছৰ পৰাই বিভিন্ন দেৱ-দেৱীৰ বাবে দ'ল নির্মাণ কৰিছিল। বিশেষকৈ আহোমসকলৰ লাংকুৰি তান্ত্রিক শিৱৰ দ'ল ৰাজ্যৰ বিভিন্ন স্থানত নির্মাণ কৰিছিল। কেৱল নতুনকৈ নির্মাণ কৰাই নহয়, প্রাক্-আহোমযুগৰ ধ্বংসপ্রাপ্ত অৱস্থাত থকা বিভিন্ন মঠ-মন্দিৰ, তীর্থস্থান, পীঠ আদিৰো সংস্কাৰ সাধন কৰি নতুন ৰূপেৰে গঢ় দিছিল। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি— শিৱসাগৰৰ শিৱদ'ল, বিষ্ণুদ'ল, দেৱী দ'ল, জয়সাগৰৰ শিৱদ'ল, কেন্দুগুৰিৰ বৰপাত্র দ'ল, নৱগ্রহ দেৱালয়, শুক্রেশ্বৰ মন্দিৰ, মণি কর্ণেশ্বৰ মন্দিৰ, অশ্বক্লান্ত মন্দিৰ, হলেশ্বৰ দেৱালয়, বাসুদেৱ দ'ল, হয়গ্রীৱ-মাধৱ দেৱালয় ইত্যাদি।



জানি থোৱা ভাল

গুৱাহাটীৰ নীলাচল পাহাৰত কামাখ্যা মন্দিৰ আছে। ইয়াৰ মূল মন্দিৰটো কোঁচ ৰজা নৰনাৰায়ণে আনুমানিক ১৫৬৫ চনত নির্মাণ কৰিছিল। কিন্তু স্বৰ্গদেৱ কমলেশ্বৰ সিংহদেৱে কলিয়াভোমোৰা ৰৰফুকনৰ হতুৱাই এই কামাখ্যা মন্দিৰৰ তামৰ ঘৰটো নির্মাণ কৰিছিল।

আহোম স্বৰ্গদেউসকলৰ ভিতৰত স্বৰ্গদেউ ৰুদ্রসিংহ, শিৱসিংহ আৰু ৰাজেশ্বৰ সিংহৰ দিনতে আটাইতকৈ বেছি সংখ্যক দল-দেৱালয় নির্মাণ হৈছিল।

আহোমসকলে চীনদেশৰ মৈদামসমূহৰ আর্হিত অসমতো মৈদাম সজিছিল। অসমৰ পিৰামিড সদৃশ মৈদামবোৰ শক্তি অনুসাৰে বা বিষয়াৰ মান অনুসৰি ডাঙৰ-সৰু হয়। মৃতকক কবৰ দি তাৰ ওপৰত ঘৰ সাজি ওখ মাটিৰ বা ইটাৰ ঢাপ তুলি দিয়া হয়। মৈদামৰ ভিতৰত চাৰিকোণীয়া বা আঠকোণীয়া ঘৰ থাকে। তাত থকা সামগ্রীসমূহে অতীত বুৰঞ্জী তথা সংস্কৃতিৰ সমল বহন কৰি আহিছে।

আহোমসকলে চহৰ এখন বা ৰাজধানী নির্মাণৰ বাবেও উন্নত ধৰণৰ পৰিকল্পনা কৰিছিল।

চহৰৰ বাবে প্ৰয়োজনীয় সকলো দিশৰ প্ৰতি তেওঁলোকে চকু দিছিল। এই সুনিৰ্দিষ্ট তথা উন্নত পৰিকল্পনা স্বাক্ষৰ বহন কৰি অসমৰ বিভিন্ন ঠাইত আলি, পদূলি, দলং, সাঁকো, ঢাপ-গড় আদি আজিও বিৰাজমান। উন্নত ৰাজধানী চহৰৰ উত্তম উদাহৰণ হ'ল গড়গাঁও বা ৰংপুৰ। আহোমসকলে শিলেৰে বিজ্ঞানসন্মতভাৱে সাঁকো নিৰ্মাণ কৰিছিল। এনে সাঁকোসমূহৰ মাজডোখৰ ধেনুভিৰীয়াকৈ ওখ। তেনে কেইখনমান সাঁকো হ'ল— নামদাঙৰ শিলৰ সাঁকো, ডিমৌ নৈৰ শিলৰ সাঁকো, দৰিকা নৈৰ শিলৰ সাঁকো, দিজৈ নৈৰ শিলৰ সাঁকো, ৰংপুৰৰ ন-দুৱাৰৰ মুখত গড় খাৱঁৈত সজা পকী সাঁকো, ৰহদৈ শিলৰ সাঁকো আদি। দলঙৰ ভিতৰত উল্লেখযোগ্য হ'ল ভোমোৰাগুৰিৰ দলং। বহুতেই এইখনক অৱশ্যে দলং বুলি নকৈ পানীগড় বুলিও ক'ব খোজে। সম্পূৰ্ণৰূপে শেষ নকৰিলে যদিও এই দলং সাজিবলৈ পৰিকল্পনা তথা প্ৰস্তুতি চলাইছিল কলীয়াভোমোৰা বৰফুকনে।

আহোম স্বৰ্গদেউসকলে দ'ল-দেৱালয়সমূহ নিৰ্মাণ কৰোঁতে কাষত একোটাকৈ পুখুৰীও খন্দাইছিল। তদুপৰি ৰজাঘৰীয়া বিভিন্ন কাম, ৰজা-ৰাণী তথা কোঁৱৰসকলৰ স্মৃতি ৰক্ষাৰ্থে, প্ৰজাৰ খোৱা-পানী, খেতিৰ বাবে বা অন্যান্য বিভিন্ন কামৰ বাবে পুখুৰী খন্দোৱা হৈছিল। শিৱসাগৰ জিলাত থকা জয়সাগৰ পুখুৰী, বৰপুখুৰী, পদুমপুখুৰী, নিমনাগড় টেঙাপুখুৰী, লিগিৰি পুখুৰী, নামতিৰ পুখুৰী, আঠাইসাগৰ পুখুৰী, মেছাগড় পুখুৰী, মগলৌ পুখুৰী, শুকান পুখুৰী, দিমৌ পুখুৰী আদি উল্লেখযোগ্য পুখুৰী। আহোমসকলে খন্দোৱা এই পুখুৰীৰ আৰ্হিলৈ বৰ্তমানেও বহুতো পুখুৰী খন্দা হৈছে।

এইবোৰৰ উপৰি আহোমসকলে বিভিন্ন সময়ত দেশৰ সু�ৰক্ষাৰ বাবে বিভিন্ন গড়, সু�ৰংগ আদিও নিৰ্মাণ কৰি আহিছে। আহোমসকলে একেৰাতিতে গড় বান্ধি শত্ৰুক বাধা দিয়াও জ্বলন্ত উদাহৰণ আছে য'ত কৰ্ম গাফিলতিৰ বাবে লাচিত বৰফুকনে মোমায়েকক শিৰচ্ছেদ কৰিছিল।

অসমীয়া স্থাপত্যৰ লগে লগে ভাস্কৰ্যৰ দিশতো আহোমসকলৰ যথেষ্ট বৰঙণি আছে। আহোম ৰাজত্বৰ দিনত নিৰ্মিত দ'ল-দেৱালয়, তামৰ ফলি, শিলৰ ফলি, চিত্ৰ-পুথি, মন্দিৰৰ কাঠৰ বেৰ, ধাতুৰ ভাস্কৰ্য, বৌদ্ধ বিহাৰ, সত্ৰৰ বেৰৰ ৰিলিফ, হেংদান, অস্ত্ৰ-শস্ত্ৰ, বৰটোপ, ৰাজপ্ৰাসাদ আদিৰ গাত আহোমসকলৰ দিনৰ ভাস্কৰ্যৰ ছবি জলজল পটপটকৈ জিলিকি আছে। এই ভাস্কৰ্যসমূহত ময়ূৰ চৰাই, গৰুণ্ড পক্ষী, উট, ঘোঁৰা, হাতী, সিংহ, ঘৰিয়াল, মগৰ আদিৰ ছবি দেখিবলৈ পোৱা যায়। বিভিন্ন দ'ল আৰু কাৰেঙৰ বেৰ আৰু বিভিন্ন ফলিত উৰণীয়া পাখি লগা ঘোঁৰা আকৃতিৰ সিংহৰ ছবি দেখা যায়। ৰংঘৰৰ প্ৰতিখন দুৱাৰৰ দুয়োফালে, গড়গাঁৱৰ কাৰেংঘৰৰ বেৰ, ৰংপুৰৰ তলাতল ঘৰৰ কেইবা ঠাইতো এনে ছবি দেখা যায়। সত্ৰবিলাকত এনে উৰণীয়া সিংহৰ কাঠত কটা ছবি বহুতো আছে। কামাখ্যা মন্দিৰৰ মূল মণ্ডপটোৰ বেৰৰ কাঠৰ দুৱাৰত তথা ৰংঘৰ আকৃতিৰ আহোম ৰজাই সজোৱা নাটঘৰটোৰ গাত উৰণীয়া সিংহৰ ছবি আছে। কলীয়াভোমোৰা দলঙৰ শিলাখণ্ডতো এনে মূৰ্তি দেখা যায়। এই পাখি লগা উৰণীয়া সিংহ হ'ল আহোমসকলৰ ৰাজপ্ৰতীক।

বিভিন্ন দ'ল-দেৱালয়ৰ গাত খোদিত বিভিন্ন ভাস্কৰ্যৰ ভিতৰত— সদাশিৱ, বিষ্ণুমূৰ্তি, নৰসিংহ, ব্ৰহ্মা, সূৰ্য, গজলক্ষী, অশ্ব, বুদ্ধমূৰ্তি আদি প্ৰধান। মাঘনোৱা দ'লৰ সূৰ্যমূৰ্তি, ৰাইদঙীয়া দ'লৰ বেৰত থকা মনোৰম মূৰ্তিসমূহ, জয়দ'লৰ শিখৰৰ গাত থকা অপ্সৰাৰ ছবি আদি ভাস্কৰ্যসমূহ

আহোমসকলৰ দিনৰ সুন্দৰ ভাস্কৰ্যৰ চানেকী। শদিয়াত থকা শিলৰ সৰ্প স্তম্ভটো অতি মনোৰম। শিলৰ খুটাত মেৰাই থকা সাপ কটা এই স্তম্ভটোৰ গাত আহোম আখৰো লিখা আছে। এনেধৰণৰ আহোমসকলেৰ নিমাৰ্ণ কৰা ভাস্কৰ্যসমূহে অসমীয়া ঐতিহ্যৰ বাহক হৈ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ কোন কেইগৰাকী আহোম স্বৰ্গদেউৰ দিনত আটাইতকৈ বেছি সংখ্যক দল-দেৱালয় নিৰ্মাণ হৈছিল।

.....

প্রশ্ন নং ১০ ঃ আহোমসকলৰ ৰাজপ্রতীক কি?

.....

অসমীয়া পুথিচিত্রতো অহোম উপাদান সংৰক্ষিত হৈছে। টাইসকল অসমলৈ অহাৰ পাছৰ পৰাহে অসমত পুথিচিত্রৰ চর্চা হৈছে বুলি অনুমান কৰিব পাৰি। মধ্যযুগীয় পুথিচিত্রসমূহ টাই ভাষাত ৰচিত। অসমৰ পুৰণি পুথিচিত্রৰ ভিতৰত আহোম ভাষা আৰু আহোম লিপিৰ পুথি *ফুংচিন* ১৪৭৩ খ্রীষ্টাব্দত ৰচিত। ইয়াৰ উপৰি টাইসকলৰ প্রাচীন পৰম্পৰা সন্নিৰিষ্ট আন বহুতো চিত্রপুথি পোৱা যায়। আহোম যুগৰ একক বৈশিষ্ট্যসম্পন্ন বিখ্যাত সচিত্র পুথি হ'ল *হস্তীবিদ্যার্ণৱ*। এই পুথিখন আহোম স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ দ্বিতীয়া ভার্যা অম্বিকা দেৱীৰ আদেশ অনুযায়ী ১৬৫৬ খ্রীঃত ৰচনা কৰা হৈছিল। এই পুথিৰ বাবে সুকুমাৰ বৰকাথে *গজেন্দ্র চিন্তামণি*ৰ পৰা তথ্যপাতি সংগ্রহ কৰিছিল। হস্তীৰ প্রতীকে ৰাজকীয় সার্বভৌমত্বৰ লগতে বৌদ্ধিক বিকাশ, অসীম সাহস আদিৰ সূচনা কৰে। এই পুথিখনৰ মুঠ পৃষ্ঠা সংখ্যা ১৯৩ আৰু প্রতি খিলাৰ দৈর্ঘ্য ৫৮ ছেঃ মিঃ আৰু প্রস্থ ১৬ ছেঃ মিঃ। ইয়াত হাতীৰ বিভিন্ন ৰোগ আৰু চিকিৎসা তথা হস্তীযুদ্ধ, সমদল, নৃত্য-সংগীতৰ সমাৰোহ, আহোম ৰাজপ্রাসাদৰ বর্ণনাও আছে। লগতে বিভিন্ন জন্তু আৰু মানৰ মূর্তিও আছে যিবোৰৰ মুখমণ্ডল একাষৰীয়াকৈ আঁকা। *হস্তীবিদ্যার্ণৱ* পুথিৰ চিত্রবোৰ অংকন কৰিছিল 'দিলবৰ' আৰু 'দুচাই' নামৰ দুজন মুছলমান শিল্পীয়ে।

অন্য এখন আহোমযুগৰ প্রধান সচিত্র পুথি হ'ল— *গীত-গোবিন্দ*। ইয়াৰ ৰচক আছিল জয়দেৱ। এই পুথিখনি অসমীয়া ভাষালৈ প্রথম অনুবাদ কৰে ১৭ শতিকাত ৰাম সৰস্বতীয়ে। তাৰ পিছত স্বৰ্গদেউ ৰুদ্রসিংহৰ নির্দেশ অনুসৰি কবিৰাজ চক্রৱর্তীয়ে মূল সংস্কৃতৰ পৰা অনুবাদ কৰে আৰু চিত্রকৰ ঘনশ্যাম খাৰঘৰীয়া ফুকনৰ হতুৱাই চিত্রসমূহ অংকন কৰোৱায়। এই পুথিৰ দৈর্ঘ্য ১৬ ইঞ্চি আৰু বহলে ৪৩/৪ ইঞ্চি। ইয়াত চিত্র অংকনৰ বাবে বিভিন্ন ৰঙৰ ব্যৱহাৰ কৰা দেখা যায়। পদেৰে সৈতে ৰজিতা খুৱাই গুহা, বন, চৰাই-চিৰিকতি, জীৱ-জন্তু আৰু মানৰ দেহৰ ছবি অংকন কৰা হৈছে এই পুথিত। এই পুথিখনি অসমীয়া চাৰু-কাৰুকলালৈ অমূল্য অৱদান।

কল্কি-পুৰাণ কাব্য ৰচনা কৰে স্বৰ্গদেউ ৰুদ্রসিংহৰ নির্দেশ ক্রমে ৰুচিনাথ কন্দলিয়ে। ইয়াৰ চিত্রসমূহ সুদক্ষ শিল্পীৰ হতুৱাই অংকিত কৰা। আকৌ স্বৰ্গদেউ শিৱসিংহ আৰু ৰাণী প্রমথেশ্বৰীৰ

নির্দেশত কবি অনন্ত আচার্যই *আনন্দ লহৰী* নামৰ পুথিখনি ৰচনা কৰে। ইয়াৰ চিত্রবোৰ আকৌ গড়গঞা চিত্রশৈলীৰ প্রভাৱত অংকিত। ৰামানন্দ দ্বিজৰ *বৃহৎ উষাহৰণ* অন্য এখন পুথিচিত্র। এই পুথিচিত্রও স্বর্গদেউ শিৱসিংহৰ পৃষ্ঠপোষকতাতে ৰচিত তথা অংকিত হৈছিল। আহোম যুগৰ অম্বিকাদেৱীয়ে অসমীয়ালৈ অনুবাদ কৰোৱা কবিচন্দ্র দ্বিজৰ (১৬৫৭ শকত) *ধর্মপুৰাণ* আৰু কবিৰাজ চক্রৱর্তীৰ (১৬৪৮ শকত) *শংখচূড় বধ* কাব্য। *ধর্মপুৰাণ*ৰ চিত্রসমূহ শিল্পী লিগিৰাই কৰিছিল বুলি উল্লেখ আছে।

আহোমসকলৰ পৃষ্ঠপোষকতাত বৈষ্ণৱ সত্রসমূহতো পুথিচিত্রৰ চর্চা হৈছিল। এইবোৰত শংকৰদেৱৰ বৈষ্ণৱ আদর্শৰ ছাপ দেখা যায়। অৱশ্যে ধর্ম নিৰপেক্ষ পুথিচিত্রও পোৱা যায়। নগাঁও জিলাৰ বালিসত্রৰ অধিকাৰ শ্রীশিৱেন্দ্র নাৰায়ণদেৱ গোস্বামীৰ পৰা পোৱা চিত্রপুথিখন হ'ল *দশমস্কন্ধ ভাগৱত*। ই বৈষ্ণৱ আদর্শৰ গইনাত ৰচিত। আহোমসকলৰ পুথিচিত্রসমূহত জনজাতীয়, আহোম, আর্য-সংস্কৃতি, সত্রীয়া চিত্র তথা মোগল শৈলীৰ মিশ্রিত উপাদান লক্ষ্য কৰা যায়। এই সচিত্র পুথিসমূহৰ নন্দনতাত্ত্বিক দিশলৈ চালে দেখা যায় যে ই ব্রহ্মপুত্র উপত্যকা মহিমামণ্ডিত কবি ৰাখিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ *গীত-গোবিন্দ*ৰ ৰচক কোন?

.....

অসমৰ পৰিৱেশ্য কলাতো আহোমসকলৰ উপদান যথেষ্ট পৰিমাণেৰ লক্ষ্য কৰা যায়। স্বর্গদেউ চ্যুকাফা অসমলৈ আহোতে সংস্কৃতিৰ সুৰীয়া ধাৰ এটাও লগত কঢ়িয়াই আনিছিল। তাৰ ভিতৰত নৃত্য-গীত আৰু বাদ্যযন্ত্র আদি উল্লেখযোগ্য। অসমীয়া জাতিৰ এৰাব নোৱাৰা সম্পত্তি ঢোল আৰু হুঁচৰি আহোমসকলৰ মহত্বপূর্ণ অৱদান।



জানি থোৱা ভাল

আহোমসকলৰ চুমছেঙ্গ বা চোমদেওৰ পূজাত তেওঁৰ গুণ গৰিমা সম্বলিত গীত-পদ গাই আৰু ঢোলৰ চেৰে চেৰে নচা হয়। এই নৃত্যানুষ্ঠানক আহোম ভাষাত ৰংচেংৰি বোলা হয়। ইয়েই পিছলৈ হুঁচৰি ৰূপে ৰূপান্তৰ ঘটিল।

আহোমসকলৰ দিনতে 'বিহু'ৰে জাতীয় উৎসৱ ৰূপে মর্যাদা লাভ কৰে। আকৌ স্বর্গদেউসকলৰ আমোলতে 'সত্রৰ ভাওনা'ক আনি ৰজাঘৰত পতা হৈছিল। পিছলৈ সর্বত্রতে পতা হ'ল। ঠিক সেইদৰে আহোম গাভৰুসকলৰ 'ছেং' নাম বিহুৰ পৰাই 'জেং বিহু'ৰ উৎপত্তি হৈছে বুলি ক'ব পাৰি।

আহোম ৰাজত্বৰ দিনতেই সংগীত, বাদ্য, নৃত্য আদি সুকুমাৰ কলাৰ ক্রমবিকাশ ঘটিছিল। স্বর্গদেৱ ৰুদ্রসিংহৰ পৃষ্ঠপোষকতাতে কবি শুভংকৰৰ *শ্রীহস্তমুক্তাৱলী*খন সুচন্দ ৰাই ওঝাৰ দ্বাৰা অসমীয়ালৈ অনুবাদ কৰোৱাইছিল। তদুপৰি দেৱদাসী, দেওধনী নৃত্যৰ বাবে ৰাজকীয়ভাৱে সা-সুবিধা আগবঢ়োৱা হৈছিল। স্বর্গদেউ ৰুদ্রসিংহৰ দিনতে গীত-বাদ্য শিকিবলৈ অসমৰ বাহিৰলৈ মানুহ পঠোৱাৰ উপৰি ওজাসকলক মতাই অনা হৈছিল। এইজনা স্বর্গদেৱে নিজেও ঠুংৰী, গজল, টপ্পাধৰণৰ শাস্ত্রীয় সংগীত ৰচিছিল। গায়ন বৰুৱাৰ অধীনত খুলীয়া, কালীয়া, মৃদঙ্গীয়া, ঢুলীয়া, নেগেৰিয়া, খুটিতলীয়া, নাচনিয়াৰ, তালোৱা, বীণোৱা, বিয়াহ-গোৱা, পদগোৱা আদি খেল আছিল। ঢোলৰ লগতে খোল, মৃদংগ, তাল, মঞ্জিৰা, বীণ, টোকাৰী, গগণা, পেঁপা, নাগেৰা, কালি আদি বাদ্যযন্ত্রৰ ব্যৱহাৰ আছিল।

স্বর্গদেৱ ৰুদ্রসিংহৰ দিনতে 'পাখোৱাজ' নামৰ বাদ্যবিধ অসমলৈ আহে। আহোমসকলৰ ৰাজত্ব কালতে সর্বভাৰতীয় উপাদানো অসমীয়া পৰিৱেশ্য কলাৰ মাজলৈ আগমন ঘটিছিল। ৰংঘৰৰ সন্মুখত থলুৱা গীত-মাতসমূহে ৰাজকীয় মর্যদা লাভ কৰিছিল আৰু অসমীয়া সংস্কৃতিত সমন্বয় সাধন হৈছিল।

আহোমসকল অসমলৈ অহাৰ পিছত নিজৰ ভাষা-সংস্কৃতিক থলুৱা ভাষা-সংস্কৃতিৰ লগত মিলাই দিছিল। তেওঁলোকৰ থলুৱা ভাষাটো আয়ত্ব কৰিবলৈ বহুবছৰ লাগিছিল। অসমীয়া ভাষাৰ শব্দমালাত টাই আহোম ভাষাৰ শব্দ যথেষ্ট পৰিমাণে থকা দেখা যায়। ষোড়শ শতিকামানৰ পৰাহে আহোমসকলে অসমীয়া ভাষাৰ পৃষ্ঠপোষকতা কৰি আহিছে। আহোমসকলৰ ৰাজত্বকালতেই অসমীয়া ভাষাই প্রতিষ্ঠা লাভ কৰে। অসমীয়া সাহিত্যলৈ আহোমসকলৰ শ্রেষ্ঠ অৱদান হ'ল 'বুৰঞ্জী সাহিত্য'। ষোড়শ শতিকাৰ পৰা ঊনৈশ শতিকা পর্যন্ত আহোমসকলৰ আমোলত অসংখ্য বুৰঞ্জী ৰচিত হয়, যিবোৰৰ ঐতিহাসিক তথা সাহিত্যিক মূল্য অতুলনীয়। চিৰিং ফুকনৰ তত্ত্বাৱধানত বুৰঞ্জী লিখাৰ উপৰি আতন বুঢ়াগোহাঁই, কেন্দুগুৰীয়া বৰপাত্র গোহাঞি, ৰামচন্দ্র বৰপাত্র গোহাঞি, নুমলী বৰগোহাঁই, শ্রীনাথ দুৱৰা বৰবৰুৱা আদি উচ্চ পদস্থ বিষয়ায়ো বুৰঞ্জী ৰচনা কৰিছিল। আহোম যুগৰ বুৰঞ্জীসমূহৰ ভিতৰত *পুৰণি অসম বুৰঞ্জী, সুকুমাৰ মহন্তৰ ঘৰত পোৱা বুৰঞ্জী, দেওধাই বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী, চাংৰুং ফুকনৰ বুৰঞ্জী, কটকী বুৰঞ্জী, সত্রীয়া বুৰঞ্জী, বাঁহগৰীয়া বুৰঞ্জী, চকৰীফেটি বুৰঞ্জী* আদি বুৰঞ্জীৰ উপৰি আৰু বহুতো বুৰঞ্জী অসংৰক্ষিত অৱস্থাত আছে।

আহোমসকলৰ পৃষ্ঠপোষকতাতে অসমীয়া গদ্য সাহিত্যৰ পৰিসৰ তথা পৰিধি বৃদ্ধি হয়। তদুপৰি ব্যৱহাৰিক জ্ঞানৰ পুথি, চৰিত সাহিত্য, জ্যোতিষ শাস্ত্র আৰু সংগীত-নৃত্য আদি বিষয়ক অনেক গ্রন্থ ৰচিত হয় আহোমসকলৰ আমোলতে। তাৰ ভিতৰত *পদ্মপুৰাণৰ জনকৰ আখ্যান, ব্রহ্মবৈৱর্ত পুৰাণ, গীত-গোবিন্দ, শঙ্খচূড় বধ, শকুন্তলা-কাব্য, কল্কিপুৰাণ, মার্কেণ্ডেয়-চণ্ডী, উদ্যোগ-পর্ব, আনন্দ-লহৰী, কাম-কুমাৰ হৰণ, ধর্মপুৰাণ, হস্তিবিদ্যার্ণৱ, ঘোঁৰা নিদান* আদি উল্লেখযোগ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ তলত উল্লেখ কৰা কোনবিধ বাদ্য যন্ত্র স্বর্গদেউ ৰুদ্রসিংহৰ দিনত অসমলৈ অনা হৈছিল—

(ক) চেতাৰ (খ) পাখোৱাজ (গ) তানপুৰা

.....

৪.৫ অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান

অসমীয়া সংস্কৃতিৰ ওপৰত ইছলামিক সংস্কৃতিৰ প্রভাৱ সম্পর্কে আলোচনা কৰিবলৈ গ'লেই ভাৰতীয় সংস্কৃতিৰ ওপৰত বিদেশী মুছলমান সংস্কৃতিৰ প্রভাৱ সম্পর্কেও আলোচনাত প্রবৃত্ত হ'ব লাগিব। ভাৰতীয় ইতিহাসবিদসকলে উল্লেখ কৰিছে যে ইছলামৰ লগত ভাৰতবর্ষৰ প্রথম যোগাযোগ ঘটে ৯১৫ খ্রীঃ ৰ মহম্মদ ঘোৰীৰ কেইবা পর্যায়ৰ আক্রমণৰ জৰিয়তে; কিন্তু সাম্প্রতিক কালৰ উন্নতৰ গৱেষণাই এই কথালৈ আঙুলিয়াই দেখুৱাইছে যে খ্রীঃ ৭ম শতিকাতে ভাৰতীয় সংস্কৃতিৰ লগত ইছলামীয় সংস্কৃতিৰ কিছু যোগাযোগ ঘটিছিল বেহা-বেপাৰৰ জৰিয়তে। আৰবৰ সদাগৰসকলে ভাৰতবর্ষৰ পৰা মছলা-পাতি সংগ্রহ কৰিবলৈ আৰু বিনিময়ত আৰবীয় ঘোঁৰা বেচিবলৈ সমুদ্র পথেদি প্রায়েই ভাৰতৰ লগত যোগাযোগ কৰিছিল। ইয়াৰ ফলস্বৰূপে ভাৰতৰ মালাবাৰ উপকূলত কেইটামান নতুন সম্প্রদায়ও গঢ় লৈ উঠিছিল। এই বিলাকৰ ভিতৰত 'বাবুত্বন' আৰু 'লাবে'সকলৰ নাম উল্লেখযোগ্য। এওঁলোক একেধাৰে হিন্দু আৰু মুছলমান। এওঁলোকৰ বহুতৰে মাজতে এনেধৰণৰ নাম উপাধি পোৱা যায়— মহম্মদ কানেজী, হনুমান ভাই মহম্মদ, ইত্যাদি। মুঠৰ ওপৰত এইবোৰ যোগাযোগে সলসলীয়াকৈ প্রমাণ কৰে যে ভাৰতীয় সংস্কৃতিৰ লগত ইছলামীয় সংস্কৃতিৰ সম্পর্ক সকলো সময়তে বিৰোধমূলক নহৈ কেতিয়াবা সমন্বয়সূচকো।

ভাৰতীয় সংস্কৃতিৰ ওপৰত ইছলামীয় সংস্কৃতিৰ অন্য এটা প্রভাৱ পৰিছিল পাৰস্যৰ মাটিৰ গোন্ধ থকা ইৰানীয়-ইছলামী সংস্কৃতিৰ জৰিয়তে। অসমৰ ক্ষেত্রত দেখা যায় যে এই ইৰানীয় মুছলীম সংস্কৃতিটোৱে উত্তৰ ভাৰতৰ সংস্কৃতিৰ কিছুমান উপাদান বহন কৰি অসমীয়া সংস্কৃতিৰ ওপৰত প্রভাৱ পেলাইছিল। থূলমূলকৈ ক'ব পাৰি বিশুদ্ধ ইছলামীয় সংস্কৃতিতকৈ হিন্দু-ইছলামিক সংস্কৃতিয়েহে অসমীয়া সংস্কৃতিৰ লগত সম্পর্ক স্থাপন কৰি এই নতুন ধাৰাৰ সৃষ্টি কৰে।

অসমৰ লগত ইছলামৰ প্রথম যোগাযোগ ঘটিছিল ১২০৫-১২০৬ চনত। উত্তৰ গুৱাহাটীৰ 'কানাই বৰশী বোৱা শিলালিপি'ত ইয়াৰ স্পষ্ট স্বাক্ষৰ পোৱা যায়। ইয়াত আছে —

শাকে তুৰগ যুগ্মেশে মধুমাসে ত্রয়োদশে।
কামৰূপং সমাগত্য তুৰষ্কাঃ ক্ষয়মায়ু।।

(শাকে— শক, তুৰগ—ঘোঁৰা (৭), যুগ্ম—২, ইশ—১১, মধুমাস—চ'ত মাহ, ত্রয়োদশ—১৩)

ইয়াৰ অর্থ হ'ল ১১২৭ শকৰ চ'ত মাহৰ ১৩ তাৰিখে কামৰূপৰ ওচৰ পাই ইয়াতে তুৰস্ক বাহিনীৰ আয়ু ক্ষয় ঘটিছিল। *তাৰিখ-ই-ফিৰিস্তা*তো উল্লেখ আছে যে বখতিয়াৰ খিলিজি তিব্বত জয় কৰিবলৈ যোৱাৰ পথত 'বাঘমতী' নদী পাৰ হৈ এখন দলঙৰ ওপৰেদি তেওঁ অশ্বাৰোহী বাহিনী লগত লৈ কামৰূপৰ সৈন্য বাহিনীৰ মুখামুখি হ'ব লগা হৈছিল। ইতিমধ্যে এই দলংখনৰ শিলৰ খুটাৰ ওপৰত থকা শিলৰ সাকোঁৰ পাতবিলাক কামৰূপী বাহিনীয়ে আঁতৰাই পেলাইছিল। ফলত এই ঠাইতে বখতিয়াৰ খিলিজিৰ তুৰস্ক বাহিনী নিঃচিহ্ন হৈছিল। গতিকে ক'ব পাৰি যে অসমলৈ মুছলমানৰ আগমন এই সময়তে হৈছিল। কিন্তু ইতিহাসত এই বিষয়ে বিস্তৃত তথ্য পোৱা নাযায়। বখতিয়াৰ খিলিজিৰ লগত অহা কোনো সৈন্য-সামন্ত অসমত থাকি গৈছিল নে নাই সেয়াও জনা নাযায়। অসমত মুছলমানৰ প্রব্রজন সম্পর্কে বুৰঞ্জীত এযাৰ কথা পোৱা যায়, সেয়া হৈছে— পাঠান সেনাপতি তুর্বকৰ লগত আহোমসকলৰ যুদ্ধ বিগ্রহৰ কাহিনী। এওঁলোকৰে যিসকল বন্দী পাঠান সেনা অসমত থাকি গৈছিল তেওঁলোককেই পৰবর্তী কালত 'মৰিয়া' বুলি কোৱা হৈছিল। উল্লেখযোগ্য যে অসমৰ মুছলমান সমাজৰ মাজত তিনিটা সম্প্রদায় পৰিলক্ষিত হয়— 'গৰিয়া', 'মৰিয়া' আৰু 'চৈয়দ'। ইয়াৰ ভিতৰত চৈয়দসকলৰ আগমনেই শেহতীয়াকৈ হয়।

অসমৰ সংস্কৃতিৰ ওপৰত মুছলমানৰ প্রভাৱ বিভিন্ন স্তৰত পৰিলক্ষিত হয়। তাৰ ভিতৰত ভৌতিক কলা, স্থাপত্য-ভাস্কর্য, চাৰু আৰু কাৰু কলা, পৰিৱেশ্য কলাৰ লগতে অন্যান্য বিভিন্ন দিশত প্রভাৱ পৰিলক্ষিত হয়।

অসমীয়া জাতিৰ সৌন্দর্যচর্চাত মুছলমানসকলৰ বিলাসৰ সামগ্রীয়ে ঠাহ খাই আছে। আইনা, আঁতৰ, গোলাপ, হাচনাহানা আদিৰ ব্যৱহাৰৰ উপৰি তিৰোতাই কাজল লোৱা প্রথাটো মুছলমান সংস্কৃতিৰ অৱদান। খাদ্য সম্ভাৰতো দেখা যায় — পোলাও, কোর্ম্মা, কোপ্তা, কালিয়া, কাবাব, খিচিৰি, আচাৰ, মিছিৰি, কিচ্‌মিচ্‌, লং, ইলাচী, ডালচেনী আদি মুছলমানৰ পৰা অহা। পাছলৈ 'মোগলাইখানা' অসমীয়া সংস্কৃতিৰ এটা খিলঞ্জীয়া অংগ হৈ পৰে। তামোল-পাণৰ লগত 'চালি' খোৱাটো মোগলসকলৰে। হোকা, পিকদানি আদিও ইছলামৰ পৰা আহিছে। চাৰু শিল্পৰ ভিতৰত সোণ-ৰূপৰ বিভিন্ন কাম, মিনাৰৰ কাম, কাপোৰত দহি-গুঠা আদি কামসমূহ মুছলমানৰ পৰা অহা। তদুপৰি দর্জীৰ ব্যৱসায় মুছলমানৰ পৰাই আহিছে। চৌগা-চাপকন, কুর্তা-পায়জামা আদি অসমীয়াসকলক চিলাই দিয়ে মুছলমানসকলে। এইবোৰে অসমীয়া পোছাক ৰূপে আদৰ পোৱাৰ পৰাই বখিয়া, আস্তৰ, আস্তিন, ৰিপু, পিৰা আদি শব্দও অসমীয়া ভাষাত সোমাই পৰে।

বুৰঞ্জীত পোৱা যায় মোগল সম্রাটে স্বর্গদেউ চক্রধ্বজ সিংহলৈ 'পাগ-জেমা' আৰু 'পইজাৰ' উপঢৌকন পঠাইছিল। স্বর্গদেউৱে তাক পিন্ধিবলৈ অস্বীকাৰ কৰে যদিও পাছলৈ ইয়াৰ ব্যৱহাৰ অসমীয়াৰ মাজত থাকি যায়। নৃত্য শিল্পীসকলৰ সাজ-পোছাকৰ মাজত ইয়াৰ চাপ দেখা যায়। সূত্রধাৰৰ 'পাগ' আৰু 'ঘূৰি'ৰ মোগল পৰিচ্ছেদৰে ৰূপান্তৰ বুলি কোৱাৰ থল আছে। কাৰণ ইয়াৰ আগতে অসমৰ ডা-ডাঙৰীয়াসকলে 'পাগ' ব্যৱহাৰ নকৰিছিল। ব্যৱহাৰ কৰিছিল 'ফচৌ' আৰু 'টকয়া'।

আগৰ অসমীয়া মানুহে ভাত-পানী, জা-জলপান খাইছিল তামুলী পীৰাত নাইবা উকা

পীৰাত বহি। মুছলমানসকলে বহিবৰ কাৰণে এখন নতুন আসনৰ প্ৰবৰ্তন কৰিলে, সেইখন হ'ল 'কঠ'।

টৌ, চৰিয়া, কলহ, গিলাচ, গাগৰি, টেকেলি, শৰাই-গছা, চাকি আদি পিতলৰ বস্তুসমূহ নিৰ্মাণ কৰে মুছলমানৰ 'মৰিয়া' সম্প্ৰদায়ৰ লোকসকলে। হাতী দাঁতৰ ফনি, সঁফুৰা আৰু পাটী আদিও মুছলমানসকলৰ পৰাই অসমীয়া সংস্কৃতিলৈ আহিছিল। মুঠতে ক'ব পাৰি যে ভৌতিক কলাৰ অন্তৰ্গত বিভিন্ন সামগ্ৰী মুছলমানসকলৰ পৰাই অসমীয়া সংস্কৃতিত সোমাই পৰিছে।

স্থাপত্য-ভাস্কৰ্যৰ দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে 'ঘনশ্যাম খনিকৰে' মোগল ঐতিহ্য অসমীয়া স্থাপত্যৰ ভিতৰ চ'ৰালৈ আদৰি আনে। 'ৰংঘৰ' আৰু 'তলাতল ঘৰ'ৰ দুৱাৰ-খিৰিকীসমূহত অৰ্ধচন্দ্ৰাকাৰ ৰূপটো মোগল শৈলীৰ পৰা অনা। উল্লেখযোগ্য যে অসমৰ স্থাপত্যত এই ৰীতিটোৰ সলনি ৰৈখিক ৰূপৰ দুৱাৰ-খিৰিকীহে আছিল। দুৱাৰ-খিৰিকীত পৰ্দা তৰি থোৱা প্ৰথাটোও মোগল জীৱন-ধাৰণৰে এক সণ্ঢালনি ৰূপ। অসমৰ কেইবাটাও পুৰণি মছজিদত ইছলামী কাৰু-কাৰ্যৰ নিৰ্দশন পোৱা যায়। দেখাত মছজিদৰ দৰে গড়গাঁৱৰ 'কাৰেংঘৰ' আৰু ৰংপুৰৰ চৌপাশে থকা মন্দিৰসমূহৰ চূড়াবোৰ মোগল শিল্পীয়ে নিৰ্মাণ কৰা বুলিও বহুতে ক'ব খোজে। মীৰজুমলাৰ লগত পাঁচজন পীৰ আহিছিল। ১৬৮৭ চনত ৰঙামাটিত 'হুছেন ছাহে' এটা মছজিদ সজোৱা কাম আৰম্ভ কৰে আৰু পিছলৈ কেইবাটাও মছজিদ আৰু দৰগাহ নিৰ্মাণ হ'বলৈ ধৰে। এইবিলাক হ'ল মোগল স্থপতিবিদ্যাৰে নিৰ্দশন। স্বৰ্গদেউ ৰুদ্ৰসিংহই বিভিন্ন দিশত পাৰদৰ্শিতা থকা আঠোটা মুছলমান পৰিয়াল ভাটীৰ দেশৰ পৰা নিজ দেশলৈ আনিছিল। এই আঠোটা পৰিয়ালৰ ভিতৰত খনিকৰৰ কাম আছিল শিলকাঠৰ মূৰ্তি গঢ়া আৰু সুন্দৰ চিত্ৰ অংকন কৰা।



জানি থোৱা ভাল

বুৰঞ্জীত আছে 'ৰমণী গাভৰু'ৰে মাধচৰণ কটকীৰ আগত কৈছিল— ৰৰফুকন শৰাইঘাটৰ ৰণত জয়ী হোৱাৰ বাতৰি পাই তেওঁৰ শহুৰেক সম্ৰাট ঔৰংজেবক জন্মদিনৰ উপহাৰ বুলি এখন হাতীদাঁতৰ কাঠিৰে বোৱা কঠ উপহাৰ দিছিল। সেই কঠখন আজমতৰাই গড়গাঁৱৰ কাৰেঙৰ পৰা লৈ গৈছিল। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই অসমলৈ অনা আঠোটা মুছলমান পৰিয়াল হ'ল— ফাচীপট্টীয়া, আখৰকটীয়া, শিলাকটীয়া, গুণাকটীয়া, খনিকৰ, নেগেৰীয়া, দৰ্জী আৰু জোলা। এওঁলোকে অসমত নিগাজীকৈ থাকি নিজ নিজ কৰ্মৰে দেশৰ উন্নতি সাধিছিল।

মোগল শৈলীৰ চাপ পোৱা যায় ভাস্কৰ্যৰ ক্ষেত্ৰতো। বাঘমৰাত পোৱা পোৰামাটিৰ ফলকত এজাক অশ্বাৰোহী, এজাক গৰু পোৱালী আৰু এপাল হাঁহৰ চিত্ৰণত মোগল শৈলীৰ ঠাঁচ সুস্পষ্ট। তদুপৰি জয়দ'লৰ গাত থকা অনুচিত্ৰসমূহত বহি থকা অৱস্থাত স্বৰ্গদেউৰ ছবিখন মোগল ঠাঁচৰ। অন্য এটা উল্লেখযোগ্য স্বাক্ষৰ হ'ল— জগধাত্ৰী দ'লৰ কাষত পোৱা সাতোটা ঘোঁৰাই টনা ৰথৰ ওপৰত থকা সূৰ্যদেৱতাৰ মূৰ্তিটো। সূৰ্য আঠুকাঢ়ি বহি আছে আৰু অৰুণে ৰথ

চলাইছে। প্ৰথম ঘোঁৰাটো কাষৰ ফালৰ পৰা স্পষ্ট, বাকী ছটা ঘোঁৰাৰ মুখাবয়ব বিভিন্ন ভংগীৰ। চৈধ্যখন ঠেং দাঙি থোৱা আৰু বাকী চৈধ্যখন ঠেং মাটি চুই থকা এই অনুচিত্ৰখন মোগল শৈলীৰ সুস্পষ্ট অনুকৃতি। পিছলৈ ভাস্কৰ্যৰ ক্ষেত্ৰত মোগল শৈলীৰ চাপ অধিক স্পষ্টকৈ দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৩ ঃ মীৰজুমলাৰ লগত অসমলৈ কেইজন পীৰ আহিছিল—

(ক) আঠজন (খ) তিনিজন (গ) পাঁচজন

.....

প্ৰশ্ন নং ১৪ ঃ হুছেন ছাহে ৰঙামাটিত কোন চনত মছজিদ সজা কাম আৰম্ভ কৰিছিল—

(ক) ১৬৮৭ (খ) ১৬৮৮ (গ) ১৬৮৯

.....

অসমৰ চাৰু আৰু কাৰুকলাৰ দিশত মোগল চিত্ৰাংকন পদ্ধতিৰ প্ৰভাৱ উল্লেখযোগ্য। উত্তৰ ভাৰতত পঞ্চদশ শতিকাত বৈষ্ণৱ আন্দোলনে গা কৰি উঠাৰ সময়তে ৰাজপুত মোগল চিত্ৰকলাৰ চলন্তিৰ আৰম্ভ হৈছিল। এই মোগল চিত্ৰকলাৰ বিষয় হ'ল ব্যক্তিৰ চিত্ৰক বাস্তৱ ৰূপ দিয়া। জীৱনৰ আনন্দ, উলাহ, দৰবাৰ, চিকাৰ, যুদ্ধ, গছ, ফুল আদিক উজ্জ্বল ৰহণেৰে মোগলসকলে পুথি-চিত্ৰত অংকন কৰি গৈছিল। আহোম যুগৰ সাঁচিপতীয়া পুথি, যেনে— *ভাগৱত, গীত গোবিন্দ, দৰং ৰাজবংশাৱলী, ধৰ্মপুৰাণ* আদিত এনে শৈলীৰ সাদৃশ্য থকা চিত্ৰ দেখা যায়। মোগল চিত্ৰকলাৰ উৎকৃষ্ট নিদৰ্শন ৰূপে আমি আঙুলিয়াব পাৰোঁ সুকুমাৰ বৰকাথৰ *হস্তীবিদ্যাৰ্ণৱ* পুথিলৈ। আহোম স্বৰ্গদেউ শিৱ সিংহৰ পত্নী অম্বিকাদেৱীৰ পৃষ্ঠপোষকতাত মোগল শিল্পী 'দিলবৰ' আৰু 'দোচাই'য়ে *হস্তীবিদ্যাৰ্ণৱ* পুথিত সুন্দৰ চিত্ৰপট আঁকিছিল। এই চিত্ৰসমূহ চাৰুকলাৰ অনুপম নিৰ্দশন আৰু অতি আপুৰুগীয়া সম্পদ। *হস্তীবিদ্যাৰ্ণৱৰ* ছবিসমূহৰ লক্ষণ আৰু ৰীতি মোগল শৈলীৰ। এই চিত্ৰসমূহৰ বিষয়ে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে এনেদৰে লিখিছে— "বিভিন্ন প্ৰকাৰৰ হাতীৰ চিত্ৰ আৰু আহোম ৰাজসভাৰ দৃশ্য সম্বলিত পুথিখনৰ প্ৰতি পৃষ্ঠা উচ্চস্তৰৰ কলা-কৌশলেৰে উজ্জ্বল প্ৰচুৰ চিত্ৰেৰে চিত্ৰিত। কেনেকৈ আহোম ৰজাৰ ৰাজসভা বহুৱাইছিল, ৰজাৰ সাক্ষাতত কেনেকৈ শেন মেলোৱা হৈছিল, শোভাযাত্ৰাত আহোম ৰজা কেনেকৈ হাতীত উঠি গৈছিল— এনে দৃশ্যৰ প্ৰকাশক চিত্ৰবোৰৰ শিল্পমূল্য আৰু ঐতিহাসিক মূল্যও যথেষ্ট আছে। ছবিবোৰ পানীৰ ৰঙেৰে বোলোৱা; তাৰে যথেষ্ট সংখ্যক সোণ-পানী চৰোৱা। অনেক বছৰ পাৰ হৈ যোৱা সত্বেও আৰু পুথিখন সযত্নে চোৱা-মেলা নকৰা সত্বেও ছবিৰ ৰং আৰু সোণৰ উজ্জ্বলতা সুন্দৰ হৈ আছে।" পুৰণি অসমীয়া পুথিসমূহত থকা ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰতিকৃতিসমূহো মোগল শিল্পৰীতিৰে অংকন কৰা হৈছিল বুলিব পাৰি। মুছলমানসকলৰ এনে অৱদান অসমীয়া সংস্কৃতিত উল্লেখযোগ্য অৱদান।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৫ ঃ *হস্তীবিদ্যাৰ্ণৱ* পুথিৰ চিত্ৰসমূহ কোনে অংকন কৰিছিল?

.....

প্ৰশ্ন নং ১৬ ঃ *হস্তীবিদ্যাৰ্ণৱ* পুথিৰ লেখক কোন?

.....

অসমীয়া সংস্কৃতিৰ পৰিৱেশ্য কলাগত দিশতো মুছলমান সংস্কৃতিৰ প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। সংগীত, বাদ্যযন্ত্ৰ আদিৰ দিশত মুছলমান সংস্কৃতিৰ অৱদান লক্ষ্য কৰা যায়। মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ চান্দসাইয়ে হিন্দু-মুছলমানৰ মাজত সদ্‌ভাৱ ৰাখিবলৈ চেষ্টা কৰি চৰ্যাপদৰ দৰে দ্বি-অৰ্থব্যঞ্জক মনোৰম গীত ৰচি থৈ গৈছে। তদুপৰি 'জিকিৰ আৰু জাৰী'সমূহ অসমীয়া সংগীত জগতলৈ অমূল্য সম্পদ। খিলঞ্জীয়া অসমীয়া সংস্কৃতিত 'গায়কী ৰীতি'ৰ প্ৰচলন নাছিল। মোগল সংস্কৃতিৰ সংস্পৰ্শলৈ আহিয়েই অসমীয়া সংগীতত গায়কী ৰীতিৰ প্ৰৱৰ্তন হয়। ফলস্বৰূপে কাৱালী, খেয়াল, গজল, ঠুংৰী আদিৰ প্ৰচলন আৰম্ভ হয়। বুৰঞ্জীত আছে কন্দৰ্পেশ্বৰ সিংহৰ দিনত 'ফৰ্মুদ আলি' নামৰ এজন সংগীতজ্ঞই কুঁৱৰীসকলক সংগীত শিকাইছিল। এওঁ ৰজাঘৰীয়া গায়ন-বায়নৰো ওজা আছিল। আনহাতে তেওঁ সুন্দৰ বেহেলা বাদকো আছিল। বাদ্যযন্ত্ৰৰ দিশলৈ চালে দেখা যায় যে বিভিন্ন ধৰণৰ বাদ্য-যন্ত্ৰ মুছলমানসকলৰ যোগেদিয়েই অসমলৈ আহিছিল। বাদ্য-যন্ত্ৰৰ ভিতৰত তন্ত্ৰ-যন্ত্ৰ বা তাঁৰ-যন্ত্ৰৰ ব্যৱহাৰ মোগল সংস্কৃতিৰ পোনপটীয়া প্ৰভাৱ। এইবোৰৰ ভিতৰত চেহনাই, সৰোদ, ৰবাব, তবলা, তানপুৰা, চেতাৰ, এচৰাজ, বেহেলা আদি উল্লেখযোগ্য বাদ্য-যন্ত্ৰ।

অসমীয়া মানুহৰ দৈনন্দিন জীৱনত প্ৰয়োজনীয় সৰু-সুৰা ভালেমান প্ৰভাৱ মোগল সংস্কৃতিৰ পৰা উফৰি অহা। সাম্প্ৰদায়িক সম্প্ৰীতিৰ নিদৰ্শন ৰূপে দেখা যায় অসমৰ গাঁও এখনত বামুণ, আহোম, কৈৱৰ্ত, কেওঁট, কলিতা, কোচ-চুতীয়া আদি লোকৰ লগতে মুছলমান মানুহ থকাটো অপৰিহাৰ্য আছিল। এই কথাৰ সাক্ষ্য দিয়ে বুৰঞ্জীয়ে। আহোম স্বৰ্গদেউ গদাধৰ সিংহই মুছলমান ৰজাসকলৰ 'মাটি জৰীপ কাৰ্য' অসমতো প্ৰৱৰ্তন কৰোৱাইছিল। ইছলামীয় সংস্কৃতিৰ আন এটা অৱদান হ'ল সমৰ-বিদ্যা। নানা হিলৈ, বৰটোপ আৰু কামায়ন (কামান) আদি যুদ্ধৰ সঁজুলি হিচাপে ব্যৱহৃত হৈছিল। স্বৰ্গদেউ গদাধৰ সিংহৰ দিনতে 'গেন্ধেলা গৰিয়া' নামৰ এজন তিৰোৱালে কেইবাটাও বৰটোপ সাজি দিছিল। এইকেইটা বৰটোপ ইটাখুলিৰ ৰণত ব্যৱহাৰ কৰা হৈছিল।

অসমীয়া হিন্দুসকলে মুছলমান মৌলবীৰ দোৱা-পঢ়া পানী, তাবিজ, মাদুলী আদি ভূত-প্ৰেত, পিশাচ আদি খেদোৱাত বিনাদ্বিধাই গ্ৰহণ কৰে। বিপদ-আপদ খণ্ডনত মছজিদ, দৰগাহলৈ অসমীয়া হিন্দুসকল যায় তথা তন্ত্ৰ-মন্ত্ৰৰ ক্ষেত্ৰতো 'ইব্ৰাহীম' আৰু 'ইট্ৰাফিল'ৰ নাম উচ্চাৰণ কৰা

দেখা যায়। দৈনন্দিন জীৱনত কুৰ্ণী, চালাম আদিৰ দৰে আদব-কায়দা প্ৰয়োগ হ'বলৈ ধৰে মুছলমানসকলৰ প্ৰভাৱতে।

অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত মুছলমানসকলৰ দান আৰু বেছি জলজল পটপট। অসমীয়া ভাষাত ভালেসংখ্যক ইছলামিক শব্দ সোমাই আছে। পুৰণি অসমীয়া ভাষাৰ পৰা আধুনিক অসমীয়ালৈকে এই শব্দসমূহ বিয়পি আছে। অসমীয়া ভাষাত ব্যৱহৃত এনে শব্দসমূহ বিভিন্ন শ্ৰেণীৰ। যেনে— ৰজা, ৰাজ-সন্মান, যুদ্ধ বিষয়ক শব্দ, খাজনা, শাসন আৰু আইন সম্বন্ধীয় শব্দ, ইছলাম ধৰ্ম সম্বন্ধীয়, মানসিক সংস্কৃতিমূলক শব্দ, বিলাসৰ সামগ্ৰী, ব্যৱসায় বিষয়ক শব্দ ইত্যাদি। এই শব্দবোৰে অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ অধিক সমৃদ্ধ কৰি তুলিছে। আন এটি উল্লেখযোগ্য অৱদান হ'ল আৰবী আখৰত লেখা অসমীয়া ভাষাৰ *তাৰিকুল-হল-কি-ৰবানে-নুৰিহ* নামৰ পুথিখন। ১৭৭ পৃষ্ঠাৰ এই পুথিখন অষ্টাদশ শতিকাৰ সপ্তম-অষ্টম দশকত 'আব্দুল জলকদ আলি' নামৰ এগৰাকী পীৰে লিখে। আধুনিক অসমীয়া সাহিত্যলৈ মুছলমান লেখকৰ অৱদান সংখ্যাতীত। মফিজুদ্দিন আহমদ হাজৰিকা, তৈয়বুল্লা, চৈয়দ আব্দুল মালিক, ইমৰাণ শ্বাহ, তফজ্জুল আলি, মহম্মদ পীয়াৰ প্ৰভৃতি অলেখ লেখকে অসমীয়া ভাষা-সাহিত্য সমৃদ্ধিশালী কৰি তুলিছে। এই আলোচনাৰ পৰা ক'ব পাৰি যে অসমীয়া সংস্কৃতিৰ প্ৰায় সকলো দিশতে কম-বেছি পৰিমাণে মুছলমানসকলৰ অৱদান আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৭ ঃ স্বৰ্গদেউ কন্দৰ্পেশ্বৰ সিংহৰ দিনত কুঁৱৰীসকলক সংগীত শিক্ষা দিয়া মুছলমান সংগীতজ্ঞজনৰ নাম কি আছিল?

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বিভিন্ন জনগোটৰ সাংস্কৃতিক অৱদান আৰু উপাদানেৰে অসমীয়া জাতি গঠন হৈছে। অসমীয়া জাতিসত্তাত জনজাতীয় সংস্কৃতিৰ উপাদান ঠাঁহ খাই আছে। ঠিক সেইদৰে মুছলমানসকলৰ বিবিধ অৱদানে বৈচিত্ৰ্যময় আৰু বৈভৱপূৰ্ণ অসমীয়া সংস্কৃতিৰ ৰূপ নিৰ্মাণত সহায় কৰিছে। অসমীয়া সংস্কৃতিক সেয়ে আমি যৌগিক সংস্কৃতি বুলিব পাৰোঁ।
- অসমীয়া সংস্কৃতিত জনজাতীয় উপাদান কেবাটাও স্তৰত আলোচনা কৰিব পাৰি। কিছুমান জনজাতীয় সংস্কৃতিৰ উপাদান ঐতিহাসিক প্ৰক্ৰিয়াৰ মাজেৰে অসমীয়া সংস্কৃতিত বিলীন হৈ পৰিছে। এইবোৰ এতিয়া অসমীয়া সংস্কাৰৰ মূলধাৰাৰ মাজৰ পৰা জনজাতীয় সংস্কৃতি

হিচাপে বাচি উলিয়াব নোৱাৰি। কিছুমান জনজাতীয় সংস্কৃতি জনজাতীয় স্বকীয়তাৰে অসমীয়া সংস্কৃতিৰো উমৈহতীয়া উপাদান হৈ পৰিছে। খাদ্য, গ্ৰাম্য সমাজ শৃংখলা, ভূত-প্ৰেত-পিশাচ, মন্ত্ৰ আদিৰ ধাৰণা বিশ্বাস আদিৰ এই স্তৰত পেলাব পাৰি। অন্যহাতে, যিবোৰ জনগোষ্ঠীক অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ বুলি ধৰিব পাৰি, সেইবোৰ জনগোষ্ঠীৰ স্বকীয় বহল অর্থত অসমীয়া সংস্কৃতিৰ উপাদান।

- ছশ বছৰীয়া আহোম ৰাজত্ব কালত অসমীয়া জাতিক উন্নতমানৰ কৰি গঢ় দিয়াত আহোমসকলৰ ভূমিকা উল্লেখযোগ্য। অসমীয়া ভাষাক সুপ্ৰতিষ্ঠিত কৰি সাহিত্য, সংগীত আদি দিশত নতুন মাত্ৰা দান কৰাৰ কথা তথা অসমৰ স্থাপত্য-ভাস্কৰ্যৰ দিশতো যে সৰহসংখ্যক দান আহোমসকলৰে এই কথাও এই অধ্যায়টিৰ পৰা জানিব পৰা গ'ল।
- সমাজ এখনত প্ৰয়োজনীয় সমাজ ব্যৱস্থা, হাট-বজাৰ, খোৱা-পানী, উৎসৱ-পাৰ্বণ আদি দিশত গুৰুত্ব প্ৰদান কৰি আহোমসকলে অসমীয়া সমাজৰ আমূল পৰিৱৰ্তন সাধন কৰে। এই অধ্যায়টিৰ পৰা এই কথা স্পষ্ট হ'ল যে আহোমসকলে অসমৰ থলুৱা খেল-ধেমালী, গীত-নৃত্যক ৰাজকীয় মর্যদা দান কৰি এইবোৰক প্ৰতিষ্ঠা কৰি গ'ল।
- অসমীয়া কৃষ্টি-সংস্কৃতিৰ পথাৰখন ব্যাপক কৰি তোলা আহোমসকলৰ উদাৰতাবাদৰ ফলস্বৰূপে ধর্ম, ভাষা-সাহিত্য, চিত্ৰকলা, খাদ্য-সম্ভাৰ, জীৱন-ধাৰণৰ প্ৰকৃতি, সাজ-পাৰ, আয়-অলংকাৰ, সামাজিক শৃংখলা আদি গঢ় লৈ উঠিছিল।
- আটাইতকৈ প্ৰয়োজনীয় কথাটো হ'ল আহোম ৰজাসকলে সকলো জাতি-উপজাতিৰ মাজত সমন্বয় তথা একতাৰ বীজ ৰোপণ কৰি গ'ল। সর্বাংগ সুন্দৰ তথা উন্নতশীল দেশ গঢ়িবলৈ আহোম ৰজাসকলে কৰা উন্নত চিন্তা-চর্চা তথা ফলসমূহৰ বিষয়ে আমি এই অধ্যায়টি অধ্যয়নৰ পৰা জানিব পাৰিলোঁ।
- বৃহৎ অসমীয়া সমাজৰ জনসমষ্টিৰ ভিতৰৰে মুছলমানসকলো এটা জনসমষ্টি। গতিকে সামাজিক সংগঠন, পাৰিবাৰিক জীৱন, সংস্কৃতি এই সকলোবোৰ দিশতে অসমীয়া সংস্কৃতি ইছলামীয় সংস্কৃতিৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। আনহাতে ভাষা-সাহিত্যৰ ক্ষেত্ৰত দেখা যায় যে অসমীয়া শব্দভাণ্ডাৰত এনে কিছুমান আৰবী-ফাৰ্চী শব্দ আছে যিবোৰ নহ'লে অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ তেনেই উদং যেন হ'ব।
- আহোম স্বর্গদেউসকলে নিজ নিজ সুবিধা অনুযায়ী দেশ সজাবলৈ অনা এই মুছলমানসকল অসমৰ আৱহাৱাৰ লগত নিজকে এনেদৰে খাপ খুৱাই লৈছিল যে যাৰ ফলত অসমখনক নিজৰ জন্মভূমি বুলি মানি লৈ অসমীয়া সাংস্কৃতিক জীৱনত অপৰিসীম অৱদান দি গ'ল। এই অৱদান মচি পেলাব নোৱাৰি; কাৰণ ই বৃহৎ ৰূপে শিপা মেলি আগুৰি আছে অসমীয়া সংস্কৃতিক।



৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাগ্‌য়ুং, ভৃগুমুনি (সম্পা.) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য;* গুৱাহাটী।

২) গোস্বামী, উপেন্দ্রনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

৩) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি;* ডিব্ৰুগড় ঃ বনলতা।

৪) গগৈ, হীৰেন (২০০৪); *অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত;* অসম প্ৰকাশন ন্যাস।

৫) গোস্বামী, প্ৰফুল্ল দত্ত (১৯৮৬); *অসমীয়া জন সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৬) চলিহা, সদানন্দ (১৯৯১); 'অসমৰ জনগোষ্ঠীত মঙ্গোলীয় উপাদান'; গোস্বামী, প্ৰকাশ আৰু চৌধুৰী, সতীশ চন্দ্ৰ (সম্পাঃ)ৰ *বুৰঞ্জীৰ প্ৰকৃতি আৰু স্বৰূপ* (পৃ. ৫০-৫৬); যোৱহাট ঃ অসম সাহিত্য সভা।

৭) দাস, ভুবন মোহন (২০০৫); 'জনগোষ্ঠীত প্ৰজাতীয় উপাদান'; অসম সাহিত্য সভাৰ *অসমীয়া জাতিৰ ইতিহাস* (পৃ. ৯-৩০); যোৱহাট ঃ অসম সাহিত্য সভা।

৮) নাৰ্জি, ভবেন (১৯৭৩); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী।

৯) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

১০) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১১) নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পা.) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্ৰুগড় ঃ বনলতা।

১২) পাদুন, নাহেন্দ্ৰ (১৯৯৩); *অসমীয়া সংস্কৃতিলৈ জনজাতীয় ৰৱাঙণি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৩) পেগু, খৰ্গেশ্বৰ পেগু (২০০০); *অসমৰ জাতি গঠনত মিচিং জনগোষ্ঠী আৰু নৈপৰীয়া মিচিং সমাজ;* ধেমাজি ঃ ধেমাজি বুকষ্টল।

১৪) বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৭৩); *অসমৰ লোকসংস্কৃতি;* গুৱহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৫) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

১৬) বৰুৱা, ভীমকান্ত (১৯৯৯); *আহোমসকলৰ পৰম্পৰাগত উৎসৱ;* ডিব্ৰুগড় ঃ ষ্টুডেণ্টচ্ এম্পৰিয়াম।

১৭) বৰুৱা, সুখ (২০০৭); *আহোমসকলৰ উৎসৱ অনুষ্ঠান;* গুৱাহাটী ঃ কল্পতৰু প্ৰকাশন।

১৮) বৰবৰুৱা, হীতেশ্বৰ (১৯৮৫); *আহোমৰ দিন;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

১৯) বৰা, দিলীপ (২০০৮); *সমাজ সাহিত্য আৰু সংহতি;* গুৱাহাটী ঃ ভৱানী অফছেট।

২০) বৰা, ধ্রুৱজ্যোতি (১৯৯৪); *অ' মোৰ সুৰীয়া মাত;* গুৱাহাটী ঃ ষ্টুডেণ্টচ ষ্টৰচ্।

২১) ভট্টাচার্য, প্রমোদ চন্দ্র (১৯৯১); *লোক উৎসৱ;* নলবাৰী ঃ জার্ণাল এম্পৰিয়াম।

২২) ভট্টাচার্য, প্রমোদ চন্দ্র (১৯৯৯); *অসমৰ জনজাতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

২৩) মহন্ত, প্রফুল্ল (২০০৯); *জনগোষ্ঠীগত চেতনা ঃ আত্মপ্রতিষ্ঠাৰ প্রশ্ন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

২৪) ৰাজবংশী, পৰমানন্দ (সম্পাঃ), (২০০১); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ অসমীয়া বিভাগ, প্রাগ্জ্যোতিষ মহাবিদ্যালয়।

২৫) ৰাজকুমাৰ, সর্বানন্দ (১৯৮০); *ইতিহাসে সোঁৱৰা ছশটা বছৰ;* যোৰহাট ঃ অসম।

২৬) শর্মা, গিৰিধৰ (সম্পাঃ) (১৯৯৬); অসমীয়া জাতিৰ ইতিবৃত্ত; গুৱাহাটী ঃ বনলতা।

২৭) শর্মা, দেৱব্রত (২০০৬); *অসমীয়া জাতি গঠন প্রক্রিয়া আৰু জাতীয় জনগোষ্ঠীগত অনুষ্ঠানসমূহ;* যোৰহাট ঃ একলব্য প্রকাশন।

২৮) শর্মা, নবীন চন্দ্র (১৩৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

২৯) শর্মা, নবীনচন্দ্র (২০০০); *ভাৰতৰ উত্তৰ পূর্বাঞ্চলৰ লোক-সংস্কৃতি;* গুৱাহাটী ঃ বাণী প্রকাশ।

৩০) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

৩২) হাকাচাম, উপেন ৰাভা (২০০০); *অসমীয়া আৰু অসমৰ তিবৰত বর্মীয় ভাষা;* গোৱালপাৰা।

৩২) হাজৰিকা, বিশ্বেশ্বৰ (২০০১); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

বাংলা গ্রন্থ ঃ

৩৩) চট্টোপাধ্যায়, দেবীপ্রসাদ (১৪১৩ বঙ্গাব্দ); *লোকয়ত দর্শন;* কলকাতা।

ইংৰাজী গ্রন্থ ঃ

৩৪) Barua, I. & et. al. (ed) (2002). *Ethnic groups Cultmal Continuities and Social Change in North-East India.* Delhi: Mittal Publication.

৩৫) Bordoloi, B. N. & et. al. (1987). *Tribes of Assam. Part I & II.* Guwahati: Tribal Research Institute, Assam.

৩৬) Datta, B.N. & et. al. (1994). *A Hand book of Folklore Material of North-East India.* Guwahati: ABILAC.

৩৭) Erazer, J. (1993). *The Golden Bough: A Study in Magic and Religion*. London.

৩৮) Sarma Thakur, G. C. (2007). *Selected Essays of Tribes and Castes of Assam (Part I).* Guwahati: Tribal Research Institute, Assam.



৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া সংস্কৃতিলৈ জনজাতীয় সংস্কৃতিৰ বৰঙণি দুটা স্পষ্ট দিশত ভাগ কৰিব পাৰি — ক) সংশ্লেষিত ৰূপত খ) স্বতন্ত্র গোষ্ঠীয় পৰিচয় ৰূপত।

২ নং প্রশ্নৰ উত্তৰ ঃ নামঘৰৰ গণতান্ত্রিক আদর্শ, স্থাপত্য আৰ্হি আৰু ধর্মীয় অনুষংগৰ লগত জনজাতীয় সমূহীয়া উপসনা স্থলী আৰু ডেকাচাঙৰ সাদৃশ্য আছে।

৩ নং প্রশ্নৰ উত্তৰ ঃ কামৰূপ নলবাৰী অঞ্চলৰ ভঠেলি, দৰঙৰ দেউল উৎসৱ আদি বৃক্ষ কেন্দ্রিক উৎসৱ।

৪ নং প্রশ্নৰ উত্তৰ ঃ সঞ্জীৱ কুমাৰ বৰকাকতীয়ে বৰগীতৰ সুৰৰ লগত তিৱাসকলৰ লালী-হিলালী গীতৰ সুৰৰ সাদৃশ্য আছে বুলি মত পোষণ কৰিছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ এড়ি আৰু পাট-মুগাৰ ব্যৱহাৰ মংগোলীয় সংস্কৃতিৰ অৱদান।

৬ নং প্রশ্নৰ উত্তৰ ঃ ৰাভাসকলৰ এটা গোত্রৰ তিৰোতাক লৈ এটা 'মাহাৰী' হয়। মাহাৰীৰ অনুমতি অবিহনে কোনো পত্নীহাৰা পুৰুষে দ্বিতীয়া পত্নী গ্রহণ কৰিব নোৱাৰে। নাৰীৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্রত মাহাৰীৰ হস্তক্ষেপক সমাজে সহযোগিতা কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ গবা মাৰ, খাম বান্ধ, তিৰা, ৰেপ, গছক আদি।

৮ নং প্রশ্নৰ উত্তৰ ঃ আহোম নাৰীসকলে পৰিধান কৰা বিশেষ বস্ত্র হ'ল মুগাৰ মেখেলা-চাদৰ।

৯ নং প্রশ্নৰ উত্তৰ ঃ আহোম স্বর্গদেউসকলৰ ভিতৰত স্বর্গদেউ ৰুদ্রসিংহ, শিৱসিংহ আৰু ৰাজেশ্বৰ সিংহৰ দিনতে আটাইতকৈ বেছি সংখ্যক দল-দেৱালয় নির্মাণ হৈছিল।

১০ নং প্রশ্নৰ উত্তৰ ঃ আহোমসকলৰ ৰাজপ্রতীক হ'ল 'পাখি লগা উৰণীয়া সিংহ'।

১১ নং প্রশ্নৰ উত্তৰ ঃ জয়দেৱ।

১২ নং প্রশ্নৰ উত্তৰ ঃ (খ) পাখোৱাজ।

১৩ নং প্রশ্নৰ উত্তৰ ঃ (গ) পাঁচজন

১৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) ১৬৮৭

১৫ নং প্রশ্নৰ উত্তৰ ঃ 'দিলবৰ' আৰু 'দোচাই'য়ে অংকন কৰিছিল।

১৬ নং প্রশ্নৰ উত্তৰ ঃ সুকুমাৰ বৰকাথ।

১৭ নং প্রশ্নৰ উত্তৰ ঃ স্বর্গদেউ কন্দর্পেশ্বৰ সিংহৰ দিনত কুঁৱৰীসকলক সংগীতৰ শিক্ষা দিয়া মুছলমান সংগীতজ্ঞজনৰ নাম আছিল ফর্মুদ আলি।



৪.৯ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক —

ক) অসমৰ ভৈয়াম অনুসূচীত অন্তৰ্ভুক্ত জনজাতি কেইটা কি কি?

খ) কাৰ পৃষ্ঠপোষকতাত দিলবৰ আৰু দুচাইয়ে হস্তীবিদ্যাৰ্ণৱ পুথিৰ চিত্ৰ অংকন কৰিছিল?

গ) আহোমৰ শাসনকালত ৰচিত কেইখনমান ব্যৱহাৰিক জ্ঞানৰ পুথিৰ নাম লিখক?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া ভাষালৈ জনজাতিসকলৰ বৰঙণি এই শীৰ্ষক এটা টোকা যুগুত কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) অনুসূচীত জনজাতি (খ) অসমৰ জনজাতীয় খাদ্যাভ্যাস

(গ) অসমৰ বসন্ত উৎসৱ (ঘ) বুৰঞ্জী সাহিত্য।

(ঙ) চাৰু আৰু কাৰুকলাৰ দিশত মুছলমানসকলৰ অৱদান

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'অসমীয়া জাতি'ৰ পৰিচয় দি অসমীয়া সংস্কৃতিত জনজাতীয় অৱদান সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'বিহু' উৎসৱৰ মাজত আৰ্য সংস্কৃতি আৰু মংগোলীয় সংস্কৃতিৰ ৰসায়ন ঘটিছে। কথাযাৰ বিচাৰ কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া গ্ৰাম্য সমাজ জীৱনত মাতৃতান্ত্ৰিক জনজাতীয় সংস্কৃতি প্ৰভাৱ কি দৰে নিহিত আছে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ 'আহোম ৰাজত্বত অসমীয়া সাহিত্য' সম্পৰ্কে এটি চমু প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৫ ঃ অসমৰ স্থাপত্য আৰু ভাস্কৰ্যত দিশত আহোম উপাদান সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

প্ৰশ্ন ৬ ঃ অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৭ ঃ অসমৰ ভৌতিক সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ৫ ঃ অসমৰ ধর্মীয় পৰম্পৰা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ অসমৰ ধর্মীয় পৰম্পৰা

৫.৪ শৈৱ ধর্ম

- ৫.৪.১ অসমত শৈৱ ধর্ম
- ৫.৪.২ অসমৰ শৈৱ মঠ-মন্দিৰ
- ৫.৪.৩ অসমৰ শৈৱ সাহিত্য

৫.৫ শাক্ত ধর্ম

- ৫.৫.১ অসমত শাক্ত ধর্ম
- ৫.৫.২ অসমৰ শক্তিপীঠ আৰু মঠ-মন্দিৰ
- ৫.৫.৩ অসমৰ শাক্ত সাহিত্য

৫.৬ বৈষ্ণৱ ধর্ম

- ৫.৬.১ অসমৰ বৈষ্ণৱ আৰু নৱ-বৈষ্ণৱ ধর্ম
- ৫.৬.২ অসমৰ বৈষ্ণৱ সাহিত্যৰ চমু আভাস

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ ধর্মীয় পৰম্পৰাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- শৈৱ ধর্ম মানে কি, অসমত শৈৱ ধর্মৰ বিকাশ আৰু প্রসাৰ কেনেদৰে হৈছিল আৰু অসমৰ প্রধান প্রধান শৈৱ উপসনাৰ স্থানসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব
- অসমৰ শৈৱ সাহিত্যৰাজিৰ বিষয়ে ধাৰণা লাভ কৰিব
- শাক্ত ধর্মৰ ধাৰণা লাভ কৰাৰ উপৰি অসমৰ শাক্ত ধর্মৰ ইতিহাস, অসমৰ শৈৱ পীঠ, মঠ-মন্দিৰৰ বিষয়ে জ্ঞাত হ'ব
- অসমৰ শাক্ত সাহিত্যৰ পৰিচয় লাভ কৰিব

- প্ৰাচীন অসমত বৈষ্ণৱ ধৰ্ম চৰ্চাৰ বিষয়ে ধাৰণা লাভ কৰাৰ লগতে নৱ-বৈষ্ণৱ ধৰ্মৰ উদ্ভৱ আৰু বিস্তাৰ সম্পৰ্কে জ্ঞাত হ'ব
- অসমৰ বৈষ্ণৱ সাহিত্যৰাজি সম্যক ধাৰণা লাভ কৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া সংস্কৃতিত বিভিন্ন জাতীয়-জনগোষ্ঠীয় উপাদানৰ লগতে মুছলমানসকলৰ অৱদান সম্পৰ্কে অধ্যয়ন কৰিলে। এতিয়া এইটো অধ্যায়ত অসমৰ ধৰ্মীয় পৰম্পৰা সম্পৰ্কে অধ্যয়ন কৰিব।

মানুহৰ সংস্কৃত জীৱনৰ লগত ধৰ্মৰ সম্পৰ্ক ওতপ্ৰোত। প্ৰাকৃতিক বিভিন্ন ঘটনা-পৰিঘটনাই অতীজৰে পৰা মানুহৰ মনত সৃষ্টি কৰিছিল বিভিন্ন প্ৰশ্ন, সন্দেহ, কৌতুহল, ভয়-সংকোচ আদিৰ। এইবোৰৰ পৰিণতিতে সৃষ্টি হৈছিল বিভিন্ন লোকবিশ্বাস। এই লোকবিশ্বাসসমূহৰ আধাৰতে অপায়, অমংগল আদিৰ বিদূৰণ তথা সকলোৰে কল্যাণ কামনাৰ অৰ্থেই সৃষ্টি হৈছিল বিভিন্ন যাদুবিশ্বাস। লোকবিশ্বাস তথা যাদুৰ যুগপৎ মিলনতেই ধৰ্মৰ জন্ম। অসমতো অতি প্ৰাচীন কালৰে পৰা বিভিন্ন ধৰ্মীয় পৰম্পৰাই লোকবিশ্বাসৰ আধাৰতেই গা কৰি উঠিছিল। এই অধ্যায়টিত অসমৰ ধৰ্মীয় পৰম্পৰাৰ তিনিটা প্ৰধান ধাৰা— শাক্ত, শৈৱ আৰু বৈষ্ণৱৰ বিষয়ে আলোচনা দাঙি ধৰা হৈছে। এই ধৰ্মীয় পৰম্পৰাসমূহৰ উদ্ভৱ, বিকাশ তথা ইয়াৰ লগত জড়িত পীঠ, মঠ-মন্দিৰসমূহৰ বিষয়েও সম্যক পৰিচয় দাঙি ধৰা হৈছে। আনহাতে প্ৰতিটো ধৰ্মীয় পৰম্পৰাৰে বাহক হিচাপে সাহিত্যৰো সৃষ্টি হৈছিল। এই অধ্যায়টিত এই বিষয়েও কিছু কথা সন্নিৱিষ্ট কৰা হৈছে।

৫.৩ অসমৰ ধৰ্মীয় পৰম্পৰা

সাংস্কৃতিক ইতিহাসত ধৰ্ম আৰু বিশ্বাসৰ স্থান অতি উচ্চ। ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে বিশ্বাস আৰু যাদুৰ মিলনতেই ধৰ্মৰ উৎপত্তি। এই বিশ্ব জগতত বসবাস কৰা মানৱৰ প্ৰতিটো আচাৰ-অনুষ্ঠানৰ মূলতে আছে বিভিন্ন বিশ্বাস, যাদু আৰু ধৰ্ম। এনে ধৰণৰ আচাৰ-অনুষ্ঠানসমূহে সংস্কৃতি প্ৰসাৰণৰ ক্ষেত্ৰত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। অসমতো বিভিন্ন উৰ্বৰা লোকবিশ্বাস, যাদু ধৰ্মীয় বিশ্বাস আদিৰ আধাৰতেই প্ৰাচীন কালৰে পৰা বিভিন্ন ধৰ্মীয় পৰম্পৰাই গা কৰি উঠিছিল। ফলশ্ৰুতিত সৃষ্টি হৈছিল শাক্ত, শৈৱ, বৈষ্ণৱ আদি পৰম্পৰা। এই বিলাকৰ বিভিন্ন ৰূপ আমাৰ লোকসমাজতো প্ৰচলিত হৈ আহিছে। যেনে— কেঁচাইখাতী, বুঢ়ীগোসাঁনী, আই, শীতলা, বুঢ়াগোসাঁই, সত্যনাৰায়ণ, হুদুম দেও, ভঠেলি, পাউৰা আদি। উল্লেখযোগ্য যে শংকৰদেৱ প্ৰৱৰ্তিত 'একশৰণ নামধৰ্ম' বা 'নৱ-বৈষ্ণৱ' ধৰ্ম অসমৰ ধৰ্মীয় পৰম্পৰাত এক বলিষ্ঠ সংযোজন।

অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা বিভিন্ন থান, দেৱালয়, পীঠ, সত্ৰ, নামঘৰ আদিয়ে ইয়াত যে বিভিন্ন ধৰ্মীয় পৰম্পৰাৰ প্ৰচলন আছিল সেই কথাৰ সাক্ষ্য বহন কৰে। আনহাতে এই সকলো ধৰ্মীয় পৰম্পৰাই যে এক সহাৱস্থান কৰিছিল সেই কথাৰো প্ৰমাণ স্বৰূপ। আনহাতে প্ৰতিটো ধৰ্মীয় পৰম্পৰাৰে বাহক হিচাপে এক বিপুল সাহিত্য সম্ভাৰৰ সৃষ্টি হৈছিল। নৱ-বৈষ্ণৱ

ধৰ্মৰ বাহক হিচাপে যিমানখিনি সাহিত্য ৰচনা হৈছিল শৈৱ বা শাক্ত সম্পৰ্কে সিমানখিনি হোৱা নাই যদিও প্ৰতিটো পৰম্পৰাৰে সাহিত্য সম্ভাৰ উপলব্ধ হয়। তলত এই তিনিটা ধৰ্মীয় পৰম্পৰাৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

৫.৪ শৈৱ ধৰ্ম

শৈৱ ধৰ্ম শব্দটোৱেই আমাক বোধ জন্মায় যে ই শিৱৰ সৈতে জড়িত। অৰ্থাৎ শিৱৰ লগত জড়িত ধৰ্মীয় পৰম্পৰাটোৱেই হ'ল শৈৱ ধৰ্ম। এই পৰম্পৰা মতে শিৱই হ'ল সকলো সৃষ্টি-স্থিতি আৰু লয়ৰ গৰাকী।



মহেঞ্জোদাৰো ঃ প্ৰাচীন ভাৰতৰ এখন নগৰ। ইয়াততেই সিন্ধু সভ্যতাৰ বিকাশ হৈছিল।

পণ্ডিতসকলে শিৱক মূলতঃ প্ৰাক্-আৰ্য তথা অনা-আৰ্য দেৱতা বুলি বিবেচনা কৰে। কাৰণ আৰ্য সভ্যতাৰ পূৰ্বে মহেঞ্জোদাৰো আৰু সিন্ধু সভ্যতাতো শৈৱ ধৰ্মৰ আভাস পোৱা যায়। ***মহেঞ্জোদাৰো***ত প্ৰাপ্ত এটা যোগমূৰ্তিয়ে শিৱ দেৱতাৰ প্ৰাচীনত্বৰ ইংগিত বহন কৰে। আনহাতে বৈদিক ৰুদ্ৰ দেৱতাৰ লগত অবৈদিক শিৱৰ সংমিশ্ৰণ ঘটোৱা দেখা যায়। ইয়াৰ পৰাই অনুসৃত হৈছে ৰুদ্ৰ-শিৱৰ ধাৰণাটি। ৰুদ্ৰ আৰ্য দেৱতা, তেওঁ ধ্বংসৰ প্ৰতীক; আনহাতে শিৱ অনা-আৰ্য আৰু তেওঁ সত্য, সুন্দৰৰ প্ৰতিভূ তথা সৃষ্টিৰ প্ৰতীক। *ঋগ্বেদ*ৰ মন্ত্ৰৰাজিৰ মাজত এই বৈশিষ্ট্যৰাজি দেখিবলৈ পোৱা যায়। কালক্ৰমত দুটা ভিন্ন মুখী চাৰিত্ৰিক বৈশিষ্ট্যৰে বৈশিষ্ট্যান্বিত শিৱ আৰু ৰুদ্ৰ এককাৰ হ'ল। অৰ্থাৎ দুটা ভিন্ন সংস্কৃতি ধাৰাৰ সামাহৰণ ঘটিল। আৰ্য আৰু অনাৰ্য সংস্কৃতিৰ সমাহৰণেৰে শিৱ-ৰুদ্ৰ একাকাৰ হৈ পৰিল। *মহাভাৰত* আৰু *ৰামায়ণ*তো শিৱক হিন্দু দেৱতা হিচাপে চিহ্নিত কৰা হৈছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটি হ'ল *শিৱ পুৰাণ* নামেৰে এখন পুৰাণো ৰচনা কৰা হ'ল। উল্লেখযোগ্য যে ১৮খন মহাপুৰাণৰ ভিতৰত ষষ্ঠখন পুৰাণেই হ'ল *শিৱ পুৰাণ*। এই ক্ষেত্ৰত অধ্যাপক নীলকান্ত শাস্ত্ৰীয়ে শৈৱ ধৰ্মৰ উৎপত্তিৰ বিষয়ে কৰা মন্তব্যটি উল্লেখযোগ্য— শৈৱতত্ত্বৰ উৎপত্তিৰ ইতিহাস যদিও অন্ধকাৰময়, তত্ৰাচ এইটো সুস্পষ্ট যে, শৈৱতত্ত্বৰ উৎপত্তিৰ ইতিহাস আৰ্য বা বৈদিক আৰু প্ৰাগাৰ্য ধৰ্ম আৰু সংস্কৃতিৰ সংমিশ্ৰণ মাথোন। ভাৰতীয় সমাজ জীৱনৰ সংহতি সাধনত শিৱ-ৰুদ্ৰৰ ভূমিকা অতিকে গভীৰ।

৫.৪.১ অসমত শৈৱ ধৰ্ম

অতি প্ৰাচীন কালৰে পৰাই অসমত শৈৱ ধৰ্মই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। অসমৰ আৰ্য-অনাৰ্য উভয় সমাজতে শৈৱ ধৰ্মই জনপ্ৰিয়তা অৰ্জন কৰিছিল। অসমৰ শৈৱ ধৰ্মৰ প্ৰধান বৈশিষ্ট্য হ'ল— ই তান্ত্ৰিকতাৰ পটভূমিত গঢ় লৈ উঠিছে, তথা ইয়াত শাক্ত ধৰ্মৰ লগতে শৈৱ ধৰ্মৰ সমন্বয় সাধন হৈছে। স্বৰূপাৰ্থত শক্তি আৰু শিৱ অভিন্ন ৰূপে কল্পনা কৰা হৈছে।

খ্ৰীষ্টীয় সপ্তম শতিকাৰপৰা দ্বাদশ শতিকা পৰ্যন্ত প্ৰাচীন কামৰূপৰ নৃপতিসকলে তেওঁলোকৰ অভীষ্ট দেৱতাস্বৰূপে শিৱ দেৱতাক পূজা কৰিছিল। অসমৰ বিভিন্ন ঠাইত শিৱ মন্দিৰ-মঠ সিঁচৰতি হৈ আছে। উল্লেখযোগ্য যে অসমৰ শৈৱ মঠ-মন্দিৰৰ সংখ্যা

আন দেৱ-দেৱীৰ তুলনাত বহু বেছি। *কালিকা পুৰাণ* বা *যোগিনীতন্ত্ৰয়ো* এই কথা স্বীকাৰ কৰিছে।

প্ৰাচীন অসমত শিৱ পূজাৰ প্ৰচলন আৰম্ভ কৰাৰ কথাৰ প্ৰসংগত নৃপতি জল্পেশ্বৰ নামটো সংপৃক্ত হৈ আছে। এইগৰাকী নৃপতিৰ ক্ষেত্ৰত ইতিহাস নিমাত যদিও বৰ্তমানৰ জলপাইগুৰিয়েই জল্পেশ্বৰৰ ৰাজধানী আছিল বুলি গুণাভিৰাম বৰুৱাই মত দিয়ে। *স্কন্দ পুৰাণ*তো জল্প নামধাৰী জনৈক নৃপতিয়ে শিৱ পূজা কৰাৰ কথা উল্লেখ আছে। তেওঁ পূজাৰ কালতে শিৱলিংগৰ লগত বিলীন হৈছিল বাবে শিৱলিংগৰ আন এটা নাম জল্পেশ্বৰ হৈছে বুলি কোৱা হয়। কিন্তু বাণীকান্ত কাকতিয়ে সেই মত মানি নলৈ মত পোষণ কৰে যে সেই সময়ত শিৱপূজা লোক সমাজতহে প্ৰৱলভাৱে প্ৰচলিত আছিল, অভিজাত সমাজত নহয়।

*কালিকা পুৰাণ*ৰ মতে পৰশুৰামৰ ভয়ত বহু ক্ষত্ৰিয়ই '***ম্লেচ্ছ***' ৰূপে আত্মগোপন কৰি আত্মৰক্ষাৰ্থে 'জল্পীশ শিৱ'ত শৰণ লৈছিল আৰু অনাৰ্য ভাষা ব্যৱহাৰ কৰিছিল। নৰকাসুৰ প্ৰাগ্‌জ্যোতিষলৈ অহাৰ আগতেও ইয়াত শৈৱ ধৰ্ম প্ৰচলিত আছিল। কিৰাতসকল আছিল ইয়াৰ খিলঞ্জীয়া অধিবাসী। তেওঁলোক অধিপতি ঘটক সহিতে সকলোৱে শিৱক আৰাধনা কৰিছিল। কিন্তু নৰকৰ আগমনৰ পাছৰ পৰা প্ৰকাশ্যভাৱে কৰা শিৱ আৰাধনাৰ অৱসান ঘটে। সেই সময়ৰ শোণিতপুৰৰ নৃপতি বাণ আছিল শিৱভক্ত। নৰকৰ মৃত্যুৰ পাছত শৈৱ উপাসনা বামাচাৰী ৰীতিৰ সৈতে সংমিশ্ৰিত হয়।



ম্লেচ্ছ ঃ হিন্দু ধৰ্মৰ বাহিৰৰ মানুহ। পূৰ্বতে আৰ্যসকলে অনাৰ্যসকলক বুজাবৰ বাবে ব্যৱহাৰ কৰা শব্দ।

প্ৰাচীন অসমৰ বিভিন্ন শাসনাৱলীতো শৈৱ উপাসনাৰ প্ৰমাণ পোৱা যায়। খ্ৰীঃ ৭ম শতিকাৰ পৰা ১১শ শতিকালৈ প্ৰাচীন অসমত বাস কৰা সাতজন হিন্দু ৰজাই ভূমি দান কৰা তাম্ৰশাসন, বনমালৰ 'তেজপুৰগ্ৰাণ্ট' আৰু 'পৰ্বতীয়া তাম্ৰশাসন'; হৰ্জৰবৰ্মনৰ 'হাইয়ুংথল তাম্ৰশাসন'; বলবৰ্মনৰ 'নগাও শাসন'; ইন্দ্ৰপালৰ 'গুৱাহাটী তথা গুৱাকুছি তাম্ৰশাসন'; ধৰ্মপালৰ 'খনামুখ তাম্ৰশাসন' আদিত শিৱক স্তুতি কৰা হৈছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি তেওঁলোক শৈৱ উপাসক আছিল। আনহাতে কোচ নৃপতিসকলেও দেৱীৰ লগতে শিৱকো উপাসনা কৰিছিল। তেওঁলোকৰ মুদ্ৰাত উৎকীৰ্ণ কৰা 'শ্ৰীশ্ৰীশিৱচৰণ কমল মধুকৰ' বিশেষণৰ পৰা এই কথাৰ প্ৰমাণ পাব পাৰি। ঐতিহাসিক গেইট চাহাবেও মন্তব্য কৰিছে যে নৰনাৰায়ণ নৃপতিয়ে জনজাতীয় নিয়মেৰে শিৱপূজা কৰা ঐতিহ্যক বিধিসংগতভাৱে স্বীকৃতি দিছিল।

অসমৰ বিভিন্ন নৃগোষ্ঠীৰ মাজত বিভিন্ন ৰূপত শিৱ পূজা কৰাৰ পৰম্পৰা ৰক্ষিত হোৱা দেখা যায়। বৰোসকলৰ 'বাথৌ শিব্ৰাই', চুতীয়া-বৰাহীসকলৰ 'বুঢ়া-বুঢ়ী', দেউৰী-চুতীয়া সমাজৰ 'গিৰা-গিৰাচি', ৰাভাসকলৰ মাজত 'লাঙাৰজা', ৰাংখলসকলৰ মাজত 'বলিৰজা' আদি শিৱৰ বিভিন্ন ৰূপে এই কথাৰ সাক্ষ্য বহন কৰে।

শংকৰদেৱৰ সময়তো শৈৱ ধৰ্মীয় পৰম্পৰাই অসমৰ সমাজ জীৱনত এক বিশিষ্ট স্থান অধিকাৰ কৰিছিল। আনকি শংকৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞাই শিৱলিংগক

পূজা কৰি পুত্ৰ লাভ কৰে আৰু সেই বাবেই শিশুটিৰ নামকৰণ শংকৰ কৰা হয় বুলি চৰিতপুথিত উল্লেখ আছে।

ছশ বছৰ অসমত ৰাজত্ব কৰা আহোম নৃপতিসকলো শৈৰ ধৰ্মত বিশ্বাসী আছিল। তেওঁলোকে তেওঁলোকৰে ৰচনা কৰা বহু বুৰঞ্জীত প্ৰথমতেই 'শিৱায়ে নমঃ' বুলি শিৱৰ প্ৰশস্তি গাই আৰম্ভ কৰিছে। ইয়াৰ উপৰি বিভিন্ন আহোম স্বৰ্গদেৱে বিভিন্ন ঠাইত শিৱ মন্দিৰ স্থাপন কৰা কথাটিয়ে তেওঁলোকৰ শৈৱ ভক্তিৰ প্ৰমাণ দাঙি ধৰে। আহোমসকলৰ মুদ্ৰা, শাসন আদিতো শিৱক উপসনা কৰা হৈছে।

বৰ্তমানেও শিৱৰাত্ৰি বহু ধুমধামেৰে অসমত উদ্‌যাপন কৰা হয়। এইবোৰে প্ৰমাণ দাঙি ধৰে যে অতীজৰে পৰা বৰ্তমানলৈকে অসমত শিৱ পূজাৰ এক ধাৰাবাহিক ইতিহাস পোৱা যায় আৰু অসমৰ সমাজ জীৱনত শিৱই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে।



জনি থোৱা ভাল

- জনজাতীয় লোকসকলে শিৱ পূজাত মদ-ভাতৰ লগতে হাঁহ, পাৰ, কুকুৰা, ছাগলী আৰু ম'হৰ মাংস উপচাৰ হিচাপে প্ৰদান কৰিছিল। মাদল বজাই নাচৰ ব্যৱস্থা কৰিছিল।
- মণিৰাম দেৱানৰ *বুৰঞ্জী বিবেকৰত্নত* উল্লেখ আছে যে উৰ্ব নামৰ ঋষিয়ে স্থাপন কৰা দেৱগাঁৱৰ শিৱ মন্দিৰত কছাৰী ৰজাৰ তত্ত্বাবধানত মদ-মাংসৰে সৈতে শিৱক নিয়মিত পূজা কৰা হৈছিল।
- প্ৰাচীন অসমৰ বিভিন্ন নৃপতিয়ে শিৱ মন্দিৰলৈ ভূমি, ধন-সোণ আদি দান কৰাৰ উপৰি দেৱদাসী উৰ্চগা কৰিছিল।
- শিৱ মন্দিৰবিলাকৰ দুটা বিশেষ বিশেষত্ব হ'ল— দেৱদাসীৰ নৃত্য আৰু শিৱ চতুৰ্দশীৰ দিনা ডিঙি মুচৰি ছাগলি বলি দিয়া। নটৰাজ শিৱক নৃত্য-গীত গুৰু হিচাপে আখ্যা দিয়া হয়। সেয়ে মন্দিৰলৈ উৎসৰ্গ কৰা দেৱদাসীসকলে সুন্দৰ ভংগিমাৰে নৃত্য কৰি শিৱক সন্তুষ্ট কৰিবলৈ যত্ন কৰে।
- আহোম স্বৰ্গদেউ শিৱসিংহই দেৱগঞা নাচনী ফুলমতী কুঁৱৰীৰ ৰূপ আৰু নৃত্যত মুগ্ধ হৈ বিবাহ কৰাই 'বৰৰজা' পাতি সিংহাসনত বহুৱাইছিল।

৫.৪.২ অসমৰ শৈৱ মঠ-মন্দিৰ

অসমদেশ প্ৰাচীন কালৰে পৰা বিভিন্ন শৈৱ মঠ-মন্দিৰৰ বাবে প্ৰসিদ্ধ। এই দেশৰ প্ৰাচীন নৃপতিসকলে বিভিন্ন স্থানত শিৱ মন্দিৰ, থান আদি নিৰ্মাণ কৰাই পূজা উপাসনাৰ লগতে বাদ্য-বাদ্যকাৰ, নৰ্তক-নৰ্তকীৰ ব্যৱস্থা কৰি দিয়া প্ৰমাণ পোৱা যায় তেওঁলোকে প্ৰদান কৰা শাসনসমূহৰ পৰা। ভাস্কৰবৰ্মাৰ ৰাজত্ব কালত কামৰূপলৈ অহা

চীনা পৰিব্ৰাজক হিউয়েন চাঙেও কামৰূপত কেইবাশও হিন্দুৰ দেৱ-মন্দিৰ থকাৰ কথা উল্লেখ কৰি মন্তব্য কৰিছে যে এই মন্দিৰসমূহৰ ভিতৰত শিৱ মন্দিৰৰ সংখ্যাই সৰ্বাধিক।

অসমৰ বিভিন্ন ঠাইত প্ৰাপ্ত কেইবাটাও শিৱ মন্দিৰৰ ধ্বংসাৱশেষ সপ্তমৰ পৰা ত্ৰয়োদশ শতিকাৰ বুলি পণ্ডিতসকলে অনুমান কৰে। তেজপুৰৰ দ-পৰ্বতীয়াত গুপ্ত যুগৰ শেষৰ ফালৰ স্থাপত্যৰ লগত মিল থকা এক শিৱ মন্দিৰৰ ধ্বংসাৱশেষ পোৱা গৈছে। ঠিক সেইদৰে গোলাঘাট-দেৱগাঁৱৰ নেঘেৰীটিঙৰ শিৱ মন্দিৰো প্ৰাক্-আহোম যুগৰ। কামাখ্যা ধামতো কেইবাটাও প্ৰাচীন শিৱ মন্দিৰ আছে। তাৰে ভিতৰত সিদ্ধেশ্বৰ, কামেশ্বৰ, কোটিলিংগ আদি উল্লেখযোগ্য।

লক্ষীমপুৰ জিলাৰ ফুলবাৰী শিৱথান, ধেমাজীৰ মাজখোৱা শিৱদ'ল, ডিব্ৰুগড়ৰ বুঢ়া-বুঢ়ীৰ মন্দিৰ; শিৱসাগৰৰ শিৱদ'ল, যোৰহাটৰ হাতীগড় গাঁও শ্ৰীশিৱ দেৱালয়; গোলাঘাটৰ নুমলীগড় শিৱদ'ল; শোণিতপুৰৰ নাগশংকৰ, মহাভৈৰৱ, হলেশ্বৰ, বিশ্বনাথ ঘাট, কেতেকেশ্বৰ, শিঙৰিৰ গুপ্তেশ্বৰ; কামৰূপৰ বৈশিষ্ঠাশ্ৰম, উমানন্দ, লংকেশ্বৰ, শুক্ৰেশ্বৰ, মদন কামদেৱ; নলবাৰীৰ বিল্লেশ্বৰ, বৰপেটাৰ ডুবি পৰিহৱেশ্বৰ দেৱালয়; গোৱালপাৰাৰ শ্ৰীসূৰ্য পাহাৰৰ শম্ভেশ্বৰ আদি উল্লেখযোগ্য শৈৱ মঠ-মন্দিৰ।

শিৱক লিংগৰূপতো উপাসনা কৰা হয়। যোগিনীতন্ত্ৰই ইয়াৰ সাক্ষ্য দাঙি ধৰিছে। ইয়াত উল্লেখ আছে যে পুৰণি অসমত শিৱ লিংগৰ সংখ্যা কোটিতকৈও অধিক। অসমৰ বিভিন্ন নৃগোষ্ঠীৰ মাজত বিভিন্ন ৰূপত শিৱপূজাৰ প্ৰচলন হৈ আহিছে। ইয়াৰ প্ৰমাণস্বৰূপে বিভিন্ন ঠাইত থকা শিৱথান, বাথৌথান, লাঙাবুঢ়াৰ থান, মহাদাই থান, ব্ৰাই-শিব্ৰাই থান আদিৰ নামোল্লেখ কৰিব পাৰি।



জনি থোৱা ভাল

- বাণ ৰজাই তেজপুৰৰ মহাভৈৰৱ থানত মহাদেৱৰ উপাসনা কৰিছিল বুলি বিশ্বাস কৰা হয়।
- গুপ্তেশ্বৰ মন্দিৰটোৰ সম্পৰ্কে এটা জনশ্ৰুতি আছে। জনশ্ৰুতি মতে দ্বাপৰ যুগত শোণিতপুৰৰ ৰজা বাণে কাশীলৈ গৈ পূজা সেৱা কৰাত অসুবিধা পোৱা বাবে বিশ্বনাথত দ্বিতীয় কাশীধাম পাতিবলৈ মনস্থ কৰে। সেই বাবে তেওঁ ভাৰতৰ বিভিন্ন ঠাইৰপৰা এক কোটি লিংগ আনি তাত প্ৰতিষ্ঠা কৰে। দেৱতাসকলে এই কথাত অসন্তুষ্ট হৈ তাৰে এটা লিংগ আনি শিঙৰিত লুকুৱাই থয়। শিৱক এনেদৰে গোপনে ৰখা বাবে এই মন্দিৰটোৰ নাম গুপ্তেশ্বৰ।

এই আলোচনাৰ পৰা পৰিষ্কাৰ হৈছে যে অসমত পূৰ্বৰ পৰা বৰ্তমানলৈকে বিভিন্ন ৰূপত (ঘাইকৈ লিংগৰ ৰূপত) শিৱ পূজা চলি আহিছে। বিভিন্ন সময়ত প্ৰাচীন নৃপতিসকলে শিৱ উপাসনাৰ বাবে মন্দিৰ প্ৰতিষ্ঠা কৰি এই ধৰ্মীয় পৰম্পৰাটিৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগাইছে।

৫.৪.৩ অসমৰ শৈৱ সাহিত্য

অসমীয়া মৌখিক আৰু লিখিত সাহিত্য দুয়োটা পৰম্পৰাতে শিৱ দেৱতাৰ উপস্থিতি লক্ষ্য কৰা যায়। যিবোৰ সাহিত্যত শিৱৰ স্বৰূপ কৰ্মৰাজি আৰাধনা আৰু উপাসনাৰ কথা উল্লেখ আছে সেই বিলাক সাহিত্যকে শৈৱ সাহিত্য বোলা হয়। উল্লেখযোগ্য যে অসমত প্ৰচলিত শৈৱ পৰম্পৰা মৌলিক আৰু লিখিত দুয়ো ৰূপতে প্ৰচলিত আছে যদিও বহুসময়ত উভয় পৰম্পৰাৰ মাজত অন্যোন্য প্ৰক্ৰিয়াও সংঘটিত হৈছে।

অসমীয়া মৌখিক সাহিত্যত শিৱই বৈদিক বা পৌৰাণিক ৰূপতকৈ লোকৰূপতহে প্ৰচলিত হৈ আহিছে। লোক সমাজৰ ৰুচি-অভিৰুচি অনুসৰি ৰূপ সলাই আত্মপ্ৰকাশ কৰিছে। বিভিন্ন লোকগীতত শিৱই কৃষক, ভিখাৰী, বুঢ়া দৰা, ভঙুৱা, লম্পট, কামুক, বলিয়া গোসাঁই, জটীয়া গোসাঁই আদি ৰূপেৰে লোকমনক আনন্দ দি আহিছে। 'বিয়াহৰ ওজা পালিত' উল্লেখ আছে—

অ মোৰ জটীয়া, অ মোৰ জটীয়া।
ঘৰ বাৰী এৰি থাকে শ্মশানে পৰিয়া।।

এইবোৰৰ উপৰি ঝুনা গীত, পুৰেলি গীত (বিয়াহৰ ওজাপালি আৰম্ভতে গোৱা), সুকনান্নী ওজাপালি, টোকাৰি গীত, সদাশিৱৰ নাম, পগলা-পাৰ্বতীৰ গীত, পূৰ্ণবৰীয়া, গোপন বিহাৰৰ লগত জড়িত 'চিয়া গীত', বৈৰাগী গীত, পাতিৰাভাসকলৰ মাজত প্ৰচলিত 'তুকুৰীয়া গীত', সোণোৱাল কছাৰীৰ 'হাইদাং গীত'ৰ লগতে বুঢ়াগোসাঁই গীত, মাৰৈ গান, কাতি পূজাৰ গীত, পদ্মাপুৰাণৰ গীত, বিষহৰিৰ গীত আদিত শিৱৰ বিভিন্ন লোক ৰূপটোৰ লগতে পৌৰাণিক ৰূপটো সংমিশ্ৰিতভাৱে প্ৰকট হৈ উঠিছে।

ঠিক সেইদৰে অসমীয়া বিয়া নামবোৰৰ মাজতো শিৱৰ উল্লেখ পোৱা যায়। বিভিন্ন সাধু কথা, জনশ্ৰুতি, পুৰা কথা, প্ৰবাদ-প্ৰবচন, দৃষ্টান্ত-সাঁথৰ, পটন্তৰ, ফকৰা-যোজনা আদিত কিবা নহয় কিবা প্ৰকাৰে শিৱ-মহাদেৱ জড়িত। অসমীয়া মন্ত্ৰ সাহিত্যতো নীলকণ্ঠ মহাদেৱ শিৱ-ৰূদ্ৰৰ অখণ্ড পয়োভৰ। অসমীয়া দৰা-কইনাক আশীৰ্বাদ দিওঁতেও 'হৰ-গৌৰীৰ বসতি হওক' বুলিহে আশীৰ্বাদ কৰা হয়। এই আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে শিৱ দেৱতাই অসমীয়া মৌখিক পৰম্পৰাত এক ব্যাপক তথা গভীৰ প্ৰভুত্ব স্থাপন কৰি আছে।

অসমীয়া লোক সাহিত্যত শিৱই যিদৰে এক ব্যাপক আৰু গভীৰ ভূমিকা গ্ৰহণ কৰিছে, লিখিত সাহিত্যত কিন্তু সিমানখিনি ব্যাপক ভূমিকা গ্ৰহণ কৰিব পৰা নাই। অৱশ্যে প্ৰাক্-শংকৰী যুগৰে পৰা আহোম যুগলৈ ৰচিত বিভিন্ন পুথিৰ মাজত গৌণভাৱে হ'লেও শিৱই স্থান লাভ কৰিছে। মূল *ৰামায়ণত* নথকা কিছুমান উপমা ৰূপকৰ মাজেদি মাধৱ কন্দলীয়ে শৈৱ ধৰ্মৰ কথা প্ৰকাশ কৰিছে। যথা—

যোগীৰ কান্ধত কালি ঝুলি জত
হাতে দোৱাদশ কাথি।
লৱৰন্তে লৱ ৰন্তে পাচ চান্তে
হিয়া মানে গৈল ফাটি।।
পাইলেক ভাগৰ বোকণ্ডা কাষৰ
সৱে পৰি ৰৈলা খসি।
মুখে শিৱ শিৱ সুমৰন্তে আতি
পলাইলা যত তাপসী।। *(পদ ঃ ৩৩৪-৩৪৫)*

ঠিক সেইদৰে প্ৰাক্-শংকৰী কবি হেম সৰস্বতীৰ *হৰ-গৌৰী সম্বাদ*, কবিৰত্ন সৰস্বতীৰ *জয়দ্ৰথ বধ* আদিত শৈৱ ধৰ্মৰ প্ৰভাৱ স্পষ্ট।

কালিকা পুৰাণ আৰু *যোগিনীতন্ত্ৰত* শাক্ত ধৰ্মৰ লগতে শৈৱ ধৰ্মও সমানভাৱে পল্লৱিত হৈছে। মিশ্ৰ অসমীয়া সাহিত্যৰ অন্তৰ্গত — *শ্ৰীকৃষ্ণ কীৰ্তন*, *শূন্যপুৰাণ*তো শৈৱতত্ত্বৰ কথা প্ৰকাশ পাইছে। উল্লেখযোগ্য যে *শূন্যপুৰাণত* ধৰ্মদেৱতা আৰু শিৱ একীভূত হৈছে।

শংকৰদেৱৰ সমসাময়িক পাঁচালি কবিসকলৰ ৰচনাতো লোক দেৱতা শিৱই ভূমুকি মাৰিছে। পীতাম্বৰ দ্বিজৰ *ঊষা-পৰিণয়ত* হৰি-হৰৰ মাজত একত্ব স্থাপন কৰিবলৈ যত্ন কৰিছে। দুৰ্গাবৰৰ *গীতি-ৰামায়ণত* প্ৰাপ্ত মদন-ৰতিৰ পূজা শিৱ-শক্তি উপাসনাৰ এক শাখা বিশেষহে বুলি মহেশ্বৰ নেওগে মন্তব্য কৰিছে।

নৱ-ৰৈষ্ণৱ কবিসকলৰ ৰচনাত শ্ৰীকৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰকাশ কৰিছে যদিও বিদ্যুচ্ছটাৰ দৰে শিৱই মাজে মাজে ভুমুকি মাৰিছে। শংকৰদেৱৰ *কীৰ্তনৰ* অন্তৰ্গত 'উৰেষা বৰ্ণনা', 'অমৃত মন্থন' আদি ইয়াৰ প্ৰকৃষ্ট উদাহৰণ। ৰাম সৰস্বতীৰ *ভীম চৰিতত* শিৱৰ লোক ৰূপটি প্ৰকট হৈছে। তেওঁৰ বধ কাব্যসমূহতো শিৱৰ পৌৰাণিক ৰূপটি পৰিস্ফুট হৈছে। ঠিক সেইদৰে অনন্ত কন্দলীৰ *কুমৰ হৰণ কাব্য*, কবিৰাজ ৰাম নাৰায়ণ চক্ৰৱৰ্তীৰ *শঙ্খচূড় বধ*, বাসুদেৱ দ্বিজৰ *হৰ-গৌৰী সম্বাদ*, জয়ৰাম দাসৰ *শিতলা*, শুভঙ্কৰ কবিৰ *শ্ৰীহস্তমুক্তাৱলী*, অজ্ঞাত লেখকৰ *কালিকা পুৰাণ*, *গুপ্তমণি*, অনন্ত আচাৰ্যৰ *আনন্দ লহৰী*, ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী*, সূৰ্যখড়ি দৈৱজ্ঞৰ *দৰঙ্গ ৰাজবংশাৱলী* আদিত কম বেছি পৰিমাণে শিৱৰ পৌৰাণিক বা লৌকিক ৰূপটি প্ৰতিভাত হৈছে।

উল্লেখযোগ্য যে আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই সংস্কৃত শিৱ পুৰাণখনৰ আঠোটা শ্লোকৰ আধাৰত আঠোটা অধ্যায়ৰ জৰিয়তে পৌৰাণিক শিৱ-ৰূদ্ৰৰ ৰূপটো প্ৰকট কৰিছে। এইখনক তেওঁ *শিৱ পুৰাণ* বুলিয়েই নামকৰণ কৰিছে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে অসমীয়া মৌখিক আৰু লিখিত উভয় শ্ৰেণীৰ সাহিত্যতে শিৱৰ পৌৰাণিক ৰূপৰ লগতে লোকৰূপটোৰ অপূৰ্ব সমন্বয় সাধন হৈছে। তথাপিতো উল্লেখযোগ্য যে অসমত অৱিমিশ্ৰ শৈৱ সাহিত্য ৰচিত নহ'ল।

ইয়াৰ কাৰণ স্বৰূপে হৰি-হৰৰ অভেদত্ব স্বীকাৰ কৰি লোৱাৰ কথাটিকেই অনুমান কৰিব পাৰি। *শ্ৰীমদ্ভাগৱত* পুৰাণত হৰি-হৰৰ অভেদত্ব/একত্ব স্বীকাৰ কৰি লোৱা বাবেই অসমতো হৰি-হৰৰ বিভিন্নতা লক্ষ্য কৰা নাযায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমৰ শৈৱতত্ত্বৰ মূল বৈশিষ্ট্যসমূহ কি কি?

.....

প্ৰশ্ন নং ২ ঃ বহু বুৰঞ্জীত প্ৰথমতেই 'শিৱায়ে নমঃ' বুলি শিৱৰ উপাসনা কৰা হৈছে — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

.....



চিন্তা-চৰ্চা কৰক — ৫.১

অসমৰ শৈৱ সাহিত্যৰাজিৰ এখন তালিকা প্ৰস্তুত কৰক।

৫.৫ শাক্ত ধৰ্ম

শাক্ত ধৰ্ম শব্দটিয়েই আমাৰ বোধজন্মায় যে ই শক্তি বা দেৱীক কেন্দ্ৰ কৰি প্ৰৱৰ্তিত। অৰ্থাৎ শক্তি বা দেৱীক উপাসনা কৰা প্ৰথাটোকেই শক্তিতত্ত্ব বুলি কোৱা হয়। বিশ্বজগতৰ সৃষ্টিৰ অন্তৰালত থকা মহাশক্তিক মাতৃৰূপে কল্পনা কৰি উপাসনা কৰা মতবাদটিয়েই হ'ল শক্তিবাদ। এই মতবাদ অনুসাৰে শক্তিয়েই সকলো সৃষ্টিৰ মূল বা প্ৰকৃত কাৰণ বুলি বিবেচনা কৰা হয়। প্ৰাগ্‌ঐতিহাসিক কালৰে পৰাই ভাৰতবৰ্ষত শক্তিপূজাৰ প্ৰচলন আছিল। ইয়াৰ সাক্ষ্য বহন কৰে পঞ্জাৱৰ ***হৰপ্পা***, সিন্ধুদেশৰ মহেঞ্জোদাৰোত আৱিষ্কাৰ হোৱা অসংখ্য মৃন্ময়ী দেৱীমূৰ্তিয়ে।



হৰপ্পা ঃ প্ৰাচীন ভাৰতৰ এখন নগৰ। ইয়াত সিন্ধু সভ্যতাৰ বিকাশ হৈছিল।

প্ৰাচীন ভাৰতৰ ধৰ্মৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে *ঋগ্বেদ*ৰ সময়ত দেৱীয়ে প্ৰাধান্য পোৱা নাছিল যদিও অদিতি আৰু ঊষা নামৰ দুগৰাকী নাৰীৰ কথা উল্লেখ পোৱা যায়। এওঁলোকক দেৱমাতৃ বুলিও অভিহিত কৰা হৈছে। পৰৱৰ্তীকালৰ বেদ, পুৰাণ আদিত দেৱী মাতৃৰ পূজাৰ কথা ব্যাপকভাৱে উপলব্ধ হয়। ড° শশীভূষণ দাশগুপ্তই মত পোষণ কৰিছে যে শাক্ত ধৰ্ম আৰু দৰ্শনত দেৱীৰ তিনিটা স্বৰূপ দেখিবলৈ পোৱা যায়। প্ৰথম স্বৰূপমতে পৰমতত্ত্বৰ প্ৰতীক হ'ল শিৱ আৰু দেৱী সেই পৰমতত্ত্বৰ শক্তি তথা পত্নী। এই মতামতত শিৱৰ প্ৰাধান্যই বেছি। দ্বিতীয় স্বৰূপ মতে শিৱ আৰু শক্তিৰ সমন্বয়তহে পূৰ্ণ সত্য সম্পন্ন হয় বা পৰমতত্ত্ব সাধন হয়। তৃতীয় স্বৰূপ মতে দেৱীয়ে হ'ল অদ্বিতীয় মহাশক্তি। তেঁৱেই ব্ৰহ্মাণ্ডৰ সকলো শক্তি, বৈচিত্ৰ্যৰ মূল কাৰক তথা গৰাকী।

শাক্তপন্থী দাৰ্শনিকসকলৰ মতে পৰমব্ৰহ্ম, চিৰশাশ্বত শক্তিৰ প্ৰতিভূ মাথোন। জীৱই

জন্ম লাভ কৰে মাতৃগর্ভৰ পৰা, সেই বাবে সকলোৱে হৃদয়ত জগৎস্ৰষ্টা পৰমেশ্বৰৰ স্বৰূপ উপলব্ধ হয় মাতৃ শব্দৰ মাধ্যমেৰে। তদুপৰি এই মাতৃয়েই সকলো দুখ-দুর্গতি, অপায়-অমংগল আদি দূৰ কৰিব পাৰে। তেঁৱেই বিভিন্ন দেৱতা আৰু তেওঁলোকৰ মূল চালিকা শক্তি স্বৰূপে আত্ম প্ৰকাশ কৰিছে। সেয়ে কোৱা হয় শক্তি বিহীন শিৱ, ব্ৰহ্মা, বিষ্ণু নিষ্ক্ৰিয়।

ভাৰতীয় সমাজ ব্যৱস্থাত নাৰীসমাজৰ সামাজিক মূল্যবোধৰ আধাৰতেই শাক্ত ধর্মৰ সৃষ্টি হৈছে। অর্থাৎ যুগে যুগে নাৰী সমাজৰ প্ৰতি পুৰুষ সমাজে প্ৰদর্শন কৰি অহা সন্মানেই দেৱীতত্ত্বৰ মূল উৎস। নাৰীৰ সৃষ্টিশীলতা আৰু ক্ৰিয়াশীলতা গুণ দুটিয়েই তেওঁলোকক দেৱীৰ মর্যাদা প্ৰদান কৰিছে। এই মর্যাদাৰ আধাৰতেই জন্ম হৈছে শাক্ত ধর্ম তথা শক্তিতত্ত্বৰ।

৫.৫.১ অসমত শাক্ত ধর্ম

বহু পণ্ডিতে মত পোষণ কৰে যে উত্তৰ-পূব ভাৰতত অৱস্থিত অসম আৰু বংগদেশেই হ'ল শক্ত ধর্মৰ জন্মভূমি। পণ্ডিত উইলছনৰ মতে— "...Assam, or atleast the north-east of Bengal, seems to have been in great degree, the source from which the Tantrika and Sakta corruptions of the religion of the Vedas and Puranas proceeded." ঠিক সেইদৰে ইলিয়টেও মন্তব্য কৰিছে — "ভাৰতৰ পূর্বাঞ্চলত অর্থাৎ অসম বা বংগদেশত শাস্ত্রসহ শক্তিতত্ত্ব সীমিত নহ'লেও অন্ততঃ এই অঞ্চল— শক্তি উপাসনাৰ মুখ্য কেন্দ্র আছিল।" আন এজন বিদগ্ধ পণ্ডিত উইণ্টাৰনিজেও মত পোষণ কৰে ইয়াৰ উৎপত্তিস্থল অসম বা বংগদেশ আৰু ইয়াৰ পৰাই এই মতবাদ ভাৰতৰ বাহিৰেও নেপাল, তিব্বত, চীন আদি দেশলৈ বিয়পি পৰিছে।

উক্ত মতসমূহৰ পৰা আমি ধাৰণা কৰিব পাৰোঁ যে অসমত প্ৰাচীন কালৰে পৰাই শাক্ত ধর্মৰ প্ৰচলন আছিল। *ভাগৱত পুৰাণ, বিষ্ণু পুৰাণ* আদিত বর্ণিত ৰুক্মিণী হৰণ, ঊষা হৰণ আদি কাহিনীৰ মাজত আমি ইয়াৰ আভাস দেখা পাওঁ। কুণ্ডিলৰ ৰজা ভীষ্মকৰ কন্যা ৰুক্মিণীয়ে ভৱানীদেৱী, শোণিতপুৰত বাণৰ কন্যা ঊষাই মহাভৈৰৱীক কৰা পূজা, নৰকাসুৰে প্ৰাগ্‌জ্যোতিষলৈ আহি আই কামাখ্যাক পূজা কৰা কাহিনীসমূহে ইয়াৰ প্ৰাচীনত্বৰ সাক্ষ্য বহন কৰে। এই ভৌগোলিক অঞ্চল মূলতঃ অষ্ট্রিক আৰু মংগোলীয়সকলৰ আবাসস্থল আছিল। অষ্ট্রিকসকলেদেৱী পূজা আৰু মংগোলীয়সকলে শিৱ আৰু শক্তি পূজা কৰিছিল। উল্লেখযোগ্য যে 'কামাখ্যা' পদটো অষ্ট্রিক ভাষা সম্ভূত। শাক্ত ধর্মৰ অনেক কথাৰ পৰা পতিয়ন যাব পাৰি যে এই ধর্মত হিন্দু বা আন ধর্মৰ বহু উপাদান মিশ্রিত হৈছিল। কালী, তাৰা, উগ্রতাৰা, ছিন্নমস্তা আদি দেৱীৰ ৰূপত তান্ত্রিক বৌদ্ধ ধর্মৰ প্ৰভাৱ বিদ্যমান। প্ৰণিধানযোগ্য পুৰণি অসমৰ তাম্রশাসনবোৰৰ ভিতৰত নৃপতি ইন্দ্রপাল তথা বনমালবর্মাৰ শাসনসমূহত শক্তিদেৱীৰ কথা উল্লেখ আছে। ইয়াৰ লগতে অসমৰ বিভিন্ন স্থানত অৱস্থিত কালী, দুর্গা, ত্রিপুৰা সুন্দৰী, ভৈৰৱী, মনসা,

তাৰা, ভুৱনেশ্বৰী আদিয়ে অসমত শাক্ত ধৰ্মৰ প্ৰচলনৰ কথাটিৰ নিৰ্দশন দাঙি ধৰে।

খ্ৰীষ্টীয় দশম শতিকাত ৰচিত *কালিকা পুৰাণ* নামৰ শাস্ত্ৰখনে কামৰূপত শাক্ত ধৰ্মই যে ইয়াৰ পূৰ্বৰ পৰাই বিশেষ প্ৰাধান্য লাভ কৰিছিল তাৰ প্ৰমাণ দাঙি ধৰে। এই শাস্ত্ৰখনৰ প্ৰায় ৯০টা অধ্যায়ত শক্তি মাহাত্ম্য বিশেষভাৱে বৰ্ণিত হৈছে। ঠিক সেইদৰে *যোগিনীতন্ত্ৰ, হৰ-গৌৰী সংবাদ* আদি পুথিতো দেৱীপূজাৰ বিভিন্ন কথা লিপিবদ্ধ হৈছে।

দেৱীপূজাৰ লগত জড়িত এক বিশেষ বিশেষত্ব হ'ল— বলি-বিধান। অসমৰ বিভিন্ন দেৱী মন্দিৰত নৰবলি দিয়াৰ কথাও ইতিহাসত পোৱা যায়। কোচ ৰাজবংশ প্ৰতিষ্ঠা হোৱাৰ আগে আগে শাক্ত ধৰ্মৰ প্ৰাধান্য কিছু লোপ পাইছিল যদিও কোচ নৃপতি বিশ্বসিংহই সেয়া পুনৰ প্ৰচলন হোৱাত আগভাগ লৈছিল। নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ো দেৱী উপাসক আছিল।



জানি থোৱা ভাল

১৬১৫ চনত মুছলমান আক্ৰমণকাৰীৰ সেনাপতি সত্ৰাজিতৰ পুতেক কৰ্মচান্দক নাৱত পাই ধৰি নি ভণ্ডাৰীয়ে কামাখ্যাত বলি দিয়াৰ কথা সূৰ্য্য কুমাৰ ভূঞা সম্পাদিত *অসম বুৰঞ্জীত* পোৱা যায়।

দৰঙ্গ ৰাজবংশাৱলী মতে বিশ্বসিংহই বৰগৰখীয়া হৈ থাকোতে লগৰ গৰখীয়াৰ লগত শৰতকালত দেৱী পূজা পাতো বুলি এচাৰি ওভোতাই পুতি চেঁচুক (বাঁহৰ) বলিৰ দা কৰি ফৰিং উচৰ্গা কৰিছিল। এবাৰ এজন লগৰীয়াই ফৰিং আনিব নোৱৰাৰ বাবে চেঁচুৰে কাটি তাকে বলি দিছিল।

শংকৰদেৱৰ উপৰি পুৰুষসকলো মূলতঃ শক্তিৰ উপাসক আছিল। তেওঁৰ প্ৰধান শিষ্য 'বৰাৰ পো' মাধৱো তেওঁক লগ পোৱাৰ আগতে শাক্তপন্থী আছিল। শংকৰদেৱে প্ৰৱৰ্তন কৰা নৱ-বৈষ্ণৱ ধৰ্মই প্ৰবল ৰূপ লোৱাৰ সময়তো শাক্ত ধৰ্ম অসমত প্ৰচলন আছিল। শংকৰদেৱৰ সমসাময়িক পাঁচালি কবিসকলো আছিল শক্তিৰে উপাসক। আহোম স্বৰ্গদেউসকলৰ বহুকেইজন শৈৱৰ লগতে শক্তিৰ উপাসকো আছিল বুলি প্ৰমাণ পোৱা যায়। তেওঁলোকৰ ভিতৰত গদাধৰসিংহ, ৰুদ্ৰসিংহ, শিৱসিংহ, প্ৰমত্তসিংহ, ৰাজেশ্বৰসিংহ, প্ৰতাপসিংহ আদিৰ নাম উল্লেখযোগ্য। স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনৰ পৰাই অসমত মৃন্ময় মূৰ্তিৰ দেৱী পূজাৰ প্ৰচলন আৰম্ভ হয়। শিৱসিংহৰ বৰৰাণী ফুলেশ্বৰী আছিল শাক্তপন্থাৰ অকুণ্ঠ সমৰ্থক। এতিয়াও অসমত দেৱী আৰু কালী পূজা মহা ধুমধামেৰে উদ্‌যাপন কৰা হয়।

এনেবোৰ আলোচনাৰ পৰা আমি অনুধাৱন কৰিব পাৰোঁ যে প্ৰাচীন আৰু মধ্যযুগৰ পৰা নৱ-বৈষ্ণৱ ধৰ্মৰ আগমনলৈকে শাক্ত ধৰ্ম বা দেৱী উপাসনা অসমত এক প্ৰভাৱশালী উপাসনা পদ্ধতি হিচাপে প্ৰচলিত হৈ আহিছে। বৰ্তমানো তাৰ প্ৰভাৱ বিদ্যমান। এই ক্ষেত্ৰত সত্যেন্দ্ৰনাথ শৰ্মাৰ এষাৰ মন্তব্য স্মৰ্তব্য— "Saktism was a dominant

cult of Assam in ancient and medieval times up to the advent of neo-Vaisnavism and even today it holds a place next to Vaisnavism."

৫.৫.২ অসমৰ শক্তিপীঠ আৰু মঠ-মন্দিৰ

অসম দেশত অতি প্ৰাচীন কালৰে পৰাই বিভিন্ন শক্তিপীঠ আৰু মঠ-মন্দিৰ বিৰাজমান। প্ৰাচীন কালত অসমত বাস কৰা অষ্ট্ৰিক তথা মংগোলীয়সকলৰ মাজত প্ৰচলন থকা বিভিন্ন দেৱীমাতৃৰ ৰূপেই ইয়াৰ সাক্ষ্য দাঙি ধৰে। বিভিন্ন পুৰাণ, কিম্বদন্তী আদি বিশ্লেষণ কৰি পণ্ডিতসকলে প্ৰাগ্‌জ্যোতিষৰ অধিপতি ৰজা ভগদত্তৰ পিতৃ ভৌম নৰকে পোন প্ৰথমে হিন্দু শাক্ত ধৰ্ম মিথিলাৰ পৰা ইয়ালৈ আনিছিল বুলি ধাৰণা কৰে। এওঁৰ সময় আনুমানিক খ্ৰীঃ পূঃ ১৪০০ৰ পৰা ২০০০ ভিতৰত। ভৌম নৰকেই পূৰ্ব প্ৰসিদ্ধ স্থানীয় যোনী *পীঠ* কামাখ্যাতে (তেতিয়া কামাখ্যা নামৰ কথা স্থিৰ হোৱা নাছিল) শক্তিপূজা (হিন্দু) প্ৰতিষ্ঠা কৰে।

কামাখ্যাই অসমত শক্তিপীঠ হিচাপে অতীজৰে পৰা প্ৰসিদ্ধি লাভ কৰিছিল। কামাখ্যা দেৱীৰ অন্যতম প্ৰধান ক্ষেত্ৰখন হ'ল পুৰণি অসমৰ চাৰি পীঠৰ অন্যতম কামপীঠ। লোক বিশ্বাস মতে এই কামপীঠতে সতীৰ যোনি প্ৰদেশ পৰিছিল আৰু তাতেই কামাখ্যা মন্দিৰ প্ৰতিষ্ঠিত হয়। নীলাচল পাহাৰত অৱস্থিত কামাখ্যাধাম দেৱীপীঠৰ বাবে বিশ্ববিখ্যাত। ইয়াত কামাখ্যা মন্দিৰৰ উপৰি কালি, তাৰা, ছিন্নমস্তা, বগলা, ভৈৰৱী, ভূৱনেশ্বৰী, ধুম্ৰাৱতী, দশমহাবিদ্যাৰ মন্দিৰ আছে। প্ৰাচীন স্থাপত্য-ভাস্কৰ্যৰ বাবেও এই পীঠ বিখ্যাত।



পীঠ ঃ সদাশিৱই মৃৱত লৈ ফুৰা সতীৰ মৃতদেহ বিষ্ণুৱে চক্ৰৰে একাৱন্ন খণ্ড কৰি চাৰিওফালে পেলায়। এই খণ্ড বিলাক যত যত পৰিল সেই ঠাই বিলাকক একো একোখন পীঠ বুলি গণ্য কৰা হয়।

উল্লেখযোগ্য যে অসমৰ বিভিন্ন ঠাইত কামাখ্যা মন্দিৰ দেখা যায়, যেনে— ক্ষেত্ৰীৰ কামাখ্যা মন্দিৰ, শিলঘাটৰ কামাখ্যা মন্দিৰ, মানকাচাৰৰ কামাখ্যা থান আদি। কামাখ্যা ধামৰ উপৰি অসমত বহু শাক্ত মঠ-মন্দিৰ দেখা যায়। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল— গুৱাহাটীৰ উজান বজাৰৰ জোৰ পুখুৰীৰ পাৰত অৱস্থিত উগ্ৰতাৰা মন্দিৰ, ১৭৫২ খ্ৰীঃ ৰাজেশ্বৰ সিংহই নিৰ্মাণ কৰা উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী মন্দিৰ, চিলাপথাৰৰ মালিনীথান, শদিয়াৰ তাম্ৰেশ্বৰী বা কেঁচাইখাতী গোঁসানী মন্দিৰ, কৃষ্ণাই কাষৰ টুক্ৰেশ্বৰী মন্দিৰ, শোণিতপুৰৰ বামুনী পাহাৰত অৱস্থিত ভৈৰৱী মন্দিৰ আদি। ইয়াৰ উপৰি অসমৰ বিভিন্ন ঠাইত বিভিন্ন নামেৰে শক্তিপীঠ, মঠ-মন্দিৰ সিঁচৰতি হৈ আছে। এইবোৰ সঠিক লেখ দিয়াটো টান।

অসমৰ বহু শাক্ত দেৱালয়, মঠ-মন্দিৰ ইতিমধ্যেই বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ, পৃষ্ঠপোষকতাৰ অভাৱ আদিৰ বাবে ধ্বংসপ্ৰাপ্ত হৈছে। চুতীয়া, কছাৰী, কোচ, আহোম ৰজাসকলে যি ৰাজকীয় প্ৰেৰণাৰে শক্তিপন্থা উজ্জ্বল কৰি তুলিছিল সেয়া তেওঁলোকৰ পতনৰ পাছত ক্ৰমান্বয়ে শীৰ্ণপ্ৰায় হ'ল। তথাপিও ক'ব পাৰি শক্তিৰ উপাসনা বৰ্তমানেও প্ৰচলিত হৈ আছে। কালী পূজা, দুৰ্গাপূজা আদি আজিকালিও মহা পয়োভৰেৰ উদ্‌যাপন কৰা হয়।

৫.৫.৩ অসমৰ শাক্ত সাহিত্য

অসমৰ মৌখিক তথা লিখিত— এই দুই ধৰণৰ সাহিত্যই অসমত শাক্ত ধাৰা এটা প্ৰৱাহিত হৈ থকাৰ প্ৰমাণ দাঙি ধৰে। শক্তি বা দেৱী-গোঁসানীৰ আৰাধনাসূচক নামসমূহক শাক্ত সাহিত্যৰ অন্তৰ্ভুক্ত কৰা হয়। এই নামসমূহ মৌখিকভাৱে জনসমাজৰ মাজত প্ৰচলিত হৈ আহিছিল আৰু বৰ্তমানেও দুই-এজন সংগ্ৰাহকে সংগ্ৰহ কৰি লিখিত ৰূপত প্ৰকাশ কৰিছে। আই গোঁসানী বিষয়ক নামসমূহ মহিলাসকলে সমূহীয়াভাৱে আই সবাহ, আসন সবাহ, অপেশ্বৰী সবাহ, লখিমী সবাহ আদিত গায়। উল্লেখযোগ্য যে এনে ধৰণৰ গীত শাক্ত ধৰ্মী পুৰুষসকলে গোৱা দেখিবলৈ পোৱা নাযায়।

আই মোৰ উজায়ে আহিলে আইৰে সাতেভনী
সাতালি পৰেবত জুৰি।
আই মোৰ বনৰ পশু পক্ষী সবেও মাথা দোঁৱায়
আই আহিবৰে শুনি।। *(আই নাম)*

প্ৰাক্-শংকৰী যুগতে সংস্কৃতত ৰচনা কৰা *কালিকা পুৰাণ* আৰু *যোগিনীতন্ত্ৰত* দেৱী মহিমা প্ৰকাশ কৰা হৈছে। ত্ৰয়োদশ শতিকাত অজ্ঞাত কবিৰ সংস্কৃত ভাষাত ৰচিত *হৰ-গৌৰী সংবাদ* গ্ৰন্থখনত ২৩টা পটলত বিভক্ত কৰি শিৱ-শক্তিৰ বিষয়ে বৰ্ণনা কৰা হৈছে। উল্লেখযোগ্য যে প্ৰাক্-শংকৰী কবি হেম সৰস্বতীয়েও *হৰ-গৌৰী সংবাদ* নামৰ এখন পুথি ৰচনা কৰিছিল। মাধৱ কন্দলীয়েও তেওঁৰ *ৰামায়ণত* বিষয়বস্তু বৰ্ণনাৰ ক্ষেত্ৰত শক্তিতত্ত্বৰ লগত সংপৃক্ত উপমা-ৰূপক আদি অলংকাৰ প্ৰয়োগ কৰিছে। এইবোৰ মূল *ৰামায়ণত* পোৱা নাযায়। সেয়ে কবিয়ে সমসাময়িক সমাজৰ পৰা চয়ন কৰিছিল বুলি ভাবিব পাৰি।

শংকৰদেৱৰ সমসাময়িক পাঁচালি কবিসকলৰ ৰচনাত শক্তিতত্ত্বই প্ৰকট ৰূপত প্ৰকাশ পাইছে। পীতাম্বৰ কবিয়ে *মাৰ্কণ্ডেয় চণ্ডী* অনুবাদ কৰিছে। ঠিক সেইদৰে মনকৰ, দুৰ্গাবৰ আৰু সুকবি নাৰায়ণদেৱে মনসা দেৱীৰ মাহাত্ম্য প্ৰচাৰৰ অৰ্থে *পদ্মাপুৰাণ, মনসা কাব্য* ৰচনা কৰি অসমীয়া শাক্ত সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে।

ষোল্ল শতিকাত কবি পীতাম্বৰ দ্বিজে *শ্ৰীশ্ৰীচণ্ডী*; সপ্তদশ শতিকাৰ কবি ৰুচিনাথ কন্দলী আৰু দ্বিজ ৰঙ্গনাথ চক্ৰৱৰ্তীয়ে *মাৰ্কণ্ডেয় চণ্ডী* অসমীয়ালৈ অনুবাদ কৰিছিল। মধুসূদন মিশ্ৰৰ *মাৰ্কণ্ডেয় চণ্ডী*, মহীনাথ শৰ্মাৰ *মাৰ্কণ্ডেয় পুৰাণ*, জয়ৰাম দাসৰ *শীতলা পদ*, অনন্ত আচাৰ্যৰ *আনন্দ লহৰী*, শিৱনাথ দ্বিজৰ *শ্ৰীশ্ৰীচণ্ডী*, অজ্ঞাত কবিৰ *কালিকা পুৰাণ* আদি পুথিয়ে শাক্ত সাহিত্যৰ প্ৰাধান্যৰ কথাই আমাক অনুভূত কৰায়। ইয়াৰ উপৰি বিভিন্ন সাহিত্যিকে শাক্ত সাহিত্য আৰু শক্তিবাদৰ বিস্তৃতি সম্পৰ্কে বিবিধ গ্ৰন্থ ৰচনা কৰি অসমীয়া শাক্ত সাহিত্যৰ ভঁৰাল চহকী কৰিছে। প্ৰণিধানযোগ্য যে অসমৰ বৈষ্ণৱ সাহিত্যৰ তুলনাত শাক্ত সাহিত্য যথেষ্ট কম ৰচিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শক্তিতত্ত্ব মানে কি?

.....

প্রশ্ন নং ৪ ঃ 'কামাখ্যা' পদটো অষ্ট্রিক ভাষা সম্ভূত — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

.....

প্রশ্ন নং ৫ ঃ আই নামসমূহ মূলতঃ পুৰুষসকলে পৰিৱেশন কৰে — কথাষাৰ শুদ্ধ নে ?

.....



চিন্তা-চর্চা কৰক — ৫.১

অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা শাক্ত মঠ-মন্দিৰ, পীঠসমূহৰ এখন তালিকা প্রস্তুত কৰক।

৫.৬ বৈষ্ণৱ ধর্ম

বৈষ্ণৱ ধর্মৰ ইতিহাস অতি প্রাচীন। বৈদিক সাহিত্যৰাজিৰ মাজত এই ধর্মৰ উপাস্য দেৱতা বিষ্ণুৰ উল্লেখ বহুবাৰ পোৱা যায় যদিও তেতিয়াই এক সুকীয়া ধর্মৰূপে প্রতিষ্ঠিত হোৱা নাছিল। খ্রীষ্টীয় পঞ্চম শতিকামানত গুপ্তবংশৰ ৰজাসকলৰ দিনতহে ই স্বকীয় ৰূপ পৰিগ্রহ কৰে।

বৈদিক বিষ্ণুকেই পৰৱর্তী কালত কৃষ্ণ, নাৰায়ণ, হৰি, ৰাম, বাসুদেৱৰ আগত অভেদত্ব আৰোপ কৰি শ্রেষ্ঠ দেৱতা হিচাপে স্বীকৃতি দিয়া হয়। ***ব্রাহ্মণ*** আৰু ***আৰণ্যক*** সমূহতহে বিষ্ণুৱে অধিক পৰিস্ফুট ৰূপত অভিব্যক্ত হৈছে। পুৰাণত বিষ্ণুক পৰমব্রহ্মৰ তিনিটা ৰূপৰ এটা বুলি উপাসনা কৰাৰ কথা লিপিবদ্ধ হৈছে। পৰৱর্তী কালত *মহাভাৰতৰ* অন্তর্গত *শ্রীমদ্ভাগৱত গীতা* আৰু শান্তিপর্বৰ নাৰায়ণীয় অধ্যায়ত বিষ্ণু কৃতি বহুলভাৱে অংকিত কৰা হৈছে। পাণিনিৰ *অষ্টাধ্যায়ীত* বাসুদেৱ পূজ্য বুলি অভিহিত কৰা হৈছে। এই সময়ৰ বহু প্রত্নলিপিত বিষ্ণু, বাসুদেৱ আদি দেৱতাৰ প্রশস্তি পোৱা যায়।

যুগ পৰিৱর্তনৰ লগে লগে বৈষ্ণৱ ধর্মৰ বিভিন্ন পৰিৱর্তন সাধন হয়। খ্রীষ্টীয় সপ্তম-দশম শতিকাত দক্ষিণাত্যৰ আলোৱাৰ ভক্তসকলে এক নৱৰূপত বৈষ্ণৱ ধর্মক জনপ্রিয় কৰি তোলে। আনকি তেওঁলোকে থলুৱা ভাষাত বহুতো বৈষ্ণৱ সংগীত ৰচনা কৰি গৈছে। এওঁলোক মূলতঃ ভক্তি মার্গত বিশ্বাসী আছিল। পৰৱর্তীকালত যমুনাচার্য, ৰামানুজ আদি সাধকসকলে শ্রীবৈষ্ণৱ সম্প্রদায় সৃষ্টি কৰি ভক্তিক দার্শনিক ভেটিত স্থাপন কৰি ভক্তি আন্দোলনৰ সুচনা কৰে। ৰামানুজাচার্যাই বিশিষ্টাদ্বৈতবাদ, কর্ণাটকৰ মাধ্বাচার্যাই দ্বৈতবাদ, বল্লভাচার্যাই শুদ্ধাদ্বৈতবাদ মত প্রতিষ্ঠা কৰে। মহাৰাষ্ট্রত জ্ঞানদেৱ আৰু নামদেৱে এই আন্দোলনৰ গুৰি ধৰে। এনেদৰে দ্বাদশ-



ব্রাহ্মণ ঃ হিন্দু ধর্মৰ প্রাচীন সাহিত্য বিশেষ। বেদৰ পাছত এয়া লিখা হৈছিল। প্রতিখন বেদৰে নির্দিষ্ট সংখ্যক ব্রাহ্মণ আছে।

আৰণ্যকঃ হিন্দু ধর্মৰ ধর্মীয় - দার্শনিক সাহিত্য বিশেষ। ইয়াক অৰণ্যত লিখাৰ লগতে তাতে অধ্যয়ন কৰা হয়।

চতুৰ্দশ শতিকাৰ ভিতৰত এই আন্দোলনে দক্ষিণ আৰু পশ্চিম ভাৰতত প্ৰসাৰ লাভ কৰে। উত্তৰ ভাৰতত এই আন্দোলনে পোখা মেলে খ্ৰীষ্টীয় চৰ্তুদশ-পঞ্চদশ শতিকাত। ৰামানন্দ আছিল এই ক্ষেত্ৰ অগ্ৰগণ্য। তেওঁ পাছত কবীৰ, বল্লভাচাৰ্য, দাদুদয়াল আদি সন্ত-সাধক তথা তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলে এই জাগৰণ তীব্ৰতৰ কৰি তোলে। বংগদেশত চৈতন্যদেৱ আৰু অসমত শংকৰদেৱে এই আন্দোলনৰ গুৰি ধৰে। উল্লেখযোগ্য যে শংকৰদেৱৰ হাতত অসমত এই ভক্তি আন্দোলনে এক ন-ৰূপেৰে উদ্ভাসিত হৈ উঠে। এই বিষয়ে তলত বহলাই আলোচনা কৰা হ'ব।



জানি থোৱা ভাল

ভক্তিমার্গ ঃ ভগৱন্তক উপাসনা কৰিবলৈ বিভিন্ন ধৰণৰ পন্থা অৱলম্বন কৰা হয়। ইয়াৰে এটা প্ৰধান পন্থা হ'ল ভক্তি। ভক্তি শব্দটো সংস্কৃত √ভজ্ ধাতুৰ পৰা নিষ্পন্ন হৈছে। √ভজ্ + ক্তিন = ভক্তি। ইয়াৰ অর্থ হ'ল— সেৱা কৰা অর্থাৎ ঈশ্বৰক সেৱা কৰা। ঈশ্বৰৰ প্ৰতি অনুৰাগ পূৰ্ণ আসক্তিয়েই ভক্তি। ভক্তি নটা ভাগত বিভক্ত— শ্ৰৱণ, কীৰ্তন, স্মৰণ, অর্চন, বন্দন, দাস্য, সাখ্য, পাদসেৱন আৰু আত্মনিবেদন।

ভাৰতবর্ষৰ সর্বত্র ভক্তি আন্দোলন সৃষ্টি হোৱাৰ ক্ষেত্ৰত বিভিন্ন ৰাজনৈতিক তথা সামাজিক কাৰকেও ক্ৰিয়া কৰিছিল। এইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— বৈষ্ণৱ ভক্তি মার্গৰ সহায়েৰে ঐকান্তিক ভক্তিৰ আদর্শ প্ৰসাৰ, প্ৰান্তীয় ভাষাত সাধন প্ৰণালীৰ অনুশীলন তথা সমাজৰ সকলো শ্ৰেণীৰ লোকৰ আত্মিক বিকাশৰ সুবিধা প্ৰদান আদি।

৫.৬.১ অসমৰ বৈষ্ণৱ আৰু নৱ-বৈষ্ণৱ ধর্ম

অসমৰ ধৰ্মীয় পৰম্পৰাৰ প্ৰমাণস্বৰূপে যিবোৰ উপাদান আমি পাওঁ সেইবোৰত শৈৱ, শাক্তৰ লগতে বৈষ্ণৱ ধর্মৰ পৰম্পৰাৰ বিষয়েও কিছু সম্ভেদ পাওঁ। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ মহাভূতিবর্মাৰ শিলালিপিত, নিধনপুৰ তামৰ ফলি, পুষ্যবর্মনৰ ডুবি তামৰ ফলি, ধর্মপালৰ পুষ্পভদ্রা শাসন আদিত বিষ্ণুনামৰ উল্লেখে সেই কথাৰ প্ৰমাণ দাঙি ধৰে। *কালিকা পুৰাণ, যোগিনীতন্ত্র* আদি পুথিতো বিষ্ণুপূজা, বিষ্ণু মাহাত্ম্য আদিৰ উল্লেখ আছে। প্ৰাক্-শংকৰী কালৰ কবিকূলৰ ৰচনাত বিভিন্ন ৰূপত বিষ্ণু মাহাত্ম্য বর্ণিত হৈছে। কিন্তু এক জাগৰণৰ বাবে যিমানখিনি প্ৰয়োজন সেয়া হোৱা নাছিল। শংকৰদেৱে এই জাগৰণৰ সৃষ্টি কৰি পূর্বৰ বৈষ্ণৱ পৰম্পৰাৰ পৰা পৃথক আৰু এক স্বতন্ত্র বিশিষ্টতাৰে এক সার্বজনীন ভেটি নির্মাণ কৰি নৱ-বৈষ্ণৱ ধর্মক প্ৰতিষ্ঠা কৰে।

পোন্ধৰ-ষোড়শ শতিকাত শংকৰদেৱৰ নেতৃত্বত সাধন হোৱা এই ধৰ্মীয় জাগৰণ অসমৰ সংস্কৃতিক তথা ধৰ্মীয় ইতিহাসত এক স্বর্ণীল অধ্যায়। তেওঁৰ অনুপ্ৰেৰণাত মাধৱদেৱ সহিতে তেওঁৰ অনুগামী বিভিন্ন শিষ্য-প্ৰশিষ্যই বিবিধ সাহিত্য ৰচনা কৰি

অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে অসমৰ ধৰ্মীয় পৰম্পৰা, কলা, সমাজ আদি সকলো দিশতে বিবিধ উপাচাৰেৰে সমৃদ্ধ কৰি তোলে। ধৰ্ম প্ৰসাৰৰ ক্ষেত্ৰত শংকৰদেৱ তথা তেওঁৰ অনুগামীসকলে বিভিন্ন সাহিত্যিক সম্ভাৰেৰে হাত উজান দিয়াৰ লগতে সত্ৰ, নামঘৰ, প্ৰতিষ্ঠা কৰি অসমীয়া সমাজখন একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ যত্ন কৰিছিল। সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক পৰিবেশেও শংকৰদেৱক ধৰ্ম প্ৰচাৰৰ বাবে সহায় কৰিছিল। বিভিন্ন ৰজাৰ শাসনত সাধাৰণ প্ৰজাৰ সামাজিক মৰ্যাদা হৈ পৰিছিল অতিকে নিম্ন। নৱ-বৈষ্ণৱ ধৰ্মৰ সমমৰ্যাদাৰ ধ্বনিয়ে সকলোকে আকৃষ্ট কৰিছিল। কাৰণ ধৰ্মীয় মৰ্যাদাই অলপ হ'লেও তেওঁলোকৰ সামাজিক মৰ্যাদাৰ ক্ষোভ প্ৰশমিত কৰে। আনহাতে এই সমমৰ্যাদাই সকলোকে একগোট কৰি সম্প্ৰীতিৰ ডোলেৰে বান্ধ খোৱাতো সহায় কৰিলে।

তদানীন্তন সময়ছোৱাত এক সুস্থ ধৰ্মীয় আদৰ্শৰ অভাব দেখা গৈছিল। সকলোৰে মাজত সম্প্ৰীতি, ঐক্য আৰু আধ্যাত্মিক ভাব জগাই তুলিবলৈ এক সহজ সাধন পন্থৰ প্ৰয়োজনীয়তাৰ কথা বিবেচনা কৰি শংকৰদেৱে 'একশৰণ নামধৰ্ম' বা 'নৱ-বৈষ্ণৱ ধৰ্ম'ৰ প্ৰচাৰ কৰে। নাম, দেউ, গুৰু, ভকত— এই চাৰি তত্ত্বক সাৰথি কৰি ঐকান্তিক বৈষ্ণৱ ভক্তিমাৰ্গৰ প্ৰৱৰ্তন কৰি সুস্থ ধৰ্মীয় আদৰ্শৰে সকলোকে বান্ধি ৰাখে। নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰধান লক্ষণসমূহ সত্যেন্দ্ৰনাথ শৰ্মাদেৱে লিপিবদ্ধ কৰিছে এনেদৰে—

- এই ধৰ্ম কৃষ্ণ ভক্তি প্ৰধান। ভাগৱত পু�ৰাণ আৰু গীতা এই মাৰ্গৰ প্ৰধান আৰু আদৰ্শ গ্ৰন্থ।
- শ্ৰৱণ আৰু কীৰ্তনৰ যোগে ভগৱানৰ উপাসনা।
- নানা দেৱ-দেৱীৰ ঠাইত অব্যাভিচাৰী ভক্তিৰ দ্বাৰা বিষ্ণুত আশ্ৰয়।
- যাগ-যজ্ঞ, তপস্যা-ব্ৰত আদি কষ্টসাপেক্ষ, ক্ৰিয়াবহুল সাধন বা উপাসনাৰ অনুপযোগিতা দৰ্শন।
- গুৰু আৰু সৎসংগৰ গভীৰ প্ৰভাৱ।
- ভক্তিৰ ক্ষেত্ৰত ব্ৰাহ্মণ-চণ্ডাল সকলোৰে সম অধিকাৰ।

এই নীতি আদৰ্শসমূহ সহজভাৱে বুজাই দিয়াৰ লগতে উপাসনা কৰিবলৈ মহাপুৰুষজনাৰ লগতে তেওঁৰ অনুগামী বৈষ্ণৱ সন্তসকলে বিবিধ সাহিত্য উপচাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তোলাৰ লগতে অসমীয়া বৈষ্ণৱ সাহিত্য বৰ্ণময় কৰি তোলে। এই বিষয়ে তলত শাখাটিত বহলাই আলোচনা কৰা হ'ল।

৫.৬.২ অসমৰ বৈষ্ণৱ সাহিত্যৰ চমু আভাস

পূৰ্বৰ শাখাটিতেই প্ৰাচীন কালত তথা প্ৰাক্-শংকৰী যুগত অসমৰ সাহিত্যৰ মাজৰ বৈষ্ণৱ আদৰ্শ যে প্ৰচলিত আছিল সেই বিষয়ে আপুনি আভাস লাভ কৰিলে।

তদুপৰি ইতিমধ্যে আপুনি জ্ঞাত যে শংকৰদেৱ প্ৰমুখ্যে তেৱাৰ শিষ্য-প্ৰশিষ্যসকলে এক বিপুল সাহিত্য সম্ভাৱেৰে অসমীয়া সাহিত্যৰ ভেটিত উপচাৰ দি গৈছে। উল্লেখযোগ্য যে এই বাবেই অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলে এই যুগটিক অসমীয়া সাহিত্যৰো স্বৰ্ণযুগ বুলি অভিহিত কৰিছে।

জটিল ধৰ্মীয় তত্ত্ববোৰ জনসাধাৰণৰ সহজে বোধগম্য হোৱাকৈ, স্থানীয় ৰহনসানি সততে শ্ৰৱণ-কীৰ্তন কৰিব পৰাকৈ প্ৰান্তীয় ভাষাত ৰচনা কৰা এই সাহিত্যৰাজিয়ে জনসাধাৰণক সহজে আকৃষ্ট কৰিছিল। পঞ্চদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈ ভক্তপ্ৰাণ কবিসকলে ৰচনা কৰা সাহিত্যৰাজিত প্ৰচ্ছন্ন হৈ থকা প্ৰধান মতাদৰ্শ আছিল— নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ তথা কৃষ্ণমাহাত্ম্য প্ৰচাৰ। সকলো সাহিত্যতে প্ৰকাশ্য বা অপ্ৰকাশ্যভাৱে হ'লেও প্ৰবাহিত হৈ আছে কৃষ্ণৰতি। এই সাহিত্যিৰাজিক মূলতঃ আমি তলত দিয়া ধৰণে শ্ৰেণী বিভাগ কৰি আলোচনা কৰিব পাৰোঁ।

(ক) কাব্য (খ) গীত (গ) নাট (ঘ) অনুবাদ
(ঙ) চৰিতপুথি (চ) গদ্য আৰু (ছ) অন্যান্য ধৰ্মতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ।

- ***কাব্য ঃ*** শংকৰদেৱে সৰ্বমুঠ ৬ খন কাব্য— *হৰিশ্চন্দ্ৰ উপাখ্যান, ৰুক্মিনীহৰণ কাব্য, বলিছলন, অমৃত মথন, অজামিল উপাখ্যান* আৰু *কুৰুক্ষেত্ৰ;* মাধৱদেৱে *ৰাজসূয় যজ্ঞ;* অনন্ত কন্দলীয়ে *কুমৰ হৰণ কাব্য, বৃত্ৰাসুৰ বধ;* ৰাম সৰস্বতীৰ ১৫ খন বধকাব্যৰ উপৰি কংসাৰি কবি, ৰত্নাকৰ কন্দলী, শ্ৰীধৰ কন্দলী, কবিৰাজ চক্ৰৱৰ্তী, ৰঘুনাথ মহন্ত আদিয়ে বিবিধ কাব্য ৰচনা কৰি ভক্তি সাহিত্যৰ ধাৰাটি পল্লৱিত কৰি তুলিলে।



জানি থোৱা ভাল

বৈষ্ণৱ সাহিত্যৰাজিৰ প্ৰধান আধাৰ গ্ৰন্থ আছিল *ভাগৱত পুৰাণ, বিষ্ণু পুৰাণ* আৰু *হৰিবংশ*। কিন্তু শংকৰোত্তৰ কালত ভক্ত কবিসকলে *মহাভাৰত, ৰামায়ণ*ৰ উপৰি অন্যান্য পুৰাণৰ পৰাও বিষয়বস্তু চয়ন কৰিছিল।

- ***গীত ঃ*** মহাপুৰুষ জনাই ব�ৰগীত, ভটিমা, টোটয়, চপয় আদি গীত ৰচনা কৰিছিল। শংকৰদেৱে তিনি প্ৰকাৰৰ ভটিমা প্ৰচলন কৰিছিল, যথা— নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমা। পৰৱৰ্তী কালত মাধৱদেৱে গুৰু ভটিমা সংযোগ কৰি ইয়াৰ সংখ্যা চাৰিটালৈ বৃদ্ধি কৰে। তেৱাৰ প্ৰধান শিষ্য মাধৱদেৱেও বৰগীত ৰচনা কৰিছিল। উল্লেখ্যযোগ্য যে শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা ১৯১ টা গীতকহে বৰগীত আখ্যা দিয়া হয়। তেওঁলোকৰ পৰৱৰ্তী কালত ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোপাল আতা, দামোদৰদেৱ, হৰিদেৱ, অনিৰুদ্ধদেৱে আদি সন্তসকলে গুৰুজনাৰ আৰ্হিৰে বিষ্ণু বা কৃষ্ণ ভক্তি প্ৰকাশক গীত ৰচনা কৰিছিল।
- ***নাট ঃ*** অসমীয়া নাটৰ জনক হ'ল শংকৰদেৱ। তেৱাই *পত্নী প্ৰসাদ, কালিদমন,*

কেলিগোপাল, ৰুক্মিনী হৰণ, পৰিজাত হৰণ আৰু *ৰামবিজয়* নাট ৰচনা কৰে। ইয়াৰ উপৰি 'চিহ্নযাত্ৰা' নামেৰে তেওঁ প্ৰথম নাট ৰচনা কৰি অভিনয় কৰাৰ কথা চৰিতপুথিত পোৱা যায় যদিও আজিলৈকে লিপিবদ্ধ ৰূপত উদ্ধাৰ হোৱা নাই। মাধৱদেৱেও *চো�ৰধৰা, পিম্পৰা গুচোৱা, অৰ্জুন-ভঞ্জন, ভূমি-লেটোৱা* আৰু *ভোজন-বিহাৰ* নামেৰে কৃষ্ণ মাহাত্ম্য প্ৰকাশক নাট লিখে।

তেওঁলোকৰ পৰৱৰ্তীকালত গোপালদেৱ, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ প্ৰভৃতি বৈষ্ণৱসকলে ভক্তি মাহাত্ম্য প্ৰচাৰৰ ধাৰাটি বজাই ৰাখিবলৈ নাট ৰচনা কৰিছিল। এইসকল নাট্যকাৰৰ ৰচনাৰ উপৰি সত্ৰসমূহত নাট ৰচনাৰ এটা ধাৰাবাহিক পৰম্পৰা চলি আছিল আৰু এতিয়াও অনেক নাট অপ্ৰকাশিত অৱস্থাত আছে।

- ***অনুবাদ ঃ*** শঙ্কৰদেৱ, মাধৱদেৱৰ লগতে তেওঁলোকৰ অনুগামী শিষ্য-প্ৰশিষ্যসকলে বিভিন্ন সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰে। শংকৰদেৱে *ভাগৱত পুৰাণৰ* কেইবাটাও স্কন্ধ, *ৰামায়ণৰ* উত্তৰাকাণ্ড; মাধৱদেৱে *ৰামায়ণৰ* আদিকাণ্ড, *ভক্তি ৰত্নাৱলী, নামঘোষাৰ* ছশমান পদ; অনন্ত কন্দলীয়ে *ভাগৱত* তথা *ৰামায়ণৰ* কিছু অংশ; ৰাম সৰস্বতীয়ে *মহাভাৰতৰ* কেইবাটাও পৰ্ব অনুবাদ কৰিছিল।

  শংকৰোত্তৰ যুগত বিভিন্ন সন্তই *ৰামায়ণ-মহাভাৰতৰ* বিভিন্ন কাহিনী-উপকাহিনী, পুৰাণৰ অনুবাদ কৰি অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভঁৰাল চহকী কৰে। উল্লেখযোগ্য যে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অনুবাদ কৰা পুথিসমূহৰ বাবেই সমালোচকসকলে এই সময়খিনিক অসমীয়া সাহিত্যৰ স্বৰ্ণযুগ বুলি অভিহিত কৰিছে।
- ***চৰিতপুথি ঃ*** চৰিতপুথিসমূহ পোনে পোনে বিষ্ণুৰ মাহাত্ম্য প্ৰকাশক গ্ৰন্থ নহ'লেও ই বৈষ্ণৱ সাহিত্যত এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। গদ্য-পদ্য উভয়তে ৰচিত এই চৰিত পুথিসমূহ শংকৰ-মাধৱ তথা অন্যান্য বৈষ্ণৱ গুৰুসকলৰ জীৱনগাথা কীৰ্তন কৰা হৈছে।
- ***গদ্য ঃ*** শংকৰদেৱৰ নাটসমূহতে অসমীয়া গদ্যৰ প্ৰাথমিক চানেকী দেখা পালেও বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্যৰ হাততহে অসমীয়া গদ্যৰ সৃষ্ট হয়। এওঁ কথাবন্ধে *ভাগৱত, গীতা* আৰু *ৰত্নাৱলী* ৰচনা কৰি বৈষ্ণৱ সাহিত্যৰ ধাৰাটি সমৃদ্ধ কৰাৰ লগতে অসমীয়া গদ্য সৃষ্টিৰ বাট চিকুণাই দিলে। অৰ্থাৎ কৃষ্ণ মহিমা প্ৰচাৰৰ হাত ধৰিয়েই অসমীয়া গদ্যই প্ৰসাৰ লাভ কৰিলে।
- **অন্যান্য ধৰ্মতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ ঃ** উল্লেখ কৰি অহা বিভাগসমূহত অন্তৰ্ভুক্ত কৰিব নোৱৰা গ্ৰন্থসমূহৰ আলোচনাৰ বাবে এই বিভাগটি কৰা হৈছে। শংকৰদেৱৰ *ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, নিমি-নৱসিদ্ধ সংবাদ, কীৰ্তন, গুণমালা;* মাধৱদেৱৰ *জন্ম ৰহস্য;* অনন্ত কন্দলীৰ *জীৱতুতি, বৈষ্ণৱামৃত;* অনিৰুদ্ধদেৱে ৰচনা কৰা *ভক্তিমংগল ঘোষা* আদি এই শ্ৰেণীৰ অন্তৰ্গত। ইয়াৰ উপৰি অপ্ৰকাশিতভাৱে সত্ৰসমূহত এনে কিছু গ্ৰন্থ সাঁচিপাত-তুলাপাতৰ পুথিৰ আকাৰত আছে।

এনেবোৰ বিবিধ উপচাৰেৰে বৈষ্ণৱ সাহিত্যৰ ভঁৰাল ঠাহ খাই আছে। অসমৰ বৈষ্ণৱ ধৰ্মীয় পৰম্পৰাৰ বাহক হোৱাৰ লগতে এই গ্ৰন্থসমূহে অসমীয়া সাহিত্যৰো উৎকৰ্ষ সাধন কৰি এক উচ্চ স্থানত উপৱিষ্ট কৰালে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ শংকৰদেৱে প্ৰৱৰ্তন কৰা ধৰ্মটোৰ নাম কি?

.....

প্ৰশ্ন নং ৭ ঃ মাধৱদেৱে লিখা কাব্যখনৰ নাম কি?

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই বিশ্ব জগতত বসবাস কৰা মানৱৰ প্ৰতিটো আচাৰ-অনুষ্ঠানৰ মূলতে আছে বিভিন্ন বিশ্বাস, যাদু । ইয়াৰ আধাৰতেই ধৰ্মৰ জন্ম। অসমতো বিভিন্ন উৰ্বৰা লোকবিশ্বাস, যাদু ধৰ্মীয় বিশ্বাস আদিৰ আধাৰতেই বিভিন্ন ধৰ্মীয় পৰম্পৰাই গা কৰি উঠিছিল।
- অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা বিভিন্ন থান, দেৱালয়, পীঠ, সত্ৰ, নামঘৰ আদিয়ে ইয়াত যে বিভিন্ন ধৰ্মীয় পৰম্পৰাৰ প্ৰচলন আছিল সেই কথাৰ সাক্ষ্য বহন কৰে।
- শিৱৰ লগত জড়িত ধৰ্মীয় পৰম্পৰাটোৱেই হ'ল শৈৱ ধৰ্ম। এই পৰম্পৰা মতে শিৱই হ'ল সকলো সৃষ্টি-স্থিতি আৰু লয়ৰ গৰাকী।
- অসমৰ আৰ্য-অনাৰ্য উভয় সমাজতে শৈৱ ধৰ্মই জনপ্ৰিয়তা অৰ্জন কৰিছিল। অসমৰ শৈৱ ধৰ্মৰ প্ৰধান বৈশিষ্ট্য হ'ল— ই তান্ত্ৰিকতাৰ পটভূমিত গঢ় লৈ উঠিছে, তথা ইয়াত শক্তিতত্ত্বৰ লগতে শৈৱতত্ত্বৰ সমন্বয় সাধন হৈছে। স্বৰূপার্থত শক্তি আৰু শিৱ অভিন্ন ৰূপে কল্পনা কৰা হৈছে।
- ভাস্কৰবৰ্মাৰ ৰাজত্ব কালত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউয়েন চাঙে কামৰূপত কেইবাশও হিন্দুৰ দেৱ-মন্দিৰ থকাৰ কথা উল্লেখ কৰি মন্তব্য কৰিছে যে এই মন্দিৰসমূহৰ ভিতৰত শিৱ মন্দিৰৰ সংখ্যাই সৰ্বাধিক।
- অসমীয়া মৌখিক আৰু লিখিত উভয় শ্ৰেণীৰ সাহিত্যতে শিৱৰ পৌৰাণিক ৰূপৰ লগতে লোকৰূপটোৰ অপূৰ্ব সমন্বয় সাধন হৈছে। তথাপিতো উল্লেখযোগ্য যে অসমত অৰিমিশ্ৰ শৈৱ সাহিত্য ৰচিত নহ'ল। ইয়াৰ কাৰণস্বৰূপে হৰি-হৰৰ অভেদত্ব স্বীকাৰ কৰি লোৱাৰ কথাটিকেই অনুমান কৰিব পাৰি।

- শক্তি বা দেৱীক উপাসনা কৰা প্ৰথাটোকেই শাক্ত ধৰ্ম বুলি কোৱা হয়। শাক্তপন্থী দাৰ্শনিকসকলৰ মতে পৰমব্ৰহ্ম, চিৰশাশ্বত শক্তিৰ প্ৰতিভূ মাথোন।
- বহু পণ্ডিতে মতপোষণ কৰে যে উত্তৰ-পূব ভাৰতত অৱস্থিত অসম আৰু বংগদেশেই হ'ল শাক্ত ধৰ্মৰ জন্মভূমি। অসমৰ বিভিন্ন স্থানত অৱস্থিত কালী, দুৰ্গা, ত্ৰিপুৰা সুন্দৰী, ভৈৰৱী, মনসা, তাৰা, ভুৱনেশ্বৰী আদিয়ে অসমত পূৰ্বৰে পৰা শাক্ত ধৰ্মৰ প্ৰচলনৰ কথাটিৰ নিৰ্দশন দাঙি ধৰে। তদুপৰি খ্ৰীষ্টীয় দশম শতিকাত ৰচিত *কালিকা পুৰাণ* নামৰ শাস্ত্ৰখনে কামৰূপত শাক্ত ধৰ্মই যে ইয়াৰ পূৰ্বৰ পৰাই বিশেষ প্ৰাধান্য লাভ কৰিছিল তাৰ প্ৰমাণ দাঙি ধৰে।
- অসম দেশত অতি প্ৰাচীন কালৰে পৰাই বিভিন্ন শক্তিপীঠ আৰু মঠ-মন্দিৰ বিৰাজমান। প্ৰাচীন কালত অসমত বাস কৰা অষ্ট্ৰিক তথা মংগোলীয়সকলৰ মাজত প্ৰচলন থকা বিভিন্ন দেৱীমাতৃৰ ৰূপেই ইয়াৰ সাক্ষ্য দাঙি ধৰে।
- অসমৰ মৌখিক তথা লিখিত— এই দুই ধৰণৰ সাহিত্যই শাক্ত ধাৰা এটা প্ৰৱাহিত হৈ থকাৰ প্ৰমাণ দাঙি ধৰে। শক্তি বা দেৱী-গোঁসানীৰ আৰাধনাসূচক নামসমূহক শাক্ত সাহিত্যৰ অন্তৰ্ভুক্ত কৰা হয়।
- বৈষ্ণৱ ধৰ্মৰ ইতিহাস অতি প্ৰাচীন। বৈদিক সাহিত্যৰাজিৰ মাজত এই ধৰ্মৰ উপাস্য দেৱতা বিষ্ণুৰ উল্লেখ বহুবাৰ পোৱা যায় যদিও তেতিয়াই এক সুকীয়া ধৰ্মৰূপে প্ৰতিষ্ঠিত হোৱা নাছিল। খ্ৰীষ্টীয় পঞ্চম শতিকামানত গুপ্তবংশৰ ৰজাসকলৰ দিনতহে ই স্বকীয় ৰূপ পৰিগ্ৰহ কৰে।
- খ্ৰীষ্টীয় সপ্তম-দশম শতিকাত দাক্ষিণাত্যৰ আলোৱাৰ ভক্তসকলে এক নৱৰূপত বৈষ্ণৱ ধৰ্মক জনপ্ৰিয় কৰি তোলে। পৰৱৰ্তী কালত যমুনাচাৰ্য, ৰামানুজ আদি সাধকসকলে শ্ৰীবৈষ্ণৱ সম্প্ৰদায় সৃষ্টি কৰি ভক্তিক দাৰ্শনিক ভেটিত স্থাপন কৰি ভক্তি আন্দোলনৰ সুচনা কৰে। বংগদেশত চৈতন্যদেৱ আৰু অসমত শংকৰদেৱে এই আন্দোলনৰ গুৰি ধৰে। উল্লেখযোগ্য যে শংকৰদেৱৰ হাতত অসমত এই ভক্তি আন্দোলনে এক ন-ৰূপেৰে উদ্ভাসিত হৈ উঠে।
- শংকৰদেৱৰ তদানীন্তন সময়ছোৱাত এক সুস্থ ধৰ্মীয় আদৰ্শৰ অভাব দেখা গৈছিল। সকলোৰে মাজত সম্প্ৰীতি, ঐক্য আৰু আধ্যাত্মিক ভাব জগাই তুলিবলৈ এক সহজ সাধন পন্থৰ প্ৰয়োজনীয়তাৰ কথা বিবেচনা কৰি শংকৰদেৱে 'একশৰণ নামধৰ্ম' বা 'নৱ-বৈষ্ণৱ ধৰ্ম'ৰ প্ৰচাৰ কৰে। নাম, দেউ, গুৰু, ভকত— এই চাৰি তত্ত্বক সাৰথি কৰি ঐকান্তিক বৈষ্ণৱ ভক্তিমাৰ্গৰ প্ৰৱৰ্তন কৰি এক সুস্থ ধৰ্মীয় আদৰ্শৰে সকলোকে বান্ধি ৰাখে।
- শংকৰদেৱ তথা তেওঁৰ অনুগামীসকলে বিভিন্ন সাহিত্য ৰচনা কৰাৰ লগতে সত্ৰ, নামঘৰ প্ৰতিষ্ঠা কৰি অসমীয়া সমাজখন একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ যত্ন কৰে। এই সময়ত ৰচিত বিপুল সাহিত্যৰাজিৰ বাবেই সাহিত্যৰ ইতিহাসকাৰসকলে এই যুগটিক অসমীয়া সাহিত্যৰো স্বৰ্ণযুগ বুলি অভিহিত কৰিছে।
- ভক্তিপ্ৰাণ কবিসকলে ৰচনা কৰা সাহিত্যৰাজিত প্ৰচ্ছন্ন হৈ থকা প্ৰধান মনোভাৱ আছিল— নৱবৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ তথা কৃষ্ণমাহাত্ম্য প্ৰচাৰ। সকলোধৰণৰ সাহিত্যতে প্ৰকাশ্য বা

অপ্রকাশ্যভাৱে হ'লেও প্রবাহিত হৈ আছে কৃষ্ণৱতি। এই সাহিত্যৰাজিক মূলতঃ আমি তলত দিয়া ধৰণে শ্রেণী বিভাজিত কৰিব পাৰোঁ। যথা —

(ক) কাব্য (খ) গীত (গ) নাট (ঘ) অনুবাদ

(ঙ) চৰিতপুথি (চ) গদ্য আৰু (ছ) অন্যান্য ধর্মতত্ত্ব সম্পর্কীয় গ্রন্থ।



৫.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৫৫); *পুৰণি অসমৰ ধর্মৰ ধাৰা;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২) দত্ত, অণিমা (২০০৩); *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দর্শন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩) দেৱগোস্বামী, কেশৱানন্দ (২০০১); *ভাৰতীয় পটভূমিত শংকৰী সাহিত্য আৰু সত্রীয়া সংগীত;* গুৱাহাটী ঃ বনলতা।

৪) দেৱগোস্বামী, কেশৱানন্দ (২০০০); *সত্র সংস্কৃতিৰ ৰূপৰেখা;* ডিব্রুগড় ঃ বনলতা।

৫) নেওগ, মহেশ্বৰ (১৯৮৬); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* ডিব্রুগড় ঃ বাণীমন্দিৰ।

৬) নেওগ, মহেশ্বৰ (১৯৯৯); *শ্রীশ্রীশংকৰদেৱ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭) নেওগ,মহেশ্বৰ (সম্পাঃ) (১৯৬৯); *পবিত্র অসম;* যোৱহাট ঃ অসম সাহিত্য সভা।

৮) নেওগ, মহেশ্বৰ (১৯৯৫); *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী ঃ নিউ বুক ষ্টল।

৯) নেওগ, মহেশ্বৰ (সম্পাঃ) (২০০৩); *বাণীকান্ত কাকতি ৰচনাৱলী;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১০) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১১) বৰদলৈ, নির্মলপ্রভা (১৯৯৩); *দেৱী;* গুৱাহাটী ঃ সাহিত্য প্রকাশ।

১২) বৰদলৈ, নির্মলপ্রভা (১৯৯৭); *শিৱ;* গুৱাহাটী ঃ সাহিত্য প্রকাশ।

১৩) বৰা শইকীয়া, লীলাৱতী (১৯৯২); *ভাষা সাহিত্যৰ সুবাস;* গুৱাহাটী ঃ চন্দ্রপ্রকাশ।

১৪) বর্মন, শিৱনাথ (সম্পাঃ) (১৯৭৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১৫) বর্মন, শিৱনাথ (১৯৯৫); *শ্রীমন্ত শংকৰদেৱ আৰু তেওঁৰ যুগৰ বৈষ্ণৱাচার্যসকল;* গুৱাহাটী ঃ পাহি প্রকাশ।

১৬) ভট্টাচার্য, দেবেন্দ্রনাথ ,(১৯৭৭); *অসমত শক্তি পূজা;* গুৱাহাটী ঃ বাণী প্রকাশ।

১৭) মজুমদাৰ, বিমল (১৯৯৮); *ভক্তি সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৮) মহন্ত, প্রদীপ জ্যোতি (২০০৭); *শংকৰদেৱৰ শিল্প লোক;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

১৯) শর্মা, তীর্থনাথ; *ভক্তিবাদ*।

২০) শৰ্মা দলৈ, হৰিনাথ (১৯৮২); *শক্তি সাধনা আৰু শাক্ত সাহিত্য;* বৰপেটা ঃ হৰিনাথ শৰ্মা দলৈ।

২১) শৰ্মা, নবীনচন্দ্ৰ (১৯৭৩); *পুৰণি অসমীয়া সাহিত্য সুবাস;* গুৱাহাটী।

২২) শৰ্মা, নবীনচন্দ্ৰ (১৯৮৬) (সম্পাঃ); *শিৱ পুৰাণ;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

২৩) শৰ্মা, নবীনচন্দ্ৰ (সম্পাঃ) (১৯৯১); *শ্ৰীশ্ৰী চণ্ডী;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

২৪) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং।

২৫) শালৈ, পদ্মৰাম (১৯৯৭); *ভক্তিধৰ্মত এভুমুকি;* গুৱাহাটী ঃ ছাৰ্ভিছ বুক ছেলাৰ্ছ, ইউনিভাৰ্ছিটি কেম্পাছ।

২৬) হাজৰিকা, পৰীক্ষিত (সম্পাঃ) (১৯৯১); *শ্ৰীশ্ৰী চণ্ডী;* গুৱাহাটী ঃ গোলোক ৰায়মেধি স্মৃতি প্ৰকাশন।

বাংলা গ্ৰন্থ ঃ

২৭) জায়সবাল, সুবীর (১৯৯৩); *বৈষ্ণৱ ধৰ্মৰ উৎপত্তি ও ক্ৰমবিকাশ;* কলকাতা ঃ কে.পি. বাগচী এণ্ড কোম্পানী।

২৮) ব্ৰহ্মচাৰী, মহানাথ ব্ৰত (১৯৭০); *চণ্ডী চিন্তা;* কলিকতা ঃ মহানাথ সম্প্ৰদায়।

ইংৰাজী গ্ৰন্থ ঃ

২৯) Bhattacharyya, H. (Ed.) (2001). *The Cultural Heritage of India*, Vol. IV. Calcutta: The Ramakrishna Mission Institute of Culture.

৩০) Choudhury, P. C. (1966). *History and Civilization of the People of Assam*. Guwahati.

৩১) Goswami, S. C. (1946). *Introducing, Assam Vaisnavism.* Guwahati: Gauhati University.

৩২) Kakati, B. K.(1967). *Mother Goddess Kamakhya*. Guwahati: Lawyer's Book Stall.

৩৩) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

৩৪) Neog, M. (1965). *Sankaradeva and His Times.* Guwahati: Gauhati University.

৩৫) Sarma, S. N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam.* Guwahati: Gauhati University.



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ দেৱীক উপসনা কৰা প্রথাটোৱেই হ'ল শক্তিতত্ত্ব ।

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৪ নং প্রশ্নৰ উত্তৰ ঃ তান্ত্রিকতাৰ পটভূমিত গঢ় লৈ উঠাৰ লগতে ইয়াত শক্তিতত্ত্বৰ লগতে শৈৱতত্ত্বৰ সমন্বয় সাধন হৈছে।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ একশৰণ নামধর্ম বা নৱ-বৈষ্ণৱ ধর্ম।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰাজসূয় কাব্য।



৫.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

(ক) শিৱৰ লগত জড়িত ধর্মীয় পৰম্পৰাটোক কি বুলি কোৱা হয় ?

(খ) ভাস্কৰবর্মাৰ ৰাজত্ব কালত কামৰূপলৈ অহা চীনা পৰিব্রাজকজনৰ নাম কি ?

(গ) বৈষ্ণৱ ধর্মই কেতিয়াৰ পৰা স্বকীয় ৰূপ পৰিগ্রহ কৰে বুলি বিবেচনা কৰা হয় ?

(ঘ) আলোৱাৰ ভক্তসকল ভাৰতৰ কোন ঠাইৰ আছিল ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমৰ নৱ-বৈষ্ণৱ জাগৰণৰ বিষয়ে এটি টোকা লিখক।

প্রশ্ন ২ ঃ চমুটোকা লিখক —

ক) অসমত শক্তিতত্ত্ব খ) অসমৰ শাক্ত সাহিত্য

গ) অসমত শৈৱতত্ত্ব ঘ) অসমৰ শৈৱ সাহিত্য

গ) অসমৰ শাক্ত উপাসনা স্থল ঙ) নৱ-বৈষ্ণৱ ধর্মৰ বৈশিষ্ট্য

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাচীন অসমৰ ধৰ্মীয় পৰম্পৰা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ অসমত শক্তিতত্ত্বৰ বিকাশ আৰু প্ৰসাৰ সম্পৰ্কে লিখি সাহিত্যৰাজিৰ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ অসমত শৈৱতত্ত্বৰ বিকাশ আৰু প্ৰসাৰ সম্পৰ্কে লিখি শৈৱ মঠ-মন্দিৰসমূহৰ বিষয়ে এটি প্ৰবন্ধ লিখক।

প্ৰশ্ন ৪ ঃ অসমীয়া বৈষ্ণৱ সাহিত্যৰাজিৰ চমু পৰিচয় দাঙি ধৰক।

*** ***** ***

অধ্যায় ৬ঃ সত্রীয়া সংস্কৃতি

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সত্রীয়া সংস্কৃতি

৬.৩.১ সত্রৰ সংজ্ঞা, উৎপত্তি

৬.৩.২ সত্রৰ বিভিন্ন বিভাগ আৰু বিস্তৃতি

৬.৩.৩ সত্রৰ বিষয়ৱবীয়া তথা প্রশাসন

৬.৩.৪ সত্রৰ নিত্যকর্ম — সত্রীয়া নাম-প্রসংগ

৬.৩.৫ সত্রৰ নৈমিত্তিক কার্য তথা সত্রৰ উৎসৱ-অনুষ্ঠান

৬.৩.৬ সত্রৰ কেতবোৰ পালনীয় আচাৰ-ৰীতি

৬.৩.৭ সত্রীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্রগতিৰ খতিয়ান

৬.৭ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সত্রৰ মানে কি আৰু ইয়াৰ কেনেদৰে উৎপত্তি হ'ল সেই সম্পর্কে জানিব পাৰিব
- অসমৰ সত্রসমূহৰ শ্রেণীবিভাগ আৰু এইবোৰৰ প্রকৃতিৰ বিষয়ে জ্ঞান ল'ব পাৰিব
- সত্রৰ বিভিন্ন বিষয়ৱবীয়া আৰু ইয়াৰ প্রশাসন প্রণালীৰ বিষয়ে থুলমূল আভাস ল'ব পাৰিব।
- সত্রৰ বিভিন্ন আচাৰ-ৰীতি, নিত্য কর্ম আদিৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- সত্রৰ বিভিন্ন উৎসৱ-অনুষ্ঠানৰ বিষয়ে বিস্তৃত আলোচনা কৰিব পাৰিব
- সত্রত প্রচলিত গীত বিভিন্ন নৃত্য, বাদ্য, ভাওনা আদিৰ বিষয়ে বর্ণনা কৰিব পাৰিব

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি অসমৰ ধর্মীয় পৰম্পৰা সম্পর্কে বহলাই অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আপুনি অসমৰ এক বিশেষ সাংস্কৃতিক পৰম্পৰা সত্রীয়া সংস্কৃতি সম্পর্কে

বহলাই অধ্যয়ন কৰিব। সাধাৰণতে সত্রক কেন্দ্র কৰি গঢ় লোৱা সংস্কৃতিয়ে হ'ল 'সত্রীয়া সংস্কৃতি'। সত্রীয়া সংস্কৃতিয়ে সত্রীয়া সমাজৰ বিবিধ আচাৰ ব্যৱহাৰ উৎসৱ-পার্বন, ৰীতি-নীতি, নিত্য-নৈমিত্তিক কর্ম, গীত, নৃত্য, বাদ্য, অভিনয়, খোৱা-বোৱা, বিশ্বাস-পৰম্পৰা আদি সমুদায় বিষয়ক সামৰি লয়।

অসমত সত্রীয়া সংস্কৃতিৰ প্রৱর্তন কৰে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে সত্র আৰু নামঘৰৰ যোগেদি। নৱ-বৈষ্ণৱ আন্দোলনৰ ফলস্বৰূপে মহাপুৰুষ জনাই খ্রীষ্টীয় পঞ্চদশ শতিকাতে সত্র আৰু নামঘৰ প্রতিষ্ঠা কৰে। মহাপুৰুষ জনাই দি যোৱা সত্র আৰু নামঘৰে অসমৰ ধর্মীয়, সামাজিক, সাংস্কৃতিক আদি আটাইকেইটা দিশতে প্রভাৱ বিস্তাৰ কৰি আহিছে। সত্রসমূহক কেন্দ্র কৰিয়েই সাহিত্য, সংগীত আৰু বিবিধ শিল্প-কলাৰ উদ্ভাৱন ঘটিছে। মানুহক শৰণ-ভজনৰ দ্বাৰা আত্মবিশ্বাস আৰু আত্ম-উপলব্ধিৰ কর্ষণৰ বাবে সত্রই অৱদান যোগাই আহিছে। অৱশ্যে সময়ৰ পৰিবর্তনৰ বাবে ইয়াতো বিভাজন হৈছে। তাৰ ফলস্বৰূপে প্রত্যেক শাখাতে কিছুমান নিজস্ব ৰীতি-নীতি, উৎসৱ- অনুষ্ঠানৰ সৃষ্টি হৈছে। অধ্যায়টিৰ যোগেদি সত্রৰ এনেবোৰ দিশৰ পর্যালোচনা কৰা হৈছে আৰু এই অধ্যায়টো অধ্যয়ন কৰি আপুনি সত্রীয়া সংস্কৃতি সম্পর্কে সার্বিক ধাৰণা লাভ কৰিবলৈ সমর্থ হ'ব। নামঘৰ সম্পর্কে পৰৱর্তী অধ্যায়ত আলোচনা কৰা হ'ব।

৬.৩ সত্রীয়া সংস্কৃতি

অসমৰ সত্রীয়া সংস্কৃতি সম্পর্কে আলোচনা কৰিবলৈ হ'লে প্রথমতে আমি সত্র মানে কি, ইয়াৰ কেনেদৰে উদ্ভৱ হ'ল এই বিষয়েও আলোচনা কৰিব লাগিব। তলত সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

৬.৩.১ সত্রৰ সংজ্ঞা, উৎপত্তি

'সত্র' শব্দৰ অর্থ বিশেষভাৱে মন কৰিবলগীয়া। সৎ + ত্র = সত্র। 'সৎ' মানে ধার্মিক লোক আৰু 'ত্র' মানে উদ্ধাৰ কৰা বা ত্রাণ কৰা। অর্থাৎ সৎ লোকক ত্রাণ কৰোৱা বা পুণ্য ধামলৈ গতি কৰাৰ অর্থত 'সত্র' শব্দৰ প্রয়োগ কৰা হয়। তদুপৰি যজ্ঞ, ধর্মস্থান, দাতব্য, যোগ, সদাব্রত, ভোজনালয়, সৰোবৰ, গৃহ, অৰণ্য, সদাদান, সদাব্রত, যোগ আদি অর্থও সত্র শব্দৰে বুজোৱা হয়। 'সত্র' শব্দটি বিভিন্ন গ্রন্থত বিভিন্ন অর্থত প্রয়োগ কৰা হৈছে। *ভাগৱতৰ* প্রথম স্কন্ধত সত্র শব্দৰ প্রয়োগ এনেদৰে পোৱা যায়।

নৈমিষে নিমিষে ক্ষেত্রে ঋষয় ঃ শৌণকাদয়ঃ।
সত্রং স্বর্গায় লোকায় সহস্র সমমাসত্য।

মহাপুৰুষ শংকৰদেৱে শৌণকাদি ঋষিসকলৰ ভাগৱত সত্রৰ বর্ণনা এনেদৰে দিছে—

আঠাইশ সহস্র ঋষি বেদত প্রধান।

বিষ্ণুৰ নৈমিষ ক্ষেত্ৰ মহাতীৰ্থ স্থান।।
মান্য কৰি সূতক পাতিলা সত্ৰ তথা।
শৌনক প্ৰমুখ্যে শুনে ভাগৱত কথা।।

নাৰায়ণ চন্দ্ৰ গোস্বামীৰ *সত্ৰীয়া সংস্কৃতি স্বৰ্ণৰেখাত* 'সত্ৰ' শব্দটো 'যজ্ঞ ভূমি' ৰূপত ব্যৱহাৰ কৰিছে। যজ্ঞ মানে পৱিত্ৰ অৰ্থাৎ পৱিত্ৰ ভূমি। এই পৱিত্ৰ ভূমিৰ অৰ্থ শংকৰদেৱে *কীৰ্তন* পুথিত এনেদৰে দিছে।

তোমাৰ চৰণ চিন্তি যথাত ভকত থাকে
সেহি পুণ্য সেহি তীৰ্থ স্থান।
তোমাৰ অমৃত কথা ধাৰায়ে বহয় যথা
তাক যিটোজনে কৰে পান।

শংকৰদেৱে কৰা *ভাগৱতৰ* দ্বাদশ স্কন্ধৰ অনুবাদত 'সত্ৰ' শব্দটো আকৌ ঋষিসকলে কৰা যজ্ঞাদি কৰ্মৰ অৰ্থত ব্যৱহাৰ কৰিছে। যেনে—

অথৰ্ববেদীয় বিপ্ৰসমস্তক আনি।
পাতিলন্ত সৰ্পসত্ৰ মহাকুণ্ড খানি।।

সেইদৰে 'সত্ৰ' শব্দৰ সংজ্ঞা বিভিন্ন পণ্ডিতে তেওঁলোকৰ গ্ৰন্থত বিভিন্ন ধৰণে আগবঢ়াইছে। বৈকুণ্ঠ নাথ ভট্টদেৱে তেওঁৰ *শৰণ মালিকাত* সত্ৰৰ সংজ্ঞা এনেদৰে দিছে—

যত্ৰাচৰন্তি স দ্ধৰ্মান কেৱলা ভগৱৎ প্ৰিয়া ঃ
নৱধা ভগৱদ্ভক্তি প্ৰত্যহং যত্ৰ বিদ্যতে
তৎ সত্ৰং উত্তম ক্ষেত্ৰং বৈষ্ণৱ সুৰ-বন্দিতম্
তত্ৰস্থা বৈষ্ণৱাঃ সৰ্বাঃ হৰিনাম পৰায়ণা।।

অৰ্থাৎ — যি স্থান দেৱতা আৰু বৈষ্ণৱৰ দ্বাৰা বন্দিত, যি স্থানত একান্ত ভক্তসকলে ঈশ্বৰৰ প্ৰিয় কাৰ্য সাধন কৰে, যি স্থানত দৈনন্দিন নৱবিধ ভক্তিয়ে বিৰাজ কৰে, সেই শ্ৰেষ্ঠ স্থানকে সত্ৰ বুলি কোৱা হয়। তাত বাস কৰা সকলো বৈষ্ণৱ হৰিনাম পৰায়ণ।

সত্ৰীয়া সংস্কৃতি স্বৰ্ণৰেখাত লিখিছে — "য'ত ঈশ কথা ভক্তৰ মুখত প্ৰকাশ পায়, য'ত অবিৰাম ভক্তৰ সমাবেশ হৈ যৎ সংলাপ কৰোঁতে নিজানন্দ সুখ পৰিপূৰ্ণ বৈকুণ্ঠ পৰি হৰি ভগৱন্তে তন্ময় ৰিতস্ত ভক্তৰ আকুল আহ্বানত তেৰাসৱৰ নিকটস্থ হৈ আত্মবিস্মৃত হয়, সেই ভক্ত ভগৱন্তৰ পদ ৰজপুত স্থানেই হ'ল সত্ৰ/স্থান।"

মহাপুৰুষ শংকৰদেৱে অসমত সত্ৰ প্ৰতিষ্ঠা কৰিলে যদিও তেওঁৰ দিনত সত্ৰ শব্দটো ধৰ্মানুষ্ঠানৰ ক্ষেত্ৰত বৰকৈ ব্যৱহাৰ কৰা দেখা নাযায়। গুৰু জনাই নিজেও 'সত্ৰ' শব্দটো ব্যৱহাৰ কৰা নাছিল। তাৰ সলনি তেওঁ সেই অনুষ্ঠানবোৰক বুজাবলৈ 'দেৱগৃহ' বা 'হৰি গৃহ' বুলিছিল। সেই সময়ত সত্ৰৰ ঠাইত থান/স্থান আদিৰহে ব্যৱহাৰ লক্ষ্য কৰা যায়। শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰে তেওঁৰ ৰচনাত বৰদোৱা সত্ৰক বুজাবলৈ 'স্থান' শব্দ ব্যৱহাৰ কৰিছে। একেদৰে পূৰ্বতে বৰপেটা, মধুপুৰ আদি পৱিত্ৰ ঠাইক বুজাবলৈ

'থান' শব্দ ব্যৱহাৰ কৰিছিল। শংকৰদেৱে *কীর্তনত* লিখিছে—

তোমাৰ চৰণ চিন্তি যথাত ভকত থাকে
সেহি পুণ্য তীর্থস্থান।

কথা-গুৰু-চৰিতত উল্লেখ থকা অনুসৰি শংকৰদেৱে প্ৰথমবাৰ বিবাহ কৰাৰ পিছত জন্মভূমি আলিপুখুৰীত হৰি কীর্তন চর্চা কৰিবলৈ লয়। কিন্তু সেই ঠাইত অসুবিধা পোৱাত কঠিয়াতলিত চাৰিহাটী কৰি হৰি গৃহ বান্ধে আৰু ভায়েক ৰামৰায় হতুৱাই দেৱ গৃহ সজায়। এনেদৰে আৰম্ভ হৈ পিছলৈ পৰিৱর্ধিত ৰূপ গ্ৰহণ কৰি এই হৰি গৃহ বা দেৱ গৃহই সত্ৰৰ ৰূপ লাভ কৰে। অৱশ্যে, *গুৰু-চৰিত-কথাত* এই সময়সীমা দ্বিতীয় বিবাহৰ পিছত বুলি উল্লেখ আছে। সময়ৰ কথা আঁতৰাই থৈ সামগ্ৰিকভাৱে এয়াই ক'ব পাৰি যে, শংকৰদেৱে নাম প্ৰসংগ, ভাগৱত পাঠ আৰু হৰিকথা চর্চাৰ বাবে পোনতে যি গৃহ নির্মাণ কৰিছিল সেই গৃহকেই দ্বিজ ভূষণ, ৰামচৰণ আদি চৰিতকাৰে পৰৱর্তী কালত সত্র গৃহ নাম দিয়ে। শংকৰদেৱে দি যোৱা সত্ৰৰ এই প্ৰাথমিক ভেটিটোৰ পৰাই তেওঁৰ বিয়োগৰ পিছত প্ৰধান শিষ্য মাধৱদেৱে বৰপেটা আৰু সুন্দৰীদিয়াত, দামোদৰদেৱে পাটবাউসীত, হৰিদেৱে বহৰিত সত্র প্ৰতিষ্ঠা কৰে। উল্লেখযোগ্য যে মহাপুৰুষ শংকৰদেৱে সত্ৰৰ বীজটোহে ৰুইছিল, ই পত্রে-পুষ্পে বিকশিত হৈ পৰে পৰৱর্তী কালত মাধৱদেৱ আৰু দামোদৰদেৱৰ প্ৰচেষ্টাত। সত্র এখনৰ কেন্দ্রত পূৱা-পশ্চিমাকৈ থাকে নামঘৰ আৰু চাৰিওফালে কাষতে ভকতসকল থাকিবৰ বাবে থাকে হাটী। লক্ষ্মীনন্দন বৰাৰ ভাষাৰে ক'ব পাৰি "নামঘৰ আৰু হাটীৰ সংমিশ্রণেই হ'ল সত্র।"

৬.৩.২ সত্ৰৰ বিভিন্ন বিভাগ আৰু বিস্তৃতি

সত্ৰৰ অধিকাৰ, ভকত আদিৰ প্ৰকৃতি অনুসৰি সত্রানুষ্ঠানবোৰক সাধাৰণতে তিনিটা শ্রেণীত ভগাব পাৰি, যথা— (ক) উদাসীন (খ) অর্ধ-উদাসীন আৰু (গ) গৃহস্থী।

যিবোৰ সত্র কেৱল উদাসীন বা কেৱলীয়া ভকতৰ বাসস্থান, য'ত ঈশ্বৰ চিন্তা উপাসনা আদিয়েই ভকতসকলৰ দৈনন্দিন জীৱনৰ প্ৰধান কার্যসূচী, য'ত নাৰীৰ ৰাত্রি বাস নিষেধ, যিবোৰৰ চৌহদত সাধাৰণতে গৃহস্থী জীৱন-যাপন কৰিবলৈ দিয়া নহয়, তেনেবোৰ সত্রক উদাসীন সত্র বুলি কোৱা হয়। যেনে — আউনীআটী সত্র, দক্ষিণপাট আদি।

যিবোৰ সত্ৰৰ নির্দিষ্ট দিশত গৃহস্থী বা গৃহীসকলৰ বাসস্থান আৰু তাৰ বিপৰীতে নির্দিষ্ট দিশত উদাসীনসকলৰ হাটীৰ ব্যৱস্থা আছে; য'ত সত্রাধিকাৰ, ডেকা সত্রাধিকাৰ আদি মুখ্য সত্রীয়াসকলে উদাসীন জীৱন-যাপন কৰে, তেনেবোৰ সত্রক অর্ধ-উদাসীন সত্র বোলা হয়। যেনে— বৰপেটা সত্র।

আনহাতে যিবোৰ সত্ৰৰ সত্রীয়াসকলে সমাজৰ আন দহজনৰ দৰেই গৃহস্থী জীৱন-যাপন কৰি তাৰ মাজতে শিষ্যক শৰণ দি ধর্মীয় আচাৰ-অনুষ্ঠান পালন কৰি ধর্ম

প্রচাৰ আদিত অৰিহণা যোগাই আহিছে তেনেবোৰ সত্রই হ'ল গৃহস্থী বা গৃহী সত্র। অসমৰ সৰহখিনি সত্র এই শ্রেণীৰ।

চৰিতকাৰসকলৰ আদর্শ অনুসৰি আকৌ সত্রসমূহক তিনিটা ভাগত ভগাব পাৰি, যথা — (ক) মূল (খ) আজ্ঞাপৰ আৰু (গ) শলাবন্তি।

যেতিয়া কোনো ভকত বা শিষ্যই গুৰুৰ আজ্ঞালৈ বা আদেশক্রমে নতুন সত্র প্রতিষ্ঠা কৰে, তেতিয়া তেনে সত্রক আজ্ঞাপৰ সত্র বোলা হয়। আকৌ, যেতিয়া মূল সত্র প্রতিষ্ঠাতাৰ সতি-সন্ততিসকলে মূল সত্রৰ পৰিত্র বুলি ভবা এপদ বা অধিক বস্তু নি সেই সত্রৰ নামত বা ভিন্ন নামত নতুন সত্র প্রতিষ্ঠা কৰে তেনে সত্রক শলাবন্তি সত্র বোলা হয়। অসমৰ বহুবোৰ সত্রই এই শ্রেণীৰ সত্র।

শংকৰদেৱৰ পৰৱর্তী কালত বিভিন্ন কাৰণত মহাপুৰুষীয়া ধর্মই চাৰিটা ঠালত বিভক্ত হৈ চাৰি সংহতি নামেৰে পৰিচিত হৈ পৰে। সেই চাৰি সংহতি হ'ল— ব্রহ্ম সংহতি, কাল সংহতি, নিকা সংহতি আৰু পুৰুষ সংহতি।

- *ব্রহ্ম সংহতি ঃ* দামোদৰদেৱ আৰু তেওঁৰ শিষ্য-প্রশিষ্য তথা হৰিদেৱ আৰু তেওঁৰ শিষ্য-প্রশিষ্যসকলে প্রতিষ্ঠা কৰা সত্রসমূহক এই শাখাৰ অন্তর্ভুক্ত বুলি ধৰা হয়। ব্রহ্ম সংহতিৰ প্রায়বোৰ সত্রতে ধর্মাচার্যসকল প্রধানকৈ ব্রাহ্মণ শ্রেণীৰ। এই পন্থৰ লোকসকলে ভক্তি ধর্মৰ লগতে ব্রাহ্মণৰ নিত্য-নৈমিত্তিক ৰীতি-নীতি পালন কৰে। অসমীয়া বৈষ্ণৱসকলৰ চাৰি বস্তুৰ ভিতৰত এওঁলোকে দেৱক বেছি প্রাধান্য দিয়ে। তদুপৰি বিষ্ণুমূর্তি বা বিষ্ণু নাৰায়ণৰ প্রতীক ৰূপৰ শালগ্রাম পূজাতো গুৰুত্ব আৰোপ কৰে। ভগৱান দেৱৰ গোৰিন্দপুৰ সত্র, বনমালীদেৱৰ দক্ষিণপাট সত্র, হৰিদেৱৰ মানেৰী সত্র, হৰিদেৱৰ কন্যা ভুৱনেশ্বৰীৰ নাতি পাৰা সত্র, বংশীগোপাল দেৱৰ কুৰুৱাবাহী সত্র, নিৰঞ্জন পাঠকৰ আউনীআটি সত্র, আহোম ৰজাৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠা গড়মূৰ সত্র আদি এই সংহতিৰ পৰিসৰত ধৰা হয়।



জানি থোৱা ভাল

ব্রহ্ম সংহতিৰ অন্তর্গত আউনীআটি, দক্ষিণপাট, গড়মূৰ আৰু কুৰুৱাবাহী সত্র। এই চাৰি সত্রক 'ৰজাঘৰীয়া চাৰি সত্র' বা 'বামুনীয়া চাৰি সত্র' বুলি কোৱা হয়।

- *পুৰুষ সংহতি ঃ* শংকৰদেৱৰ জীয়াৰী নাতিৰ ফালৰ পৰা 'প্রভুৰ জীউধৰা ডাল' মহাপুৰুষীয়া চাৰি সত্র— নৰোৱা, কোৱামৰা, দীঘলী আৰু চামগুৰি সত্র; পুৰুষানুক্রমে অহা আৰু গুৰু নাতি পুৰুষোত্তম ঠাকুৰ, চর্তুভূজ ঠাকুৰৰ আজ্ঞাৰে প্রতিষ্ঠিত থুলটিৰ নাম পুৰুষ সংহতি। এই শাখাৰ লোকসকলে দিয়া ব্যাখ্যা মতে মূল পুৰুষ নাৰায়ণেই এওঁলোকৰ প্রধান আৰু প্রথম উপাস্য দেৱতা সেয়ে পুৰুষ

সংহতি। আনহাতে আন এচামৰ মতে মহাপুৰুষ শংকৰদেৱ প্ৰৱৰ্তিত ধৰ্মৰ সকলো সংস্কাৰ ইয়াত অবিকলভাৱে অটুট আছে সেয়ে পুৰুষ সংহতি।

- *কাল সংহতি ঃ* গোপাল আতাৰ আজ্ঞাৰে কালজাৰ থানৰ পৰা সৃষ্টি হোৱা সত্রসমূহক কাল সংহতিৰ সত্র বুলি কোৱা হয়। গোপাল আতা 'কাল সংহতি'ৰ প্ৰৱৰ্তক। শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ চাৰিবস্তুৰ ভিতৰত গুৰুবাদৰ ওপৰত এই সংহতিয়ে অধিক গুৰুত্ব দিয়ে। গুৰুৰ প্ৰতি একান্ত পৰাকাষ্ঠা স্থাপন কৰাই এই সংহতিৰ অন্যতম বৈশিষ্ট্য। এই সংহতিৰ অনুগামীসকলে গুৰুক ভগৱান জ্ঞান কৰি তেওঁৰ প্ৰতি ভক্তি অটুট ৰাখিবলৈ চেষ্টা কৰে। ইয়াত ব্ৰাহ্মণ্য ক্ৰিয়া-কাণ্ডৰ আধিক্য নাই। কাল সংহতিৰ সত্রসমূহৰ ভিতৰত বাঁহবাৰী, শিলিখাতল, ন-মাতি, দিহিং, মায়ামৰা আদি উল্লেখযোগ্য।
- *নিকা সংহতি ঃ* মথুৰাদাস বুঢ়া আতা, পদ্ম আতা, কেশৱ আতা আদিয়ে প্ৰতিষ্ঠা কৰা সত্রসমূহ নিকা সংহতিৰ অন্তৰ্গত। কঠোৰ নীতি কাষ্ঠা, নিষ্কাম ভাব আৰু এক শৰণৰ ওপৰত গভীৰভাৱে প্ৰাধান্য দিয়া হেতু এই শাখাটোক নিকা, নিত্য বা নিষ্ঠা সংহতি বুলি কোৱা হয়। এই সংহতি অনুগামীসকলে দৈনন্দিন জীৱনত দেহ-মনৰ পৱিত্ৰতা ৰক্ষা কৰি চলাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। তদুপৰি আহাৰ-বিহাৰ, আসন-বসন ধৰ্মীয় আদি দিশত কটকটীয়া নিয়ম মানি চলে। এই সংহতিত বামুনীয়া ক্ৰিয়া কৰ্মৰ প্ৰাধান্য নাই। কমলাবাৰী, মধুপুৰ, বৰপেটা এই সংহতিৰ প্ৰধান সত্র। তদুপৰি মাধৱদেৱে প্ৰতিষ্ঠা কৰা সুন্দৰীদিয়া সত্র, লেচাকণীয়া গোবিন্দ আতৈৰ খটৰা সত্র, লক্ষ্মীকান্ত আতৈ ঢোপগুৰি সত্র, বৰ বিষ্ণু আতাৰ চমৰিয়া সত্র অন্যতম। উল্লেখযোগ্য যে এই সত্রসমূহ পূৰ্বতে পুৰুষ সংহতিৰ অন্তৰ্ভুক্ত আছিল।

উপৰ্যুক্ত চাৰিওটা সংহতিৰ পৰা গঢ় লোৱা সত্রসমূহত ক্ৰমান্বয়ে নানান ৰীতি-নীতি, ক্ৰিয়াকলাপৰ সংযোগ ঘটিল। ইয়াৰ মাজতে কিছুমান সত্রই আহোম ৰাজত্বৰ পৃষ্ঠপোষকতা লাভ কৰিলে। ফলস্বৰূপে এই সত্রসমূহত ৰাজকীয় ব্যৱস্থা সোমোৱাৰ লগতে ধনজন লাভ কৰি অভিজাত শ্ৰেণীত পৰিণত হয়। আনবোৰ সত্রই আকৌ ৰাজ অনুগ্ৰহৰ পৰা দূৰত থাকি মাথো সত্রৰ লগত জড়িত শিষ্যসকলৰ শ্ৰদ্ধা আৰু সমৰ্থনেৰে বৰ্তি থাকিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'সত্র' শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ২ ঃ সংহতি অনুসৰি সত্রক কি কি ভাগত ভাগ কৰা হৈছে?

.....

৬.৩.৩ সত্রৰ বিষয়ৱবীয়া তথা প্রশাসন

প্রতিখন সত্র সুপৰিকল্পিতভাৱে পৰিচালনা কৰিবৰ বাবে কিছুমান বিষয়ৱবীয়া নিয়োজিত কৰা হয়। সত্রৰ প্রশাসন নির্ভৰ কৰে বিশেষকৈ ইয়াৰ প্রকৃতিৰ ওপৰত। সেই অনুসৰি সত্রৰ বিষয়ৱবীয়া সত্র অনুযায়ী তাৰতম্য ঘটে। তলত সত্রৰ মূল বিষয়ৱবীয়াসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল।

- *অধিকাৰ ঃ* প্রতিখন সত্রতে এজন মূল বা প্রধান সত্রাধিকাৰ থাকে আৰু এওঁ বিষয়ৱবীয়াসকলৰ সহযোগত নামঘৰ, মণিকূট আৰু সত্রৰ বিভিন্ন ধর্মীয় অনুষ্ঠান আদি পৰিচালনা কৰে। কিছুমান সত্রত আকৌ একো একোজন ডেকা সত্রাধিকাৰো থাকে। প্রধান সত্রাধিকাৰৰ অনুপস্থিতিত এই ডেকা সত্রাধিকাৰজনে তেওঁৰ ঠাইত সত্র পৰিচালনা কৰে।
- *মেধি ঃ* শিষ্য সমাজখনত সম্পর্ক ৰক্ষা কৰা প্রধান বিষয়াজনেই হ'ল মেধি। মেধিক পর্যায়ক্রমে — ৰাজমেধি, ৰৰমেধি, পাখিমেধি আদিত বিভক্ত কৰা হয়। গুৰুকৰ, পঁচা আদি কৰ তোলাৰ দায়িত্ব মেধিৰ। কোনো কোনো সত্রত আকৌ অধিকাৰৰ প্রতিনিধিৰূপে ৰাজমেধিয়ে শৰণ-ভজনো দিয়ে।
- *মুক্তিয়াৰ ঃ* সত্রৰ পঞ্জীয়কজনক মুক্তিয়াৰ বোলা হয়। সত্রৰ হিচাপ পাতি ৰখা, অধ্যাদেশ জাৰি কৰা আদি কাম মুক্তিয়াৰৰ।
- *আলধৰা ঃ* সত্রাধিকাৰজনৰ ব্যক্তিগত কাম-কাজৰ সহায়কজনক আলধৰা বোলা হয়।
- *পাচনি ঃ* সত্রৰ ভিতৰে-বাহিৰে থকা শিষ্যসকলৰ খবৰ খাতি ৰখা জনক পাচনি বোলা হয়। এওঁ কেতিয়াবা অধিকাৰৰ আলধৰা কামো কৰে।
- *নামঘৰীয়া ঃ* সত্রৰ নামঘৰ সাৰি-মচি পৰিষ্কাৰ কৈ ৰাখিবৰ বাবে বিশেষকৈ এই ব্যক্তিজনক নিয়োগ কৰা হয়।
- *নাম লগোৱা* ঃ সত্রৰ নাম-প্রসংগ চলোৱা ব্যক্তিজনক নাম লগোৱা বোলে।
- *খাটনিয়াৰ ঃ* সত্র আৰু ৰজা ঘৰৰ মাজত বিভিন্ন বিষয়ত সম্পর্ক ৰখা ব্যক্তিজনক খাটনিয়াৰ বোলা হয়।
- *পাঠক ঃ* নাম প্রসংগৰ অন্তত *ভাগৱত, ৰত্নাৱলী* আদি পুথিৰ পদ সুৰ লগাই গোৱা ব্যক্তিজনক পাঠক বোলা হয়।
- *ভাগৱতী ঃ* এওঁ *ভাগৱত* আদি পাঠ আৰু ব্যাখ্যা কৰে।
- *গায়ন-বায়ন ঃ* নিত্য-প্রসংগ, ভাওনা আদি উৎসৱত খোল প্রসংগ কৰা, গীত-মাত গোৱা ব্যক্তি সকলেই হ'ল গায়ন-বায়ন।
- *সূত্রধাৰ ঃ* সত্রৰ প্রধান সংগীতজ্ঞ আৰু নৃত্যকাৰ জনেই হ'ল সূত্রধাৰ। এওঁ ভাওনাত সূত্রধাৰৰ ভাও দিয়াৰ উপৰিও ভাৰৰীয়া আৰু নটুৱাক ভাও, নাচ আদি শিকাব লাগে।

- *দেউৰী ঃ* মাহ প্রসাদ যোগাৰ আৰু প্রসংগৰ অন্তত সমজুৱাৰ মাজত প্রসাদ বিতৰণ কৰা লোকজনক দেউৰী বোলা হয়।
- *ওজাপালি ঃ* সংগীতজ্ঞসকলৰ ভিতৰত যিসকল অভিজ্ঞ তেওঁলোকক ওজাপালিৰ বাব দিয়া হয়।
- *খনিকৰ ঃ* ভাওনাৰ ছো-মুখা, সত্রৰ আসন, থাপনা, ঠগা, পুথি আদিত চিত্রিত কৰিবৰ বাবে ৰখা বিষয়া।

এই পদবোৰৰ উপৰি সত্রত আৰু ভালেমান পদ/বিষয়ববীয়া আছে। সেই আটাইবোৰে সত্র এখন পৰিচালনাৰ ক্ষেত্রত সহায় কৰি আহিছে।

৬.৩.৪ সত্রৰ নিত্য কর্ম — সত্রীয়া নাম-প্রসংগ

সত্রৰ দৈনিক পালনীয় কার্য তালিকাৰ ভিতৰত প্রার্থনা অন্যতম। সমূহীয়াভাৱে কৰা প্রার্থনাক 'প্রসংগ নাম' বোলা হয়। সত্রসমূহত ভক্তবৈষ্ণৱৰ সহযোগত সমূহীয়াভাৱে কৰা দৈনিক প্রার্থনাই 'চৈধ্য-প্রসংগ'। মহাপুৰুষ মাধৱদেৱক চৈধ্য-প্রসংগৰ প্রৱর্তক বুলি ধৰা হয় যদিও তেওঁৰ পৰৱর্তী পুৰুষোত্তম ঠাকুৰেহে প্রসংগ প্রণালীৰ ৰীতি-নীতিৰ এক সুনির্দিষ্ট ৰূপ দিয়ে। প্রথম অৱস্থাত চৈধ্য-প্রসংগৰ নিয়ম কটকটীয়া আছিল যদিও পাছলৈ এই নিয়ম ঢিলাহৈ চৈধ্য-প্রসংগৰ ঠাইত চাৰি-প্রসংগহে ৰ'লগৈ। বটদ্রৱা থান বর্ণনাৰ গীত এটিত এনে উদাহৰণ পোৱা যায়।

চাৰিফালে চাৰি হাটী মহা ভক্তগণ,
চাৰিও প্রসংগ কৰে নামৰ কীর্তন।

সত্রত প্রচলিত চৈধ্য-প্রসংগ হ'ল — তাল কোবোৱা, মঞ্জিৰা নাম, আইসকলৰ পুৱাৰ প্রসংগ, ডেৰ-পৰীয়াৰ যোৱা প্রসংগ, ডেৰ-পৰীয়াৰ প্রসংগ, পাঠ বা উপদেশ, বিয়লিৰ যোৱা বা খোল প্রসংগ, ঘোষা-কীর্তন, আইসকলৰ বিয়লিৰ নাম, সন্ধিয়াৰ তাল কোবোৱা প্রসংগ, সন্ধিয়াৰ নাম গোৱা আৰু প্রসংগ, যোৱা বা খোল প্রসংগ, ঘোষণা প্রসংগ বা ঘোষণা কীর্তন আৰু শেষ পাল যোৱা।

সত্রীয়া চৈধ্য-প্রসংগৰ ভিতৰত পুৱাৰ আইসকলৰ নাম, ডেৰ-পৰীয়াৰ নাম, বিয়লিৰ আইসকলৰ নাম আৰু সন্ধিয়াৰ গুণসহ নাম প্রসংগই প্রধান। ইয়াৰ ভিতৰত আকৌ ডেৰ-পৰীয়াৰ প্রসংগক দিনটোৰ ভিতৰত মূল প্রসংগ বুলি ধৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সত্র এখনৰ প্রধান সত্রাধিকাৰৰ অনুপস্থিতিত সত্র এখনৰ কার্য কোনে পৰিচালনা কৰে?

.....

প্রশ্ন নং ৪ ঃ সত্রৰ চৈধ্য-প্রসংগৰ প্রৱর্তক কোন?

.....

৬.৩.৫ সত্রৰ নৈমিত্তিক কর্ম তথা সত্রৰ উৎসৱ-অনুষ্ঠান

নিত্য-প্রসংগৰ দৰে নৈমিত্তিক কেতবোৰ অনুষ্ঠান সত্রত পালন কৰা হয়। এই ক্ষেত্রত ভাদ মাহত পালন কৰা অনুষ্ঠানবোৰ বিশেষভাৱে উল্লেখযোগ্য। শাওণ আৰু ভাদ মাহৰ সংক্রান্তিৰ দিনা নাম ৰাখি মাজৰ কালছোৱাত 'গুৰু দুজনাৰ তিথি', 'জন্মাষ্টমী', 'পচতি' আদি উৎসৱ পালন কৰা হয় আৰু শেষৰ দিনা 'সামৰণি নাম' পতা হয়। কোনো কোনো সত্রত আকৌ প্রথম সংক্রান্তিৰ দিনাই পালনাম আৰম্ভ কৰি শেষৰ দিনা পাল সামৰণি মাৰে। ইয়াৰ উপৰি 'বেহাৰ গোৱা' আৰু 'বেহাৰ নচুৱা' সত্রত পালন কৰা হয়। সেইদৰে ভাদ মাহৰ গুৰু দুজনাৰ তিথি আৰু জন্মাষ্টমীত ভাওনা পতা হয়।

ভাদ মাহৰ নৈমিত্তিক উৎসৱসমূহৰ ভিতৰত গুৰু তিথি বা গুৰু কীর্তন, মাধৱদেৱৰ তিথি, জন্মাষ্টমী, নন্দোৎসৱ, নাম সামৰণি অন্যতম অনুষ্ঠান।

গুৰু তিথি বা কীর্তন বৈষ্ণৱ-ভকতসকলৰ বাবে এক উল্লেখযোগ্য পবিত্র অনুষ্ঠান। মহাপুৰুষ শংকৰদেৱৰ মহাপ্রয়াণক কেন্দ্র কৰি মাধৱদেৱৰ দিনৰে পৰা সত্রসমূহত এই তিথি অতি শ্রদ্ধাৰে অনুষ্ঠিত হৈ আহিছে। শংকৰদেৱৰ তিথিৰ দৰে মাধৱদেৱৰ তিথিও সত্রত অতি শ্রদ্ধাৰে পতা হয়। মহাপুৰুষ মাধৱদেৱৰ মৃত্যু অনুসৰি ভাদ মাহৰ কৃষ্ণা পঞ্চমীত এই তিথি পালন কৰা হয়।

ভগৱান কৃষ্ণৰ জন্মৰ ওপৰত ভিত্তি কৰি পালন কৰা অনুষ্ঠানটোৱে হ'ল জন্মাষ্টমী উৎসৱ। সেইদিনা সত্রত নির্দিষ্ট গীত, ঘোষা, কীর্তন আদি গোৱা হয়। কৃষ্ণ জন্মৰ পিছদিনা বা কেইদিনমানৰ পিছত অনুষ্ঠিত উৎসৱেই হ'ল 'নন্দোৎসৱ' বা 'পচতি উৎসৱ'। 'নাম সামৰণি অনুষ্ঠান' ভাদ মাহৰ শেষ সংক্রান্তিৰ দিনা পালন কৰা হয়। সেইদিনা চৈধ্য-প্রসংগ লগতে ৰাতিলৈ ভাওনা অনুষ্ঠিত কৰা হয়।

এই বোৰৰ উপৰি সত্রত আন বহুতো উৎসৱ-অনুষ্ঠান পালন কৰা হয়। তেনে অন্যান্য উৎসৱ-অনুষ্ঠানৰ ভিতৰত পাল নাম, সত্রাধিকাৰৰ নির্মালি লোৱা উৎসৱ, তিথি উৎসৱ, ফাকুৱা উৎসৱ, আসন প্রতিষ্ঠা উৎসৱ, থিয় নাম বা উঠা নাম আদি প্রধান।

৬.৩.৬ সত্রৰ কেতবোৰ পালনীয় আচাৰ-নীতি

সকলো ধর্মীয় সমাজতে কেতবোৰ আচাৰ-ৰীতি-নীতি পালন কৰা হয়। সত্রত আচাৰ-নীতি পালনৰ ক্ষেত্রত পুৰুষ আৰু মহিলাৰ মাজত কেতবোৰ পার্থক্য দেখা যায়। পুৰুষ- মহিলা উভয়ে গুৰু সেৱা কৰিলেও প্রায়বোৰ সত্রত নাৰীয়ে নামঘৰত নাম সেৱা নকৰি ৰান্ধনী ঘৰৰ এচুকত পাতি থোৱা থাপনাৰ ওচৰত সেৱা কৰে। সেইদৰে সত্রত

মহিলাই পুৰুষৰ লগত একেলগে বহি প্রসংগ কৰাৰ নিয়ম নাই। পুৰুষৰ দৰে খোল, দবা, নেগেৰা আদি বাদ্য-যন্ত্রও তেওঁলোকে ব্যৱহাৰ নকৰে। গুৰুসেৱা কৰোঁতে তিনিখনীয়া বস্ত্র পৰিধান কৰিব লাগে। ঋতুস্নানৰ তিনিদিন নাৰীগৰাকীক সাধাৰণতে অশুচি বুলি ধৰা হয়। গতিকে সেই কেইদিনত নাৰীগৰাকীয়ে গৰু গাই, মানুহ, কাপোৰ-কানি, বিচনা পত্র আদি স্পর্শ নকৰে। সেই কেইদিন মাটিত বিচনা পাৰি শুৱে। তৃতীয় দিনা খাৰ-চাবোনেৰে গা-মূৰ ধোৱাৰ পিছতহে শুচি বুলি ধৰা হয়। শৰণ লোৱাৰ পিছত পুৰুষসকলে মণিকূটত সোমাব পাৰে যদিও মহিলাসকলে সোমোৱাত সত্র বিশেষে বাধা আছে। জ্যেষ্ঠজনক কিবা দিলে সেৱা জনাইহে দিব লাগে। ঘৰলৈ অনা ন-কইনা এটা সন্তানৰ মাতৃ নোহোৱালৈকে ৰান্ধনী হোৱাৰ নিয়ম নাই। ৰান্ধনীয়ে ভাত ৰান্ধি প্রথমে জ্যেষ্ঠজনক সেৱা জনাই দি তাৰ পাছত বাকী পুৰুষসকলক ভাত বাঢ়ি দিয়াৰ পিছতহে মহিলাসকলে খাব লাগে।

মহিলাসকলে দেহৰ নিম্নভাগত পৰিধান কৰা বস্ত্র, কাপোৰ মেলা দাঁৰ বা ৰচী বেলেগে দিয়া হয়। যাতে তাৰ তলেদি পুৰুষসকলে পাৰ হৈ যাব নোৱাৰে। তেনে ৰচীৰ তলেদি গ'লে যাওঁতাজনৰ আয়ুস কমে বুলি ভবা হয়। গা-ধুই উঠি সাধাৰণতে শুচি বস্ত্র অর্থাৎ ধুতি পিন্ধিব লাগে। গা-নোধোৱাকৈ একোকে খোৱা নহয়। আনকি বাহি গাৰে শুদা পানী এটোপাও খোৱা নহয়। গা-ধুলেও গুৰু সেৱা কৰিহে আহাৰ গ্রহণ কৰিব লাগে। ভাত খাওঁতে পিন্ধা কাপোৰ, ৰাতি শোওঁতে পিন্ধা কাপোৰ চুৱা বুলি গণ্য কৰা হয়।

ভাত খোৱাৰ পিছত মুখ শুদ্ধি বা মুহুদি কৰিব লাগে। মান্যজনক তামোল থুৰিয়াই দিব লাগে। যিকোনো বস্তু খোৱাৰ পিছত হাত তিয়াব লাগে। কানি, ভাং, ধপাত, মদ, ধতুৰা, পিয়াজ আৰু নহৰু এই সাত বিধ বস্তু ব্যৱহাৰ কৰা নিষিদ্ধ। মৃত ব্যক্তিক স্পর্শ কৰিলে এৰাতি উপবাসে থাকিব লাগে। মৰা-শ আঁতৰত দেখিলেও গা-ধুব লাগে। ঋতুমতী লোকক স্পর্শ কৰিলে গা ধুই লগুন সলাব লাগে। কোনোৱে গুৰুতৰ অপৰাধ বা অবৈধ কাম কৰিলে উদ্ধাৰ-পৰাচিত হ'ব লাগে। গুৰু, দেৱ, নাম আৰু ভকতৰ নামত শৰণ লৈ আনত শপত খোৱাটো নীতি বিৰুদ্ধ কথা।

৬.৩.৭ সত্রীয়া গীত, নৃত্য, বাদ্য আৰু ভাওনা

সংগীত আৰু সুকুমাৰ-কলা সত্রৰ এক অন্যতম অংগ। এইবোৰৰ সাধনা আৰু বিকাশৰ ক্ষেত্রত সত্রসমূহত উল্লেখযোগ্য ভূমিকা গ্রহণ কৰি আহিছে। প্রধানকৈ মহাপুৰুষ শংকৰদেৱে আৰম্ভ কৰা অংকীয়া ভাওনাক কেন্দ্র কৰিয়েই সত্রীয়া সংগীত আৰু সুকুমাৰ কলা গঢ় লৈ উঠিছে। মহাপুৰুষ দুজনাই দি যোৱা বৰগীত আৰু নাটৰ গীতসমূহৰ উপৰি সত্রত পালিত, বর্ধিত আৰু বৰগীতৰ আর্হিত বিকশিত হোৱা সংগীত শাখাকো সত্রীয়া সংগীতৰ পৰিসীমাত ধৰা হয়। অসমীয়া জাতীয় জীৱনৰ পৰিচায়ক ৰূপে সত্রীয়া কলা

চর্চাই এক বিশেষ স্থান অধিকাৰ কৰি আছে। পৰৱৰ্তী এটা অধ্যায়ত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ব বাবে ইয়াত আৰু বহলাই আলোচনা কৰা নহ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ভাদ মাহৰ শেষ সংক্রান্তিৰ দিনা সত্রত পালন কৰা উৎসৱটোৰ নাম কি? এই উৎসৱ কেনেদৰে পালন কৰা হয়?

.....

.....

প্রশ্ন নং ৬ ঃ সত্রীয়া সংস্কৃতি মতে ঘৰলৈ অনা ন-কইনাই কেতিয়াৰ পৰা ৰান্ধনী হোৱাৰ নিয়ম আছে?

.....



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সৎ লোকক ত্রাণ কৰোৱা বা পুণ্যধামলৈ গতি কৰাৰ অর্থত সাধাৰণতে 'সত্র' শব্দ ব্যৱহাৰ কৰা হয়। যজ্ঞ, ধর্মস্থান, দাতব্য, যোগ, সদাব্রত আদি অর্থতো সত্র শব্দ প্রয়োগ কৰা হয়। মহাপুৰুষ শংকৰদেৱ অসমৰ সত্রানুষ্ঠানৰ প্রৱর্তক। গুৰুজনাই সত্রানুষ্ঠান প্রতিষ্ঠা কৰিলেও ধর্মীয় অনুষ্ঠানৰ ক্ষেত্রত 'সত্র' শব্দটো তেওঁ ব্যৱহাৰ কৰা নাছিল। তাৰ সলনি তেওঁ 'দেৱ গৃহ' বা 'হৰি গৃহ' বুলিছিল। সেইদৰে সেই সময়ত থান/স্থান বুলিহে ব্যৱহাৰ কৰিছিল। শংকৰদেৱে প্রতিষ্ঠা কৰা সত্রানুষ্ঠান পৰৱৰ্তী কালত মাধৱদেৱ আৰু দামোদৰ দেৱৰ প্রচেষ্টাত বিকশিত হয়।
- সত্রৰ অধিকাৰ, ভকত আদিৰ প্রকৃতি অনুসৰি সত্রানুষ্ঠানক উদাসীন, অর্ধ-উদাসীন আৰু গৃহস্থী এই তিনিটা ভাগত ভগাব পাৰি। চৰিতকাৰসকলৰ আদর্শ অনুসৰি আকৌ সত্রসমূহক মূল, আজ্ঞাপনৰ আৰু শলাবন্তি এই কেইটা ভাগত ভগোৱা হৈছে। সেইদৰে সংহতি, অনুসৰি সত্রানুষ্ঠানক — ব্রহ্মসংহতি, কালসংহতি, নিকাসংহতি আৰু পুৰুষ সংহতি এই চাৰিটা ভাগত ভগোৱা হৈছে।
- প্রতিখন সত্র পৰিচালনা কৰিবৰ বাবে বহু সংখ্যক বিষয়ৱবীয়া থাকে। আৰু সত্রানুসৰি বিষয়ৱবীয়াৰ সংখ্যা তাৰতম্য ঘটে। চৈধ্য-প্রসংগ সত্রৰ এক অন্যতম পালনীয় নিত্য কর্ম। চৈধ্য-প্রসংগৰ ভিতৰত পুৰাৰ ভাগত আইসকলৰ নাম, ডেৰ পৰীয়াৰ নাম, বিয়লিৰ আইসকলৰ নাম আৰু সন্ধিয়াৰ গুণসহ নাম প্রসংগই প্রধান।
- নিত্যৰ দৰে নৈমিত্তিক কেতবোৰ অনুষ্ঠান সত্রত পালন কৰা হয়। এই ক্ষেত্রত ভাদ মাহত

পালন কৰা উৎসৱসমূহক উল্লেখ কৰিব পাৰি। যেনে— গুৰু তিথি বা গুৰু কীর্তন, মাধৱদেৱৰ তিথি, জন্মাষ্টমী, নন্দোৎসৱ, নাম সামৰণি আদি।



৬.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কলিতা, পুলিন (২০১৮); *নামঘৰ বুৰঞ্জী আৰু বিৱৰণ*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) গোস্বামী, নাৰায়ণ চন্দ্ৰ (২০০৫); *সত্ৰ সংস্কৃতিৰ স্বৰ্ণৰেখা*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩) দেৱগোস্বামী, কেশৱানন্দ (২০০০); *সত্ৰ সংস্কৃতিৰ ৰূপৰেখা*; ডিব্ৰুগড় ঃ বনলতা।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) নেওগ, মহেশ্বৰ (সম্পা.)(১৯৮৬); *গুৰু-চৰিত-কথা*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৬) নেওগ, মহেশ্বৰ (২০০৮); *সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৭) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৭৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড)*; গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৮) মহন্ত, প্ৰদীপ জ্যোতি (২০০৭); *শংকৰদেৱৰ শিল্পলোক*; গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং।

ইংৰাজী গ্ৰন্থ ঃ

১০) Goswami, S. C. (1946). *Introducing, Assam Vaisnavism.* Guwahati: Gauhati University.

১১) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

১২) Neog, M. (1965). *Sankardeva and His Times : Early History of the Vaisnava Faith and Movement in Assam.* Guwahati: Gauhati University.

১৩) Sarma, S. N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam.* Guwahati: Gauhati University.



৬.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সৎ লোকক ত্রাণ কৰোৱা বা পুণ্যধামলৈ গতি কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্মসংহতি, কালসংহতি, নিকাসংহতি, পুৰুষসংহতি।

৩ নং প্রশ্নৰ উত্তৰ ঃ ডেকা সত্রাধিকাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ মাধৱদেৱ।

৫ নং প্রশ্নৰ উত্তৰ ঃ 'নাম সামৰণি অনুষ্ঠান' ভাদ মাহৰ শেষ সংক্রান্তিৰ দিনা পালন কৰা হয়। সেইদিনা চৈধ্য-প্রসংগ লগতে ৰাতিলৈ ভাওনা অনুষ্ঠিত কৰা হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ ঘৰলৈ অনা ন-কইনা এটা সন্তানৰ মাতৃ হোৱাৰ পাচত হে ৰান্ধনী হোৱাৰ নিয়ম।



৬.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

ক) সত্র মানে কি?

খ) সত্রত পাচনিৰ কাম কি?

গ) ডেৰ-পৰীয়াৰ প্রসংগক সত্রৰ চৌধ্য প্রসংগৰ মূল প্রসংগৰ অন্তর্গত বুলি ধৰা হয়নে?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমৰ সত্রসমূহৰ শ্রেণীবিভাগ আৰু এইবোৰৰ প্রকৃতিৰ বিষয়ে ব্যাখ্যা দাঙি ধৰক।

প্রশ্ন ২ ঃ চমুটোকা লিখক— (ক) নিকা সংহতি (খ) ব্রহ্ম সংহতি

(গ) কাল সংহতি (ঘ) পুৰুষ সংহতি

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমৰ সত্রৰ বিভিন্ন বিষয়ৱবীয়া আৰু প্রশাসন প্রণালীৰ সম্বন্ধে আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ সত্রত প্রচলিত বিভিন্ন উৎসৱ অনুষ্ঠানবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ সত্রত প্রচলিত নৃত্য-কর্ম আৰু বিভিন্ন আচাৰ ৰীতি-সম্পর্কে এটি টোকা প্রস্তুত কৰক।

*** ***** ***

অধ্যায় ৭ ঃ নামঘৰ — চমু পৰিচয়

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ নামঘৰ
৭.৩.১ নির্মাণ শৈলী বা গঠন শৈলী
৭.৩.২ নামঘৰৰ কার্যপ্রণালী
৭.৩.৩ ধর্মীয়-চর্চা তথা শিল্প-চর্চাৰ কেন্দ্র
৭.৩.৪ নামঘৰৰ সামাজিক কর্তৃত্ব
৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৫ অধিক জানিবলৈ
৭.৬ অগ্রগতিৰ খতিয়ান
৭.৭ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নামঘৰৰ উদ্ভৱ আৰু ইয়াৰ গঠন শৈলীৰ বিষয়ে জ্ঞাত হ'ব পাৰিব
- নামঘৰৰ বিভিন্ন কার্যপ্রণালী আৰু বিষয়ৱবীয়া সম্পর্কে আলোচনা দাঙি ধৰিব পাৰিব
- ধর্মীয় আৰু শিল্প-কলা চর্চাৰ ক্ষেত্রত নামঘৰৰ ভূমিকাৰ বিষয়ে জানিব পাৰিব
- নামঘৰৰ সামাজিক কর্তৃত্বৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি সত্রীয়া সংস্কৃতি সম্পর্কে সম্যক ধাৰণা লাভ কৰিলে। অধ্যায়টোত আপুনি সত্রৰ সংজ্ঞা, উৎপত্তিৰ পৰা আৰম্ভ কৰি ইয়াৰ বিভাজন, প্রশাসন, নিত্যকর্ম, উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি, পৰিৱেশ্য কলা আদিৰ বিষয়ে অধ্যয়ন কৰিলে। এইটো অধ্যায়ত আপুনি অসমীয়া সংস্কৃতিৰ আন এক অপৰিহার্য অনুষ্ঠান 'নামঘৰ'ৰ বিষয়ে অধ্যয়ন কৰিব।

ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে, মহাপুৰুষ শংকৰদেৱে খ্রীষ্টীয় পঞ্চদশ শতিকাতে ধর্মচর্চা কৰিবলৈ হৰিগৃহ নির্মাণ কৰিছিল। পৰৱর্তী সময়ত সেইবোৰকে 'নামঘৰ' আখ্যাৱে আখ্যায়িত কৰা হয়। সেই সময়ত প্রতিষ্ঠা কৰা হৰিগৃহ বা নামঘৰসমূহক কেন্দ্র কৰিয়েই সত্রৰ সৃষ্টি হয়। পৰিৱর্তিত সময়ৰ লগে লগে সত্রত প্রতিষ্ঠিত নামঘৰৰ অর্হিত অসমৰ গাঁৱে-ভূঞে নামঘৰ প্রতিষ্ঠা

হ'বলৈ ধৰে। এই নামঘৰসমূহক কেন্দ্ৰ কৰিয়েই অসমীয়া সমাজ-জীৱন আৱৰ্তন কৰি আছে বুলি ক'লেও ভুল কোৱা নহয়। নামঘৰে অসমৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক আদি আটাইকেইটা দিশতে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। নামঘৰ সৰ্বসাধাৰণ অসমীয়া ৰাইজৰ ধৰ্ম-চৰ্চাৰ কেন্দ্ৰ হোৱা উপৰি ই সাহিত্য, সংগীত আৰু বিবিধ শিল্প-কলাৰ চৰ্চা কেন্দ্ৰ হিচাপে অতীজৰে পৰা এক বিশিষ্ট আসন অধিকাৰ কৰি আহিছে।

নামঘৰৰ সৃষ্টি, সত্ৰৰ নামঘৰ আৰু গ্ৰাম্য নামঘৰৰ পাৰ্থক্য আদিৰ বিষয়ে চমুকৈ উনুকীয়াই নামঘৰ আমাৰ জাতীয় জীৱনত কেনেদৰে সম্পৃক্ত হৈ আছে সেই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ব। অধ্যায়টোৰ অধ্যয়নে আপোনাক নামঘৰ সম্পৰ্কে বিস্তৃত ধাৰণা প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

৭.৩ নামঘৰ

অসমৰ সামাজিক সাংস্কৃতিক জীৱনত প্ৰধানকৈ যিকেইটা ধৰ্মীয়-অনুষ্ঠানে প্ৰভাৱ বিস্তাৰ কৰি আহিছে, তাৰ ভিতৰত নামঘৰ অন্যতম। নামঘৰ অসমৰ ভক্তি আন্দোলনৰ এক অভিনৱ সৃষ্টি, বিশিষ্ট ধৰ্মীয় অনুষ্ঠান। অসমৰ ভক্তি আন্দোলনৰ এক অন্যতম দিশ 'নাম-কীৰ্তন'ৰ আধাৰতে নামঘৰ বা কীৰ্তনঘৰ গঢ়ি তোলা হৈছে। কোনো কোনো পণ্ডিতে মহাপুৰুষ শংকৰদেৱৰ আগতো এনে ধৰ্মীয়-অনুষ্ঠান আছিল বুলি মত পোষণ কৰিলেও তাৰ নিৰ্ভুল তথ্য এতিয়ালৈকে আৱিষ্কৃত হোৱা নাই। *কথা-গুৰু-চৰিত*ত উল্লেখ থকা অনুসৰি শংকৰদেৱে প্ৰথমবাৰ বিবাহ কৰাৰ পিছত জন্মভূমি আলিপুখুৰীত হৰি কীৰ্তন চৰ্চা কৰিবলৈ লয়। কিন্তু সেই ঠাইত অসুবিধা পোৱাত কঠিয়াতলিত চাৰিহাটী কৰি হৰি গৃহ বান্ধে আৰু ভায়েক ৰামৰায় হতুৱাই দেৱগৃহ সজায়। অৱশ্যে, *গুৰু-চৰিত-কথাত* এই সময়সীমা তেওঁ প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰি ঘূৰি আহি দ্বিতীয় বিবাহ কৰাৰ পাছত বুলি উল্লেখ আছে। দ্বিতীয় বিবাহৰ পাছতহে তেওঁ কুসুম্বৰৰ সৰিয়হ তলী চাফা কৰি হৰিগৃহ নিৰ্মাণ কৰি কৃষ্ণকথা চৰ্চা কৰিবলৈ ল'লে। এই হৰিগৃহই হ'ল প্ৰথমটো নামঘৰ। দুয়োখন চৰিতত ইয়াৰ নিৰ্মাণৰ সময় সম্পৰ্কে মত পাৰ্থক্য আছে যদিও আমি শংকৰদেৱকে নামঘৰৰ প্ৰতিষ্ঠাপক বুলি অভিহিত কৰিব পাৰোঁ। এই দুয়োটা মত আলোচনা কৰি ইতিহাসকাৰসকলে দ্বিতীয়টো সময়সীমাহে অধিক বাস্তৱসন্মত বুলি ক'ব খোজে। কাৰণ— "ছাত্ৰ কালতে শাক্ত পৰম্পৰাতকৈ বৈষ্ণৱ পৰম্পৰা শ্ৰেষ্ঠতৰ যেন বোধ হৈছিল শংকৰৰ; তীৰ্থ ভ্ৰমণ, বিশেষকৈ জগন্নাথ ক্ষেত্ৰত শংকৰাচাৰ্যৰ অদ্বৈতবাদৰ প্ৰভাৱ তথা মূল আৰু পূৰ্ণাংগ *ভাগৱত পুৰাণ* অধ্যয়নত তেওঁ বৈষ্ণৱ পৰম্পৰাৰ শ্ৰেষ্ঠত্ব সম্পৰ্কে নিশ্চিত হৈছিল; তীৰ্থৰ পৰা অহাৰ পাছত তেওঁ প্ৰথমে হৰিগৃহ বান্ধিছিল, তাত ভাগৱত চৰ্চা কৰিছিল। ইয়াৰ পাছতে তেওঁ 'চিহ্নযাত্ৰা' প্ৰদৰ্শন কৰিছিল আৰু তাৰ পিছতহে আনক শৰণ দিবলৈ লৈছিল। বয়সৰ লেখ ধৰিলে তেতিয়া তেওঁ কমেও ৫৯-৬০ বছৰীয়া।" বৰদোৱাত স্থাপন কৰা প্ৰথমটো হৰিগৃহৰ পাছত শংকৰদেৱে বেলগুৰি-ধুৱাহাট আৰু পাটবাউসীতো এনে হৰিগৃহ নিৰ্মাণ কৰিছিল বুলি চৰিত পুথিসমূহে সাক্ষ্য দাঙি ধৰে। পৰৱৰ্তী সময়ত নৰনাৰায়ণ-

চিলাৰায়ৰ পৃষ্ঠপোষকতাত সম্ভৱতঃ ভেলাতো (মধুপুৰ?) তেওঁ এটি হৰিগৃহ নিৰ্মাণ কৰিছিল। কিন্তু ইয়াৰ ইতিহাস ভালদৰে ৰক্ষিত নহ'ল বাবে সঠিকভাৱে কোৱা টান। সেয়ে সামগ্ৰিকভাৱে শংকদেৱে ওপৰত উল্লেখ কৰা তিনিওটা হৰিগৃহহে প্ৰতিষ্ঠা কৰিছিল বুলি বিবেচনা কৰা হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে 'নামঘৰ' শব্দটো সৰ্বপ্ৰথমে ব্যৱহাৰ কৰিছিল কুৰুৱাবাহী সত্ৰৰ ভাগৱত পাঠক ৰামানন্দ দ্বিজে ৰচনা কৰা *বংশীগোপালদেৱ চৰিতত*। পৰৱৰ্তী সময়ত এই শব্দটো সণ্ঢালনিভাৱে প্ৰচলিত হ'বলৈ ধৰে।

এই আলোচনাৰ পৰা আমি এটা স্থিৰ সিদ্ধান্তলৈ আহিব পাৰোঁ যে সত্ৰ প্ৰতিষ্ঠা হোৱাৰ আগতেই নামঘৰৰ প্ৰতিষ্ঠা হৈছিল আৰু এই নামঘৰক কেন্দ্ৰ কৰিয়েই সত্ৰানুষ্ঠানৰ জন্ম। শংকৰদেৱৰ তিৰোভাৱৰ পাছত সৃষ্টি হোৱা সত্ৰানুষ্ঠানবোৰৰ পৰাই অসমৰ গাঁওসমূহতো নামঘৰ স্থাপন হয় আৰু ই শংকৰদেৱে প্ৰৱৰ্তন কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ "অপৰিহাৰ্য গ্ৰাম্যকেন্দ্ৰ" হিচাপে পৰিচিত হয়। এই ক্ষেত্ৰত অমলেন্দু গুহই *বৈষ্ণৱবাদৰ পৰা মায়ামৰীয়া বিদ্ৰোহলৈ* গ্ৰন্থত উল্লেখ কৰা এষাৰ মন্তব্য স্মৰণযোগ্য — "ঐক্যকাৰী সত্ৰীয়া সংস্কৃতিৰ বৰজাপিৰ তলত, জনজাতীয় ডেকাচাঙৰ আৰ্হি লৈ গাঁৱে গাঁৱে, খেলে খেলে অলেখ নামঘৰৰ উদ্ভৱ হৈছিল।" প্ৰথম অৱস্থাত সত্ৰসমূহেই গ্ৰাম্য নামঘৰসমূহবোৰ নেতৃত্ব বহন কৰিছিল যদিও পৰৱৰ্তী সময়ত বিভিন্ন কাৰণত সত্ৰসমূহে এই ভূমিকা গ্ৰহণ নকৰা হ'ল বা হেৰুৱালে। ফলস্বৰূপে গ্ৰাম্য নামঘৰসমূহ মূল সত্ৰৰ আনুগত্য মানি চলিও স্বতন্ত্ৰীয়া অনুষ্ঠান হিচাপে চিহ্নিত হ'ল।

সত্ৰ এখনৰো মূল ধৰ্ম আৰু কৃষ্টি চৰ্চাৰ কেন্দ্ৰ হ'ল নামঘৰ। ইতিমধ্যে আগৰ অধ্যায়টোত আমি উল্লেখ কৰি আহিছোঁ যে নামঘৰক কেন্দ্ৰ কৰিয়েই সত্ৰৰ ভকত-বৈষ্ণৱসকল থাকিবৰ বাবে চাৰিও দিশত চাৰিটা হাটী নিৰ্মাণ কৰা হয়। সাধাৰণতে সত্ৰৰ নামঘৰসমূহ বৃহৎ আকাৰৰ, সুসজ্জিত— মণিকূট, নামঘৰ, টুপ, বাটচ'ৰা, ছোঁঘৰ, তোৰণ সম্বলিত এটি সম্পূৰ্ণ নামঘৰ। মণিকূটত বিগ্ৰহ বা আসন; নামঘৰত আসন, দবা-খোল আদি বাদ্যযন্ত্ৰ, ধৰ্মগ্ৰন্থ; মূল নামঘৰৰ পশ্চিম পিনে নামঘৰটোৰ মূধচটো ভাঙি অৰ্ধচন্দ্ৰাকৃতি কৰি সজা গৃহ-অংশটোৱেই টুপ। এই টুপ অংশতেই নামঘৰত প্ৰৱেশ কৰা মূল দুৱাৰখন থাকে আৰু দুৱাৰত পদুম ফুল, লতা বা নামসিংহ কাটি দিয়া হয়। প্ৰসংগত উল্লেখযোগ্য যে নামসিংহ কটি দিলে সেয়া 'সিংহদুৱাৰ' বুলি কোৱা হয় আৰু আন ফুল, লতা কাটিলে সেয়া 'ফুল-তেতেলা-কটা' দুৱাৰ বুলি কোৱা হয়। ছোঁঘৰত ভাওনাৰ সা-সামগ্ৰী ৰখা হয়। বাটচ'ৰা আৰু তোৰণ মূল নামঘৰৰ লগত সংলগ্ন নহয়। সাধাৰণতে মণিকূট আৰু টুপ অংশক বাদ দি নামঘৰক তিনিটা ভাগত বিভাজন কৰা হয়— আসন থকা অংশক অৰ্চন স্থান, পুথি-ঠগা আদি ৰাখি ধৰ্মগ্ৰন্থ পাঠ কৰা অংশক বন্দন স্থান আৰু যি অংশত ৰৈ ভক্তই আশিস লয় সেয়া পদসেৱন স্থান। সাধাৰণতে সত্ৰৰ নামঘৰ পূবা-পশ্চিমাকৈ সজা হয় যদিও মায়ামৰীয়া সত্ৰৰ নামঘৰ উত্তৰ-দক্ষিণাকৈ সজা হয়। ইয়াৰ পৰাই ধাৰণা কৰিব পাৰি যে সত্ৰৰ সংহতিভেদে নামঘৰৰ স্থাপত্যৰ কিছু পাৰ্থক্য ৰক্ষিত হৈছে।

অসমৰ গাঁওসমূহত থকা নামঘৰসমূহ সাধাৰণতে তেওঁলোক কোনখন সত্ৰৰ শিচ তাৰ আধাৰতেই নিৰ্মাণ কৰা হয়। অসমৰ গ্ৰাম্য নামঘৰসমূহ সাধাৰণতে মণিকূট, নামঘৰ আৰু বাটচ'ৰাৰ

সমষ্টি। গ্রাম্য নামঘৰসমূহত সাধাৰণতে তোৰণ থকা দেখা নাযায় যদিও দুই এঠাইত আছে। মণিকূট আৰু বাটচ'ৰাক বাদ দি সাধাৰণতে পাঁচ বা সাত কোঠালিযুক্ত নামঘৰ সজা হয়। এই নামঘৰসমূহত পৰিস্কাৰ-পৰিচন্ন পোছাক পিন্ধা যিকোনো লোকেই প্ৰৱেশ কৰিব পাৰে, নামঘৰত কোনোধৰণৰ জাতিভিত্তিক বা অৰ্থনৈতিক শ্ৰেণীবিভাজন মানি চলা নহয়, ই এক বিশাল সাংস্কৃতিক কেন্দ্ৰ হিচাপে কাম কৰে। সেয়ে কেশৱানন্দ দেৱগোস্বামীয়ে নামঘৰৰ উদ্দেশ্য ছটা বুলি ঠাৱৰ কৰিছে। যথা — উপসনা থলী, গ্রাম্য আদালত, গ্রাম্য সংসদ, সংগ্রহালয়, সাংস্কৃতিক কেন্দ্ৰ আৰু প্রেক্ষাগৃহ। এক কথাত ক'ব পাৰি নামঘৰ অসমীয়া জাতীয় জীৱনৰ সাংস্কৃতিক মঞ্চস্বৰূপ। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে সত্রৰ নামঘৰসমূহত চৈধ্য প্রসংগ কৰা হয়; কিন্তু গ্রাম্য নামঘৰসমূহত সময়-সুবিধা বুজি দুই বা তিনি প্রসংগহে কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নামঘৰৰ সিংহদুৱাৰ মানে কি?

.....

.....

প্রশ্ন নং ২ ঃ গ্রাম্য নামঘৰসমূহত সাধাৰণতে কেই প্রসংগ কৰা হয়?

.....

৭.৩.১ নির্মাণ শৈলী বা গঠন শৈলী

শংকৰদেৱে হৰিগৃহ প্রতিষ্ঠা কৰোঁতে তাৰ গঠনশৈলী বা স্থাপত্য কেনে আছিল সেই বিষয়ে কোনো ধৰণৰ তথ্য পোৱা নাযায়। এতিয়া অসমৰ সত্র বা গাঁও অঞ্চলত থকা নামঘৰসমূহৰ প্রায় সকলোবোৰেই কুৰি শতিকাতহে নির্মাণ কৰা। অৱশ্যে মায়ামৰা বা মায়ামৰীয়া নামঘৰসমূহ আটোমটোকাৰীকৈ আৰু বিতোপনভাৱে নির্মাণ কৰাৰ তথ্য বিভিন্ন পুথিত সংৰক্ষিত হৈছে। ১৬২৯ খ্রীঃত মায়ামৰীয়াসকলৰ আদিগুৰু অনিৰুদ্ধদেৱৰ পুত্র কৃষ্ণদেৱে স্থাপন কৰা খুটিয়াপোতা সত্রৰ "নামঘৰৰ খুঁটা, চ'তি আৰু বেৰত চিত্র-বিচিত্র ফুল-লতা, পখিলা, দেৱ-দেৱীৰ প্রতিমূর্তি আদি খোদিত কৰি অংকন কৰিছিল... ...মানুহে সেই নামঘৰক ফুলাম নামঘৰ বুলিছিল।" —বুলি উল্লেখ আছে। কিন্তু সেইবোৰৰো নির্মাণ শৈলীৰ বিষয়ে সবিশেষ তথ্য পোৱা নাযায়। সাধাৰণতে অসমত সহজলভ্য বাঁহ, বেত, খেৰ, কাঠ আদিৰে নামঘৰসমূহ নির্মাণ কৰা হৈছিল বাবে প্রাচীন নামঘৰৰ কোনো নিদর্শন পাবলৈ নাই। জ্যোতিপ্রসাদ আগৰৱালাই উল্লেখ কৰি গৈছে যে— "অসমীয়া নামধর্ম যেনেকৈ সহজ-সৰল দর্শনৰ ওপৰত প্রতিষ্ঠিত, অসমীয়া নামঘৰৰ স্থাপত্যও তেনেকুৱাই।" এই ক্ষেত্রত তেওঁ আকৌ মন্তব্য আগবঢ়াইছে যে "ৰৰদোৱাৰ যিটো নামঘৰ আছে সি আড়ম্বৰৰ্জিত আৰু তেনেই সহজ-সৰল, কেৱল মণিকূটৰ ওপৰত দ'ল আৰু নামঘৰটো। দ'লটো বাদ দিলে তাৰ ৰৈখিক ৰূপ বার্লিনত

সজা মেক্স ৰেইনার্টৰ জনতাৰ থিয়েটাৰ (Valkishe Theatre) ঘৰৰ লগত মিলাব পাৰি।''

সাধাৰণতে গ্ৰাম্য নামঘৰসমূহ মণিকূট, মূল কীর্তন ঘৰ বা নামঘৰ আৰু বাটচ'ৰাৰ সমষ্টি। অৱশ্যে আর্থিকভাৱে পিছ পৰা কোনো কোনো অঞ্চলত কেৱল মূল কীর্তন গৃহটোকে দেখা যায়। ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে এই কেইটাৰ উপৰি নামঘৰত তোৰণ, ছোঁঘৰ আৰু টুপ থাকে। দুফালে দুটা খুঁটাৰ ওপৰত চৈৰ আকৃতিৰে নির্মাণ কৰা তোৰণে নামঘৰৰ প্ৰৱেশ পথ সূচিত কৰে। তোৰণ পূর্বতে অসমৰ হাবিত পোৱা কাঠেৰে সজা হৈছিল যদিও বর্তমান কংক্রিতেৰে সজা হয়। কোনো কোনো নামঘৰৰ তোৰণৰ ভাস্কর্য অতি মনোৰম। তোৰণৰ পিছতে থাকে বাটচ'ৰা। সত্ৰ বা নামঘৰৰ প্ৰৱেশ পথ সুনির্দিষ্ট আৰু সুনির্মিত প্ৰৱেশ পথ নির্ধাৰণ কৰি দুচলীয়াকৈ এটি সৰু খোলা ঘৰ সজা হয়— তাকে বাটচ'ৰা বোলা হয়। এই বাটচ'ৰাক বুজাবলৈ 'কৰাপাট' বা 'বাটঘৰা' শব্দাংশও ব্যৱহাৰ কৰা হয়। গ্ৰাম্য নামঘৰসমূহত ভালদৰে বাটচ'ৰা সাজিব নোৱাৰিলে সৰুকৈ এখন চালি নির্মাণ কৰি দিয়া হয় আৰু ইয়াক ঢেঁকেৰী-চালি বোলে। এই বাটচ'ৰা কেতিয়া আৰু কেনেকৈ নামঘৰৰ স্থাপত্যটোত প্ৰৱেশ কৰিলে সেই বিষয়েও প্ৰকৃত তথ্য পাবলৈ নাই। টুপ সম্পর্কে ইতিমধ্যে পূর্বৰ শাখাটোত আলোচনা কৰি অহা হ'ল বাবে পুনৰাবৃত্তি কৰা নহ'ল। কেৱল এটা কথা সংযোজন কৰি যোৱা হ'ল যে টুপ নামঘৰৰ বহিৰংগ অংগ আৰু এটা সময়ত টুপ অংশতেই গ্ৰাম্য বিচাৰসভা, গ্ৰাম্য সংসদ অনুষ্ঠিত কৰা হৈছিল। টুপ অংশত গাঁওৰ মূল বিষয়ৱবীয়াসকলে আসন গ্ৰহণ কৰে আৰু ৰাইজে নামঘৰৰ চোতালত অৱস্থান কৰি এই সভাসমূহ চলাইছিল। টুপৰ গাতে লগাই দক্ষিণ-পশ্চিম চুকতে ছোঁঘৰটো সজা হয়। ভাওনা কৰোঁতে প্ৰয়োজন হোৱা মুখাকে ধৰি বিভিন্ন ছোঁ সামগ্ৰী, পোছাক-পৰিচ্ছদ, আ-অলংকাৰ ইয়াত ৰখা হয়। ভাৱৰীয়াই ইয়াৰ পৰাই ভাওনাস্থলীত প্ৰৱেশ কৰে।

নামঘৰ স্থাপত্যৰ মূল অংশ দুটা হ'ল মণিকূট আৰু কীর্তন ঘৰ বা নামঘৰ। কপিলা বাৎসায়নৰ মতে "নামঘৰটো হ'ল বাঁহ আৰু ইকৰাৰ আঁতৰাব পৰা বেৰৰে সৈতে এটা আয়তাকাৰ গৃহ।" নামঘৰ পূবা-পশ্চিমাকৈ সজা হয় যদিও মায়ামৰা সত্ৰৰ শিচসকলে উত্তৰ-দক্ষিণাকৈ নির্মাণ কৰে। মণিকূট আৰু টুপ অংশ বাদ দি নামঘৰৰ দৈর্ঘ্য আৰু প্ৰস্থৰ অনুপাত সাধাৰণতে ৩ ঃ ২। এটা শাৰীত সাতটাকৈ খুঁটা দি চৈধ্যটা খুঁটাৰে সাত কোঠালিৰ নামঘৰ সজা হয় যদিও তিনি বা পাঁচ কোঠালিৰ নামঘৰো আছে। চৈধ্যটা খুঁটা (মূল খুঁটা) চৈধ্যজন পাৰিষদৰ প্ৰতীক বুলি বিবেচনা কৰা হয়। এই খুঁটা কেইটা চ'তিৰে দুচলীয়াকৈ সংযোগ কৰা হয়। তাৰ পাছত দুয়োফালে মূল খুঁটাতকৈ চাপৰ দুলানি খুঁটা পুতি (চালি খুঁটা) মূল চালতকৈ চাপৰ কৰি সংযোজন কৰি বর্ধিত কৰি দিয়া হয়। মূল খুঁটাৰ আধাৰত বিভাজন কৰি একেবাৰে সন্মুখৰ ভাগৰ কোঠাটোক 'শিৰ' বোলা হয় আৰু ইয়াতে আসন স্থাপন কৰা হয়। শেষৰ কোঠালিৰ উত্তৰ বা দক্ষিণ পিনে তিনিটা

খুঁটাৰে চাং এখন পাতি তাতে ডবা থয়। নামঘৰৰ চ'তিসমূহ বিবিধ ফুল-লতা আদিৰে অলংকৃত কৰা হয়। মন কৰিবলগীয়া যে উত্তৰ ফালৰ দ্বিতীয়টো খুঁটাক 'লাইখুঁটা' বুলি কোৱা হয়। সত্ৰৰ নামঘৰত তাত অধিকাৰ বা গোসাঁইসকল বহে আৰু গ্ৰাম্য নামঘৰত বুঢ়া ভকতগৰাকীয়েহে তাত বহাৰ অধিকাৰ লাভ কৰে। দক্ষিণফালে ব্ৰাহ্মণৰ স্থান আৰু উত্তৰফালে আইসকল বহে।

নামঘৰৰ প্ৰথম কোঠালিত নাইবা মণিকূটত অথবা দুয়ো ঠাইতে আসন প্ৰতিষ্ঠা কৰা হয়। এই আসনক সিংহাসন, গুৰু আসন আৰু গৰুড়াসন বুলি অভিহিত কৰা হৈছিল যদিও সম্প্ৰতি সকলোৱে সিংহাসন বুলিয়েই কয়। এই আসন কাঠেৰে নিৰ্মাণ কৰা হয় আৰু ই তিনি, পাঁচ বা সাত খলপীয়া। আসনৰ প্ৰতিটো খলপাত ক্ৰমে কাছ, হাতী, নামসিংহ বা গৰুড়পক্ষীৰ মূৰ্তি সজ্জিত কৰি দিয়া হয়। এই মূৰ্ত্তিসমূহ এটাৰ পিঠিত এটা উঠি থাকে, পৃথকে পৃথকে নহয়। আসনৰ প্ৰতিটো খলপাত উল্লিখিত মূৰ্তিসমূহ সজ্জিত কৰি লেখনিপট (ভূমিৰ সমভাগে সংযোজিত কাঠৰ চলা) তথা পাৰণিপট (আনুভূমিকভাৱে সংযোজিত কাঠৰ চলা)যোগ কৰি কৰি ওপৰৰ ফালে ক্ৰমহ্ৰাসমান জোখেৰে এই আসন নিৰ্মাণ কৰা হয়। লেখনিপট তথা পাৰণিপটসমূহত দশাৱতাৰ, চতুৰ্বিংশতি অৱতাৰ অথবা ফুল-লতাৰ ছবিখনি হেঙুল-হাইতালেৰে বোলোৱা হয়। একেবাৰে শীৰ্ষত থাকে 'আমহি ঘৰ'। দৌলাকাৰ এই আমহি ঘৰ বিষ্ণুৰ বৈকুণ্ঠাৱাসৰ প্ৰতীক আৰু ইয়াতে বৈষ্ণৱ চাৰিপুথিৰ যি কোনো এখন অথবা *গুণমালা*খন থোৱা হয়। ইয়াৰ দুৱাৰত দ্বাৰৰক্ষক জয়-বিজয়ৰ ছবি আঁকা হয়। আমহি ঘৰত থোৱা পুথিখন কাপোৰেৰে ঢাকি থোৱা হয়। কেউকাষৰ খলপাৰ সন্মুখভাগত ***গোঁসাই কাপোৰ*** আৰু তাৰ ওপৰত সোণ-ৰূপৰ ফুল থাকে। একেবাৰে ওপৰত পিতল বা কাঁহৰ কলচী লগোৱা থাকে। ইয়াৰ ওপৰত চন্দ্ৰতাপ আচ্ছাদন কৰি দিয়া হয়। চন্দ্ৰতাপৰ চাৰি চুকে চাৰিটা আৰু মাজতে এটা চোঁৱৰ আঁৰি দিয়া হয়। আসনসমূহ অসমত সহজলভ্য বেল, গমাৰি আৰু কঁঠাল কাঠেৰে নিৰ্মাণ কৰা হয়। এই আসনৰ ভাস্কৰ্য কেতিয়াৰ পৰা এনে হ'ল সেই বিষয়েও কোনো তথ্য পোৱা নাযায়। শংকৰদেৱৰ বিষয়ে লিখা চৰিতসমূহত তেওঁ আসন প্ৰতিষ্ঠা কৰাৰ কথা উল্লেখ নাই। মাধৱদেৱৰ দিনত বৰপেটা সত্ৰত আসন নিৰ্মাণ হোৱাৰ কথা চৰিতপুথিত উল্লেখ আছে যদিও তাৰ ভাস্কৰ্য কেনে আছিল সেই বিষয়ে কোনো লিপিবদ্ধ তথ্য নাই। ইতিহাসকাৰৰ মতে "গুৰু আসন/সিংহাসনো পৰিৱৰ্তিত হৈছে; অজস্ৰজনৰ ৰুচি-অভিৰুচিৰ প্ৰভাৱেৰে ই বৰ্তমানৰ ৰূপ লৈছে। আদি ৰূপকল্পকজনৰ ভৱিষ্যদৰ্শিতাক স্বীকৃতি দিও এই সাৰ্বজনীনতাক আমি শ্ৰদ্ধা কৰিব লাগিব।"

আসনৰ দক্ষিণফালে পুথি আৰু ঠগি বা ঠগা থাকে। উত্তৰফালে থাকে গছা। গছাৰ আকৃতি বিভিন্ন ধৰণৰ আৰু ইয়াতে চাকি জ্বলোৱা হয়। নামঘৰত থকা ঠগাসমূহো বিভিন্ন প্ৰকাৰৰ, ইয়াতো অসমীয়া লোকশিল্পীয়ে বিভিন্ন চানেকী কাটি দিয়া দেখা যায়। মণিকূট নথকা নামঘৰসমূহত নামঘৰৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ এই শিৰ অংশতেই ৰখা



গোঁসাই কাপোৰ ঃ অসমীয়া শিপীনিয়ে অতি ভক্তিসহকাৰে নামঘৰত প্ৰদান কৰিবলৈ বোৱা কাপোৰ। ইয়াত নান ধৰণৰ ফুল, অৱতাৰী ৰূপ বা ঘোষা চানেকী হিচাপে থাকে।

যায়। মণিকূট থকা নামঘৰত সেয়া মণিকূটতত ৰখা হয়।



জানি থোৱা ভাল

সাধাৰণতে পুৰুষ আৰু নিকা সংহতিৰ নামঘৰত গুৰু আসন, ব্ৰহ্ম সংহতিৰ নামঘৰত সিংহাসন আৰু কাল সংহতিৰ নামঘৰত গড়ৰাসন প্ৰতিষ্ঠা কৰা হয়।

নামঘৰ বা কীৰ্তন ঘৰটোৰ সন্মুখভাগত পথালিকৈ মণিকূট সজা হয়। বহু গ্ৰাম্য নামঘৰৰ মণিকূট নাথাকে। মণিকূট থকা নামঘৰসমূহত আসনভাগ মণিকূটত স্থাপন কৰা হয় অথবা নামঘৰ আৰু মণিকূট দুয়ো ঠাইতে প্ৰতিষ্ঠা কৰা হয়। সাধাৰণতে মণিকূটত তিৰোতাৰ প্ৰৱেশ নিষিদ্ধ। এই মণিকূট নামঘৰৰ মূল স্থাপত্যৰ লগত কেনেদৰে সংলগ্ন হ'ল বা কোনে কৰিলে সেয়াও আলোছায়াময় অন্ধকাৰৰ নিমৰ্জিত হৈ আছে। অসমৰ বিভিন্ন ঠাইত থকা সত্ৰৰ নামঘৰ আৰু গ্ৰাম্য নামঘৰসমূহ নিৰীক্ষণ কৰি আলোচকসকলে মণিকূট ক্ৰমে — ভাঁজলগা চালৰ, চাৰিচলীয়া আৰু গম্বুজচলীয়া বুলি বিভাজন কৰিছে। মন কৰিবলগীয়া যে ভূষণ দ্বিজৰ চৰিতত 'মণিকূট' শব্দটোৰ প্ৰয়োগ আছে যদিও তাৰ স্থাপত্য কেনে আছিল সেয়া উল্লেখ নাই। এইখিনিতে এটা কথা স্মৰণযোগ্য যে ব্ৰিটিছসকলে অসমৰ শাসনভাৰ গ্ৰহণ কৰাৰ পাছত অসম আৰ্হিৰ ঘৰবোৰত গম্বুজ একোটা সংযোজন ঘটাইছিল। পৰৱৰ্তী সময়ত বিভিন্ন ঠাইত এই আৰ্হিটো গ্ৰহণ কৰা হয়। গম্বুজ আকৃতিৰ মণিকূটৰ সৃষ্টি ইয়াৰ পৰাই হৈছিল নেকি সেই বিষয়েও সন্দেহ আছে বুলি কোনো কোনো গৱেষকে মন্তব্য কৰিছে।

সাধাৰণতে দেখা যায় যে ব্ৰহ্ম সংহতিৰ সত্ৰসমূহৰ একোজনা আৰাধ্য বিগ্ৰহ থাকে আৰু তেখেতক স্থাপন কৰা হয় মণিকূটত। এয়া যেন কোনো হিন্দু মন্দিৰৰ গৰ্ভভাগ। ইয়াত সত্ৰৰ অধিকাৰ তথা অন্যান্যসকলে ত্ৰিসন্ধ্যা পূজা-অৰ্চনা কৰে। এই ঠালৰ অন্তৰ্গত বা সত্ৰৰ অনুগামী গ্ৰাম্য নামঘৰসমূহৰো মণিকূটত বিগ্ৰহ ৰখা হয় আৰু দ্বিসন্ধ্যা পূজা কৰা হয়। নামঘৰত তেওঁলোকে নাম-কীৰ্তন আৰু কৃষ্টি চৰ্চা কৰে। সেই বাবেই পুলিন কলিতাই তেওঁৰ *নামঘৰ বুৰঞ্জী আৰু বিৱৰণ* শীৰ্ষক গৱেষণা গ্ৰন্থত উল্লেখ কৰিছে— "সম্ভৱতঃ ব্ৰহ্মসংহতিৰ সত্ৰ আৰু নামঘৰতে সৰ্বপ্ৰথম মণিকূট সংযোজিত হৈছিল।" বাকী সংহতিসমূহৰ মণিকূটে এক প্ৰকাৰৰ ভঁৰালৰ কাম কৰে আৰু সত্ৰ বা নামঘৰৰ মূল্যৱান সম্পদসমূহ ইয়াত ৰখা হয়। সাম্প্ৰতিক সময়ত পিচে প্ৰায়বোৰ নামঘৰৰে মণিকূটত গুৰু আসন বা সিংহাসন ৰাখিবলৈ লৈছে। কলিতাই পুনৰ মন্তব্য আগবঢ়াইছে — "মাধৱদেৱ আৰু দামোদৰদেৱৰ মতান্তৰ আৰু মনান্তৰৰ ফল যিহেতু আছিল ব্ৰহ্মসংহতি আৰু নিকা সংহতিৰ উৎপত্তিৰ কাৰণ; তেনেতে আমি ভাবি ল'ব পাৰোঁ নেকি যে মণিকূটৰ সংযোজন ব্ৰহ্মসংহতিৰেই খাটাংকৈ হয়। মণিকূটৰ সংযোজনে

নামঘৰক সৌন্দর্য দান কৰে। সেই সৌন্দর্যৰ আকর্ষণতেই নামঘৰলৈ মণিকূট আহিল নেকি? খেৰ-বাঁহেৰে সজা দিনত মণিকূট নিশ্চয় দুচলীয়াই আছিল। তাৰ পিছত খাছিসকলৰ সৈতে কোনো প্রকাৰ সংশ্রৱৰ ফলত অধিক সৌন্দর্যযুক্ত চাৰিচলীয়া মণিকূট সজাৰ পৰম্পৰা আৰম্ভ হ'ল নেকি?"

সামগ্রিকভাৱে সত্র আৰু গ্রাম্য নামঘৰৰ স্থাপত্য বা গঠন ৰীতি পূর্বতে এনে ধৰণৰেই আছিল যদিও সম্প্রতি যুগৰ আহ্বানমর্মে প্রায়বিলাক নামঘৰ কংক্রিতৰ হৈ পৰিছে। চ'তিত কাঠৰ ঠাইত এলুমিনিয়াম, চালত খেৰৰ ঠাইত টিংপাত লগোৱা হৈছে। টুপসমূহ নাইকীয়া হৈছে, দাৰু শিল্প অন্তর্ধান হৈছে আৰু কাষত বাঁহেৰে নির্মাণ কৰা খুলিব পৰা অংশটোও নাইকীয়া হৈ সম্পূর্ণৰূপে বন্ধ কংক্রিৰ ৰূপ লৈছে। দুৱাৰ মুখত থকা জয়-বিজয়ৰ প্রতিমূর্তিৰ ঠাই সিংহই (নামসিংহ?) দখল কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ঢেঁকেৰী-চালি কাক বোলে?

.....

.....

প্রশ্ন নং ৪ ঃ আমহি ঘৰ মানে কি? চমুকৈ লিখক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

৭.৩.২ নামঘৰৰ কার্যপ্রণালী

ইতিপূর্বে হোৱা আলোচনাৰ পৰা আপুনি নিশ্চয় ধাৰণা কৰিব পাৰিছে যে নামঘৰ প্রতিষ্ঠা কৰা হৈছিল মূলতঃ 'হৰিকথা চর্চিবলৈ' আৰু ইচ্ছুকজনক নামধর্মৰ মূল উপাস্য দেৱতা কৃষ্ণত শৰণ দিবলৈ। সত্রৰ নামঘৰসমূহ সত্রখনৰ অধিকাৰজনৰ চত্রছায়াতেই পৰিচালিত হয়। সত্রত উদ্‌যাপন কৰা উৎসৱ-অনুষ্ঠানসমূহ নামঘৰক কেন্দ্র কৰিয়েই অনুষ্ঠিত কৰা হয় আৰু সেই বিষয়ে পূর্বৱর্তী অধ্যায়টোত আলোচনা কৰা বাবে ইয়াত পুনৰুক্তি কৰা নহ'ল। আমি ইয়াত মূলতঃ অসমৰ গ্রাম্য নামঘৰৰ বিষয়েহে আলোচনা কৰিম। পূর্বৱর্তী এটি শাখাত ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে যে অসমৰ গ্রাম্য নামঘৰৰ উদ্দেশ্য ছটা — উপসনা থলী, গ্রাম্য আদালত, গ্রাম্য সংসদ, সংগ্রহালয়, সাংস্কৃতিক কেন্দ্র আৰু প্রেক্ষাগৃহ। এই কথাও ইতিপূর্বে উল্লেখ কৰি অহা হৈছে যে সত্রৰ নামঘৰসমূহত চৈধ্য প্রসংগ কৰা হয় আৰু গ্রাম্য নামঘৰত কেৱল দুই বা তিনি প্রসংগহে কৰা হয়। মন

কৰিবলগীয়া যে শংকৰদেৱে বৰদোৱাত থাকোঁতে 'চিহ্নযাত্রা' মঞ্চস্থ কৰাৰ পাছত দৌলউৎসৱ কৰিছিল আৰু তাৰ বাবে কেইবাটাও গীত লিখি সুৰ সংযোগ কৰি পৰিৱেশন কৰিছিল। সেই অনুসৰি গ্রাম্য নামঘৰসমূহতো কৃষ্ণকথা চর্চা কৰাৰ লগতে বিভিন্ন ধর্মীয় উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰা হয়। নামঘৰত নাম কীর্তন কৰাৰ উপৰি গাঁৱৰ বার্ষিক বৰসবাহ, ভাওনা, পালনাম আদি পতা হয়। তদুপৰি মহাপুৰুষসকলৰ তিথিত নাম-কীর্তন, ভাওনা অনুষ্ঠিত কৰা হয়। নামঘৰত নাম-কীর্তনৰ লগতে গুৰু দুজনাৰ ভক্তিমূলক গ্রন্থসমূহ পাঠ কৰা হয়। পাঠকে ঘোষা, পদসমূহ মাজে মাজে ব্যাখ্যা কৰি যায় আৰু ভকতসকলে সেই ধর্মীয় কথাবোৰ কাণপাতি শ্রৱণ কৰে। শংকৰদেৱৰ দিনৰে পৰাই এই প্রথা চলি আহিছে।

নামঘৰত হোৱা বিভিন্ন সামাজিক আৰু ধর্মীয় কার্যবোৰ পৰিচালনা কৰিবৰ বাবে প্রতিখন গাঁৱৰ নামঘৰতে কিছুমান বিষয়ৱবীয়া থাকে। সাধাৰণতে প্রতিটো গ্রাম্য নামঘৰৰ পৰিচালনা সমিতিসমূহ গঠন কৰা হয় চাৰিটা পদেৰে— নামঘৰীয়া, গায়ন, বায়ন আৰু সূত্রধাৰ। নামঘৰীয়াজনে নামঘৰৰ সকলো কর্ম সম্পাদন কৰে। নামঘৰ সাৰি-মচি পৰিষ্কাৰ কৰি ৰখাৰ লগতে চাকি-বস্তি জ্বলায়। গায়নে ভাওনা বা আন প্রসংগসমূহত গীত পৰিৱেশন কৰে আৰু বায়নে তাৰ সৈতে বাদ্য সংগত কৰে। সূত্রধাৰ নামঘৰৰ প্রধান সংগীতজ্ঞ আৰু নৃত্যকাৰ। এওঁ ভাওনাত সূত্রধাৰৰ ভাও দিয়াৰ উপৰি ভাৱৰীয়া আৰু নটুৱাক ভাও, নাচ আদি শিকাব লাগে।এইসকলৰ উপৰি সাতোলা, বাৰিক, দেউৰী, নাম লগোৱা, পাঠক আদি বিভিন্ন পদবী থাকে। সাতোলা মেধিৰ দৰে এগৰাকী বিষয়া যিজনে নামঘৰত অনুষ্ঠিত হ'বলগীয়া উৎসৱৰ বস্তু-বাহিনী সংগ্রহ কৰে। বাৰিক হ'ল পঁচা তোলা আদি কাম কৰিবলৈ গওঁগ ৰাইজে পাতি লোৱা বিষয়বাব। মাহ প্রসাদ যোগাৰ আৰু প্রসংগৰ অন্তত সমজুৱাৰ মাজত প্রসাদ বিতৰণ কৰা লোকজনক দেউৰী বোলা হয়। নাম-প্রসংগ চলোৱা ব্যক্তিজনক নাম লগোৱা বোলে আৰু পাঠকে নামৰ অন্তত ধর্ম পুথিসমূহ সুৰ লগাই পাঠ কৰাৰ লগতে ঘোষা, পদসমূহ প্রয়োজন সাপেক্ষে ব্যাখ্যা কৰি যায়। নামঘৰত হোৱা যিকোনো ৰাজহুৱা অনুষ্ঠান আদিত এওঁলোকে পদমর্যাদা অনুযায়ী আসন পায় আৰু প্রসাদৰ অতিৰিক্ত ভাগ পায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ নামঘৰত পাঠকৰ কাম কি?

.....

.....

৭.৩.৩ ধর্মীয় চর্চা তথা শিল্প-চর্চাৰ কেন্দ্র

ইতিমধ্যে কৰা আলোচনাতে এটি কথা স্পষ্ট হৈছে যে নামঘৰ গওঁগলোকৰ

ধর্মীয়-অনুষ্ঠান লগতে উৎসৱাদিৰ পালনৰ কেন্দ্রস্থল। ইয়াৰ লগতে অসমৰ পুৰণি স্থায়ী মঞ্চ তথা প্রেক্ষাগৃহ হিচাপে আমি নামঘৰকে অভিহিত কৰিব পাৰোঁ। নামঘৰ কেতিয়াৰে পৰা স্থায়ী মঞ্চ তথা প্রেক্ষাগৃহ হিচাপে চিহ্নিত হ'ল বা কোনে এই পৰিক্রমা আৰম্ভ কৰিলে সেই বিষয়ে অধিক গৱেষণাৰ প্রয়োজন এতিয়াও আছে। শংকৰদেৱে তেওঁৰ দিনতে হৰিগৃহ স্থাপন কৰাৰ লগতে যাত্রা-ভাওনাৰ শুভাৰম্ভ কৰাৰ কথা সকলোৱে জানে। অৱশ্যে, এই পৰিৱেশনসমূহ নামঘৰত যে কৰিছিল তাৰ কোনো প্রমাণসিদ্ধ তথ্য চৰিতসমূহত লিপিবদ্ধ ৰূপত নাই। কিন্তু সেই সময়ত যে হৰিগৃহৰ ভিতৰত এনে চর্চা কৰা হোৱা নাছিল সেই কথা উল্লেখ আছে। শংকৰদেৱৰ তিৰোভাৱৰ পাছত নাৰায়ণ দাস ঠাকুৰ আতাই দামোদৰদেৱৰ উদাহৰণ দি হৰিগৃহ সাজি বৰঘৰ, গায়ন, বায়ন, নটুৱা, যাত্রা-মহোৎসৱ, ভাওনা কৰিবলৈ মাধৱদেৱক অনুৰোধ কৰাত তেওঁক গুৰুজনাই এই কামৰ বাবে নামঘৰ বা হৰিগৃহ ব্যৱহাৰ কৰিবলৈ বাৰণ কৰি গৈছে বুলি কয়। কিন্তু নাৰায়ণ দাসে মাধৱদেৱক ধর্ম প্রচাৰৰ বাবে অধিষ্ঠিত কৰি গৈছে বাবে সেয়া প্রসাৰৰ ব্যৱস্থা কৰাহে যুগুত বুলি কোৱাত মাধৱদেৱে তেওঁৰ কথা মানি 'ৰঙ্গাৱন গৃহ' প্রতিষ্ঠা কৰি *ভাগৱত* থাপন কৰি দিনত 'ভোজন বেহাৰ' আৰু ৰাতি 'দধি-মথন' নাট মঞ্চস্থ কৰাৰ কথা চৰিতপুথিত উল্লেখ আছে। এই পৰিৱেশনত বালকসকলকে নটুৱা ভাও লোৱাৰ লগতে পুৰুষসকলেই যে স্ত্রীবেশ ধৰি দধীমথনকাৰীৰ ভাও গ্রহণ কৰিছিল, সেই কথাও বিস্তৃতভাৱে চৰিতপুথিত উল্লেখ কৰিছে। এইদৰে স্থাপন কৰা হৰিচর্চা তথা কৃষ্টিচর্চা কৰা গৃহটোৱে ৰাইজৰ মাজত সমাদৰ লাভ কৰিলে আৰু সেই চর্চা গ্রাম্য নামঘৰসমূহলৈ সম্প্রসাৰিত হ'ল বুলি ভাবিব পাৰি।

নামঘৰসমূহক কেনেদৰে মঞ্চ তথা প্রেক্ষাগৃহ হিচাপে ব্যৱহাৰ কৰা হয় সেই বিষয়ে কিছু কথা আলোচনা কৰাৰ প্রয়োজনীয়তা আছে। সাধাৰণতে ভাওনা পৰিৱেশনৰ বাবে মঞ্চ হিচাপে নামঘৰৰ মজিয়াখনকে ব্যৱহাৰ কৰা হয়। নামঘৰত আসনভাগ থাকিলে সেই খোটালিটো এৰি আৰু নাথাকিলে সেই খোটালিটোও অন্তর্ভুক্ত কৰি মঞ্চৰ সন্মুখৰ সীমা নির্ধাৰণ কৰি লোৱা হয়। নামঘৰৰ পশ্চিম দিশত অগ্নিগড় স্থাপন কৰি সীমা নির্ধাৰণ কৰা হয়। এই অগ্নিগড়ৰ মাজেদিয়েই গায়ন-বায়ন-সূত্রধাৰৰ লগতে সকলো অভিনেতাই প্রৱেশ কৰে। গায়ন-বায়ন আৰু সূত্রধাৰ অগ্নিগড়ৰ কাষত বহে আৰু থাপনাৰ ফালে মুখ কৰি থাকে। নামঘৰৰ উত্তৰ আৰু দক্ষিণ দিশত অভিনেতাসকলৰ বহাৰ স্থান নির্ধাৰণ কৰি দি সেই দিশ দুটাত মঞ্চখনৰ সীমা নির্ধাৰণ কৰা হয়। প্রায়ে অভিনয় ক্ষেত্রৰ ওপৰত বগা কাপোৰৰ জলম লগোৱা আৰু ৰঙা নক্সা থকা চন্দ্রতাপ আঁৰি দিয়া হয়। আজিকালি অৱশ্যে বাঁহেৰে নির্মাণ কৰা এটি স্থাপত্য তৈয়াৰ কৰি তাত বিভিন্ন ধৰণৰ ৰং-বিৰঙৰ কাগজ কাটি কৰা ফুল আদি লগাই দি ভাওনাৰ অভিনয়স্থল নির্ধাৰণ কৰি লোৱা দেখা যায়। ছোঁঘৰত ভাওনাখনৰ প্রয়োজনীয় সা-সামগ্রীখিনি থোৱা হয়। সত্রাধিকাৰ বা গাঁৱৰ গণ্য-মান্য ব্যক্তিসকল থাপনা বা মণিকূটৰ কাষত বহে। বাকী দর্শকসকল নামঘৰৰ উত্তৰ-

দক্ষিণফালে থকা চালি দুখনৰ তলত বহে। প্রয়োজনসাপেক্ষে কাষত থকা বাঁহৰ বেৰকেউখনেই খুলি দি অস্থায়ী চালি সাজি দর্শক বহাৰ স্থান সম্প্রসাৰণ কৰি লোৱা হয়। অৱশ্যে আজিকালি স্থায়ী বেৰ নির্মাণ কৰাত প্রেক্ষাগৃহৰ সম্প্রসাৰণ কৰিব নোৱৰা অৱস্থা এটাৰ সৃষ্টি হৈছে। এই আলোচনাখিনিয়ে আপোনাক নিশ্চয় নামঘৰকে যে ভাওনাৰ মঞ্চ তথা প্রেক্ষাগৃহ হিচাপে কেনেদৰে ব্যৱহাৰ কৰা হয় সেই বিষয়ে সম্যকভাৱে ধাৰণা প্রদান কৰিলে।

উপর্যুক্ত আলোচনাৰ পৰা আৰু এটা কথা স্পষ্টভাৱে আমাৰ চকুত ধৰা দিলে যে, গ্রাম্য নামঘৰসমূহক কেন্দ্র কৰিয়েই অসমৰ কলা-চর্চাৰ পৰম্পৰা এটা গঢ় লৈ উঠিল। নামঘৰসমূহ হৈ পৰিল অসমীয়া শিল্প-চর্চাৰ এক বিশিষ্ট কেন্দ্র। ইয়াতেই ভাওনাৰ বাবে গাঁৱৰ লোকসকলক নৃত্য-গীত-বাদ্যৰ শিক্ষা দিয়া হয়। বিশেষকৈ গাঁৱৰ ডেকাসকলে বয়সিয়াল শিল্পীসকলৰ পৰা গায়ন-বায়ন গোৱা, সূত্রধাৰ গোৱা, বিভিন্ন ৰাগ-তাল-মান ৰক্ষা কৰি বৰগীত গোৱা, অংকীয়া গীত গোৱা, বিভিন্ন টোটয়, চপয়, পয়াৰ, ঘোষা, কীর্তন, ঝুমুৰি আদি গোৱা, কৃষ্ণ আৰু অন্যান্য ভাৱৰীয়াৰ ভাও দিয়া, বিভিন্ন ধৰণৰ নৃত্যাদি কৰা শিক্ষা আজৰি সময়ত পাই আহিছে। এসময়ত গাঁৱৰ নামঘৰক কেন্দ্র কৰিয়েই গা-কৰি উঠিছিল উচ্চ মানবিশিষ্ট ঘৰুৱা শিল্প আৰু খনিকৰী শিল্প-চর্চা। ফলস্বৰূপে গাঁৱৰ খনিকৰসকলে গাঁৱৰ নামঘৰৰ প্রয়োজনীয় তিনি খলপীয়া, পাঁচ খলপীয়া, সাত খলপীয়া সিংহাসন, গৰুড়াসন, কৰণি, ৰাঙলি শৰাই, ঠগা আদি সাজি উলিয়াইছিল। সুন্দৰ লতা, ফুল, মূর্তি আদি কাটি উলিয়াইছিল। লিখনীত হেঙুল-হাইতাল প্রয়োগ কৰিছিল। অসমৰ কঁহাৰসকলে পিতলৰ ডাঙৰ শৰাই, ডাঙৰ বঁটা, বান আদি নির্মাণ কৰি দিছিল। নামঘৰলৈ দিয়া ঠগা ভদ্রাসন, চাকি থোৱা গছা, উড়াল, উড়াল মাৰি, খুন্দনা আদিত শিল্পীসকলে লতাফুল, বিভিন্ন চিত্রাদি কাটি কাৰুকার্য কৰি তুলিছিল। নামঘৰৰ মণিকূট, বেৰ-দুৱাৰ, চ'তি আদিত বিষ্ণুৰ দশাৱতাৰ, বাইশ অৱতাৰ, চৌব্বিশ অৱতাৰ লগতে বৈষ্ণৱ ধর্মৰ লগত জড়িত বিভিন্ন পুৰাণ কাহিনীৰ চিত্র অংকন কৰি তাত হেঙুল হাইতাল বোলাই দিছিল। গাঁৱৰ শিপিনীসকলে গুৰুদুজনাৰ ঘোষাৰ পদ ধুনীয়াকৈ কাপোৰত লিখি দিছিল। সেইদৰে ভাওনাত প্রয়োজন হোৱা ধনু, কাঁড়, তৰোৱাল, গদা, মুকুট, কিৰীটি, চুলি, বিভিন্ন দেৱ-দেৱতা, ৰাক্ষস, কিন্নৰ, নাগ, বিভিন্ন জন্তু, যেনে— ঘোঁৰা, বাঘ, গৰু, বান্দৰ আদিৰ মুখা সঁজাৰ চর্চা নামঘৰৰ যোগেদি চলি আহিছে। এইবোৰৰ উপৰি বাঁহ-কাঠৰ ফণি, কাকৈ, বেটৰ বটা, শৰাই, বাঁহ-বেতৰ বিচনী, ফুলাম জাপি, পাচি, খৰাহী, চালনী, কুলা, ডলা, উঘা, চেৰেকী আদি নিত্য প্রয়োজনীয় সামগ্রীৰ নির্মাণ আজৰি সময়ত পুৰাণ, ভাগৱতাদি পাঠৰ শ্রৱণৰ মাজতে চর্চা হৈ আহিছে। এক কথাত ক'ব পাৰি নামঘৰ ধর্ম-চর্চাৰ লগতে শিল্প-চর্চাৰ কেন্দ্র হিচাপেও পৰিগণিত হ'ল। আৰু সেইবাবেই নামঘৰত আমাৰ ঐতিহ্যৰ সংগ্রহালয় হিচাপে অভিহিত কৰা হয় । সেইবাবেই হয়তো বিৰিঞ্চি কুমাৰ বৰুৱাই নামঘৰক 'জাতীয় নাটশালা' বুলি আখ্যায়িত কৰিছিল।

বৰ্তমান সময়ত ঘটা অৰ্থনৈতিক পৰিৱৰ্তন, শিক্ষাৰ বিস্তাৰ আদি বিভিন্ন কাৰকেও কিন্তু নামঘৰক কেন্দ্ৰ কৰি আৱৰ্তিত ধৰ্মীয় বা আধ্যাত্মিক ভূমিকাৰ বিশেষ পৰিৱৰ্তন আনিব পৰা নাই বুলিয়েই ক'ব পাৰি। অৱশ্যে, নামঘৰসমূহক কেন্দ্ৰ কৰি আৱৰ্তিত বিভিন্ন শিল্পকলা চৰ্চাতহে বাধাৰ প্ৰাচীৰ গঢ়ি তুলিলে। আনকি এনে চৰ্চা নাইকিয়াই হৈ গৈছে যেন বোধ হয় যদিও ভাওনা, বৰসবাহ আদি অনুষ্ঠিত কৰাৰ প্ৰসংগত কিছু পৰিমাণে চৰ্চা কৰা পৰিলক্ষিত হয়। কিন্তু এই চৰ্চাত সময়ৰ চাপ স্পষ্ট।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ মাধৱদেৱে 'ৰঙ্গাৱন গৃহ' প্ৰতিষ্ঠা কৰি কি কি নাট মঞ্চস্থ কৰিছিল বুলি চৰিত পুথিত উল্লেখ আছে?

.....

.....

প্ৰশ্ন নং ৭ ঃ নামঘৰৰ যোগেদি গওঁৰা লোকসকলে কি কি নৃত্য-গীত বাদ্যৰ শিক্ষা লাভ কৰি আহিছে?

.....

.....

৭.৩.৪ নামঘৰৰ সামাজিক কৰ্তৃত্ব

অতীজৰে পৰা নামঘৰে ধৰ্ম তথা শিল্প-চৰ্চাৰ কেন্দ্ৰ হিচাপে চিহ্নিত হোৱাৰ উপৰি এক গুৰুত্বপূৰ্ণ সামাজিক ভূমিকাও পালন কৰি আহিছে। নামঘৰৰ সামাজিক কৰ্তৃত্ব বহু গভীৰভাৱে অসমীয়া সমাজখনৰ লগত প্ৰোথিত হৈ আছে। গাঁও পাতি বাস কৰা অসমীয়া সমাজখনক একগোট কৰি ৰখাৰ ক্ষেত্ৰত নামঘৰৰ গুৰুত্ব অপৰিসীম। মন কৰিবলগীয়া যে শংকৰদেৱে নামঘৰ বা হৰিগৃহ স্থাপন কৰি ধৰ্ম প্ৰচাৰৰ বাবে জনগণৰ মাজত ঘূৰি ফুৰা নাছিল। গওঁৰা ৰাইজে তেওঁৰ ধৰ্মমতৰ প্ৰতি ঐকান্তিক ভক্তি প্ৰদৰ্শন কৰি স্বেচ্ছাই তেওঁৰ কাষ চাপিছিল। লগতে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে শংকৰদেৱে সামৰি লোৱা বাবে তেওঁ জনসমাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। এই সময়তেই শংকৰদেৱ আৰু তেওঁৰ অনুগামী শিষ্য-প্ৰশিষ্যসকলে ধৰ্মমত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে বৃহৎসংখ্যক গ্ৰন্থ ৰচনা কৰিছিল। সৰ্বসাধাৰণ ৰাইজে অতি সহজতে বুজিব পৰাকৈ ৰচনা কৰা এই বৃহৎসংখ্যক ধৰ্মগ্ৰন্থই সৰ্বসাধাৰণৰ জ্ঞানতৃষ্ণা পূৰণ কৰাৰ লগতে একেবাৰে কমখৰচী নীতি-নিয়মেৰে ধৰ্ম পালন কৰিব পৰা ব্যৱস্থাৰ বাবেই সকলোৱেই সহজতে তেওঁৰ ধৰ্মমতৰ প্ৰতি আকৰ্ষিত হৈছিল। "নামঘৰৰ বৃহৎ সংখ্যাই, বৰ্ণ-জাতি-শ্ৰেণী নিৰ্বিশেষে সকলোৱে বাবে নামঘৰে প্ৰৱেশদ্বাৰ মুকলি কৰি

ৰখাৰ ব্যৱস্থাই সকলোকে সমানে জ্ঞানার্জনৰ সুযোগ উলিয়াই দিছিল।" সেই বাবেই অনাক্ষৰী গওঁগা অসমীয়াই *কীর্তন-দশম-নামঘোষা-ৰত্নাৱলী-গুণমালাৰ* পদ সলসলীয়াকৈ মাতিব পাৰে, ভাওনাৰ বচন আওৰাব পাৰে। এনেদৰে একতাৰ দোলেৰে অসমীয়া সমাজখনক বান্ধি ৰাখি বৃহৎ অসমীয়া সমাজ এখন সৃষ্টি কৰাত অগ্রণী ভূমিকা গ্রহণ কৰা শংকৰদেৱৰ এই পৰিক্রমাত যে নামঘৰে এক বিশিষ্ট ভূমিকা লৈছিল সেই কথা সহজতেই অনুধাৱন কৰিব পাৰি। এই কথাটোতেই লুকাই আছে নামঘৰৰ সামাজিক কর্তৃত্ব।

ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁৱেই যে নামঘৰে গ্রাম্য আদালত আৰু গ্রাম্য সংসদ হিচাপেও কাম কৰে। কিয়নো, নামঘৰতে গাঁৱৰ ৰাইজে তেওঁলোকৰ সৰুসুৰা সামাজিক সমস্যাসমূহ সমাধা কৰি লয়। গাঁৱৰ বিভিন্ন সৰুসুৰা দায়-দোষ, কাজিয়া-পেচাল, পাপ-পূণ্য আদিৰ বিচাৰ গাঁৱৰ মুৰব্বী গাঁওবুঢ়াকে প্রমুখ্যে কৰি সমাজখনৰ বিষয়ববীয়া — মেধি, সাতোলা, পাঠক, পাচনি, বিলনীয়া, দেউৰী আদিয়ে নামঘৰতে সমৱেত হৈ বিচাৰ কৰি দিয়ে। দোষীজনক উপযুক্ত শাস্তি দিয়ে। আনকি দোষী সাব্যস্ত হ'লে স্বপুত্রৰো শাস্তি ৰেহাই দিয়া নহয়। দোষীজনে ৰাইজৰ আগত তামোল-পাণৰ শৰাই এখন দি আঁঠু লৈ দোষ স্বীকাৰ কৰি ক্ষমা ভিক্ষা কৰিলে ৰাইজে বিচাৰ বিবেচনা কৰি ক্ষমাদানো কৰে। ৰাইজৰ বিচাৰ মানি নোলোৱাজনক ৰাইজে এঘৰীয়া কৰি ৰাখিব পাৰে। এঘৰীয়া মানুহ ঘৰে ৰাইজৰ বিচাৰ মানি নোলোৱা পর্যন্ত ৰাজহুৱা কোনো উৎসৱতে অংশ ল'ব নোৱাৰে আৰু গাঁৱৰ মানুহেও এঘৰীয়া মানুহ ঘৰে আয়োজন কৰা উৎসৱাদিত যোৱাটো নিষেধ।

আনহাতে গাঁৱৰ ৰাইজে সমজুৱাভাৱে অনুষ্ঠিত কৰিব বিচৰা উৎসৱ-অনুষ্ঠান বা গাঁওখনৰ কোনো সমস্যা আদিৰ বিষয়ে নামঘৰতেই সকলোৰে উপস্থিতিত আলোচনা কৰি সিদ্ধান্ত গ্রহণ কৰে। এয়া যেন আমাৰ দেশৰ সংসদৰ এক ক্ষুদ্র সংস্কৰণ। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে পূর্বতে নামঘৰৰ টুপ আৰু চোতালখন ইয়াৰ বাবে ব্যৱহাৰ কৰা হৈছিল যদিও সম্প্রতি নামঘৰৰ মূল মজিয়াখনেই ইয়াৰ বাবে ব্যৱহাৰ কৰা হয়। এই কথা ইতিপূর্বেও উল্লেখ কৰি অহা হৈছে। অৱশ্যে, মন কৰিবলগীয়া যে সম্প্রতি বাঢ়ি অহা ব্যক্তিস্বাধীনতাৰ বাবে নামঘৰৰ সামাজিক কর্তৃত্ব বহু পৰিমাণে অৱনমিত হৈছে।

এই আলোচনাৰ পৰা দেখা গ'ল যে, অসমৰ নামঘৰবিলাকে প্রায় ষোড়শ শতাব্দীৰ পৰা বর্তমানলৈকে অসমীয়া জাতীয় জীৱনত সর্বাত্মক প্রভাৱ বিস্তাৰ কৰি আহিছে। অসমীয়া জনজীৱনৰ সৈতে সংপৃক্ত গীত-নৃত্য-বাদ্য, শিল্প-কলা, ধর্ম-চর্চা, বিচাৰ আদি সকলো দিশতে নামঘৰৰ প্রভাৱ অনস্বীকার্য। অকল সেয়াই নহয়, অসমীয়া মানুহৰ যি চাৰিত্রিক বৈশিষ্ট্য সিও এই নামঘৰক কেন্দ্র কৰিয়েই গঢ় লৈ উঠিছে। শেষত পুলিন কলিতাই তেওঁৰ গ্রন্থখনত উল্লেখ কৰা এটি উক্তিৰে সামৰণি মাৰিব পাৰি— "নামঘৰে সমাজবাসীৰ কেৱল আধ্যাত্মিক মুক্তিৰ কথাই চিন্তা নকৰে;... ...নামঘৰে

দিয়ে এই শিক্ষা যে সমাজখন সুন্দৰ হ'ব লাগিলে ব্যক্তিমন সুন্দৰ হ'ব লাগিব। ব্যক্তিমন সুন্দৰ হ'ব সমাজৰ নেতৃত্বকাৰীসকল স্বাৰ্থহীন আৰু ত্যাগী হ'লেহে। নামঘৰৰ অনন্যতাৰ এইটোও এটা অতিশয় গুৰুত্বপূৰ্ণ দিশ।"



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ গওঁগালোকৰ লোক আদালত বুলিলে কাক কোৱা হয়?

.....

প্ৰশ্ন নং ৯ ঃ নামঘৰত সম্পাদন কৰা ৰাইজৰ বিচাৰ মানি নোলোৱাজনক ৰাইজে কি কি শাস্তি বিহিব পাৰে? চমুকৈ লিখক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সত্ৰৰ দৰে নামঘৰো অসমৰ জাতীয় জীৱনৰ অন্যতম ধৰ্মীয় অনুষ্ঠান। অসমৰ ভক্তি আন্দোলনৰ অন্যতম দিশ 'নাম-কীৰ্তন'ৰ আধাৰতে নামঘৰ গঢ়ি তোলা হৈছে। নামঘৰ গওঁগালোকৰ ধৰ্মীয় অৰু শিল্প-চৰ্চাৰ কেন্দ্রস্থল। ধৰ্মীয়-অনুষ্ঠান হিচাপে ইয়াত নাম-কীৰ্তনকে ধৰি বাৰ্ষিক বৰসবাহ, ভাওনা, পালনাম আদি পতা হয়। শিল্পানুষ্ঠান হিচাপে ইয়াত গীত, নৃত্য, বাদ্য আদিৰ শিক্ষা দিয়াৰ উপৰি বিবিধ ঘৰুৱা শিল্প-কলা চৰ্চা কৰা আৰু ইবোৰৰ শিক্ষা দিয়া হয়। অধ্যায়টোত নামঘৰৰ গঠনশৈলী বা নিৰ্মাণশৈলী, স্থাপত্যৰ লগতে ইয়াৰ লগত সম্পৰ্কীত বিবিধ দিশ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হ'ল।
- নামঘৰক লোক-আদালত আৰু লোক-সংসদ বুলিও ক'ব পাৰি। লোক-আদালত হিচাপে নামঘৰত সৰুসুৰা সামাজিক সমস্যা, দায়-দোষ, কাজিয়া পেচাল, পাপ-পুণ্য আদি গাঁওবুঢ়াকে প্রমুখ্যে কৰি নামঘৰৰ বিষয়ববীয়াসকলে বিচাৰ কৰি দিয়ে। লগতে গাঁওৰ বিভিন্ন সমস্যা বা উৎসৱ-অনুষ্ঠানৰ বিষয়েও ৰাজহুৱা আলোচনা নামঘৰতেই সম্পন্ন কৰা হয়।



৭.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) আগৰৱালা, জ্যোতিপ্ৰসাদ (২০০৫);*জ্যোতিপ্ৰসাদৰ ৰচনাৱলী;* গুৱাহাটীঃ অসম প্ৰকাশন পৰিষদ।

২) কলিতা, পুলিন (২০১৮); *নামঘৰ বুৰঞ্জী আৰু বিৱৰণ,* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৩) গুহ, অমলেন্দু (২০১০); *বৈষ্ণৱবাদৰ পৰা মায়ামৰীয়া বিদ্ৰোহলৈ;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰচ।

৪) গোস্বামী, নাৰায়ণ চন্দ্ৰ (২০০৫); *সত্ৰ সংস্কৃতিৰ স্বৰ্ণৰেখা*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) দেৱগোস্বামী, কেশৱানন্দ (২০০১); *ভাৰতীয় পটভূমিত শংকৰী সাহিত্য আৰু সত্ৰীয়া সংগীত*; গুৱাহাটী ঃ বনলতা।

৬) দেৱগোস্বামী, কেশৱানন্দ (২০০০); *সত্ৰ সংস্কৃতিৰ ৰূপৰেখা*; ডিব্ৰুগড় ঃ বনলতা।

৭) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৮) নেওগ, মহেশ্বৰ (সম্পা.)(১৯৮৬); *গুৰু-চৰিত-কথা*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৯) নেওগ, মহেশ্বৰ (২০০৮); *সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল*; গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

১০) বৰ্মন, শিৱনাথ (সম্পা.) (১৯৭৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১১) মহন্ত, প্ৰদীপ জ্যোতি (২০০৭); *শংকৰদেৱৰ শিল্পলোক*; গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।

১২) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং।

ইংৰাজী গ্ৰন্থ ঃ

১৩) Goswami, S. C. (1946). *Introducing, Assam Vaisnavism.* Guwahati: Gauhati University.

১৪) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

১৫) Neog, M. (1965). *Sankardeva and His Times : Early History of the Vaisnava Faith and Movement in Assam.* Guwahati: Gauhati University.

১৬) Sarma, S. N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam.* Guwahati: Gauhati University.



৭.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ নামঘৰৰ টুপ অংশত থকা মূল দুৱাৰখনত সিংহ কাটি দিলে সেয়া সেই দুৱাৰখনক সিংহদুৱাৰ বোলা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য নামঘৰসমূহত সময়-সুবিধা বুজি দুই বা তিনি প্রসংগহে কৰা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ গ্রাম্য নামঘৰসমূহত ভালদৰে বাটচ'ৰা সাজিব নোৱাৰিলে সৰুকৈ এখন চালি নির্মাণ কৰি দিয়া হয় আৰু ইয়াক ঢেঁকেৰী-চালি বোলে।

৪ নং প্রশ্নৰ উত্তৰ ঃ আসনৰ একেবাৰে শীর্ষত থাকা অংশটোকে 'আমহি ঘৰ' বোলে। দৌলাকাৰ এই আমহি ঘৰ বিষ্ণুৰ বৈকুণ্ঠাৱাসৰ প্রতীক আৰু ইয়াতে বৈষ্ণৱ চাৰিপুথিৰ যি কোনো এখন অথবা *গুণমালা*খন থোৱা হয়। ইয়াৰ দুৱাৰত দ্বাৰৰক্ষক জয়-বিজয়ৰ ছবি আঁকা হয়। আমহি ঘৰত থোৱা পুথিখন কাপোৰেৰে ঢাকি থোৱা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ পাঠকে নামৰ অন্তত ধর্ম পুথিসমূহ সুৰ লগাই পাঠ কৰাৰ লগতে ঘোষা, পদসমূহ প্রয়োজনসাপেক্ষে ব্যাখ্যা কৰি যায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ মাধৱদেৱে 'ৰঙ্গাৱন গৃহ' প্রতিষ্ঠা কৰি *ভাগৱত* থাপন কৰি দিনত 'ভোজন বেহাৰ' আৰু ৰাতি 'দধি-মথন' নাট মঞ্চস্থ কৰাৰ কথা চৰিতপুথিত উল্লেখ আছে।

৭ নং প্রশ্নৰ উত্তৰ ঃ গায়ন-বায়ন গোৱা, সূত্রধাৰ গোৱা, অংকীয়া, গীত গোৱা, বিভিন্ন টোটয়, চপয়, পয়াৰ, ঘোষা, কীর্তন, ঝুমুৰি গোৱা, কৃষ্ণ আৰু অন্যান্য ভাৱৰীয়াৰ ভাও দিয়া, খোল, তাল আদিৰ শিক্ষা লাভ কৰি আহিছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ নামঘৰক।

৯ নং প্রশ্নৰ উত্তৰ ঃ নামঘৰত সম্পাদন হোৱা ৰাইজৰ বিচাৰ মানি নোলোৱাজনক ৰাইজে এঘৰীয়া কৰি ৰাখিব পাৰে। এঘৰীয়া মানুহ ঘৰে ৰাইজৰ বিচাৰ মানি নোলোৱা পর্যন্ত ৰাজহুৱা কোনো উৎসৱতে অংশ ল'ব নোৱাৰে আৰু গাঁৱৰ মানুহেও এঘৰীয়া মানুহ ঘৰে আয়োজন কৰা উৎসৱাদিত যোৱাটো নিষেধ।



৭.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

ক) শংকৰদেৱে প্রথমটো হৰিগৃহ ক'ত স্থাপন কৰিছিল?

খ) নামঘৰৰ নামঘৰীয়াৰ কাম কি?

গ) গ্রাম্য নামঘৰৰ বিষয়ববীয়া কেইজন কোন কোন?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নামঘৰক কিয় গ্রাম্য আদালত আৰু গ্রাম্য সংসদ বুলি কোৱা হয়? চমুকৈ লিখক।

প্রশ্ন ২ ঃ চমুটোকা লিখক— (ক) সত্রৰ নামঘৰ (খ) নামঘৰৰ স্থাপত্য

(গ) থাপনা বা আসন (ঘ) মঞ্চ আৰু প্রেক্ষাগৃহ হিচাপে নামঘৰ

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নামঘৰৰ উদ্ভৱ আৰু ইয়াৰ গঠনশৈলী সম্বন্ধে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ২ ঃ নামঘৰৰ বিভিন্ন বিষয়ববীয়া আৰু কার্য-প্রণালীৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ 'নামঘৰৰ অসমীয়া জাতীয় জীৱনৰ ধর্মীয় চর্চা আৰু শিল্প-চর্চাৰ প্রাণকেন্দ্র'—ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ অসমীয়া জাতীয় জীৱনত নামঘৰৰ ভূমিকা কেনেধৰণৰ বহুলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ সত্রীয়া পৰিৱেশ্য কলা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ সত্রীয়া পৰিৱেশ্য কলা
৮.৪ সত্রীয়া সংগীত
৮.৪.১ বৰগীত
৮.৪.২ *কীর্তন, নামঘোষা* আৰু আনুষংগিক ধাৰা
৮.৫ সত্রীয়া নৃত্য আৰু বাদ্য
৮.৬ অংকীয়া নাট আৰু ভাওনা
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান
৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সত্রীয়া পৰিৱেশ্য কলা সম্পর্কে প্রাথমিক ধাৰণা লাভ কৰিব
- সত্রীয়া সংগীতৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- সত্রীয়া নৃত্য আৰু বাদ্য সম্পর্কে জানিব পাৰিব
- বৰগীত সম্পর্কে বিশদভাৱে জ্ঞান আহৰণ কৰিব
- অংকীয়া নাটৰ বিষয়ে অৱগত হ'ব
- পৰিৱেশনগত দিশৰ পৰা অংকীয়া ভাওনা সম্পর্কে বিশ্লেষণ আগবঢ়াব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ পূর্বৱর্তী অধ্যায় দুটাত আপুনি অসমৰ সত্রীয়া সংস্কৃতি আৰু নামঘৰকেন্দ্রিক অসমীয়া সমাজখনৰ বিষয়ে কিছু কথা অধ্যয়ন কৰিলে। এই অধ্যায়টোত আপুনি সত্রীয়া পৰিৱেশ্য কলা সম্পর্কে সম্যক ধাৰণা লাভ কৰিব।

প্রসংগক্রমে উল্লেখ কৰি থোৱা হ'ল যে অসমত প্রধানতঃ দুই ধৰণৰ পৰিৱেশ্য কলাৰ প্রচলন থকা দেখা যায়— ১) মার্গীয় আৰু ২) লোক। সত্রীয়া পৰিৱেশ্য কলা অসমৰ মার্গীয়

পৰিৱেশ্য কলাৰ অন্তর্ভুক্ত। মূলতঃ শংকৰদেৱ-মাধৱদেৱৰ ধর্মীয় আদর্শৰে স্থাপিত সত্রসমূহক কেন্দ্র কৰিয়েই এই পৰিৱেশ্য কলাসমূহৰ সৃষ্টি তথা সংৰক্ষিত হৈ আহিছে বাবেই ইয়াক সত্রীয়া পৰিৱেশ্য কলা বুলি অভিহিত কৰা হয়। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল। প্রসংগক্রমে পুনৰ উল্লেখ কৰি যাওঁ যে এইখন পাঠ্যবিষয়ৰে শেষৰ ফালৰ এটি অধ্যায়ত আপুনি লোকপৰিৱেশ্য কলা সম্পর্কেও অধ্যয়ন কৰিব।

৮.৩ সত্রীয়া পৰিৱেশ্য কলা

সত্রীয়া পৰিৱেশ্য কলা সম্পর্কে আলোচনাত প্রবৃত্ত হোৱাৰ আগতে আমি পৰিৱেশ্য কলা মানেনো কি সেই বিষয়ে থূলমূল ধাৰণা এটি লৈ লোৱা সমীচীন হ'ব। সাধাৰণভাৱে ক'বলৈ গ'লে যিবোৰ কলাৰ আনুষ্ঠানিক বা অন্যান্যৰূপত পৰিৱেশনীয় ৰূপ এটা থাকে, যেনে — গীত, নৃত্য, নাট্য — সেইবোৰেই পৰিৱেশ্য কলা। প্রাথমিক অৱস্থাত সকলো ধৰণৰ পৰিৱেশ্য কলাৰে সৃষ্টি হৈছিল লোকসমাজত। লোকসমাজ প্রধানতঃ কৃষিভিত্তিক। কৃষিভিত্তিক সমাজৰ দৈনন্দিন জীৱনৰ লগত জড়িত হৈ আছে বিভিন্ন বিশ্বাস, আচাৰ-অনুষ্ঠান, বিভিন্ন ধর্মীয় পৰম্পৰা তথা লোকমনোৰঞ্জন। কৃষিকার্যৰ আৰম্ভণিৰ পৰা আৰম্ভ কৰি শস্য চপোৱালৈকে নাৰী-পুৰুষৰ উর্বৰতাজনিত বিবিধ লোকাচাৰ, ধর্মীয় পৰম্পৰা, লোকমনোৰঞ্জন, কর্মস্পৃহা বৃদ্ধি আদি বিভিন্ন কাৰকৰ আধাৰতেই গীত, নৃত্য আৰু নাট্যৰ সৃষ্টি হয়। এই গীত, নৃত্য আৰু লোকনাট্যৰ সমষ্টিকেই লোকপৰিৱেশ্য কলা বোলা হয়। পৰৱর্তী সময়ত এনে ধৰণৰ কলাৰ লগতে, পৰিৱর্তিত সময়ত নতুনকৈ সৃষ্টি হোৱা বহু কলা কেতবোৰ নির্দিষ্ট নীতি-নিয়মেৰে সংস্কাৰবদ্ধ হৈ কালক্রমত মার্গীয় বা শাস্ত্রীয় শৈলীলৈ ৰূপান্তৰিত হয়। এই দিশৰ পৰা ক'ব পাৰি যে, শাস্ত্রীয় পৰিৱেশ্য কলাসমূহ সম্পূর্ণৰূপে ব্যাকৰণসম্মত আৰু ৰীতিবদ্ধ, এনেবোৰ পৰম্পৰাৰ ক্ষেত্রত বহু সময়ত মৌখিক অথবা লিখিত স্তৰত ব্যাকৰণ বা শাস্ত্রীয়তাৰ বান্ধোন থাকে। ই যাদৃচ্ছিক নহয়, আঞ্চলিকতাৰ সীমা অতিক্রম কৰি সার্বজনীন ৰূপ পৰিগ্রহ কৰে আৰু সংখ্যাত সীমিত; আনহাতে লোকপৰিৱেশ্য কলা ইমান বেছি ৰীতিসিদ্ধ নহয়, ই প্রধানতঃ যাদৃচ্ছিক আৰু আঞ্চলিক তথা সংখ্যাত অসীম। প্রসঙ্গক্রমে পৰিৱশ্যে কলা সম্পর্কে ভাৰতৰ এগৰাকী প্রখ্যাত কলাতত্ত্ববিদ কপিলা ব্যাৎসায়নৰ এযাৰ মন্তব্য উল্লেখ কৰিব পাৰি—

> গ্রাম্যসমাজৰ, মূলতঃ কৃষিকর্মৰে জড়িত এচাম পাৰদর্শী গায়ক, নর্তক, অভিনেতা ক্রমান্বয়ে এনে পৰিৱেশ্য কলাসমূহৰ ধাৰক তথা বাহকৰ স্বার্থত কৃষিকর্মৰ সৈতে বিচ্ছিন্ন হৈ এই কলাসমূহৰ বৃত্তিধাৰী হৈ পৰিল। এই লোকসকলে ভাৰতৰ বিভিন্ন ঠাই পৰিভ্রমণ কৰিছিল আৰু জনসমাজত নাট, ভাট, গন্ধর্ব, বৈৰাগী, বীণকাৰ আদি পৰিচয়ৰে জনাজাত হৈ পৰিল। পাণিনিৰ দিনত এওঁলোক স্বীকৃতিপ্রাপ্ত হৈ ভাৰতীয় আন্তঃগাঁথনিত সংঘটিত সংস্কাৰ আন্দোলনৰ বাহক হিচাপে চিহ্নিত হ'ল। কালক্রমত এওঁলোকৰ পৰিৱেশ্য কলাসমূহে ভাৰতৰ সামাজিক, সাংস্কৃতিক পৰিৱর্তনৰ আহিলা হিচাপে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

বৈদিক যুগৰ পৰাই ভাৰতৰ পৰিৱেশ্য কলাসমূহৰ বিকশিত ৰূপ প্রতিভাত হয়। খ্রীষ্টপূর্ব

দ্বিতীয় আৰু খ্ৰীষ্টীয় দ্বিতীয় শতিকাৰ মাজত ৰচিত বুলি ধাৰণা কৰা ভৰত মুনিৰ *নাট্যশাস্ত্ৰই* ইয়াৰ প্ৰমাণ দাঙি ধৰে। তেওঁ প্ৰতিখন বেদ, ক্ৰমে— *ঋকবেদৰ* পৰা বিষয়বস্তু, *সামবেদৰ* পৰা সংগীত, *যজুৰ্বেদৰ* পৰা অংগী-ভংগী আৰু *অথৰ্ববেদৰ* পৰা ৰস গ্ৰহণ কৰি *নাট্যশাস্ত্ৰ* লিখি উলিয়ায়। সেইকাৰণে ইয়াক পঞ্চম বেদৰূপে অভিহিত কৰা হয়। *নাট্যশাস্ত্ৰত* লোকনাট্য পৰম্পৰাৰ কথা প্ৰসংগক্ৰমে 'দেশী' আখ্যাৰে উল্লেখ কৰি প্ৰধানতঃ মাৰ্গীয় বা শাস্ত্ৰীয় শৈলীৰ কথাই ব্যক্ত কৰা হৈছে। প্ৰসংগক্ৰমে উল্লেখ কৰি থোৱা হ'ল যে, নাট্যকলাত নৃত্য-গীত-বাদ্য আৰু অভিনয় জড়িত থকাৰ বাবে ইয়াক পৰিৱেশ্য কলাৰ সম্পূৰ্ণ ৰূপ বোলা হয়। আৰু এটি কথা মন কৰিবলগীয়া যে, পৰিৱৰ্তনশীল সময়ৰ বুকুত লোকপৰিৱেশ্য কলা আৰু শাস্ত্ৰীয় পৰিৱেশ্য কলাৰ মাজত পাৰস্পৰিক সংযোগ সাধিত হৈছে। বৰ্তমান সমাজত নগৰীয়া দৰ্শক-শ্ৰোতাৰ বাবে লোকপৰিৱেশ্য কলাসমূহ বেছি আকৰ্ষণীয় হৈ পৰিছে। এইবোৰক আধাৰ হিচাপে লৈয়েই আধুনিক পৰিৱেশ্য কলাসমূহত ন ন ধাৰণাৰ উন্মেষ ঘটিছে।

অতি প্ৰাচীন কালৰে পৰা পৃথিৱীৰ অন্যান্য সমাজবোৰত প্ৰচলিত থকা লোকপৰিৱেশ্য কলাৰ সমগোত্ৰীয় বিভিন্ন লোকপৰিৱেশ্য কলা অসমতো প্ৰচলিত হৈ আহিছে। ইয়াৰ প্ৰাচীনত্বৰ কথা আমি গম পাব পাৰোঁ ভৰতমুনিৰ *নাট্যশাস্ত্ৰত* থকা উল্লেখৰ পৰা —

চতুৰ্বিধা প্ৰবৃত্তিশ্চ প্ৰোক্তা নাট্য প্ৰয়োগতঃ।
আবন্তী দাক্ষিণাত্যাশ্চ পাঞ্চলী ওড্ৰমাগধী।।

ইয়াৰে 'ওড্ৰমাগধী' নামৰ প্ৰবৃত্তিটো অংগ, বংগ, কলিংগ, ওড্ৰ, মগধ, পুণ্ড্ৰ, নেপাল, প্ৰাগ্‌জ্যোতিষ আদি ঠাইত প্ৰচলিত আছিল। ঠিক সেইদৰে নান্দিকেশ্বৰৰ *অভিনয় দৰ্পণত* পাৰ্বতীয়ে ঊষাক লাস্য নৃত্য শিকোৱাৰ কথা উল্লেখ আছে। চীনা পৰিব্ৰাজক হিউৱেনচাঙৰ টোকাতো ষষ্ঠ-সপ্তম শতিকাত ভাস্কৰবৰ্মাৰ ৰাজসভাত তেওঁক প্ৰতিদিনেই নৃত্য-গীতেৰে আপ্যায়িত কৰিছিল বুলি উল্লেখ আছে। অসমত পোৱা বিভিন্ন তাম্ৰশাসন তথা অনুশাসন, কিছু ভাস্কৰ্য, *কালিকা পুৰাণৰ* দৰে পুথিয়েও এই ক্ষেত্ৰত প্ৰমাণ দাঙি ধৰে। সেইবোৰৰ পৰাই আমি সিদ্ধান্ত ল'ব পাৰোঁ যে আতি প্ৰাচীন কালৰে পৰাই অসমত পৰিৱেশ্য কলাৰ পৰম্পৰা প্ৰৱহমান।

এই সকলোবোৰ পৰম্পৰা যে কেৱল মাৰ্গীয় আছিল তেনে নহয়। পণ্ডিতসকলে "বৰং ইতিহাসে দি যোৱা সাক্ষ্য অনুসৰি বৈদিক যুগত অসমৰ নৃত্য-গীত জনজাতীয় ৰীতিপুষ্ট আছিল বুলি ভবাৰ অৱকাশহে অধিক। অৱশ্যে খ্ৰীষ্টীয় প্ৰথম শতিকা মানৰ পৰা অৰ্থাৎ এই ভূখণ্ডত আৰ্যসংস্কৃতিৰ প্ৰভাৱ ব্যাপক আৰু গভীৰ হোৱাৰপৰা অসমত মাৰ্গীয় ৰীতি-পুষ্ট নৃত্য ধাৰাই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ ধৰিলে" বুলি মত পোষণ কৰে। মহেশ্বৰ নেওগ প্ৰমুখ্যে বিভিন্নজন পণ্ডিতে অসমত মাৰ্গীয় শৈলীৰ প্ৰতিষ্ঠিত পৰম্পৰা বহন কৰিব পৰা তিনিটা নৃত্য ধাৰা আছে বুলি মত পোষণ কৰিছে — (ক) নটী বা দেৱদাসী, (খ) ওজাপালি আৰু (গ) সত্ৰীয়া শৈলী। ইয়াৰে নটী বা দেৱদাসী অসমৰ দেৱালয়, মন্দিৰ আদিত পূজা-সেৱাৰ অংগ হিচাপে ব্যৱহৃত হৈছিল যদিও বিভিন্ন কাৰণবশতঃ বিংশ শতিকাৰ আদি ভাগত এই নৃত্য একেবাৰে লোপ পাইছিল। অৱশ্যে ১৯৫৮ চনত ৰত্নেশ্বৰ তালুকদাৰে কেইগৰাকীমান শিল্পীৰ সহযোগত সেয়া পুনৰ উদ্ধাৰ

কৰে। এই নৃত্যশৈলীটোৰ কিছু অংশ সত্রীয়া নৃত্যৰ লগতো মিল থকা দেখা যায়। মহেশ্বৰ নেওগে এই নৃত্য-শৈলীটোৰ মূল্য 'কহিনুৰৰ' দৰে বুলি মন্তব্য কৰিছে। আনহাতে ওজাপালি গীত, নৃত্য সম্বলিত এক ধৰণৰ অৰ্ধ-নাটকীয় অনুষ্ঠান। ওজাপালি মূলতঃ ধৰ্মীয় অনুষ্ঠানৰ অনুষংগ ৰূপে পৰিৱেশন কৰা হয়। ইয়াৰ দুটা প্ৰধান ধাৰা দেখিবলৈ পোৱা যায়। উল্লেখযোগ্য যে এই শৈলীটোত বহু পৰিমাণে লোকৰীতিৰো উপাদান সংযোজিত হৈ আছে। লোকপৰিৱেশ্য কলা সম্পৰ্কীয় অধ্যায়টোত এই বিষয়ে বহলাই আলোচনা কৰা হ'ব।

মাৰ্গীয় শৈলীৰ তৃতীয়টো ধাৰা হ'ল সত্রীয়া শৈলী। আপুনি নিশ্চয় জানে যে,- নৱ-বৈষ্ণৱ আন্দোলনৰ ফলত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ দৰে অসমতো বিভিন্ন ধৰণৰ পৰিৱেশ্য কলাৰ সৃষ্টি হয়। মূলতঃ জনসমাজক ওচৰ চপাই আনিবৰ বাবেই শংকৰদেৱে প্ৰমুখ্যে বৈষ্ণৱ কবিসকলে বিভিন্ন পৰিৱেশ্য কলাৰ সৃষ্টি কৰিছিল। সত্রীয়া পৰিৱেশ্য কলাৰ অন্তৰ্গত দিশসমূহৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভৰতমুনিৰ *নাট্যশাস্ত্ৰত* উল্লেখ থকা মতে প্ৰাচীন অসমত প্ৰচলিত থকা প্ৰবৃতিটোৰ নাম কি ?

.....

প্ৰশ্ন নং ২ ঃ অসমত মাৰ্গীয় শৈলীৰ প্ৰতিষ্ঠিত পৰম্পৰা বহন কৰিব পৰা ধাৰা কেইটা আছে আৰু কি কি?

.....

৮.৪ সত্রীয়া সংগীত

সত্রীয়া সংগীত সম্পৰ্কে আলোচনা কৰাৰ আগতে আমি সংগীত মানেনো কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰিলে কথাখিনি বুজি পোৱাত সহজসাধ্য হ'ব। শাৰংগদেৱৰ *সংগীত ৰত্নাকৰ* পুথিত সংগীতৰ সংজ্ঞা দিয়া হৈছে এনেদৰে— "গীতং বাদ্যং তথা নৃত্তম ত্রয়ম্ সংগীতমুচ্যতে।"— অৰ্থাৎ সংগীত বুলি ক'লে আমি বুজোঁ যে ই গীত, বাদ্য আৰু নৃত্যৰ সমষ্টি। এতিয়া প্ৰশ্ন হ'ব পাৰে গীত, বাদ্য আৰু নৃত্য মানে কি? সাধাৰণতে সুৰ সঞ্চাৰ কৰি বাদ্য-যন্ত্ৰৰ সহযোগত পৰিৱেশন কৰা কবিতাই গীত। ইয়াত গীতৰ ভাব আৰু ৰস দৰ্শকৰ চিত্তলৈ কঢ়িয়াই নিবৰ বাবে যিখিনি অভিনয় আৰু অভিনয় প্ৰকাৰ্যৰ সংযোগ কৰা হয় সেয়াই নৃত্য। আনহাতে সংগীতৰ ক্ষেত্ৰত ধ্বনি সৃষ্টি কৰিবৰ বাবে ব্যৱহাৰ কৰা যিকোনো উপাদানকে বাদ্য-যন্ত্ৰ বোলা হয়। এই তিনিটাৰ সহযোগত সৃষ্টি হয় সংগীতৰ। অৱশ্যে পৰৱৰ্তী সময়ত 'সংগীত' শব্দৰ অৰ্থৰ সংকোচন ঘটি কেৱল 'গীত' শব্দৰ সমাৰ্থক অৰ্থতহে প্ৰয়োগ হ'বলৈ ল'লে। আমি আমাৰ এই আলোচনাতো সাম্প্ৰতিক সময়ৰ অৰ্থটোকে গ্ৰহণ কৰিম। পাঠ্যবিষয়ত অন্তৰ্ভুক্ত হোৱাৰ বাবে অৱশ্যে সত্রীয়া বাদ্য আৰু নৃত্য সম্পৰ্কেও এই অধ্যায়টোত আলোচনা দাঙি ধৰা হ'ব। সত্র

সম্পর্কে ইতিমধ্যে আপুনি ইয়াৰ আগৰ অধ্যায়টোত অধ্যয়ন কৰি অহা বাবে সেই বিষয়ে পুনৰ আলোচনা কৰা নহ'ল।

ইতিমধ্যে আগৰ অধ্যায়তে উল্লেখ কৰি অহা হৈছে যে, সংগীত আৰু সুকুমাৰ-কলা সত্রৰ এক অন্যতম অংগ। এইবোৰৰ সাধনা আৰু বিকাশৰ ক্ষেত্রত সত্রসমূহে উল্লেখযোগ্য ভূমিকা গ্রহণ কৰি আহিছে। প্রধানকৈ মহাপুৰুষ শংকৰদেৱে আৰম্ভ কৰা অংকীয়া ভাওনাক কেন্দ্র কৰিয়েই সত্রীয়া সংগীত আৰু সুকুমাৰ কলা গঢ় লৈ উঠিছিল। অৱশ্যে এয়া অসমত আৰম্ভ হোৱা নৱ-বৈষ্ণৱ আন্দোলনৰ ফলশ্রুতি বুলিয়েই ক'ব পাৰি। শ্রীকৃষ্ণৰ জীৱন আৰু কার্যকলাপক কেন্দ্র কৰি আৰু ভক্তিৰ পৰিত্রতাক প্রস্ফুটিত কৰি শংকৰদেৱে ভালেখিনি গীত-কাব্য ৰচনা কৰিলে। শংকৰদেৱ-মাধৱদেৱ প্রমুখ্যে নৱ-বৈষ্ণৱ আন্দোলনৰ নেতাসকলে সাহিত্যৰ দৰে সংগীতকো প্রচাৰৰ মাধ্যম ৰূপে গ্রহণ কৰিছিল। সর্বভাৰতীয় নৱ-বৈষ্ণৱ আন্দোলনৰ লগত সম্বন্ধ ৰাখিবলগীয়া হোৱাত গীত আৰু আন নাট্য সাহিত্যত গহীন, গধুৰ ভক্তিৰ ভাব প্রকাশৰ কাৰণে গহীন অথচ মধুৰ ভাষা ব্রজবুলিৰ আশ্রয় ল'লে। শংকৰ-মাধৱৰ দ্বাৰা ব্রজবুলিত ৰচিত গীতসমূহ পৰৱর্তী যুগত বৰগীত নামে জনাজাত হয়। বৰগীতৰ ভাষা ব্রজবুলি বা ব্রজাৱলী। বৰগীতসমূহ অসমৰ ধ্রুপদী বা ক্লাছিকেল সংগীত। শংকৰদেৱ বিৰচিত গীতবোৰে কেনেকৈ শিষ্যসকলক তেওঁৰ ওচৰলৈ আকর্ষণ কৰি আনিছিল সেই কথা চৰিতপুথিসমূহত সবিস্তাৰে পোৱা যায়।

উল্লেখযোগ্য যে, অসমৰ সত্রীয়া সংগীতক প্রধানতঃ দুটা ভাগত ভাগ কৰিব পাৰি বুলি কেশৱানন্দ দেৱগোস্বামীয়ে মত পোষণ কৰিছে— (ক) শাস্ত্রীয় পর্যায়ৰ সংগীত আৰু (খ) লঘু পর্যায়ৰ সংগীত। মহাপুৰুষ দুজনাই দি যোৱা বৰগীত আৰু নাটৰ গীতসমূহৰ উপৰি সত্রত পালিত, বর্ধিত আৰু বৰগীতৰ আর্হিত বিকশিত হোৱা সংগীত শাখাকো সত্রীয়া সংগীতৰ পৰিসীমাত ধৰা হয়। বৰগীত আৰু সেই পর্যায়ৰ গীতখিনি তথা নাটত ব্যৱহৃত গীতসমূহক মার্গীয় বা শাস্ত্রীয় সংগীতৰ শাৰীত ধৰা হয়। আনহাতে দিহা নামসমূহক লঘু পর্যায়ত অন্তর্ভুক্ত কৰা হৈছে। উল্লেখযোগ্য যে পুৰুষ আৰু মহিলাভেদে দিহানামসমূহ প্রধানতঃ দুটা ভাগত ভাগ কৰা হয় আৰু গোৱাৰ উপলক্ষ্য অনুযায়ী সেইবোৰকো পুনৰ সৰু সৰু উপ বিভাগত বিভাজন কৰা হৈছে। কোনো কোনো ক্ষেত্রত বৰগীত বা নাটৰ গীত (যেনে — কেশৱ হামাকেৰি ৰাখহু প্রাণ — *ৰুক্মিণী হৰণ নাট*), *নামঘোষা* (যেনে — কৰুণাময় ৰাম কৰুণাময়), *কীর্তন* (ইবাৰ কৰুণাময় নকৰাঁ নৈৰাশ এহে)ৰ পদো দিহা হিচাপে গোৱা হয়। এইখিনিও আপোনাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত কৰা হোৱা নাই বাবে বহলাই আলোচনা কৰা নহ'ল। মার্গীয় সংগীতৰ ধাৰাটোৰ বৰগীতখিনিৰ লগতে *কীর্তন, নামঘোষা* আৰু আনুষংগিক ধাৰাসমূহৰ বিষয়েহে পাঠ্যবিষয়ত অন্তর্ভুক্ত কৰা হৈছে। তলত দুটা উপ-শাখাত এই বিষয়ে আলোচনা কৰা হ'ব। মন কৰিব যে *কীর্তন, নামঘোষা* আৰু আনুষংগিক ধাৰাসমূহৰ বিষয়ে কেৱল পৰিচয় জ্ঞাপক কিছু কথাহে ইয়াত উল্লেখ কৰা হ'ব।

৮.৪.১ বৰগীত

ভক্তি ধর্মৰ প্রচাৰ আৰু প্রসাৰৰ অর্থে মহাপুৰুষ দুজনাই ভক্তিতত্ত্ব আৰু কৃষ্ণলীলা

সামৰি যি গীতিকবিতা ৰচনা কৰিলে সেই গীতিকবিতাখিনিক এক সুকীয়া মর্যাদা দি 'বৰগীত' বোলা হৈছে বুলি ইতিমধ্যে কৈ অহা হৈছে। এই গীতিকবিতাসমূহক 'বৰগীত' বুলি শংকৰদেৱ বা মাধৱদেৱে নামকৰণ কৰাৰ কোনো প্ৰমাণ আমি নাপাওঁ। অৱশ্যে 'অনেক শ্ৰমকৈ গীতখানি কৈলো' বুলি শংকৰদেৱে নিজৰ এই শ্ৰেণীৰ ৰচনাসমূহক গীত বুলিহে উল্লেখ কৰাৰ কথা চৰিত পুথিয়ে সাক্ষ্য দিয়ে। পৰৱৰ্তীকালৰ ভকতসকলেহে শংকৰ-মাধৱে ৰচনা কৰা মহত্বপূৰ্ণ গীতসমূহক শ্ৰেষ্ঠত্বসূচক 'বৰ' বিশেষণটো সংযোগ কৰি বৰগীত আখ্যা দিয়ে। বৰগীতৰ অর্থ হ'ল শ্ৰেষ্ঠ গীত। আধ্যাত্মিকতা, ধার্মিকতা, পৱিত্ৰতা আৰু শ্ৰেষ্ঠতাৰ দিশৰ পৰা জুখি চালে বুজা যায় যে বৰগীতবিলাকৰ মান অতি উচ্চ পর্যায়ৰ। সাধাৰণ প্ৰেম-বিৰহ বা শৃঙ্গাৰ ৰসৰ প্ৰাদুর্ভাৱে বৰগীতখিনিক চুব পৰা নাই কাৰণেই এই গীতিকবিতাখিনিক 'বৰগীত' বোলা হয়।



জানি থোৱা ভাল

গুৰু দুজনাই ৰচনা কৰা বৰগীতৰ সংখ্যা বিভিন্ন আলোচকে ভিন ভিন ধৰণে উল্লেখ কৰে। চৰিতপুথিত উল্লেখ থকা মতে শংকৰ গুৰুজনাই বাৰকুৰি গীত ৰচনা কৰিছিল। পিছে কমলা বায়নে আওৰবালৈ নিওঁতে বনপোৱা জুইত সকলো জাহ গ'ল। ভকতসকলৰ মুখত ৩৫ টা (কাৰোবাৰ মতে ৩৪ টা) গীতহে ৰ'ল। সেই কেইটাই বর্তমান প্ৰচলিত হৈ আছে। মনৰ দুখত শংকৰদেৱে প্ৰিয় শিষ্য মাধৱদেৱক এনে গীত ৰচনা কৰিবলৈ কয়। গুৰু আজ্ঞা শিৰোধার্য কৰি মাধৱদেৱে নকুৰি এঘাৰটা গীত ৰচনা কৰে। অৱশ্যে বর্তমানলৈকে তাৰে ১৮২ টা গীতহে উদ্ধাৰ হৈছে। খেনোৰ মতে এই সংখ্যাতো তাৰতম্য আছে।

খ্ৰীষ্টীয় ১৫৯১-১৬৭৪ চনৰ ভিতৰত ইংৰাজ কবি ৰবার্ট হেৰিকে কিছুমান আধ্যাত্মিক ভাবৰ কবিতা ৰচনা কৰিছিল। এই কবিতাবোৰৰ সৈতে তুলনা কৰি সাহিত্য-আলোচক, ভাষাবিদ বাণীকান্ত কাকতিয়ে বৰগীতসমূহক 'Noble Numbers' বুলিছে। অসমীয়া ভাষা সাহিত্যৰ পণ্ডিত কালিৰাম মেধিয়ে 'The great song or song celestial' বুলি বর্ণনা কৰিছে। দেবেন্দ্ৰনাথ বেজবৰুৱাই 'Holy song' বুলিছে। সাহিত্য-আলোচক মহেশ্বৰ নেওগে বৰগীতসমূহক 'অসমৰ ক্লাচিকেল সংগীত' বুলি অভিহিত কৰিছে। আকৌ ৰাজমোহন নাথে বৰগীতক 'Classical song' আৰু ঘোষাক 'Noble Numbers' বুলিছে।

বিষয়বস্তুৰ মহত্ত্ব, ৰচনাভংগীৰ সৌন্দর্য, সুৰৰ গাম্ভীর্য আৰু প্ৰকাশৰ সংযমে বৰগীতক অন্যান্য গীতৰ পৰা পৃথক কৰিছে। এই বৰগীতৰ লগত খোলৰ প্ৰচলন হ'ল। বৰগীতসমূহ সমাজত গাই লোকৰঞ্জন কৰাৰ সলনি প্ৰার্থনাৰ গীত স্বৰূপে প্ৰচলিত হ'ল। এই নতুন ধাৰাই অসমীয়া জনসাধাৰণক মার্গীয় সংগীতমুখী কৰি তুলিলে।

বৰগীতবোৰত শ্রীকৃষ্ণৰ বিশাল পুৰুষত্ব ফুটি ওলাইছে। গীতবোৰত শান্ত, বাৎসল্য আৰু দাস্য ভাৱৰ প্রাধান্য দেখা যায়। অতি প্রাচীন কালৰে পৰা কামৰূপত সংগীত আদি কলাৰ সূক্ষ্ম চর্চা থাকিলেও শংকৰদেৱৰ বৰগীতে শাস্ত্রীয় সংগীতৰ এটা নতুন অধ্যায়ৰ সূচনা কৰে। সংগীত শাস্ত্রৰ বিধি মতে বৰগীতবোৰ পূর্ণ পর্যায়ৰ গীত। কিন্তু অসমৰ এগৰাকী প্রসিদ্ধ সংগীতজ্ঞ তথা শিক্ষাবিদ বীৰেন্দ্রনাথ দত্তই সত্রীয়া সংগীত বা বৰগীতত দুটা সুকীয়া পৰম্পৰাৰ অস্তিত্ব বিচাৰি পাইছে। এটা হ'ল সর্বভাৰতীয় পৰম্পৰা আৰু আনটো হ'ল অসমীয়া পৰম্পৰা। বৰগীতৰ যি সংগীত পদ্ধতি সি সর্বভাৰতীয় ৰাগ সংগীত পদ্ধতিৰেই এক বিশেষ ৰূপ। বৰগীতত থকা শ্যাম, কল্যাণ, অহিৰ, ললিত, বসন্ত, ধনশ্রী আদি ৰাগৰ নাম ভাৰতীয় শাস্ত্রীয় সংগীতৰ জগতত সুপ্রচলিত। মাত্র বৰগীতত এই ৰাগবোৰৰ নিজস্ব ৰূপ বর্তমান। আনহাতে ৰূপক, একতাল আদি দুই-এখন তালৰ বাহিৰে বৰগীত পদ্ধতিৰ আনবোৰ তালৰ নাম প্রচলিত হিন্দুস্থানী বা কর্ণাটকী শৈলীৰ তালৰ নামৰ লগত নিমিলিলেও প্রয়োগ বিধিৰ ফালৰ পৰা ভাৰতীয় শাস্ত্রীয় সংগীতৰ তাল-বিধিৰ ওপৰত প্রতিষ্ঠিত।

আনহাতে, বৰগীতৰ ৰচনাশৈলী, সাংগীতিক গাঁথনি আৰু পৰিৱেশন ৰীতিত এনে কিছুমান বৈশিষ্ট্য আছে যিবোৰৰ লগত অসমৰ মাটি-পানীৰ বিশেষ সম্পর্ক আছে আৰু সেই ফালৰ পৰা বৰগীতসমূহ অসমীয়া পৰম্পৰাৰ বস্তু। সেয়েহে জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণুপ্রসাদ ৰাভাৰ দৰে বিশেষজ্ঞ-চিন্তাবিদে বৰগীতৰ মাজেৰে স্বতন্ত্র অসমীয়া বা কামৰূপী ধাৰাৰ অস্তিত্ব দেখিবলৈ পাইছে।

বৰগীতসমূহৰ মাজত এনে কিছুমান বৈশিষ্ট্যৰ কথা উল্লেখ কৰিব পাৰি, যিবোৰে ইয়াক অন্য গীতৰ পৰা পৃথক কৰিছে। সাহিত্য আলোচক মহেশ্বৰ নেওগে এই বৈশিষ্ট্যসমূহ উল্লেখ কৰিছে এনেদৰে—

- বৰগীতৰ ভাষা
- বিষয়বস্তুৰ সংৰক্ষণশীলতা
- বৰগীতৰ সুৰ
- চৈধ্য প্রসঙ্গৰ পৰিক্রমাত বৰগীতৰ স্থান
- বৰগীতৰ সীমাবদ্ধ পৰিত্রতা আৰু
- ভক্তিৰ গাঢ়তা।

প্রাচীন কালৰে পৰা অসমত প্রচলিত হৈ থকা মৌখিক গীত-পদ তথা অন্যান্য ৰাগ-তালযুক্ত গীতবোৰৰ তুলনাত আগতে উল্লেখ কৰি অহা বৈশিষ্ট্যসমূহে বৰগীতবোৰক এক সুকীয়া মর্যাদা দিছে। সেয়ে বৰগীত বুলিলে শংকৰদেৱ-মাধৱদেৱৰ দ্বাৰা সৃষ্ট শাস্ত্রীয় ৰাগ-তালযুক্ত, চৈধ্য প্রসঙ্গত গাব পৰা, বিষয়বস্তুৰ সংযমবিশিষ্ট, ব্রজাৱলী ভাষাত ৰচিত গীতখিনিকহে বুজায়। তলত এই বৈশিষ্ট্যসমূহৰ চমু বিশ্লেষণ আগবঢ়োৱা হ'ল—

- *বৰগীতৰ ভাষা ঃ* বৰগীতৰ প্রথম আৰু প্রধান বিশেষত্ব হ'ল ভাষা। শংকৰদেৱৰ

জীৱনকালত অসম, বঙ্গ আৰু ওড়িশাত বিশেষকৈ শ্রীকৃষ্ণক কেন্দ্র কৰি মথুৰা-বৃন্দাবন আদি ঠাইত গীত-মাতৰ মাজেৰে এটি কৃত্রিম ভাষা সৃষ্টি হৈছিল। শংকৰদেৱে দুবাৰকৈ কৰা তীর্থ-ভ্রমণ কালত নানা ঠাই পৰিভ্রমণ কৰোঁতে এই ভাষাটোৰ লগত পৰিচয় ঘটে। পূব ভাৰতৰ ৰাজ্যসমূহত এই ভাষাটোক 'ব্রজবুলি' আখ্যা দিয়া হৈছে। অসমতহে পোনতে ইয়াক 'ব্রজাৱলী' বোলা হৈছে। ই কোনো এক বিশেষ অঞ্চলৰ কথিত ভাষা নহয়। সমগ্র ভাৰতবর্ষত যেতিয়া ভক্তি আন্দোলনৰ ঢৌৱে বিধৌত কৰিছিল তেতিয়া ভাৰতৰ আন আন ঠাইত 'ব্রজবুলি' ভাষাত বহুতো সাহিত্য ৰচনা হোৱাৰ দৰে অসমতো শঙ্কৰ-মাধৱৰ প্রচেষ্টাত এই কৃত্রিম ভাষাটোত প্রথমে 'বৰগীত' আৰু পাছত অংকীয়া নাট ৰচিত হ'বলৈ ধৰে। সেই সময়ত উপযুক্ত সাহিত্য সৃষ্টি কৰিব পৰা একোটা নিজস্ব প্রান্তীয় ভাষা থকা সত্ত্বেও বৈষ্ণৱ কবিসকলে বিশেষকৈ শংকৰদেৱ আৰু মাধৱদেৱে ভাষাৰ এনে এটা সুকীয়া ৰূপ গ্রহণ কৰা বাবেই হয়তো বৰগীতবোৰক সেই সময়ত প্রচলিত আন লৌকিক গীতৰ পৰা পৃথক কৰি বিশেষ স্থান দিয়া হৈছে।

- *বিষয়বস্তুৰ সংৰক্ষণশীলতা ঃ* বিষয়বস্তুৰ সীমাবদ্ধতা আৰু সংযমে বৰগীতক অন্য এক বিশেষত্ব প্রদান কৰিছে। আধ্যাত্মিক চিন্তাৰ সু-প্রকাশ, বেদান্তৰ তত্ত্ব প্রকাশ, ভগৱান শ্রীকৃষ্ণৰ বাল্যকালৰ ৰূপ তথা বিশ্ববিমোহন ৰূপৰ বর্ণনা বৰগীতসমূহত মূর্ত হৈ উঠিছে। এই ভাবৰ বর্ণনাত ক'তোৱেই ৰাধা-কৃষ্ণৰ প্রেমৰ বর্ণনা বা শৃঙ্গাৰ আদি ৰসযুক্ত বর্ণনা নাই। শ্রীকৃষ্ণৰ ৰাসলীলাত ৰাসক্রীড়াৰ বর্ণনা আছে যদিও সি শৃঙ্গাৰসর্বস্ব নহয়। তাত আধ্যাত্মিক চিন্তাৰ জৰিয়তে শ্রীকৃষ্ণৰ অৱতাৰী লীলাৰ বর্ণনা কৰা হৈছে। বৰগীতৰ বিষয়বস্তু সম্পর্কে সাহিত্য আলোচক মহেশ্বৰ নেওগে কৈছে— " 'হৰমোহন', 'প্রেমকলহ', 'ৰাসযাত্রা' বা 'কেলিগোপাল'ৰ কাহিনী বৰগীতত নাই। বৰগীতত আছে 'বেদান্তৰ মর্ম' সহজ-সৰল ভাষাত; তাত বাজি আছে আধ্যাত্মিক চিন্তা ঐকান্তিক ব্যক্তিৰ গদ গদ সুৰত আৰু আছে বিশ্বস্তৰ 'ভগৱান স্বয়ং' শ্রীকৃষ্ণৰ বিশ্ব বিমোহন বাল্যৰূপৰ বিৱৰণ জকমকীয়া শব্দৰ আধাৰত।"
- *বৰগীতৰ সুৰ ঃ* বৰগীতৰ সুৰৰ ভাবঘনত্বই হৈছে ইয়াৰ এক অনন্য বৈশিষ্ট্য। ৰাগ-তাল-ছন্দ-লয় আৰু ভক্তিৰ আবেগপ্রোথিত সুৰ সঞ্চালনে আৰু বিভিন্ন ৰসৰ সমাহাৰেৰে প্রসঙ্গোপযোগী বৰগীতৰ সুৰে ভক্তক ভগৱানৰ শ্রীচৰণলৈ টানি আনি ভগৱানৰ লীলাৰ আনন্দময় জগত এখনত বিলীন কৰি দিয়ে। চৰিত পুথিত পোৱা যায় যে শংকৰেদেৱৰ ৰাগত পাতিসোন্দা গছৰ পাত সৰি তাত নতুনকৈ পাত আহিছিল। জুয়ে পুৰাৰ পৰা ৰক্ষা পোৱা গীতখিনিৰ উপৰি নাটৰ গীতসমূহত প্রয়োগ কৰা ৰাগখিনিলৈ লক্ষ্য কৰিলে চকুত পৰে যে শংকৰদেৱ-মাধৱদেৱে ধনশ্রী, গৌৰী, কৌ, কল্যাণ, সিন্ধুৰা, কামোদ, কেদাৰ, সুহাই, ভাটিয়ালী, আশোৱাৰী, শ্যাম, ললিত, বৰাড়ী, শ্রী, মল্লাৰ, নাটমল্লাৰ, শ্রীগান্ধাৰ, গান্ধাৰ, বসন্ত, তুৰ বসন্ত, তুৰ-

ভাটিয়ালী, ভূপালী, পূৰ্বী, সাৰঙ্গ, নাট, কানাড়া, অহিৰ, বেলোৱাৰ ইত্যাদি ৰাগত গীতসমূহ ৰচনা কৰিছে।

- *চৈধ্য প্রসঙ্গৰ পৰিক্রমাত বৰগীতৰ স্থান ঃ* বৰগীতৰ এক অন্য বৈশিষ্ট্য পৰিলক্ষিত হয় প্রসঙ্গৰ অঙ্গৰূপে কৰা পৰিৱেশনত। সত্রসমূহত পুৰাৰ পৰা গধূলিলৈকে যি পাঠ-প্রসঙ্গ হয় সেই প্রসঙ্গৰ আৰম্ভণি বৰগীতেৰেই কৰা হয়। নির্দিষ্ট কোনো ধৰা-বন্ধা সূচী নাই যদিও সাধাৰণতে পুৰাৰ প্রসঙ্গত পুৰাৰ ৰাগ বা বিয়লিৰ প্রসঙ্গত বিয়লিৰ ৰাগ গোৱা হয়। অসমৰ বিভিন্ন সত্রসমূহত বৰগীতৰ পিছত অন্যান্য ক্রমসমূহৰ তাৰতম্য দেখা যায় যদিও যিকোনো প্রসঙ্গৰ আৰম্ভণিতে বৰগীত গোৱা ৰীতি সর্বত্র বিদ্যমান।
- *বৰগীতৰ সীমাবদ্ধ পৰিত্রতা ঃ* বৰগীতসমূহৰ সীমাবদ্ধ পৰিত্রতাও ইয়াৰ অন্য এক বৈশিষ্ট্য। চৰিতপুথিত 'বাৰকুৰি' গীতৰ কথা উল্লেখ থাকিলেও বর্তমান প্রাপ্ত শঙ্কৰ-মাধৱৰ মুঠ ২১৬ টা গীতকহে অবিসম্বাদিতভাৱে বৰগীত বোলা হয়। শংকৰ-মাধৱৰ অনুগামী শিষ্য-প্রশিষ্যসকলে একে ভাষা আৰু ভাব, ৰাগ-তালযুক্ত বহুতো আধ্যাত্মিক গীত ৰচনা কৰি থৈ গৈছে যদিও সেইসমূহক 'বৰগীত' বুলি মানি লোৱা হোৱা নাই।
- *ভক্তিৰ গাঢ়তা ঃ* বৰগীতত পৰিলক্ষিত হোৱা অন্য এক বৈশিষ্ট্য হৈছে ভক্তি অনুভূতিৰ ব্যাপক ৰূপ। বৰগীতৰ সমসাময়িকভাৱে বহুতো গীত-পদৰ ৰচনা হৈছিল যদিও সেই গীতত ভক্তিৰ গাঢ়তা ব্যাপক ৰূপত দেখা নাযায়। ভক্তি অনুভূতিৰ আবেগময়তা আৰু তীব্রতাই বৰগীতসমূহক সেই সময়ত ৰচিত আন সকলো গীততকৈ পৃথক কৰিছে।

৮.৪.২ *কীর্তন, নামঘোষা* আৰু আনুষংগিক ধাৰা

শংকৰদেৱ আৰু মাধৱদেৱে বৰগীতৰ উপৰি *কীর্তনঘোষা* আৰু *নামঘোষা* নামেৰে আন দুখন গ্রন্থ ৰচনা কৰাৰ কথা আমি সকলোৱে জানো। দুয়োগৰাকী মহাপুৰুষৰ এই দুয়োখন ৰচনা সাহিত্য বা কাব্যকর্মৰূপেও শ্রেষ্ঠ ৰচনা বুলি সমাদৃত। কিন্তু দুয়োখন গ্রন্থ মূলতঃ সামাজিক ৰূপে গাব পৰা প্রার্থনাসংগীত ৰূপেহে ৰচিত হৈছিল। তেওঁলোকৰ জীৱনকালতে এই দুয়োখন গ্রন্থই সংগীতৰূপেও বহল প্রচলন লাভ কৰিছিল। সত্রসমূহত দৈনিক প্রচলিত প্রার্থনা বা প্রসংগক্রমত বৰগীতৰ উপৰি *কীর্তনঘোষা* আৰু *নামঘোষাই*ও বিশেষ স্থান লাভ কৰিলে। নির্দিষ্ট সুৰত বান্ধি দিয়া *কীর্তনৰ* প্রতিটো অধ্যায় আৰু *নামঘোষাৰ* ছন্দসমূহকলৈয়ো আন এক সংগীত ধাৰাই অসমৰ সত্র আৰু গাঁওসমূহত প্রসিদ্ধি লাভ কৰিলে। এই ধাৰা বৰগীতৰ দৰে ৰাগ আৰু তালেৰে নিবন্ধিত নহয় যদিও সুৰৰ বিচৰণৰ ৰূপ, লয় আৰু ভক্তিভাবৰ ঘনত্ব আদি বৈশিষ্ট্য সামৰি এই ধাৰাকো আন এক মার্গীয় ধাৰা বুলি অভিহিত কৰিব পাৰি। বৰগীতৰ তুলনাত ই অধিক জনমুখী আৰু সামূহিক অংশগ্রহণৰ আদর্শৰে পুষ্ট।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমৰ সত্রীয়া সংগীতক প্রধানতঃ কেইটা ভাগত ভাগ কৰিব পাৰি ?

.....

প্রশ্ন নং ৪ ঃ বৰগীতসমূহৰ সীমাবদ্ধ পবিত্রতা বুলিলে আপুনি কি বুজে?

.....

৮.৫ সত্রীয়া নৃত্য আৰু বাদ্য

ভাৰতবর্ষৰ আন আন ঠাইৰ দৰে অসমতো অতি প্রাচীন কালৰে পৰা নৃত্যৰ— 'মার্গী' আৰু 'দেশী' এই দুয়োটা ধাৰা হাতত ধৰাধৰিকৈ চলি আহিছে। অসমৰ মার্গীয় বা শাস্ত্রীয় নৃত্য বুলিলে সত্রীয়া নৃত্য, দেৱদাসী নৃত্য, ওজাপালি নৃত্যকে বুজা যায় বুলি ইতিপূর্বে কৈ অহা হৈছে। মূলতঃ অংকীয়া ভাওনাক কেন্দ্র কৰিয়েই শংকৰদেৱে ইয়াৰ জন্ম দিয়ে। অৱশ্যে সেয়া কেৱল জন বিনোদন বা ধর্ম প্রচাৰার্থেই সৃষ্টি কৰিছিল বুলি ভাবিলে ভুল হ'ব। ইয়াৰ অন্তৰালত যে অসমৰ কলা সংস্কৃতিক ন-ৰূপেৰে সর্বভাৰতীয় প্রেক্ষাপটত তুলি ধৰাৰ সচেতন প্রচেষ্টা নিহিত আছিল সেই কথাও বিভিন্ন ধৰণে অনুধাৱন কৰিব পাৰি। কাৰণ অসমত ইমানবোৰ জনপ্রিয় লোকপৰিৱেশ্য কলা থকাৰ পাছতো তেওঁ কিয়নো এই নব্য ধাৰাটোৰ সৃষ্টি কৰিব; ইয়াৰ অন্তৰালত নিশ্চয় আমি পূর্বতে কৰা মন্তব্যটোৰেই ক্রিয়া কৰি আছিল। উল্লেখযোগ্য যে শংকৰদেৱে *কীর্তনত* উল্লেখ কৰি গৈছে—"মোৰ যশ গায়া যিটো কৰে গীত নৃত্য/ নাহি তাৰ শঙ্কা সিটো ভৈল কৃত্য কৃত্য।।"— এয়া *ভাগৱতৰ* পদৰ অনুৰণন (পদ - ১১/২৭/৪৪)। ইয়াৰ পৰাই উপলব্ধি কৰিব পাৰি যে মহাপুৰুষজনাই *ভাগৱত* পুৰাণৰ সূত্র অনুধাৱন কৰিয়েই এই অভিনৱ নৃত্য শৈলীটোৰ শুভাৰম্ভ কৰে।

শংকৰদেৱৰ পিছত তেৰাৰ প্রধান শিষ্য মাধৱদেৱেও গুৰুৰ পদাংক অনুসৰণ কৰি তেওঁৰ উন্মেষশালিনী প্রতিভাৰে অৱদান আগবঢ়াই থৈ গৈছে। তেওঁ নাটৰ নাচৰ উপৰি অতি কম আয়াসতে অনুষ্ঠিত কৰিব পৰা নাচৰ সৃষ্টি কৰিলে, যেনে— চালি নাচ। এই ক্ষেত্রত মন কৰিবলগীয়া যে মাধৱদেৱে নতুন নাচ সৃষ্টি কৰোঁতে কিন্তু শংকৰদেৱে তৈয়াৰ কৰি যোৱা নাচৰ নীতি-নির্বন্ধ বা বৈয়াকৰণিক ৰীতিবোৰৰ পৰা আঁতৰি অহা নাছিল। প্রসংগক্রমে উল্লেখযোগ্য যে তেওঁ বৰপেটাত বঙ্গিয়াল গৃহ নামেৰে এক কাৰুকার্য খচিত কীর্তন ঘৰ সাজি উলিয়াই তাত এই নৃত্য ধাৰাটোৰ চর্চা কৰিছিল। কিন্তু ৰাজৰোষত পৰি তেওঁৰ অনেক লটি-ঘটি হ'ল। সেইবাবে এই নাচৰ চর্চাৰ বিকাশত বাধাপ্রাপ্ত ঘটিল। অৱশ্যে তেওঁৰেই শিষ্য পদ্ম আতা(কমলাবাৰী সত্রৰ প্রতিষ্ঠাপক)ই এই নাচ বৰপেটাত শিকি আহি উজনি অসমত প্রচাৰ কৰিবলৈ লোৱাত লুপ্ত নোহোৱাকৈ থাকিল। গুৰুদুজনাৰ তিৰোভাৱৰ পৰৱর্তী সময়তো এই পৰম্পৰা ব্যাহত নহ'ল। পূর্বৱর্তী অধ্যায় দুটাত

শংকৰদেৱৰ ছত্রছায়াতে আৰম্ভ হোৱা সত্র আৰু নামঘৰসমূহে এই ক্ষেত্রত কেনে ভূমিকা গ্রহণ কৰিছে সেই বিষয়ে আলোচনা কৰি অহা হৈছে। প্রসংগক্রমে উল্লেখ কৰি থোৱা হ'ল যে, সত্রসমূহে গুৰুদুজনাই সৃষ্টি কৰি যোৱা মূল নাচসমূহৰ আধাৰত পৰিৱর্তিত সময়ৰ লগত খাপখোৱাই নতুন নতুন নাচৰো সৃষ্টি কৰিলে। যেনে— ভিন ভিন প্ররেশৰ আৰু নাটৰ কাহিনীৰ আধাৰৰ নাচ (উদাহৰণ— লৰণু চুৰি নাচ, কংসৰ প্ররেশ নাচ), সত্রীয়া ওজাপালি, বিভিন্ন নটুৱা নাচ, ৰজাঘৰীয়া চালি নাচ ইত্যাদি। একোখন তালক বিভিন্ন প্রকাৰে অলংকৃত কৰি নতুন নতুন বাজনাও তৈয়াৰ কৰিলে। ৰজাঘৰে কিছু সত্রানুষ্ঠানক ৰাজমর্যাদা প্রদান কৰাৰ লগতে সত্রীয়া নৃত্যক প্রথমবাৰৰ বাবে সত্রৰ পৰা উলিয়াই নি ৰাজ হাউলিত ঠাই দিলে। ৰাজসভাত প্রদর্শনৰ কালত ভক্তিৰ গাঢ়তাতকৈ কলাত্মক দিশৰ প্রতি লক্ষ্য ৰখাত নতুন নৃত্যভংগিমাৰ সৃষ্টি হ'ল। কমলাবাৰী সত্রৰ 'ৰজাঘৰীয়া চালি' ইয়াৰ প্রকৃষ্ট উদাহৰণ। ৰাজেশ্বৰ সিংহৰ ৰাজসভাত ৰাজ আতিথ্যত থকা মণিপুৰৰ ৰজা ভাগ্যচন্দ্রৰ সন্মানার্থে ৰজাই কমলাবাৰী সত্রক চালি নাচ পৰিৱেশন কৰিবলৈ আমন্ত্রণ জনোৱাত সত্রই পুৰণি নাচ ভাগ হুবহু ৰূপত নপঠিয়াই নতুন বাজনা আৰু নাচেৰে সজাই পৰিৱেশন কৰিলে। ৰজাঘৰীয়া চালি নাচ ভাগ এনেদৰেই সৃষ্টি হ'ল।

এই আলোচনাৰ আঁত ধৰিয়েই ক'ব পাৰি যে, সত্রীয়া নৃত্য "শংকৰ-মাধৱৰ দিনৰপৰা এক অবিচ্ছিন্ন পৰম্পৰাৰ মাধ্যমেদি বিভিন্ন সময়ত গঢ় লৈ উঠা।' শংকৰদেৱে তেওঁৰ সৃষ্টিৰাজিৰ মাজেৰে অসমীয়া মার্গীয় বা শাস্ত্রীয় পৰিৱেশ্য কলাক জনসমাজত প্রতিষ্ঠা কৰি গ'ল। পৰৱর্তী সময়ত সত্রসমূহে এই শাস্ত্রীয় ধাৰাটোৰ বাহক তথা সংৰক্ষক হিচাপে কাম কৰি গ'ল। অৱশ্যে শংকৰোত্তৰ কালৰ সত্রীয়া সাধকসকলে ইয়াত আপোন মনৰ, প্রতিভাৰ চানেকিও সংযোজিত কৰি পৰম্পৰাটো অধিক সমৃদ্ধ কৰি তুলিলে। এক কথাত ক'ব পাৰি এই সময়ছোৱাতে "সংৰক্ষণশীলতাৰ সমান্তৰালভাৱে আদর্শানুগ, সম্পৰীক্ষামূলক নতুন সৃষ্টি, সংযোগ আৰু সম্প্রসাৰণৰ যুগপৎ প্রক্রিয়া এটাও চলি আছিল।" সেইবাবেই এই ধাৰাটোক 'সত্রীয়া নৃত্য' অভিধাৰে অভিহিত কৰা হয়। উল্লেখযোগ্য যে, বহু পণ্ডিতে পিছে এই অভিধাটো মানি ল'ব নিবিচাৰি 'শংকৰী নৃত্য' হিচাপে অভিহিত কৰিব বিচাৰে। 'সত্রীয়া সংগীত'ৰ ক্ষেত্রতো এই কথাষাৰ প্রযোজ্য। এই বিষয়ে যথেষ্ট বাদানুবাদ আছে বাবে বহলাই আলোচনা কৰা নহ'ল। উল্লেখ কৰি যোৱা হ'ল যে, ১৯৯৫ চনত ডিব্রুগড় বিশ্ববিদ্যালয়ে অসমীয়া বিভাগত অধীনত সত্রীয়া সংগীতৰ ২ + ৩ বছৰীয়া পাঠ্যক্রমৰ এটা স্বতন্ত্র ধাৰা প্রস্তুত কৰাৰ সময়ত অসমৰ এগৰাকী বিশিষ্ট সংস্কৃতিবিদ বীৰেন্দ্রনাথ দত্তক বিশেষজ্ঞ হিচাপে লৈ বিভিন্নজনৰ মতামত গ্রহণ কৰে। সেই মতামতসমূহৰ আধাৰত 'সত্রীয়া নৃত্য' অভিধাটো বাস্তৱসন্মত বুলি বীৰেন্দ্রনাথ দত্তই পৰামর্শ প্রদান কৰে আৰু বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলেও সেয়া গ্রহণ কৰি মান্যতা প্রদান কৰে। অৱশ্যে এতিয়াও শ্রীমন্ত শংকৰদেৱ সংঘই 'শংকৰী নৃত্য' অভিধাৰে তেওঁলোকৰ নিজা পাঠ্যক্রম চলাই আছে। আমাৰ বিশ্ববিদ্যালয়েও ডিব্রুগড় বিশ্ববিদ্যালয়ৰ মতামতটোকেই গ্রহণ কৰি পাঠ্যক্রম প্রচলন কৰিবলৈ আগবাঢ়িছে।

সত্রীয়া নৃত্যই সর্বভাৰতীয় পটভূমিত শাস্ত্রীয় নৃত্য হিচাপে স্বীকৃতি পোৱা বেছি বছৰ

হোৱা নাই। মহেশ্বৰ নেওগে শাস্ত্রীয় নৃত্য হিচাপে স্বীকৃতি বিচাৰি বাট কাটি যোৱা প্রক্রিয়াটো পৰৱর্তী সময়ত ভূপেন হাজৰিকাকে প্রমুখ্য কৰি বিভিন্নজন অসমীয়া পণ্ডিতৰ প্রচেষ্টাত ফলৱতী হ'ল। ২০০০ চনৰ ১৪ নৱেম্বৰ তাৰিখে ৰাষ্ট্রীয় 'সংগীত নাটক অকাদেমি'য়ে সত্রীয়া নৃত্যক ভাৰতৰ প্রধান শাস্ত্রীয় নৃত্য ধাৰাৰ এটা বুলি গ্রহণ কৰে আৰু ১৫ নৱেম্বৰ তাৰিখে গুৱাহাটীৰ ৰবীন্দ্র ভৱনত অনুষ্ঠিত এক নৃত্য সমাৰোহত সেই কথা সেই সময়ৰ অকাদেমিৰ সচিবে আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

সত্রীয়া নৃত্য প্রধানকৈ ভাওনাৰ লগত জড়িত, এক কথাত ক'ব পাৰি অংকীয়া ভাওনাই হ'ল সত্রীয়া নৃত্যৰ মূল ভেটি। সত্রীয়া নৃত্যক আমি দুই ধৰণে ভগাব পাৰোঁ— (ক) নাটৰ পৰা উদ্ভৱ হোৱা নৃত্য আৰু (খ) স্বতন্ত্রভাৱে সৃষ্টি হোৱা নৃত্য। ভাওনাৰ বিভিন্ন নাচসমূহ নাটৰ পৰা উদ্ভৱ হোৱা নৃত্য। ভাওনাৰ বাহিৰেও কোনো কোনো সত্রত বিভিন্ন উপলক্ষ্যত পৰিৱেশন কৰা নটুৱা নাচ, চালি নাচ, ৰজাঘৰীয়া চালি, নাদু-ভংগী, সত্রীয়া ওজাপালি আদি নাচ প্রচলিত আছে; এইবোৰ স্বতন্ত্রভাৱে সৃষ্টি হোৱা নৃত্য।

সত্রীয়া নৃত্যৰ পৰিৱর্ধনত সৃষ্টি হোৱা ভংগী বাজনাবোৰৰ আধাৰতেই সত্রানুষ্ঠানবোৰত এক ধৰণৰ বিশেষ শিক্ষা পদ্ধতিৰ আৰম্ভ হয় আৰু কালক্রমত প্রণালীবদ্ধ শিক্ষণ ব্যৱস্থাৰ গঢ় লৈ উঠিল। সেই শিক্ষণ প্রণালীটো হ'ল 'মাটি আখৰা'। সত্রভেদে মাটি আখৰাৰ বিভিন্ন প্রকাৰভেদ তথা সংখ্যাৰ তাৰতম্য থকা দেখা যায় যদিও বর্তমান সর্বসন্মতিক্রমে ৬৪ খন মাটি আখৰা আছে বুলি স্বীকৃতি দিয়া হৈছে ।ইয়াৰে কেইখনমান হ'ল — কাছ বান্ধ, মতা ওৰা, মাইকী ওৰা, বুকুচোৰা, হাড় ভঙা, পচলা তোলা, গেৰোৰা চোৰা, পানী সিঁচা, উধালন, কাটিলন, বাঘ জাপ, জলক, থিয়লন, কাটিলন, তেলটুপী, উধা পাক, শাৰী পাক, ম'ৰাই পানী খোৱা ইত্যাদি। উল্লেখযোগ্য যে এই মাটি আখৰাসমূহ ৮টা ভাগত (ওৰা, চটা, জলক, চিচিকা, পাক, জাপ, লন আৰু খৰ) বিভক্ত।

সত্রীয়া নৃত্যৰ কৌশলক প্রধানকৈ শুদ্ধ নাচ (নৃত্ত), অভিনয়যুক্ত নাচ (নৃত্য) আৰু নাট্যাভিনয় — এই তিনিটা বহল ভাগত বিভক্ত কৰিব পাৰি। এক কথাত ক'ব পাৰি সত্রীয়া নৃত্যত নৃত্ত, নৃত্য আৰু নাট্য — এই তিনিওটা শাস্ত্রীয় উপাদানৰ সমাহাৰ ঘটিছে। নৃত্ত মানে তাল-লয়াশ্রিত, ভাব আৰু অভিনয়হীন নাচ; নৃত্য মানে তাল-লয়াশ্রিত, ৰস তথা ভাবাশ্রিত আৰু অভিনয়যুক্ত নাচ আৰু নাট্য হ'ল ৰসাশ্রিত আৰু অভিনয়প্রধান সংলাপযুক্ত পৰিৱেশন। সত্রীয়া নৃত্যৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল ইয়াত ব্যৱহাৰ কৰা হস্ত প্রদর্শন। ইয়াত সর্বমুঠ ৭৬ খন মূল হস্তৰ প্রয়োগ দেখা যায়, তাৰে ৪৪ খন নৃত্যহস্ত (অসংযুক্ত ২৯খন আৰু সংযুক্ত ১৫খন) আৰু ৩২ খন নৃত্তহস্ত।

প্রত্যেকটো নৃত্য শৈলীৰে একোটা নিজাববীয়াকৈ প্রাথমিক থিয় হোৱাৰ ভংগী থাকে। সত্রীয়া নৃত্যত এই অৱস্থাক 'ওৰা' বোলে। ই সত্রীয়া নৃত্য গাঁথনিৰো মূল ভেটি। পুৰুষসুলভ নৃত্য ভংগীমাৰ বাবে 'মতা ওৰা' আৰু স্ত্রী সুলভ ভংগীমাৰ বাবে 'মাইকী ওৰা'ৰ প্রচলন আছে। *নাট্যশাস্ত্রত* পদচালনা ৰীতিক 'চাৰি' বোলে। সত্রীয়া নৃত্যত ইয়াক খোজ দিয়া বা ভৰিমান বুলিছে। দেহৰ ভৰ

ঊৰ্ধ্বমুখী কৰি তাৰে দেহলৈ লঘিমা গুণ আনি নৃত্য কৰাটো এই নাট্যধাৰাৰ এটা প্ৰধান লক্ষণ আৰু ইয়াক উলাহ বুলি কোৱা হয়। উল্লেখযোগ্য যে, এই নৃত্যৰ জ্যামিতিক বিন্যাস অৰ্ধবৃত্তাকাৰ। অতীজতে এই নৃত্য পুৰুষ প্ৰধান আছিল, অৰ্থাৎ কেৱল পুৰুষেহে পৰিৱেশন কৰিছিল। সাম্প্ৰতিক সময়ত মহিলা বা ছোৱালীয়েও এই নাচ নাচে। অৱশ্যে পুৰুষ প্ৰধান হ'লেও ইয়াত লাস্য নৃত্য বৰ্তমান। এই নৃত্যশৈলীৰ প্ৰধান ৰস হ'ল ভক্তি। সত্রীয়া নৃত্য কোনো এখন বিশেষ প্ৰাচীন শাস্ত্ৰৰ আধাৰত সংৰচনা কৰা হোৱা নাই। ইয়াত প্ৰাচীন বিভিন্ন নৃত্য-নাট্য বিষয়ক শাস্ত্ৰৰ উপাদানৰ লগতে স্থানীয় উপাদানৰো সংমিশ্ৰণ ঘটিছে। সত্রীয়া নৃত্যৰ আহাৰ্যৰ বৈবিধ্য মন কৰিবলগীয়া। এই নৃত্য ধাৰাত নৃত্যবৈবিধ্য থকাৰ বাবে প্ৰতিটো নৃত্যৰ আহাৰ্য প্ৰকৰণতো বৈচিত্ৰ্য বৰ্তমান। অৱশ্যে সম্প্ৰতি সংগীত নাটক অকাডেমিয়ে শাস্ত্ৰীয় মৰ্যাদা প্ৰদান কৰাৰ পিছত আৰু স্থান-কালৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি এক নিৰ্দিষ্ট ৰূপ প্ৰদান কৰিবলৈ যত্ন কৰা দেখা গৈছে।

সত্রীয়া নৃত্যৰ নৃত্য প্ৰকৰণসমূহক বিভিন্নজনে বিভিন্ন ধৰণে বিভাজিত কৰিছে। ইয়াৰে কিছু নাট্য আধাৰিত আৰু কিছুমান স্বতন্ত্ৰৰীয়। নাট্য আধাৰিত প্ৰধান নৃত্য প্ৰকৰণসমূহ হ'ল — গায়ন-বায়ন বা ধেমালিৰ নাচ, সূত্ৰধাৰী নাচ, গোসাঁই প্ৰৱেশৰ নাচ বা কৃষ্ণ নাচ, বেহাৰ বা গোপী প্ৰৱেশৰ নাচ, বিভিন্ন ভাৱৰীয়া প্ৰৱেশৰ নাচ, শ্লোক-গীত-ভতিমাৰ নাচ, যুদ্ধৰ নাচ, ভংগী নাচ আৰু গোঁসাইৰ অন্যান্য নাচ (যেনে— ৰামৰ ধনুভঙা নাচ, কৃষ্ণৰ কালী শিৰৰ নাচ ইত্যাদি)। আনহাতে স্বতন্ত্ৰৰীয়া নাচবোৰ হ'ল— ঝুমুৰা নাচ (৪ প্ৰকাৰ), চালি নাচ (৮ প্ৰকাৰ), ৰজাঘৰীয়া চালি নাচ (৪ প্ৰকাৰ), নাদু-ভংগী, বৰ প্ৰৱেশৰ নাচ, নটুৱা নাচ (২ প্ৰকাৰ), সত্রীয়া ওজাপালি, অপ্সৰা বা ইন্দ্ৰাভিষেক নাচ, ঘোষা কীৰ্তনৰ নাচ, মানচোক নাচ ইত্যাদি। বিভিন্নজনে অৱশ্যে এই প্ৰকৰণসমূহ বেলেগ বেলেগ ধৰণেও শ্ৰেণী বিভাজন কৰিছে। প্ৰদীপ চলিহাই ইয়াক থোৱতে 'নটুৱা নাচ', 'সূত্ৰধাৰী নাচ', 'কৃষ্ণভংগী' আৰু 'গোপীভংগী' — এইকেইটা ভাগত ভাগ কৰিছে।

এই আলোচনাৰ পৰা আপুনি সত্রীয়া নৃত্য সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলে। অৱশ্যে এই বিষয়ে আৰু বহল আলোচনাৰ বাট মুকলি হৈ আছে।



চিন্তা-চৰ্চা কৰক — ৮.১

অধিক জানিবলৈত উল্লেখ থকা গ্ৰন্থসমূহৰ সহায়েৰে আপুনি সত্রীয়া নৃত্যৰ প্ৰকৰণসমূহৰ বিষয়ে বহলাই লিখিবলৈ যত্ন কৰক।

সত্রীয়া পৰিৱেশ্য কলাত খোল, মৃদংগ, ডবা, নেগেৰা আদি অৱনদ্ধ বাদ্য; পাতি তাল, ভোৰতাল, বৰকাঁহ, খুটি তাল, মন্দিৰা আদি ঘন বাদ্য; চাৰেংদাৰ আৰু ৰবাব নামৰ তত বাদ্য তথা শংখ, কালি সুষিৰ বাদ্য ব্যৱহাৰ কৰা হয়। পূৰ্বৰে পৰা এনে বাদ্য ব্যৱহৃত হৈ অহাৰ কথা আমি চৰিতপুথিসমূহতো উল্লেখ পাওঁ।

প্ৰাচীন সাহিত্যত মৃদংগৰ কথা উল্লেখ থকাৰ পৰা সেয়া অতি পুৰণি বাদ্যযন্ত্ৰ বুলি সহজেই ধাৰণা কৰিব পাৰি। কিন্তু শংকৰদেৱে তেওঁৰ সৃজনশীলতাৰ পৰিচয় দাঙি ধৰি *চিহ্নযাত্ৰা* পৰিৱেশন

কৰিবৰ বাবেই খোল নির্মাণ কৰোৱাই অসমীয়া সংগীতৰ ক্ষেত্রখনত এক নতুন বাদ্যযন্ত্র সংযোগ কৰিলে। সেই বাদ্যযন্ত্র আজি অসমীয়া সংস্কৃতিৰ ঐতিহ্যৰ বাহক ৰূপে চিহ্নিত আৰু সমাদৃত হৈছে। এই সম্পর্কে *শংকৰ চৰিতত* উল্লেখ আছে—

কপিলি মুখত কুমাৰ আছয়
শুনু এক সর্বজনে।।
খোল গঢ়িবাক বোলা এবে তাক
চানেকি পথায়া দিয়া।
তেতিক্ষণে কাঠ একদাল আনি
সাজিলা আনন্দ হয়া।।

কথা-গুৰু চৰিতখনত শংকৰদেৱে দিয়া খোলৰ জোখ উল্লেখ আছে— "সোঁহাতত আঘাট স্থল সাত আঙুল আৰ বাওঁহাতৰ তেৰ আঙুল।" ঠিক সেইদৰে বিভিন্ন ৰাগৰ গীত গাই তাত খোল-তাল সংগত কৰাৰ কথা উল্লেখ আছে। নাটৰ পাত্র-পাত্রীসকলেও এক নির্দিষ্ট ছেৱে ছেৱে বজোৱা সংগীতৰ তালে তালে নৃত্য ভংগিমাৰে ৰংগভূমিত প্রৱেশ কৰিছিল বুলি ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে। সেই দিশৰ পৰা ধাৰণা কৰিব পাৰি যে পূর্বতে সত্রীয়া সংগীতত মৃদংগৰ প্রয়োগ নাছিল। কিন্তু ৰজাঘৰীয়া চালি নাচৰ বোল মৃদংগৰ, সেয়ে অনুমান কৰিব পাৰি যে, শংকৰোত্তৰ কালত হে মৃদংগই সত্রীয়া সংগীতত ঠাই পায়। ঠিক সেইদৰে মূলতঃ নামঘৰৰ কীর্তন বা প্রসংগৰীতিতহে নাগাৰাৰ প্রয়োগ হোৱা দেখা যায়। পাতি তাল, ভোৰতাল, বৰকাঁহ, মন্দিৰা আদি ঘন বাদ্য বিভিন্ন প্রসংগত ব্যৱহাৰ কৰা হয় যদিও খুটি তালৰ প্রয়োগ প্রধানতঃ সত্রীয়া ওজাপালি নৃত্যত কৰা দেখা যায়; এয়া ওজাপালিৰ প্রভাৱপুষ্ট বুলি অনুমান কৰাত অসুবিধা নহয়। বৰগীতৰ পৰিৱেশনত সাৰেংদাৰ বা চাৰিন্দা, ৰবাব (ৰুদ্রবীণা) বজোৱাৰ কথা চৰিতপুথিত উল্লেখ আছে। সম্প্রতি গীত পৰিৱেশন আৰু ভাওনাত বাঁহী আৰু বেহেলাৰ ব্যৱহাৰ কৰা দেখা যায়, সেয়া অতি অর্বাচীন প্রয়োগ। গায়ন-বায়নৰ ধেমালিত কেইখনমান সত্রত কালি বজোৱা দেখা যায়।

পূর্বৱর্তী শাখা তথা এই শাখাৰ আলোচনাৰ পৰা আপুনি সত্রীয়া সংগীত, নৃত্য আৰু বাদ্য সম্পর্কে এক সম্যক ধাৰণা লাভ কৰিলে। আলোচনাটিত আৰু এটা কথা স্পষ্ট হৈছে যে, পুৰণি অসমীয়া সাহিত্য-সংস্কৃতিলৈও সত্রৰ অৱদান ৰাজকীয় পৃষ্ঠপোষকতাজনীত অৱদানতকৈ কোনো গুণে কম নহয়। বৰং কোনো কোনো দিশত অধিক বুলিয়েই ক'ব লাগিব। আপুনি নিশ্চয় জানে যে, পুৰণি অসমীয়া সাহিত্য সৃষ্টিৰ অনুপ্রেৰণাৰ উৎস আছিল প্রধানকৈ দুটা— সত্র আৰু ৰজাঘৰ। শঙ্কৰ-মাধৱদেৱৰ নেতৃত্বত যি ধর্মীয় সাহিত্য গঢ়ি উঠিছিল সেই সাহিত্যৰ ক্রমবর্ধমান সৃষ্টিত সত্রানুষ্ঠানৰ প্রত্যক্ষ আৰু পৰোক্ষ প্রভাৱ অনস্বীকার্য। নাট, গীত, চৰিত সাহিত্য আদি সৃষ্টিৰ ক্ষেত্রত ঈর্ষা কৰিবলগীয়া স্থান সত্রই অধিকাৰ কৰি আছে। এই আলোচনাৰ পৰা আৰু এটা কথা স্পষ্ট হ'ল যে, অংকীয়া নাটক কেন্দ্র কৰিয়েই খোলৰ বোল, তাল, নাচ, গীত অভিনয়ৰ বিভিন্ন অংগ বিকশিত হৈ উঠিল। অসমীয়া সংস্কৃতি ন-ৰূপেৰে উদ্ভাসিত হ'ল আৰু অসমে এক

নব্য মার্গীয় পৰিৱেশ্য কলা লাভ কৰিলে। সেই বাবেই ক'ব পাৰি মহাপুৰুষ শংকৰদেৱে অসমীয়া জাতিটোৰ সকলো ব্যক্তিকে স্বৰূপতে গায়ক, ভাৱৰীয়া, নাট-নটুৱা কৰি থৈ গ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ মাটিৰ আখৰা মানে কি বুজে?

.....

প্রশ্ন নং ৬ ঃ খুটি তালৰ প্রয়োগ প্রধানতঃ সত্রীয়া নৃত্যৰ কোনটো নৃত্য প্রকৰণত অধিকভাৱে কৰা হয়?

.....

৮.৬ অংকীয়া নাট আৰু ভাওনা

অংকীয়া নাট শংকৰদেৱৰ সৃজনীশীল প্রতিভাৰ উৎকৃষ্ট স্বাক্ষৰ। তেৱাঁই আৰম্ভ কৰা নৱ-বৈষ্ণৱ ধর্মৰ আন্দোলন সফল কৰি তোলাত এই নব্য নাট্য ধাৰাটোৱে এক গভীৰ ভূমিকা পালন কৰিছিল। সংস্কৃত নাট, অসমত প্রচলিত বিভিন্ন অর্ধ-নাটকীয় ধাৰাসমূহৰ পৰা সমল সংগ্রহ কৰি পঞ্চদশ শতিকাৰ মাজভাগত শংকৰদেৱে অংকীয়া নাটৰ মাধ্যমেৱে অসমীয়া নাটকৰ শুভাৰম্ভ ঘটায়। এক কথাত ক'ব পাৰি শংকৰদেৱ অসমীয়া নাটকৰ জনক। চৰিতপুথিত উল্লেখ থকা মতে— মহাপুৰুষজনাই ঊনৈশ বছৰ বয়সত আলিপুখুৰীত থকা কালতে *চিহ্নযাত্রা* ভাওনা মঞ্চস্থ কৰে আৰু ইয়াৰ দ্বাৰাই নব্য ধাৰণাৱে ধর্ম প্রচাৰৰ প্রক্রিয়া আৰম্ভ কৰে। তেওঁৰ হাততেই সৃষ্ট অংকীয়া নাটৰ পৰাই অসমীয়া নাটকৰ পূর্ণাংগ আৰু ধাৰাবাহিক ইতিহাস দেখিবলৈ পোৱা যায়। অংকীয়া নাটৰ সৃষ্টিৰ ক্ষেত্রত শংকৰদেৱে বিভিন্ন লোকনাট্যৰ পৰা সমল সংগ্রহ কৰিছিল। এই সম্পর্কে বাণীকান্ত কাকতিৰ এযাৰ মন্তব্য উল্লেখযোগ্য— "But the ultimate source of the Assamese drama, divested of outward form is in all probability the choral performance of the Assamese Ojapali. Sankardeva appears to have improved this kind of performance and to have given birth to the Assamese Drama." (Kakati, 1959, p. 19) শংকৰদেৱৰ কাপৰ পৰা নিসৃত হয় *পত্নীপ্রসাদ, কালিদমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাতহৰণ* আৰু *ৰামবিজয়* নাট। পৰৱর্তী সময়ত তেওঁৰ প্রধান শিষ্য মাধৱদেৱ প্রমুখ্যে শিষ্য-প্রশিষ্যসকলে এই নাট্য ধাৰাটিৰ চর্চা অব্যাহত ৰাখিলে। এই ক্ষেত্রতো বিশেষ ভূমিকা পালন কৰিছিল সত্রসমূহে। মহাপুৰুষ দুগৰাকীৰ আর্হিত পৰৱর্তী বৈষ্ণৱ সন্ত-মহন্তসকলেও অলেখ নাট ৰচনা আৰু অভিনয় কৰি গৈছে। সকলো সত্রত সঞ্চিত হৈ থকা নাটসমূহ একগোট কৰিলে পুৰণি নাটৰ এটা সৰু গ্রন্থাগাৰেই হৈ যায়।

আপুনি নিশ্চয় জানে যে, 'নাট' শব্দটো প্রথমতে বহুলভাৱে ব্যৱহৃত হৈছিল যদিও পিছলৈ 'অঙ্কীয়া নাট' শব্দটো জনপ্রিয় হৈ উঠে। এই নাটসমূহ যথার্থতে গীতি-নৃত্য-নাট। অংকীয়া

নাটৰ উৎপত্তি, ইয়াৰ প্ৰধান বৈশিষ্ট্য, নাট ৰচনাৰ কলা-কৌশল আদিৰ বিষয়ে আপুনি দ্বিতীয় ষাণ্মাসিকৰ আধুনিক ভাৰতীয়া ভাষা (অসমীয়া)ত (অধ্যায় ১২ত) অধ্যয়ন কৰি আহিছে, সেয়া ইয়াত পুনৰাই আলোচনা কৰা নহয়। আপুনি এইখন পাঠ্যবিষয়ৰ বাবেও সেইখন পাঠ্যবিষয়ৰ নির্দিষ্ট অংশখিনি অধ্যয়ন কৰাতো বাধ্যতামূলক। পৰীক্ষাত এই বিষয়েও প্ৰশ্ন কৰা হ'ব। অসমীয়া প্ৰধান বিষয় হিচাপে লোৱা শিক্ষার্থীসকলে অৱশ্যে ইয়াৰ পৰৱৰ্তী পাঠ্যবিষয়তো এই বিষয়ে বহলাই অধ্যয়ন কৰিব লাগিব।

অংকীয়া নাট পৰিৱেশন কৰা কার্যকে ভাওনা বোলা হয়। কেশৱানন্দ দেৱগোস্বামীৰ ভাষাৰে ক'ব পাৰি "বর্তমান নাটক ভাওনা বোলা হয় আৰু ৰচনা কার্য্যক নাট-কটা বা নাট লেখা বুলিহে কোৱা হয়। গতিকে যাত্রা বা ভাওনাই বর্তমান অভিনয়কে মাথোন বুজায়।" উল্লেখযোগ্য যে, মহাপুৰুষ শংকৰদেৱৰ আগলৈকে অসমত ভাওনা বা নাট্যানুষ্ঠান অনুষ্ঠিত হোৱাৰ কোনো ধৰণৰ উল্লেখযোগ্য প্ৰমাণ পোৱা নাযায়।

এতিয়া পৰিৱেশনগত দিশৰ পৰা ভাওনা সম্পর্কে চমুকৈ আলোকপাত কৰা যাওক। পৰিৱেশনগত দিশ বুলি ক'লে— অভিনয়, দর্শক, মঞ্চ, দৃশ্যসজ্জা, পোহৰ বা আলোকসম্পাত আৰু আৱহসংগীত আদি দিশবোৰৰ কথা আহে। ভৰত মুনিয়ে *নাট্যশাস্ত্রত* অভিনয় চাৰিটা ভাগত পৰিকল্পিত বুলি কৈ সেই চাৰিবিধৰ নাম উল্লেখ কৰিছে এনেদৰে— আংগিক, বাচিক, আহার্য আৰু সাত্ত্বিক। আংগিক অভিনয় বুলি ক'লে মূলতঃ এজন অভিনেতাই তেওঁৰ দেহৰ বিভিন্ন অংগ আৰু উপাংগৰ দ্বাৰা কৰা অভিনয়ৰ কথাকেই বুজা যায়। বাচিক অভিনয় মানে হ'ল বচনৰ দ্বাৰা বা মুখৰ কথাৰে কৰা অভিনয়। অভিনেতা এজনে সংলাপ প্রক্ষেপণ কৰোঁতে তেওঁৰ স্বৰ কেনেদৰে নিয়ন্ত্রণ কৰিব, সংলাপৰ ছন্দ কেনেদৰে ৰক্ষা কৰিব, মনৰ ভাব কেনেদৰে প্রকাশ কৰিব আদি কথা ইয়াৰ লগত জড়িত হৈ থাকে। বাচিক অভিনয়ৰ ক্ষেত্রত অভিনেতা এজনৰ স্বৰভংগিমাই গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। সাত্ত্বিক অভিনয় পাত্র-পাত্রীৰ মানসিক অৱস্থাৰ লগত জড়িত। মানসিক অৱস্থাও মূলতঃ অভিনেতাৰ দৈহিক ভাবৰ লগত নিবিড়ভাৱে জড়িত হৈ থাকে। সেই ভাবৰাশিক মুখজ প্রকাশভংগীৰে এজন ভাৱৰীয়াই স্তম্ভ, স্বেদ, ৰোমাঞ্চ, স্বৰভংগ, বেপথু, বৈবর্ণ্য, অশ্রু আৰু প্রলয়ৰ দ্বাৰা তেওঁৰ আন্তৰিক ভাব, প্রাণৰ আবেগ-অনুভূতি ফুটাই তোলে— এয়াই সাত্ত্বিক অভিনয়। সাত্ত্বিক অভিনয়ো প্রধানতঃ ভাৱৰীয়াৰ অভিনয় প্রতিভাৰ ওপৰতে নির্ভৰশীল। আহার্য শব্দটোৰ আভিধানিক অর্থ হ'ল— আহৰণ কৰা বা সংগ্রহ কৰা। এজন অভিনেতাই অভিনয়ৰ বাবে বাহ্যিকভাৱে যি আহৰণ কৰে সেয়াই আহার্য অভিনয়। ভৰতমুনিৰ মতে নাটকত ব্যৱহৃত সকলো প্রকাৰৰ প্রয়োগেই আহার্য অভিনয়ৰ দ্বাৰা প্রতিষ্ঠিত হয়।

এই দিশকেইটা ভাওনাতো সম্পূর্ণৰূপে ৰক্ষিত হৈছে। প্রথমতে অভিনয়ৰ বিষয়ে আলোচনা কৰা যাওক। প্রথমেই আহে আংগিক অভিনয়ৰ কথা। শংকৰদেৱৰ প্রথমখন ভাওনা *চিহ্নযাত্রা* এক ধৰণৰ মূকাভিনয় হোৱাৰ বাবে তাত আংগিক অভিনয়ে যে প্রাধান্য লাভ কৰিছিল সেই বিষয়ে ধাৰণা কৰিব পাৰি। তাৰ পৰৱৰ্তী কালৰ ভাওনাসমূহত নৃত্যভংগিমাৰে সূত্রধাৰকে ধৰি সকলো চৰিত্রৰ প্রৱেশ কৰোৱাৰ ধাৰণাটোৰ লগতে বিভিন্ন ধৰণৰ নৃত্য ভংগিমাৰ সংযোগেৰে

আংগিক অভিনয় কৰোৱাৰ ধাৰণাটো আৰম্ভ হয়। এই কথা বর্তমান অসমৰ বিভিন্ন অঞ্চলত মঞ্চস্থ হৈ থকা ভাওনাসমূহেও প্রমাণ কৰে। এই ক্ষেত্রত অৱশ্যে অভিনেতাৰ পাৰদর্শিতাৰ কথাটোও আহি পৰে।

ইয়াৰ পিছতেই আহে বাচিক অভিনয়ৰ কথা। *চিহ্নযাত্রা*ত কোনো ধৰণৰ সংলাপ ব্যৱহাৰ কৰা নাছিল যদিও বাকী কেইখন নাটত সূত্রধাৰ তথা চৰিত্রৰ মুখৰ সংলাপ আৰু গীত সংযোগ কৰি বাচিক অভিনয় সংযোজন কৰে। বর্তমান মঞ্চস্থ হৈ থকা ভাওনাসমূহলৈ লক্ষ্য কৰিলে আমি দেখিবলৈ পাওঁ যে এই উপাদানটিৰ লগত সংযোগ হৈ আছে 'অতি নাটকীয়তা'। নাটক পৰিৱেশনত অতি নাটকীয়তা শব্দটোৱে মাত্রাধিক্য অভিনয়ক সূচায়। শংকৰদেৱৰ দিনত বাচিক অভিনয় কেনেদৰে হৈছিল তাৰ কোনো তথ্য সঠিকভাৱে ক'তো লিপিবদ্ধ হৈ থকা নাই বাবে সেই সময়ৰ অভিনয়ত অতি নাটকীয়তা সংযোগ হৈ আছিল নে নাই সেই বিষয়ে সঠিকভাৱে একো ক'ব নোৱাৰি। তথাপিতো ধাৰণা কৰিব পাৰি যে, অংকীয়া ভাওনাত বর্ণিত ঘটনাৰাজি সর্বসাধাৰণৰ পৃথিৱীখনত সংঘটিত হোৱা বাস্তৱ ঘটনা নহয়। সেয়ে তেনে অভিনয়ত অতি নাটকীয়তা স্বতঃপ্রণোদিতভাৱে ৰক্ষা কৰা হৈছিল আৰু সেয়া শংকৰদেৱৰ দিনৰে পৰা ৰক্ষিত হৈছে। অৱশ্যে তাত কিছু পৰিমাণে যোগ-বিয়োগ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। এই অতি নাটকীয়তাৰ দিশটো আংগিক অভিনয়ৰ ক্ষেত্রতো পৰিলক্ষিত হয়। অৱশ্যে অসমত প্রচলিত বিভিন্ন লোকনাট্যলৈ লক্ষ্য কৰিলে আমাৰ চকুত পৰে যে, সেইবোৰতো অতি নাটকীয়তা বিৰাজমান। সেয়ে তেনেবোৰ নাট্যধর্মী অনুষ্ঠানৰ পৰা সমল গ্রহণ কৰাৰ বাবে অংকীয়া নাটতো এই বৈশিষ্ট্যটো ৰক্ষিত হৈছে বুলি ভাবিব পাৰি। তদুপৰি লোকনাট্যৰ এনে অনুষ্ঠানবোৰে সর্বসাধাৰণক মোহিত কৰাৰ কথাটো শংকৰদেৱে নিশ্চয় লক্ষ্য কৰিছিল। সেয়ে এই বিশেষত্বটো তেওঁ স্ব-প্রণোদিতভাৱে ৰক্ষা কৰিছিল বুলি ভাবিব পাৰি।

ইয়াৰ পিছতে আহে আহার্য অভিনয়ৰ কথা। অসমৰ নাট্য পৰম্পৰালৈ লক্ষ্য কৰিলে দেখা যায় যে 'মুখা' শীর্ষক পুস্ত আহার্যটো অসমৰ লোকনাট্যতো ব্যৱহৃত হয়; অংকীয়া ভাওনাও তাৰ ঊর্ধত নহয়। ভাওনাৰ মুখা প্রধানতঃ তিনি প্রকাৰে তৈয়াৰ কৰা হয়— তামোলৰ ঢকুৱাৰে; কাঠ আৰু বাঁহৰ কাঠীৰে। নীল, তেলী ছাই, চূণ, পূৰৈগুটিৰ ৰং আদিৰে এইবোৰ বোলোৱা আৰু অংকন কৰা হৈছিল। সম্প্রতি এইবোৰতো আধুনিক পদ্ধতি ব্যৱহৃত হৈছে। ঠিক সেইদৰে বিভিন্ন প্রাণী বা অপ্রাণীবাচক সামগ্রী, যেনে— ৰথ, যুদ্ধৰ অস্ত্র-শস্ত্র আদিও অংকীয়া ভাওনাত ব্যৱহাৰ হয়। ইয়াৰ প্রকৃষ্ট উদাহৰণ হিচাপে আমি *চিহ্নযাত্রা* নাট মঞ্চস্থ হোৱাৰ কথাটোলৈ আঙুলিয়াব পাৰোঁ। এই বিষয়ে ৰামচৰণ ঠাকুৰে ৰচনা কৰা চৰিতপুথিখনত উল্লেখ আছে—

যাৰ যিবা বাহন তাহাঙ্ক সাজিলন্ত।
মুখা বন্ধ কৰি তাৰ চোঁউ নির্ম্মিলন্ত।। (১৪৭৫)
ভাওনাৰ ছোঁ যত সভাঘৰে নিল।
আঁৰ বস্ত্র দিয়া তাঙ্ক ঢাকি থৈলা।। (১৪৭৬)
গৰুড়ৰ মুখা সর্বজয়ক দিলন্ত।

কেতাইখায়ো খোল দোহাৰে ধৰিলন্ত।। (১৪৭৭)
সৰ্ব্বজয় আতৈ মুখা পিন্ধিয়া গৈলন্ত।
লাম্ফ দিয়া শংকৰে উপৰে উঠিলন্ত।। (১৪৭৮)

এই পদসমূহৰ পৰা ঠাৱৰ কৰিব পাৰি যে অংকীয়া ভাওনাৰ আহার্যৰ দিশটোত শংকৰদেৱে যথেষ্ট গুৰুত্ব প্রদান কৰিছিল। অসমীয়া ভাওনাত ব্যৱহাৰ কৰা পূর্বৰ আহার্য সম্পর্কে সত্যেন্দ্রনাথ শর্মাই উল্লেখ কৰিছে— "ঋষি-মুনি ব্রাহ্মণৰ ক্ষেত্রত ধৌতি, সন্ন্যাসীৰ ক্ষেত্রত গেৰুৱা বসন, ৰজা, বীৰ, দেৱতা আদিৰ ক্ষেত্রত বালিচন্দা, আয়না বা জৰিৰ কামকৰা বুকুচোলা বা চাপকন অথবা কোট, ঠেঙা, ইজাৰ বা ধুতি, মূৰত কিৰিটি, কৃষ্ণ বা বিষ্ণুৰ ক্ষেত্রত হালধীয়া অঙ্গবস্ত্র, বুকুৱলী, পিঠিৱলী, মূৰত মৈৰাপাখী, ডিঙিত পঞ্চবর্ণৰ মালা, কাণত কুণ্ডল; ৰাক্ষস-অসুৰ-দানৱৰ ঘোৰ ৰঙা অথবা ক'লা বস্ত্র, মান্যানুসৰি গাত জাকজমক পোছাক বা জীর্ণ বস্ত্রও ব্যৱহাৰ কৰা দেখা যায়।" ঠিক সেইদৰে সূত্রধাৰে হাতত গাম-খাৰু, ভৰিত জুনুকা, ডিঙিত সোণৰ মণি-মালা পিন্ধে। বহু চৰিত্রই কৃত্রিম দীঘল চুলিও ব্যৱহাৰ কৰিছিল। ভাওনাৰ অংগ-ৰচনাৰ ক্ষেত্রত পূর্বতে ফুল, হেঙুল-হাইতাল-খৰিমাটি আদিৰ লগতে বিভিন্ন প্রাকৃতিক উপাদান ব্যৱহাৰ কৰা হৈছিল। "সাধাৰণতে বগা, নীলা, ৰঙা অৱস্থাভেদে কমলা আৰু ক'লা ৰঙৰ প্রলেপ চৰিত্রত সনা হয়। ঋষি-মুনি, ব্রাহ্মণ আদিত বগা, কৃষ্ণ, বিষ্ণু, শ্রীৰাম আদি চৰিত্রত নীলা, দেৱতা গন্ধর্বত ৰঙা আৰু দানৱ, ৰাক্ষস, পিশাচ আদি চৰিত্রত ক'লা প্রলেপ সনা হয়।"

অভিনয়ৰ শেষৰটো উপাদান সাত্ত্বিক অভিনয়ৰ ক্ষেত্রতো ভাওনাসমূহত গভীৰ দৃষ্টি নিক্ষেপ কৰা হয়। অংকীয়া নাটসমূহত বিভিন্ন ৰসৰ সমাৱেশ ঘটিছে আৰু সেই ৰস সুধীজনৰ আগত প্রতিভাত কৰিবলৈ হ'লে অভিনেতাই সাত্ত্বিক অভিনয়ত গুৰুত্ব প্রদান কৰিবই লাগিব। তদুপৰি বিভিন্ন ৰসৰ প্রকাশক অংশসমূহত বিশেষ বিশেষ ৰাগৰ গীত সংযোজন কৰি সাত্ত্বিক অভিনয় কৰিবৰ বাবে অভিনেতাজনক সুবিধা প্রদান কৰি দিয়া হয়। উদাহৰণস্বৰূপে— বিষাদৰ প্রকাশৰ বাবে তেওঁ 'লেচাৰি' শীর্ষক গায়ন শৈলীটোৰ কথা উল্লেখ কৰিব পাৰি। অৱশ্যে ভাওনাত সকলো লৌকিক ৰস ভক্তি ৰসত বিলীন হয় বুলি বিবেচনা কৰা হয়, কাৰণ ইয়াৰ প্রধান ৰস ভক্তি।

পৰিৱেশনগত দিশৰ দ্বিতীয়টো উপাদান হ'ল দর্শক। গাঁৱৰ সর্বসাধাৰণ ৰাইজে অতি ভক্তি সহকাৰে ভাওনা অনুষ্ঠিত কৰে বাবে দর্শকৰ অভাৱ নহয়। অতীজৰে পৰা বর্তমানলৈকে এই পৰম্পৰা বর্তমান। তৃতীয়তে আহিল মঞ্চ। শংকৰদেৱে সৰিয়হ তলি চিকুণাই, তাতে চাৰিখুটি মাৰি নামঘৰ প্রতিষ্ঠা কৰি *চিহ্নযাত্রা* ভাওনাৰে অসমীয়া নাটকৰ পৰম্পৰাৰ শুভাৰম্ভ কৰাৰে পৰাই অসমে এক প্রকাৰৰ স্থায়ী নাট্য মঞ্চ লাভ কৰে। সেই দিশৰ পৰা নামঘৰেই অসমৰ প্রথম মঞ্চ। মন কৰিবলগীয়া যে নামঘৰৰ সমতল ভূমিখনকেই শংকৰদেৱে ভাওনাৰ মঞ্চ হিচাপে চিহ্নিত কৰিলে। তাত দর্শক আৰু অভিনেতাৰ মাজত উচ্চতাৰ কোনো ধৰণৰ পার্থক্য ৰক্ষিত কৰা নহ'ল। তেনে কৰাৰ ফলত পিছৰ দর্শকখিনিয়ে অভিনেতাসকলৰ অভিনয় সঠিক ৰূপত অনুধাৱন কৰাত অসুবিধা হ'ব পৰা কথাটো সম্প্রতি বিবেচনা কৰা দেখা যায়। পৰৱর্তী সময়ত মুকলি বহল ঠাইতো ওখ ৰঙা নির্মাণ কৰি ভাওনা কৰাৰ পৰম্পৰা এটা প্রচলন হোৱা দেখা যায়। অৱশ্যে এই ধাৰা

কেতিয়া আৰম্ভ হ'ল সেয়া সঠিক কৈ ক'ব নোৱাৰি যদিও সত্রই ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰাৰ পাছত এনে ধাৰাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

ভাওনাৰ মঞ্চসজ্জাৰ দিশটো অতি গুৰুত্বপূৰ্ণ দিশ বুলি অনুধাৱন কৰিব পাৰি। *চিহ্নযাত্রা*ত বিভিন্ন ধৰণৰ দৃশ্যপট অংকন কৰি সেইবোৰ স্থানত অভিনয় কৰোৱাৰ কথা জনা যায়। ইতিমধ্যে সেই নাটখনৰ পৰিৱেশন সম্পৰ্কে ৰামচৰণ ঠাকুৰে উল্লেখ কৰা পদৰ একাংশ উদ্ধৃত কৰি অহা হৈছে। সেই অংশটোৱে আমাক এই ধাৰণাই প্রদান কৰে। শংকৰদেৱৰ *চিহ্নযাত্রা* নাটখনৰ দৃশ্যসজ্জাটো আধুনিক ধৰণে কৰা শ্রেণীবিভাজনৰ আধাৰত বিচাৰ কৰিলে দেখা যায় যে তেওঁ তাত **মাত্রাভিত্তিক দৃশ্যসজ্জা** ব্যৱহাৰ কৰিছিল। কাৰণ বিভিন্ন ধৰণৰ চিত্রপটৰ সন্মুখত এই নাটখন অভিনীত হোৱাৰ কথা চৰিতপুথিসমূহত উল্লেখ আছে। এনে দৃশ্যসজ্জাৰে মঞ্চমায়াৰ সৃষ্টি হৈছিল যদিও দর্শকক একেবাৰে কাষতে লাভ নকৰাৰ বাবে শংকৰদেৱে তেওঁৰ মূল উদ্দেশ্য (সমমর্যাদৰে ধর্ম প্রচাৰত)ত ব্যাঘাত হ'ব বুলি অনুভৱ কৰি পৰৱর্তী কালত এই ধাৰণা সম্পূর্ণৰূপে পৰিত্যাগ কৰে। তেওঁ অসম তথা ভাৰতৰ বিভিন্ন লোকনাট্যসমূহ লক্ষ্য কৰি সেইবোৰত প্রচলিত কাল্পনিক ৰীতিৰ দৃশ্যসজ্জাৰ ধাৰণাটোকে গ্রহণ কৰিলে। উল্লেখযোগ্য যে প্রাচীন কালৰ গ্রীক নাটকতো এই ৰীতিৰ দৃশ্যসজ্জা বহুলভাৱে ব্যৱহৃত হৈছিল। কাল্পনিক ৰীতিৰ ভিত্তিত দৃশ্য বিভাগ কৰোঁতে কোনো ধৰণৰ দৃশ্য উপকৰণৰ পৰিৱর্তে অভিনেতাৰ সংলাপৰ মাধ্যমেদি দর্শক-পাঠকক দৃশ্যটোৰ আভাস প্রদান কৰা হয়। শংকৰদেৱেও সেইদৰে অংকীয়া নাটত সূত্রধাৰৰ মুখেদি প্রকাশ কৰিছে—

সূত্র ঃ ৰুক্মিণীক বাণী শুনি কহুঁ যৈচে বেদনিধি আৱলঃ তা দেখহ শুনহ নিৰন্তৰে
হৰিবোল হৰিবোল।

প্রাচীন কালত গ্রীক বা সংস্কৃত নাটকত ব্যৱহাৰ কৰাৰ দৰে অসমতো শংকৰদেৱে জোৰ বা আঁৰিয়া, গছাবস্তি, মহতা জ্বলাই ভাওনা কৰোৱাইছিল। ভাওনাত সূত্রধাৰ সহিতে নাটৰ চৰিত্রসমূহক মঞ্চত প্রথমবাৰ প্রৱেশ কৰোৱাৰ সময়ত অগ্নিগড় ধৰি প্রৱেশ কৰোৱায়। এই অগ্নিগড়তে ন-গচি চাকি জ্বলি থাকে। অগ্নিগড়ত থকা এই ন-গচি চাকি সম্পৰ্কে বিভিন্ন সমালোচকে ভিন ভিন ধৰণে তেওঁলোকৰ মত প্রকাশ কৰিছে; অৱশ্যে এই ক্ষেত্রত প্রধানতঃ ধর্মীয় দিশটোৱেই গুৰুত্ব লাভ কৰি আহিছে। কিন্তু আমি আন এটা দৃষ্টিকোণে�ৰেও ইয়াৰ ব্যাখ্যা আগবঢ়াব পাৰোঁ। নামঘৰৰ বিভিন্ন ঠাইত চাকি জ্বলোৱা থাকে আৰু সেইবোৰে মঞ্চখন আলোকিত কৰে আৰু অগ্নিগড়তো ন-গচি চাকি একেলগে জ্বলোৱা থাকে। এযাৰ কথা সাধাৰণভাৱে গমি চালেই ধৰিব পাৰি যে ন-গচি চাকিয়ে অগ্নিগড়ৰ কাষছোৱা অধিক উজ্বল কৰি তুলিব (সাম্প্রতিক কালৰ বিজুলীৰ পোহৰৰ কথা মনলৈ নানি আগৰ দিনৰ কথা ভাবক)। সকলো চৰিত্রই প্রথমবাৰ প্রৱেশ কৰাৰ আগ মুহূর্তত তাৰ তলতে কিছু সময় নৃত্য কৰে। এনেদৰে অগ্নিগড়ত থকা সময়ছোৱতেই অভিনেতাজনৰ সাজ-পোচাক, আ-অলংকাৰ, আভৰণ আদিৰ লগতে চৰিত্রটোৰ মুখখন দর্শকে সুন্দৰভাৱে লক্ষ্য কৰিব পাৰে। তাতে অগ্নিগড়ে সকলোৰে দৃষ্টি সেই নির্দিষ্ট অঞ্চলত কেন্দ্রীভূত হোৱাতো সহায় কৰে। বিজুলিৰ পোহৰ নথকা সময়ছোৱাত সকলো অভিনেতাক

মাত্রাভিত্তিক দৃশ্যসজ্জা ঃ মঞ্চ আৰু মঞ্চ-দৃশ্যৰ বিৱর্তনৰ গতি প্রকৃতি বিশ্লেষণ কৰি দৃশ্যক প্রধানত পাঁচটা শ্রেণীত বিভক্ত কৰা হয় — (ক) মাত্রাভিত্তিক দৃশ্য বিভাগ (খ) উপকৰণ বিন্যাস ৰীতিৰ ভিত্তিত দৃশ্য বিভাগ (গ) উপস্থাপন ৰীতিৰ ভিত্তিত দৃশ্য বিভাগ (ঘ) প্রকৃতিগত ভিত্তিত দৃশ্য বিভাগ আৰু (ঙ) কাল্পনিক ৰীতিৰ ভিত্তিত দৃশ্য বিভাগ। কোনো এটা বস্তু বা সামগ্রীয়ে দীঘ (length), প্রস্থ (width) আৰু বেধ (depth)ৰে যিমানখিনি স্থান দখল কৰি থাকে তাকে আধাৰ হিচাপে লৈ দৃশ্যসজ্জা নির্মাণ কৰাকে মাত্রাভিত্তিক দৃশ্য বিভাজন বোলা হয়। ইয়াক দ্বিমাত্রিক (য'ত মাত্র দুটাহে মাত্র থাকে) দৃশ্য ৰীতি আৰু ত্রিমাত্রিক দৃশ্য ৰীতি বুলি পুনৰ দুটা ভাগত ভাগ কৰা হয়। দ্বিমাত্রিক দৃশ্যসজ্জাত সাধাৰণতে পর্দাৰ সহায়েৰে বা পর্দাত কোনো চিত্র অংকন কৰি, ফ্রেম বা ফ্লেট নির্মাণ কৰি, পশ্চাৎপট (পশ্চাৎপর্দা, অভিক্ষেপণ পর্দা, চাইক্ল'ৰামা) ব্যৱহাৰ কৰি দৃশ্যসজ্জা কৰা হয়।

প্রথমতেই এই বিশেষ ধৰণে আলোকসম্পাত কৰি দর্শকৰ সন্মুখত তুলি ধৰাৰ নব্য ধাৰণাটো কিন্তু গমি চাবলগীয়া। আধুনিক কালৰ নাটকত কেন্দ্রীভূত পোহৰ পৰিকল্পনা কৰাৰ ধাৰণাৰ বীজটো কিন্তু ইয়াতো লুকাই আছে। সেই দৃষ্টিভংগীৰে বিচাৰ কৰিলে শংকৰদেৱক অসমৰ প্রথম পোহৰ পৰিকল্পনাকাৰী (Light Designer) বুলি অভিহিত কৰিলেও নিশ্চয় ভুল কোৱা নহ'ব। পাছৰ ফালে পেট্রমাক্স, লেণ্ঠল লাইট আৰু সাম্প্রতিক সময়ত বিজুলী চাকিৰে ভাওনা থলী পোহৰোৱা হয়।

এতিয়া আৱহসংগীতৰ দিশটো বিবেচনা কৰি চোৱা যাওক। অংকীয়া ভাওনাসমূহ সংগীতপ্রধান বুলি সকলোৱে জানে। ভাওনা এখন আৰম্ভ হয় গায়ন-বায়নেৰে। পাছত সূত্রধাৰ প্রমুখ্যে সকলো চৰিত্রই সংগীতৰ তালে তালে নৃত্য কৰি মঞ্চত প্রৱেশ কৰাৰ লগতে অভিনয় অংশতো নৃত্যভংগিমাৰেই অভিনয় কৰে। প্রয়োজন সাপেক্ষে সকলোৱে গীত গায়। এই সকলো সময়তে খোল-তাল-কালি আদি বিভিন্ন বাদ্য সংগত কৰি সংগীতৰ ঐক্যতান সৃষ্টি কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ ভাওনাৰ বাচিক অভিনয়ত 'অতি নাটকীয়তা' কিয় বিৰাজমান? চমুকৈ লিখক।

.....

.....

প্রশ্ন নং ৮ ঃ ভাওনাৰ মুখা প্রধানত কিহেৰে সজা হয়?

.....

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অতি প্রাচীন কালৰে পৰা পৃথিৱীৰ অন্যান্য সমাজবোৰত প্রচলিত লোকপৰিৱেশ্য কলাৰ সমগোত্রীয় বিভিন্ন লোকপৰিৱেশ্য কলা অসমতো প্রচলিত হৈ আহিছে। মহেশ্বৰ নেওগ প্রমুখ্যে বিভিন্নজন পণ্ডিতে অসমত মার্গীয় শৈলীৰ প্রতিষ্ঠিত পৰম্পৰা বহন কৰিব পৰা তিনিটা ধাৰা আছে বুলি মত পোষণ কৰিছে — (ক) নটী বা দেৱদাসী, (খ) ওজাপালি আৰু (গ) সত্রীয়া শৈলী।
- সংগীত আৰু সুকুমাৰ কলাৰ ক্ষেত্রতো সত্রানুষ্ঠান একক, অনন্য। সংগীতৰ ভিতৰত বৰগীত অন্যতম। গুৰু দুজনাৰ দ্বাৰা ৰচিত উচ্চ আধ্যাত্মিকভাবসম্পন্ন পূর্ণাঙ্গ মার্গীয় পর্যায়ৰ গীতকে

বৰগীত বোলা হয়। বৰগীতবোৰ ব্রজাৱলী ভাষাত ৰচিত, লগতে ৰাগ-তালবিশিষ্ট।

- শংকৰদেৱে ৰচনা কৰা *কীর্তনঘোষা* আৰু মাধৱদেৱে ৰচনা কৰা *নামঘোষা* সাহিত্য বা কাব্যকর্মৰূপেও শ্রেষ্ঠ ৰচনা বুলি সমাদৃত। কিন্তু দুয়োখন গ্রন্থ মূলতঃ সামাজিক ৰূপে গাব পৰা প্রার্থনাসংগীত ৰূপেহে ৰচিত হৈছিল। তেওঁলোকৰ জীৱনকালতে এই দুয়োখন গ্রন্থই সংগীতৰূপেও বহল পৰিসৰত ব্যাপ্তি লাভ কৰিছিল।
- সত্রীয়া নৃত্য প্রধানকৈ ভাওনাৰ লগত জড়িত। সত্রীয়া নৃত্যৰ প্রথম পর্যায়টোক 'মাটি আখৰা' বোলা হয়। সত্রীয়া নৃত্য মূলতঃ শাস্ত্রীয় নৃত্য। শংকৰদেৱে এই নৃত্য অসমত সৃষ্টি কৰিছিল।
- সত্রীয়া পৰিৱেশ্য কলাত খোল, মৃদংগ, ডবা, নেগেৰা আদি অৱনদ্ধ বাদ্য; পাতি তাল, ভোৰতাল, বৰকাঁহ, খুটি তাল, মন্দিৰা আদি ঘন বাদ্য; চাৰেংদাৰ আৰু ৰবাব নামৰ তত বাদ্য তথা শংখ, কালি সুষিৰ বাদ্য ব্যৱহাৰ কৰা হয়।
- ভাওনা মহাপুৰুষজনাৰ দ্বাৰা সৃষ্ট অন্যতম অনুষ্ঠান। শংকৰদেৱৰ আগলৈকে অসমত কোনো নাট্যানুষ্ঠানৰ উল্লেখ পোৱা নাযায়। গুৰুজনাই অসমৰ থলুৱা কেতবোৰ নাট্যধর্মী অনুষ্ঠান (দেৱদাসী নৃত্য, ওজাপালী, পুতলা নাচ), সর্বভাৰতীয় লোকনাট্যধর্মী অনুষ্ঠান আৰু সংস্কৃত (ভান আদি) নাটকৰ পৰা উপাদান আহৰণ কৰি অংকীয়া ভাওনা বা নাটক সৃষ্টি কৰে। অংকীয়া ভাওনা নৃত্য-গীত প্রধান।
- এই অধ্যায়টোত সত্রীয়া সংগীত, নৃত্য, বাদ্যৰ লগতে পৰিৱেশনগত দিশৰ পৰা ভাওনা সম্পর্কে আলোচনা দাঙি ধৰা হ'ল।



৮.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) অসম নাট্য সম্মিলন (১৯৯১); *ভৰতৰ নাট্যশাস্ত্র;* নগাঁও ঃ অসম নাট্য সম্মিলন।

২) গোস্বামী, নাৰায়ণ চন্দ্র (২০০৫); *সত্র সংস্কৃতিৰ স্বর্ণৰেখা*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩) গোস্বামী, পবিত্র প্রাণ (২০০৪); *প্রৱন্ধ, গীতৰ ঐতিহ্যবাহী পূর্ব ভাৰতীয় শাস্ত্রীয় সংগীত বৰগীতৰ ৰাগ-বিৱৰণ আৰু তাত্বিক আলোচনা সহ স্বৰলিপি;* মিনার্ভা ইণ্ডিয়া।

৪) দত্ত বৰুৱা, হৰিনাৰায়ণ(সম্পা.)(২০০২); *বৰগীত*; গুৱাহাটী ঃ দত্তবৰুৱা পাব্লিচিং কোঃ প্রাঃ লিঃ।

৫) দেৱগোস্বামী, কেশৱানন্দ (১৯৯৭); *বৰগীত ঃ পৰম্পৰা আৰু পৰিবেশন পদ্ধতি*; গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

৬) দেৱগোস্বামী, কেশৱানন্দ (২০০১); *ভাৰতীয় পটভূমিত শংকৰী সাহিত্য আৰু সত্রীয়া সংগীত*; গুৱাহাটী ঃ বনলতা।

৭) দেৱগোস্বামী, কেশৱানন্দ (২০০৩); *সত্র-সংগীতৰ স্বৰৱেখা*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৮) দেৱগোস্বামী, কেশৱানন্দ (২০০০); *সত্র সংস্কৃতিৰ ৰূপৰেখা*; ডিব্রুগড় ঃ বনলতা।

৯) নেওগ, মহেশ্বৰ (১৯৮৬); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* ডিব্রুগড় ঃ বাণীমন্দিৰ।

১০) নেওগ, মহেশ্বৰ (সম্পাঃ)(১৯৮৬); *গুৰু-চৰিত-কথা*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

১১) নেওগ, মহেশ্বৰ (২০০৮); *সত্রীয়া নৃত্য আৰু সত্রীয়া নৃত্যৰ তাল*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

১২) নেওগ, মহেশ্বৰ (১৯৮৭); *শ্রীশ্রী শংকৰদেৱ*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৩) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৭৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

১৪) ভট্টাচার্য, হৰিচন্দ্র (১৯৮৮); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি (আদিৰ পৰা ১৯৬৭ চন পর্যন্ত);* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৫) মহন্ত, জগন্নাথ (২০০৫); *সত্রীয়া নৃত্যৰ কথা*; গুৱাহাটী ঃ অসম সাহিত্য সভা।

১৬) মহন্ত, প্রদীপ জ্যোতি (২০০৭); *শংকৰদেৱৰ শিল্প লোক*; গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

১৭) মহন্ত, বাপচন্দ্র (সম্পাঃ)(১৯৯২); *বৰগীত*; গুৱাহাটী ঃ ষ্টুডেণ্ট ষ্টোৰচ্।

১৮) শইকীয়া, ৰক্তিম ৰঞ্জন আৰু বৰদলৈ, মনোৰঞ্জন (২০০৩); *ভাওনা দর্পন;* যোৰহাট ঃ সংকলন কোষ সমিতি।

১৯) শর্মা, সত্যেন্দ্রনাথ (১৯৮৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রিণ্টিং এণ্ড পাব্লিছিং।

২০) শর্মা, সত্যেন্দ্রনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

২১) হাজৰিকা, অতুলচন্দ্র (১৯৯৫); *মঞ্চলেখা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্রন্থ ঃ

২২) Gogoi, J & Goswami, M. J. (2012). "A Critical and Historical Study of the Staging Technique of Sankaradeva's Plays" in N. B. Goswami (Ed) *The Heritage* (Vol.-III, Issue-2) Guwahati: Aitihya Samstha.

২৩) Goswami, S. C. (1946). *Introducing, Assam Vaisnavism.* Guwahati: Gauhati University.

২৪) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

২৫) Mahanta, P. J.(1999). 'Bhaona : The Traditional Vaisnava Theatre of Assam', In Dutta. B, & Mahanta. P. J. (Eds.) *Traditional Performing Arts of North East India* (pp. 49-63) Guwahati: Assam Academy for Cultural Relations.

২৬) Neog, M. (1965). *Sankardeva and His Times : Early History of the Vaisnava Faith and Movement in Assam.* Guwahati: Gauhati University.

২৭) Neog, M. (s.l.). *Bhaona : The Ritual Play of Assam.* New Delhi: Sangeet Natak Akademi.

২৮) Sarma, S. N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam.* Guwahati: Gauhati University.

৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ওড্ৰমাগধী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মহেশ্বৰ নেওগ প্ৰমুখ্যে বিভিন্নজন পণ্ডিতে অসমত মাৰ্গীয় শৈলীৰ প্ৰতিষ্ঠিত পৰম্পৰা বহন কৰিব পৰা তিনিটা ধাৰা আছে বুলি মত পোষণ কৰিছে — (ক) নটী বা দেৱদাসী, (খ) ওজাপালি আৰু (গ) সত্ৰীয়া শৈলী।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ সত্ৰীয়া সংগীতক প্ৰধানতঃ দুটা ভাগত ভাগ কৰিব পাৰি বুলি কেশৱানন্দ দেৱগোস্বামীয়ে মত পোষণ কৰিছে, — (ক) শাস্ত্ৰীয় পৰ্যায়ৰ সংগীত আৰু (খ) লঘু পৰ্যায়ৰ সংগীত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বৰগীতসমূহৰ সীমাবদ্ধ পবিত্ৰতা বুলিলে ইয়াৰ নিৰ্দিষ্ট সংখ্যাৰ কথাখিনি বুজা যায়। অৰ্থাৎ শঙ্কৰ-মাধৱ ৰচিত এনে গীতসমূহকহে বৰগীত বুলি কোৱা হয়। তেওঁলোক দুজনাই লিখা মুঠ ২১৬ টা গীতকহে অবিসম্বাদিতভাৱে বৰগীত বোলা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সত্ৰীয়া নৃত্যৰ পৰিৱৰ্ধনত সৃষ্টি হোৱা ভংগী বাজানা বোৰৰ আধাৰতেই সত্ৰানুষ্ঠানবোৰত এক ধৰণৰ বিশেষ শিক্ষা পদ্ধতিৰ আৰম্ভ হয় আৰু কালক্ৰমত প্ৰণালীবদ্ধ শিক্ষণ ব্যৱস্থাৰ গঢ় লৈ উঠিল। সেই শিক্ষণ প্ৰণালীটো হ'ল 'মাটি আখৰা'।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সত্ৰীয়া ওজাপালি নৃত্যত কৰা দেখা যায়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অংকীয়া ভাওনাত বৰ্ণিত হোৱা ঘটনাৰাজি সৰ্বসাধাৰণৰ পৃথিৱীখনত সংঘটিত হোৱা বাস্তৱ ঘটনা নহয়। সেয়ে তেনে অভিনয়ত অতি নাটকীয়তা স্বতঃপ্ৰণোদিতভাৱে

ৰক্ষা কৰা হৈছিল আৰু সেয়া শংকৰদেৱৰ দিনৰে পৰা ৰক্ষিত হৈছে বুলি অনুমান কৰিব পাৰি।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মুখা-ছোঁ প্ৰধানকৈ তিনি প্ৰকাৰে তৈয়াৰ কৰা হয়। (১) তামোল পাণ, বাঁহ গছ আদিৰ ঢকুৱাৰ (২) কাঠৰ আৰু (৩) বাঁহৰ কাঠীৰ। তদুপৰি কোনো গছৰ ছাল বা বাকলি আদিৰ পৰাও তৈয়াৰ কৰা হয়। নীল, তেলী ছাই, চূণ, পূৰৈগুটিৰ ৰং আদিৰে এইবোৰ বোলোৱা আৰু অংকন কৰা হয়।



৮.১০ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক —

ক) অসমৰ সত্ৰীয়া সংগীতক প্ৰধানতঃ কেইটা আৰু কি কি ভাগত ভাগ কৰিব পাৰি?

খ) ৰঙ্গিয়াল গৃহ মানে কি?

গ) *কথা-গুৰু চৰিত*খনত শংকৰদেৱে দিয়া খোলৰ জোখ কিমান আছিল?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ পুৰণি অসমৰ মাৰ্গীয় শৈলীকেইটাৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ সত্ৰীয়া নৃত্য সম্পৰ্কে চমুকৈ আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক — সত্ৰীয়া বাদ্য, সত্ৰীয়া শাস্ত্ৰীয় পৰ্যায়ৰ সংগীত, মাটি-আখৰা, নৃত্ত-নৃত্য-নাট্য, বৰগীতৰ ভাষা, ভাওনাৰ আহাৰ্য আৰু মঞ্চ।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমৰ পৰিৱেশ্য কলা বুলিলে আপুনি কি বুজে? সত্ৰীয়া পৰিৱেশ্য কলা সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সত্ৰীয়া সংগীত বুলিলে আপুনি কি বুজে? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ বৰগীতৰ প্ৰধান বিশেষত্বসমূহৰ বিষয়ে এটি নিবন্ধ প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ অংকীয়া নাট বুলিলে আপুনি কি বুজে? অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা কি সেই বিষয়ে আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৫ ঃ ভাওনা মানে কি? ইয়াৰ পৰিৱেশগত দিশ সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ লোকসংস্কৃতিৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ লোকসংস্কৃতি — সাধাৰণ পৰিচয়

৯.৪ অসমৰ লোকসংস্কৃতি

৯.৪.১ মৌখিক সাহিত্য

৯.৪.২ ভৌতিক সংস্কৃতি

৯.৪.৩ সামাজিক লোকপ্ৰথা বা লোকাচাৰ

৯.৪.৪ লোকপৰিৱেশ্য কলা

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্ৰগতিৰ খতিয়ান

৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- লোকসংস্কৃতি কাক বোলে সেই বিষয়ে ধাৰণা লাভ কৰিব
- লোকসংস্কৃতিৰ বিভিন্ন বিভাগসমূহৰ বিষয়ে জানিব পাৰিব
- অসমৰ লোকসংস্কৃতি সম্পৰ্কে অৱগত হ'ব
- অসমৰ ভৌতিক সংস্কৃতি, সামাজিক লোকপ্ৰথা বা লোকাচাৰৰ আৰু লোকপৰিৱেশ্য কলাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব

১.২ পৰিচয়

ইতিমধ্যে আপুনি অসমীয়া সংস্কৃতিৰ কেইবাটাও গুৰুত্বপূৰ্ণ দিশ সম্পৰ্কে পূৰ্বৱৰ্তী অধ্যায় কেইটাত অধ্যয়ন কৰিলে। এতিয়া আমি লোকসংস্কৃতি সম্পৰ্কে কিছু কথা অধ্যয়ন কৰিম। লোকসমাজৰ সামাজিক আচৰণেই লোকসংস্কৃতি। অৰ্থাৎ লোকসংস্কৃতি লোকজীৱনৰ দলিলস্বৰূপ। কোনো এটা জাতিৰ চিন্তা চৰ্চা, বিশ্বাস-পৰম্পৰা, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, ধৰ্ম আদি সেই জাতিটোৰ লোকসাংস্কৃতিক উপাদানসমূহৰ অধ্যয়নৰ জৰিয়তে জানিব পাৰি। এটা জাতিৰ লোকসংস্কৃতিৰ স্বৰূপ প্ৰধানতঃ লোকসাহিত্য আৰু লোকবিশ্বাসৰ মাজেদি প্ৰকাশ পায়। যুগ যুগ ধৰি মানুহে লাভ কৰা অভিজ্ঞতা, চৰ্চিত বিষয় আৰু শিকা কথাৰ সঞ্চিত ভাণ্ডাৰেই হ'ল

লোকসাহিত্য আৰু লোকবিশ্বাস। ধর্মীয় অনুষ্ঠান, পূজা-পাতল, লোকবিশ্বাস, নিয়ম-কানুন, সাধু, পুৰণি আখ্যান-উপাখ্যান, নৃত্য, নাট্য, অভিনয়, ক্রীড়া, কৌতুক, প্রকৃতিৰ ব্যাখ্যা আদি সকলোবোৰৰ সমাহাৰত লোকসংস্কৃতি সম্পূর্ণ। এই অধ্যায়টিত লোকসংস্কৃতিৰ সংজ্ঞাৰ লগতে সাধাৰণ পৰিচয় দাঙি ধৰি অসমীয়া লোকসংস্কৃতিৰ বিষয়ে সম্যক ধাৰণা প্রদান কৰা হৈছে।

১.৩ লোকসংস্কৃতি — সাধাৰণ পৰিচয়

লোকসংস্কৃতি লোকজীৱনৰ জীৱন চর্চা। ই সংস্কৃতিৰ এটা অন্যতম বিভাগ। ইয়াৰ ইতিহাস মানৱ জাতিৰ ইতিহাসৰ সমানেই পুৰণি। 'উপাদান আৰু নির্মাণ কার্যত অতীত আৰু বর্তমান সমসাময়িক হৈ থাকে।' সেয়ে ইয়াৰ ৰূপ আৰু পৰিৱেশ কাল নিৰপেক্ষ বুলিব পাৰি। 'লোকসংস্কৃতি' পৰিভাষাটো ব্যৱহৃত হৈছে ইংৰাজী 'Folk lore' শব্দটোৰ অর্থ সূচাবলৈ। Folk-ৰ অর্থ 'লোক' বা 'জন', lore-ৰ অর্থ 'বিদ্যা'। Lore শব্দটোৰ আভিধানিক অর্থ বিদ্যা হ'লেও শব্দটোৱে সংস্কৃতিৰ অর্থতেই ব্যৱহাৰ হৈ আহিছে।

ঊনবিংশ শতিকাৰ আৰম্ভণিৰ কালছোৱাত বৃটিছ পুৰাতত্ত্ববিদ আৰু জার্মানীৰ ভাষাতত্ত্ববিদসকলে সমাজৰ নিম্ন বর্গৰ লোকসকলৰ মাজত পৰম্পৰাগতভাৱে চলি অহা গীত-মাত, সাধুকথা আদিৰ প্রতি গভীৰভাৱে মনোনিৱেশ কৰিবলৈ ধৰে আৰু এনেদৰেই Folklore নামেৰে অধ্যয়নৰ এক নতুন ক্ষেত্রৰ সূচনা হয়। জেকব গ্রিম আৰু উইলহেম গ্রিম— এই জার্মান ভাতৃদ্বয়ে অধ্যয়নৰ এই নতুন শাখাটিক বুজাবলৈ Volks Kunde (Volks = Folk = লোক আৰু Kunde = Lore = অভিজ্ঞতা) পদটোৰ ব্যৱহাৰ কৰে আৰু ১৮১২ চনত তেওঁলোকে জার্মানীৰ লোককথাৰ প্রথম খণ্ড *Kinder and Hausmarchen* প্রকাশ কৰে। অৱশ্যে ১৮৪৬ চনতহে উইলিয়াম জন থম্ছে ইংৰাজী 'Folklore' পদটিৰ সৃষ্টি কৰে। সেই সময়ত Folk শব্দটো নিৰক্ষৰ, কৃষিজীৱী, গ্রামাঞ্চলৰ অধিবাসী লোকসকলক বুজাবলৈ ব্যৱহৃত হৈছিল। এলান ডাণ্ডেজে তেওঁৰ *Essays in Folkloristics* গ্রন্থত Folk পদটোৰ সংজ্ঞা এনেদৰে সুনির্দিষ্ট কৰিছে — "কম পক্ষেও এটা উমৈহতীয়া উপাদানৰ অংশীদাৰ যি কোনো এক জনসমষ্টিয়েই হ'ল Folk (লোক)। সংযোজক উপাদানটো কি, সেইটো লৈ কোনো কথা নাই— একে জীৱিকাও হ'ব পাৰে, একে ভাষা বা একে ধর্মও হ'ব পাৰে— কিন্তু দৰকাৰী কথাটো হ'ল এয়ে যে, যি কাৰণতেই তেনে জনসমষ্টিটো গঠন নহওক কিয়, সেই জনসমষ্টিটোৱে নিজৰ বুলি ক'ব পৰা কিবা পৰম্পৰা থাকিব লাগিব।"

পৰম্পৰাক আমি এক প্রকাৰে ঐতিহ্য বুলিও ক'ব পাৰোঁ। পুৰুষানুক্রমে যি ঐতিহ্য চলি আহি আছে সেয়াই পৰম্পৰা। পৰম্পৰাৰ দ্বাৰা স্বীকৃত কার্যাৱলীহে সংস্কৃতি, অন্যথা নহয়। যোৱা ষাণ্মাসিকৰ 'অসমৰ সংস্কৃতি অধ্যয়ন' শীর্ষক পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়ত আপুনি অধ্যয়ন কৰি আহিছে যে অভিজাত সংস্কৃতি লিখিত পৰম্পৰা আশ্রয়ী আৰু তাৰ বিপৰীতে লোকসংস্কৃতি আৰু জনজাতীয় সংস্কৃতি মৌখিক পৰম্পৰা আশ্রয়ী। লোকসংস্কৃতি আৰু জনজাতীয় সংস্কৃতি উভয়েই প্রকৃতার্থত গঞ্জা সংস্কৃতি আৰু দুয়োটাৱে মাজত যথেষ্ট মিল বর্তমান। অনেক ক্ষেত্রত

জনজাতীয় সংস্কৃতি লোকসংস্কৃতিৰ বহল পৰিসৰতে সোমাই পৰে। অসমৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে প্ৰযোজ্য। অৱশ্যে মন কৰিবলগীয়া যে, লোকসংস্কৃতি মৌখিক পৰম্পৰা আশ্ৰয়ী যদিও তাৰ অৰ্থ এইটো নহয় যে লিখিত পৰম্পৰাৰ লগত কোনো সম্পৰ্ক নাথাকিব। এই দুই পৰম্পৰাৰ গতিপথ দুটা সমান্তৰাল নহয়, বৰং কেতিয়াবা কেতিয়াবা দুয়োটা গতিপথ একাকাৰ হৈ পৰে আৰু উভয়ে উভয়কে প্ৰভাৱান্বিত কৰে। অনেক ক্ষেত্ৰত প্ৰাচীন সাধুকথা, কাহিনী-গীত, কাব্য, লোকোক্তি আদি মৌখিক পৰম্পৰাৰ পৰা সংগ্ৰহ কৰি প্ৰচলিত সাহিত্য-ৰীতিৰ লগত খাপ খোৱাকৈ ছপাই প্ৰকাশ কৰা হয়। ইয়াৰ বিপৰীতে আকৌ কেতিয়াবা লিখিত পৰম্পৰাৰ সমলো মৌখিক সাহিত্যৰ পৰম্পৰাই গ্ৰহণ কৰি নতুন ৰূপ দান কৰে; কাব্‌বি ৰামায়ণ *চাবিন আলুন* ইয়াৰ সুন্দৰ উদাহৰণ।

আধুনিক যুগত লোকসংগীত, লোকনৃত্য আদি লোকপৰিৱেশ্য কলাৰ ক্ষেত্ৰত অভিজাতকৰণৰ এক প্ৰক্ৰিয়া লক্ষ্য কৰা যায়। লোকসংস্কৃতিৰ এনে বিভিন্ন সমলৰ শ্ৰব্য আৰু দৃশ্য ৰূপ যান্ত্ৰিক উপায়েৰে লিপিবদ্ধ কৰি ৰেডিঅ', টেলিভিছ্ন আদি বিভিন্ন মাধ্যমৰ জৰিয়তে সম্প্ৰচাৰ কৰা হয়। এই প্ৰক্ৰিয়া মৌখিক পৰম্পৰাৰ সমলক লিখিত পৰম্পৰাৰ সমললৈ পৰিৱৰ্তিতকৰণৰে অন্য এক ৰূপ বুলি ক'ব পাৰি। লোকসংস্কৃতিৰ সংৰক্ষণৰ দোহাই দিলেও এটা কথা সত্য যে টেলিভিছ্নৰ পৰ্দাত প্ৰদৰ্শিত বিহুনাচ, বিহুগীত জীৱন্ত তেজ-মঙহৰ ডেকা-গাভৰুৰ দল এটাৰ দ্বাৰা প্ৰদৰ্শিত বিহুনাচ, বিহুগীতৰ দৰে সমানে প্ৰাণৱন্ত আৰু উল্লাসপূৰ্ণ হ'ব নোৱাৰে।

Folk শব্দটোৰ কেতবোৰ বিশেষত্ব লক্ষ্য কৰা যায়। সাধাৰণভাৱে ধৰি লোৱা হয় যে Folk-ৰ অন্তৰ্গত লোকসকল বিশেষকৈ অতীতমুখী; তেওঁলোকে যুক্তিতকৈ বিশ্বাসক অধিক প্ৰাধান্য দিয়ে; তেওঁলোকে মৌখিক পৰম্পৰা, তন্ত্ৰ-মন্ত্ৰ, যাদুবিদ্যা আদিত আশ্ৰয়ী; তেওঁলোক নিৰক্ষৰ (বেছিভাগ), অনগ্ৰসৰ; সমাজৰ নিম্নস্তৰৰ লোক; তেওঁলোকে হস্ত নিৰ্মিত শিল্পজাত সামগ্ৰীৰ ওপৰত অধিক গুৰুত্ব দিয়ে আৰু তেওঁলোকে কোনো এটা অঞ্চলৰ প্ৰান্ত ভাগত বসবাস কৰে। কিন্তু লোকসংস্কৃতিৰ বিষয়ে ধাৰণা বা ইয়াৰ তত্ত্বৰ পৰিসৰ ক্ৰমাৎ বহল হৈ অহাৰ লগে লগে Folk বা লোকৰ বিষয়ে ধাৰণাৰো সলনি হৈছে। সম্প্ৰতি অতীতমুখী, অনগ্ৰসৰতা আৰু নিৰক্ষৰতাৰ উপৰি বৰ্তমানৰ শিক্ষা, দীক্ষা, ধ্যান-ধাৰণাৰে অগ্ৰসৰ সমাজখনকো ক্ষেত্ৰবিশেষে 'লোক'ৰ ধাৰণাই সামৰি লয়।

লোকসংস্কৃতিৰ সম্বন্ধ বিভিন্ন পণ্ডিতে বিভিন্ন সময়ত বিভিন্ন মতামত আগ বঢ়াইছে। এই ক্ষেত্ৰত মত পাৰ্থক্য থকাও দৃষ্টি গোচৰ হয়। ঊনবিংশ শতিকাৰ বৃটিছ সমাজ বিজ্ঞানী আৰু নৃতত্ত্ববিদসকলৰ মতে— "যিসকল মানুহে আদিম আৰু অভিজাত শ্ৰেণীৰ মধ্যৱৰ্তী অৰ্থাৎ যিসকল আদিমো নহয় আনফালে অভিজাতো নহয়— যিসকল আদিম স্তৰৰ পৰা গঞা স্তৰলৈ আগবাঢ়িছে সেই শ্ৰেণীৰ মানুহহে Folk, ফোক বা লোক।" মেকাইভাৰৰ মতে— "ন্যূনতম উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমষ্টিক লোক বা Folk বুলিব পাৰি।" ব্ৰিটিছ পণ্ডিত এলান ডুনদেছ্ব মতে— "কৃষক নিৰক্ষৰ গঞা আৰু সমাৰ নিম্ন স্তৰক লৈ সৃষ্টি সংস্কৃতিয়ে হ'ল লোকসংস্কৃতি।" ৰেডফিল্ডৰ মতে "লোকসংস্কৃতি কোনো এক সংস্কৃতিৰ পৰিপূৰ্ণ ৰূপৰ এক

অংশ বিশেষ মাথোন, সংস্কৃতিৰ পৰিপূৰ্ণ ৰূপ নহয়।"

স্বৰূপাৰ্থত, লোকসংস্কৃতি এক জীৱন্ত পৰম্পৰা; ই এক নিৰবচ্ছিন্ন প্ৰবাহ। সমাজ বিজ্ঞানীসকলৰ মতে লোকসংস্কৃতিৰ সমলৰাজি দূৰ অতীততে সৃষ্টি হৈছিল আৰু অতীতৰ সেই সমলৰাজিৰ ৰূপ বৰ্তমান সমাজতো প্ৰবাহিত হৈ আছে। পৰিশেষত ইয়াকে ক'ব পাৰি যে কোনো এটা নৃগোষ্ঠী বা সম্প্ৰদায়ৰ সামগ্ৰিক জীৱন পদ্ধতিৰ নামেই হ'ল লোকসংস্কৃতি (Folklore)। আধুনিক সমাজ-বিজ্ঞানীসকলে লোকসংস্কৃতিৰ অধ্যয়নৰ পৰিপূৰক হিচাপে লোকজীৱন (Folklife)-ৰ অধ্যয়নৰ ওপৰতো গুৰুত্ব দিছে। দৰাচলতে কোনো এক নিৰ্দিষ্ট ভূ-খণ্ডৰ অন্তৰ্গত বিভিন্ন গাঁও, চহৰ, নগৰ আদিত বাস কৰা জনসাধাৰণৰ জীৱন-পদ্ধতিকেই লোকসংস্কৃতি আখ্যা দিব পাৰি। লোকজীৱনে পৰম্পৰাগত সংস্কৃতি আৰু বাচিক কলাৰূপৰ পূৰ্ণচিত্ৰ ৰূপায়িত কৰে। লোকসংস্কৃতি এই লোকজীৱনৰ হৃদয়-স্পন্দন স্বৰূপ। সেয়েহে লোকসংস্কৃতিৰ অধ্যয়নৰ ক্ষেত্ৰত মৌখিক সাহিত্যৰ লগতে লোকশিল্পীসকলৰ স্পৰ্শবেদ্য (tangible) সকলো প্ৰকাৰৰ সৃষ্টিকে সামৰি লোৱা উচিত।

লোকসংস্কৃতিৰ অন্তৰ্গত বিষয়বস্তুবোৰ হৈছে জনশ্ৰুতি, সাধুকথা, লোকোক্তি, সাঁথৰ, প্ৰবচন, মিথ, পুৰা কথা, মন্ত্ৰ, গালি-গালাজ, পোছাক-পৰিচ্ছদ, বেশভূষা, আ-অলংকাৰ, লোককলা, লোকবিশ্বাস, লোকনৃত্য, লোকনাট্য, লোকঔষধ, লোকচিকিৎসা, বাদ্যযন্ত্ৰ, গীত-পদ, ভাষা, দোৱান, লোককবিতা, খেল-ধেমালি, ৰন্ধন-প্ৰকৰণ, অংগী-ভংগী, মুদ্ৰা, প্ৰাৰ্থনা, লোকব্যুৎপত্তি, উৎসৱ-পাৰ্বণ ইত্যাদি।

লোকসংস্কৃতিক বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ভাগ কৰি দেখুৱাইছে। প্ৰসিদ্ধ লোকসংস্কৃতিবিদ ৰিচার্ড এম. ডৰচনৰ মতে —

(ক) মৌখিক সাহিত্য (Oral Literature)

(খ) ভৌতিক সংস্কৃতি (Material Culture)

(গ) সামাজিক লোকপ্ৰথা বা লোকাচাৰ (Social Folk Custom)

(ঘ) লোকপৰিৱেশ্য কলা (Folk Performing Art)

অসমৰ লোকসংস্কৃতিবিদ বীৰেন্দ্ৰনাথ দত্ত, নবীন চন্দ্ৰ শৰ্মা প্ৰভৃতিয়েও অসমীয়া লোকসংস্কৃতিৰ বিভাজনৰ ক্ষেত্ৰত ৰিচার্ড এম. ডৰচনৰ মতকেই সমৰ্থন কৰিছে। আনহাতে অধ্যাপক নাহেন্দ্ৰ পাদুনে ভাগ কৰিছে এনেধৰণে—

(ক) বাচিক কলা (Verbal Art)

(খ) লোককলা শিল্প (Folk Art Industry)

(গ) লোককবিতা (Folk Poetry)

(ঘ) লোকক্ৰীড়া (Folk Games)

ৰিচার্ড এম. ডৰচনে কৰা বিভাজন সূচীৰ সহায়েৰেই অসমীয়া লোকসংস্কৃতিৰ বিষয়েও আলোচনা কৰিব পাৰি। তলৰ শাখাটোত এই বিষয়ে সম্যক পৰিচয় দাঙি ধৰা হ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ইংৰাজী "Folklore" শব্দটোৰ অসমীয়া আভিধানিক অর্থ কি?

.....

প্রশ্ন নং ২ ঃ ৰিচার্ড এম. ডৰচনে লোকসাহিত্যক কেইটা ভাগত ভাগ কৰিছে?

.....

৯.৪ অসমৰ লোকসংস্কৃতি

বিভিন্ন নৈ উপনৈৰ জলৰাশিৰে বৰলুইত সৃষ্টি হোৱাৰ দৰে বিভিন্ন নৃ-গোষ্ঠীৰ সাংস্কৃতিক সমলৰ সমন্বয়ত অসমীয়া লোকসংস্কৃতিৰ জন্ম হৈছে। অর্থাৎ অসমীয়া লোকসংস্কৃতি সমন্বয় প্রক্রিয়াৰ আধাৰত সৃষ্ট। এই ক্ষেত্রত আমি অসমৰ ঐতিহাসিক, ভৌগোলিক, সামাজিক, ভাষিক আদি প্রভাৱৰ কথাও স্বীকাৰ কৰিব লাগিব। ঐতিহাসিকভাৱে অসমীয়া সংস্কৃতি বিভিন্ন ৰূপান্তৰৰ মাজেৰে আজিৰ অৱস্থাত উপনীত হৈছে। ভৌগোলিক দিশত অসম ৰাজ্যখন বিভিন্ন নদ-নদী, পাহাৰ-পর্বত আৰু অন্যান্য প্রাকৃতিক পৰিৱেশেৰে সমৃদ্ধ। এইবোৰে অসমীয়া সংস্কৃতিত যথেষ্ট প্রভাৱ পেলাইছে। সেইদৰে অসম ৰাজ্য বিভিন্ন জাতি জনজাতিৰ মিলনভূমি। জনজাতিসকলৰ ভিতৰত বড়ো, কাৰবি, মিছিং, ৰাভা, তিৱা, হাজং, ডিমাছা, দেউৰী উল্লেখযোগ্য। অসমখন বিভিন্ন ধর্মাৱলম্বী আৰু বিভিন্ন ভাষা-ভাষীৰ বাসস্থান। ভাষাৰ ক্ষেত্রত জনজাতিসকলৰ প্রত্যেকৰে নিজস্ব ভাষা আৰু উপভাষা আছে। সেইদৰে অসমীয়া ভাষাটোৰো বিভিন্ন অঞ্চলবিশেষে কথ্য ৰূপ আছে। মুঠতে, অসমীয়া লোকসংস্কৃতিৰ পথাৰখন বিচিত্র সম্ভাৰেৰে সমৃদ্ধ।

অসমীয়া লোকসংস্কৃতিৰ বিষয়ে আলোচনাৰ আৰম্ভণিতে অসমৰ অধিবাসীসকলৰ বিষয়ে কেইটামান কথা জানি লোৱা আৱশ্যক। ইতিহাস-পূর্ব সময়ৰে পৰা কিদৰে নেগ্রিট', অষ্ট্রিক, তিব্বত-বর্মীয়, আর্য আদি বিভিন্ন নৃ-গোষ্ঠীৰ লোকে অসমলৈ প্রব্রজিত হৈ আহি বসবাস কৰি আহিছে সেই সম্পর্কে আপুনি যোৱা যাণ্মাসিকৰ 'অসমৰ সংস্কৃতি অধ্যয়ন' শীর্ষক পাঠ্যবিষয়ৰ প্রথম অধ্যায়ত ইতিমধ্যে অধ্যয়ন কৰি আহিছে। সেই বাবে সেয়া পুনৰাই আলোচনা কৰা নহ'ল।

সামগ্রিকভাৱে অসমৰ অধিবাসীসকলক জাতি আৰু জনজাতি— এই দুটা বহল শ্রেণীত বিভক্ত কৰা হৈছে। ভাৰতীয় সংবিধানে অনুসূচিত জনজাতি (ভৈয়াম) আৰু অনুসূচিত জনজাতি (পার্বত্য) হিচাপে দুটা ভাগত স্বীকৃতি প্রদান কৰা জনজাতিসমূহৰ ভিতৰত বড়ো-কছাৰী, ৰাভা, হাজং, মিছিং, তিৱা বা লালুং, দেউৰী-চুতীয়া, কাৰবি, ডিমাছা আদি উল্লেখযোগ্য। হিন্দু বর্ণাশ্রম ধর্মৰ অনুগামী ব্রাহ্মণ, কায়স্থ, কলিতা, শূদিৰ, কোচ ৰাজবংশী আদিৰ উপৰি অন্যান্য মুখ্য ধর্মীয় পন্থাৰ অনুগামী যেনে, মুছলমান, খ্রীষ্টিয়ান, বৌদ্ধ, জৈন, শিখ আদি জাতিৰ অন্তর্গত। কৈৱর্ত, কেওট, মালী, হীৰা, কুমাৰ, সূত্রধাৰ আদি হ'ল সংবিধান স্বীকৃত অনুসূচিত জাতি।

ভাৰতৰ অন্যান্য প্ৰান্তত জাতি আৰু জনজাতিৰ মাজত পাৰ্থক্য বিদ্যমান, অসমত এনে পাৰ্থক্য নাই। দৰাচলতে জনজাতি (Tribe) শব্দটোৱেই বিতৰ্কমূলক। পৰম্পৰাগত সমাজ-বন্ধনত বসবাস কৰা জনসমষ্টিৰ প্ৰসংগত সাধাৰণতে জনজাতি শব্দটো ব্যৱহাৰ কৰা হয়। অতীতত শ্বেতকায় ঔপনিবেশীয় লোকসকলে সভ্যতাই ঢুকি নোপোৱা দুৰ্গম ঠাইত বাস কৰা তথাকথিত আদিম বা অসভ্য লোকসকলৰ প্ৰতি প্ৰদৰ্শন কৰা উন্নাসিকতাৰ মনোভাব এই শব্দটোত জড়িত হৈ আছে বাবেই জনজাতি শব্দটোৰ পৰিৱৰ্তে সম্প্ৰদায় (Community) শব্দটোৰ ব্যৱহাৰ শ্ৰেয়। আৰ্য আৰু অনা-আৰ্য বিভিন্ন জাতি আৰু সম্প্ৰদায়ৰ সাংস্কৃতিক সমল অসমীয়া সংস্কৃতিত নিহিত হৈ আছে।

নবীনচন্দ্ৰ শৰ্মাই তেওঁৰ গ্ৰন্থ *অসমীয়া লোকসংস্কৃতিৰ আভাস*ত লিখিছে— "অসমীয়াকৰণ প্ৰক্ৰিয়াৰ সংযোগত বৰ্তমানৰ অসমত বসবাস কৰা বিভিন্ন নৃ-গোষ্ঠীয়ে সংমিশ্ৰিত অসমীয়া সংস্কৃতিৰ মূল প্ৰবাহত নিমজ্জিত হৈছে। অসমৰ জনজাতি আৰু অজনজাতি উভয়ে সাংস্কৃতিক অনুবৰ্তন (acculturation), সংহতি আৰু সমাহৰণ প্ৰক্ৰিয়াৰ সংযোগত একীভূত হৈ এনে এক বিৰল আৰু অনুপম সংস্কৃতিৰ সৌধ নিৰ্মাণ কৰিছে, যাক সংমিশ্ৰিত অসমীয়া সংস্কৃতি ৰূপে আখ্যা দিব পাৰি। এই কাৰণেই অসমত জাতি আৰু জনজাতিৰ মাজত পাৰ্থক্য বিচাৰি পোৱা নাযায়।" মুঠতে, জনজাতীয় সংস্কৃতিক একাষৰীয়া কৰি থৈ অসমীয়া লোকসংস্কৃতিৰ স্বৰূপ কল্পনা কৰিব নোৱাৰি।

ৰিচার্ড এম. ডৰচনে ভাগ কৰি দেখুওৱা পূৰ্বোক্ত চাৰিটা ক্ষেত্ৰ অনুসৰিয়েই অসমীয়া লোকসংস্কৃতিৰ এটি সাধাৰণ আভাস তলত দাঙি ধৰা হ'ল।

৯.৪.১ মৌখিক সাহিত্য

লোকসাহিত্য লোকজীৱনৰ এখন সুন্দৰ দাপোণ স্বৰূপ; য'ত মানুহৰ চিন্তা, কল্পনা, সুখ-দুখ, আশা-নিৰাশা, হৰ্ষ-বিষাদ, ভক্তি আদি বিভিন্ন অনুভূতিৰ প্ৰতিফলন ঘটে। মানুহৰ স্মৃতিৰ ওপৰত ভিত্তি কৰি আদিম যুগৰেপৰা নিৰক্ষৰ চহা সৰ্বসাধাৰণ লোকৰ দ্বাৰা মুখে মুখে ৰচিত আৰু প্ৰচাৰিত হৈ অহা মানৱ জীৱনৰ বিভিন্ন অনুভূতি, সামাজিক চিত্ৰ, প্ৰকৃতিৰ বিচিত্ৰ ৰূপ আদি অনুপম প্ৰকাশেৰে লোকসাহিত্য সমৃদ্ধ। লোকসাহিত্য মানুহৰ মুখে মুখে যুগ যুগ ধৰি চলি অহা বাবে ইয়াক মৌখিক সাহিত্য বোলা হৈছে। সাধাৰণভাৱে ক'ব পাৰি যে, লিখিত সাহিত্যৰ আৰম্ভণিৰো পূৰ্বৰে পৰা মানুহৰ মুখে মুখে ৰচিত হৈ মৌখিক পৰম্পৰাৰে যিবোৰ ৰচনা চলি আহিছে তাকেই মৌখিক সাহিত্য বা বাচিক কলা বুলি কোৱা হয়। ইয়াক 'অলিখিত সাহিত্য', 'চহা সাহিত্য', 'লৌকিক সাহিত্য', 'লোকসাহিত্য' আদি বিভিন্ন অভিধাৰেও অভিহিত কৰা হয়। মৌখিক সাহিত্যৰ এটি প্ৰধান বিশেষত্বই হ'ল এয়ে যে, ইয়াত ৰচকৰ নাম-ধামৰ কোনো উল্লেখ নাথাকে। মৌখিক ৰচনা হ'লেও লিখিত সাহিত্যৰ দৰেই এই শ্ৰেণীৰ সাহিত্যও নান্দনিক দিশত নিশ্চিতভাৱে সুসমৃদ্ধ আৰু ৰচোঁতাৰ কলাত্মক দক্ষতাৰ সুন্দৰ প্ৰকাশ। সেয়েহে মৌখিক সাহিত্যক 'অখ্যাত কবিৰ বিখ্যাত ৰচনা' বুলি কোৱা হয়।

মৌখিক সাহিত্য বা বাচিক কলাৰ ক্ষেত্ৰত অসমীয়া সংস্কৃতি বিশেষভাৱে চহকী। বিশ্বৰ অন্যান্য মৌখিক সাহিত্যৰ দৰে অসমীয়া মৌখিক সাহিত্যও অতি প্ৰাচীন কালৰে পৰা নিৰক্ষৰ চহালোকৰ মাজত ৰচিত আৰু প্ৰচাৰিত হৈ আহিছে। লিখিত সাহিত্য জন্মৰ পূৰ্বৰে পৰা চহালোকে গীত-মাত, সাধুকথা আদিৰ যোগেদি ব্যক্তিগত তথা জাতীয় জীৱনৰ আনন্দ-উৎসৱ, প্ৰেম-প্ৰীতি, আশা-নিৰাশা আদিৰ ভাব প্ৰকাশ কৰি আহিছে। এইবোৰৰ ৰচনাকাল সঠিককৈ কোৱা টান। অৱশ্যে কিছুমান গীতৰ বিষয়বস্তু আৰু তাত ব্যৱহৃত শব্দৰাজিৰ পৰা ৰচনাৰ সময় নিৰ্ণয় কৰিব পাৰি। যেনে— বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, পদুম কুঁৱৰীৰ গীত আদিৰ ৰচনাকাল ঊনবিংশ শতিকাৰ বুলি ধৰিব পাৰি। সেইদৰে দেহ বিচাৰৰ গীত, টোকাৰী গীত আদি ষোড়শ শতিকাৰ পিছৰ ৰচনা বুলি ক'ব পাৰি।

মন কৰিব যে, লোকসাহিত্যৰ ৰচয়িতা কোন সেয়া নিৰ্ণয় কৰা কঠিন আৰু মৌখিক পৰম্পৰা অনুক্ৰমে প্ৰবাহমান বাবে আঞ্চলিক ৰূপ বা পাঠান্তৰ থকাও পৰিলক্ষিত হয়। তদুপৰি ব্যক্তি নিৰপেক্ষ ৰূপো ইয়াৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। মৌখিক সাহিত্য বা লোকসাহিত্যই সঘনে লিখিত পৰম্পৰা বা সাহিত্যত প্ৰৱেশ কৰিব পাৰে। ঠিক সেইদৰে লিখিত সাহিত্যয়ো লোকসাহিত্যত প্ৰৱেশ কৰিব পাৰে।

পণ্ডিতসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন ধৰণে মৌখিক সাহিত্যৰ শ্ৰেণীবিভাজন কৰিছে; যেনে— জাতিগত শ্ৰেণীবিভাজন (Ethnic Genres), তাত্ত্বিক শ্ৰেণীবিভাজন (Analytical Categories), বিষয়বস্তু অনুসৰি কৰা শ্ৰেণীবিভাজন (Thematic Classification), প্ৰকাৰ্যাত্মক শ্ৰেণীবিভাজন (Functional Classification), অনুষঙ্গগত শ্ৰেণীবিভাজন (Contextual Classification), আঞ্চলিক শ্ৰেণীবিভাজন ইত্যাদি। পৰৱৰ্তী অধ্যায়ত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমৰ জাতি আৰু জনজাতিৰ মাজত পাৰ্থক্য আছেনে?

.....

প্ৰশ্ন নং ৪ ঃ মৌখিক সাহিত্য বা লোকসাহিত্যই লিখিত পৰম্পৰা বা সাহিত্যত প্ৰৱেশ কৰিব পাৰেনে?

.....

৯.৪.২ ভৌতিক সংস্কৃতি

ভৌতিক সংস্কৃতি বুলিলে বিশেষকৈ আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত

সামগ্রীসমূহকে বুজা যায়। লোকস্থপতিবিদ্যা, লোকৰন্ধন প্রণালী, লোকআভৰণ, লোকশিল্প আৰু লোককলা ভৌতিক সংস্কৃতিৰ অন্তর্ভুক্ত। ভৌতিক সংস্কৃতিৰ বিষয়বস্তু লোকসংস্কৃতিৰ শ্রুতিগত আৰু দৃশ্যগত বা চাক্ষুষ আচৰণৰ ওপৰত নির্ভৰ কৰে। ইয়াত ৰক্ষণশীল পৰম্পৰা আৰু ব্যক্তিগত পৰিৱর্তন এই উভয় শক্তিয়ে অবিৰতভাৱে ক্রিয়া কৰি থাকে। সমাজত নাৰী-পুৰুষে কেনেকৈ ঘৰ-দুৱাৰ নির্মাণ কৰে, খাদ্য-দ্রব্য ৰান্ধে, খেতি-বাতি কৰে, মাছ-কাছ পোহে, কেনেকৈ কাপোৰ তৈয়াৰ কৰে, মাটি-পানীৰ ব্যৱস্থা কৰে, সাজ-সৰঞ্জাম, বাচন-বর্তন প্রস্তুত কৰে আদি চর্চাই হ'ল ভৌতিক সংস্কৃতিৰ মূল বিষয়।

অসমীয়া মানুহৰ গৃহ-সামগ্রীসমূহ জাতীয় জীৱনৰ চানেকি। ৰান্ধনী গৃহৰ পৰা আৰম্ভ কৰি খেতি-পথাৰৰ সা-সঁজুলিলৈকে, তাঁতশালৰ পৰা আৰম্ভ কৰি মাছ মৰালৈকে এই সকলোতে একক বৈশিষ্ট্য ফুটি উঠিছে। অসমীয়া মানুহে নিজৰ প্রয়োজনীয় প্রায়বোৰ সামগ্রী নিজে বাঁহ, বেত, কাঠ আদিৰে নির্মাণ কৰি লয়। গৃহ নির্মাণ পদ্ধতিও সুকীয়া। বাটচ'ৰা, বৰঘৰ, মাৰলঘৰ, ৰান্ধনিঘৰ, শোৱনি ঘৰ, ভঁৰাল ঘৰ, ঢেকী ঘৰ, গোহালি ঘৰ আদি সৰু সৰু গোটত অসমীয়া ঘৰবোৰ বিভক্ত। বানাক্রান্ত অঞ্চল আৰু পর্বতীয়া লোকসকলে (জনজাতি) চাংঘৰত বাস কৰে। মঠ-মন্দিৰ আৰু নামঘৰ অসমীয়া ধর্মীয় জীৱনৰ চানেকি স্বৰূপ। মঠ-মন্দিৰ আৰু নামঘৰ দুয়োবিধ নির্মাণত অসমীয়া লোকস্থাপত্য শৈলীৰ আভাস বর্তমান। সেইদৰে বয়ন শিল্প, বাঁহ, বেত, কুঁহিলা আৰু হাতীদাঁতৰ শিল্প, মৃৎ শিল্প ধাতু জাতীয় শিল্প আদিৰ ক্ষেত্রত অসমীয়া লোকশিল্প তথা লোককলাৰ দক্ষতা ফুটি উঠিছে।

লোকআভৰণৰ অন্তর্ভুক্ত হ'ল সাজ-পাৰ আৰু আ-অলংকাৰ। সাজ-পাৰৰ ক্ষেত্রত সমগ্র দেশৰ ভিতৰতে একক, অনন্য। বিশেষকৈ মহিলাসকলে পৰিধান কৰা, ৰিহা, মেখেলা আৰু চাদৰ— এই তিনিবস্ত্রই অসমীয়া সাজ-পাৰৰ স্বকীয়তা বজাই ৰাখিছে। অসমীয়া আ-অলংকাৰৰ ক্ষেত্রতো স্বকীয়তা লক্ষ্য কৰা যায়। ইয়াৰ ইতিহাসো অতি পুৰণি। প্রাচীন অসমীয়া সাহিত্যই ইয়াৰ প্রমাণ দাঙি ধৰে।

খাদ্যাভাস আৰু ৰন্ধন প্রণালীতো অসমীয়াসকলৰ সুকীয়া ঠাঁচ আছে। খাৰ, টেঙা, খাৰলি, খৰিচা, কাহুদী আদি অসমীয়াৰ প্রিয় খাদ্য। আনকি 'খাৰ খোৱা অসমীয়া' বুলি এটি আপ্তবাক্যৰো প্রচলন আছে। ইয়াৰ পৰাই খাৰৰ প্রতি থকা অসমীয়াৰ দুর্বলতাৰ কথা অনুমান কৰিব পাৰি। সেইদৰে পিঠা পনা, লাড়ু, জা-জলপান আদি প্রস্তুত কৰাতো অসমীয়া নাৰী পাকৈত। এই বিষয়ে তৃতীয় অধ্যায়টিত বহলাই আলোচনা কৰা হৈছে।

৯.৪.৩ সামাজিক লোকপ্রথা বা লোকাচাৰ

সামাজিক লোকপ্রথা বা লোকাচাৰৰ পৰিসীমাত বিভিন্ন লোকবিশ্বাস, উৎসৱ-পার্বণ, খেল-ধেমালি, লোকঔষধ, লোকধর্ম, লোকচিকিৎসা অন্তর্ভুক্ত। অসমৰ জাতি

ধর্ম নির্বিশেষে সকলো শ্রেণীৰ লোকে সময় অনুযায়ী বিভিন্ন ধৰণৰ উৎসৱ-পার্বণ পালন কৰে। উৎসৱসমূহ সামাজিক আচৰণৰ বর্হিঃ প্রকাশ বুলিব পাৰি। ইয়াৰ লগতে জড়িত হৈ থাকে বিভিন্ন লোকবিশ্বাস। উৎসৱসমূহ বিশেষকৈ আদিম মানৱে কৰা ঐন্দ্রজালিক ক্রিয়া-কাণ্ডৰ সৈতে সম্পর্কীত।

লোকবিশ্বাসৰ আধাৰতেই যিকোনো এখন জন-সমাজৰ বিবিধ আচাৰ-অনুষ্ঠান, ধর্মীয় কৃত্য আৰু লোকধর্মৰ উমান পাব পাৰি। অর্থাৎ লোকবিশ্বাসৰ আধাৰতেই এইবোৰ গঢ় লৈ উঠে। আনহাতে লোকবিশ্বাসৰ মাজতে সোমাই আছে অন্ধবিশ্বাসো। বিভিন্ন লোকসংস্কৃতিবিদে লোকবিশ্বাসসমূহক পুনৰ কেইবাটাও সৰু সৰু বিভাগত বিভক্ত কৰি আলোচনা কৰিছে। তথাপিও গঠনপ্রণালীৰ দিশেৰে ইয়াক তিনিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি — সংকেত লোকবিশ্বাস, যাদু লোকবিশ্বাস আৰু পৰিৱর্তিত লোকবিশ্বাস।

পৰম্পৰাগতভাৱে লোকসমাজত প্রচলিত হৈ অহা উৎসৱ-অনুষ্ঠানসমূহকে লোক উৎসৱ-অনুষ্ঠান বুলি কোৱা হয়। উৎসৱ-অনুষ্ঠান মূলতঃ বিশেষ এক নির্দিষ্ট সামাজিক বা সাংস্কৃতিক আচৰণৰ আধাৰত জন্ম নহয়। বিভিন্ন সাংস্কৃতিক আচৰণৰ সমষ্টিগত উপাদানৰ অনুষংগ স্বৰূপে উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰা হয়। উৎসৱ-অনুষ্ঠানসমূহক সাধাৰণতে কেইটিমান শ্রেণীত বিভক্ত কৰি আলোচনা কৰা হয়। যথা—

- ঋতুকালীন উৎসৱ-অনুষ্ঠান
- পঞ্জিকা আশ্রয়ী উৎসৱ-অনুষ্ঠান
- সীমিত অংশগ্রহণকাৰী উৎসৱ-অনুষ্ঠান
- সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান

লোকজীৱনত আনন্দ আৰু কর্মস্পৃহা যেনেকৈ আছে ঠিক তেনেদৰে এইবোৰৰ পৰা ক্ষন্তেক বিৰতিৰ বাবে বিভিন্ন অৱসৰ-বিনোদন আৰু খেল-ধেমালিও প্রচলিত হৈ আহিছে। মূলতঃ লোকজীৱনক গতিশীল আৰু ক্রিয়াশীল কৰি ৰাখিবৰ বাবেই এইবোৰৰ জন্ম।খেল-ধেমালিসমূহক মূলতঃ দুটা প্রধান ভাগত বিভাজিত কৰি আলোচনা কৰিব পাৰি। যথা — অৱসৰ বিনোদনধর্মী খেল-ধেমালি আৰু প্রতিযোগিতামূলক খেল-ধেমালি

পূর্বতে জনসমাজত নিজৰ তথা পোহনীয়া জীৱ-জন্তু, পশু-পক্ষীৰ ৰোগ নিৰাময়ৰ বাবে বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদি ব্যৱহাৰ কৰিছিল। ইয়াৰ পৰিণতিতেই জন্ম লোকঔষধ, লোকচিকিৎসা। অসমৰ লোকঔষধ আৰু লোকচিকিৎসাক মূলতঃ দুটা শ্রেণীত বিভক্ত কৰি আলোচনাত প্রবৃত্ত হ'ব পাৰি — প্রাকৃতিক লোকচিকিৎসা আৰু যাদুবিদ্যাগত ধর্মীয় লোকচিকিৎসা

জনসমাজত প্রচলিত বিভিন্ন লোকবিশ্বাসৰ আধাৰতে লোকধর্মৰ সৃষ্টি হৈছে। লোকধর্ম মানে আমি লোকসমাজত প্রচলিত ধর্মৰ কথাকেই বুজোঁ। অসমত প্রচলিত

খেতৰ-খেতৰীৰ পূজা, গো পূজা, শিল পূজা, গ্ৰহ পূজা, ভঠেলী, বৰাত পাশ পূজা, মনসা পূজা, ধৰ্ম দেৱতাৰ পূজা আদিয়ে লোকধৰ্মৰ চানেকি দাঙি ধৰে।

এই পাঠবিষয়ৰ চতুৰ্থ অধ্যায়ত অসমৰ বিভিন্ন সামাজিক লোকপ্ৰথা বা লোকাচাৰৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ লোকআভৰণ অধ্যয়নত কি কি অন্তৰ্ভুক্ত হৈ আছে?

.....

প্ৰশ্ন নং ৬ ঃ উৎসৱ-পাৰ্বনক মূলত কেইটা ভাগত ভগাই আলোচনা কৰিব পাৰি?

.....

৯.৪.৪ লোকপৰিৱেশ্য কলা

লোকপৰিৱেশ্য কলা বুলিলে সাধাৰণতে লোকসংগীত আৰু লোকনাট্যকে বুজা যায়। লোকসংগীতত লোকগীত, লোকনৃত্য আৰু লোকবাদ্য অন্তৰ্ভুক্ত। লোকনৃত্য লোক বা চহাসকলৰ দ্বাৰা অনুষ্ঠিত নৃত্য। এই নৃত্য বহু পৰিমাণে মৌখিক সঞ্চৰণৰ ওপৰত নিৰ্ভৰশীল। গীত, বাদ্য আৰু অভিনয় ইয়াৰ অবিচ্ছেদ্য অংগ। লোকনৃত্য কোনো এক বিশেষ অনুষংগত অনুষ্ঠিত হয়। লোকনৃত্য জন্মৰ পৰা মৃত্যু পৰ্যন্ত মানৱ জীৱনৰ লগত সম্পৰ্কীত। এই নৃত্যত প্ৰতীকী অৰ্থ প্ৰকাশৰ প্ৰৱণতা বৰ্তমান। মানুহ, জীৱ জন্তু, শস্যক্ষেত্ৰ আদিৰ উৰ্বৰতা বৃদ্ধি, ভূত-প্ৰেতাদি দূৰীভূতকৰণ, নিৰাময় কামনা, মৃত্যুৰ ভয়াৱহতা আদি এই নৃত্যৰ সৈতে জড়িত হৈ আছে। লোকনৃত্য লোকগীতৰ লগত জড়িত আৰু ই প্ৰায়ে বৃত্ত নৃত্য। অনুষংগ বা প্ৰসংগ অনুসৰি অসমৰ লোকনৃত্যক আমি এনেদৰে বিভাজন কৰিব পাৰো—

- পূজা-উপাসনাৰ লগত জড়িত নৃত্য
- উৎসৱ-অনুষ্ঠানৰ লগত জড়িত নৃত্য

অসমীয়া জনসমাজত প্ৰচলিত বিভিন্ন পূজা-উপাসনা পদ্ধতিসমূহৰ লগত ওতপ্ৰোতভাৱে সম্পৃক্ত হৈ আছে নৃত্য। সেইবোৰৰ ভিতৰত — পুতলা নাচ, ঢুলীয়া নাচ, ওজাপালি নাচ তথা বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত দেওধা-দেউলা নাচসমূহ উল্লেখযোগ্য।

পৃথিৱীৰ প্ৰায়বিলাক সংস্কৃতিতে প্ৰচলিত উৎসৱ-অনুষ্ঠানৰ লগত গীত আৰু নৃত্য সম্পৰ্কীত হৈ থকাৰ দৰে অসমীয়া সংস্কৃতিটো ইয়াৰ প্ৰচলন ব্যাপক। এইবোৰৰ লগত জড়িত নৃত্যসমূহকে আমি উৎসৱ-অনুষ্ঠানৰ লগত জড়িত নৃত্য বুলি অভিহিত

কৰোঁ। যেনে —বিহু নৃত্য, হুঁচৰি নৃত্য, বড়োসকলৰ বাগৰুম্বা, বৈসাগু, বগেজৰী, ৰাভাসকলৰ সাথাৰ, ঠেঙাল কছাৰীসকলৰ মাজত প্ৰচলিত জেং বিহু, গাভৰু বিহু, কাৰবিসকলে কৰা দোমাহী আলুন আদি প্ৰায়বোৰেই উৎসৱৰ (বিশেষকৈ বহাগ বিহু) লগত সম্পৰ্কীত নৃত্য।

লোকনাট্য এক প্ৰকাৰৰ গীতাভিনয় বা নৃত্য-গীত-বাদ্য আৰু অভিনয়ৰ সমষ্টি। বহুসময়ত লোকনাট্যত নৃত্য-গীতৰ আধিক্যহে দেখা যায়। অসম লোকনাট্য পৰম্পৰাৰ এখন চহকী ৰাজ্য। অসমৰ কেইটিমান উল্লেখযোগ্য লোকনাট্যানুষ্ঠান হ'ল — পুতলা নাচ, ওজাপালি, ঢুলীয়া-নাচ, খুলীয়া-ভাউৰীয়া, কুশান গান, ভাৰী-গান, পালা-গান, ধুৰা-নাট আদি। আনহাতে সংগীতৰ ক্ষেত্ৰত ধ্বনি সৃষ্টি কৰিবৰ বাবে ব্যৱহাৰ কৰা যিকোনো উপাদানকে বাদ্যযন্ত্ৰ বোলা হয়। লোকসংগীত বা শাস্ত্ৰীয় সংগীত সকলোতেই বাদ্যই গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। অসমীয়া লোকবাদ্যৰ ভিতৰত বিভিন্ন প্ৰকাৰৰ ঢোল, তাল, বাঁহী, পেঁপা আদি উল্লেখযোগ্য। পৰৱৰ্তী এটি অধ্যায়ত এই বিষয়ে বহলাই আলোচনা কৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ অসমৰ লোকনৃত্যক কেইটা ভাগত বিভাজন কৰি আলোচনা কৰিব পাৰি?

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকসংস্কৃতি লোক জীৱনৰ প্ৰতিচ্ছবি বুলিব পাৰি। লোকসংস্কৃতি মানৱ জাতিৰ ইতিহাসৰ সমানে পুৰণি। 'লোকসংস্কৃতি' বুজাবলৈ ইংৰাজী Folklore শব্দটো ব্যৱহাৰ কৰা হয়। ইয়াক এক জীৱন্ত পৰম্পৰা আৰু নিৰৱচ্ছিন্ন প্ৰৱাহ বুলিব পাৰি। লোকসংস্কৃতি বুলিলে সাধাৰণতে কোনো এটা নৃগোষ্ঠী বা সম্প্ৰদায়ৰ সামগ্ৰীক জীৱন পদ্ধতিক বুজা যায়। জনশ্ৰুতি, লোকোক্তি, সাধুকথা, সাঁথৰ, প্ৰবচন, মন্ত্ৰ, গালি-গালাজ, পোছাক-পৰিচ্ছদ, লোকবিশ্বাস, লোকনৃত্য আদি কেতবোৰ লোকসংস্কৃতিৰ অন্যতম বিষয়।
- অসমীয়া লোকসংস্কৃতি সমন্বয় প্ৰক্ৰিয়াৰ দ্বাৰা সৃষ্টি হৈছে। ব্যক্তিভেদে অসমীয়া লোকসংস্কৃতিৰ বিভাজন ভিন্ন ৰূপত পোৱা যায়। ৱিচাৰ্ড এম. ডৰচনে বিভাজন কৰা মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকপ্ৰথা বা লোকাচাৰ, লোকপৰিৱেশ্য কলা এইকেইটা

শ্রেণীকে লোকসংস্কৃতিৰ অন্যতম বিভাগ বুলি মানি অহা হৈছে।

- অতি প্রাচীন কালৰে পৰা নিৰক্ষৰ চহা লোকৰ মাজত ৰচিত আৰু প্রচাৰিত হৈ অহা সাহিত্যই হ'ল মৌখিক সাহিত্য।
- ভৌতিক সংস্কৃতি বুলিলে বিশেষকৈ আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্রীসমূহকে বুজা যায়। লোকস্থপতিবিদ্যা,লোকৰন্ধন প্রণালী,লোকআভৰণ, লোকশিল্প আৰু লোককলা ভৌতিক সংস্কৃতিৰ অন্তর্ভুক্ত।
- বিভিন্ন লোকবিশ্বাস, উৎসৱ-পার্বণ,খেল-ধেমালি, লোকঔষধ, লোকধর্ম, লোকচিকিৎসা আদিক সামাজিক লোকপ্রথা বা লোকাচাৰৰ ভিতৰত থ'ব পাৰি।
- লোকসংগীত আৰু লোকনাট্য এই দুবিধেই হ'ল লোকপৰিৱেশ্য কলাৰ মূল উপজীব্য বিষয়। লোকসংগীতত লোকগীত, লোকনৃত্য আৰু লোকবাদ্য অন্তর্ভুক্ত। লোকনৃত্য লোক বা চহাসকলৰ দ্বাৰা অনুষ্ঠিত নৃত্য। গীত, বাদ্য আৰু অভিনয় ইয়াৰ অবিচ্ছেদ্য অংগ। পুতলা নাচ, ঢুলীয়া নৃত্য, ওজাপালি নৃত্য, দেওধনী নৃত্য, খেৰাই, বিহু, গুমৰাগ, বাইডিমা, বহুৰা নৃত্য আদি অসমৰ কেইটিমান উল্লেখযোগ্য লোকনৃত্য তথা লোকনাট্য। আনহাতে সংগীতৰ ক্ষেত্রত ধ্বনি সৃষ্টি কৰিবৰ বাবে ব্যৱহাৰ কৰা যিকোনো উপাদনকে বাদ্যযন্ত্র বোলা হয়। লোকসমাজত প্রচলিত বাদ্যই হ'ল লোকবাদ্য।



৯.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ

১) কাগ্য়ুং, ভৃগুমুনি (সম্পাঃ) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য;* গুৱাহাটী।

২) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৩) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জনসাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৪) নার্জি, ভবেন (১৯৭১); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী।

৫) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

৬) নেওগ, মহেশ্বৰ (১৯৬৪), *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পাঃ) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৮) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৯) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

১০) ৰাজবংশী, পৰমানন্দ (সম্পাঃ), (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ প্রাগ্‌জ্যোতিষ মহাবিদ্যালয়।

১১) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১২) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৩) শর্মা, নবীন চন্দ্র (সম্পাঃ) (১৯৮৭); *ডাক প্রৱচন;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৪) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্রন্থ

১৫) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyers Book Stall.

১৬) Boro, A. (2001). *Folk Literature of the Boros – An Introduction*. Guwahati: Adhunik Prakasan.

১৭) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

১৮) Dundes, A. (1978). *Essays in Folkloristics*. Folklore Institute.

১৯) Dutta, B. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

২০) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

২১) Sarma, N. C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasani.

২২) Tylor E. B.(1920). *Primitive Culture, Vol. 1.* W. London: John Murray, Albemarle Street.

৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ লোকসংস্কৃতি।

২ নং প্রশ্নৰ উত্তৰ ঃ ৪ টা ভাগত।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ অন্যান্য প্রান্তত জাতি আৰু জনজাতিৰ মাজত পার্থক্য বিদ্যমান কিন্তু অসমত এনে পার্থক্য নাই।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মৌখিক সাহিত্য বা লোকসাহিত্যই সঘনে লিখিত পৰম্পৰা বা সাহিত্যত প্ৰৱেশ কৰিব পাৰে। ঠিক সেইদৰে লিখিত সাহিত্যয়ো লোকসাহিত্যত প্ৰৱেশ কৰিব পাৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ লোকআভৰণৰ অন্তৰ্ভুক্ত হ'ল সাজ-পাৰ আৰু আ-অলংকাৰ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ তিনিটা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ দুটা ভাগত।



৯.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) কোনে কেতিয়া ইংৰাজী 'Folklore' পদটিৰ সৃষ্টি কৰিছিল?

(খ) অধ্যাপক নাহেন্দ্ৰ পাদুনে অসমীয়া লোকসংস্কৃতিক কি কি ভাগত বিভাজন কৰি আলোচনা কৰিছে?

(গ) কোন শ্ৰেণীৰ সাহিত্যক বুজাবলৈ 'অলিখিত সাহিত্য', 'চহা সাহিত্য' আদি অভিধাৰ প্ৰয়োগ কৰা হয়?

(ঘ) অসমীয়া মহিলাসকলে পৰিধান কৰা তিনি বস্ত্ৰ কি কি?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ লোকপৰিৱেশ্য কলা মানে কি? ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ অসমৰ বিভিন্ন উৎসৱ-পাৰ্বনসমূহৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ লোকসংস্কৃতি বুলিলে কি বুজে? অসমৰ লোকসংস্কৃতিক কেইটা শ্ৰেণীত ভগাব পাৰি? প্ৰতিটো শ্ৰেণীৰে একোটা আলোচনা দাঙি ধৰক।

প্ৰশ্ন ২ ঃ অসমীয়া মৌখিক সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভৌতিক সংস্কৃতিৰ অন্তৰ্গত বিষয়সমূহ কি কি? সেইসমূহৰ বিষয়ে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ১০ ঃ মৌখিক সাহিত্য

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ মৌখিক সাহিত্য
১০.৪ অসমীয়া মৌখিক সাহিত্য
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্রগতিৰ খতিয়ান
১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মৌখিক সাহিত্য মানে কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰি অসমীয়া মৌখিক সাহিত্যৰ বিষয়ে অৱগত হ'ব
- মৌখিক সাহিত্যৰ শ্রেণীবিভাজন সম্পর্কে জ্ঞাত হ'ব আৰু তাৰ আধাৰত অসমীয়া মৌখিক সাহিত্যক শ্রেণীবিভাগ কৰিব পাৰিব
- অসমীয়া মৌখিক সাহিত্য সম্পর্কে অৱগত হ'ব।

১০.২ পৰিচয়

ইয়াৰ আগৰ আধ্যায়টোত আপুনি লোকসংস্কৃতি মানে কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰাৰ লগতে তাৰ শ্রেণী বিভাজন সম্পর্কেও অৱগত হ'ল। এই বিভাজনৰ প্রথমটি ভাগ 'মৌখিক সাহিত্য' সম্পর্কে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ব। মৌখিক সাহিত্যৰ শ্রেণীবিভাজন কৰি তাৰ আধাৰত অসমীয়া মৌখিক সাহিত্য সম্পর্কেও অধ্যয়টিত বহলাই আলোচনা দাঙি ধৰা হৈছে।

আপুনি নিশ্চয় জানে যে, যিকোনো জাতিৰ সাহিত্য পৰিক্রমাত প্রথমে মৌখিক সাহিত্যৰ সৃষ্টি হয়। মৌখিক সাহিত্যই ক্রমবিৱর্তনেৰে পৰৱর্তীকালত লিখিত সাহিত্যৰ ৰূপ পৰিগ্রহ কৰে। অসমীয়া সাহিত্যও ইয়াৰ ব্যতিক্রম নহয়। লোকসাহিত্য বা মৌখিক সাহিত্য লোকজীৱনৰ দাপোণ স্বৰূপ। ইয়াত মানুহৰ চিন্তা, কল্পনা, সুখ-দুখ, আশা-নিৰাশা, হর্ষ-বিষাদ, ভক্তি আদি বিভিন্ন অনুভূতিৰ প্রতিফলন ঘটে। মানুহৰ স্মৃতিৰ ওপৰত ভিত্তি কৰি আদিম যুগৰেপৰা নিৰক্ষৰ চহা সর্বসাধাৰণ লোকৰ দ্বাৰা মুখে মুখে ৰচিত আৰু প্রচাৰিত হৈ অহা মানৱ জীৱনৰ বিভিন্ন অনুভূতি, সামাজিক

চিত্র, প্রকৃতিৰ বিচিত্র ৰূপ আদি অনুপম প্রকাশেৰে লোকসাহিত্য সমৃদ্ধ। মৌখিক সাহিত্য মানুহৰ মুখে মুখে যুগ যুগ ধৰি চলি অহা বাবে ইয়াক মৌখিক সাহিত্য বোলা হৈছে। তলত এই বিষয়ে আলোচনা কৰি অসমীয়া মৌখিক সাহিত্যৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১০.৩ মৌখিক সাহিত্য

অসমীয়া মৌখিক সাহিত্য সম্পর্কে আলোচনাত প্রবৃত্ত হোৱাৰ আগতে আমি মৌখিক সাহিত্য মানেনো কি সেই বিষয়ে জনা উচিত। মৌখিক সাহিত্য বুলিলে সাধাৰণতে পৰম্পৰাগতভাৱে জনসমাজৰ মুখে মুখে চলি অহা কাহিনী, আখ্যান, বেলাড, গীত, যোজনা, পটন্তৰ, নাটকীয় কাহিনী আদিৰ সমাহাৰকে বুজা যায়। মৌখিক সাহিত্যক 'বাচিক কলা', 'লোকসাহিত্য', 'অলিখিত সাহিত্য', 'চহা সাহিত্য', 'লৌকিক সাহিত্য' আদি বিভিন্ন অভিধাৰে অভিহিত কৰা হয়। মৌখিক সাহিত্যৰ ৰচয়িতা কোন সেয়া নির্ণয় কৰা কঠিন আৰু মৌখিক পৰম্পৰা অনুক্রমে প্রৱাহমান বাবে আঞ্চলিক ৰূপ বা পাঠান্তৰ থকাও পৰিলক্ষিত হয়। তদুপৰি ব্যক্তি নিৰপেক্ষ ৰূপো ইয়াৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। মৌখিক সাহিত্য বা লোকসাহিত্যই সঘনে লিখিত পৰম্পৰা বা সাহিত্যত প্রৱেশ কৰিব পাৰে। ঠিক সেইদৰে লিখিত সাহিত্যয়ো মৌখিক সাহিত্যত প্রৱেশ কৰিব পাৰে।

মৌখিক সাহিত্যৰ মূল বৈশিষ্ট্য হ'ল অনুভূতিৰ অকৃত্রিমতা আৰু স্বতঃস্ফূর্ততা। প্রাকৃতিক জগতৰ লগত ইয়াৰ সম্পর্ক অতি নিবিড়। তদুপৰি মৌখিক সাহিত্যৰ উপাদানৰাজি অনুষ্ঠেয় কলাৰ সৈতে সম্পৃক্ত, কাৰণ ই এক সামাজিক ব্যাপাৰ আৰু সেইবাবেই ইয়াৰ সামাজিক প্রকার্য অস্বীকাৰ কৰিব নোৱাৰি। এই প্রসংগৰ আঁত টানি ক'ব পাৰি যে অতীত, বর্তমান আৰু ভৱিষ্যতৰ সীমাৰেখাৰে মৌখিক সাহিত্য সীমিত নহয়। মৌখিক সাহিত্যৰাজি সংস্কৃতিৰ ***সোণসেৰীয়া*** উপাদান। সমাজৰ দৈনন্দিন জীৱন পদ্ধতি, চিন্তাচর্চা, বিশ্বাস, পৰম্পৰা, সংস্কাৰ আদিৰ ই এক সমৃদ্ধ ভঁৰাল। অসমীয়া জনসমাজত প্রচলিত এনেবোৰ বিবিধ উপাদানেৰেই অসমীয়া জাতীয় জীৱনৰ পৰিচয় দাঙি ধৰিব পৰাকৈ অসমীয়া মৌখিক সাহিত্যৰ ভঁৰাল বিভিন্ন উপকৰণেৰে ঠাহ খাই আছে।



সোণসেৰীয়াঃ বহুমূলীয়া

ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, জমিন, পাঠ, প্রসংগ বা অনুষঙ্গ, প্রকার্য, প্রয়োগ, ৰূপক, অর্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে মৌখিক সাহিত্যক শ্রেণী বিভাজন কৰি বিচাৰ বিশ্লেষণ কৰিব পাৰি। পূর্বতে কেৱল বিষয়বস্তুৰ ফালৰ পৰা লোকগীত, সাধুকথা আৰু ফকৰা-যোজনা, প্রবাদ-পটন্তৰ, সাঁথৰ, মন্ত্র সাহিত্য আদি ভাগত মৌখিক সাহিত্যক বিভাজন কৰি আলোচনা কৰা হৈছিল। সাম্প্রতিক সময়ত অৱশ্যে বিভিন্ন দৃষ্টিভংগীৰে মৌখিক সাহিত্যক বিভাজন কৰি আলোচনা কৰা হয়। সেইকেইটা হ'ল—

- জাতিগত শ্রেণীবিভাজন (Ethnic Genres)
- তাত্ত্বিক শ্রেণীবিভাজন (Analytical Categories)

- বিষয়বস্তু অনুসৰি কৰা শ্রেণীবিভাজন (Thematic Classification)
- প্রকার্যাত্মক শ্রেণীবিভাজন (Functional Classification)
- অনুষঙ্গগত শ্রেণীবিভাজন (Contextual Classification)
- আঞ্চলিক শ্রেণীবিভাজন (Regional Classification)

- **জাতিগত শ্রেণীবিভাজন ঃ** সাংস্কৃতিক পদ্ধতিৰে মৌখিক সাহিত্যক বিভাজন কৰা পদ্ধতিটোকে জাতিগত শ্রেণী বিভাজন বুলি কোৱা হয়। প্রত্যেকটো জাতি-জনজাতি নৃ-গোষ্ঠীৰ মাজত মৌখিক সাহিত্যৰ বিভিন্ন বিভাগসমূহ সূচাবলৈ বিভিন্ন পৰিভাষাৰ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, অসমৰ সাধুকথাক সূচাবৰ বাবে 'সাধু, 'সাধুকথা', 'উপকথা', 'উককথা', 'সাজোকথা', 'গোসাঁইকথা', 'কিচ্ছা' ইত্যাদি পৰিভাষাৰ ব্যৱহাৰ কৰা যায়। উল্লেখযোগ্য যে, জাতিগত শ্রেণীবিভাজনক অন্যপ্রকাৰে নৃ-গোষ্ঠীগত শ্রেণীবিভাজন বুলিও ক'ব পাৰি। তদুপৰি এইবিধ শ্রেণীবিভাজনক স্থানীয় শ্রেণীবিভাজন বুলি ক'লেও ৰজিতা খায়।
- **তাত্ত্বিকগত শ্রেণীবিভাজন ঃ** মৌখিক সাহিত্যৰ পাঠ পদ্ধতিগতভাৱে, সু-সংবদ্ধ সংগঠনৰ আৰ্হি প্রদর্শনৰে বিভাজন কৰা প্রথাটোকে তাত্ত্বিকগত শ্রেণীবিভাজন বুলি কোৱা হয়। বিদ্যায়তনিক দৃষ্টিভংগী তথা আন্তর্জাতিক শ্রেণীবিভাজনৰ প্রতি দৃষ্টি ৰাখি মৌখিক সাহিত্যৰ বিভিন্ন পাঠ-ক ভাগ কৰা হয় এই তাত্ত্বিকগত শ্রেণীবিভাজনত। তাত্ত্বিকগত শ্রেণীবিভাজনৰ আৰ্হি অনুসৰি মৌখিক সাহিত্যৰ পাঠ কেইবাটাও ভাগত শ্রেণীবিভাজন কৰি আলোচনা কৰা হয়। যথা— (১) লোককবিতা বা লোকগীত (২) গদ্যধর্মী লোককথা (৩) প্রবচন-লোকোক্তি-যোজনা আৰু পটন্তৰ (৪) সাঁথৰ, দৃষ্টান্ত (৫) লোকভাষা। এই পাঁচটা ভাগক পুনৰ কেইবাটিও সৰু সৰু উপ-ভাগত ভাগ কৰি আলোচনা কৰা হয়।
- **বিষয়বস্তু অনুসৰি শ্রেণীবিভাজন ঃ** মৌখিক সাহিত্যৰ বিভিন্ন উপাদানসমূহৰ বিষয়বস্তু অনুসৰি শ্রেণীভুক্ত বা পর্যায়ভুক্ত কৰা পদ্ধতিটোৱে হ'ল বিষয়বস্তু অনুসৰি কৰা শ্রেণীবিভাজন। সাধাৰণতে আঠোটা ভাগত ভাগ কৰি বিষয়বস্তুগত শ্রেণী বিভাজন কৰা হয়— (১) অনুৰাগ আসক্তি, প্রেম-প্রণয় আৰু বিৰহ-মিলন বিষয়ত গীত-পদ বা বাচিক কলা, (২) ভক্তিমূলক বা ভক্তি প্রধান বা ভক্তি বিষয়ক গীত-পদ বা বাচিক কলা, (৩) দার্শনিক ভাবপ্রধান গীত-পদ বা বাচিক কলা, (৪) ব্যঙ্গপ্রধান বা ব্যঙ্গ বিষয়ক গীত-পদ বা বাচিক কলা, (৫) হাস্য প্রধান বা হাস্য বিষয়ক গীত-পদ বা বাচিক কলা, (৬) আর্থ-সামাজিক ভাব প্রধান গীত-পদ বা বাচিক কলা (৭) আশা-আকাংক্ষা আৰু উৎসাহ-উদ্দীপনা বিষয়ক গীত-পদ বা বাচিক কলা, (৮) ঐতিহাসিক ৰাজনৈতিক আদি বিষয়ক গীত-পদ বা বাচিক কলা।
- **প্রকার্যাত্মক শ্রেণীবিভাজন ঃ** মৌখিক সাহিত্যৰ বিভিন্ন উপাদানৰাজিৰ আছে সুনির্দিষ্ট সামাজিক প্রকার্য। এনেদৰে নির্দিষ্ট প্রকার্যৰ আধাৰত মৌখিক সাহিত্যৰ শ্রেণীবিভাজন কৰা পদ্ধতিটোকেই প্রকার্যাত্মক শ্রেণীবিভাজন বোলা হয়।
- **অনুষঙ্গগত শ্রেণীবিভাজন ঃ** আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে, মৌখিক সাহিত্যৰ উপাদানৰাজি অনুষ্ঠেয় কলাৰ সৈতে সংপৃক্ত। অর্থাৎ সমাজৰ একোটা নির্দিষ্ট পৰিস্থিতিত

এইবোৰ কোৱা হয়, গোৱা হয় বা আবৃত্তি কৰা হয়। এই সামাজিক পৰিস্থিতিবোৰকেই একোটা প্ৰসংগ বা অনুষঙ্গ বোলে। এনেদৰে অনুষঙ্গগতভাৱে মৌখিক সাহিত্যক শ্ৰেণীবিভাজন কৰাটোকেই অনুষঙ্গগত শ্ৰেণীবিভাজন বোলা হয়। উদাহৰণস্বৰূপে, বিহু সম্পৰ্কে নাজানিলে বিহুগীতৰ বিষয়ে সঠিকভাৱে ধাৰণা লাভ কৰিব নোৱাৰি। ইয়াৰ পৰা সহজে অনুমেয় যে মৌখিক সাহিত্যৰ উপাদানৰাজি ভালদৰে অনুধাৱন কৰিবলৈ হ'লে তাৰ অনুষঙ্গৰ বিষয়েও সম্যক ধাৰণা থকা উচিত। সেইবাৰে প্ৰসংগ অনুসৰিহে মৌখিক সাহিত্য বিভাজিত হোৱা উচিত বুলি এচাম লোকসংস্কৃতিবিদে মন্তব্য কৰে।

- **আঞ্চলিক শ্ৰেণীবিভাজন ঃ** মৌখিক সাহিত্যক আঞ্চলিক বৈশিষ্ট্যৰাজিৰ আধাৰত বা ভৌগোলিক বৈশিষ্ট্যৰাজিৰ আধাৰতো শ্ৰেণীবিভাজন কৰা দেখা যায়। এনেদৰে কৰা বিভাজনকেই আঞ্চলিক শ্ৰেণীবিভাজন বোলে। উল্লেখযোগ্য যে আঞ্চলিক শ্ৰেণীবিভাজনত গুৰুত্ব লাভ কৰে সেই অঞ্চলত প্ৰচলিত ভাষিক ৰূপটোৱে। ইয়াকে আমি লোকসাহিত্যৰ উপাদানৰাজিৰ জমিন (Texture) বুলি আখ্যা দিব পাৰোঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মৌখিক সাহিত্যক মূলতঃ কিহৰ ভিত্তিত শ্ৰেণী বিভাজন কৰা হয়?

.....

১০.৪ অসমীয়া মৌখিক সাহিত্য

ওপৰৰ শাখাটোত উল্লেখ কৰাৰ ধৰণে মৌখিক সাহিত্যক বিভাজন কৰি আলোচনা কৰা যায় যদিও তাত্ত্বিকগত শ্ৰেণীবিভাজন আৰু অনুষঙ্গগত শ্ৰেণীবিভাজনহে বিজ্ঞানসম্মত বুলি লোকসংস্কৃতিবিদসকলে বিবেচনা কৰিছে। আমাৰ এই অধ্যয়নতো অসমীয়া মৌখিক সাহিত্যৰ শ্ৰেণীবিভাজনৰ ক্ষেত্ৰত তাত্ত্বিকগত শ্ৰেণীবিভাজনটিকেই আধাৰ হিচাপে লোৱা হ'ব। আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে, তাত্ত্বিকগত শ্ৰেণীবিভাজনত লোকসাহিত্যৰ পাঠসমূহ পুনৰ পাঁচটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। ইয়াৰ আধাৰতেই অসমীয়া মৌখিক সাহিত্যৰ পাঠসমূহক তলত বহলাই আলোচনা কৰা হ'ল।

- **লোকগীত ঃ** যি কোনো গীতৰ লগত সাধাৰণতে সংগীতৰ দিশটোও জড়িত হৈ থাকে। সাধাৰণতে আমি লোক কবিতাৰাজিকে লোকগীত বুলি অভিহিত কৰোঁ যদিও ইয়াত সাংগীতিক দিশটোৰ প্ৰতি গুৰুত্ব দিয়া নহয়। লোকগীতসমূহ মূলতঃ লোকপৰিৱেশ্য কলাৰ মাজত হে অন্তৰ্ভুক্ত। এই বিষয়ে পৰৱৰ্তী এটি অধ্যায় (লোকপৰিৱেশ্য কলা)ত বহলাই আলোচনা দাঙি ধৰা হৈছে। এই অধ্যায়টিত আমি লোকগীত বুলিলে মূলতঃ লোকগীতসমূহৰ সাহিত্যিক দিশটোৰ কথা হে বিবেচনা কৰিম। লোকজীৱনত প্ৰচলিত হৈ থকা লোকগীত লোকমনৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। এই গীতবোৰৰ লগত চহালোকে জন্মৰ পৰা মৃত্যুলৈকে পালন

কৰা বিভিন্ন আচাৰ-অনুষ্ঠান, ধর্ম কার্য আদি নিবিড়ভাৱে জড়িত হৈ আছে। গীতবোৰৰ বর্ণনাৰ সৰলতা, আৱেগ প্ৰৱণতা, ভাবৰ অকৃত্ৰিমতা, ৰচনাৰীতিত উপমা আদিৰ বহুল প্ৰয়োগে এইবোৰৰ মাজত সাহিত্যিক সৌন্দর্য দান কৰিছে। মানৱ সভ্যতা আৰু সংস্কৃতিৰ কঠীয়াতলিতেই ইয়াৰ জন্ম আৰু বিকাশ সাধন হৈছে। ই হ'ল চহা প্ৰাণৰ মুক্ত পৰিস্ফূৰণ আৰু মৌলিক ভাবাবেগৰ অকৃত্ৰিম প্ৰকাশ। লোকগীতসমূহক পুনৰ কেইবাটাও সৰু সৰু বিভাগত বিভাজিত কৰি আলোচনা কৰা হয়, যথা— মালিতা, ধর্মীয় গীত, কর্ম গীত, প্ৰণয় গীত, উৎসৱ-অনুষ্ঠানৰ সৈতে জড়িত গীত, সংস্কাৰমূলক কৃত্যৰ সৈতে জড়িত গীত, তত্ত্বপূর্ণ বা দার্শনিক ভাবপ্ৰধান গীত, ল'ৰা-ছোৱালীৰ সৈতে জড়িত গীত ইত্যাদি। অসমীয়া লোকগীতসমূহলৈ চকু ফুৰালেই আমি এই বিভাজনকেইটা সুন্দৰভাৱে অনুধাৱন কৰিব পাৰিম।

- *মালিতা ঃ* ইংৰাজী 'বেলাড' শব্দটোৰ সমার্থক অর্থত অসমীয়া 'মালিতা' শব্দটো ব্যৱহাৰ কৰা হৈছে। বেলাড বা মালিতা নৃত্যৰ পৰিপূৰকভাৱে সু�ৰ লগাই গোৱা হয় আৰু তাৰ মাজেৰে একোটা কাহিনী বর্ণনা কৰা হয়। সাধাৰণতে বেলাডত একক কাহিনীৰ বর্ণনা থাকে। অসমীয়াত মালিতা শব্দটো 'মালা' শব্দৰ পৰা আহৃত, ফুলৰ মালাৰ দৰে ধাৰাবাহিকভাৱে ইয়াত কোনো কাহিনী গাঁথি থোৱা থাকে— সেইবাবেই মালিতা। অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন ধৰণৰ মালিতাৰ প্ৰচলন আছে। মালিতাক আকৌ বিভিন্ন ভাগত ভাগ কৰা হয়।
  - পুৰাণগত মালিতা (Mythical ballad) ঃ কোনো ধর্মীয় অনুষঙ্গত জগৎসৃষ্টিৰ বর্ণনা, ধর্মীয় কৃত, বা ইয়াৰ লগত জড়িত সমলৰাজিৰ উৎপত্তিৰ বিষয়ে যি মিথধর্মী কাহিনী গোৱা হয় তাকে পুৰাণগত মালিতা বুলি অভিহিত কৰা হয়। সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত 'হাইদাং গীত' অসমীয়া পুৰাণগত মালিতাৰ উদাহৰণ।
  - নৈদানিক মালিতা (Etiological ballad) ঃ পুৰাণগত মালিতাৰ লগত নৈদানিক মালিতাৰ বিষয়বস্তু, সংযুতি আৰু অনুষঙ্গৰ সাধাৰণতে মিল দেখা যায়। এই মালিতাতো জগৎ সৃষ্টি, বিভিন্ন বস্তুৰ উৎপত্তি, প্ৰাকৃতিক ব্যাপাৰৰ ব্যাখ্যা, পর্বত-পাহাৰ আদিৰ জন্মৰ বর্ণনা থাকে। পূজা-উপাসনাৰ প্ৰসংগত গোৱা পিঠাগুড়ি, ঢেঁকী, ঘট, কলহ, চৰু আদিৰ জন্ম সম্পর্কীয় গীতবোৰেই নৈদানিক মালিতা। মনসা পূজাত ওজাপালিয়ে গোৱা বিভিন্ন জন্ম সংক্ৰান্তীয় গীত, ব্যাসৰ ওজাপালিয়ে— বাসুদেৰ পূজা, জাগৰ পূজা আদিত গোৱা জাগৰৰ জন্ম, বিভিন্ন ৰাগ-ৰাগিনীৰ জন্ম সম্পর্কীয় গীতবোৰেই নৈদানিক মালিতা।
  - ঐতিহাসিক মালিতা (Historical ballad) ঃ কোনো ঐতিহাসিক ঘটনাৰ আধাৰত ৰচিত মালিতাই হ'ল ঐতিহাসিক মালিতা। যেনে— বদন বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, পথৰুঘাটৰ ৰণ, ফুলগুৰিৰ ধেঁৱা আদিয়েই ঐতিহাসিক মালিতা।
  - জনশ্ৰুতিমূলক মালিতা (Legendary ballad) ঃ লোকসমাজত প্ৰচলিত জনশ্ৰুতিৰ আধাৰত যিবোৰ মালিতা ৰচনা কৰা হয় সেইবোৰেই জনশ্ৰুতিমূলক

মালিতা। উদাহৰণস্বৰূপে—বেউলা-লখাই গীত, কেন্দু কলাই গীত আদি।

- যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা (Magical or wonderous or Supernatural ballad) ঃ যিবোৰ মালিতাত যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক কাহিনী বর্ণনা কৰা হয় সেইবোৰকে যাদুমূলক বা বিস্ময়াবহ বা অলৌকিক মালিতা বোলা হয়। এইবোৰ মালিতাত সাধাৰণ মানুহৰ অলৌকিক জগতৰ সৈতে সংঘটিত সংঘর্ষ আৰু অলৌকিক শক্তিৰ সহায়েৰে অতিলৌকিক কার্য সম্পাদন কৰা কাহিনী বর্ণিত হয়। যেনে— মণিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত, চিকন সৰিয়হৰ গীত, জনাগাভৰুৰ গীত, কমলা কুঁৱৰীৰ গীত আদি।
- ব্যংগাত্মক মালিতা (Satrical ballad) ঃ সমাজ সংশোধন বা সংস্কাৰ কৰাৰ আপাহেৰে, ব্যংগাত্মকভাৱে ৰচিত মালিতাৰাজিকে ব্যংগাত্মক মালিতা বুলি কোৱা হয়। সাধাৰণতে আকস্মিক আৰু মৌখিকভাৱে এইবিধ মালিতা ৰচনা কৰা হয়। ভাইৰা, ভাৱৰীয়া, বহুৱা, ওজাপালি আদি চৰিত্রই এই শ্রেণী মালিতাৰ ৰচক। উদাহৰণস্বৰূপে— ভাউৰাৰ গীত, ভূঁইকপৰ গীত, মলুৱাৰ গীত আদি।
- বাৰমাহীৰ গীত ঃ বাৰমাহীৰ গীতসমূহো মালিতাৰে এক বিশেষ অংশ। ভাৰতৰ আন আন প্রদেশবিলাকত প্রচলিত 'বাৰমাহীৰ গীত', 'বাৰমাসীৰ গীত', 'বাৰমাসাৰ গীত'ৰ দৰে অসমতো প্রচলিত 'মধুমতীৰ গীত', 'জয়ধন-বনিয়াৰ গীত', 'শান্তি বাৰমাহী', 'ৰাম বাৰমাহী', 'কন্যা বাৰমাহী' আদি এই শ্রেণীৰ গীতৰ প্রকৃষ্ট উদাহৰণ। উল্লেখযোগ্য যে, বাৰমাহীৰ গীতবোৰৰ বাস্তৱ অভিজ্ঞতাৰ প্রতিফলনৰ লগতে প্রেম-প্রীতিৰ কথাও বর্ণনা কৰা হয়। সেইবাবে ইয়াক বাস্তৱানুগত মালিতা বুলিও ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ মালিতা মানে কি বুজে?

.....

প্রশ্ন নং ৩ ঃ 'ভাউৰাৰ গীত' কি মালিতাৰ অন্তর্ভুক্ত?

.....

- *ধর্মীয় গীত ঃ* কোনো ধর্মীয় প্রসংগ, দেৱ-দেৱীৰ উৎপত্তি বা দেৱ-দেৱীৰ পূজা-উপাসনাৰ প্রসংগত গোৱা গীতসমূহেই ধর্মীয় গীত। ধর্মীয় পৰাকাষ্ঠা এই শ্রেণী গীতৰ উল্লেখযোগ্য বৈশিষ্ট্য। যেনে — আইনাম, সদাশিৱৰ নাম, জগন্নাথ পূজাৰ নাম, সুবচনীৰ নাম, মনসা পূজাৰ গীত, লখিমী সবাহৰ গীত, গোসাঁনীৰ নাম, অপেশ্বৰী সবাহৰ গীত, সোনাৰাই পূজাৰ গীত, কাতি পূজাৰ গীত, বাঁশ পূজাৰ গীত, হুদুম পূজাৰ গীত আদি।
- *প্রণয় গীত ঃ* সাধাৰণতে পূর্বৰাগ, অনুৰাগ, সম্ভোগ, বিপ্রলম্ভ, মিলন আদি ভাব বিশিষ্ট

লিৰিকধর্মী গীতবোৰেই হ'ল প্রণয়মূলক গীত। বিহুগীত, ঐ নিঃতম, সাথাৰ, বৈশাগু আদি প্রণয় গীত। উদাহৰণস্বৰূপে — মাতৰে লেতেৰা কেতেৰা জেঙেৰা/ভোগদৈ লেতেৰা পানী/ ছোৱালী লেতেৰা বিজুলী চকুৰা/ মুখত মিঁচিকিয়া হাঁহি।

- *কর্ম গীত ঃ* শ্রম কৰোঁতে আনন্দ লভাৰ লগতে ভাগৰ অৱসাদ আদি দূৰ কৰি নতুন উৎসাহেৰে কর্ম-সম্পাদন কৰিবলৈ গোৱা গীতবোৰেই হ'ল কর্ম গীত। অতি পুৰণি কালৰে পৰা ম'হ বা গৰুগাড়ীৰ চালক, নাৱৰীয়া, হালুৱা, কুমাৰ, কমাৰ, খৰিকটীয়া, মৈষাল, হাতী মাহুত, মাছমৰীয়া, শিপিনী, দাৱনী, ৰোৱনী আদিয়ে কর্মৰ পাৰদর্শিতা বৃদ্ধি কৰাৰ লগতে অৱসাদ বিদুৰণৰ কাৰণে কর্ম বিষয়ৰ গীত গাই আহিছে। উদাহৰণস্বৰূপে— বৈঠা মাৰোঁ, বৈঠা মাৰোঁ ৰে/ অ' বাইচাৰ ভাইয়া ৰে। (নাওখেলৰ গীত)



জানি থোৱা ভাল

মৌখিক সাহিত্যত কর্মগীত বুলি উপ-বিভাগ এটা হোৱাটো উচিত নে অনুচিত এই সম্পর্কে লোকসংস্কৃতিবিদসকলৰ মাজত মত বিৰোধ বিদ্যমান। কিছুমানৰ মতে, যিকোনো গীতেই কর্মগীত বা শ্রমগীত হ'ব পাৰে।

- *উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত ঃ* উৎসৱ অনুষ্ঠানৰ বিবিধ সংযুতিত গীত-পদৰ লগতে নৃত্যই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি আহিছে। বিভিন্ন পৰম্পৰাগত উৎসৱ অনুষ্ঠানবোৰত পৰিৱেশন কৰা গীতসমূহেই উৎসৱ-অনুষ্ঠানমূলক গীত। অসমতো বাৰমাহত তেৰটা উৎসৱ পালিত হয় আৰু এইবোৰৰ ভিতৰত কৃষিভিত্তিক বা ঋতুকালীন উৎসৱ-অনুষ্ঠানৰ সংখ্যাই অধিক। বিহু উৎসৱৰ অন্তর্গত বিহুগীত, বৈশাগু, বায়খু, আলি আয়ে লৃগাং, বাম্বুলপিতা, ভঠেলি, পাউৰাতোলা, মহোহো; বিবাহ উৎসৱ উপলক্ষে গোৱা পানীতোলা, গোঁসাই পূজা কৰা, দৰা-কইনাক গা-ধোৱা, যোৰা নাম বা খিচা গীত আদি উৎসৱ-অনুষ্ঠানমূলক গীতৰ ভিতৰত পৰে।
- *সংস্কাৰমূলক কৃত্যৰ লগত জড়িত গীত ঃ* মানুহে সামাজিক জীৱনত বিভিন্ন সংস্কাৰমূলক কৃত্যৰ লগত জড়িত হ'বলগীয়া হয়; যেনে— জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত কৃত। এই সংস্কাৰমূলক কর্মত গোৱা গীতসমূহেই সংস্কাৰমূলক কৃত্যৰ লগত জড়িত গীত। কার্বিসকলে শ্রাদ্ধত গোৱা 'চমাংকান' গীতসমূহ এনে গীতৰ উদাহৰণ।
- *দার্শনিক ভাব প্রধান গীত ঃ* সংসাৰৰ অনিত্যতা সম্পর্কে তাত্ত্বিক ভাব সন্নিৱিষ্ট কিছু গীতো লোকসমাজত প্রচলিত। এনে গীতবোৰকে দার্শনিক ভাব প্রধান গীত বোলা হয়। অসমীয়া জনসমাজত প্রচলিত 'দেহ বিচাৰৰ গীত', 'টোকাৰী গীত', 'জিকিৰ'সমূহ এই শ্রেণীৰ গীতৰ প্রকৃষ্ট উদাহৰণ।

- *কেঁচুৰা ল'ৰা-ছোৱালীৰ সৈতে জড়িত গীত ঃ* কেঁচুৰা বা শিশুসকলৰ মনোৰঞ্জন, খেল-ধেমালি, নিচুকোৱা আৰু টোপনি নিয়াবৰ বাবে সৰ্ব্বসমাজতে বিবিধ গীতৰ প্ৰচলন আছে। এই সকলোবোৰকে কেঁচুৰা ল'ৰা-ছোৱালীৰ সৈতে জড়িত গীত বোলা হয়। অসমীয়া গীতৰ ভঁৰাল এই ক্ষেত্ৰত অতিকে চহকী।



চিন্তা-চৰ্চা কৰক — ১০.১

অধিক জানিবলৈত উল্লেখ থকা কিতাপ কেইখনৰ সহায়েৰে অসমত প্ৰচলিত বিবিধ লোকগীতসমূহৰ এখন তালিকা প্ৰস্তুত কৰি এই শাখাটিত উল্লেখ কৰা ধৰণে শ্ৰেণীভুক্ত কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ধৰ্মীয় গীত বুলিলে কোনখিনি গীতৰ কথা বুজা যায়। উদাহৰণ দিয়ক।

.....

.....

- **গদ্যধৰ্মী লোককথা ঃ** মৌখিক সাহিত্যৰ দ্বিতীয় বিভাগটিয়েই হৈছে গদ্যধৰ্মী লোককথা। গদ্যৰূপত প্ৰচলিত পৰম্পৰাগত মৌখিক কাহিনীসমূহক গদ্যধৰ্মী লোককথা বোলে। বিষয়বস্তুৰ সংযুতি আৰু প্ৰসংগ অনুসৰি ইয়াক আকৌ তিনিটা উপবিভাগত ভগাব পাৰি—
  - পুৰাণকথা বা পুৰাকথা বা পুৰাবৃত্ত বা অতিকথা (Myth)
  - জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী (Legend)
  - সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহিনী (tale) আদি।
- *পুৰাণকথা, পুৰাকথা বা পুৰাবৃত্ত বা অতিকথা ঃ* অতি পুৰণি কালত উৎপত্তি হোৱা আৰু সত্য বুলি গণ্য কৰা পৰম্পৰাগত কাহিনীসমূহ এই শাখাৰ অন্তৰ্গত। কোনো জনগোষ্ঠীৰ সৃষ্টিতত্ত্ব আৰু অলৌকিক পৰম্পৰা, তেওঁলোকৰ উপাস্য দেৱ-দেৱীৰ কাহিনী, সাংস্কৃতিক লক্ষণ আদিয়েই ইয়াৰ প্ৰধান উপজীব্য। এইবোৰ মূলতঃ ধৰ্মীয় বিশ্বাসৰ ভেটিতে সৃষ্টি হয়। অসমীয়া বিভিন্ন জনগোষ্ঠীসমূহৰ মাজত প্ৰচলিত তেওঁলোকৰ দেৱ-দেৱীৰ জন্ম কাহিনী, যেনে— 'লক্ষ্মীদেৱীৰ জন্ম', 'মনসা বা পদ্মাৰ জন্ম', 'কুমাৰৰ জন্ম', মিচিংসকলৰ মাজত প্ৰচলিত 'দঃঞি-পঃলৰ কাহিনী' আদিয়েই এই শ্ৰেণীবিভাগৰ অন্তৰ্গত।
- *জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী ঃ* জনশ্ৰুতিগতভাৱে কোনো সমাজৰ ধৰ্মীয় প্ৰসংগত গেয় বা আবৃত্তি কৰা সাধু পুৰুষ, শ্বহীদৰ জীৱন বৃত্তৰ কাহিনীয়েই এই শ্ৰেণীত অন্তৰ্ভুক্ত। যেনে ৰাভাসকলৰ মাজত প্ৰচলিত 'দদান বীৰৰ কাহিনী', কাৰ্বিসকলৰ মাজত প্ৰচলিত 'ৰং ফাৰপি ৰংবে'ৰ কাহিনী আদি এনে গদ্যধৰ্মী লোককথাৰ প্ৰকৃষ্ট উদাহৰণ।

➢ *সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহিনী ঃ* Tale শব্দটিৰ পৰিভাষা হিচাপেই অসমত এই অভিধাকেইটা প্ৰয়োগ কৰা হয় যদিও প্ৰধানতঃ 'সাধুকথা' শব্দটিয়েই বহুলভাৱে প্ৰচলিত। সাধুকথাবোৰ কাল্পনিক যেন লাগিলেও ই মূলতঃ সমাজৰ বাস্তৱ অভিজ্ঞতাৰ আধাৰতে ৰচিত আৰু ইয়াৰ মাজতে সমাজ এখনৰ পৰিশ্ৰমৰ চিত্ৰ ৰক্ষিত হোৱাৰ লগতে লোকজীৱনৰ বিবিধ বিশ্বাস, কল্পনা, আদৰ্শ সঞ্চিত হৈ থাকে। বিষয়বস্তুৰ ভিন্নতা অনুসৰি সাধুকথাক বিভিন্ন উপবিভাগত বিভক্ত কৰা হয়। অসমীয়া লোকসাহিত্যও সাধুকথাৰ ক্ষেত্ৰত অতিকে চহকী। অসমীয়া জনসাহিত্যৰ অন্তৰ্ভুক্ত সাধুসমূহ এনেদৰে বিভাজিত কৰি আলোচনা কৰিব পাৰি। যথা—জন্তুকেন্দ্ৰীয় সাধুকথা (যেনে— শিয়াল/বান্দৰ, শহা/শিয়াল, শিয়াল/কাছ, বগলী/বাঘ, টুনী/ঢোঁৰা কাউৰী আদিক লৈ ৰচিত সাধু), যাদুমূলক বা বিস্ময়ৱহ বা ৰোমাণ্টিক বা অতিলৌকিক সাধুকথা (যেনে— পানচৈ, চম্পাৱতী, তেজীমলা, কমলা কুঁৱৰীৰ সাধু আদি), নৈদানিক সাধুকথা (যেনে— তামোল পানৰ জন্ম, পৰ্বত-পাহাৰৰ জন্ম, কপৌ-মইনা চৰাইৰ জন্ম সম্বন্ধে থকা সাধু), টেটকুঁটি (হাস্য-ব্যংগ প্ৰধান সাধু, যেনে— ফৰিং, সৰৱজান, কুকুৰীকণা জোঁৱাই, বামুণৰ লিটিকাই, বামুণৰ বহুৱা, সাত মুৰ্খ, মুৰ্খ জোঁৱাই, ব্ৰাহ্মণ ঠাকুৰৰ টেটকুঁটি আদি), টেটোন বা টেণ্টনৰ সাধুকথা (যেনে— টেটোন তামুলী, টেটোন, লটকন আদি), ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিতগঢ়ী সাধুকথা (যেনে— ভেকুলীৰ পিঠিত খহু কিয় হয়, মিচিংসকলৰ লিপি কেনেদৰে নোহোৱা হ'ল), সমস্যামূলক সাধু ইত্যাদি ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। ইয়াৰ উপৰি "অ' ফুল অ' ফুল নুফুল কিয় ?", "পৰুৱা আৰু ভেকোলা" আদিৰ দৰে গীত আৰু কথাৰে বৰ্ণনা কৰা দীঘলীয়া সাধুও অসমীয়া সমাজত বিদ্যমান। অসমীয়া সাধুকথাই সমাজ জীৱনৰ প্ৰতিফলক ৰূপে ভূমিকা পালন কৰাৰ লগতে নীতিশিক্ষাও প্ৰদান কৰি আহিছে। উল্লেখ্য যে পৃথিৱীৰ সকলো জাতিৰ সাহিত্যৰ বুৰঞ্জীত সাধুকথাৰ স্থান আৰু মূল্য বহু ওপৰত।



চিন্তা-চৰ্চা কৰক — ২.২

'অধিক জানিবলৈ'ত উল্লেখ থকা কিতাপ কেইখনৰ সহায়েৰে অসমত প্ৰচলিত বিবিধ সাধুসমূহৰ এখন তালিকা প্ৰস্তুত কৰি এই শাখাটিত উল্লেখ কৰা ধৰণে শ্ৰেণীভুক্ত কৰক।

● **প্ৰবচন, লোকোক্তি, যোজনা আৰু পটন্তৰ ঃ** মৌখিক সাহিত্যৰ উল্লেখযোগ্য উপাদান হ'ল প্ৰবচন-লোকোক্তি, যোজনা-পটন্তৰ। এইবোৰ হ'ল লোকসমাজৰ সূক্ষ্মতম অভিব্যক্তি। এইবোৰৰ লগত অসমীয়া জাতীয় জীৱনৰ সম্পৰ্ক অতি গভীৰ। ৰাজনীতি, সমাজনীতি, গৃহস্থালি, সমাজৰ আচাৰ-ব্যৱহাৰ আদিয়ে বাংময় ৰূপ লাভ কৰিছে এইবোৰৰ মাজেদি। উল্লেখযোগ্য যে এইবোৰক 'স্থিৰীকৃত বাক্ বৈশিষ্ট্য' (Fixed phrase genres) বুলিও

আখ্যা দিয়া হয়, কাৰণ এইবোৰৰ জমিন (Texture) এটা ভাষাৰ পৰা আন ভাষালৈ অনুবাদ কৰা অসম্ভৱ। ইয়াৰ লয়, অনুপ্রাসৰ ক্ষিপ্রতা, শ্বাসাঘাত, সুৰসংযোগ, সুৰ লহৰি, ধন্যাত্মকতা আদিৰ মাজতেই সোমাই আছে ইহঁতৰ জমিন। এইবোৰৰ অর্থ বুজিবলৈ হ'লে সামাজিক প্রসংগ বা অনুষঙ্গৰ বিষয়ে জানিব লাগিব।

প্রবাদ-প্রবচন বাক্যবোৰো 'দহৰ জ্ঞান একৰ বাণী'। এইবোৰৰ ৰচনাকাল সম্পর্কে বিশেষ একো জনা নাযায় যদিও তলৰ প্রবচনটো আহোম যুগৰ সৃষ্টি বুলি ঠাৱৰ কৰিব পাৰি—

ৰহাৰ ৰহদৈ তিপামৰ ভাদৈ
শৰগুৰিৰ আঘোনী বাই;
তিনিৰো ডিঙিত ধৰি তিনিও কান্দিলে
সমন্ধত একোটি নাই।

কিছুমান প্রবাদ বা প্রবচন একোটি কাহিনীক আশ্রয় কৰিও সৃষ্টি কৰা হয়। তদুপৰি, কিছুমানত ৰসিকতা আৰু উপদেশো থাকে। কোনো এটা কথা বুজাবৰ বাবে আন এটা কথাৰ লগত ৰিজনি দিয়াকে যোজনা বোলে। যোজনাক পটন্তৰো বোলা হয়। উদাহৰণ—

নদীৰ বন নাই খান্দে আৰু পোতে
বিষয়াৰ বন নাই ভাঙে আৰু পাতে।

প্রবচনবোৰ সংক্ষিপ্ত আৰু বুদ্ধিনিষ্ঠ পৰম্পৰাগত উক্তি। ইয়াৰ অন্যতম লক্ষ্য হ'ল বুদ্ধিপূর্ণভাৱে কোনো কথা বা উক্তি ব্যক্ত কৰা। এইবোৰত অতি কমেও এটা বর্ণনাত্মক সমল থকা উচিত। বর্ণনাত্মক সমল হ'ল বিষয়বস্তু আৰু মন্তব্যৰ সমষ্টি।

বর্ণনাত্মক সমল — উপৰে গো বধ, তলে ব্রাহ্মণ বধ।

এই প্রবচনটো দুটা অংশত বিভক্ত আৰু এটা অংশই পৰস্পৰ বিৰুদ্ধ ভাব প্রকাশ কৰিছে। যেনে— গো বধ/ব্রাহ্মণ বধ। এক কথাত ক'ব পাৰি প্রত্যেকটো প্রবচনতে বিৰুদ্ধ ভাব প্রকাশেৰে মূল কথাখিনি ব্যক্ত কৰা হয়। তদুপৰি প্রায় প্রত্যেকটো প্রবচনৰ লগতে একোটা কাহিনী জড়িত হৈ থাকে, কাৰণ এয়া শতিকাজোৰা অভিজ্ঞতাৰ সমষ্টি।

প্রবচনৰ এটি উল্লেখযোগ্য উপশ্রেণী হৈছে ফকৰা। প্রফুল্ল দত্ত গোস্বামীয়ে এই বিষয়ে কৈছে যে "যোজনা ব্যৱহাৰ কৰা হয় কথাৰ লাচত, প্রায়েই ঠাট্টাৰ সুৰত, সাধাৰণ বক্তব্যৰ মেৰ মাৰিবলৈ বা কিবা কথা ব্যাখ্যা কৰিবলৈ।" সাধাৰণতে বৈষ্ণৱ ভকতসকলৰ মাজত ফকৰাৰ আদৰ বেছি। সাধাৰণ ফকৰা বিলাকত স্থূলদেহৰ অসাৰতা, চিত্তদমন আদি নীতি লুকাই আছে। উদাহৰণস্বৰূপে—

নিজৰা জৰে, অমৰা মৰে, মৰাই বায় হাল।
লখিমীৰ টিকাত ছিৰা-কানি মোৰ নাম নিধনীয় ভাল।

— এনে ফকৰাবিলাকত বাহ্যিক অর্থৰ সলনি গূঢ়ার্থহে প্রকাশ পায়।

কাপোৰত জুই বান্ধি ঘৰে লই যায়।
হাত মেলি চন্দ্র ধৰে বাপৰ বেটা সেই।।

অর্থাৎ যিজনে জ্ঞানৰ দ্বাৰা চঞ্চল চিত্তক দমন কৰি আনন্দমনে থাকে সেইজনে মৃত্যুৰ পিছত মুক্তি লাভ কৰে। (কাপোৰ - জ্ঞান, জুই - মন, ঘৰ - যমপুৰ, চন্দ্রধৰে - আনন্দমনে থাকে, মুক্তি পায়)

লোকসমাজৰ দৈনন্দিন জীৱনৰ স্তৰে স্তৰে প্রয়োজন অনুসৰি যিবোৰ উক্তি মৌখিক পৰম্পৰাত ব্যৱহাৰ হৈ আহিছে সেইবোৰকে লোকোক্তি বোলা হয়। ৰিজনি, চানেকি আদি অর্থত প্রবচন-যোজনা আদি প্রয়োগ কৰা হয় বাবে ইয়াক পটন্তৰো বোলে। ঠিক সেইদৰে এইবোৰ মুখে মুখে প্রচলিত হৈ আহিছে বাবে লোকোক্তি (লোক + উক্তি) বোলা হয়। অসমীয়া লোকসমাজত এনে অসংখ্য উক্তি প্রচলিত হৈ আছে। উল্লেখযোগ্য যে লোকোক্তিক লোকমনৰ চিন্তা তথা বুদ্ধি-বৃত্তিৰ প্রকাশ বুলিব পাৰি। কেইটিমান অসমীয়া লোকোক্তি হ'ল—

ক) মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই।

খ) তিৰীৰ লেনিওৱা, বৰষুণৰ কণিওৱা
ঘৰ চাই নকৰে মূধচ, ইয়াকৈ নাই কুন্ধচ।

গ) সেই ৰামো নাই, অযোধ্যাও নাই

- **সাঁথৰ ঃ** প্রফুল্ল দত্ত গোস্বামীদেৱে মন্তব্য কৰিছে যে সাঁথৰসমূহো এক প্রকাৰৰ ফকৰা। ফকৰাৰ দৰে সাঁথৰৰ ভাষাও প্রহেলিকাময় যদিও সাঁথৰৰ অর্থ ঐহ্যিক বা সাধাৰণ। অসমীয়া ভাষাত 'দৃষ্টান্ত', 'দিষ্টান' আদি অভিধাও একে অর্থতে ব্যৱহাৰ কৰা দেখা যায়। সাঁথৰক এক অর্থত প্রহেলিকাময় কিছুমান প্রশ্ন তথা পৰম্পৰাগত বাচিক অভিব্যঞ্জন বুলি ক'ব পাৰি। ইয়াত পৰস্পৰ বিৰোধী বর্ণনাত্মক সমল এটা বা ততোধিক সন্নিৱিষ্ট থাকে। পণ্ডিতসকলে সাঁথৰৰ প্রশ্নৰ প্রকৃতি অনুসৰি কেইবাটাও উপবিভাগত বিভাজন কৰি আলোচনা কৰিছে। সেইবোৰৰ আধাৰতে অসমীয়া সাঁথৰসমূহক ভাগ কৰিব পাৰি। যথা— *বর্ণনাত্মক সাঁথৰ* (ইয়াত বর্ণনাৰ জড়িয়তে প্রশ্ন উত্থাপন কৰা হয়),যেনে— সত্যযুগত মূৰত টুপী/কৃষ্ণ অৱতাৰে মুহিলা গোপী/ৰাৱণ মৰিল ৰামৰ শৰত/সেইখন আঞ্জা আমাৰ হাতত/কোৱা চোন বস্তুটো নো কি ভাই? উত্তৰ — বাঁহৰ গাজ; *টেটকুঁটিমূলক প্রশ্ন*, যেনে— কি গড়ৰ খড়্গ নাই, উত্তৰ— ৰাজগড়; এঠেঙীয়া হাতী, ধান খায় পাচি পাচি, উত্তৰ— ঢেঁকী। *সমস্যা প্রধান সাঁথৰ* (য'ত সমস্যা এটা উত্থাপন কৰা হয়) যেনে— হাতুৰী বটালী বাইচখন/চোৰে নিলে তিনিখন/বাকী থাকিল কেইখন, উত্তৰ— শূন্য; শুভঙ্কৰীৰ ফাঁকি/চৌত্রিছৰ পৰা তিনি 'শ' গ'ল/থাকিল কিমান বাকী, উত্তৰ— ৩১; *ছল-সাঁথৰ* —দলে দলে ফুৰে দলপতি ৰাজা/হাৰো নাই হুৰাও নাই মঙহৰ লদা, উত্তৰ— জোক। উল্লেখ্য যে সাঁথৰত পাণ্ডিত্যতকৈ বুদ্ধিমত্তাৰ পৰিচয়হে বেছি পোৱা যায়।
- **লোকভাষা ঃ** মৌখিক সাহিত্যৰ আটাইতকৈ প্রণিধানযোগ্য উপাদান হৈছে লোকভাষা। লোকসমাজত প্রচলিত বাক্-ভংগীয়েই হ'ল লোকভাষা। "অঞ্চলভেদে, সমষ্টিগত জীৱনভেদে মানুহৰ কথ্যভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিশেষত্ব তথা পৃথকতা ফুটি উঠে। শব্দ সম্ভাৰতো এনে বিশিষ্ট পৰিচয়ৰ পৃথকতা ফুটি উঠে। লোকভাষাৰ এনে বিশিষ্টতাই

একো একোটা অঞ্চলৰ নাইবা একো একোটা সমষ্টিৰ লোকজীৱনৰ বাকভংগীৰ পৰিচয়েই কঢ়িয়াই নানে, সংশ্লিষ্ট লোকজীৱনৰ মানসিক বিশিষ্টতাৰ পৰিচয়ো কঢ়িয়াই আনে।" বহুসময়ত ধাৰণা হ'ব পাৰে যে লোকভাষা উপভাষাৰে এটি স্থানীয় ৰূপ। কিন্তু কথাটো শুদ্ধ নহয়। কাৰণ ই হ'ল সাধাৰণ মানুহৰ এটা স্বতঃস্ফূৰ্ত বচনভংগী সেয়ে ইয়াৰ কোনো ব্যাকৰণ নাই, আনহাতে উপভাষাই অলিখিতভাৱে হ'লেও ব্যাকৰণ অনুসৰণ কৰে। তদুপৰি লোকভাষাত ব্যৱহৃত শব্দই মূল ৰূপ তথা ভাবৰ পৰা আঁতৰি আহিও অর্থ প্রকাশ কৰে। মান্য বা উপভাষাত শিষ্ট বা সাধু বুলি বিবেচিত নোহোৱা শব্দও লোকভাষাত সাধাৰণ প্রকাশভংগী হিচাপে প্রকাশিত হয়। এই ক্ষেত্রত লোকভাষা সম্পর্কে বিৰিঞ্চি কুমাৰ বৰুৱাই কৰা মন্তব্যটিও উল্লেখযোগ্য—"এটা ভাষা সম্প্রদায়ৰ মাজত বিভিন্ন কথ্যভাষা প্রচলিত হ'ব পাৰে আৰু কথ্য ৰূপেই হ'ল লোকভাষা।" অসমীয়া সমাজত প্রচলিত প্রবচন, ফকৰা-যোজনা, খণ্ডবাক্য আদিৰ মাজত লোকভাষাৰ ৰূপ পৰিদৃষ্ট হয়। লোকভাষাৰ ক্ষেত্রত বৃত্তিগত বিশিষ্টতা, নৃতাত্ত্বিক বিশিষ্টতা, আঞ্চলিক বিশিষ্টতা তথা প্রকৃতিনির্ভৰ বিশিষ্টতাও বিদ্যমান। উদাহৰণস্বৰূপে— "জ্বৰ অলপমান সৰহ হৈছেনে" বাক্যটি বিবেচনা কৰিব পাৰি। ইয়াত ব্যৱহৃত "সৰহ" শব্দটি সাধাৰণতে মান্যভাষাত ব্যৱহৃত হয় অনেক, অধিক, বিস্তৰ আদি অর্থত। কিন্তু দৰং আৰু হাজো অঞ্চলত কোনো কোনো ভাষা গোষ্ঠীমতে ইয়াৰ অর্থ কম, নিৰাময় আদি। এই বাক্যটিয়ে মান্যভাষাত একো অর্থ প্রকাশ নকৰিলেও লোকভাষাত সঠিক অর্থই প্রকাশ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ গদ্যধর্মী লোককথা মানে কি? ইয়াৰ প্রধান ভাগ কেইটা আৰু কি কি?

.....

.....

প্রশ্ন নং ৬ ঃ লোকভাষা মানে কি?

.....

- **মন্ত্র সাহিত্য ঃ** মন্ত্র লোকসংস্কৃতি আৰু মৌখিক সাহিত্যৰ আন এক অবিচ্ছেদ্য অংগ। পূর্বৰে পৰা অসম দেশ যাদু-মন্ত্রৰ বাবে বিখ্যাত আৰু যাদু-মন্ত্রৰ ৰাজ্য বুলিয়েই চিহ্নিত। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে অসমীয়া লোকসমাজৰ লগত মন্ত্র কেনেদৰে সম্পর্কিত হৈ আছে। অসমীয়া লোকসমাজত মন্ত্রৰ প্রভাৱ অপৰিসীম। এইবোৰৰ ৰচনাকাল সম্পর্কে সঠিককৈ ক'ব নোৱাৰি। পণ্ডিতসকলে ইয়াৰ ৰচনাকাল খ্রীষ্টীয় দশম শতিকাৰ পৰা পঞ্চদশ শতিকাৰ ভিতৰত বুলি ঠাৱৰ কৰিছে। ব্রাহ্মণ-অব্রাহ্মণ, গৰীয়া-মৰিয়া আদি সকলো সম্প্রদায়ৰ লোকে প্রয়োগ কৰা মন্ত্রসমূহ প্রথমতে বিশেষ মানুহৰ মুখে মুখে ৰচিত আৰু প্রচলিত হৈ আহি

পৰৱৰ্তী সময়ত লিখিত ৰূপ পৰিগ্ৰহ কৰে। সাধাৰণতে মন্ত্ৰসমূহ দেৱতা-অপদেৱতা, ভূত-প্ৰেত, যখ-যখিনী, খেতৰ-ডাইনী আদিৰ কু-প্ৰভাৱৰ ফলত হোৱা বেমাৰ-আজাৰ, ধন নাশ, শত্ৰুবৃদ্ধি আদি দূৰ কৰাৰ উদ্দেশ্যে প্ৰয়োগ কৰা হয়।

এই মন্ত্ৰবোৰত অসমীয়া সমাজৰ বিবিধ লোকবিশ্বাস, আচাৰ-ব্যৱহাৰ, ধৰ্ম-নীতি আদিৰ বিষয়েও ভালেমান কথা সোমাই আছে। তদুপৰি *ৰামায়ণ, মহাভাৰত* আৰু পু�ৰাণৰ কাহিনীও নানা ৰূপত সন্নিৱিষ্ট হৈছে, আনহাতে কিছুমান মন্ত্ৰত সৃষ্টিতত্ত্বৰ আভাস আছে। সিদ্ধিৰ কাৰণে মন্ত্ৰত গুৰু আৰু কামাখ্যা গোঁসানীক চিন্তা কৰা হয় — "সিদ্ধ গুৰুৰ পাৱ, ৰক্ষা কৰা কামৰূপ কামাখ্যা মাৱ।" মানুহৰ ৰোগৰ কাৰণ আৰু তাৰ প্ৰতিকাৰৰ উপায়ো মন্ত্ৰপুথিত পোৱা যায়। ফু-মৰা, পানী-ছটিওৱা, বিহলঙনি বা এড়া গছৰ পাতেৰে ৰোগী জৰা আদি প্ৰকাৰ্যও কিছুমান মন্ত্ৰত সধা হয়। কথিত ভাষাৰ প্ৰভাৱপুষ্ট মন্ত্ৰবোৰ গদ্য আৰু পদ্যত ৰচিত হ'লেও পদ্যত ৰচিত মন্ত্ৰৰ সংখ্যাই সৰহ। কিছুমান মন্ত্ৰত— "ওঁ, হ্ৰীং, উৎ,আৎ,লৎ, ফট্, স্বাহা" আদি ধ্বনি উচ্চাৰণ কৰি মন্ত্ৰৰ গাম্ভীৰ্য বঢ়োৱা হৈছে। অগ্নিবাণ, ব্ৰহ্ম-কৰতি, পানী-কৰতি, ৰাম-কৰতি, গু-কৰতি, পক্ষীৰাজ-মন্ত্ৰ, সুদৰ্শন-মন্ত্ৰ, সৰ্বঢাক-মন্ত্ৰ, বীৰাজৰা-মন্ত্ৰ, ধৰণী-মন্ত্ৰ, পুষ্পজৰা-মন্ত্ৰ,মোহিনী-মন্ত্ৰ আদি অসংখ্য মন্ত্ৰ অসমীয়া ভাষাত আছে। এই মন্ত্ৰসমূহ ঘাইকৈ অথৰ্ব-বেদ,বৌদ্ধ আৰু হিন্দু ধৰ্মৰ তন্ত্ৰ-শাস্ত্ৰ আৰু জনজাতিসমূহৰ বিশ্বাসৰ সংমিশ্ৰণত সৃষ্টি হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ অসমীয়া মন্ত্ৰ সাহিত্য সম্পৰ্কে এটি টোকা লিখক। (৫০ টা শব্দৰ ভিতৰত লিখক।)

.....

.....

.....

.....

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মৌখিক সাহিত্য বুলিলে সাধাৰণতে পৰম্পৰাগতভাৱে জনসমাজৰ মুখে মুখে চলি অহা কাহিনী, আখ্যান, বেলাড, গীত, যোজনা, পটন্তৰ, নাটকীয় কাহিনী আদিৰ সমাহাৰকে বুজা যায়। মৌখিক সাহিত্যক 'বাচিক কলা', 'লোকসাহিত্য', 'অলিখিত সাহিত্য', 'চহা সাহিত্য',

'লৌকিক সাহিত্য' আদি বিভিন্ন অভিধাৰে অভিহিত কৰা হয়।

- ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, জমিন, পাঠ, প্ৰসংগ বা অনুষঙ্গ, প্ৰকাৰ্য, প্ৰয়োগ, ৰূপক, অৰ্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে লোকসাহিত্যক শ্ৰেণী বিভাজন কৰি বিচাৰ বিশ্লেষণ কৰিব পাৰি। ইয়াৰে ভিতৰত 'তাত্ত্বিকগত শ্ৰেণীবিভাজন'ৰ আৰ্হি অনুসৰি অসমীয়া মৌখিক সাহিত্যৰ পাঠ — (১) লোককবিতা বা লোকগীত (২) গদ্যধৰ্মী লোককথা (৩) প্ৰবচন-লোকোক্তি-যোজনা আৰু পটন্তৰ (৪) সাঁথৰ, দৃষ্টান্ত (৫) লোকভাষা, আদি ভাগত ভাগ কৰি এই অধ্যায়টিত বহলাই আলোচনা কৰা হ'ল।
- মন্ত্ৰ সাহিত্য সম্পৰ্কেও বিস্তৃতভাৱে এই অধ্যায়টিত বিশ্লেষণ কৰা হ'ল।



১০.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ

১) কটকী, প্ৰফুল্ল (২০০৫); *সাহিত্য সংজ্ঞা কোষ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশ।

২) কাকতি, বাণীকান্ত (১৯৫৮); *পুৰণি অসমীয়া সাহিত্য*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩) গোস্বামী, প্ৰফুল্লদত্ত (১৯৯৪); *অসমীয়া জন-সাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৪) গোস্বামী, হেমচন্দ্ৰ (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকি*; কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

৫) নেওগ, ডিম্বেশ্বৰ (১৯৫৮); *অসমীয়া সাহিত্যৰ বুৰঞ্জী*; যোৰহাট।

৬) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) শৰ্মা, নবীন চন্দ্ৰ (২০০৯); *অসমীয়া লোক-সংস্কৃতিৰ আভাস*; গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৮) শৰ্মা, নবীন চন্দ্ৰ (২০০৯); *ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা*; গুৱাহাটী ঃ বনলতা।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১০) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্ৰন্থ

১১) Baruah, B. K.(1978). *History of Assamese Literature*. New Delhi: Sahitya Akademi.

১২) Baruah, H. (1965). *Assamese Literature*. New Delhi: NBT.

১৩) Bhuyan, S. K. (1956). *Studies in the Literature of Assam*. Guwahati: Lawyers Books Stall.

১৪) Dutta, B (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

১৫) Kakati, B. (1962). *Assamese : Its Formation and Development*; Guwahati: Lawyers Books Stall.

১৬) Kakati, B. (ed.) (1959). *Aspects of Early Assamese Literature*. Guwahati: Gauhati University.



১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰূপ, বিষয়বস্তু, শৈলী, সংযুতি, জমিন, পাঠ, প্ৰসংগ বা অনুষঙ্গ, প্ৰকাৰ্য, প্ৰয়োগ, ৰূপক, অৰ্থ আদি বিভিন্ন দিশেৰে আৰু স্তৰেৰে মৌখিক সাহিত্যক শ্ৰেণী বিভাজন কৰি বিচাৰ বিশ্লেষণ কৰিব পাৰি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ইংৰাজী 'বেলাড' শব্দটোৰ সমাৰ্থক অৰ্থত অসমীয়া 'মালিতা' শব্দটো ব্যৱহাৰ কৰা হৈছে। বেলাড বা মালিতা নৃত্যৰ পৰিপূৰকভাৱে সুৰ লগাই গোৱা হয় আৰু তাৰ মাজেৰে একোটা কাহিনী বৰ্ণনা কৰা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যংগাত্মক মালিতাৰ অন্তৰ্ভুক্ত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো ধৰ্মীয় প্ৰসংগ, দেৱ-দেৱীৰ উৎপত্তি বা দেৱ-দেৱীৰ পূজা-উপাসনাৰ প্ৰসংগত গোৱা গীতসমূহেই ধৰ্মীয় গীত। ধৰ্মীয় পৰাকাষ্ঠা এই শ্ৰেণী গীতৰ উল্লেখযোগ্য বৈশিষ্ট্য। যেনে— আইনাম, সদাশিৱৰ নাম, জগন্নাথ পূজাৰ নাম আদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গদ্যৰূপত প্ৰচলিত পৰম্পৰাগত মৌখিক কাহিনীসমূহক গদ্যধৰ্মী লোককথা বোলে। বিষয়বস্তুৰ সংযুতি আৰু প্ৰসংগ অনুসৰি ইয়াক আকৌ তিনিটা উপবিভাগত ভগাব পাৰি — পুৰাণকথা বা পুৰাকথা বা পুৰাবৃত্ত বা অতিকথা (Myth), জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী (Legend), সাধুকথা, সাধু, সাজোকথা, উপকথা, উককথা, কিচ্ছা, কাহিনী (tale) আদি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ এটা ভাষা সম্প্ৰদায়ৰ মাজত বিভিন্ন কথ্যভাষা প্ৰচলিত হ'ব পাৰে আৰু কথ্য ৰূপেই হ'ল লোকভাষা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকসমাজত মন্ত্ৰৰ প্ৰভাৱ অপৰিসীম। এইবোৰৰ ৰচনাকাল সম্পৰ্কে সঠিককৈ ক'ব নোৱাৰি। পণ্ডিতসকলে ইয়াৰ ৰচনাকাল খ্ৰীষ্টীয় দশম শতিকাৰ পৰা

পঞ্চদশ শতিকাৰ ভিতৰত বুলি ঠাৱৰ কৰিছে। ব্ৰাহ্মণ-অব্ৰাহ্মণ, গৰীয়া-মৰিয়া অদি সকলো সম্প্ৰদায়ৰ লোকে প্ৰয়োগ কৰা মন্ত্ৰসমূহ প্ৰথমতে বিশেষ মানুহৰ মুখে মুখে ৰচিত আৰু প্ৰচলিত হৈ আহি পৰৱৰ্তী সময়ত লিখিত ৰূপ পৰিগ্ৰহ কৰে। সাধাৰণতে মন্ত্ৰসমূহ দেৱতা-অপদেৱতা, ভূত-প্ৰেত, যখ-যখিনী, খেতৰ-ডাইনী আদিৰ কু-প্ৰভাৱৰ ফলত হোৱা বেমাৰ-আজাৰ, ধন নাশ, শত্ৰুবৃদ্ধি আদি দূৰ কৰাৰ উদ্দেশ্যে প্ৰয়োগ কৰা হয়।



১০.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) মৌখিক সাহিত্য মানে কি বুজে?

(খ) অসমীয়া মৌখিক সাহিত্যৰ শ্ৰেণী বিভাজন কৰক।

(গ) মৌখিক সাহিত্যৰ প্ৰকাৰ্যাত্মক শ্ৰেণীবিভাজন মানে কি?

(ঘ) বাৰমাহীৰ গীতবোৰত কি বিষয়বস্তু উপস্থাপন কৰা হয়?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক —

(ক) অসমীয়া মালিতা (খ) অসমীয়া সাধুকথা

(গ) মন্ত্ৰ-সাহিত্য (ঘ) লোকভাষা

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মৌখিক সাহিত্যক কেনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি সেই বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মালিতা কাক বোলে? মালিতাক কেনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি? অসমীয়া মালিতাৰ আধাৰত সেই বিষয়ে এটি নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া মৌখিক সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ১১ ঃ সামাজিক লোকাচাৰ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ সামাজিক লোকাচাৰ
১১.৩.১ লোকবিশ্বাস আৰু লোকধর্ম
১১.৩.২ লোক উৎসৱ-অনুষ্ঠান
১১.৩.৩ অৱসৰ-বিনোদন আৰু খেল-ধেমালি
১১.৩.৪ লোকঔষধ আৰু লোকচিকিৎসা
১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৫ অধিক জানিবলৈ
১১.৬ অগ্রগতিৰ খতিয়ান
১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক লোকাচাৰ মানে কি সেই বিষয়ে ধাৰণা লাভ কৰিব
- অসমৰ লোকবিশ্বাস আৰু লোকধর্ম সম্পর্কে আভাস লাভ কৰিব
- অসমৰ লোক উৎসৱ-অনুষ্ঠানসমূহৰ বিষয়ে জ্ঞাত হ'ব
- অসমীয়া জন সমাজত প্রচলিত বিবিধ অৱসৰ-বিনোদন আৰু খেল-ধেমালিৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমৰ লোকঔষধ আৰু লোকচিকিৎসা প্রণালীৰ বিষয়ে ধাৰণা লাভ কৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি মৌখিক সাহিত্য সম্পর্কে অধ্যয়ন কৰিলে। মৌখিক সাহিত্য মানে কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰি অসমৰ লোকসমাজত প্রচলিত বিবিধ মৌখিক সমলৰাজিৰ বিষয়ে এক বিস্তৃত ধাৰণা লাভ কৰিলে। এইটো অধ্যায়ত আপুনি সামাজিক লোকাচাৰ সম্পর্কে সম্যক জ্ঞান আহৰণ কৰি অসমীয়া সামাজিক লোকাচাৰৰ বিষয়ে অধ্যয়ন কৰিব।

লোকসংস্কৃতিৰ চাৰিটা প্রধান ভাগৰ ভিতৰত এটা উল্লেখযোগ্য বিভাগ হ'ল সামাজিক লোকপ্রথা বা লোকাচাৰ। সামাজিক লোকাচাৰ বুলি ক'লে পৰিয়াল বা সমাজৰ বিভিন্ন ধর্মীয়

তথা সংস্কাৰমূলক কৃত্য, পূজা-উপাসনা, খেল-ধেমালি আৰু পৰম্পৰাগত বিশ্বাস অনুসৰি ৰোগ-ব্যাধিৰ নিৰাময় বাবে কৰা চিকিৎসাৰ কথাকেই আমি বুজোঁ। এই বিষয়ে আপুনি এইখন পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়তে সম্যক ধাৰণা লাভ কৰি আহিছে। এতিয়া আমি এই বিষয়ে বিস্তৃতভাৱে অধ্যয়ন কৰিম। এই অধ্যায়টিয়ে আপোনাক অসমীয়া লোকজীৱন সম্পৰ্কে এক সঠিক ধাৰণা প্ৰদান কৰিব বুলিও আশা কৰোঁ।

১১.৩ সামাজিক লোকাচাৰ

লোকসংস্কৃতিৰ ক্ষেত্ৰখনত সামাজিক লোকাচাৰে এক তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। প্ৰধানতঃ ভৌতিক সংস্কৃতি তথা মৌখিক সাহিত্যৰ মধ্যভাগত বিৰাজ কৰা পৰম্পৰাগত জীৱনে ব্যক্তিগত অন্যোন্যক্ৰিয়াতকৈ সমাজগত অন্যোন্যক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। লোকজীৱন মুখ্যতঃ লোকবিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত। এই লোকবিশ্বাসৰ খেও ধৰিয়েই সৃষ্টি হৈছে লোকধৰ্ম আৰু বিভিন্ন আচাৰ-অনুষ্ঠান। পৰিণতিত সৃষ্টি হয় সামাজিক লোকপ্ৰথা বা লোকাচাৰ। খেলা-ধূলা, অৱসৰ-বিনোদন, লোকঔষধো এই পৰম্পৰাৰ ভিতৰুৱা।

অসমৰ সৰহভাগ মানুহেই কৃষিজীৱী আৰু গাঁও অঞ্চলত বসবাস কৰে। কৃষিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা জনসমাজত প্ৰচলিত সামাজিক আচাৰ-অনুষ্ঠানসমূহত শাস্ত্ৰীয় উপাদান দুই এক থাকিলেও এইবোৰ মূলতঃ লোকসমাজ আশ্ৰয়ী। আনহাতে অসমীয়া সামাজিক আচাৰ-অনুষ্ঠানসমূহত বিভিন্ন জাতি-উপজাতি-সংস্কৃতিৰ অবিচ্ছেদ্যতা লক্ষ্য কৰা যায়। সেই বাবেই লোকসংস্কৃতিবিদসকলে অসমৰ সামাজিক আচাৰ-অনুষ্ঠানক 'লোকায়ত আচাৰ-অনুষ্ঠান' বুলি অভিহিত কৰে। অসমৰ সামাজিক লোকাচাৰো প্ৰায়ে লোকবিশ্বাস নিৰ্ভৰশীল আৰু এইবোৰত শাৰীৰিক কাৰ্য আৰু ভৌতিক পদাৰ্থৰ স্থিতি লক্ষ্য কৰা যায়। সামাজিক লোকাচাৰসমূহৰ কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ সুনিৰ্দিষ্ট আৰু কিছুমান স্থানীয়। যিবিলাক আচাৰ-অনুষ্ঠান আৰু ৰীতি-নীতি যাদুমূলক তথা ধৰ্মীয় ভাবাপন্ন তেনে বিলাকক সাধাৰণতে ক্ৰিয়া-কাণ্ড বা আচাৰ-পদ্ধতি বুলিব পাৰি। ই ব্যক্তিগত আৰু ৰাজহুৱা দুই ধৰণৰে হ'ব পাৰে। ৰাজহুৱা আচাৰ-পদ্ধতিত আন আন সামাজিক আচৰণ সংযুক্ত হৈ অন্য এবিধ সামাজিক লোকাচাৰৰ জন্ম হৈছে। ইয়াক উৎসৱ-অনুষ্ঠান আখ্যা দিয়া হয়। এই বিধ উৎসৱ-অনুষ্ঠানে পৰম্পৰাগত খেল-ধেমালি, গীত-নৃত্য-বাদ্য-অভিনয় আদিত বিশিষ্ট অনুষংগ ৰূপে ভূমিকা গ্ৰহণ কৰিব পাৰে। ঠিক তেনেদৰে পূজা-উপাসনা আদিয়ে লোকঔষধ বা লোকচিকিৎসাৰ ভূমিকাও গ্ৰহণ কৰা দেখা যায়।

সামাজিক লোকাচাৰক ৰিচার্ড এম. ডৰচনে পুনৰ চাৰিটা উপবিভাগত বিভক্ত কৰি আলোচনা কৰিছে। সেই বিভাগকেইটা হ'ল—

- লোকবিশ্বাস আৰু লোকধৰ্ম
- লোক উৎসৱ-অনুষ্ঠান
- অৱসৰ-বিনোদন আৰু খেল-ধেমালি

- লোকঔষধ আৰু লোকচিকিৎসা

অসমৰ সামাজিক লোকাচাৰসমূহো এই বিভাজনৰ আধাৰতে আলোচনা কৰিব পাৰি। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ লোকসংস্কৃতিবিদসকলে অসমৰ সামাজিক আচাৰ-অনুষ্ঠানক কি বুলি অভিহিত কৰিছে?

.....

১১.৩.১ লোকবিশ্বাস আৰু লোকধর্ম

লোকবিশ্বাসৰ আধাৰতেই যিকোনো এখন জন-সমাজৰ বিবিধ আচাৰ-অনুষ্ঠান, ধর্মীয় কৃত্য আৰু লোকধর্মৰ উমান পাব পাৰি। অর্থাৎ লোকবিশ্বাসৰ আধাৰতেই এইবোৰ গঢ় লৈ উঠে। কিহৰ বাবে লোকবিশ্বাসৰ জন্ম হয় সেয়া ব্যাখ্যা কৰাতো বৰ জটিল। লোকমন সাধাৰণতে সহজ-সৰল আৰু অনাৰম্বৰ। তেওঁলোকৰ ওচৰত লোকবিশ্বাসৰ গুৰুত্ব অতিকে গভীৰ। বহু সমাজতত্ত্ববিদে ইয়াৰ উৎস 'অযৌক্তিক প্রত্যয়' বুলিও মন্তব্য কৰিছে। সেয়ে তর্কৰ সহায়ত সমাধান কৰিব নোৱৰা জাগতিক বিষয়সমূহৰ আধাৰতেই লোকবিশ্বাসৰ সৃষ্টি হয় বুলি ক'ব পাৰি। আনহাতে লোকবিশ্বাসৰ মাজতে সোমাই আছে অন্ধবিশ্বাসো। অন্ধবিশ্বাস বুলি ক'লে আমি সেইবিলাক বিশ্বাসৰ কথাকেই বুজিম যিবোৰ যুক্তিৰে বিশ্লেষণ কৰিব নোৱাৰি। কিছুমান লোকবিশ্বাসৰ ক্ষেত্রত যুক্তি নির্ভৰশীলতা থাকে যদিও অন্ধবিশ্বাসত সেয়া কেতিয়াও নাথাকে। সেয়ে কোৱা হয় অন্ধবিশ্বাস মূলতঃ লোকবিশ্বাস, আচাৰ-অনুষ্ঠান আৰু ক্রিয়া-কাণ্ডৰ সমষ্টি মাথোন।

সাধাৰণতে যিবোৰ বিষয়ৰ কার্য-কাৰণ যুক্তিনিষ্ঠভাৱে অধ্যয়ন কৰিব পাৰি তাতেই বিজ্ঞানৰ স্থিতি লক্ষ্য কৰা যায়। কিন্তু বিজ্ঞান বিফল হ'লেই তাত অন্ধবিশ্বাস, যাদু আৰু ধর্মই প্রাধান্য লাভ কৰে। সেই বাবে ক'ব পাৰি লোকবিশ্বাস বা অন্ধবিশ্বাসৰ সৈতে ধর্ম আৰু ধর্মীয় কৃত্যৰ সম্পর্কও ৰক্ষিত হৈছে।



জানি থোৱা ভাল

লোকবিশ্বাস আৰু অন্ধবিশ্বাসৰ মাজত সাধাৰণ পার্থক্যও আছে। লোকবিশ্বাসত আনক অপকাৰ কৰাৰ প্রৱণতা নাথাকে কিন্তু অন্ধবিশ্বাসত সেয়া বিৰাজমান। অনেক ক্ষেত্রত নিষিদ্ধ কথা বা কামে (taboo) অন্ধবিশ্বাসৰ সৃষ্টি কৰে। অন্ধবিশ্বাস যুক্তিহীন বিশ্বাস বা অর্দ্ধবিশ্বাস বা আচৰণ। সাধাৰণতে অজ্ঞান, তিমিৰাচ্ছন্ন সমাজতহে অন্ধবিশ্বাসে প্রাধান্য লাভ কৰে যদিও অভিজাত সমাজতো ইয়াৰ প্রচলন আছে।

উল্লেখযোগ্য যে প্ৰায়বিলাক অন্ধবিশ্বাসতে একোটা চৰ্ত বা উপকৰণ (যদি, যেনে, যেতিয়া আদি) যুক্ত হৈ থাকে। উদাহৰণস্বৰূপে — যেতিয়া বাঁহ ফুলে তেতিয়া দেশত দুৰ্ভিক্ষ হয়; ঘৰৰ চালত যদি শগুণ পৰে তেন্তে অপকাৰ হয়, ঘৰৰ কাৰোবাৰ মৃত্যু হয় ইত্যাদি।

বিভিন্ন লোকসংস্কৃতিবিদে লোকবিশ্বাসসমূহৰ পুনৰ কেইবাটাও সৰু সৰু বিভাগত বিভক্ত কৰি আলোচনা কৰিছে। তথাপিও গঠনপ্ৰণালীৰ দিশেৰে তিনিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি।

- সংকেত লোকবিশ্বাস
- যাদু লোকবিশ্বাস
- পৰিৱৰ্তিত লোকবিশ্বাস

- *সংকেত লোকবিশ্বাস ঃ* এক চৰ্ত আৰু পৰিণতিৰ সংমিশ্ৰণত সৃষ্টি হয় সংকেত লোকবিশ্বাস। ই মূলতঃ ভৱিষ্যৎবাণীৰ প্ৰকাৰ্য সাধন কৰে। যেনে— পৰুৱাই লানি ল'লে বৰষুণ হয়, উঁইপৰুৱা ওলালে খৰ হয়।
- *যাদু লোকবিশ্বাস ঃ* যাদু লোকবিশ্বাসসমূহ প্ৰায়ে যুক্তিবিহীন আৰু ইয়াত মানুহে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। অৰ্থাৎ মানৰ কাৰ্যাৱলী অভিপ্ৰায়যুক্ত। অসমীয়া লোকসমাজত প্ৰচলন থকা যাদু লোকবিশ্বাসৰ উদাহৰণ হ'ল 'হাইদাং পূজা' আৰু 'হুদুম পুজা'। এই দুবিধ পূজা কৰিলে বৰষুণ হয় বুলি বিশ্বাস কৰা হয়।
- *পৰিৱৰ্তিত লোকবিশ্বাস ঃ* ইয়াত সংকেত আৰু যাদু উভয় শ্ৰেণীৰ লোকবিশ্বাসৰ সমল নিহিত হৈ থাকে আৰু সৎকেত লোকবিশ্বাসক যাদু লোকবিশ্বাসলৈ পৰিৱৰ্তন কৰিব পাৰি। এনে লোকবিশ্বাসকে পৰিৱৰ্তিত লোকবিশ্বাস বোলে। যেনে— ভাদ মাহৰ বাদে বেলেগ মাহত কল গছ ৰোপণ কৰিলেহে সফলতা লভিব পাৰি, বাটত হাতী দেখা পালে আশা-আকাংক্ষা ফলৱতী হয় ইত্যাদি।

গঠনপ্ৰণালীৰ দিশৰ পৰা উল্লিখিত তিনি ধৰণে যিদৰে অসমীয়া লোকবিশ্বাসক ভাগ কৰিব পাৰি, ঠিক তেনেদৰে বিষয়বস্তুৰ ফালৰ পৰাও অসমীয়া লোকবিশ্বাসক বিভিন্ন ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি। সেইবোৰ হ'ল— (ক) ধৰ্মীয় লোকবিশ্বাস, যেনে— মহামাৰী বা সংক্ৰামক ব্যাধিৰ সময়ত মনসা দেৱী বা মাৰৈ পূজা কৰা, বাথৌ পূজা কৰা আদি; (খ) জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস, যেনে— কৃষিকাৰ্যত ব্যৱহাৰ কৰা গৰু বা মতা ম'হে যাতে বন শিকাওতে একে অসুবিধা নকৰে তাৰ বাবে কল, মাহ, চাউল আৰু ভাঙেৰে বুঢ়াগোসাঁইক পূজা কৰা হয়, দিনত শিয়ালে ৰাউচি জুৰিলে অমংগল হ'ব বুলি ভবা ইত্যাদি; (গ) চৰাই-চিৰিকতি বিষয়ক লোকবিশ্বাস, যেনে— এযোৰ শালিকা চৰাই দেখিলে দিনটো ভাল হ'ব বুলি ভবা, কাউৰীয়ে ৰমলিয়ালে ঘৰলৈ আলহী আহিব বুলি বিশ্বাস কৰা আদি; (ঘ) গছ-গছনি, লতা-লতিকা, ফুল-ফল কেন্দ্ৰিক লোকবিশ্বাস, যেনে— ভূতপ্ৰেত খেদিবলৈ সৰিয়হ, আদা বা হালধি ব্যৱহাৰ কৰা,

তামোলেৰে মোহনী মৰা আদি; (ঙ) অলৌকিক লোকবিশ্বাস, যেনে— লোহা আৰু জুই থাকিলে ভূতে নধৰে, শুকান জলকীয়া পুৰিলে ভূত পলায়, ইত্যাদি; (চ) মাহ-বাৰ-তিথি-দিশ সম্বন্ধীয় লোকবিশ্বাস, যেনে— মল মাহত বিয়া পতা নহয়, শাওণ মাহত পাণ ৰুব লাগে, ইত্যাদি; (ছ) মানৱ শৰীৰ আৰু আচৰণ সম্পৰ্কীয় লোকবিশ্বাস, যেনে— নাক জোঙা জন বুদ্ধিমান, সাপ নেজীয়া চুলিৰ নাৰী কুলক্ষণা ইত্যাদি; (জ) যাত্রা সম্পৰ্কীয় লোকবিশ্বাস, যেনে— যাত্রাকালত শূন্য বা খালি কলহ, নাও, তেলী আদি দেখা অশুভজনক; (ঝ) খাদ্য সম্পৰ্কীয় লোকবিশ্বাস, যেনে— ৰাতি তিতা খোৱা নিষেধ, নতুন আলহীক প্রথম সাজ ভাতত টেঙা দিব নালাগে আদি; (ঞ) জন্ম সম্পৰ্কীয় লোকবিশ্বাস, যেনে — প্রসূতিৰ ওচৰত তুঁহ জুই ৰখা, কচুথোৰৰ জালুকৰ জাল দি খুওৱা আদি; (ট) বিবাহ সম্পৰ্কীয় লোকবিশ্বাস, যেনে— দৈয়ন দিয়া, পুষ্পিতা হ'লে চাৰি বা সাতদিনত তোলনী বিয়া পতা, কইনাৰ বেইৰ তলত কণী পোতা আদি; (ঠ) মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস, যেনে— মানুহ ঢুকালে যচা আগবঢ়োৱা, মৃতকৰ শ্রাদ্ধ নোযোৱালৈকে একবস্ত্রে থকা ইত্যাদি। এইবোৰৰ উপৰি আন বহুতো লোকবিশ্বাস অসমীয়া সমাজত প্রচলন হৈ আহিছে। সেইবোৰক বিবিধ বিষয়ক লোকবিশ্বাস নামৰ ভাগটিত অন্তর্ভুক্ত কৰা হৈছে। অসমীয়া লোকবিশ্বাসৰ পথাৰখন ইমানে ব্যাপক যে সেয়া সকলোখিনি লিখিবলৈ হ'লে বহু দীঘলীয়া হ'ব। সেয়ে ইয়াত আপোনাৰ বাবে অসমীয়া সমাজত প্রচলিত লোকবিশ্বাসৰ কিছু অংশৰ চানেকিহে দাঙি ধৰা হৈছে।



চিন্তা-চর্চা কৰক — ১১.১

আপোনাৰ অঞ্চলত প্রচলিত বিবিধ লোকবিশ্বাসসমূহ লিপিবদ্ধ কৰি উল্লিখিত শ্রেণীসমূহত ভাগ কৰিবলৈ যত্ন কৰক।

জনসমাজত প্রচলিত বিভিন্ন লোকবিশ্বাসৰ আধাৰতে লোকধর্মৰ সৃষ্টি হৈছে। লোকধর্ম মানে আমি লোকসমাজত প্রচলিত ধর্মৰ কথাকেই বুজো। জুই, পানী আৰু বতাহ—এই তিনিটা প্রধান প্রাকৃতিক উপাদান নোহোৱাকৈ মানুহ চলিব নোৱাৰে; কিন্তু এই তিনিওটাই কেতিয়াবা প্রলংয়কাৰী ৰূপ ধাৰণ কৰে। এই তিনিওটা উপাদানক সন্তুষ্ট কৰিবলৈ সততে যত্নপৰ মানুহে ক'ব নোৱৰাকৈয়ে তিনিওটাকে দেৱতা স্বৰূপে জ্ঞান কৰি স্তুতি কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ ফলতেই সৃষ্টি হয় লোকধর্মৰ। অসমতো প্রাচীন কালৰেপৰা বিভিন্ন উপাসনা পদ্ধতি প্রচলন হৈ আহিছে। অসমৰ প্রাকৃতিক পৰিৱেশ বাৰে-বৰণীয়া তথা ৰহস্যময়ী। প্রকৃতিয়ে সৃষ্টি কৰা অপায়-অমংগলৰ ভেটিত মনে জন্ম দিয়া বিশ্বাসৰ পৰম্পৰাতে অসমৰ লোকধর্মৰ সৃষ্টি। আমি আগতেই উল্লেখ কৰিছো যে অসমত জাতি-উপজাতিৰ সংমিশ্রিত সাংস্কৃতিক কাঠামো দেখিবলৈ পোৱা যায়। *যোগিনীতন্ত্রত* উল্লেখ থকা 'কৈৰাতজ ধর্ম' ই ইয়াৰ প্রকৃষ্ট উদাহৰণ। অসমত প্রচলিত

খেতৰ-খেতৰীৰ পূজা, গো পূজা, শিল পূজা, গ্ৰহ পূজা, ভঠেলী, বৰাত পাশ পূজা, মনসা পূজা, ধৰ্ম দেৱতাৰ পূজা আদিয়ে লোকধৰ্মৰ চানেকি দাঙি ধৰে। উল্লেখ্য যে লোকধৰ্ম আদিক পৰিমাৰ্জন কৰিয়েই শৈৱ, শাক্ত, তান্ত্ৰিক, বৈষ্ণৱ, ভক্তি আদি ধৰ্ম বা সম্প্ৰদায়ৰ সৃষ্টি হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ 'অযৌক্তিক প্ৰত্যয়' কিহৰ উৎস বুলি অভিহিত কৰা হৈছে?

.....

প্ৰশ্ন নং ৩ ঃ ৰাতি তিতা খোৱাটো বেয়া— এইটো কোন বিধ লোকবিশ্বাসৰ অন্তৰ্ভুক্ত?

.....

১১.৩.২ লোক উৎসৱ-অনুষ্ঠান

পৰম্পৰাগতভাৱে লোকসমাজত প্ৰচলিত হৈ অহা উৎসৱ-অনুষ্ঠানসমূহকে লোক উৎসৱ-অনুষ্ঠান বুলি কোৱা হয়। উৎসৱ-অনুষ্ঠান মূলতঃ বিশেষ এক নিৰ্দিষ্ট সামাজিক বা সাংস্কৃতিক আচৰণৰ আধাৰত জন্ম নহয়। বিভিন্ন সাংস্কৃতিক আচৰণৰ সমষ্টিগত উপাদানৰ অনুষংগ স্বৰূপে উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰা হয়। উৎসৱৰ মাজত বিভিন্ন আচৰণ, যেনে — লোকবিশ্বাস, ধৰ্মীয় কৃত্য, পুৰাকথা, জনশ্ৰুতি, সাধু, ভৌতিক সংস্কৃতি তথা লোকপৰিৱেশ্য কলা সংমিশ্ৰিত হৈ থাকে। এই প্ৰতিটো এককেই সামগ্ৰিকভাৱে সংযুক্ত হৈ উৎসৱ-অনুষ্ঠান ৰূপে স্বীকৃত হয়। ই এক প্ৰকাৰৰ জটিল আৰু সামাজিকভাৱে অতি প্ৰয়োজনীয় বিষয়। অসমীয়া সমাজতো বিভিন্ন উৎসৱ-অনুষ্ঠান প্ৰচলন থকা দেখিবলৈ পোৱা যায়। উৎসৱ-অনুষ্ঠানসমূহক সাধাৰণতে কেইটিমান শ্ৰেণীত বিভক্ত কৰি আলোচনা কৰা হয়। যথা—

- ঋতুকালীন উৎসৱ-অনুষ্ঠান
- পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠান
- সীমিত অংশগ্ৰহণৰ উৎসৱ-অনুষ্ঠান
- সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান

অসমৰ লোক উৎসৱ-অনুষ্ঠানসমূহকো এইকেইটা শ্ৰেণী বিভাগৰ আধাৰতে বিচাৰ কৰিব পাৰি।

- *ঋতুকালীন উৎসৱ-অনুষ্ঠান ঃ* পৃথিৱীৰ বিভিন্ন দেশত, বিভিন্ন ঋতুত ভিন ভিন উৎসৱ-অনুষ্ঠান পালন কৰাৰ দৰে অসমতো বিভিন্ন ঋতুকালীন উৎসৱ-অনুষ্ঠানৰ পৰম্পৰা প্ৰচলিত। ঋতু অনুযায়ী সাধাৰণতে উদ্‌যাপন কৰা হয় বাবেই ইয়াক

ঋতুকালীন উৎসৱ-অনুষ্ঠান বোলা হয়। ইয়াৰ লগত জড়িত হৈ আছে কৃষি, কাৰণ লোকসমাজ প্ৰধানত কৃষিভিত্তিক। সেয়ে ইয়াক 'কৃষি উৎসৱ' বুলিও অভিহিত কৰা হয়। অসমত পালন কৰা তিনিটা বিহুৰেই ঋতুকালীন। তিনিটা বিহু কৃষি কৰ্ম তথা উৰ্ৱৰতাজনিত বিশ্বাসৰ লগত জড়িত। ঠিক সেইদৰে হুদুম পূজা, ভেকুলী বিয়া, বাম্বোলপিটা, সাৰি, দেউল, বাঁশ পূজা, মহোহো, সোণাৰায় উৎসৱ আদি হ'ল অসমৰ কৃষিভিত্তিক বা ঋতুকালীন উৎসৱ-অনুষ্ঠান।

- *পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠান ঃ* যিবোৰ উৎসৱ-অনুষ্ঠান মাহ, সংক্ৰান্তি, তিথি আদি অনুসৰি উদ্‌যাপন কৰা হয় সেইবোৰকে পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠান বোলে। উল্লেখযোগ্য যে বহু ঋতুকালীন উৎসৱ-অনুষ্ঠানো এই উপবিভাগত অন্তৰ্ভুক্ত কৰি আলোচনা কৰিব পাৰি। যেনে— আঘোণ মাহৰ পূৰ্ণিমাৰ দিনা পালন কৰা মহোহো উৎসৱ। অসমত লোকসমাজত প্ৰচলিত কেইটিমান উল্লেখযোগ্য এনে উৎসৱ-অনুষ্ঠান হ'ল— শিৱৰাত্ৰি, দুৰ্গা পূজা, অম্বুবাচী, মনসা পূজা, গংগা পূজা, ঈদ, মহৰম আদি।
- *সীমিত অংশগ্ৰহণৰ উৎসৱ-অনুষ্ঠান ঃ* যিবোৰ উৎসৱ-অনুষ্ঠানত সীমিত সংখ্যক মানুহ বা এক নিৰ্দিষ্ট জনগোষ্ঠীয়েহে অংশগ্ৰহণ কৰে তেনে উৎসৱ-অনুষ্ঠানসমূহকে সীমিত অংশগ্ৰহণৰ উৎসৱ-অনুষ্ঠান বুলি অভিহিত কৰা হয়। উদাহৰণস্বৰূপে আমি ভিতৰুৱা সকাম, কুঁহিয়াৰ পেৰা, আগ অনা, নাও পূজা, গোচ উঠা, গোচ লোৱা, চুন্নত আদি উৎসৱৰ লগতে মাছমৰীয়া, মৰিয়া, কুমাৰ, কমাৰ, হীৰাসকলৰ মাজত প্ৰচলিত থকা বিভিন্ন উৎসৱবোৰ নাম ল'ব পাৰোঁ।
- *সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান ঃ* লোকসমাজত এজন ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈকে বিভিন্ন ধৰণৰ উৎসৱ-অনুষ্ঠান পালন কৰা হয়। মানুহৰ জীৱন-বৃত্তৰ লগত জড়িত হৈ থকা এনে উৎসৱ-অনুষ্ঠানসমূহকে সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান বুলি অভিহিত কৰা হয়। এই ধৰণৰ উৎসৱ-অনুষ্ঠানসমূহকো পুনৰ কেইবাটাও উপবিভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। অসমীয়া লোকসমাজৰ উৎসৱ-অনুষ্ঠানকো ইয়াৰ মাজতে সামৰি আলোচনা কৰিব পাৰি। তলত সেই ভাগসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল—
  - গৰ্ভধাৰণ আৰু সন্তান জন্মৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— পঞ্চামৃত, পুংসৱন, ইত্যাদি।
  - জন্ম আৰু শৈশৱৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— জাতকৰ্ম, নামকৰণ, চূড়াকৰণ, অন্নপ্ৰসন্ন, কৰ্ণবোধ আদি।
  - দীক্ষা আৰু শৰণ গ্ৰহণৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— উপনয়ন, দীক্ষাগ্ৰহণ, লগুণ দিয়নী আদি।

- বিৱাহাৰ্থ বাগদান আৰু বিবাহৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— বিবাহ (তোলনী বিয়া, আগবিয়া, পাচবিয়া), জোৰোণ দিয়া, খুবা-খুবলি আদি।
- মৃতকৰ সংস্কাৰৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— খৰি দিয়া, সংস্কাৰ, শ্ৰাদ্ধ আদি।

উল্লেখযোগ্য যে সংস্কাৰমূলক উৎসৱ-অনুষ্ঠানসমূহ মূলতঃ আনুষ্ঠানিক আৰু ঘৰুৱা উৎসৱ-অনুষ্ঠান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ 'সোণাৰায় উৎসৱ' কোন প্ৰকাৰৰ উৎসৱ-অনুষ্ঠান ?

.....



চিন্তা-চৰ্চা কৰক — ১১.২

আপোনাৰ অঞ্চলত প্ৰচলিত বিবিধ লোক উৎসৱ-অনুষ্ঠানৰ বিষয়ে বহলাই লিখক।

১১.৩.৩ অৱসৰ-বিনোদন আৰু খেল-ধেমালি

লোকজীৱনত আনন্দ আৰু কৰ্মস্পৃহা যেনেকৈ আছে ঠিক তেনেদৰে এইবোৰৰ পৰা ক্ষন্তেক বিৰতিৰ বাবে বিভিন্ন অৱসৰ-বিনোদন আৰু খেল-ধেমালিও প্ৰচলিত হৈ আহিছে। মূলতঃ লোকজীৱনক গতিশীল আৰু ক্ৰিয়াশীল কৰি ৰাখিবৰ বাবেই এইবোৰৰ জন্ম। লোক খেল-ধেমালিৰ মাজত এখন সমাজৰ সামাজিক আচৰণ প্ৰতিফলিত হয়, সেয়ে ইয়াক 'অভিজ্ঞাপিত আচৰণ' বোলে। এই খেল-ধেমালিবোৰ সাধাৰণতে স্বেচ্ছাকৃত, মানুহৰ জৈৱিক প্ৰয়োজনীয়তাৰ লগত পোনপটীয়াকৈ সম্পৰ্কযুক্ত নহয়। ইয়াত শাৰীৰিক, মানসিক প্ৰকাৰ্য জড়িত হৈ থাকে আৰু এইবোৰ অনুৎপাদক। কাৰণ ইয়াৰ লগত টকা-পইচাৰ বিশেষ সম্পৰ্ক নাই। বিভিন্ন সামাজিক প্ৰকাৰ্যত ইয়াৰ উপস্থিতি লক্ষ্য কৰা যায়। খেলত প্ৰতিযোগিতাৰ ভাব থাকে কিন্তু ধেমালিত ই অনুপস্থিত। খেলবিলাকত কিছুমান ধৰা বন্ধা নিৰ্দিষ্ট নিয়ম থাকে, কিন্তু ধেমালিত সাধাৰণতে নাথাকে।

অসমৰ লোকসমাজতো অতীজৰে পৰা বিভিন্ন ধৰণৰ খেল-ধেমালি তথা অৱসৰ- বিনোদৰ উপকৰণৰ উপস্থিতি লক্ষ্য কৰা যায়। কিছুমান খেল-ধেমালি ঋতু সাপেক্ষও। কিছুমান খেল ঘৰৰ বাহিৰত (Outdoor) আৰু কিছুমান খেল ঘৰৰ ভিতৰৰ (Indoor)। অসমৰ লোকসমাজত প্ৰচলিত খেলসমূহ কোনে কেতিয়া, কেনেকৈ আৱিষ্কাৰ কৰিছিল তাৰ কোনো তথ্য পোৱা নাযায়। বহু খেল এতিয়া অধুনালুপ্ত হৈ

পৰিছে। উল্লেখযোগ্য যে আহোম স্বৰ্গদেওসকলৰ উৎসাহ-উদ্দীপনাতো কিছুমান খেলে বিকাশ লাভ কৰিছিল। খেল-ধেমালিসমূহক মূলতঃ দুটা প্ৰধান ভাগত বিভাজিত কৰি আলোচনা কৰিব পাৰি। যথা—

- অৱসৰ বিনোদনধৰ্মী খেল-ধেমালি
- প্ৰতিযোগিতামূলক খেল-ধেমালি

- *অৱসৰ-বিনোদনধৰ্মী খেল-ধেমালি ঃ* অৱসৰ-বিনোদনৰ বাবে কিছুমান খেল-ধেমালি আমাৰ অসমীয়া সমাজত অতীজৰে পৰা প্ৰচলন হৈ আহিছে। এইবোৰকো পুনৰ দুটা উপবিভাগত বিভাজিত কৰি আলোচনা কৰিব পাৰি।
  - ওমলাগীতৰ লগত সম্পৰ্কিত ঃ সাধাৰণতে কেঁচুৱা, চেমনীয়া, কিশোৰ-কিশোৰীয়ে অৱসৰ-বিনোদনৰ বাবে বিভিন্ন ধৰণৰ ধেমালি কৰে। বয়সস্থসকলে কেঁচুৱা ওমলাবৰ বাবেও কিছুমান খেল খেলে। অসমীয়া সমাজত কেঁচুৱাক দুই কাষলতিৰ তলেৰে হাত সুমোৱাই উচল মাৰি ওপৰলৈ দলিয়াই দিয়া ধেমালি; শিশুক নিচুকাবলৈ গোৱা "শালিকী এ' ৰটো টৌ", বা "বগলী এ সবাহলৈ নগলি কিয় ?" আদি গান গাই কৰা ধেমালি; পৰিৱেশ পৰিস্থিতিভেদে থাউকতে নাচি অংগী-ভংগী কৰি কৰা ধেমালি, যেনে— ৰ'দ-বৰষুণৰ বতৰে লুকাভাকু খেলিলে "খৰাঁ শিয়ালৰ বিয়া" গীত গাই কৰা ধেমালি; শিশুসকলে কৰ্ম জীৱনৰ বাবে কৰা আখৰাসদৃশ খেল, যেনে— লুকাভাকু, পুতলাৰ দৰা-কইনা, বালি ভাত ৰন্ধা, পানী হিলৈ ফুটোৱা আদি; বিনোদনৰ বাবে কৰা খেল যেনে— অলং-দলং, হেতালি, অলৌগুটি তলৌগুটি আদি এনেধৰণৰ খেল।
  - প্ৰদৰ্শনমূলক কিন্তু অপ্ৰতিযোগিতামূলক ঃ লোকসমাজত চেমনীয়া, কিশোৰ-কিশোৰীৰ মাজত অপ্ৰতিযোগিতামূলক কিন্তু প্ৰদৰ্শনমূলক কিছুমান খেল-ধেমালিৰো প্ৰচলন আছে। অসমীয়া সমাজত প্ৰচলিত— পেং খেল, ওলোটা খৰ মৰা, গৰখীয়া এছাৰি খেল, চিলা উৰোৱা, লাটুম ঘূৰোৱা, কুকুৰা যুঁজ, মালযুঁজ কৰা, সাঁতোৰা, জাপ মৰা, দৌৰা আদি হৈছে এই ধৰণৰ খেল।
- *প্ৰতিযোগিতামূলক খেল-ধেমালি ঃ* যিবোৰ খেলত নিৰ্দিষ্ট ধৰা বন্ধা নিয়ম থাকে, হৰা-জিকা হয় তেনে খেলবোৰকে প্ৰতিযোগিতামূলক খেল-ধেমালি বোলে। অসমীয়া লোকসমাজত এনে ধৰণৰ বিভিন্ন খেল আছে। অসমীয়া লোকসমাজত প্ৰচলিত এই প্ৰকাৰৰ খেলসমূহক পুনৰ তিনিটা উপবিভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি।
  - এককভাৱে খেলা খেল ঃ যিবোৰ প্ৰতিযোগিতামূলক খেলত অকলে অংশগ্ৰহণ কৰিব পাৰি সেইবোৰকে এককভাৱে খেলা খেল বুলি অভিহিত কৰা হয়। অসমীয়া জন-সমাজত প্ৰচলিত কণী যুঁজ, কড়ি খেল, পাশা খেল, ঘিলা খেল, টাংগুটি, খুলিখেল (গাঁতা খেলি/চেংগুটি), বাঘঢাল (চক্ৰবেহু) আদি

হ'ল এককভাৱে খেলা খেল।

- দলীয়াভাৱে খেলা খেল ঃ যিবোৰ প্রতিযোগিতামূলক খেল দুটা বা তাতোধিক দলত বিভক্ত হৈ খেলা যায় সেইবোৰকে দলীয়ভাৱে খেলা খেল বুলি কোৱা হয়। অসমীয়া সমাজত প্রচলিত হাউণ্ডদু, ঢোপ খেল, ঘাই পকোৱা খেল, ৰচী টনা খেল, হাজামণি খেল, নাওখেল আদি খেল এই শ্রেণীত অন্তর্ভুক্ত।
- পোহ মনা জীৱ-জন্তু, পশু-পক্ষীৰ খেল ঃ যিবোৰ খেল পোহ মনা জীৱ-জন্তু, চৰাই আদিৰ জৰিয়তে অনুষ্ঠিত কৰা হয় সেইবোৰ খেল এই বিভাগত অন্তর্ভুক্ত। অসমীয়া লোকসমাজত এনে ধৰণৰ বহু খেল এতিয়াও প্রচলিত। হাজো অঞ্চলত মাঘৰ বিহুৰ সময়ত খেলোৱা 'বুলবুলি যুঁজ', মৰিগাঁৰৰ আঁহতগুৰিকে ধৰি অসমৰ বিভিন্ন ঠাইত মাঘৰ বিহুত খেলোৱা 'ম'হ যুঁজ' জগত বিখ্যাত বুলিয়েই ক'ব পাৰি। উল্লেখযোগ্য যে আহোম স্বর্গদেওসকলৰ দিনত ৰংঘৰ বাকৰিত বিভিন্ন ধৰণৰ এনে প্রকাৰৰ খেল-ধেমালি অনুষ্ঠিত কৰা হৈছিল। সেই বোৰৰ ভিতৰত শেন যুঁজ, কণোৱা যুঁজ, হাতী যুঁজ, কুকুৰা যুঁজ আদি উল্লেখযোগ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ 'লুকাভাকু কোন প্রকাৰৰ খেল?

.....



চিন্তা-চর্চা কৰক — ১১.৩

ইয়াত উল্লেখ কৰা খেলবোৰৰ ভিতৰত আপুনি জনা খেলসমূহৰ বিষয়ে বহলাই লিখিবলৈ যত্ন কৰক।

১১.৩.৪ লোকঔষধ আৰু লোকচিকিৎসা

পূর্বতে জনসমাজত নিজৰ তথা পোহনীয়া জীৱ-জন্তু, পশু-পক্ষীৰ ৰোগ নিৰাময়ৰ বাবে বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদি ব্যবহাৰ কৰিছিল। ইয়াৰ পৰিণতিতেই জন্ম লোকঔষধ, লোকচিকিৎসা। লোকচাৰ অধ্যয়নত ইয়াৰ ভূমিকা সুদূৰ প্রসাৰী। অসমীয়া লোকসমাজতো পূর্বৰে পৰা ইয়াৰ প্রচলন থকাৰ প্রমাণ আমি ডাকৰ বচন, ফকৰা যোজনা আদিত পাওঁ। অসমৰ লোকঔষধ আৰু লোকচিকিৎসাক মূলতঃ দুটা শ্রেণীত বিভক্ত কৰি আলোচনাত প্রবৃত্ত হ'ব পাৰি।

- প্রাকৃতিক লোকচিকিৎসা
- যাদুবিদ্যাগত ধর্মীয় লোকচিকিৎসা

➢ *প্ৰাকৃতিক লোকচিকিৎসা ঃ* বনৌষধিক আশ্ৰয় কৰি কৰা চিকিৎসা পদ্ধতিকে প্ৰাকৃতিক লোকচিকিৎসা বোলে। বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদিয়েই হ'ল ইয়াৰ মূল উপাদান। ইয়াক সেই বাবে 'ভেষজ ঔষধ' বুলিও কোৱা হয়। আমি জানো যে অসম দেশ প্ৰাকৃতিকভাৱে অতিকে চহকী। অসমৰ বনত পোৱা বিভিন্ন গছ-গছনি, তৃণ আদিৰ পৰা লোকঔষধ প্ৰস্তুত কৰা হয়। আদা, হালধি, নিম, ব্ৰাহ্মী শাক, জেতুকা, মহানিম, সৰিয়হ, ভেদাইলতা, নিম, বিহলঙনি, নহৰু, ধনিয়া, তেজপাত, পিপলি, জালুক, নিম, বেল, আমলখি, শিলিখা, ভোমোৰা, অশোক, আম, অমৃত, কল, মধুৰী আম, তুলসী, বাহাক আদি বিভিন্ন গছ-গছনি, তৃণ লোকঔষধ ৰূপে ব্যৱহাৰ কৰা হয়। ডাকৰ বচনত উল্লেখ আছে —

ভাত খাই উঠি খাই তিনি শিলিকা।
তাক কি কৰিবে ৰোগ পিলিকা।।
লোণ জালুকেৰে খুওৱাবা ঝাল।
তেবে স্তনৰস হৈবে ভাল।।

অসমৰ লোকসমাজত প্ৰচলিত কেইটিমান প্ৰাকৃতিক লোকঔষধ হ'ল— কাঁহ হ'লে তুলসী পাতৰ লগত মৌ মিহলাই খুৱাব লাগে; কাঁহ, বুকুৰ বিষৰ বাবে সিজু গছ ব্যৱহাৰ কৰা হয়; অমিতা পিত্ত, বদহজম, কোষ্ঠ-কাঠিন্য, অৰ্শ আদি ৰোগত খাব লাগে; দাঁতৰ বিষ নিৰাময়ৰ বাবে সৌৰা আৰু মহানিমেৰে দাঁত ঘহা ভাল নাইবা বকুল চাল আৰু মহানিমৰ ছালেৰে প্ৰস্তুত কৰা ৰসে দাঁতৰ বিষ ভাল কৰে; নখচুকীয়াৰ পৰা পৰিত্ৰাণ পাবলৈ জেতুকা লগাব লাগে; ফেঁচা আৰু ঘৰচিৰিকাৰ মঙহ কামোদ্দীপক ঔষধ; ব্ৰাহ্মী আৰু মানিমুনি শাক খালে স্মৃতিশক্তি বৃদ্ধি হয়; মানিমুনি আৰু টেঙেচী টেঙাৰ পাত চকুৰ ৰোগৰ বাবে ভাল; কেঁচা নহৰু খালে বাতবিষ তথা উচ্চ ৰক্তচাপ কমে, ইত্যাদি। উল্লেখযোগ্য যে বিভিন্ন ঋতুত কেনেদৰে আহাৰ গ্ৰহণ কৰিব লাগে সেই বিষয়েও ডাকৰ বচনত উল্লেখ আছে—

জেঠত দৈ আহাৰত খৈ।
শাওনে মৰাপাটা খাবা গৈ।।
ভাদত ওল আহিনত কল।
কাতিত কচুই বঢ়াই বল।।
আঘোণত খাবা চৰাই।
পুহৰ পিঠা মাঘত কড়াই।
ফাগুণত মৌ চ'তত ঔ।
ইয়াকে খালে পুৰুষৰ গুচে কৰ্মজ্বৰ।।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে অসমীয়া লোকসমাজত প্ৰচুৰ লোকঔষধৰ

বিধান আছে। কেৱল মানুহৰ ক্ষেত্ৰতেই নহয় বিভিন্ন ঘৰচীয়া জীৱ-জন্তুৰ ক্ষেত্ৰতো ৰোগ নিৰাময়ৰ বাবে প্ৰাকৃতিক ঔষধ ব্যৱহাৰ কৰা হয়। ইয়াৰ প্ৰকৃষ্ট উদাহৰণ হিচাপে আমি আহোম যুগত ৰচিত হোৱা *হস্তিবিদ্যাৰ্ণৱ* আৰু *ঘোঁৰা নিদান* পুথি দুখনৰ কথা উল্লেখ কৰিব পাৰোঁ



চিন্তা-চৰ্চা কৰক — ১১.৪

আপোনাৰ অঞ্চলত প্ৰচলিত থকা বিবিধ প্ৰাকৃতিক লোকঔষধৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

- *যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা ঃ* বিভিন্ন লোকচিকিৎসা বিশ্বাসনিষ্ঠভাৱেও পালন কৰা হয়। ইয়াত বিশ্বাসেই মূল ভেটি, বিশ্বাসৰ আধাৰতেই ৰোগ-ব্যাধিৰ উৎপত্তিৰ কাৰণ তথা তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰা হয়। অসমীয়া সমাজতো বিভিন্ন ৰোগৰ কাৰণ নিৰ্ধাৰণ কৰিবৰ বাবে মঙলচোৱা কাৰ্য সম্পাদন কৰা দেখা যায়। বহু সময়ত ভূতে ধৰিছে বা অপদেৱতাই-অপদেৱীয়ে লম্ভিছে বুলি পূজা-উপাসনা কৰাৰ লগতে মন্ত্ৰমাতি, বিভিন্ন গছ-লতিকাৰ পাতেৰে মৰিয়াই জৰা-ফুকা দেখা যায়। এনেদৰে সৰৱজান বা মঙলমতিয়ে কঁড়ি বা ৰেখা আদি বিভিন্ন যাদুমূলক আচৰণেৰে ৰোগৰ কাৰণ নিৰ্দ্ধাৰণ কৰাৰ লগতে তাৰ তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰে।

  লোকচিকিৎসাৰ এই বিভাগটিত মন্ত্ৰ প্ৰয়োগো কৰা হয়। আপুনি নিশ্চয় জানে যে অসম দেশ 'যাদু-মন্ত্ৰৰ দেশ' বুলিয়েই জগত বিখ্যাত। বহু সময়ত মন্ত্ৰ অকল্যান কামনাৰেও প্ৰয়োগ কৰা হয়। অসমত প্ৰচলিত মন্ত্ৰবোৰৰ ভিতৰত সৰ্বঢাক মন্ত্ৰ, কৰতি মন্ত্ৰ, সৰ্পৰ ধৰণী মন্ত্ৰ, পিশাচ মন্ত্ৰ, জ্বৰৰ মন্ত্ৰ, বিষৰ মন্ত্ৰ আদি উল্লেখযোগ্য। ৰোগ-ব্যাধি নিৰাময়ৰ বাবে প্ৰয়োগ কৰা মন্ত্ৰ তথা চিকিৎসা পদ্ধতিসমূহত বিভিন্ন জীৱ-জন্তু বা তেজ আগবঢ়াই ৰোগীৰ আৰোগ্য কামনা কৰা হয়। এই প্ৰকাৰ্য সাধন কৰে বেজ-বেজনী, দেওধাই, কবিৰাজ, ওজাসকলে।

  উল্লেখযোগ্য যে এনে ধৰণৰ লোকচিকিৎসা তথা লোকঔষধ প্ৰণালীয়ে যুগ যুগ ধৰি জনসমাজৰ মাজত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। সাধাৰণতে লোকসমাজত এনে চিকিৎসা পদ্ধতিয়ে প্ৰাধান্য লাভ কৰে যদিও অভিজাত সমাজতো ইয়াৰ প্ৰচলন থকা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ চকুৰ ৰোগৰ বাবে ব্যৱহাৰ কৰা দুবিধ লোকঔষধৰ নাম লিখক।

.....



চিন্তা-চর্চা কৰক — ১১.৫

আপুনি জনা যাদুবিদ্যাগত ধর্মীয় লোকচিকিৎসা প্রণালীসমূহৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকজীৱন মুখ্যতঃ লোকবিশ্বাসৰ ভেটিত প্রতিষ্ঠিত। এই লোকবিশ্বাসৰ খেও ধৰিয়েই সৃষ্টি হৈছে লোকধর্ম আৰু বিভিন্ন আচাৰ-অনুষ্ঠান। পৰিণতিত সৃষ্টি হয় সামাজিক লোকপ্রথা বা লোকাচৰ। সামাজিক লোকাচাৰক ৰিচার্ড এম. ডৰচনে পুনৰ চাৰিটা উপবিভাগত বিভক্ত কৰি আলোচনা কৰিছে। সেই বিভাগকেইটা হ'ল — লোকবিশ্বাস আৰু লোকধর্ম, লোক উৎসৱ-অনুষ্ঠান, অৱসৰ-বিনোদন আৰু খেল-ধেমালি, লোকঔষধ আৰু লোকচিকিৎসা। অসমৰ সামাজিক লোকাচাৰসমূহো এই বিভাজনৰ আধাৰতে আলোচনা কৰিব পাৰি।
- লোকবিশ্বাসৰ আধাৰতেই যিকোনো এখন জন-সমাজৰ বিবিধ আচাৰ-অনুষ্ঠান, ধর্মীয় কৃত্য আৰু লোকধর্মৰ উমান পাব পাৰি। অর্থাৎ লোকবিশ্বাসৰ আধাৰতেই এইবোৰ গঢ় লৈ উঠে। আনহাতে লোকবিশ্বাসৰ মাজতে সোমাই আছে অন্ধবিশ্বাসো। অন্ধবিশ্বাস বুলি ক'লে আমি সেইবিলাক বিশ্বাসৰ কথাকেই বুজিম যিবোৰ যুক্তিৰে বিশ্লেষণ কৰিব নোৱাৰি।
- গঠনপ্রণালীৰ দিশৰ পৰা উল্লিখিত তিনি ধৰণে যিদৰে অসমীয়া লোকবিশ্বাসক ভাগ কৰিব পাৰি, ঠিক তেনেদৰে বিষয়বস্তুৰ ফালৰ পৰাও অসমীয়া লোকবিশ্বাসক বিভিন্ন ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি। যথা—ধর্মীয় লোকবিশ্বাস, জীৱ-জন্তু সম্পর্কীয় লোকবিশ্বাস, চৰাই-চিৰিকতি বিষয়ক লোকবিশ্বাস, গছ-গছনি, লতা-লতিকা, ফুল-ফল কেন্দ্রিক লোকবিশ্বাস, অলৌকিক লোকবিশ্বাস, মাহ-বাৰ-তিথি-দিশ সম্বন্ধীয় লোকবিশ্বাস, মানৱ শৰীৰ আৰু আচৰণ সম্পর্কীয় লোকবিশ্বাস, যাত্রা সম্পর্কীয় লোকবিশ্বাস, খাদ্য সম্পর্কীয় লোকবিশ্বাস, জন্ম সম্পর্কীয় লোকবিশ্বাস, বিবাহ সম্পর্কীয় লোকবিশ্বাস, মৃত্যু সম্পর্কীয় লোকবিশ্বাস, বিবিধ বিষয়ক লোকবিশ্বাস আদি।
- জনসমাজত প্রচলিত বিভিন্ন লোকবিশ্বাসৰ আধাৰতে লোকধর্মৰ সৃষ্টি হৈছে। লোকধর্ম মানে আমি লোকসমাজত প্রচলিত ধর্মৰ কথাকেই বুজোঁ।
- পৰম্পৰাগতভাৱে লোকসমাজত প্রচলিত হৈ অহা উৎসৱ-অনুষ্ঠানসমূহকে লোক উৎসৱ-অনুষ্ঠান বুলি কোৱা হয়। উৎসৱ-অনুষ্ঠান মূলতঃ বিশেষ এক নির্দিষ্ট সামাজিক বা সাংস্কৃতিক আচৰণৰ আধাৰত জন্ম নহয়। বিভিন্ন সাংস্কৃতিক আচৰণৰ সমষ্টিগত উপাদানৰ অনুষংগ

স্বৰূপে উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰা হয়। উৎসব-অনুষ্ঠানসমূহক সাধাৰণতে কেইটিমান শ্রেণীত বিভক্ত কৰি আলোচনা কৰা হয়। যথা— ঋতুকালীন উৎসৱ-অনুষ্ঠান, পঞ্জিকা আশ্রয়ী উৎসৱ-অনুষ্ঠান, সীমিত অংশগ্রহণৰ উৎসৱ-অনুষ্ঠান, সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান।

- লোকজীৱনত আনন্দ আৰু কর্মস্পৃহা যেনেকৈ আছে ঠিক তেনেদৰে এইবোৰৰ পৰা ক্ষন্তেক বিৰতিৰ বাবে বিভিন্ন অৱসৰ-বিনোদন আৰু খেল-ধেমালিও প্রচলিত হৈ আহিছে। মূলতঃ লোকজীৱনক গতিশীল আৰু ক্রিয়াশীল কৰি ৰাখিবৰ বাবেই এইবোৰৰ জন্ম। খেল-ধেমালিসমূহক মূলতঃ দুটা প্রধান ভাগত বিভাজিত কৰি আলোচনা কৰিব পাৰি। যথা— অৱসৰ বিনোদনধর্মী খেল-ধেমালি, প্রতিযোগিতামূলক খেল-ধেমালি।
- পূর্বতে জনসমাজত নিজৰ তথা পোহনীয়া জীৱ-জন্তু, পশু-পক্ষীৰ ৰোগ নিৰাময়ৰ বাবে বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদি ব্যবহাৰ কৰিছিল। ইয়াৰ পৰিণতিতেই জন্ম লোকঔষধ, লোকচিকিৎসা। অসমৰ লোকঔষধ আৰু লোকচিকিৎসাক মূলতঃ দুটা শ্রেণীত বিভক্ত কৰি আলোচনাত প্রবৃত্ত হ'ব পাৰি — প্রাকৃতিক লোকচিকিৎসা, যাদুবিদ্যাগত ধর্মীয় লোকচিকিৎসা।
- বনৌষধিক আশ্রয় কৰি কৰা চিকিৎসা পদ্ধতিকে প্রাকৃতিক লোকচিকিৎসা বোলে। বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদিয়েই হ'ল ইয়াৰ মূল উপাদান। ইয়াক সেই বাবে 'ভেষজ ঔষধ' বুলিও কোৱা হয়।
- বিভিন্ন লোকচিকিৎসা বিশ্বাসনিষ্ঠভাৱেও পালন কৰা হয়। ইয়াত বিশ্বাসেই মূল ভেটি, বিশ্বাসৰ আধাৰতেই ৰোগ-ব্যাধিৰ উৎপত্তিৰ কাৰণ তথা তাৰ প্রতিকাৰৰ ব্যৱস্থা কৰা হয়। অসমীয়া সমাজতো বিভিন্ন ৰোগৰ কাৰণ নির্ধাৰণ কৰিবৰ বাবে মঙলচোৱা কার্য সম্পাদন কৰা দেখা যায়। সৰৱজান বা মঙলমতিয়ে কঁড়ি বা ৰেখা আদি বিভিন্ন যাদুমূলক আচৰণেৰে ৰোগৰ কাৰণ নির্দ্ধাৰণ কৰাৰ লগতে তাৰ তাৰ প্রতিকাৰৰ ব্যৱস্থা কৰে। ইয়াকে যাদুবিদ্যাগত ধর্মীয় লোকচিকিৎসা বোলে।লোকচিকিৎসাৰ এই বিভাগটিত মন্ত্র প্রয়োগো কৰা হয়।



১১.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ

১) কাগ্‌য়ুং, ভৃগুমুনি (সম্পাঃ) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য;* গুৱাহাটী।

২) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি*; ডিব্রুগড় ঃ বনলতা।

৩) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জনসাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৪) দাস, যুগল; *অসমৰ লোককলা;* গুৱাহাটী।

৫) তাহেৰ, মহম্মদ (মুখ্য সম্পাদক) (২০০৫); *বিশ্বকোষ (অষ্টম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৬) তাহেৰ, মহম্মদ (মুখ্য সম্পাদক) (২০০৬); *বিশ্বকোষ (নৱম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৭) নার্জি, ভবেন (১৯৭১); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী।

৮) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

৯) নেওগ, মহেশ্বৰ (১৯৬৪), *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১০) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পাঃ) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

১১) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

১৩) ৰাজবংশী, পৰমানন্দ (সম্পাঃ), (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ প্রাগ্‌জ্যোতিষ মহাবিদ্যালয়।

১৪) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৫) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৬) শর্মা, নবীন চন্দ্র (সম্পাঃ) (১৯৮৭); *ডাক প্রৱচন;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৭) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্রন্থ

১৮) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

১৯) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

২০) Dundes, A. (1978). *Essays in Folkloristics*. Folklore Institute.

২১) Dutta, B.(ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

২২) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

২৩) Sarma, N. C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasan.



১১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ লোকায়ত আচাৰ-অনুষ্ঠান।

২ নং প্রশ্নৰ উত্তৰ ঃ লোকবিশ্বাসৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ খাদ্য সম্পর্কীয় লোকবিশ্বাস।

৪ নং প্রশ্নৰ উত্তৰ ঃ ঋতুকালীন উৎসৱ-অনুষ্ঠান।

৫ নং প্রশ্নৰ উত্তৰ ঃ শিশুসকলে কর্ম জীৱনৰ বাবে কৰা আখৰাসদৃশ খেল।

৬ নং প্রশ্নৰ উত্তৰ ঃ মানিমুনি আৰু টেঙেচী টেঙাৰ পাত।



১১.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

(ক) সামাজিক লোকপ্রথা বা লোকাচাৰ মানে কি?

(খ) সামাজিক লোকপ্রথাত কি কি বিষয় সন্নিৱিষ্ট হৈ আছে?

(গ) লোকবিশ্বাস আৰু লোকধর্ম মানে কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক —

ক) সংকেত লোকবিশ্বাস (খ) প্রাকৃতিক লোকচিকিৎসা (গ)পৰিৱর্তিত লোকবিশ্বাস

ঘ) ঋতুকালীন উৎসৱ-অনুষ্ঠান চ) প্রতিযোগিতামূলক খেল-ধেমালি

প্রশ্ন ২ ঃ অসমৰ লোক উৎসৱ-অনুষ্ঠান সম্পর্কে এটি টোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সামাজিক লোকপ্রথা বা লোকাচাৰে কোনবোৰ দিশ সামৰে? প্রত্যেক বিধৰে পর্যালোচনা কৰক।

প্রশ্ন ২ ঃ অসমীয়া লোকবিশ্বাস আৰু লোকধর্মৰ বিষয়ে উদাহৱণসহ বুজাই লিখক।

প্রশ্ন ৩ ঃ অসমত প্রচলিত অৱসৰ-বিনোদন আৰু খেল-ধেমালিবোৰৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৪ ঃ অসমৰ লোকঔষধ আৰু লোকচিকিৎসা প্রণালী সম্পর্কে এটি প্রবন্ধ লিখক।

*** ***** ***

অধ্যায় ১২ ঃ ভৌতিক সংস্কৃতি

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ভৌতিক সংস্কৃতি
১২.৩.১ লোকশিল্প
১২.৩.২ লোককলা
১২.৩.৩ লোকস্থপতি বিদ্যা
১২.৩.৪ লোকআভৰণ
১২.৩.৫ লোকৰন্ধন প্ৰণালী
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্ৰগতিৰ খতিয়ান
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভৌতিক সংস্কৃতি সম্পৰ্কে আভাস লাভ কৰি অসমৰ ভৌতিক সংস্কৃতি সম্পৰ্কে অৱগত হ'ব
- অসমৰ লোকশিল্প আৰু লোককলাৰ বিষয়ে জ্ঞাত হ'ব
- অসমীয়া লোকস্থপতি বিদ্যাৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমৰ লোকআভৰণ আৰু লোকৰন্ধন প্ৰণালীৰ বিষয়ে ধাৰণা লাভ কৰিব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি সামাজিক লোকাচাৰ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলে; লগতে তাৰ আধাৰত অসমীয়া সামাজিক লোকাচাৰৰ বিভিন্ন উপকৰণ তথা উপাদান সম্পৰ্কেও অধ্যয়ন কৰিলে। এই অধ্যায়টোত আমি লোকসংস্কৃতিৰ চাৰিটা বিভাগৰ এটি উল্লেখযোগ্য ভাগ "ভৌতিক সংস্কৃতি"ৰ বিষয়ে বহলাই আলোচনা কৰিম।

লোকসংস্কৃতিৰ এটা প্ৰধান বিভাগ হ'ল ভৌতিক সংস্কৃতি। আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্ৰীসমূহেই এই বিভাগটিত অন্তৰ্ভুক্ত হৈ আছে। ইতিমধ্যে এই পাঠ্যবিষয়ৰ প্ৰথম

অধ্যায়টিত ভৌতিক সংস্কৃতিৰ বিষয়ে চমু পৰিচয় প্ৰদান কৰি অহা হৈছে। এই অধ্যায়টি ভৌতিক সংস্কৃতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে অসমৰ ভৌতিক সংস্কৃতিৰ বিষয়েও আলোচনা সন্নিৱিষ্ট কৰা হৈছে।

১২.৩ অসমৰ ভৌতিক সংস্কৃতি

মানৱ জীৱনৰ মৌলিক প্ৰয়োজনসমূহত ভৌতিক সংস্কৃতিৰ প্ৰাধান্য বেছি। জীৱনৰ লগত এই বিধ কলাৰ সম্পৰ্ক অতিকে গভীৰ। মূলতঃ দৃশ্যগত আচৰণৰ ওপৰত নিৰ্ভৰশীল এই কলাত পৰম্পৰাগত আৰু ব্যক্তিগত পৰিৱৰ্তনে ক্ৰিয়া কৰি থাকে বুলি আমি আগতেই উল্লেখ কৰিছোঁ। এই বিভাগটিত লোকশিল্প, লোককলা, লোকস্থপতি বিদ্যা, লোকআভৰণ আৰু লোকৰন্ধন প্ৰণালী— আদি দিশসমূহ সন্নিৱিষ্ট হৈ আছে। অসম ভৌতিক সংস্কৃতিৰ ক্ষেত্ৰত এখন নন্দনকানন। অসমৰ লোকসংস্কৃতি বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণত সৃষ্ট। সেই বাবেই ইয়াত ভৌতিক সংস্কৃতিৰ ক্ষেত্ৰতো বিচিত্ৰতাৰ পয়োভৰ দেখিবলৈ পাওঁ। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১২.৩.১ লোকশিল্প

লোকসমাজ সাধাৰণতে স্বভাৱ শিল্পীৰে ভৰপূৰ। দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ পৰা আদি আৰম্ভ কৰি বিভিন্ন উৎসৱ-অনুষ্ঠানত বিশেষভাৱে প্ৰয়োজন হোৱা বিভিন্ন সামগ্ৰীলৈকে ইয়াৰ পৰিসৰ পৰিব্যাপ্ত হৈ আছে। অসমীয়া লোকসমাজো ইয়াৰ ব্যতিক্ৰম নহয়। মূলতঃ লোকশিল্পই ব্যক্তিজীৱন তথা সামূহিক জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰে যদিও বহুসময়ত এইবোৰে অৰ্থনৈতিক দিশতো বিশেষ ভূমিকা গ্ৰহণ কৰে।



জানি থোৱা ভাল

বহু সময়ত লোকশিল্প আৰু লোককলা একাকাৰ হৈ যায়। লোকশিল্পই ব্যৱহাৰিক দিশটো প্ৰতিফলিত কৰে। কিন্তু যেতিয়াই ই ব্যৱহাৰিক দিশটোৰ পৰা উধাই গৈ মানুহক নান্দনিক সৌন্দৰ্যও প্ৰদান কৰে তেতিয়াই লোককলালৈ ৰূপান্তৰ ঘটে। অৰ্থাৎ লোককলা হিচাপে বিভূষিত হয়।

অসমৰ বহু অঞ্চল একোটা বিশেষ বিশেষ লোকশিল্পৰ বাবে বিখ্যাত। এইবোৰে অসমৰ লোকশিল্পৰ কেইবাটাও দিশত আপুৰুগীয়া আৰু গৌৰৱময় আসন দখল কৰি আছে। অসমৰ লোকশিল্পসমূহক কেইবাটাও বিভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। তলত এই ভাগকেইটা বহলাই আলোচনা কৰা হ'ল।

- *বয়নশিল্প ঃ* অসম দেশ বয়নশিল্পৰ বাবে অতীজৰে পৰা বিখ্যাত। অসমীয়া শিপিনীয়ে 'তাঁতশালত সপোন ৰচে' বুলি সেই বাবেই কোৱা হয়। 'ছাঁতে শুকুৰা, মুঠিতে

লুকুৱা' অসমীয়া পাট-মুগাৰ কাপোৰ জগত বিখ্যাত। মধ্যযুগৰে পৰাই অসমৰ এড়ি, মুগা আৰু পাট বস্ত্রই বিদেশৰ বজাৰত এক সুকীয়া স্থান অধিকাৰ কৰিছিল। ৰং-বিৰঙৰ আঁচু-সূতা, গুণাৰে বনকৰা তথা মিনাকৰা ফুলৰ চানেকীৰ বাবে অসমীয়া শিপিনী বিখ্যাত। অসমীয়া নাৰীয়ে এৰাতিতে কপাহ নেওঠি, পাঁজি বাটি, সূতা কাটি, কবচ কাপোৰ বৈ স্বামীক ৰণলৈ পথোৱাৰ কথাও বুৰঞ্জীত পোৱা যায়।

অসমীয়া শিপিনীয়ে এশ, ডেৰশ, তিনিশ কাঠীৰ ফুল চানেকি গামোচা, চাদৰ বা মেখেলাত বাছে। বিভিন্ন ধৰণৰ চৰাই (মইনা, শেন আদি), গছা, বস্তি, শৰাই, কলগছ, হাতী, ঘোঁৰা, বাঘ, সিংহ, জোন, বেলি, তৰা, আঠ, চাৰি বা ছপহীয়া ফুল তাঁতত দক্ষতাৰে ফুটাই তোলে। এইবোৰৰ উপৰি বৰ কাপোৰৰ গুণাকটা চেলেং, ৰিহা, মেখেলা-চাদৰ, চোলা-চুৰীয়া আদি নিত্য ব্যৱহার্য কাপোৰ ঘৰতে বৈ লয়। আনকি সদায় ব্যৱহাৰ কৰা গামোচাখনতো ফুল বাচি লয়। জনগোষ্ঠীয় শিপিনীয়ে কঁকালী তাঁতত ৰেখা, ত্রিভুজ, জ্যামিতিক চিত্রও ফুটাই তোলে।

- *মৃৎশিল্প ঃ* যিবোৰ সামগ্রী মাটি ব্যৱহাৰ কৰি নির্মাণ কৰা হয় তাকে মৃন্ময় সামগ্রী বুলি কোৱা হয়। ইয়াৰ লগত জড়িত শিল্পই হ'ল মৃৎশিল্প। অসমত প্রাগ্-ঐতিহাসিক কালৰেপৰা মৃৎশিল্পৰ প্রচলন থকাৰ প্রমাণ পোৱা যায়। মূলতঃ কুমাৰ আৰু হীৰাসকল হ'ল এই বৃত্তিধাৰী লোক। অসমৰ গৃহস্থালী তথা অন্যান্য কার্যত ব্যৱহৃত বিভিন্ন সঁজুলী তথা পাত্র মৃৎশিল্পৰ উৎকৃষ্ট উদাহৰণ। সৰুমলা, বৰমলা, চৰু, টেকেলি, গিলাচ, ধূপদানি, ধূনা বাটি, গাগৰি, দুণৰি, খোলা, বিভিন্ন মাটিৰ পুতলা, ইত্যাদি হ'ল মৃৎশিল্পৰ চানেকি। ইয়াৰ উপৰি বিহুত ব্যৱহাৰ কৰা সুষিৰ বাদ্য 'সুতুলি'ও মাটিৰে নির্মাণ কৰা হয়।

গোৱালপাৰা, গৌৰীপুৰ তথা কামৰূপৰ বিভিন্ন ঠাইত মাটিৰ পুতলা নির্মাণ কৰা হয়। গৌৰীপুৰৰ পোৰামাটিৰ শিল্প জগত বিখ্যাত। সাধাৰণতে মাটিৰে দৰা-কইনা, হাতী-মাউত, ঘোঁৰা-মানুহ, চৰাই, পাল্কী বা দোলাৰ পুতলা সজা হয়। এইবোৰ সামগ্রী নির্মাণৰ ক্ষেত্রত ৰীতিবদ্ধ ভংগী দেখিবলৈ পোৱা যায়।



জানি থোৱা ভাল

কুমাৰসকলে মাটিৰ সামগ্রীসমূহ সাজোঁতে এখন বিশেষ ধৰণৰ চাক ব্যৱহাৰ কৰে। ইয়াক 'কুমাৰৰ চাক' বোলা হয়। হীৰাসকলে চাক ব্যৱহাৰ নকৰে। এওঁলোকে কাঠ বা বাঁহৰ মাৰিৰে মৰিয়াই মৰিয়াই মাটিৰ পাত্রসমূহ নির্মাণ কৰে।

- *বাঁহ, বেত, কাঠ, কুঁহিলা আৰু হাতীদাঁতৰ শিল্প ঃ* অসমীয়া সংস্কৃতিৰ এটা প্রধান উপাদান হ'ল বাঁহ। জন্মৰ পৰা মৃত্যুলৈকে অসমীয়া মানুহৰ নিত্য ব্যৱহার্য সামগ্রী

হ'ল এই বাঁহ। সেই বাবেই অসমীয়া সংস্কৃতিক 'বাঁহ সংস্কৃতি' বুলিও কোৱা হয়। বাঁহৰ লগত অংগাংগীভাৱে জড়িত হৈ আছে বেত। ঘৰ সাজোতে প্ৰয়োজন হোৱা খুঁটা, চতি, মাৰলী, বেৰ, চাল আদিত মূলতঃ বাঁহেই ব্যৱহাৰ কৰা হয়। মাছ ধৰা বিভিন্ন সঁজুলি, জাপি, ডুলি, দোণা, পাচি, খৰাহী, কুলা, তাঁতশালৰ বিভিন্ন সামগ্ৰী, খেতি কৰা সঁজুলি, বিচনী, বিভিন্ন প্ৰকাৰৰ চুঙা আদি নিৰ্মাণ কৰোঁতে বাঁহ ব্যৱহাৰ কৰা হয়। বেতেৰে এইবোৰ বান্ধি কটকটীয়া কৰা হয়। বেতেৰে বিচনী, বেগ, মেজ, চকী, ছোফা, দোলনা, বাকচ, ফুলৰ পাত্ৰ আদি অতি সুন্দৰভাৱে নিৰ্মাণ কৰা হয়। সত্ৰত নিৰ্মাণ কৰা বেতৰ বিচনীৰ কাৰুকাৰ্য চালে চকুৰোৱা। বাঁহৰ শলিৰ মোৰ দি বেতেৰে নিৰ্মাণ কৰা জপা, বটা, শৰাই, মুঢ়া অসমীয়া লোকশিল্পৰ উৎকৃষ্ট চানেকী। ভাওনাৰ মুখা নিৰ্মাণ কৰিবলৈও বাঁহেৰে সাঁচ এটি তৈয়াৰ কৰা হয়।



চিন্তা-চৰ্চা কৰক — ১২.১

অসমৰ লোকসমাজত প্ৰচলিত বাঁহ আৰু বেতেৰে নিৰ্মাণ কৰা সামগ্ৰীসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

বাঢ়ৈসকলে কাঠেৰে বিভিন্ন শিল্প ৰচনা কৰে। বাঁহৰ দৰে ব্যাপকভাৱে নহ'লেও অসমীয়া লোকসমাজত কাঠেৰে বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰি ব্যৱহাৰ কৰা হয়। যাতায়তৰ ব্যৱস্থা হিচাপে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ নাও, সত্ৰ-নামঘৰৰ মণিকূটত থকা সিংহাসনে অসমীয়া কাঠ-শিল্পৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। সিংহাসনত কাটি উলিওৱা কাছ, হাতী, উৰণীয়া সিংহ, গৰুড়, মৎস্য, ময়ূৰ আদিয়ে ইয়াৰ কলাত্মক দিশটো প্ৰকাশ কৰে। ঠিক সেইদৰে ঠগী, শৰাই, তাঁতশালৰ বিভিন্ন সামগ্ৰী, ধপাঁত খোৱা হোকাৰ নলিচা, ভাওনাত ব্যৱহাৰ কৰা বিভিন্ন মুখা, কাঠৰ চৰিয়া, বাটি, থাল, হেতা, খোল-ঢোলৰ খোলা, চালপীৰা, হাতনী পেৰা, ঢেঁকী, খুৰলি, নাঙল, যুঁৰলি, খুন্দনা আদিৰ দৰে নিত্য ব্যৱহাৰ্য সামগ্ৰীও কাঠেৰে নিৰ্মাণ কৰা হয়। এইবোৰ সামগ্ৰীত বিভিন্ন ফুলৰ জালি, চৰাই আদি কাটি উলিওৱা কথাটিয়ে বাঢ়ৈসকলৰ কলাত্মক মনৰ পৰিচয় দাঙি ধৰে।

কাঠৰ দৰে অসমৰ ঠাই বিশেষত কুঁহিলাৰেও ভালেমান শিল্প-কলা নিৰ্মাণ কৰাৰ পৰম্পৰা প্ৰচলন হৈ আছে। প্ৰধানতঃ গোৱালপাৰা, কামৰূপ, মংগলদৈ অঞ্চল কুঁহিলা শিল্পৰ বাবে বিখ্যাত। লোক কল্পনাৰ শৈল্পিক ৰূপটি কুঁহিলাৰে নিৰ্মাণ কৰা দেৱ-দেৱীৰ মূৰ্তি, মুখা, নৃত্যৰত নাচনি, কদমফুলৰ দৰে ফুল, দৰা-কইনাৰ মুকুতা আৰু কিৰীটি, বিবিধ পুতলা আদিয়ে দাঙি ধৰে। আনহাতে 'পুতলা নাচ'ত ব্যৱহাৰ কৰা বহু পুতলাও কুঁহিলাৰে নিৰ্মাণ কৰা হয়। উজনি অসমত কুঁহিলা কঠ নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ কৰা হয়।

অসমৰ হাতী দাঁতৰ শিল্প পুৰণি কালৰে পৰা এক সমৃদ্ধিশালী ধাৰা হিচাপে চিহ্নিত হৈ আহিছে। অসমৰ হাতী দাঁতৰ ফনি, কাকৈ, টেমা, সঁফুৰা, লাঠী, দেৱমূৰ্তি, জীৱ-জন্তুৰ প্ৰতিকৃতি আদিয়ে এই কথাৰ স্বাক্ষৰ বহন কৰে। আউনীআটী সত্ৰত সংৰক্ষিত হাতী দাঁতৰ পাটিখন অসমৰ এই লোকশিল্পবিধৰ উৎকৃষ্টতম চানেকী।

এইবোৰৰ উপৰি অসমৰ হাবিত পোৱা মাদুৰি, পাটি দৈ, মুঠাবন, তালপাত, টকৌপাত, মৰাপাট, ৰিহা, কুকুৰমুতা আদি গছৰ আঁহ, গড়ৰ খড়গ, ম'হ আৰু পহুৰ শিং আদিৰ পৰাও অসমীয়া লোকশিল্পীয়ে বহু মূল্যবান সা-সামগ্ৰী নিৰ্মাণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পোৰামাটিৰ শিল্পৰ বাবে অসমৰ কোন অঞ্চল বিখ্যাত ?

.....

➢ *ধাতু শিল্প ঃ* ধাতুজাত সামগ্ৰী — কাঁহ, পিতল, তাম, সোণ, ৰূপ আৰু লোৰে নিৰ্মাণ কৰা সামগ্ৰীসমূহ এই বিভাগৰ অন্তৰ্গত। অসমৰ কাঁহ-পিতলৰ কাৰিকৰে দৈনন্দিন ব্যৱহাৰ্য আৰু গৃহস্থালী সঁজুলী, যেনে— বিভিন্ন ধৰণৰ কাঁহী, বিভিন্ন ধৰণৰ বাটি, ঠগী, শৰাই, সঁফুৰা, বটা, খৰাহি, লোটা, ঘটী, কলহ, গাগৰি, ভোগজৰা, মাইহাং, বিভিন্ন ঘন বাদ্য, পূজা-পাৰ্বন আদিত ব্যৱহাৰ কৰা বিভিন্ন সঁজুলী নিৰ্মাণ কৰে। বৰ্তমানৰ হাজো আৰু সৰ্থেবাৰী অঞ্চল ক্ৰমে পিতল আৰু কাঁহ শিল্পৰ বাবে বিখ্যাত।

অসমীয়া মানুহে সোণ-ৰূপ মূলতঃ অলংকাৰ হিচাপে ব্যৱহাৰ কৰে যদিও ধনী ব্যক্তিসকলে ইয়াৰে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী, যেনে— সোণ-ৰূপৰ ঠাল, বাটি, চৰিয়া আদিও ব্যৱহাৰ কৰিছিল। অসমীয়া সমাজত ব্যৱহৃত বিভিন্ন স্বৰ্ণাভৰণ — কেৰু, মণি, থুৰীয়া, খাৰু, দুগ-দুগী, ঢোলবিৰি, জোনবিৰি, মাকৰি, কাণফুল, আঙুঠি, জাংফাই, গেজেৰা, কৰধ্বনি আদি সোণ-ৰূপেৰে নিৰ্মিত। অসমীয়া কাৰিকৰে পাণখিলা স্বৰূপ দুগদুগী, শেৱালিফুল স্বৰূপ গলপতা; কাচি জোনৰ দৰে গেজেৰা; আঙুঠিত জেঠী, পখিলা; টেঙেচী পাতৰ আৰ্হিৰ নাকফুল; ডালিমফুলৰ দৰে কেৰু; কদৈ বা শিলিখাৰ দৰে চিপাত মণি আদি নিৰ্মাণ কৰি শিল্পীমনৰ পৰিচয় দাঙি ধৰিছে। উল্লেখযোগ্য যে সোণ-ৰূপৰ লগত বিভিন্ন মণি-মুকুতা খুওৱাৰ ফলত এই ধৰণৰ গহনা-গাঁঠৰিবোৰ উজ্জ্বল হৈ উঠে। আগৰ দিনত অসমীয়া পুৰুষেও নিজৰ মৰ্যাদা অনুযায়ী অলংকাৰ ব্যৱহাৰ কৰিছিল। এই অলংকাৰসমূহৰ মাজত লোককল্পনাৰ শিল্পসুলভ ৰূপ পৰিস্ফুট হৈছে।

লোহা শিল্পৰ ক্ষেত্ৰতো অসম পিচ পৰি থকা নহয়। অসমীয়া কমাৰে

কমাৰশালত বিভিন্ন নিত্য ব্যৱহার্য সামগ্রী গঢ়ে। নলীয়া কটাৰী, ডবুৱা কটাৰী, দা, মেচি দা, কেৰাহী, কোৰ, কুঠাৰ, মৈদা, জবকা, চিপ্রাং, বেৰী, পচা, হাঁকোটা, শিকলি আদি ইয়াৰ ভিতৰত উল্লেখযোগ্য।

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে অসমীয়া লোকশিল্পই অসমীয়া সমাজ জীৱনত এক গভীৰ স্থান অধিকাৰ কৰি আছে। বিৰিঞ্চি কুমাৰ বৰুৱাই অসমীয়া পিঠা-পনাতো লোকশিল্পৰ সৌৰভময় নিদর্শন দেখা যায় বুলি মন্তব্য কৰিছে। অসমীয়া লোকশিল্পৰ জগতখন সঁচাকৈয়ে বহুধা বিভক্ত।

১২.৩.২ লোককলা

আমি ইতিপূর্বে উল্লেখ কৰিছোঁ যে এসময়ত লোকশিল্প আৰু লোককলা একাকাৰ হৈ যায়। মূল কথাটি হ'ল লোকশিল্পই ব্যৱহাৰিক তথা অর্থনৈতিক দাবী পূৰণ কৰে, কিন্তু লোককলাই নান্দনিক আনন্দ প্রদান কৰে। এই ক্ষেত্রত নবীন চন্দ্র শর্মাৰ এযাৰ বক্তব্য স্মৰণযোগ্য— "আনন্দদানৰ প্রকার্য সম্পৃক্ত নির্মিতিয়েই কলা আৰু জীৱনৰ বাস্তৱিক প্রকার্য সম্পৃক্ত নির্মিতিয়েই শিল্প।" লোকসমাজত পৰম্পৰাগতভাৱে প্রচলিত হৈ অহা কলাই হ'ল লোককলা। লোকশিল্পৰ প্রতিটো উপাদানতে লোককলাৰ ধর্ম অক্ষুণ্ণ থকা দেখা যায়। উদাহৰণস্বৰূপে— শিপিনীয়ে তাঁতশালত বৈ উলিওৱা গামোচাখন শিল্প; কিন্তু সেই গামোচাখনত এশ, ডেৰশ বা তিনিশ কাঠিৰে ধুনীয়া ফুলজালিয়ে আমাক আনন্দ প্রদান কৰে অর্থাৎ কলাৰ প্রকার্য সাধন কৰে। ঠিক সেইদৰে কাঁহৰ বাটি, কাঁহি আদিয়ে শিল্পৰ প্রকার্য সাধে; কিন্তু তাত যদি লতা বা তেনেধৰণৰ ফুল কাটি দিয়া হয় তেন্তে সি কলালৈ ৰূপান্তৰ হয়। এক কথাত ক'ব পাৰি শিল্প আৰু কলাৰ মাজত অংগাংগী সম্বন্ধ আছে। প্রায়বোৰ শিল্পৰ মাজতে কলাৰ ধর্ম বা গুণ ৰক্ষিত হোৱা পৰিলক্ষিত হয়।

১২.৩.৩ লোকস্থপতি বিদ্যা

অসমৰ লোকস্থপতি বিদ্যা বুলি ক'লে প্রধানতঃ বাঁহেৰে নির্মাণ কৰা ঘৰ-দুৱাৰৰ কথাকে বুজিব লাগিব। বাঁহৰ উপৰি বেত, ইকৰা, খেৰ আৰু কাঠো ইয়াৰ বাবে ব্যৱহাৰ কৰা হয়। আমি জানোঁ যে অসমৰ লোকজীৱন মূলতঃ কৃষিভিত্তিক, সেয়ে থকা ঘৰৰ উপৰি ভঁৰালঘৰ, গোহালিঘৰ, ঢেঁকীশাল আদি বিভিন্ন ধৰণৰ ঘৰো নির্মাণ কৰা হয়। অসমৰ লোকসমাজত বিবিধ প্রয়োজন মতে সজা ঘৰবোৰৰ ভিতৰত — চ'ৰাঘৰ, বৰঘৰ, সৰুঘৰ, মাৰলঘৰ, শোৱনিঘৰ, ৰান্ধনিঘৰ, ঢেঁকীশাল, তাঁতশাল, ভঁৰাল, বাটচ'ৰা, নামঘৰ, গোসাঁইঘৰ আদিয়েই প্রধান। ইয়াৰে বেছিভাগ ব্যক্তিগত আৰু দুই এক ৰাজহুৱা ঘৰ। ঘৰ-দুৱাৰ নির্মাণ কৰিবৰ বাবে বিশেষ কাৰিকৰ নাথাকে, পৰম্পৰাগতভাৱে চলি

অহা গৃহ নির্মাণ প্রণালী, ডাকৰ বচন আদিয়েই হ'ল ইয়াৰ মূল আধাৰস্বৰূপ। সাধাৰণতে ঘৰ-দুৱাৰবিলাক বিশেষ কাৰুকার্য খচিত নহয়— দুখন চাল, কাঠ বা বাঁহৰ খুটা, মাটিৰে লিপা বেৰ, কাঠ বা বাঁহৰ দাং লগোৱা দুৱাৰ আদিয়েই প্রধানতঃ অসমীয়া ঘৰৰ চানেকি। ডাকৰ বচনত উল্লেখ আছে —

পূবে ভঁৰাল, পশ্চিমে গঁৰাল।
উত্তৰে চৰু, দক্ষিণে গৰু।।

ঘৰ সজাৰ আগতে জ্যোতিষীৰ হতুৱাই চোৱা-মেলা কৰি ঘাইখুঁটা পুতিবৰ দিনা পূজা এভাগো কৰি লোৱা হয়। ঘৰ বন্ধা ভেটিৰ বাবেও স্থান নির্বাচন কৰি পূবা-পশ্চিমাকৈহে বৰঘৰ সজা হয়। ডাকৰ বচনতো ইয়াৰ উল্লেখ আছে—

পূবা-পশ্চিমাকৈ সাজিব ঘৰ।
অকাল মৃত্যুক নাহিকে ডৰ।।

পূর্বতে ঘৰ সাজোতে বতাহ সোমাব পৰাকৈ খিৰিকি দিয়া নহৈছিল। তাৰ ঠাইত বেৰত জলঙা কাটিহে পোহৰ সোমোৱাৰ ব্যৱস্থা কৰা হয়। ভঁৰালঘৰ পূবফালে এমূৰে চাংঘৰ দৰে কেঁচাকৈ সজা হয়। ভঁৰালঘৰো অসমীয়া মানুহৰ বাবে গোসাঁইঘৰৰ দৰে পবিত্র স্থান। বাহি গাৰে কেতিয়াও ভঁৰালত সোমোৱা নহয়। ভঁৰালত উঠোতে-নামোতে গাধৈত সেৱা এটি কৰি লোৱা নিয়ম। তদুপৰি বিহুৱে সংক্রান্তিয়ে ভঁৰালত চাকি এগচো জ্বলোৱা হয়।

ঠিক সেইদৰে মাৰলঘৰ বা তাৰ পিৰালিত ঢেঁকীশাল পতা হয়। গৰু-ম'হৰ বাবে গোহালিঘৰ সজা হয়। মাজতে চোতালখন লৈ চ'ৰাঘৰ, বৰঘৰ, মাৰলঘৰ, গোসাঁইঘৰ, ৰান্ধনিঘৰ আদি সুকীয়া সুকীয়াকৈ বিভিন্ন ঘৰসমূহ সজা হয়। চ'ৰাঘৰ সাধাৰণতে দুচলীয়াকৈ পথালিভাৱে সাজে। চ'ৰাঘৰ, বৰঘৰৰ পৰা আঁতৰত অলপ ভিতৰফালে ৰান্ধনিঘৰ কেঁচাকৈয়ে সজা নিয়ম অসমীয়া সমাজত প্রচলিত আছিল। বর্তমান কাঠ, টিং আদিৰে নির্মাণ কৰিলেও সাধাৰণতে ৰান্ধনি ঘৰৰ মজিয়া কেঁচাকৈ ৰখা দেখা যায়।

অসমীয়া ঘৰৰ বেৰসমূহ মূলতঃ বাঁহেৰে সজা হয় যদিও কেতিয়াবা কেতিয়াবা ইকৰা বা খাগৰিও ব্যৱহাৰ কৰা হয়। চাল উলুখেৰ বা শৰণখেৰেৰে চোৱা হয়। খেৰৰ অভাব হ'লে ধানৰ নৰাও ব্যৱহাৰ কৰে। বর্তমান অৱশ্যে কাঠৰ ঘৰৰ লগতে বাঁহৰ ঘৰতো টিনপাট বন্ধা দেখা গৈছে। ঠিক সেইদৰে বহু অঞ্চলত টকৌপাত, তালপাত আদিও চালত ব্যৱহাৰ কৰা পৰিলক্ষিত হ'ব।

আহোম ৰজাসকলে পোৰামাটিৰ পকীঘৰো সজাইছিল। সাধাৰণ প্রজাই এনে ঘৰ নির্মাণ কৰিব নোৱাৰিছিল। স্বর্গদেওসকলৰ ৰাজ অভিষেকৰ কাৰণে পাটঘৰ, হোলোংঘৰ, শিঙৰি ঘৰ আদিও নির্মাণ কৰিছিল। এওঁলোকৰ ঘৰসমূহত দুয়োমূৰে টুপ লগোৱা দেখা যায়। উল্লেখযোগ্য যে সাধাৰণ প্রজাই তেওঁলোকৰ ঘৰত টুপ লগোৱাত বাধা আছিল।

অসমীয়া লোকসমাজত নামঘৰৰ স্থান অতিকে উচ্চ। সাধাৰণতে নামঘৰৰ সন্মুখত বাটচ'ৰা নির্মাণ কৰা হয়। বহু ধনী ব্যক্তিয়েও নিজৰ ঘৰত পদুলিমুৱত বাটচ'ৰা নির্মাণ কৰে। নামঘৰসমূহত মূলতঃ চাৰিটা ভাগ থাকে— মণিকূট, কীর্তনঘৰ, ছোঁঘৰ আৰু বাটচ'ৰা। বহু ঠাইত অৱশ্যে আর্থিক অৱস্থাৰ বাবে কেৱল কীর্তনঘৰটোহে সজা দেখা যায়। কীর্তনঘৰটো পূবা-পশ্চিমাকৈ সাজি একেবাৰে পূবৰ ফালে উত্তৰা-দক্ষিণাকৈ মণিকূট সজা হয়। নামঘৰটোৰ দক্ষিণ-পশ্চিম চুকতে সাধাৰণতে ছোঁঘৰ সজা হয়। পূর্বতে নামঘৰ নির্মাণ কৰোঁতে চাৰি শাৰী খুঁটা পোতা হৈছিল। দুফালে দুশাৰী পানী পাচৰ খুঁটা পুতি মাজত দুফালে দুশাৰী মাজৰ পাচৰ খুঁটা পোতা হয়। মাজৰ পাচৰ খুঁটা দুশাৰীৰ প্রথম কোঠাটোৰ প্রথম খুঁটাযোৰ এৰি দ্বিতীয় খুঁটা যোৰৰ সোঁহাতৰ খুঁটাটোৰেই নামঘৰৰ প্রধান খুঁটা বা লাইখুঁটা। মণিকূটৰ চাৰিওফালে মজবুতকৈ বেৰ দি মাজত দুৱাৰ ৰখা হয়। সাধাৰণতে কীর্তন ঘৰটোত বেৰ দিয়া নহয় যদিও কেতিয়াবা কেতিয়াবা দিয়া হয়। নামঘৰৰ খুঁটা, চটি আদিত হেঙুল-হাইতালেৰে বিভিন্ন ৰহণৰ প্রয়োগ কৰি লতা, ফুল, মূর্তি আদি কাটি উলিওৱা হয়। বহু নামঘৰৰ মণিকূট আৰু নামঘৰৰ দুৱাৰত কৃষ্ণৰ বিভিন্ন অৱতাৰ বা বৈষ্ণৱ ধর্মৰ লগত মিল থকা বিভিন্ন পুৰাণৰ কাহিনীৰ আধাৰত চিত্র অংকন কৰা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ লোকশিল্পৰ প্রতিটো উপাদানতে লোককলাৰ ধর্ম অক্ষুণ্ণ থাকেনে?

.....

প্রশ্ন নং ৩ ঃ ঢেঁকীশাল সাধাৰণতে ক'ত পতা হয়?

.....

১২.৩.৪ লোকআভৰণ

লোকআভৰণৰ ভিতৰত দুটা বিষয় অন্তর্ভুক্ত, যথা— সাজ-পাৰ আৰু আ-অলংকাৰ। বস্ত্র পৰিধান কৰা ৰীতিৰ সহায়েৰে আমি লিংগ, বয়স, বিবাহিত, অবিবাহিত, সধবা, বিধবা আদিৰ সংকেত পোৱাৰ উপৰি জাতি-বর্ণ-ধর্ম, ধনী-দুখীয়া আদিৰ প্রভেদো গম পাব পাৰোঁ। সাজ-পাৰৰ মাজেদি জাতিটোৰ সাংস্কৃতিক চেতনা, জাতীয় ঐতিহ্য, সৌন্দর্যবোধ আদিৰ উমান পাব পাৰি।

অসমীয়া লোকসমাজতো সাজ-পাৰে এক বিশেষ ভূমিকা গ্রহণ কৰি আহিছে। অসমৰ পুৰুষসকলৰ মাজত প্রধান বস্ত্র হিচাপে প্রচলিত আছিল ধুতি। ধুতি পিন্ধাৰ ৰীতিয়েই অসমীয়া সমাজৰ সামাজিক স্থিতি প্রকাশ কৰিছিল। সাধাৰণ প্রজা, খেতিয়ক,

গৰখীয়া আদিয়ে আঠুমূৰীয়া চুৰিয়া পিন্ধিছিল। সম্ভ্রান্ত লোকসকলে ভৰিৰ সৰু গাঁঠিলৈকে পৰা ধুতি পিন্ধিছিল। আনহাতে গাত লৈছিল চাদৰ। উল্লেখযোগ্য যে ধুতি আৰু চাদৰ লোৱাৰ বিভিন্ন ৰীতি বিৰাজমান। পূৰ্বতে পাগুৰি মৰাৰ ৰীতি নাছিল যদিও আহোমসকলৰ দিনৰে পৰা ইয়াৰ প্ৰচলন হয়। এঙাচোলা, গোমচেঙৰ চোলা, চটিনৰ চোলা, নৰাচোলা, বুকুচোলা, মিৰ্জাই চোলা, মোগলাই চোলাৰ লগত আন বিভিন্ন প্ৰকাৰৰ চোলাও আহোম যুগৰ পৰা প্ৰচলন হ'বলৈ ধৰে। অসমীয়া মানুহে সাধাৰণতে কপাহী, এড়ি, মুগা আৰু পাটৰ কাপোৰ ব্যৱহাৰ কৰিছিল। পূৰ্বতে অসমীয়া শিপিনীয়ে তাঁতশালতে নিত্য ব্যৱহাৰ্য এই ধৰণৰ বস্ত্ৰ তৈয়াৰ কৰিছিল। গামোচা, চাদৰ, চেলেং, বৰ কাপোৰ, তিয়নী, চুৰিয়া বা ধুতি, ৰিহা কাপোৰ, চোলা কাপোৰ আদি সকলো নিজে বৈ ব্যৱহাৰ কৰিছিল।

অসমীয়া নাৰীয়ে পূৰ্বতে শাৰী পৰিধান কৰিছিল। বৈষ্ণৱ যুগৰ কবিৰ ৰচনা তথা উজনি নামনি দুয়োফালে প্ৰচলিত বিয়া নামত থকা কন্যাৰ সাজ-পা�ৰৰ ক্ষেত্ৰত কৰা বৰ্ণনাত ইয়াৰ উল্লেখ পোৱা যায়।

শাৰী পিন্ধে শাৰী পিন্ধে ভাল মানুহৰ জী।
ভাল কৰি শাৰী পিন্ধে চিকাত গাৱত দি।। *(বিয়ানাম)*

পৰৱৰ্তীকালত ৰিহা-মেখেলা আৰু চেলেং বা চাদৰ ব্যৱহাৰ কৰিবলৈ লয়। এয়া মূলতঃ মংগোলীয় সংস্কৃতিৰ অৱদান বুলিয়েই অনুমান কৰা হৈছে। আহোম যুগত অসমীয়া মহিলাৰ সাজ-পাৰ কিছু পৰিৱৰ্তন ঘটে। আঁচুঅলীয়া ৰিহা, আঁচলে পাৰিয়ে গুণাকটা ৰিহা, গাৰিয়লী ৰিহা, দহিঅলীয়া ৰিহা আৰু কিংখাপৰ মেখেলা, গুণাকটা মেখেলা, গোমচেঙৰ মেখেলা, চাটনৰ মেখেলা, পাটৰ মেখেলা, মুগাৰ মেখেলা অসমীয়া তিৰোতাই অতীজৰেপৰা পৰিধান কৰি আহিছে। অবিবাহিতা আহোম মহিলাই ৰিহা নলৈছিল। বিবাহিতাই তিনি বস্ত্ৰ, ক্ৰমে— মেখেলা, চাদৰ আৰু ৰিহা, অবিবাহিতাই দুই বস্ত্ৰ— মেখেলা আৰু চাদৰ পৰিধান কৰিছিল।



জানি থোৱা ভাল

অসমীয়া লোকসমাজত সাজ-পাৰৰ বিশেষ স্থান আছে। ই মৰম আৰু মৰ্যাদাৰ প্ৰতীক। বিহুত বিহুৱান দিয়া কথাটিয়ে ইয়াৰ সাক্ষ্য বহন কৰে। অসমীয়া সমাজত সাজ-পাৰৰ ক্ষেত্ৰত বহু ৰীতি নীতিও আছে। তাঁতশালৰ প্ৰথম জুঁটিৰ চেলেং আৰু গামোচা ক্ৰমে গুৰু আৰু নামঘৰলৈ আগ কৰা হয়। ঠিক সেইদৰে বিভিন্ন উৎসৱ-পাৰ্বণত মান অনুসৰি বস্ত্ৰ দান কৰা হয়।

গতিশীল সময়ৰ বুকুত সমাজলৈ বহু পৰিৱৰ্তন আহে। সাংস্কৃতিক চিন্তা চেতনাৰ আদান-প্ৰদানৰ প্ৰভাৱত এই পৰিৱৰ্তন সংঘটিত হয়। অসমীয়া লোক সাজ-পাৰৰ ক্ষেত্ৰতো এই প্ৰভাৱৰ বাবেই বহু পৰিৱৰ্তন ঘটিছে। বৰ্তমানকালত বিভিন্ন ধৰণৰ লংপেণ্ট, চোলা,

চুড়িদাৰ আদিয়ো অসমীয়া সাজ-পাৰৰ ভিতৰুৱা হৈ পৰিছে।

মানুহৰ মনত থকা সৌন্দর্যবোধৰ পৰিচয় পোৱা যায় সাজ-পাৰৰ উপৰি দেহত পিন্ধা অলংকাৰৰ পৰা। অসমীয়া মানুহ এই সৌন্দর্যবোধৰ প্রতি সততে সচেতন আছিল। ইয়াৰ প্রমাণ পোৱা যায় পৰিধান কৰা বিভিন্ন আ-অলংকাৰৰ পৰা। অসমীয়া নাৰী-পুৰুষ উভয়েই অলংকাৰ পৰিধান কৰিছিল। পূর্বৰ পৰা ইয়াৰ প্রচলন আছিল যদিও আহোম ৰজাসকলৰ দিনৰপৰা ইয়াৰ চাহিদা ক্রমাৎ বৃদ্ধি পায়। অসমীয়া পুৰুষে কাণত বাখৰ পতা, লোকাপাৰ, লংকেৰু; ডিঙিত মগৰদানা; হাতত গামখাৰু আৰু আঙুলিত মোহৰৰ আঙুঠি পৰিধান কৰিছিল। পূর্বতে পুৰুষে কাণৰ লটি ফুটাই তাত সোণ আৰু বাখৰ খটুৱা লোকাপাৰ পিন্ধিছিল। ইয়াৰ উপৰি সৰু আৰু পাতল লংকেৰুও পৰিধান কৰিছিল। গামখাৰু আছিল হাতত পিন্ধা পুৰুষৰ অলংকাৰ বিশেষ। মূলতঃ ৰূপৰ গামখাৰু ব্যৱহাৰ কৰা হৈছিল যদিও বহুতে সোণৰ গামখাৰুও পিন্ধিছিল। ডিঙিত পিন্ধা সোণৰ বাখৰ পতা মণি 'মতামণি'ত ৰঙা পোৱালমণিত গাঠি দিয়া হয়। তদুপৰি ডিঙিত পিন্ধা আন এবিধ অলংকাৰ হ'ল মগৰদানা। পুৰুষে ভৰিত কোনো ধৰণৰ অলংকাৰ পৰিধান নকৰে।

আনহাতে অসমীয়া মহিলাসকলে ভৰিৰ পৰা মূৰলৈকে বিভিন্ন ধৰণৰ অলংকাৰ পৰিধান কৰে। এইবোৰৰ ভিতৰত কাণত পিন্ধা থুৰীয়া, বিভিন্ন ধৰণৰ কেৰু, কাণফুল, কাণবালা; ডিঙিত গলপতা, ডুগডুগী, চিপামণি, হাৰ, সাতসৰী, জোনবিৰি, বেনা, গেজেৰা, ঢোলবিৰি, মুকুতা মালা, বিৰিমণি, মটৰ মণি, শিলিখামণি, পোৱালমণি; হাতত মুঠি খাৰু, পাটীয়া খাৰু, চেওখাৰু, শলীয়া; বাহুত বাজু; আঙুলিত জেঠীনেজীয়া, ম'ৰানেজীয়া, শেনপতা, বাখৰপতা আঙুঠি; নাকত নাকফুল, নলক; ককালত কৰধ্বনি; ভৰিত উজণ্টি, পাজোৰা আদি পৰিধান কৰিছিল। অসমীয়াৰ বুকুৰ আপোন বিহুটিত গোৱা গীততো উল্লেখ আছে—

কেৰু মণি থুৰীয়া
তুমি আমাৰ যুৰীয়া
অ' মাকন !
বহাগতে পাতি যাওঁ বিয়া।

অসমীয়া তিৰোতাই মূৰৰ চুলিত তিনিদলীয়া চিতিপতি, মাজ কপালত বিভিন্ন ধৰণৰ লটকন ওলমাই ৰাখে।

এনেদৰে বিচাৰ বিশ্লেষণ কৰিলে দেখা যায় যে অসমীয়া লোকসমাজত বিবিধ আ-অলংকাৰ পূর্বৰে পৰা প্রচলন আছিল। বর্তমান ইয়াৰে বহু অলংকাৰ ব্যৱহাৰ কৰা দেখা নাযায়। মুলতঃ এয়া পৰিৱর্তনশীল সময়ৰ প্রভাব বুলি অনুমান কৰিব পাৰি। উল্লেখযোগ্য যে অসমীয়া অলংকাৰত প্রধানত বাখৰ আৰু মীনাৰ কাৰুকার্যই হ'ল প্রধান চানেকি।

১২.৩.৫ লোকৰন্ধন প্ৰণালী

খাদ্য মানুহৰ মৌলিক প্ৰয়োজনবোৰৰ ভিতৰত এটা। বেশভূষা, আচাৰ-ব্যৱহাৰ আদিৰ জৰিয়তে এজন মানুহৰ বিষয়ে যিমানখিনি জানিব পৰা হয়, খাদ্যৰ পৰা তাতোকৈ বেছি কথা জানিব পাৰি। সুৰুচিপূৰ্ণভাৱে জীৱন-নিৰ্বাহ কৰিব পৰাটোত সংস্কৃত সম্পন্ন মনোভাবৰ উমান পোৱা যায়। ৰন্ধন প্ৰণালী হ'ল ইয়াৰে এটা প্ৰধান উপকৰণ।

অসমীয়া মানুহৰ প্ৰধান খাদ্য হ'ল ভাত। প্ৰধানতঃ আৰৈ-উখোৱা চাউলৰ ভাত। বিভিন্ন ধৰণৰ ধান— বিশেষকৈ জহা, মাগুৰি, সুৱাগমণি, মালভোগ, শালি আদিৰ পৰা ভাত ৰন্ধা হয়। গৰম ভাতৰ উপৰি পইতা, কৰ্কৰা, বাহী ভাত খোৱাৰ পৰম্পৰাও অসমীয়া সমাজত বিদ্যমান।

অসমীয়া সমাজত অতীজৰে পৰা বিবিধ সুগন্ধি আৰু সুমিষ্ট ৰন্ধন প্ৰণালী চলি আহিছে। কোন পৰ্বত কি কি খাদ্য খাব লাগে, কি কি উপকৰণেৰে ৰান্ধিব লাগে, কেনেদৰে পাচলি কাটিব লাগে এনেধৰণৰ বিবিধ কথা আমি ডাকৰ বচন আৰু প্ৰবাদ-প্ৰবচনত উল্লেখ থকা দেখিবলৈ পাওঁ। যথা—

শাকে শোকোতাই ভক্ষণ।
সেয়ে পুৰুষৰ লক্ষণ।। (প্ৰবচন)
বুঢ়াই ডেকাই দুহালি বাবা।
তপতে পঁইতাই দুসাজি খাবা।। (ডাকৰ বচন)

অসমীয়া সমাজত প্ৰচলন থকা ৰন্ধন প্ৰণালী উপকৰণ অনুসৰি ইয়াক তিনি ধৰণে ভাগ কৰিব পাৰি, ক্ৰমে— টেঙা, তিতা আৰু খাৰ। টেঙাৰ আঞ্জা যি ধৰণেই নাৰান্ধক অসমীয়া মানুহৰ বাবে সেয়াই প্ৰিয়। বিলাহি, কণবিলাহি, টেঙামৰা, ঔটেঙা, থেকেৰা, চুকা শাক হ'ল এনেধৰণৰ টেঙা আঞ্জাৰ উপকৰণ। কণবিলাহি, মাগুৰ মাছ আৰু কচুথোৰৰ আঞ্জা; ঔটেঙা ঢেকীয়া শাক আৰু পুঠি মাছৰ তৰকাৰী বা শ'ল মাছৰ লগত ঔটেঙা; পকা তেতেলী আৰু বুঢ়া বৰালী আদি সুস্বাদু আঞ্জাৰ সৰ্বোত্তম সংমিশ্ৰণ। আনহাতে বাঁহ অসমীয়া সংস্কৃতি প্ৰতিটো অংশতে লিপিট খাই আছে বুলি আমি আগতেও উল্লেখ কৰিছো। বাঁহৰ গাজ আৰু মাছৰ মূৰৰ আঞ্জা আন এক অসমীয়া লোকখাদ্য। টেঙাৰ দৰে অসমীয়াৰ আন এবিধ প্ৰিয় খাদ্য বস্তু হ'ল খাৰ। আনকি 'খাৰ খোৱা অসমীয়া' বুলি এযাৰ আপ্তবাক্যও প্ৰচলন আছে । ইয়াৰ পৰাই অনুমান কৰিব পাৰি অসমীয়া সমাজত খাৰৰ জনপ্ৰিয়তা। কলগছৰ পৰা প্ৰস্তুত কৰা কলাখাৰ আৰু দলনিত হোৱা শাকৰ পৰা সৎখাৰ, আঠিয়া কলৰ শুকান বাকলি পুৰি তৈয়াৰ কৰা খাৰ আদি বিভিন্ন ধৰণৰ খাৰ অসমীয়া সমাজত প্ৰচলিত। পূৰ্বতে লোণৰ পৰিৱৰ্তে খাৰ ব্যৱহাৰ কৰা হৈছিল। অমিতা, পচলা, মাটিমাহ, লাউশাক, তিতামৰাৰ শুকান পাত, তিতাফুল, শোকোতা আদি বিবিধ পাচলিৰ লগত খাৰ ৰন্ধা হয়।

অসমীয়া মানুহে তিতা খায়ো ভাল পায়। মূলতঃ শোকোতা, দোৱোণফুল, শুকলতি, নৰসিংহ, হেলচ, তিতা কেৰেলা, শেৱালী ফুল, বেতগাঁজ, ভেকুৰিতিতা, তিতাফুল আদি হ'ল সাধাৰণতে খোৱা তিতা পাচলি।

মাটিমাহৰ ব্যঞ্জনখন প্ৰত্যেকজন অসমীয়া মানুহৰে প্ৰিয়। কথাতে আছে 'হাঁহে মাহে' সুস্বাদু হয়। বিভিন্ন ধৰণৰ বনশাক মাছ-মঙহেৰে অসমীয়া মানুহে খায়। অসমীয়া মানুহে ডাঙৰ-সৰু প্ৰায় সকলো ধৰণৰ মাছেই খায়। মাছ খোৱাৰ তিনিটামান উল্লেখযোগ্য প্ৰণালী হ'ল— পাতত দিয়া, পোৱা আৰু খৰিকাত দিয়া। মোৱা মাছ পাতত দি, গৰৈ মাছ খৰিকাত দি বা পুৰি কৰ্কৰা বা পইতা ভাতৰ সতে খোৱা হয়। জালুকেৰে কুচিয়া দি ৰন্ধা জোলকণো খাবলৈ অতিকৈ সুস্বাদু।

অসমীয়া মানুহে ৰান্ধোতে সাধাৰণতে বৰ বেছি মা-মচলা ব্যৱহাৰ নকৰে। বাৰীত হোৱা আদা অকণ, নহৰু কেইফুটামান, তেজপাত, জালুক, ধনীয়া, সৰিয়হ, জিৰা আদিয়েই হ'ল প্ৰধান মা-মচলা। ৰোগ ব্যাধি নিৰাময় আৰু শৰীৰৰ শক্তি বঢ়াবলৈও ভেদাইলতা, মানিমুনি, মাটিকাদুৰি, কৰ্দৈ আদিৰ সৈতে কাৰৈ, গৰৈ, শ'ল, মাগুৰ আদি মাছ ৰন্ধা হয়। প্ৰায়বিলাক অসমীয়া মানুহে ভক্ষণ কৰা মাংস হ'ল— হাঁহ, পাৰ, ছাগলী। বৰ্তমান কুকুৰাও প্ৰায় সকলো মানুহে খায়।

অসমীয়া জা-জলপানসমূহ মূলতঃ চাউলৰ পৰাই প্ৰস্তুত কৰা হয়। চিৰা, মুৰি, মুৰিৰ লাডু, আখৈ, গোট কৰাই, পিঠাগুৰি, কোমল চাউল, বৰা চাউল আৰু বিভিন্ন ধৰণৰ পিঠা অসমীয়া প্ৰতিজন ব্যক্তিৰে অতিকৈ আপোন। পিঠাৰ ভিতৰত তিলপিঠা, ঘিলাপিঠা, পানীপিঠা, চুঙাপিঠা, টেকেলি পিঠা আদি উল্লেখযোগ্য।

উল্লেখযোগ্য যে বিহুৰ সময়ত আমৰলি পৰুৱাৰ টোপ খোৱা হয়। বিভিন্ন সময়ত কোনবোৰ খাদ্য সাধাৰণতে খোৱা নহয় সেই বিষয়েও অসমীয়া সমাজত কিছুমান বাধা-নিষেধ আছে। যেনে— প্ৰতিপদত কোমোৱা, তৃতীয়াত পটল, চতুৰ্থীত মূলা, পূৰ্ণিমা আউসী তথা সংক্ৰান্তিত মাছ-মঙহ খোৱা নিষেধ। যিকোনো খাদ্য খোৱাৰ পাছত অসমীয়া মানুহে মুখশুদ্ধিৰ বাবে মুহুদি কৰে তামোল-পাণেৰে। মূলতঃ অষ্ট্ৰিকসকলৰ পৰা অহা এই তামোল-পাণৰ ব্যৱহাৰ অসমীয়া লোকজীৱনত অতি ব্যাপক। তামোল উপৰি কৰ্পূৰ, আদা, আমলখি, শিলিখা আদিও মুখশুদ্ধি হিচাপে ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ অসমীয়া সমাজত নাৰীয়ে ব্যৱহাৰ কৰা তিনি বস্ত্ৰ কি কি?

.....

প্রশ্ন নং ৫ ঃ অসমীয়া সমাজত মাছ খোৱাৰ প্ৰধান প্ৰণালী কেইটা কি কি?

.....



চিন্তা-চৰ্চা কৰক — ১২.২

ইয়াত উল্লেখ কৰা বিবিধ ৰন্ধন শৈলীৰ বাহিৰে আপুনি জনা অসমীয়া লোকৰন্ধন প্ৰণালীসমূহৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকসংস্কৃতিৰ এটা প্ৰধান বিভাগ হ'ল ভৌতিক সংস্কৃতি। আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা সামগ্ৰীসমূহেই এই বিভাগটিত অন্তৰ্ভুক্ত হৈ আছে। এই বিভাগটিত লোকশিল্প, লোককলা, লোকস্থপতি বিদ্যা, লোকআভৰণ আৰু লোকৰন্ধন প্ৰণালী — আদি দিশসমূহ সন্নিৱিষ্ট হৈ আছে। দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ পৰা আদি কৰি বিভিন্ন উৎসৱ-অনুষ্ঠানত বিশেষভাৱে প্ৰয়োজন হোৱা বিভিন্ন সামগ্ৰীলৈকে লোকশিল্পৰ পৰিসৰ পৰিব্যাপ্ত হৈ আছে। মূলতঃ লোকশিল্পই ব্যক্তিজীৱন তথা সামূহিক জীৱনৰ প্ৰয়োজনীয়তা পূৰণ কৰে যদিও বহুসময়ত এইবোৰে অৰ্থনৈতিক দিশতো বিশেষ ভূমিকা গ্ৰহণ কৰে।
- অসমৰ লোকশিল্পসমূহক কেইবাটাও বিভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। যথা — বয়নশিল্প, মৃৎশিল্প, বাঁহ, বেত, কাঠ, কুঁহিলা, হাতী দাঁতৰ শিল্প আৰু ধাতুশিল্প। এইবোৰৰ উপৰি অসমৰ হাবিত পোৱা মাদুৰি, পাটি দৈ, মুঠাবন, তালপাত, টকৌপাত, মৰাপাট, ৰিহা, কুকুৰমুতা আদি গছৰ আঁহ, গড়ৰ খড়গ, ম'হ আৰু পহুৰ শিং আদিৰ পৰাও অসমীয়া লোকশিল্পীয়ে বহু মূল্যবান সা-সামগ্ৰী নিৰ্মাণ কৰে।
- লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা কলাই হ'ল লোককলা। লোককলা আৰু লোকশিল্প এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। মূল কথাটি হ'ল — 'আনন্দদানৰ প্ৰকাৰ্য সম্পৃক্ত নিৰ্মিতিয়েই কলা আৰু জীৱনৰ বাস্তৱিক প্ৰকাৰ্য সম্পৃক্ত নিৰ্মিতিয়েই শিল্প।'
- অসমৰ লোকস্থপতি বিদ্যা বুলি ক'লে প্ৰধানতঃ বাঁহেৰে নিৰ্মাণ কৰা ঘৰ-দুৱাৰৰ কথাকে বুজিব লাগিব। বাঁহৰ উপৰি বেত, ইকৰা, খেৰ আৰু কাঠো ইয়াৰ বাবে ব্যৱহাৰ কৰা হয়। অসমৰ লোকসমাজত বিবিধ প্ৰয়োজন মতে সজা ঘৰবোৰৰ ভিতৰত — চ'ৰাঘৰ, বৰঘৰ, সৰুঘৰ, মাৱলঘৰ, শোৱনিঘৰ, ৰান্ধনিঘৰ, ঢেঁকীশাল, তাঁতশাল, ভঁৰাল, বাটচ'ৰা, নামঘৰ, গোসাঁইঘৰ আদিয়েই প্ৰধান। ইয়াৰে বেছিভাগ ব্যক্তিগত আৰু দুই এক ৰাজহুৱা ঘৰ। অসমীয়া লোকসমাজত নামঘৰৰ স্থান অতিকে উচ্চ। নামঘৰসমূহত মূলতঃ চাৰিটা ভাগ থাকে—

মণিকূট, কীর্তনঘৰ, ছোঁঘৰ আৰু বাটচ'ৰা।

- লোকআভৰণৰ ভিতৰত দুটা বিষয় অন্তর্ভুক্ত, যথা— সাজ-পাৰ আৰু আ-অলংকাৰ। সাজ-পাৰ, আ-অলংকাৰৰ মাজেদি জাতিটোৰ সাংস্কৃতিক চেতনা, জাতীয় ঐতিহ্য, সৌন্দর্যবোধ আদিৰ উমান পাব পাৰি। অসমীয়া মানুহে সাধাৰণতে কঁপাহী, এড়ি, মুগা আৰু পাটৰ কাপোৰ ব্যৱহাৰ কৰিছিল। পূর্বতে অসমীয়া শিপিনীয়ে তাঁতশালতে নিত্য ব্যৱহার্য এই ধৰণৰ বস্ত্র তৈয়াৰ কৰিছিল। গামোচা, চাদৰ, চেলেং, বৰ কাপোৰ, তিয়নী, চুৰিয়া বা ধুতি, ৰিহা কাপোৰ, চোলা কাপোৰ আদি সকলো নিজে বৈ ব্যৱহাৰ কৰিছিল। পুৰুষসকলৰ মাজত প্রধান বস্ত্র হিচাপে প্রচলিত আছিল ধুতি আৰু চাদৰ। অসমীয়া বিবাহিতা তিৰোতাই তিনি বস্ত্র ক্রমে— মেখেলা, চাদৰ আৰু ৰিহা, অবিবাহিতাই দুই বস্ত্র— মেখেলা আৰু চাদৰ পৰিধান কৰিছিল।
- মানুহৰ মনত থকা সৌন্দর্যবোধৰ পৰিচয় পোৱা যায় সাজ-পাৰৰ উপৰি দেহত পিন্ধা অলংকাৰৰ পৰা। অসমীয়া মানুহ এই সৌন্দর্যবোধৰ প্রতি সততে সচেতন আছিল। ইয়াৰ প্রমাণ পোৱা যায় পৰিধান কৰা বিভিন্ন আ-অলংকাৰৰ পৰা। অসমীয়া নাৰী-পুৰুষ উভয়েই অলংকাৰ পৰিধান কৰিছিল। পূর্বৰ পৰা ইয়াৰ প্রচলন আছিল যদিও আহোম ৰজাসকলৰ দিনৰপৰা ইয়াৰ চাহিদা ক্রমাৎ বৃদ্ধি পায়।
- অসমীয়া মানুহৰ প্রধান খাদ্য হ'ল ভাত। প্রধানতঃ আৰৈ-উখোৱা চাউলৰ ভাত। অসমীয়া জা-জলপানসমূহ মূলতঃ চাউলৰ পৰাই প্রস্তুত কৰা হয়। চিৰা, মুৰি, মুৰিৰ লাড়ু, আখৈ, গোট কৰাই, পিঠাগুৰি, কোমল চাউল, বৰা চাউল আৰু বিভিন্ন ধৰণৰ পিঠা অসমীয়া প্রতিজন ব্যক্তিৰে অতিকে আপোন। অসমীয়া সমাজত প্রচলন থকা ৰন্ধন প্রণালী উপকৰণ অনুসৰি তিনি ধৰণে ভাগ কৰিব পাৰি। ক্রমে— টেঙা, তিতা আৰু খাৰ। বিভিন্ন ধৰণৰ বনশাক মাছ-মঙহেৰে অসমীয়া মানুহে খায়। অসমীয়া মানুহে ডাঙৰ-সৰু প্রায় সকলো ধৰণৰ মাছেই খায়। মাছ খোৱাৰ তিনিটামান উল্লেখযোগ্য প্রণালী হ'ল— পাতত দিয়া, পোৱা আৰু খৰিকাত দিয়া।



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ

১) কাগ্য়ুং, ভৃগুমুনি (সম্পাঃ) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য;* গুৱাহাটী।

২) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি*; ডিব্রুগড় ঃ বনলতা।

৩) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জনসাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৪) দাস, যুগল; *অসমৰ লোককলা;* গুৱাহাটী।

৫) তাহেৰ, মহম্মদ (মুখ্য সম্পাদক) (২০০৫); *বিশ্বকোষ (অষ্টম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৬) তাহেৰ, মহম্মদ (মুখ্য সম্পাদক) (২০০৬); *বিশ্বকোষ (নৱম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৭) নার্জি, ভবেন (১৯৭১); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী।

৮) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

৯) নেওগ, মহেশ্বৰ (১৯৬৪), *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১০) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পাঃ) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

১১) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

১৩) ৰাজবংশী, পৰমানন্দ (সম্পাঃ), (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ প্রাগ্‌জ্যোতিষ মহাবিদ্যালয়।

১৪) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৫) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৬) শর্মা, নবীন চন্দ্র (সম্পাঃ) (১৯৮৭); *ডাক প্রৱচন;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৭) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্রন্থ

১৮) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

১৯) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

২০) Dundes, A. (1978). *Essays in Folkloristics*. Folklore Institute.

২১) Dutta, B. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

২২) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

২৩) Sarma, N. C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasan.

১২.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গৌৰীপুৰত।

২ নং প্রশ্নৰ উত্তৰ ঃ থাকে।

৩ নং প্রশ্নৰ উত্তৰ ঃ মাৰলঘৰ বা তাৰ পিৰালিত ঢেঁকীশাল পতা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ মেখেলা, চাদৰ আৰু বিহা।

৫ নং প্রশ্নৰ উত্তৰ ঃ পাতত দিয়া, পোৰা আৰু খৰিকাত দিয়া।

১২.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

(ক) ভৌতিক সংস্কৃতি মানে কি?

(খ) ভৌতিক সংস্কৃতিত কি কি বিষয় সন্নিৱিষ্ট হৈ আছে?

(গ) লোকশিল্পই কোনবোৰ দিশ সামৰে?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক —

ক) অসমৰ আ-অলংকাৰ খ) অসমৰ সাজ-পাৰ

গ) অসমৰ বয়নশিল্প ঘ) অসমৰ মৃৎশিল্প ঙ) অসমৰ ধাতুশিল্প

প্রশ্ন ২ ঃ লোকশিল্প আৰু লোককলাৰ মাজত সম্পর্ক আছেনে? উদাহৰণসহ বুজাই লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ লোকস্থপতি বিদ্যা মানে কি? অসমৰ লোকস্থপতি বিদ্যা সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ অসমৰ লোকআভৰণ সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ অসমৰ লোকৰন্ধন প্রণালী সম্পর্কে এটি প্রবন্ধ লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ লোকপৰিৱেশ্য কলা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ লোকপৰিৱেশ্য কলা
১৩.৪ অসমৰ লোকপৰিৱেশ্য কলা
১৩.৪.১ লোকসংগীত
১৩.৪.২ লোকনাট্য
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লোকপৰিৱেশ্য কলা মানে কি সেয়া জানিব পাৰিব
- অসমৰ লোকগীত সম্পর্কে ধাৰণা লাভ কৰিব
- অসমৰ লোকনৃত্যৰ চমু পৰিচিতি লাভ কৰিব
- অসমৰ লোকবাদ্যসমূহৰ বিষয়ে অধ্যয়ন কৰিব
- অসমৰ সমৃদ্ধ লোকনাট্য পৰম্পৰাৰ বিষয়ে জ্ঞাত হ'ব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়কেইটিত আপুনি অসমৰ লোকসংস্কৃতিৰ সম্যক ধাৰণা লাভ কৰি অসমৰ লোকসমাজত প্রচলিত বিবিধ লোকাচাৰ, অসমৰ ভৌতিক সংস্কৃতি সম্পর্কে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আমি অসমৰ লোকপৰিৱেশ্য কলাৰ বিষয়ে অধ্যয়ন কৰিম।

আপুনি নিশ্চয় জানে যে যিবোৰ কলা পৰিৱেশন কৰা হয় গীত, নৃত্য আৰু অভিনয়ৰ জৰিয়তে সেইবোৰ কলাকে পৰিৱেশ্য কলা বোলে। সাধাৰণভাৱে ক'বলৈ হ'লে যিবোৰ কলাৰ আনুষ্ঠানিক বা অন্যান্যৰূপত পৰিৱেশনীয় ৰূপ এটা থাকে, যেনে — গীত, নৃত্য, নাট্য — সেইবোৰেই পৰিৱেশ্য কলা। এই বিষয়ে ইতিমধ্যে আপুনি যোৱা ষাণ্মাসিকৰ শেষৰটো অধ্যায়ত অধ্যয়ন কৰি আহিছে। এই অধ্যায়টিয়ে আপোনাক অসমৰ লোকসমাজত প্রচলিত বিভিন্ন লোকগীত, লোকনৃত্য, লোকবাদ্য আৰু লোকনাট্যৰ বিষয়ে পৰিচয় জ্ঞাপন কৰিব।

১৩.৩ লোকপৰিৱেশ্য কলা

লোকসমাজ প্ৰধানতঃ কৃষিভিত্তিক। কৃষিভিত্তিক সমাজৰ দৈনন্দিন জীৱনৰ লগত জড়িত হৈ আছে বিভিন্ন বিশ্বাস, আচাৰ-অনুষ্ঠান, বিভিন্ন ধৰ্মীয় পৰম্পৰা তথা লোকমনোৰঞ্জন। কৃষিকাৰ্যৰ আৰম্ভণিৰ পৰা আৰম্ভ কৰি শস্য চপোৱালৈকে নাৰী-পুৰুষৰ উৰ্বৰতাজনিত বিবিধ লোকাচাৰ, ধৰ্মীয় পৰম্পৰা, লোকমনোৰঞ্জন, কৰ্মস্পৃহা বৃদ্ধি আদি বিভিন্ন কাৰকৰ আধাৰতেই গীত, নৃত্য আৰু নাট্যৰ সৃষ্টি হয়। এই গীত, নৃত্য আৰু লোকনাট্যৰ সমষ্টিয়েই হ'ল লোকপৰিৱেশ্য কলা।

ইতিমধ্যে আলোচনা কৰি অহা হৈছে যে লোকসংস্কৃতিবিদ ৰিচার্ড এম. ডৰচনে লোকসংস্কৃতিক মূলতঃ চাৰিটা ভাগত ভাগ কৰিছে। ইয়াৰে চতুৰ্থটোৱেই হৈছে লোকপৰিৱেশ্য কলা। প্ৰখ্যাত কলাতত্ত্ববিদ কপিলা ব্যাৎসায়নে মন্তব্য কৰিছে যে— গ্ৰাম্যসমাজৰ, মূলতঃ কৃষিকৰ্মৰ জড়িত এচাম পাৰদৰ্শী গায়ক, নৰ্তক, অভিনেতা ক্ৰমান্বয়ে এনে পৰিৱেশ্য কলাসমূহৰ ধাৰক তথা বাহকৰ স্বাৰ্থত কৃষিকৰ্মৰ সৈতে বিচ্ছিন্ন হৈ এই কলাসমূহৰ বৃত্তিধাৰী হৈ পৰিল। এই লোকসকলে ভাৰতৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিছিল আৰু জনসমাজত নাট, ভাট, গন্ধৰ্ব, বৈৰাগী, বীণকাৰ আদি পৰিচয়ৰে জনাজাত হৈ পৰিল। পাণিনিৰ দিনত এওঁলোক স্বীকৃতিপ্ৰাপ্ত হৈ ভাৰতীয় আন্তঃগাঁথনিত সংঘটিত সংস্কাৰ আন্দোলনৰ বাহক হিচাপে চিহ্নিত হ'ল। কালক্ৰমত এওঁলোকৰ পৰিৱেশ্য কলাসমূহে ভাৰতৰ সামাজিক, সাংস্কৃতিক পৰিৱৰ্তনৰ আহিলা হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভৰাই, নৌটঙ্কী, ওত্তান, খুন্নাল আদি সমসাময়িক কলাসমূহ এই ৰীতিৰ বুলি তেওঁ মন্তব্য কৰিছে। এনে ধৰণৰ কলাসমূহৰ আংগিকগত কলা-কৌশল, ৰচনাৰীতি, অনুষংগ অনুধাবন কৰিয়েই লোকনাট্য, পৰম্পৰাগত নাট্য, লোকনৃত্য আখ্যা দিয়া হৈছে।

বৈদিক যুগৰ পৰাই ভাৰতৰ পৰিৱেশ্য কলাসমূহৰ বিকশিত ৰূপ প্ৰতিভাত হয়। ভৰতমুনিৰ ৰচনা বুলি খ্যাত পঞ্চম বেদস্বৰূপ *নাট্যশাস্ত্ৰ*ই ইয়াৰ প্ৰমাণ দাঙি ধৰে। তেওঁ প্ৰতিখন বেদৰ পৰা, ক্ৰমে— *ঋকবেদ*ৰ পৰা বিষয়বস্তু, *সামবেদ*ৰ পৰা সংগীত, *যজুবেদ*ৰ পৰা অংগী-ভংগী আৰু *অথৰ্ববেদ*ৰ পৰা ৰস গ্ৰহণ কৰি তেওঁ *নাট্যশাস্ত্ৰ* লিখি উলিয়ায়। তেওঁ *নাট্যশাস্ত্ৰত* 'লৌকিকী' আৰু 'নাট্যধৰ্মী' শব্দটো প্ৰয়োগ কৰালৈ চাই লোকনাট্য পৰম্পৰাৰ কথা অনুধাৱন কৰাটো সহজ হৈ পৰে। তদুপৰি নাট্যশাস্ত্ৰত কোৱা হৈছে—

স্বভাৱভাৱোপগতং শুদ্ধন্ত্ববিকৃকতং তথা।
লোক বার্তা ক্ৰিয়াপেতমমঙ্গলীলা বিৱজিতম্।।
স্বভাৱভিন্নযোপেতং নানা স্ত্ৰী পুৰুষাশ্ৰয়ম্।
যদীদৃশং ভৱেন্নাট্যং লোকধৰ্মী তু সা স্মৃতা।।

অৰ্থাৎ যত লোক স্বভাৱ অনুসৰি ভাব প্ৰদৰ্শন কৰা হয়, সৰল তথা অকৃত্ৰিম ক্ৰিয়া কলাপ, তথা সামান্য প্ৰজাজনৰ আচাৰ-আচাৰণক বিষয়বস্তু ৰূপে কৌশলপূৰ্ণ ভাব-ভংগী বৰ্জিত আংগিক অভিনয়েৰে সহজ সৰলভাৱে প্ৰদৰ্শন কৰা হয় আৰু য'ত বিভিন্ন ধৰণৰ স্ত্ৰী-পুৰুষে অংশগ্ৰহণ কৰে তেনে নাট্যানুষ্ঠানেই লোকধৰ্মী। এই বক্তব্যৰ পৰা আমি তদানীন্তন সমাজত

লোকপৰিৱেশ্য কলাৰ স্থিতি সম্পৰ্কে স্পষ্ট আৰু পৰিষ্কাৰ ধাৰণা লাভ কৰোঁ।

উল্লেখযোগ্য যে নাট্যকলাত নৃত্য-গীত-বাদ্য আৰু অভিনয় জড়িত থকাৰ বাবে ইয়াক পৰিৱেশ্য কলাৰ সম্পূৰ্ণ ৰূপ বোলা হয়। আনহাতে স্বতঃস্ফূৰ্ত অংশগ্ৰহণ আৰু সৰ্বাত্মক অভিব্যক্তিয়েই হ'ল লোকপৰিৱেশ্য কলাৰ মূল বৈশিষ্ট্য।

এই আলোচনাৰ পৰা আমি ধাৰণা লাভ কৰিলোঁ যে ভাৰতত লোকপৰিৱেশ্য কলা অতীত কালৰে পৰা প্ৰৱহমান হৈ আহিছে। মূলতঃ লোকসমাজৰ বিভিন্ন উৎসৱ, ধৰ্মীয় পৰম্পৰা, ঐন্দ্ৰজালিক ক্ৰিয়াৰ অনুষংগতে লোকনাট্যৰ সৃষ্টি। সেই বাবেই *Dictionary of World Literature* (J.T. Shipley)ত কোৱা হৈছে— "Folk drama began in primitive pragan rites and magic ceremonies of song and dance." এই বিষয়ে আমি যোৱা ষাণ্মাসিকত বহলাই আলোচনা কৰি আহিছোঁ বাবে ইয়াত পুনৰাই আলোচনা কৰা নহ'ল।



জানি থোৱা ভাল

পৰিৱৰ্তনশীল সময়ৰ বুকুত লোকপৰিৱেশ্য কলা আৰু শাস্ত্ৰীয় পৰিৱেশ্য কলাৰ মাজত পাৰস্পৰিক সংযোগ সংঘটিত হৈছে। বৰ্তমান সমাজত নগৰীয়া দৰ্শক-শ্ৰোতাৰ বাবে বেছি আকৰ্ষণীয় হৈ পৰিছে লোকপৰিৱেশ্য কলাসমূহ। এইবোৰক আধাৰ হিচাপে লৈয়েই আধুনিক পৰিৱেশ্য কলাসমূহত ন ন ধাৰণাৰ উন্মেষ ঘটিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *নাট্যশাস্ত্ৰৰ* প্ৰণেতা কোন?

.....

১৩.৪ অসমৰ লোকপৰিৱেশ্য কলা

পৃথিৱীৰ অন্যান্য সমাজবোৰত প্ৰচলিত থকা লোকপৰিৱেশ্য কলাৰ সমগোত্ৰীয় বিভিন্ন লোকপৰিৱেশ্য কলা অসমতো অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ আহিছে। ইয়াৰ প্ৰাচীনত্বৰ কথা আমি গম পাব পাৰোঁ ভৰতমুনিৰ *নাট্যশাস্ত্ৰত* থকা উল্লেখৰ পৰা। তাত উল্লেখ আছে—

চতুৰ্বিধা প্ৰবৃত্তিশ্চ প্ৰোক্তা নাট্য প্ৰয়োগতঃ।
আবন্তী দাক্ষিণাত্যাশ্চ পাঞ্চলী ওড্ৰমাগধী।।

ইয়াৰে ওড্ৰমাগধীয়ে অংগ, বংগ, কলিংগ, ওড্ৰ, মগধ, পুণ্ড্ৰ, নেপাল, প্ৰাগ্‌জ্যোতিষ আদি ঠাই সামৰিছে। এই বক্তব্যৰ পৰাই আমি অনুমান কৰিব পাৰোঁ যে প্ৰাচীন কালৰে পৰাই অসমত লোকপৰিৱেশ্য কলাৰ পৰম্পৰা প্ৰৱহমান। অসমৰ লোকপৰিৱেশ্য কলাসমূহক তলত দিয়া বিভাজন মতে আলোচনা কৰিব পাৰি।

১৩.৪.১ লোকসংগীত

শাৰংগদেৱৰ *সংগীত ৰত্নাকৰ* পুথিত সংগীতৰ সংজ্ঞা দিয়া হৈছে এনেদৰে— "গীতং বাদ্যং নৃত্যং ত্রয়ং সংগীত মুচ্যতে।" — অর্থাৎ সংগীত বুলি ক'লে আমি বুজোঁ যে ই গীত, বাদ্য আৰু নৃত্যৰ সমষ্টি। সুৰ সঞ্চাৰ কৰি বাদ্যযন্ত্ৰৰ সহযোগত পৰিৱেশন কৰা কবিতাই গীত। ইয়াত গীতৰ ভাব আৰু ৰস দর্শকৰ চিত্তলৈ কঢ়িয়াই নিবৰ বাবে যিখিনি অভিনয় আৰু অভিনয় প্রকার্যৰ সংযোগ কৰা হয় সেয়াই নৃত্ত বা নৃত্য। এই তিনিটাৰ সহযোগত সৃষ্টি হয় সংগীতৰ। লোকসংগীতৰ ক্ষেত্রটো একেই কথা খাটে। অর্থাৎ লোকগীত, লোকনৃত্য আৰু লোকবাদ্যৰ সমন্বয়েই হ'ল লোকসংগীত।



জানি থোৱা ভাল

লোক সংস্কৃতিবিদ ৰিচার্ড এম. ডৰচনে লোকপৰিৱেশ্য কলাক পুনৰ তিনিটা ভাগত ভাগ কৰিছে। যথা—

(ক) লোকসংগীত

(খ) লোকনৃত্য

(গ) লোকনাট্য

তেওঁ কৰা বিভাজন মতে অসমীয়া লোকপৰিৱেশ্য কলাৰ বিষয়ে আলোচনা কৰিলে কিছু ক্ষেত্রত অসুবিধান সন্মুখীন হোৱা যায়। কাৰণ ভাৰতীয় ধাৰণা মতে সংগীতৰ ভিতৰতে নৃত্য, গীত আৰু বাদ্য সোমাই থাকে। সেই বাবে অসমৰ লোকপৰিৱেশ্য কলাৰ বিভাজনৰ ক্ষেত্রত দ্বিতীয়টো বাদ দিয়া হ'ল। লোকসংগীতৰ ভিতৰতে লোকনৃত্য আৰু লোকবাদ্য-যন্ত্রৰ কথাটি সোমাই থকা বাবে লোকনৃত্যক বেলেগ এটা বিভাগ হিচাপে আলোচনা কৰা প্রয়োজনীয়তা উপলব্ধি কৰা নহয়।

- *লোকগীত ঃ* সাধাৰণতে আমি লোক কবিতাৰাজিকে লোকগীত বুলি অভিহিত কৰোঁ যদিও সেয়া শুদ্ধ বুলি কোৱা টান। কাৰণ ইয়াত সাংগীতিক দিশটোৰ প্রতি গুৰুত্ব দিয়া নহয়। কিন্তু লোকগীত হ'বলৈ হ'লে তাত সুৰ-তাল-বাদ্যৰ সংযোজন ঘটাব লাগিব। লোকগীতসমূহ মৌখিক পৰম্পৰাৰে প্ররাহিত হৈ আহিছে বাবে তাৰ সুনির্দিষ্ট স্বৰলিপি লিপিবদ্ধ অৱস্থাত পোৱা নাযায়। সেই বাবে স্থান বিশেষে সুৰ, তাল, বাদ্যৰ উপৰি গীতৰ পাঠাংশৰো অমিল লক্ষ্য কৰা যায়। লোকগীতসমূহৰ লগত সম্পৃক্ত হৈ থাকে নৃত্য। লোক মনক আৱেগ চঞ্চল আৰু প্রাণৱন্ত কৰিবৰ বাবেই নৃত্য সংযোগ কৰা হয়।

  অসমৰ লোকসমাজখনো বিভিন্ন লোকসংগীতেৰে ভৰি আছে। গীতৰ বিষয়বস্তু তথা পৰিৱেশন কৰা অনুষংগ অনুসৰি ইয়াক তলত দিয়া ধৰণে বিভাজিত কৰি আলোচনা কৰিব পাৰি। যথা —

❍ উৎসৱ-অনুষ্ঠানমূলক গীত ঃ লোকসমাজ এখন বিভিন্ন পৰম্পৰাগত বিশ্বাস, আচাৰ-অনুষ্ঠান, ধর্মীয় পৰম্পৰাৰ আধাৰতে আৱর্তিত। মূলতঃ খেতি বা কৃষিকর্মৰ লগত জড়িত বিভিন্ন উর্বৰতাজনিত বিশ্বাস, ধর্মীয় পৰম্পৰাৰ আধাৰতে যিবোৰ গীত পৰিৱেশন কৰা হয় সেইবোৰকে উৎসৱ-অনুষ্ঠানমূলক গীত বোলা হয়। অসমৰ দুটি মান প্রধান উৎসৱ-অনুষ্ঠানমূলক গীত হ'ল বিহুগীত, হুঁচৰি গীত, বিয়ানাম বা গীত আদি।

ব'হাগৰ সময়ত অসমৰ আকাশত ঢোল-পেঁপাৰ মাতৰ লগে লগে কিছুমান গীত মুখৰিত হৈ উঠে। এইবোৰকে বিহুগীত বোলা হয়। এই গীতসমূহ প্রেম-প্রণয়মূলক যদিও ইয়াত উর্বৰতাজনিত বিশ্বাস জড়িত হৈ আছে। ঠিক সেইদৰে হুঁচৰি নামো বিহুৰ সময়তে গোৱা হয়। অসমীয়া সমাজত প্রচলিত বিয়ানাম বা গীতসমূহ অসমীয়া সংগীতৰ অমূল্য সম্পদ। এইবোৰৰ মাজেদি 'স্মৃতি শাস্ত্রৰ নীতিৰ দ্বাৰা সংযত পৱিত্র মিলনৰ মধুৰ ভাব ধ্বনিত হয়' বুলি ড° মহেশ্বৰ নেওগে মন্তব্য কৰিছে। বিয়া নামৰ লগত জড়িত আন এবিধ গীত হ'ল যোৱানাম। নামনি অসমত এইবিধ গীতক খিচাগীত বোলে।

অসমৰ আন অনুষ্ঠানমূলক গীতবোৰৰ ভিতৰত— ভেকুলী বিয়াৰ গীত, মহোহো গীত, চূড়াকৰণৰ গীত, কাতিপূজাৰ গীত, বাঁশপূজাৰ গীত, মনসাপূজাৰ গীত, হোলি গীত, আইনাম, সুবচনীৰ গীত, অপেচৰীৰ গীত, হুদুম পূজাৰ গীত, সোণাৰায় (ব্যাঘ্রদেৱতাৰ) পূজাৰ গীত, গোসাঁই নাম, তোলনী বিয়াৰ গীত, ইত্যাদি উল্লেখযোগ্য। প্রণিধানযোগ্য যে উৎসৱ-অনুষ্ঠানমূলক গীতসমূহত স্থানীয় লোকাচাৰ আৰু ভাষাৰ প্রয়োগ ঘটিলেও ভাবৰ ঐক্য, প্রকাশভংগীৰ অকৃত্রিমতা আৰু অনুভৱৰ আন্তৰিকতা সাধাৰণতে দেখিবলৈ পোৱা যায় বুলি ড° সত্যেন্দ্রনাথ শর্মাই মন্তব্য কৰিছে।



জানি থোৱা ভাল

অসমৰ অবিভক্ত গোৱালপাৰা জিলাত লোকগীতৰ বৈচিত্র্যৰ আধিক্য লক্ষ্য কৰা যায়। মূলতঃ এই অঞ্চলটিত কেইবাটাও সংস্কৃতিৰ সংযোগ ঘটাৰ ফলত বা সমন্বয় সাধন হোৱা বাবে এয়া হৈছে বুলি অনুমান কৰিব পাৰি।

❍ আখ্যান গীত ঃ যিবোৰ গীতত কোনো এটা আখ্যান জড়িত হৈ থাকে তাকে আখ্যান গীত বোলা হয়। অসমীয়া আখ্যান গীতসমূহক পুনৰ তিনিটা ভাগত ভাগ কৰিব পাৰি— (ক) বুৰঞ্জীমূলক (খ) কিম্বদন্তিমূলক আৰু (গ) জনশ্রুতিমূলক।

(ক) বুৰঞ্জীমূলক ঃ যিবোৰ আখ্যান গীতত কোনো বুৰঞ্জীমূলক কাহিনীৰ কথা বর্ণনা কৰা হৈছে তেনে গীতকে বুৰঞ্জীমূলক আখ্যান গীত বোলে। অসমৰ কেইটিমান উল্লেখযোগ্য বুৰঞ্জীমূলক গীত হ'ল— বৰফুকনৰ গীত, নাহৰৰ গীত, মণিৰাম দেৱানৰ গীত, হৰদত্ত-বীৰদত্ত গীত, জয়মতী কুঁৱৰীৰ গীত আদি।

(খ) কিম্বদন্তিমূলক ঃ যিবোৰ আখ্যান গীতৰ মূল ভেটি হ'ল জনসমাজত প্রচলিত কোনো জনশ্রুতি বা কিম্বদন্তি, তেনে গীতসমূহকে কিম্বদন্তিমূলক আখ্যান গীত বোলে। যেনে— ফুলকোঁৱৰৰ গীত, জনাগাভৰুৰ গীত, কমলা কুঁৱৰীৰ গীত, ৰাধিকা শান্তিৰ গীত আদি।

(গ) কাল্পনিক ঃ কল্পনাক আধাৰ হিচাপে লৈ যিবোৰ আখ্যান গীত ৰচনা কৰা হৈছে তাকে কাল্পনিক আখ্যান গীত বোলা হয়। যেনে— কন্যাবাৰমাহী গীত, দুবলা শান্তিৰ গীত, জনধন বনিয়াৰ গীত, মধুমতীৰ গীত, ইত্যাদি।

➢ বিবিধ বিষয়ক গীত ঃ উল্লিখিত বিভাগ দুটাত অন্তর্ভুক্ত নোহোৱা গীতসমূহক এই বিভাগত অন্তর্ভুক্ত কৰা হৈছে। এই বিবিধ বিষয়ক গীতবোৰৰ ভিতৰত— নিচুকণি গীত, নাওখেলোৱা গীত, বৰশীবোৱা গীত, নাঙেলী গীত, চাহ পুৰাণৰ গীত, চট্‌কা গীত, জুনা গীত, মৈষাল গীত, মাহুতগীত (হাতীমাউতৰ গীত), ধান কটাৰ গীত, দেহবিচাৰ গীত, টোকাৰি গীত, নাগাৰা নাম, পগলা-পার্বতীৰ গীত, সদাশিৱৰ গীত, জিকিৰ আৰু জাৰী, ইত্যাদি উল্লেখযোগ্য।

উল্লেখ্য যে এই গীতসমূহৰ বিষয়বস্তু বা অনুষংগৰ কথা বিবেচনা কৰি বিভিন্ন সংস্কৃতিবিদে এই বিভাগ কেইটিক পুনৰ কিছুমান সৰু সৰু বিভাজনত বিভক্ত কৰিও আলোচনা কৰিছে। যেনে— শ্রমৰ সৈতে জড়িত গীত (ধান কটাৰ গীত), শিশুৰ সৈতে জড়িত গীত (নিচুকণি গীত), সংস্কাৰমূলক গীত (উপনয়ণৰ গীত), ব্যংগ প্রধান গীত (চট্‌কা গীত), প্রেম-প্রণয়মূলক গীত (বিহু গীত), ইত্যাদি। এনেদৰে বিচাৰ বিশ্লেষণ কৰিলে দেখা যায় যে অসমীয়া লোকগীতৰ ভঁৰাল বিবিধ উপকৰণেৰে ভৰি আছে। এই বিষয়ে এইখন পাঠ্যবিষয়ৰ প্রথমটো অধ্যায়টো আপুনি কিছু কথা অধ্যয়ন কৰি আহিছে। অৱশ্যে তাত অলপ বেলেগ ধৰণে শ্রেণী বিভাজন কৰি আলোচনা কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ 'জনাগাভৰুৰ গীত' বিবিধ বিষয়ক লোকগীত হয়নে?

.....

➢ *লোকনৃত্য ঃ* সাধাৰণতে যি বোৰ নৃত্য পৰিমার্জিত, ৰীতিবদ্ধ, প্রণালীবদ্ধ নহয় তেনে নৃত্যকে লোকনৃত্য বোলা হয়। বিভিন্ন আচাৰ-অনুষ্ঠান, পৰম্পৰাগত ধর্মীয় বিশ্বাস, পূজা-উপাসনাৰ লগত জড়িত হৈ থকা লোকগীতসমূহৰ লগত লোকনৃত্য জড়িত হৈ আছে। সাধাৰণতে লোকগীতৰ নাম অনুসাৰেই তাৰ সৈতে সম্পর্কিত নৃত্যটিৰ নামকৰণ কৰা হয়। আনহাতে বহুসময়ত ইয়াৰ নামকৰণৰ লগত জড়িত হৈ থাকে সামাজিক অনুষংগ। সমাজৰ কোনো পৰম্পৰা, আচাৰ-অনুষ্ঠান আদিৰ অনুষংগ অনুসৰি গীত বা নৃত্যৰ নামকৰণ কৰা হয়। উদাহৰণস্বৰূপে বিহু উৎসৱৰ অনুষংগত পৰিৱেশন কৰা গীতসমূহ হ'ল বিহু গীত, ঠিক সেইদৰে ইয়াৰ লগত জড়িত নৃত্যটিয়েই বিহু নৃত্য।



জানি থোৱা ভাল

লোকনৃত্যৰ পৰাই শাস্ত্রীয় নৃত্যৰ উদ্ভৱ হৈছে। লোকনৃত্যৰ পৰিমার্জিত, ৰীতিবদ্ধ, প্রণালীবদ্ধ আৰু সুগঢ়ী ৰূপটোকেই শাস্ত্রীয় নৃত্য বোলা হয়। লোকনৃত্য প্রায়ে বৃত্তনৃত্য। লোকনৃত্যৰ সঞ্চাৰণ পদ্ধতি মৌখিক বা বাচিক।

অসমৰ বহু লোকনৃত্য অর্ধ নাটকীয় গুণসম্পন্ন হোৱা বাবে ইয়াক লোকনাট্যৰো অন্তর্ভুক্ত কৰা হয়। লোকগীতক মূলতঃ যিদৰে তিনিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি ঠিক সেইদৰে অসমৰ লোকনৃত্যসমূহকো মূলতঃ তলত দিয়া ধৰণে বিবেচনা কৰি আলোচনা কৰিব পাৰি। যথা— পূজা-উপাসনাৰ লগত জড়িত নৃত্য আৰু উৎসৱ-অনুষ্ঠানৰ লগত সম্পর্কযুক্ত নৃত্য।

❍ পূজা-উপাসনাৰ লগত জড়িত নৃত্য ঃ জনসমাজত প্রচলিত বিভিন্ন পূজা-উপাসনা পদ্ধতিসমূহৰ লগত ওতপ্রোতভাৱে সম্পর্কিত হৈ আছে নৃত্য। সেইবোৰৰ ভিতৰত— পুতলা নাচ, ঢুলীয়া নাচ, ওজাপালি নাচ তথা বিভিন্ন জনগোষ্ঠীৰ মাজত প্রচলিত দেওধা-দেউলা নাচসমূহ উল্লেখযোগ্য।

ওজাপালি অনুষ্ঠান দুই প্রকাৰৰ। ইয়াৰে এটা ভাগত মহাকাব্যক আশ্রয় কৰি আৰু আনটো ভাগত দেৱী পূজাৰ অনুষংগত গীত গাই নৃত্য কৰা হয়। ব্যাস-ওজাপালি, ভাউৰা ওজাপালি, দুর্গাবৰী ওজাপালি, সত্রীয়া ওজাপালি ইয়াৰে প্রথম ভাগটোৰ উদাহৰণ। ঠিক সেইদৰে সুকনান্নী ওজাপালি, মাৰে গান, পদ্মা পুৰাণৰ গান, বাঁশী-পুৰাণৰ গান, ভাসান যাত্রা আদি মহাকাব্য অনাশ্রয়ী বা শাক্ত অনুষংগ বা দেৱী পূজাৰ লগত জড়িত ওজাপালিৰ উদাহৰণ। অৱশ্যে ওজাপালি নৃত্য মার্গীয় শৈলীৰ বুলি সমালোচকসকলে বিবেচনা কৰে। তথাপিতো ক'ব পাৰি সেয়া লোক পৰম্পৰাতেই আৰম্ভ হৈছিল।

আমাৰ অসমৰ বিভিন্ন লৌকিক পূজা-উপাসনাৰ অনুষংগত কোনো নির্দিষ্ট এজনৰ গাত দেও উঠা বুলি বিশ্বাস কৰা হয়। ঐন্দ্রজালিক শক্তি সম্পন্ন আৰু ভৱিষ্যদ্বক্তাৰ ভূমিকা গ্রহণ কৰি এজন বা একাধিক পুৰুষ বা মহিলাই এনে অনুষ্ঠানত নির্দিষ্ট ধৰণে বিশেষ কিছুমান নৃত্য প্রদর্শন কৰে। এওঁলোকক আমি দেওধা, দেওধনী, দেধানী, দেউলা বুলি অভিহিত কৰোঁ। দেওধনী,দেৱদাসী, কাতিপূজাৰ নৃত্য, হুদুম পূজাৰ নৃত্য, বৰোসকলৰ খেৰাই নৃত্য, ৰাভাৰ ফাৰকান্তি নৃত্য, কার্বিসকলৰ চমাংকান নৃত্য, মিচিংসকলৰ মিবু দাকনাম নৃত্য, বিভিন্ন জনগোষ্ঠীয়ে পালন কৰা মাৰৈ পূজাত কৰা নৃত্য আদি এই শ্রেণীৰ উল্লেখযোগ্য নৃত্য।

- উৎসৱ-অনুষ্ঠানৰ লগত জড়িত নৃত্য ঃ লোকসমাজত বহুতো পৰম্পৰাগত উৎসৱ-অনুষ্ঠান পালন কৰা হয়। পৃথিৱীৰ প্রায়বিলাক সংস্কৃতিতে প্রচলিত উৎসৱ-অনুষ্ঠানৰ লগত গীত আৰু নৃত্য সম্পৃক্ত হৈ থাকে। এইবোৰৰ লগত জড়িত নৃত্যসমূহকে আমি উৎসৱ-অনুষ্ঠানৰ লগত জড়িত নৃত্য বুলি অভিহিত কৰোঁ। অসমো ইয়াৰ উর্দ্ধত নহয়। অসমৰকেইটিমান উল্লেখযোগ্য এনে ধৰণৰ নৃত্য হ'ল— বিহু নৃত্য, হুঁচৰি নৃত্য, বৰোসকলৰ বাগৰুম্বা, বৈসাগু, বগেজৰী, ৰাভাসকলৰ সাথাৰ, বহুৰুঙী, মিচিংসকলৰ গুমৰাগ চমান, চঃ মান্‌নাম, কাৰর্বিসকলৰ দোমাহী কেকান, হাচ্ছা কেকান আদি।

  সমালোচকসকলে এই দুটি প্রধান ভাগৰ উপৰি কৃষিৰ লগত জড়িত তথা প্রেম-প্রণয় যাজ্ঞামূলক নৃত্য বুলি আন দুটা ভাগতো কিছুমান নৃত্য অন্তর্ভুক্ত কৰিব বিচাৰে। কিন্তু এই দুয়োটা ভাগৰে নৃত্যসমূহো উৎসৱ-অনুষ্ঠানৰ লগতেই জড়িত বাবে তাতেই অন্তর্ভুক্ত কৰি ৰাখিব পাৰি।

- *লোকবাদ্য ঃ* লোকগীত আৰু লোকনৃত্য লগত ওতপ্রোতভাৱে জড়িত হৈ আছে বাদ্যযন্ত্র। এটা জাতিৰ সংগীত প্রীতি আৰু শিল্প-কলা চেতনাৰ অন্যতম নির্দশন হ'ল বাদ্যযন্ত্রসমূহ।নৃত্য তথা গীতৰ তাল লয় ৰক্ষা কৰাৰ ক্ষেত্রত বাদ্যযন্ত্রৰ সংযোগ কৰাটো অপৰিহার্য। সংগীতৰ ক্ষেত্রত ধ্বনি সৃষ্টি কৰিবৰ বাবে ব্যৱহাৰ কৰা যিকোনো উপাদানকে বাদ্যযন্ত্র বোলা হয়। লোকসংগীত বা শাস্ত্রীয় সংগীত সকলোতেই বাদ্যই গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে। ভৰতমুনিৰ *নাট্যশাস্ত্রত*ো বাদ্যযন্ত্রৰ কথা উল্লেখ আছে।বাদ্যযন্ত্রসমূহক মূলত চাৰিটা ভাগত ভাগ কৰা হৈছে।নাট্যশাস্ত্রত উল্লেখ আছে —

  ততং চৈৱানদ্ধং ঘনং সুষিৱমেৱ চ।
  চতুর্বিধং তু বিজ্ঞেয়মাতোদ্যং লক্ষণান্বিতম্।।

  তত, অৱনদ্ধ, ঘন আৰু সুষিৰ— এই চাৰিটা শ্রেণীত বাদ্যযন্ত্রসমূহ বিভাজিত

কৰিব পাৰি। উল্লেখযোগ্য যে অসমৰ লোকবাদ্যসমূহকো এই চাৰিটা শ্রেণীত বিভাজিত কৰি আলোচনা কৰিব পাৰি—

- তত বাদ্য ঃ যিবোৰ বাদ্যযন্ত্রত তাঁৰ বা তেনেধৰণৰ সামগ্রী সংযোগ হৈ থাকে তেনে বাদ্যযন্ত্রকে তত বাদ্য বোলা হয়। অসমৰ লোকসমাজত প্রচলিত প্রধান তত বাদ্যসমূহৰ ভিতৰত বীণ, বেনা, একতাঁৰ, দোতাঁৰা, টোকাৰী, গগনা, বৰোসকলৰ চেৰেজা, তিৰাৰ তন্দ্রাং, মিছিংসকলৰ গুংগা, ৰাভাসকলৰ বাদুংদুগ্গা উল্লেখযোগ্য।
- অৱনদ্ধ বাদ্য ঃ কোনো মাটিৰ বাচন, কাঠৰ ফোপোলা অংশ এটাত চামৰা চিয়াই এনে বাদ্যযন্ত্র নির্মাণ কৰা হয়। বহু লোকসংস্কৃতিবিদে অৱনদ্ধ বাদ্যকে আদিম বাদ্য বুলি ক'ব খোজে। বেদতো এইবিধ বাদ্যযন্ত্রৰ নাম উল্লেখ আছে। 'ভৌমী দুন্দুভি' বা 'ভাণ্ড' বুলি বেদত ইয়াক নামকৰণ কৰা হৈছে। অসমৰ এনে লোকবাদ্যৰ কেইটিমান উদাহৰণ হ'ল— ঢোল, ডগৰ, ঢাক, নাগাৰা, ডবা, ডম্বৰু, ঢোলক, ইত্যাদি। উল্লেখযোগ্য যে অসমৰ বিভিন্ন নৃগোষ্ঠীসমূহৰ মাজত ঢোল বিভিন্ন নামেৰে পৰিচিত। যেনে— মিচিংসকলৰ দুমদুম, বৰোসকলৰ মাজত খাম, খ্রাম, কার্বিসকলৰ মাজত ছেংব্রুপ ইত্যাদি। তদুপৰি অসমীয়া লোকসমাজত বৰঢোল, ঢেপাঢোল, জয়ঢোল, ৰাজাঢোল, কাঢ়াঢোল, বিহুঢোল, মাদল আদি বিভিন্ন প্রকাৰৰ ঢোল বাদ্য-যন্ত্র হিচাপে ব্যবহৃত হোৱা দেখা যায়।
- ঘন বাদ্য ঃ বাঁহ, কাঠ, শিল, মাটি বা ধাতুৰে নির্মিত যতনেৰে এডোখৰে সিডোখৰৰ ওপৰত কোবাই ঘনকার্য সম্পাদনেৰে শব্দৰ সৃষ্টি কৰি গীত বা নৃত্যৰ লগত সংযোগ কৰা হয়। ঘনকার্যৰ বাবে ব্যৱহৃত এনে বাদ্যসমূহকে ঘন বাদ্য বুলি কোৱা হয়। অসমৰ লোকসমাজত প্রচলিত কেইটিমান উল্লেখযোগ্য ঘন বাদ্য হ'ল — টকা, তাল, কৰতাল, খুটিতাল, মঞ্জুৰী, কাঁহ, বৰকাঁহ, ইত্যাদি। অসমৰ নৃগোষ্ঠীসমূহৰ মাজতো এনে ঘন বাদ্য প্রচুৰভাৱে ব্যৱহৃত হয়। যেনে— মিচিংসকলৰ লুপি, বৰোসকলৰ জোথা, কার্বিৰ ছেংছ, ৰাভাৰ কাসি, ইত্যাদি।
- সুষিৰ বাদ্য ঃ সুষিৰ পদৰ অর্থ বিন্ধা বা ফুটাযুক্ত। যিবোৰ বাদ্যযন্ত্রত থকা ফুটাত মুখেৰে ফুৰাই সাংগীতিক ধ্বনি সৃষ্টি কৰা হয় তাকে সুষিৰ বাদ্য বোলে। অসমৰ কেইবিধমান সুষিৰ লোকবাদ্য হ'ল — বাঁহী, কালি, পেঁপা, শংখ, সুতুলী, শিঙা, বৰোসকলৰ চিফুং, মিচিংসকলৰ দুমে্গ, কার্বিসকলৰ পংছে, ইত্যাদি।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে অসমৰ লোকসংগীতৰ জগতখন বিভিন্ন মণি-মৰকতেৰে ভৰি আছে। বিভিন্ন লোকগীত, তাৰ লগত জড়িত নৃত্য তথা বাদ্য-যন্ত্রই অসমৰ লোকপৰিৱেশ্য কলাৰ এই দিশটোৰ সমৃদ্ধতাৰ কথাকেই প্রতিপন্ন কৰে। প্রধান কথাটি হ'ল লোকনৃত্য, লোকগীত আৰু লোকবাদ্য সকলোটি

ওতপ্রোতভাৱে ইটোৰ লগত সিটো বান্ধ খাই আছে আৰু এইবোৰক পৃথকে আলোচনা কৰা কঠিন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শাস্ত্রীয় নৃত্যৰে আন এটা নাম লোকনৃত্য — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

.....

প্রশ্ন নং ৪ ঃ বেদত 'ভৌমী দুন্দুভি' বা 'ভাণ্ড' বুলি কোন বিধ বাদ্যক নামকৰণ কৰা হৈছে?

.....



চিন্তা-চর্চা কৰক — ১৩.১

অসমৰ বিভিন্ন লোকবাদ্য তথা লোকনৃত্যৰ এখন তালিকা প্রস্তুত কৰিবলৈ চেষ্টা কৰক।

১৩.৪.২ লোকনাট্য


লোকনাট্য এক প্রকাৰৰ গীতাভিনয় বা নৃত্য-গীত-বাদ্য আৰু অভিনয়ৰ সমষ্টি। বহুসময়ত লোকনাট্যত নৃত্য-গীতৰ আধিক্যহে দেখা যায়। লোকনাট্যৰ সৃষ্টিৰ মূলতে আছে বিভিন্ন ধর্মীয় কৃত্য আৰু উৎসৱ-অনুষ্ঠান। সাধাৰণতে লোকনাট্যৰ এক নির্দিষ্ট লিখিত ৰূপ পোৱা নাযায়। অতীজৰে পৰা বর্তমানলৈকে বিবিধ লোকনাট্যৰ কাহিনী আৰু ৰূপ অলিখিতভাৱেই প্রৱহমান হৈ আহিছে। গঞাসমাজৰ জনগণৰ জীৱনৰ পটভূমিত যি নাট্যধর্মী ৰচনা মৌখিক ৰূপত ৰচিত হয়, যত কাহিনী আশ্রিত চৰিত্র আৰু চৰিত্রানুযায়ী সংলাপ, গীত, নৃত্যৰ লগতে লোকবাদ্যৰ সমাহাৰ ঘটোৱা হয় তাকে লোকনাট্য আখ্যা দিব পাৰি।

ভাৰতীয় লোকনাট্য পৰম্পৰাৰ মূল ভেটি হ'ল কথকতা পৰম্পৰা। এজন বা একাধিক কথক বা গায়ক বা আবৃত্তিকাৰে বিভিন্ন গীত, নৃত্য আৰু বাদ্য-যন্ত্রৰ সহায়েৰে কাহিনীভাগ বর্ণনা কৰাৰ লগতে ব্যাখ্যা কৰি, অভিনয় কৰি লোক মনোৰঞ্জনৰ ব্যৱস্থা কৰে। অসমৰ লোকনাট্য পৰম্পৰাও ইয়াৰ উর্দ্ধত নহয়। অসমৰ লোকনাট্য পৰম্পৰাত এই কথকজনক সূত্রধাৰ, ওঝা, ওজা, আদি বিভিন্ন নামেৰে জনা যায়।



জানি থোৱা ভাল

লোকনাট্যৰ কাহিনীভাগ মূলতঃ দুটা প্ৰধান ভাগত বিভক্ত— ধৰ্মনিৰপেক্ষ আৰু ধৰ্মীয় আদৰ্শ প্ৰধান। এই দুটা মূল বিভাগৰ পৰা কেইবাটাও উপবিভাগ ওলাইছে। সেয়ে এনেদৰে দেখুৱাব পাৰি—



লোকনাট্যৰ কেইটিমান উল্লেখযোগ্য বৈশিষ্ট্য —

- সাধাৰণতে সহ-অভিনয় নচলে
- পোহৰৰ বাবে সাধাৰণতে ভোট বা পেট্ৰোমাক্সৰ ব্যৱহাৰ
- সাধাৰণতে অস্থায়ী মঞ্চৰ ব্যৱহাৰ
- মুখাৰ বহুল প্ৰয়োগ
- বহুৰা চৰিত্ৰৰ প্ৰাধান্য
- সূত্ৰধাৰ বা ওজাৰ প্ৰাধান্য
- গায়ন-বায়নৰ স্থিতি তথা পূৰ্বৰংগ আৰু বন্দনাৰ পৰিৱেশন
- অৰ্থবহ হস্তমুদ্ৰাৰ ব্যৱহাৰ
- অনেক ক্ষেত্ৰত নৃত্য-ভংগীত কথোপকথনৰ ব্যৱহাৰ

অসম লোকনাট্য পৰম্পৰাৰ এখন চহকী ৰাজ্য। অসমৰ বিভিন্ন লোকনাট্যসমূহক পণ্ডিতসকলে বেলেগ বেলেগ ধৰণে শ্ৰেণীবিভাগ কৰি আলোচনা কৰিছে। কিন্তু অসমৰ ভালেমান লোকনাট্যানুষ্ঠানত শ্ৰেণী বিভাজনৰ বাবে নিৰ্ধাৰণ কৰা উপকৰণসমূহ এনে ধৰণে মিহলি হৈ থাকে যে এইবোৰৰ পাৰ্থক্য সুস্পষ্ট নহয়। এটাৰ পৰা আনটোক নিলগাই

চাবৰ অসুবিধা। তলত অসমৰ কেইটিমান প্ৰধান লোকনাট্যানুষ্ঠানৰ বিষয়ে চমুকৈ আলোচনা দাঙি ধৰা হ'ল—

- *পুতলা নাচ ঃ* ভাৰতবৰ্ষতে নহয় সমগ্ৰ পৃথিৱীৰে প্ৰাচীন সাংস্কৃতিক অনুষ্ঠান হিচাপে পুতলা নাচ বিশেষভাৱে উল্লেখযোগ্য। এই পৰিৱেশ্য কলাটি 'মুখা'ৰ সম্প্ৰসাৰণৰ পৰিণতিতেই সৃষ্টি হৈছে বুলি অনুধাৱন কৰা হয়। অসমতো অতি প্ৰাচীন কালৰ পৰাই পুতলা নাচৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱাৰ যায়। খ্ৰীষ্টীয় দশম শতিকাত অসমত ৰচিত *কালিকা পুৰাণত* উল্লেখ থকা 'পাঞ্চালিকা বিহাৰ' শব্দটোৱেই তাৰ প্ৰামাণ্য স্বৰূপ। পাঞ্চালিকা মানে পুতলা। শংকৰদেৱৰ সময়তো 'ছাঁয়া পুতলা' প্ৰচলন থকাৰ কথা তেওঁৰ পদতে উল্লেখ আছে — "ছায়া পুতলাক যেন নচাৱে যতনে।।"

  পুতলা নাচত সূত্ৰধাৰে বাঁহৰ দৈ, কাঠ নাইবা কুঁহিলাৰে নিৰ্মাণ কৰা পুতলাসমূহ সঞ্চালনৰ সহায়েৰে *ৰামায়ণৰ* একোটা কাহিনী আমোদজনকভাৱে বৰ্ণনা কৰে। তেওঁক সহায় কৰিবলৈ এজন বায়ন, এজন গায়ন আৰু কেইবাজনো পালি থাকে। নাট্যশাস্ত্ৰৰ 'সূত্ৰধাৰ' শব্দটিত অৰ্থ নিৰূপণ কৰিছে এনেদৰে — "সূত্ৰং ধাৰয়তি", অৰ্থাৎ যিজনে সূত্ৰ (সূতা) ধৰে তেঁৱেই সূত্ৰধাৰ। সূত্ৰধাৰে অপূৰ্ব কলা-কৌশলেৰে বিভিন্ন আকৰ্ষণীয় নৃত্য-ভংগী তথা সংলাপেৰে পুতলাবোৰক জীৱন্ত কৰি তোলে। ওজা বা গায়নে গীত গাই, বায়নে বাদ্য বজাই বিবৃত কাহিনীভাগ আগবঢ়াই নিয়ে।
- *ওজাপালি ঃ* অসমৰ প্ৰাচীন লোকনাট্যানুষ্ঠানবোৰৰ ভিতৰত আন এটা উল্লেখযোগ্য নাট্যানুষ্ঠান হ'ল ওজাপালি। ওজাপালি প্ৰাক্-শংকৰী যুগৰে পৰা অসমত প্ৰচলন আছিল বুলি সমালোচকসকলে মত পোষণ কৰে। ওজাপালি মুখ্যতঃ দুবিধ— (ক) বিষ্ণু পূজাৰ লগত জড়িত ওজাপালি আৰু (খ) শাক্ত অনুষংগ বা দেৱী পূজাৰ লগত জড়িত ওজাপালি। ব্যাস-ওজাপালি, ভাউৰা ওজাপালি, দুৰ্গাৱৰী ওজাপালি, সত্ৰীয়া ওজাপালি ইয়াৰে প্ৰথম ভাগটোৰ উদাহৰণ। ঠিক সেইদৰে সুকনান্নী ওজাপালি, মাৰে গান, পদ্মা পুৰাণৰ গান, বাঁশী-পুৰাণৰ গান, ভাসান যাত্ৰা আদি মহাকাব্য অনাশ্ৰয়ী বা শাক্ত অনুষংগ বা দেৱী পূজাৰ লগত জড়িত ওজাপালিৰ উদাহৰণ বুলি ইতিমধ্যেই উল্লেখ কৰা হৈছে। কথকতা পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহক ওজাপালিৰ সৃষ্টিৰ ক্ষেত্ৰত বহুতো পুৰাকথা (Myth) আৰু জনশ্ৰুতি জড়িত হৈ আছে।

  ওজাপালিত এজন ওজা, এজন ডাইনা পালি আৰু কেইবাজনো পালি থাকে। ওজা আৰু ডাইনা পালিয়ে কথোপকথন, নৃত্য-ভংগিমাৰে লোকৰঞ্জন পূৰ্ণ ঘটনা, কাহিনী উপস্থাপন কৰি নাট্যানুষ্ঠানৰ মূল কাহিনীভাগ আগু�ৰাই লৈ যায়। ওজাই 'দিহা'ৰে আৰম্ভ কৰি একোটি কাহিনী বিভিন্ন ৰাগত গাই যায় আৰু পালিসকলে

খুটিতাল বজাই, ভৰিৰে তাল ৰাখি সেইখিনি দোহাৰে। ইয়াত হস্তমুদ্রাৰ প্রদর্শনো এক বিশেষ বৈশিষ্ট্য বুলি ক'ব পাৰি।

- *ঢুলীয়া-নাট আৰু খুলীয়া-ভাউৰীয়া ঃ* মূলতঃ কামৰূপ আৰু দৰঙত প্রচলিত ঢুলীয়া-নাট অসমৰ আন এটা প্রধান লোকনাট্যানুষ্ঠান। ঢুলীয়া নাটত ঢোল-তাল বজাই বিভিন্ন ক্রিয়া-কৌশল (কুস্তি, চার্কাচ) প্রদর্শন কৰি, নৃত্য-গীত আৰু কৌতুকপূর্ণ অভিনয়তে লোক মনোৰঞ্জনৰ ব্যৱস্থা কৰে। পৌৰাণিক কাহিনীৰ লগত জড়িত অভিনয়ৰ উপৰি সমসাময়িক সমাজজীৱনৰ সংঘটিত বিভিন্ন ঘটনাক ব্যংগ কৰি প্রদর্শন কৰা ছং এই ঢুলীয়া নাটৰ প্রধান অংগ। ঢুলীয়া দলত ঘাই ঢুলীয়া, কেইবাজনো ঢুলীয়া, বায়ন, গায়ক, তালুৰৈ, ভাউৰীয়া আৰু কালীবাদক থাকে।

  ঢুলীয়া নাটৰ সমগোত্রীয় আন এটা লোকনাট্যানুষ্ঠান হ'ল খুলীয়া-ভাউৰীয়া। এই নাট্য ধাৰাটি বিয়াহ-ওজাপালি অনুষ্ঠানৰ পৰা উদ্ভৱ হৈছে বুলি ধাৰণা কৰা হয়। লোকমনক আনন্দৰ খোৰাক যোগান ধৰাৰ লগতে নৈতিক শিক্ষা প্রদান কৰাই এই শ্রেণীৰ নাটৰ মূল উদ্দেশ্য। ইয়াত সূত্রধাৰজনক ওজা বা ওঝা বুলি কোৱা হয়। বিভিন্ন নৃত্য ভংগী প্রদর্শনেৰে গীত আবৃত্তিৰ লগতে সংলাপ ইয়াত ব্যৱহাৰ কৰা হয়। ঢুলীয়া ভাওনাৰ দৰে ইয়াতো ছং কৰা হয়। মূলতঃ ৰামায়ণ, মহাভাৰত তথা ৰাম সৰস্বতীৰ বধ-কাব্যসমূহৰ পৰা এই বিধ লোকনাট্যৰ কাহিনীসমূহ সংগ্রহ কৰে। ইয়াত ওজাৰ লগতে কেইবাজনো পালি, খুলীয়া, তালুৰৈ আৰু ভাউৰীয়া থাকে।
- *কুশান গান ঃ* অবিভক্ত গোৰালপাৰা জিলাৰ উত্তৰ পাৰত প্রচলিত এটি উল্লেখযোগ্য লোকনাট্যানুষ্ঠান হ'ল কুশান গান। নৃত্য, গীত আৰু অভিনয়ৰ সমষ্টি এই লোকনাট্যানুষ্ঠানটিক 'ৰাৱাণ গান' বা 'বেনা-গান' বুলিও কোৱা হয়। ৰামায়ণৰ কাহিনীৰ ওপৰত প্রতিষ্ঠিত এই নাট্য পৰম্পৰাটিত বেনা অপৰিহার্য বাদ্য-যন্ত্র। ৰাৱণ চৰিত্রকেন্দ্রিক বাবে ইয়াক 'ৰাৱাণ গান' আৰু বেনা সংযোগ কৰা হয় বাবে 'বেনা গানো' বোলা হয়। ইয়াত এজন প্রধান গায়ক বা গীদাল, এজন প্রধান সহকাৰী দোৱাৰী বা দোহাৰী, বাদক বা বাইন, নর্তকীবেশী ল'ৰা বা চেঙৰা, এজন দাইনাপালি আৰু কেইবাজনো পালি থাকে।

  সৰস্বতী বন্দনাৰে আৰম্ভ কৰা এই লোকনাট্যত দোহাৰীয়ে নৃত্য, গীত আৰু ব্যংগাত্মক প্রকার্যৰে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সাধাৰণতে বাইন, গীদাল আৰু নর্তকসকলে অভিনয় আৰু সংলাপ অংশত ভাগ লয়।

  উল্লিখিত লোকনাট্যধর্মী অনুষ্ঠানসমূহৰ উপৰি আন বহুতো লোকনাট্যানুষ্ঠান অসমৰ বিভিন্ন অঞ্চলত প্রচলিত হৈ থকা পৰিলক্ষিত হয়। এনে কেতবোৰ নাট্যানুষ্ঠান হ'ল— ভাৰী-গান, পালা-গান, ধু�ৰা-নাট আদি। ইয়াৰ পৰা আমি অনুধাৱন কৰিব পাৰোঁ যে লোকনাট্যৰ ক্ষেত্রত অসম এখন চহকী ৰাজ্য।



জানি থোৱা ভাল

শংকৰদেৱক অসমীয়া নাটকৰ জনক বুলি অভিহিত কৰা হয়। তেওঁ অংকীয়া নাট সৃষ্টি কৰোঁতে সংস্কৃত নাটৰ উপৰি অসমৰ তথা ভাৰতৰ বিভিন্ন অঞ্চলৰ লোকনাট্যৰ পৰা সমল আহৰণ কৰিছিল বুলি সাহিত্যৰ বুৰঞ্জীকাৰসকলে মতপোষণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ 'পাঞ্চালিকা বিহাৰ' মানে কি?

.....

প্রশ্ন নং ৬ ঃ খুলীয়া-ভাউৰীয়াৰ কাহিনীসমূহ কৰ পৰা চয়ন কৰা হয়।

.....



চিন্তা-চর্চা কৰক — ১৩.২

অসমৰ বিভিন্ন লোকনাট্যানুষ্ঠানৰ বিষয়ে এখন তালিকা প্রস্তুত কৰি চমুকৈ পৰিচয় দাঙি ধৰিবলৈ যত্ন কৰক।



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কৃষিকার্যৰ আৰম্ভণিৰ পৰা আৰম্ভ কৰি শস্য চপোৱালৈকে নাৰী-পুৰুষৰ উর্বৰতাজনিত বিবিধ লোকাচাৰ, ধর্মীয় পৰম্পৰা, লোক মনোৰঞ্জন, কর্মস্পৃহা বৃদ্ধি আদি বিভিন্ন কাৰকৰ আধাৰতেই গীত, নৃত্য আৰু নাট্যৰ সৃষ্টি হয়। এই গীত, নৃত্য আৰু লোকনাট্যৰ সমষ্টিয়েই হ'ল লোকপৰিৱেশ্য কলা। বৈদিক যুগৰ পৰাই ভাৰতৰ পৰিৱেশ্য কলাসমূহৰ বিকশিত ৰূপ প্রতিভাত হয়। ভৰতমুনিৰ *নাট্যশাস্ত্রই* ইয়াৰ প্রমাণ দাঙি ধৰে। ভৰতমুনিৰ *নাট্যশাস্ত্রত* থকা 'ওড্রমাগধী' শব্দৰ পৰাই আমি অসমৰ লোকপৰিৱেশ্য কলাৰ প্রাচীনত্বৰ কথা অনুধাৱন কৰিব পাৰোঁ। কাৰণ ওড্রমাগধীয়ে অংগ, বংগ, কলিংগ, ওড্র, মগধ, পুণ্ড্র, নেপাল, প্রাগ্জ্যোতিষ আদি ঠাই সামৰিছে।
- অসমৰ লোকপৰিৱেশ্য কলাক লোকসংগীত আৰু লোকনাট্য— এই দুটা বিভাগত বিভাজন কৰি আলোচনা কৰিব পাৰি।

- সংগীত বুলি ক'লে আমি বুজোঁ যে ই গীত, বাদ্য আৰু নৃত্যৰ সমষ্টি। সেয়ে ক'ব পাৰি লোকগীত, লোক নৃত্য আৰু লোকবাদ্যৰ সমন্বয়েই হ'ল লোকসংগীত।
- অসমৰ লোকসমাজখন বিভিন্ন লোক সংগীতেৰে ভৰি আছে। গীতৰ বিষয়বস্তু তথা পৰিৱেশন কৰা অনুষংগ অনুসৰি ইয়াক উৎসৱ-অনুষ্ঠানমূলক গীত, আখ্যান গীত আৰু বিবিধ বিষয়ক গীত হিচাপে বিভাজিত কৰি আলোচনা কৰিব পাৰি।
- সাধাৰণতে যি বোৰ নৃত্য পৰিমার্জিত, ৰীতিবদ্ধ, প্রণালীবদ্ধ নহয় তেনে নৃত্যকে লোকনৃত্য বোলা হয়। লোকগীতক মূলতঃ যিদৰে তিনিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি ঠিক সেইদৰে অসমৰ লোকনৃত্যসমূহকো পূজা-উপাসনাৰ লগত জড়িত নৃত্য আৰু উৎসৱ-অনুষ্ঠানৰ লগত সম্পর্কযুক্ত নৃত্য — এই দুটা ভাগত আলোচনা কৰিব পাৰি।
- সংগীতৰ ক্ষেত্রত ধ্বনি সৃষ্টি কৰিবৰ বাবে ব্যৱহাৰ কৰা যিকোনো উপাদানকে বাদ্য-যন্ত্র বোলা হয়। অতি প্রচীন কালৰে পৰা অসমত বিবিধ লোকবাদ্যৰ প্রচলন হৈ আহিছে। অসমৰ লোকবাদ্যসমূহক তত বাদ্য, অৱনদ্ধ বাদ্য, ঘন বাদ্য আৰু সুষিৰ বাদ্য — এই চাৰি ভাগত সামৰি লৈ আলোচনা কৰিব পাৰি।
- লোকনাট্য এক প্রকাৰৰ গীতাভিনয় বা নৃত্য-গীত-বাদ্য আৰু অভিনয়ৰ সমষ্টি। বহুসময়ত লোকনাট্যত নৃত্য-গীতৰ আধিক্যহে দেখা যায়। লোকনাট্যৰ সৃষ্টিৰ মূলতে আছে বিভিন্ন ধর্মীয় কৃত্য আৰু উৎসৱ-অনুষ্ঠান।
- অসম লোকনাট্য পৰম্পৰাৰ এখন চহকী ৰাজ্য। অসমৰ বিভিন্ন লোকনাট্যসমূহক পণ্ডিতসকলে বেলেগ বেলেগ ধৰণে শ্রেণীবিভাগ কৰি আলোচনা কৰিছে। কিন্তু অসমৰ ভালেমান লোকনাট্যানুষ্ঠানত শ্রেণী বিভাজনৰ বাবে নির্ধাৰণ কৰা উপকৰণসমূহ এনে ধৰণে মিহলি হৈ থাকে যে এইবোৰৰ পার্থক্য সুস্পষ্ট নহয়।
- অসমৰ কেইটিমান উল্লেখযোগ্য লোকনাট্যানুষ্ঠান হ'ল — পুতলা নাচ, ওজাপালি, ঢুলীয়া-নাট, খুলীয়া-ভাউৰীয়া, কুশান গান, ভাৰী-গান, পালা-গান, ধুৰা-নাট আদি।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ

১) অসম নাট্য সন্মিলন (১৯৯১); *ভৰতৰ নাট্যশাস্ত্র;* নগাঁও ঃ অসম নাট্য সন্মিলন।

২) কাকতি, বাণীকান্ত (২০০৬); *বাণীকান্ত ৰচনাৱলী, অসমীয়া খণ্ড;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৩) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৪) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জনসাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৫) দাস, যুগল; *অসমৰ লোককলা;* গুৱাহাটী।

৬) তাহেৰ, মহম্মদ (মুখ্য সম্পাদক) (২০০৫); *বিশ্বকোষ (অষ্টম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৭) তাহেৰ, মহম্মদ (মুখ্য সম্পাদক) (২০০৬); *বিশ্বকোষ (নৱম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৮) নার্জি, ভবেন (১৯৭১); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী।

৯) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

১০) নেওগ, মহেশ্বৰ (১৯৯৫); *পু�ৰণি অসমৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী ঃ নিউ বুক ষ্টল।

১১) নেওগ, মহেশ্বৰ (১৯৬৪), *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১২) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পাঃ) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

১৩) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৪) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

১৫) ভৱালী, শৈলেন (১৯৯২); *অসমীয়া লোক-নাট্য পৰম্পৰা;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

১৬) মহন্ত, প্রদীপ জ্যোতি (২০০৭); *শংকৰদেৱৰ শিল্প লোক;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

১৭) ৰাজবংশী, পৰমানন্দ (সম্পাঃ), (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ প্রাগ্‌জ্যোতিষ মহাবিদ্যালয়।

১৮) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৯) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

২০) শর্মা, নবীন চন্দ্র (সম্পাঃ) (১৯৮৭); *ডাক প্রৱচন;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

২১) শর্মা, সত্যেন্দ্রনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

২২) শর্মা, সত্যেন্দ্রনাথ (১৯৮৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রিণ্টিং এণ্ড পাব্লিছিং।

২৩) শইকীয়া, অজিৎ (সম্পাঃ)(২০০৮); *ছশ বছৰৰ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱর্তন;* দুলীয়াজান ঃ পথাৰ প্রকাশ।

২৪) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্ৰন্থ

২৫) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

২৬) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

২৭) Dundes, A. (1978). *Essays in Folkloristics*. Folklore Institute.

২৮) Dutta, B. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

২৯) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

৩০) Sarma, N. C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasan.

১৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভৰতমুনি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নহয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অৱনদ্ধ বাদ্যক।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পুতলা নাচ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মূলতঃ *ৰামায়ণ, মহাভাৰত* তথা ৰাম সৰস্বতীৰ বধ-কাব্যসমূহৰ পৰা এই বিধ লোকনাট্যৰ কাহিনীসমূহ সংগ্ৰহ কৰা হয়।

১৩.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) লোকপৰিৱেশ্য কলা আৰু শাস্ত্ৰীয় পৰিৱেশ্য কলাৰ মাজত পাৰস্পৰিক সংযোগ সংঘটিত হৈছেনে?

(খ) ৰিচার্ড এম. ডৰচনে লোকপৰিৱেশ্য কলাক কেইটা আৰু কি কি ভাগত ভাগ কৰিছে?

(গ) লোকনাট্যত সহ-অভিনয় প্রচলিত আছেনে?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক —

ক) অসমৰ উৎসৱ-অনুষ্ঠানমূলক গীত

খ) অসমৰ আখ্যান গীত

গ) অসমৰ পূজা-উপাসনাৰ লগত জড়িত নৃত্য

ঘ) অৱনদ্ধ বাদ্য

গ) পুতলা নাচ

ঙ) ওজাপালি

প্রশ্ন ২ ঃ অসমৰ লোকবাদ্য সম্পর্কে এটি টোকা প্রস্তুত কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমৰ লোকসংগীত সম্পর্কে এটি প্রৱন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ অসমৰ লোকগীত আৰু লোকনৃত্যসমূহৰ অনুষংগ বিচাৰ কৰি শ্রেণীবিভাজন কৰক। প্রতিটো শ্রেণীবিভাগৰে উদাহৰণসহ পৰিচয় দাঙি ধৰক।

প্রশ্ন ৩ ঃ লোকনৃত্য মানে কি? অসমৰ লোকনৃত্যৰ পৰিচয় দাঙি ধৰক।

প্রশ্ন ৪ ঃ অসমৰ লোকনাট্যৰ বিষয়ে এটি আলচ যুগুত কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ অসমৰ কেইটামান নির্বাচিত লোকপৰিৱেশ্য কলা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ অসমৰ কেইটামান নির্বাচিত লোকপৰিৱেশ্য কলা
১৪.৩.১ ওজাপালি
১৪.৩.২ কুশান-গান
১৪.৩.৩ ঢুলীয়া ভাওনা
১৪.৩.৪ খুলীয়া ভাওনা
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ওজাপালি নামৰ লোকনাট্যানুষ্ঠান বিধৰ বিবিধ দিশ সম্পর্কে জ্ঞাত হ'ব
- নামনি অসমত প্রচলিত এটি উল্লেখযোগ্য লোকনাট্যানুষ্ঠান কুশান-গান সম্পর্কে অৱগত হ'ব
- অসমৰ ঢুলীয়া ভাওনা আৰু খুলীয়া ভাওনা সম্পর্কে সম্যক ধাৰণা লাভ কৰিব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমৰ লোকপৰিৱেশ্য কলাৰ বিষয়ে সম্যকভাৱে অধ্যয়ন কৰিলে। সেই অধ্যায়তে আপুনি অৱগত হ'ল যে অসম দেশ লোকনাট্যানুষ্ঠানৰ ক্ষেত্রত অতি চহকী। অসমত বিবিধ শৈলীৰ লোকপৰিৱেশ্য কলাৰ প্রচলন আছে। তাৰে কেইটামান নির্বাচিত লোকনাট্যৰ বিষয়ে আমি এই অধ্যায়টোত বহলাই আলোচনা কৰিম।

অসমৰ প্রাচীন লোকনাট্যানুষ্ঠানবোৰৰ ভিতৰত আন এটা উল্লেখযোগ্য নাট্যানুষ্ঠান হ'ল ওজাপালি। প্রাক্-শংকৰী যুগৰে পৰা অসমত ওজাপালিৰ প্রচলন আছিল বুলি সমালোচকসকলে মত পোষণ কৰে। এই পৰিৱেশ্য কলা বিধৰ বিষয়ে অধ্যায়টিত বহলাই আলোচনা কৰা যাব। ঠিক সেইদৰে অবিভক্ত গোৱালপাৰা জিলাৰ উত্তৰ পাৰত প্রচলিত এটি উল্লেখযোগ্য

লোকনাট্যানুষ্ঠান হ'ল কুশান-গান। ইয়াৰ বিষয়েও অধ্যায়টোত বহলাই আলোচনা কৰা যাব। মূলতঃ কামৰূপ আৰু দৰঙত প্ৰচলিত ঢুলীয়া ভাওনা অসমৰ আন এটা প্ৰধান লোকনাট্যানুষ্ঠান। ঢুলীয়া ভাওনাত ঢোল-তাল বজাই বিভিন্ন ক্ৰিয়া-কৌশল (কুস্তি, চাৰ্কাচ) প্ৰদৰ্শন কৰি, নৃত্য-গীত আৰু কৌতুকপূৰ্ণ অভিনয়ৰে লোক মনোৰঞ্জনৰ ব্যৱস্থা কৰে। ঠিক সেইদৰে ঢুলীয়া ভাওনাৰ সমগোত্ৰীয় আন এটা লোকনাট্যানুষ্ঠান হ'ল খুলীয়া ভাওনা। এই নাট্য ধাৰাটি বিয়াহ-ওজাপালি অনুষ্ঠানৰ পৰা উদ্ভৱ হৈছে বুলি ধাৰণা কৰা হয়। লোকমনক আনন্দৰ খোৰাক যোগান ধৰাৰ লগতে নৈতিক শিক্ষা প্ৰদান কৰাই এই শ্ৰেণীৰ নাটৰ মূল উদ্দেশ্য। এই দুটা লোকনাট্যানুষ্ঠানৰ বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা যাব।

১৪.৩ অসমৰ কেইটামান নিৰ্বাচিত লোকপৰিৱেশ্য কলা

অধ্যায়টোৰ পৰিচয় অংশত ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে অসমত প্ৰচলিত ওজাপালি, কুশান-গান, ঢুলীয়া ভাওনা আৰু খুলীয়া ভাওনাৰ বিষয়ে এই অধ্যায়টোত আমি অধ্যয়ন কৰিম। তলত এই কেউটা লোকনাট্যানুষ্ঠানৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।

১৪.৩.১ ওজাপালি

অসমৰ প্ৰাচীন পৰিৱেশ্য কলাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য অৰ্ধ নাটকীয় নাট্যানুষ্ঠান হ'ল ওজাপালি। এই পৰম্পৰা মূলতঃ ধৰ্মীয় প্ৰসংগৰ লগত সম্পৃক্ত। মন কৰিবলগীয়া যে সৰ্বভাৰতীয় ***কথকতা*** পৰম্পৰাৰ সৈতে এই লোকনাট্যৰ সাদৃশ্য অতি স্পষ্ট। সেই বাবেই নবীন চন্দ্ৰ শৰ্মাই মন্তব্য কৰিছে — "অৰ্ধ নাটকীয় সমল বিশিষ্ট আনুষ্ঠেয় কলা ওজাপালি যথাৰ্থতে সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহক।" প্ৰাক্-শংকৰী যুগৰে পৰা অসমত ওজাপালিৰ প্ৰচলন আছিল বুলি সমালোচকসকলে মত পোষণ কৰে। ওজাপালি অনুষ্ঠানত ওজা আৰু পালিসকলে গীত, কথোপকথন, অভিনয়ৰ জৰিয়তে মূলতঃ *ৰামায়ণ, মহাভাৰত* আৰু বিভিন্ন পু�ৰাণৰ কাহিনী উপস্থাপন কৰে। লোকজীৱনত প্ৰচলিত ভাষাৰে কথোপকথনৰ মাধ্যমেৰে ক'ব বিচৰা বিষয়বস্তু দৰ্শকক বুজাই দিয়ে। এই অৰ্ধ নাটকীয় অনুষ্ঠানটোৰ গঠন আৰু বিকাশত আৰ্য সংস্কৃতিৰ লগতে আৰ্যভিন্ন সংস্কৃতি আৰু থলুৱা সমলৰ সু-সমন্বয় ঘটিছে। সেই বাবেই হয়তো কোৱা হৈছে — "থলুৱা আৰু আৰ্যভিন্ন সাংস্কৃতিক সমলৰ প্ৰভাৱৰ ত্ৰিৱেণী সংগমত ওজাপালি অনুষ্ঠানৰ বিকাশ ঘটি এক শক্তিশালী পৰম্পৰাৰ সৃষ্টি কৰিছে।" ওজাপালি অনুষ্ঠান অসমৰ মাৰ্গীয় শৈলীৰ প্ৰতিষ্ঠিত পৰম্পৰা বহন কৰিব পৰা তিনিটা নৃত্য ধাৰা ভিতৰৰ এটা। এই কথা আমি সত্ৰীয়া পৰিৱেশ্য কলা সম্পৰ্কে আলোচনা কৰি আহোঁতেও উল্লেখ কৰি আহিছোঁ। ভাৰতৰ এগৰাকী বিখ্যাত কলাতত্ত্ববিদ কপিলা বাৎসায়নেও এই প্ৰসংগত মন্তব্য আগবঢ়াই গৈছে — "The dance of Ojā



কথকতা ঃ প্ৰাচীন কালত *ৰামায়ণ, মহাভাৰত,* পু�ৰাণ আদি কথক আৰু ধাৰকৰ দ্বাৰা আবৃত্তি কৰা বা প্ৰদৰ্শিত কৰা অনুষ্ঠানকে কথকতা বোলা হয়। সাধাৰণভাৱে ক'ব পাৰি যে কথোপকথনৰ জৰিয়তে কোনো বক্তব্যৰ বৰ্ণনা, আলোচনা বা ব্যাখ্যা কৰাকে কথকতা পৰম্পৰা বুলি অভিহিত কৰা হয়।

bear many resemblances to the classical dances of India. The accompanying music is also close to the classical ragās."

কথকতা পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহক ওজাপালিৰ সৃষ্টিৰ ক্ষেত্ৰত বহুতো পুৰাকথা (Myth) আৰু জনশ্ৰুতি জড়িত হৈ আছে। প্ৰথমটি মতবাদ অনুসৰি এই কলাশিল্পবিধৰ উদ্ভৱ হৈছিল দেৱতাৰ অনুগ্ৰহত। ইন্দ্ৰৰ অভিশাপ মতে অৰ্জুন এবছৰৰ বাবে নপুংসক হৈছিল আৰু সেই সময়ছোৱাত বৃহন্নলাৰূপে বিৰাট পুত্ৰী উত্তৰাক গান্ধৰ্ব বিদ্যাৰ শিক্ষা প্ৰদান কৰিছিল আৰু সেয়াই ওজাপালি বিদ্যা। দৰঙত প্ৰচলিত আন এটি মতবাদ মতে 'পাৰিজাতী' নামৰ ব্যাসিনী মহিলা এগৰাকীয়ে সপোনত লাভ কৰিছিল এই বিদ্যা আৰু তেওঁ পৰৱৰ্তী সময়ত তেওঁৰ শিষ্যসকলক শিকায়। আন এক মতবাদ অনুসৰি ব্যাসকলাই আৰু কেন্দুকলাই নামৰ ককাই-ভায়েক ইয়াৰ প্ৰৱৰ্ত্তক আৰু দুয়ো ক্ৰমান্বয়ে বিয়াহ আৰু সুকনানি ওজাপালিৰ প্ৰৱৰ্ত্তক। মন কৰিবলগীয়া যে সমগ্ৰ ভাৰতত একে ধৰণৰ বা সমধৰ্মী বিবিধ লোকনাট্য পৰম্পৰাৰ প্ৰচলন আছে।

ওজাপালি অনুষ্ঠানক পাঠ, প্ৰসংগ, সংযুতি, পৰিৱেশন শৈলী বা প্ৰণালীৰ আধাৰত বিভিন্ন ধৰণে শ্ৰেণী বিভাজন কৰি আলোচনা কৰিব পাৰি। এই কলাশিল্প বিধৰ মূল বা অন্যতম লক্ষ্য কাহিনী কথন আৰু গীত-পদৰ আবৃত্তি। ওজাপালি অনুষ্ঠানৰ পাঠ তথা বিষয়বস্তুৰ আধাৰত সামগ্ৰিকভাৱে — (ক) মহাকাব্য আশ্ৰয়ী ওজাপালি আৰু (খ) মহাকাব্য অনাশ্ৰয়ী ওজাপালি বুলি বিভাজন কৰিব পাৰি। ঠিক সেইদৰে অনুষংগৰ ফালৰ পৰা ইয়াক পুনৰ (ক) বিষ্ণু পূজাৰ লগত জড়িত ওজাপালি আৰু (খ) শাক্ত অনুষংগ বা দেৱী পূজাৰ লগত জড়িত ওজাপালি বুলিও বিভাজন কৰিব পাৰি।

অসমত প্ৰচলিত বিবিধ ওজাপালি শৈলীক অনুষংগ অনুসৰি কৰা এই দুই বিভাজনত এনেদৰে অন্তৰ্ভুক্ত কৰিব পাৰি ঃ- ব্যাস-ওজাপালি, ৰায়মন সংগীত বা *ৰামায়ণ* গোৱা ওজাপালি, ভাউৰা ওজাপালি, দুৰ্গাৱৰী ওজাপালি, সত্ৰীয়া ওজাপালি, পাঞ্চালী ওজাপালি আৰু দুলড়ী ওজাপালি— বিষ্ণু পূজাৰ লগত জড়িত ওজাপালিৰ অন্তৰ্ভুক্ত। ঠিক সেইদৰে সুকনান্নী ওজাপালি, বিষহৰি ওজাপালি, মাৰে-গান, পদ্মা পুৰাণ বা পদ্দা পুৰাণৰ গান, তুকুৰীয়া ওজাপালি, গীতালু-গীত বা গাহান, ৰাখোৱাল গীত শাক্ত অনুষংগ বা দেৱী পূজাৰ লগত জড়িত ওজাপালিৰ অন্তৰ্গত।

ওজাপালি অনুষ্ঠানসমূহত মূলতঃ এজন ওজা, এজন ডাইনা পালি আৰু কেইবাজনো পালি থাকে। ওজা আৰু ডাইনা পালিয়ে কথোপকথন, নৃত্য-ভংগিমাৰে লোকৰঞ্জনপূৰ্ণ ঘটনা বা কাহিনী উপস্থাপন কৰি নাট্যানুষ্ঠানৰ মূল কাহিনীভাগ আগু�ৱাই লৈ যায়। ওজাই 'দিহা'ৰে আৰম্ভ কৰি একোটি কাহিনী বিভিন্ন ৰাগত গাই যায় আৰু পালিসকলে খুটিতাল বজাই ভৰিৰে তাল ৰাখি সেইখিনি দোহাৰে। ইয়াত হস্তমুদ্ৰাৰ প্ৰদৰ্শনো এক বিশেষ বৈশিষ্ট্য বুলি ক'ব পাৰি। আপুনি নিশ্চয় জানে যে জন সমাজত প্ৰচলিত প্ৰায়বিলাক ধৰ্মীয় কৃত্যৰ সৈতে একো একোটা মিথ বা লোককথাৰ প্ৰচলন

থাকে। ধৰ্মীয় কৃত্যসমূহ সম্পাদন কৰোঁতে অনুষংগৰূপে মিথসমূহৰ আংগিক-বাচিক ৰূপায়ণ কৰা যায়। ওজাপালি অনুষ্ঠানতো মূলতঃ এই প্ৰকাৰ্যই সম্পাদন কৰা হয়। ইয়াৰ অভিনয় অংশবোৰত অনুকৰণাত্মক (mimetic) অভিনয়ৰ লগতে প্ৰয়োজন সাপেক্ষে মুখাৰ ব্যৱহাৰ কৰা হয়, মাজে মাজে অসংগতিপূৰ্ণ কাৰ্যাৱলীৰে স্থূল হাস্যৰসৰ উদ্ৰেক কৰা হয় আৰু মাজে মাজে সমসাময়িক ঘটনাৰ সৈতে সংগতি স্থাপন কৰি তীৰ্যক মন্তব্য ব্যক্ত কৰা হয়। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে সত্ৰীয়া ওজাপালিত অৱশ্যে অসংগতিপূৰ্ণ কাৰ্যাৱলীৰে স্থূল হাস্যৰসৰ উদ্ৰেক কৰা নহয় আৰু সত্ৰ বিশেষে ইয়াৰ পৰিৱেশন শৈলীৰ ভিন্নতা আছে। ওজাপালি অনুষ্ঠানত ডাইনা পালিয়ে এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। তেওঁৰেই বিষয়বস্তু আগ বঢ়াই নিয়াত ওজাক সহায় কৰাৰ লগতে কথোপকথনৰ জৰিয়তে ওজাই উত্থাপন কৰা প্ৰাসংগিক প্ৰশ্নসমূহৰ উত্তৰ প্ৰদানৰ আলমতে সুধী সমাজক নাটকীয় সংলাপ, অংগী-ভংগী আৰু নাট্যভিনয়ৰ সোৱাদ প্ৰদান কৰে ।

আমাৰ এই আলোচনাত সামগ্ৰিকভাৱে ওজাপালিৰ বিষয়ে এটি ধাৰণাহে প্ৰদান কৰা হ'ল। ইতিমধ্যে আমি উল্লেখ কৰি অহা প্ৰত্যেক বিধ ওজাপালিৰে নিজা নিজা বিশেষ বৈশিষ্ট্য আছে। পাঠ্যবিষয়ত সেই বিষয়ে অন্তৰ্ভুক্ত নোহোৱাত বহলাই আলোচনা কৰাৰ পৰা বিৰত থকা হ'ল।



চিন্তা-চৰ্চা কৰক — ১৪.১

অধিক জানিবলৈত উল্লেখ কৰা পুথিসমূহৰ সহায়েৰে প্ৰত্যেক বিধ ওজাপালিৰ বিবিধ বৈশিষ্ট্য, অনুষংগ তথা পৰিৱেশন শৈলীৰ বিষয়ে একোটা টোকা প্ৰস্তুত কৰিবলৈ যত্ন কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ওজাপালি অনুষ্ঠানৰ পাঠ তথা বিষয়বস্তুৰ আধাৰত সামগ্ৰিকভাৱে কেইটা আৰু কি কি ভাগত বিভাজন কৰা হয়?

.....

.....

প্ৰশ্ন নং ২ ঃ ওজাপালি অনুষ্ঠানৰ বিষয়বস্তু আগ বঢ়াই নিয়াত মূলতঃ কোনে কোনে বিশিষ্ট ভূমিকা গ্ৰহণ কৰে?

.....

১৪.৩.২ কুশান-গান

অবিভক্ত গোৱালপাৰা জিলাৰ উত্তৰ পাৰত প্ৰচলিত এটি উল্লেখযোগ্য

লোকনাট্যানুষ্ঠান হ'ল কুশান-গান। কুশান-গানক 'ৰাবান-গান', 'কুশান পালা', 'বেণা-গান' আদি অভিধাৰেও অভিহিত কৰা হয়। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে পশ্চিমবংগৰ জলপাইগুৰি আৰু কোচ বিহাৰ, বিহাৰৰ পুৰ্ণিয়া, ভূটানৰ দুৰ্বাচ, নেপালৰ ঝাপা, বাংলাদেশৰ ৰংপুৰ আৰু ময়মানসিংহ জিলাতো কুশান-গানৰ পৰম্পৰা পৰিলক্ষিত হয়। এই পৰম্পৰাৰ লগত ওজাপালি অনুষ্ঠানৰো কিছু পৰিমাণে সামঞ্জস্য আছে আৰু ই সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ আধাৰতেই সৃষ্টি হৈছে। কুশান-গান *ৰামায়ণ*-কথকাতাৰ আধাৰত সৃষ্ট। আলোচকসকলে কুশান-গানৰ "বিষয়বস্তু আৰু অভিনয় শৈলী ওড্ৰ-মাগাধী প্ৰবৃত্তিৰ লগত খাপ খোৱা বিধৰ" বুলি মত পোষণ কৰিছে। 'ওড্ৰ-মাগধী' প্ৰবৃত্তি ভৰত মুনিৰ *নাট্যশাস্ত্ৰত* উল্লেখ থকা চতুঃ প্ৰকাৰ নাট্য প্ৰবৃত্তিৰ অন্তৰ্গত আৰু এয়া প্ৰাগজ্যোতিষ আদি ঠাইত প্ৰচলিত আছিল বুলি *নাট্যশাস্ত্ৰত* উল্লেখ আছে।

'কুশান' শব্দটোৰ সৃষ্টিৰ ক্ষেত্ৰত পণ্ডিতসকলৰ মাজত মতবিৰোধ আছে। খেনোৰ মতে এই পদটো 'কুশীলৱ' পদৰ পৰা আহিছে। কুশীলৱ শব্দটোৰ অৰ্থ হৈছে — গায়ক কবি, গায়ক, ভাৰৰীয়া, নট, নৰ্তক, বাল্মীকিৰ আন এটা নাম, ৰামচন্দ্ৰৰ দুই পুত্ৰ (কুশ + লৱ)। আন এচাম পণ্ডিতে ৰামৰ দুই পুত্ৰ— লৱ আৰু কুশই *ৰামায়ণ*-ৰ পদ গোৱাৰ পৰম্পৰা আৰম্ভ কৰিছিল তাৰ পৰাই 'কুশান-গান'ৰ সৃষ্টি হৈছে বুলি মত পোষণ কৰে। 'কুশ'ৰ নাম বিশেষভাৱে জড়িত হ'লেহে 'কুশান' হ'ব পাৰে; সেই মৰ্মে 'লৱ'ৰ নাম সংযুক্ত হৈ 'লৱান' হ'ব লাগিছিল। কিন্তু সেয়া সম্পন্ন নহ'ল। সেয়ে এই দুই নামৰ আধাৰত 'কুশান' পদটো সৃষ্টি হোৱাৰ কথাটো বহু পণ্ডিতে মানি নলয়। আন এচামে মন্তব্য কৰে যে 'কোচান' শব্দৰ পৰা 'কুশান'ৰ সৃষ্টি হৈছে। কোচান মনে 'কোচৰজা। কোচৰজাসকলৰ ৰাজত্ব কালত বিকশিত ৰূপ লাভ কৰাৰ বাবে এইবিধ পৰিৱেশ্য কলাৰ নাম কোচান>কুচান>কুশান হৈছে। অৱশ্যে এই পৰম্পৰা কোচ ৰজাসকলৰ দিনত আৰম্ভ হৈছে বুলি ক'লে ইতিহাসক অস্বীকাৰ কৰা হ'ব। সেয়ে এই মতবাদটো অধিকাংশ পণ্ডিতে মানি ল'ব নিবিচাৰে।

এই কলা-শিল্পবিধ গীত-নৃত্ত-নৃত্য-নাট্য-বাদ্য আৰু অভিনয়ৰ সমষ্টি। সেয়ে ইয়াৰ লগত 'গান' পদটো প্ৰয়োগ কৰা হৈছে। আনহাতে 'পালা' পদটোও ইয়াৰ লগত সংলগ্ন কৰি দিয়া হয়। 'পালা'ৰ অৰ্থ — অভিনয় বা সংগীতৰ এটি এটি আখ্যায়িকা, গীত আৰু অভিনয়ৰ বিষয়, কাহিনী, নাটক আৰু কীৰ্তন অথবা ধৰ্ম সম্বন্ধীয় সংগীতৰ সম্পূৰ্ণ ইতিবৃত্তৰ কিছু অংশ। এই অৰ্থকেইটাৰ আধাৰত ক'ব পাৰি যে এই পদৰ প্ৰয়োগো যথাৰ্থ। অৱশ্যে সংস্কৃত ভাষাত এই পদৰ প্ৰয়োগ দেখা নাযায়। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে ৰাৱণ চৰিত্ৰপ্ৰধান কুশান গানক 'ৰাবান-গান' বুলি অভিহিত কৰা হয়। অৱশ্যে চৰিত্ৰৰ প্ৰাধান্যৰ আধাৰত এই কলা বিধৰ নামকৰণ কৰাৰ ক্ষেত্ৰত পণ্ডিতসকলে সন্দেহ প্ৰকাশ কৰে।

অসমৰ এগৰাকী লোকসংস্কৃতিৰ সাধক নবীন চন্দ্ৰ শৰ্মাই মত পোষণ কৰে যে

প্রথম অৱস্থাত কুশান-গান কেৱল গীত-নৃত্ত-নৃত্য-বাদ্য প্রধান আছিল, পৰৱর্তী সময়ত হে পালা বা নাট্যৰ সংযোজন ঘটে। মূলতঃ বাচিক পৰম্পৰাকে প্রচলিত হৈ অহা এই নাটসমূহৰ পৰিৱেশনৰ ভাষা আছিল কমতা অঞ্চলত প্রচলিত অসমীয়া ভাষা আৰু সেয়া এতিয়া ৰাজবংশী বা দেশী ভাষা হিচাপে নামকৰণ কৰা হয়। বাচিক পৰম্পৰাৰে প্রচলিত নাটসমূহ সময়ৰ লগে লগে পাহৰিবলৈ ধৰাত পৰৱর্তী সময়ত কৃত্তিবাসী *ৰামায়ণ*ৰ সমল সংযোজন কৰি নাট লিখিবলৈ লোৱা হয় আৰু ইয়াৰ ভাষা ক্রমান্বয়ে বঙলুৱা হৈ পৰিল। সাম্প্রতিক সময়ত প্রচলিত কুশান-গানৰ অভিনয়সমূহৰ পয়াৰ, সংলাপ আদি কৃত্তিবাসী *ৰামায়ণ* আশ্রিত। অৱশ্যে এই পৰিৱেশনত জাতি-ধর্ম-বর্ণ-সম্প্রদায় নির্বিশেষে সকলো জড়িত হ'ব পাৰে। কুশান-গানত আন আন লোকনাট্যৰ দৰে আনন্দ প্রদানৰ লগতে লোকশিক্ষা তথা আধ্যাত্মিক শিক্ষা প্রদান কৰা হয়। শ্যামা-পূজা, দুর্গা-পূজা, বাসন্তী-পূজা, মনসা-পূজা আদি ধর্মীয় উৎসৱৰ উপৰি বিভিন্ন মেলা, বিৱাহ অনুষ্ঠান আদিটো এই কলাবিধৰ প্রদর্শন কৰা হয়।

কুশান-গানৰ দলটোৰ সংযুতি এনে ধৰণৰ —এজন প্রধান গায়ক বা গীদাল, বেণা বাদক, এজন দাইনাপালি, চাৰি-পাঁচজন পালি বা পাইল, এজন প্রধান সহকাৰী দোৱাৰী বা দোহাৰী, খোলবাদক বা বায়ন বা বাইন, এজন বা দুজন মন্দিৰা বা জুৰি বাদক, চাৰি-পাঁচজন নর্তকীবেশী ল'ৰা বা ছোকৰা বা ছুকুৰী বা ছুক্ৰী। এই পৰিৱেশনত বেণা অপৰিহায্য বাদ্যযন্ত্র, মূল গীদালে বেণা বজায়; সেই বাবেই বহুতে ইয়াক 'বেণা-গান' বা 'বেণা-কুশান' বুলিও অভিহিত কৰে। ইয়াৰ উপৰি বাঁহী, মন্দিৰা, খোল এই পৰিৱেশনত ব্যৱহাৰ কৰা হয়। ভাৱৰীয়াসকলৰ পোছাক-পৰিচ্ছদত বৰ বিশেষ বিচিত্রতা নাছিল যদিও সম্প্রতি ইয়াতো আধুনিকতাৰ প্রভাৱ পৰিছে। মন কৰিবলগীয়া যে পূর্বতে এই পৰিৱেশনত মুখা প্রযোগ কৰা হৈছিল বুলি বহু আলোচকে উল্লেখ কৰি গৈছে যদিও সম্প্রতি ইয়াৰ পৰিৱেশনত কোনো ধৰণৰ মুখাৰ প্রয়োগ কৰা নহয়।

সাধাৰণতে ৰভাখলাৰ খোলা ঠাইত, মাজত আয়তাকাৰ বা বর্গাকৃতিৰ অংশ এটাত পৰিৱেশন কৰা কুশান-গানত তিনিটা অংশ থাকে— প্রস্তাৱনা, বাদ্য সংগীত বা বন্দনা আৰু মূল কাহিনী। প্রস্তাৱনাত বাদ্যযন্ত্রৰ ঐক্যতান সৃষ্টি কৰা হয়। ইয়াৰ পাছতে বাদ্য সংগীতৰ সৈতে সংস্কৃত শ্লোক এটা বা দুটা আবৃত্তি কৰা হয় অভিনয়ৰ মংগল কামনা কৰি। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে সকলো কুশান-গানৰ পৰিৱেশনত সংস্কৃত শ্লোক আবৃত্তি কৰা নহয়। কিন্তু এই অংশটোতেই সৰস্বতীক বন্দনা কৰে গীদালে আৰু বাকীসকলে গীত-পদ দোহাৰি নৃত্য প্রদর্শন কৰে। সৰস্বতীক বন্দনা কৰাৰ পাছতে সাধাৰণতে ৰামৰ বন্দনা কৰা হয়। অৱশ্যে সকলোতে ৰামৰ বন্দনা কৰা নহয়। ইয়াৰ পাছতে চাৰিযুগ বন্দনা কৰি বন্দনা অংশ সামৰা হয়। শেষৰ অভিনয় অংশ "নাচ, গান, সংলাপ, বাদ্য, হাস্যকৌতুক আৰু সামৰণি-প্রার্থনা"ৰ সমষ্টি। পালাৰ আৰম্ভণিতে অভিনয় প্রংসগত হ'ব পৰা দোষ-ত্রুটিৰ মার্জনা বিচাৰি গীদালে দর্শকমণ্ডলী আৰু গুৰুৰ

পৰা ক্ষমা ভিক্ষা কৰে। তাৰ পাছতেই মূল অভিনয় অংশ পৰিৱেশন কৰা হয়। সংলাপ, গীত, নৃত্যৰ মাজেৰে অভিনয় কৰা এই অংশটোত আন আন লোকনাট্যৰ দৰে ব্যংগাত্মক প্রকার্য, হাস্য-কৌতুক সৃষ্টি কৰা হয়। স্থূল হাস্যৰস সৃষ্টিৰ বাবে ইয়াত মূল পালাৰ লগত সংগতি নথকা কিছুমান বিসদৃশ পৰিস্থিতি অভিনয় কৰা হয় আৰু সেই অংশসমূহক 'চং' বা 'ফ্যাস' বোলা হয়। গীদালে বিভিন্ন পয়াৰ গাই আন আন ভাৱৰীয়াসকলৰ অভিনয়ৰ সহযোগত পালা বা নাট্যাভিনয়ৰ কাহিনীভাগ আগবঢ়াই নিয়ে। শেষত কুশান-পালা দর্শনৰ মাহাত্ম্য বা ৰামায়ণ-মাহাত্ম্যৰ বর্ণনাৰে কুশান-গানৰ সামৰণি সূচিত কৰে। ইয়াৰ পাছতে খোলৰ বোল, বেণাৰ সুৰ, বাঁহীৰ নিস্বন আদিৰে এক সমলয় সৃষ্টি কৰি খোলা ভঙা হয় আৰু কুশান-গানৰ সামৰণি পৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *নাট্যশাস্ত্রত* উল্লেখ থকা কোন বিধ নাট্য প্রবৃতিৰ সৈতে কুশান-গানৰ সম্পর্ক আছে বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে?

.....

প্রশ্ন নং ৪ ঃ কুশান-গানৰ শেষৰ অভিনয় অংশ কিহৰ কিহৰ সমষ্টি?

.....

১৪.৩.৩ ঢুলীয়া ভাওনা

মূলতঃ কামৰূপ আৰু দৰঙত প্রচলিত ঢুলীয়া ভাওনা অসমৰ আন এটা প্রধান লোকনাট্যানুষ্ঠান। ঢুলীয়া ভাওনাক 'ঢুলীয়া ভাউৰীয়া', 'ঢুলীয়া ভাইৰা' আদি অভিধাৰেও অভিহিত কৰা হয়। ঢোল শব্দটো থকাৰ পৰাই আমি ধাৰণা কৰিব পাৰোঁ যে এই লোকনাট্য বিধত ঢোল ব্যৱহাৰ কৰা হয় অর্থাৎ ইয়াত ঢোল বজাই আনৰ ভাও দেখুৱায়। আপুনি নিশ্চয় জানে যে ঢোলক 'দেৱ বাদ্য' হিচাপে বিবেচনা কৰা হয় আৰু অতীজৰে পৰা জন সমাজত ইয়াৰ প্রচলন থকাৰ প্রমাণ পোৱা যায়। অসমীয়া সমাজৰ বিভিন্ন সামাজিক অনুষংগত, যেনে— বিবাহ, পূজা-পাতল, সংস্কাৰমূলক কার্য, মন্দিৰ-থান-পূজাখলাতো ঢোল বাদন কৰা হয়।



জানি থোৱা ভাল

অসমত বাস কৰা প্রায় প্রতিটো জাতি-জনজাতিৰ মাজত ব্যৱহাৰ ঢোলসমূহ বিভিন্ন নামেৰে পৰিচিত বা ঢোলৰ জোখ অনুসৰি বিভিন্ন প্রকাৰৰ, যথা — বৰঢোল, ঢেপাঢোল বা চুঙাঢোল, ৰাজাঢোল,

জয়ঢোল, দেওঢোল, পাতিঢোল, মাদল, খাম, ছেং, দুমদুম ইত্যাদি। ইয়াৰে ভিতৰত বৰঢোল, ঢেপাঢোল বা চুঙাঢোল, জয়ঢোলৰ আকৃতি বহু ডাঙৰ আৰু বহু ঠাইত সমার্থক শব্দৰূপেও ব্যৱহাৰ কৰা হয়। ই দীঘলে প্ৰায় তিনিফুট, পৰিধি প্ৰায় ছয়-সাত ফুট; কুৰি বা কোংৰ ব্যাস প্ৰায় আঢ়ৈ ফুট আৰু তালিৰ ব্যাস দুই ফুট। ঢুলীয়া ভাওনাত প্ৰধানতঃ এই বিধ ঢোলেই ব্যৱহাৰ কৰা হয়। অৱশ্যে ইয়াৰ লগতে আন আন ঢোলো ঢুলীয়া ভাওনাৰ পৰিৱেশনত ব্যৱহাৰ কৰা দেখা যায়। নবীন চন্দ্ৰ শৰ্মাই ঢুলীয়াক চাৰিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি বুলি মত পোষণ কৰিছে, যথা — পূজা-উপাসনাৰ সৈতে জড়িত ঢুলীয়া, বিহু আদি উৎসৱ-অনুষ্ঠানৰ সৈতে সম্পৰ্কযুক্ত ঢুলীয়া, সংস্কাৰমূলক কৃত্যাদিৰ সৈতে জড়িত ঢুলীয়া আৰু সভা-মেলা আদিৰ লগত যুক্ত ঢুলীয়া।

সাধাৰণতে সভা-মেলাৰ সৈতে জড়িত ঢুলীয়াসকলে ভাওনা কৰে আৰু তেনে এটি ঢুলীয়া ভাউৰীয়াৰ দলত সাধাৰণতে ৬০-৭০জন শিল্পী থাকে। ঘাই ঢুলীয়া, ঢুলীয়া, তালুৰৈ (যিসকলে বিভিন্ন ধৰণৰ তাল বজায়), কালী বাদক বা কালীয়া, বায়ন বা বাইন (যিজনে খোল সংগত কৰে), গায়ক বা গাইন, আঁৰিয়া ধৰা, কুষ্টি প্ৰদৰ্শনকাৰী, ভাউৰীয়া বা ভাইৰা, অভিনয়ত অংশগ্ৰহণকাৰী ঢুলীয়া আৰু কালীয়াৰে গঠিত হয় এনে এটা দল। মন কৰিবলগীয়া যে সাম্প্ৰতিক সময়ত বাঁহীবাদক, ড্ৰাম বাদক আৰু কৰ্ণেট বাদককো এই দলত অন্তৰ্ভুক্ত কৰি লোৱা হৈছে। এই পৰিৱেশ্য কলাবিধত ঢোল বাদন, গীত আৰু নৃত্য প্ৰদৰ্শনৰ উপৰি নাট্যাভিনয় অৰ্থাৎ চং আৰু নাট বা নাটক প্ৰদৰ্শন কৰা হয়। নবীন চন্দ্ৰ শৰ্মাই মত পোষণ কৰিছে যে পূৰ্বতে এই সভা-গোৱা ঢুলীয়াৰ সৈতে কুষ্টি প্ৰদৰ্শন, নাটক, চং আদিৰ প্ৰচলন নাছিল; পৰৱৰ্তী সময়ত গোটেই ৰাতিটো দৰ্শকক মুগ্ধ কৰি ৰখাৰ স্বাৰ্থতে এইবোৰৰ সংযোজন কৰা হয়।

ঢুলীয়া ভাওনাত আঁৰিয়া ধৰাজনে এক বিশেষ ভূমিকা পালন কৰে। তেওঁ হাতত আঁৰিয়া ধৰি তাল-খোল-ঢোল আদিৰ সময়লৰ লগত সংগতি ৰাখি গোৱা গীত-পদ আবৃত্তি কৰি, বিভিন্ন নৃত্য ভংগীমাৰে সকলো শিল্পীকে ৰভাখলাত প্ৰৱেশ কৰোৱায়। ঘাই ঢুলীয়াজন দলটোৰ দলপতি আৰু পৰিচালকস্বৰূপ। ঢুলীয়া ভাওনাৰ ভাউৰীয়া বা ভাইৰাসকলে বিসদৃশপূৰ্ণ পোছাক পৰিধান কৰি বহু সময়ত ঘাই ঢুলীয়াৰ সৈতে কথা-বতৰাৰ মাজেৰে হাস্য-ব্যংগ্যৰ সৃষ্টি কৰে। আনহাতে অভিনয় অংশত এওঁলোকৰ উপৰি অভিনয় কৰিব পৰা ঢুলীয়া আৰু পালিসকলেও অংশ গ্ৰহণ কৰে। ঢুলীয়া ভাওনাত মূলতঃ তিনি প্ৰকাৰৰ মুখাৰ প্ৰচলন আছে— দেৱী আৰু মানৱীৰ মুখা, দানৱ-অসুৰৰ মুখা আৰু জীৱ-জন্তু-চৰাই আদিৰ মুখা। প্ৰসংগত উল্লেখযোগ্য যে পূৰ্বতে এই পৰিৱেশনত নাৰীয়ে অংশগ্ৰহণ কৰা নাছিল যদিও পৰৱৰ্তী সময়ত সহ-অভিনয়ৰ প্ৰচলন হয়।

ঢুলীয়া ভাওনাৰ পৰিৱেশনৰ সংযুতি এনে ধৰণৰ — বাদ্য বাজানা, প্ৰস্তাৱনা, বাদ্যসংগীত, খোৰ বা কুষ্টি প্ৰদৰ্শন-চং প্ৰদৰ্শন, মুখা নৃত্য প্ৰদৰ্শন, কুষ্টি প্ৰদৰ্শন, সম্পূৰ্ণাংগ

নাট-অভিনয় আৰু সামৰণি বা পৰিসমাপ্তি। সম্পূৰ্ণাংগ নাট-অভিনয় হোৱাৰ পূৰ্বে হাস্য-ব্যংগ্যৰ সৃষ্টি কৰি লোৱা হয়। ঢুলীয়া ভাওনাত দুই প্ৰকাৰৰ অভিনয় দেখা পোৱা যায়— ধৰ্মীয় তথা পৌৰাণিক কাহিনীৰ সৈতে জড়িত অভিনয় আৰু বাস্তৱ জীৱনৰ সৈতে সংম্পৃক্ত ব্যংগ্য আৰু কৌতুক ধৰ্মী চং। *ৰামায়ণ, মহাভাৰত,* বিবিধ পুৰাণৰ উপৰি বুৰঞ্জীমূলক বিভিন্ন ঘটনা, ৰাজনৈতিক ঘটনা, সামাজিক ঘটনা আদিৰ অভিনয় ইয়াৰে প্ৰথমটো ভাগৰ অন্তৰ্গত। বাস্তৱ-জীৱনৰ লগত সম্পৃক্ত ব্যংগ আৰু কৌতুক ধৰ্মী চং সমূহ প্ৰধানতঃ এক প্ৰকাৰৰ সামাজিক প্ৰহসন। নবীন চন্দ্ৰ শৰ্মাৰ মতে "চংবোৰ লিখিত নাট নহয়, আকস্মিকভাৱেই ইয়াৰ বিষয় নিৰ্ণয় কৰা হয়। বাইন, গাইন, ঘাই ঢুলীয়া আৰু ভাইৰাবিলাকে এনে নাট্যানুষ্ঠানত বিশেষভাৱে অংশ গ্ৰহণ কৰে। চৰিত্ৰবোৰ প্ৰায়ে প্ৰকাৰাত্মক (typical)। চঙৰ সংযুতি দুৰ্বল আৰু ত্ৰুটিপূৰ্ণ। সংযুতিকভাৱে দুৰ্বল কেইটামান পৰিস্থিতিৰ অভিনয়কৰণেই চঙৰ অন্যতম লক্ষ্য।" প্ৰসংগত মন কৰিবলগীয়া যে নাট বা নাটকৰ অভিনয় অংশত ভাৰৰীয়াসকলে যিখিনি পাৰে চৰিত্ৰোপযোগী সাজ-সজ্জা কৰে; কিন্তু চঙত সেয়া কৰা নহয়। চং সমূহকো — মহাকাব্য-পুৰাণ আদিৰ আধাৰত পল্লৱিত চং (শূৰ্পনখাৰ বিয়া, কীচক বধ আদি), ঐতিহাসিক ঘটনাৰ চং (ভাৰত-পাকিস্তান যুদ্ধ, বিদেশী খেদা আন্দোলন আদি), ৰাজনৈতিক বিষয়ৰ চং (স্বৰাজৰ ভাও, গান্ধী মহাৰাজ আদি) আৰু সামাজিক ব্যাপাৰ আশ্ৰয়ী চং (ফেউৰাৰ চং, চাহাব-মেমৰ খং, বামুণৰ চং আদি) ইত্যাদি ভাগত ভগাব পাৰি।

আজিকালিৰ ঢুলীয়া পৰিৱেশনত নাট্যাভিনয়ৰ পূৰ্বে, অৰ্থাৎ সম্পূৰ্ণাংগ নাট-অভিনয়ৰ পূৰ্বে এক ধৰণৰ নৃত্য-নাটিকা প্ৰদৰ্শন কৰিবলৈ লোৱা হৈছে। ইয়াকে 'কাটিং' বুলি কোৱা হয়। ইয়াকো পৌৰাণিক কথাআশ্ৰিত (কংস নাটিকা, মোহিত ৰাৱণ বধ) আৰু সামাজিক সমস্যাপ্ৰধান (কামিনী কাঞ্চন) — এই দুই ভাগত ভগাব পাৰি। স্মৰণযোগ্য যে কামৰূপৰ কৈহাটী অঞ্চলৰ মোহন ভাইৰাই এই ঢুলীয়া পৰিৱেশনৰ আগে আগে 'বৈন্যেনী' (বৰ্ণেনী) শীৰ্ষক এটি নতুন পৰম্পৰাৰ সৃষ্টি কৰে।

আন আন লোকনাট্যৰ দৰে ঢুলীয়া ভাওনাতো গীত-নৃত্য-বাদ্য-অভিনয়ৰ সমাহাৰ ঘটে আৰু এইবোৰৰ পৰিৱেশনশৈলীত সামঞ্জস্য লক্ষ্য কৰা যায়। ঢুলীয়া ভাওনাৰ নাটসমূহত ব্যৱহাৰ কৰা ভাষা লোকসমাজৰ কথিত ভাষা বা লোকভাষা। পূৰ্বতে কোনো ধৰণৰ লিখিত নাট নাছিল যদিও পৰৱৰ্তীসময়ত ই লিখিত ৰূপ লাভ কৰিছে। এই নাট্যাভিনয়ত লোকসমাজৰ সমস্যা, ৰুচি-অভিৰুচিৰ প্ৰকাশ ঘটে আৰু সেইবাবেই হয়তো নবীন চন্দ্ৰ শৰ্মাই মন্তব্য কৰিছে — "ঢুলীয়া নাট, চঙেই হওক; অথবা বৰ্ণেনীয়েই হওক এইবোৰ বক্ৰাঘাত, বক্ৰোক্তি, পৰিহাস, কৌতুক আৰু ব্যংগ্যৰ তীক্ষ্ন প্ৰয়োগৰ পৰিণতিত নাটকবোৰৰ কথাবস্তুৰ মূল সৌন্দৰ্য্য ব্যাহত হৈ পৰে। সেইবাবে ঢুলীয়া ভাওনাত ব্যৱহৃত নাটত বিশুদ্ধ নাট্যৰস পোৱা যায় বুলি ক'ব নোৱাৰি, কাৰণ এইবোৰৰ মূল উদ্দেশ্য স্থূল হাস্যৰস উদ্‌গীৰণ।" সামগ্ৰিকভাৱে ইয়াকেই ক'ব পাৰি যে এই লোকনাট্যৰ সৃষ্টি হৈছে

অনাক্ষৰী লোকসমাজক আনন্দ প্ৰদান কৰা বা অমল হাস্যৰসৰ যোগান ধৰাৰ বাবে, সেয়ে ইয়াৰ মাজত লোকায়ত সমাজৰ গভীৰ প্ৰভাৱ ৰক্ষিত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ঢুলীয়া ভাওনাত আঁৰিয়া ধৰাজনে কি প্ৰকাৰ্য সাধন কৰে?

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ 'কাটিং' মানে কি?

.....

১৪.৩.৪ খুলীয়া ভাওনা

ঢুলীয়া ভাওনাৰ সমগোত্ৰীয় আন এটা লোকনাট্যানুষ্ঠান হ'ল খুলীয়া ভাওনা। এই অনুষ্ঠানটি জনসমাজত 'খুলীয়া ভাউৰীয়া' নামেৰেহে অধিক জনপ্ৰিয়। এই লোকনাট্যবিধ যি বোৰ অঞ্চলত বিশেষভাৱে প্ৰচলিত সেই অঞ্চলসমূহত 'ভাওনা' অভিধাটোৰ সলনি 'ভাউৰীয়া' অভিধাটোহে অধিক ব্যৱহৃত হৈ আহিছে। খুলীয়া শব্দটো থকাৰ পৰাই আমি অনুধাৱন কৰিব পাৰোঁ যে এই নাট্যাভিনয়ত খোল বজাই অভিনয় পৰিৱেশন কৰা হয়। পূৰ্বতে এই লোককলাবিধ সমগ্ৰ নামনি অসমতেই প্ৰচলিত হৈ আছিল যদিও সময়ৰ গ্ৰাসত ই বহুলাংশে ঢুলীয়া ভাওনাৰ লগত নিমৰ্জ্জিত পৰে। অৱশ্যে দৰং আৰু পূব কামৰূপ অঞ্চলত ই বৰ্তমানেও স্বয়ং সম্পূৰ্ণ কলা হিচাপে ৰক্ষিত হৈ আহিছে। খোল শব্দটো থকাৰ পৰাই ইয়াৰ সৃষ্টিৰ সৈতে শংকৰদেৱক সংযুক্ত কৰাৰ পৰম্পৰা এটা প্ৰচলিত হৈ আহিছে। কিন্তু বিভিন্ন গৱেষণাৰ অন্তত প্ৰমাণ হৈছে যে ই শংকৰদেৱৰ পূৰ্বৰে পৰা প্ৰচলন হৈ থকা এটি বিশিষ্ট নাট্যশৈলী। এই ক্ষেত্ৰত নবীন চন্দ্ৰ শৰ্মাই তেওঁৰ *অসমৰ লোকনাট* গ্ৰন্থখনত কৰা মন্তব্যটি উল্লেখযোগ্য—

> শংকৰদেৱৰ পূৰ্বেও গোৱালপাৰা বিশেষকৈ পশ্চিম গোৱালপাৰা অঞ্চলত খোল প্ৰচলিত আছিল। বৈষ্ণৱ বা নৱবৈষ্ণৱ ধৰ্মৰ পৰিসৰে সামৰি নোলোৱা বিভিন্ন পূজা-পাতলৰ অনুষংগত অনুষ্ঠিত মাৰে-গান, তুকুৰীয়া ওজাপালি, গীতালুগাহান, পদ্দাপুৰাণৰ গান, ভাসান গান, বাঁশী পুৰাণৰ গান আদিতো খোল সংগত কৰা হয়। শংকৰদেৱে প্ৰৱৰ্তন কৰা খোলৰ সৈতে এইবোৰ খোলৰ কোনো সম্পৰ্ক নাই। খুলীয়া ভাউৰীয়াই ব্যৱহাৰ কৰা খোল, শংকৰী খোলতকৈ ছুটি, যাৰ সৈতে পশ্চিম অসমত প্ৰচলিত খোলৰ সাদৃশ্য স্পষ্ট।

ইয়াৰ পৰাৰ আমি এক স্থিৰ সিদ্ধান্তলৈ আহিব পাৰোঁ যে ই শংকৰপূৰ্বৰ এক পৰিৱেশ্য

কলা। এই পৰিৱেশ্য কলাবিধত মূলতঃ *ৰামায়ণ, মহাভাৰত* — বিশেষভাৱে ৰাম সৰস্বতী কৃত 'বধ কাব্য'সমূহৰ পৰা বিষয়বস্তু চয়ন কৰা হয় আৰু লোকৰুচিৰ আধাৰত লোকমনক আনন্দাপ্লুত কৰি লোকশিক্ষা প্রদান কৰিবলৈ যত্ন কৰা হয়। অৱশ্যে, এই ক্ষেত্রত একাধিক বহুৱা চৰিত্রৰ সহায়েৰে স্থূল হাস্যৰস সৃষ্টিত হে অধিক গুৰুত্ব প্রদান কৰা দেখা যায়। মন কৰিবলগীয়া যে খুলীয়া ভাওনাৰ মঞ্চ নিৰ্দেশকস্বৰূপ মুখ্য গায়ক ওঝা বা ওজাৰ পোচাক-পাতি, অংগী-ভংগী ব্যাস গোৱা ওজাপালিৰ সৈতে হে মিল আছে। আনকি দুয়োটা নাট্যশৈলীৰ বিষয়বস্তুৰ আধাৰ একে, গীত-পদৰ সাংগীতিক শৈলী, ৰাগ-তাল, সুৰ-সঞ্চাৰৰ সাদৃশ্য চকুত লগা বিধৰ। সেয়ে ব্যাস গোৱা ওজাপালিৰ পৰাই এই নাট্য ধাৰাটিৰ উদ্ভৱ হৈছে বুলি ধাৰণা কৰা হয়।

বিভিন্ন ঘৰুৱা আৰু ৰাজহুৱা উৎসৱ-অনুষ্ঠান, পূজা-পাতলৰ প্রসংগত এই ভাওনা পৰিৱেশন কৰা হয়। বিশেষভাৱে বাসুদেৱ পূজাৰ অধিবাসৰ দিনা প্রায়ে এই অনুষ্ঠান পৰিৱেশন কৰা দেখা যায়। সাধাৰণতে ৰভাখলাৰ সোঁমাজতে ইয়াৰ অভিনয় খলা নিৰ্বাচন কৰি বাঁহৰ খুটি আৰু ৰচীৰে চাৰিসীমা নিৰ্ধাৰণ কৰি লোৱা হয়। খুলীয়া ভাওনাতো মুখাৰ ব্যৱহাৰ প্রচুৰ; বিশেষভাৱে আম, কঠাল, ওডালা, চাউগছৰ কাঠৰ পৰা প্রস্তুত কৰা মুখা ব্যৱহাৰ কৰা হয়। ব্রহ্মা আৰু যমৰ বাদে আন দেৱ-দেৱী অথবা মানৱী চৰিত্রই মুখাৰ ব্যৱহাৰ নকৰে। দৈত্য-দানৱ-অসুৰ, জীৱ-জন্তু চৰিত্রত অভিনয় কৰাসকলে মুখাৰ ব্যৱহাৰ কৰে। ঠিক সেইদৰে স্থানীয়ভাৱে সহজলভ্য কাঠ-বাঁহেৰে সাজি লোৱা বিভিন্ন হস্ত-সামগ্রী এই পৰিৱেশনত ব্যৱহাৰ কৰা হয়। খুলীয়া ভাওনাত সহ-অভিনয়ৰ প্রচলন নাই। এই লোকনাট্য পৰিৱেশনৰ সময়ত সাধাৰণতে পূব দিশত এখন থাপনা বা বেদী বা বিগ্রহ স্থাপন কৰাৰ লগতে পশ্চিম সীমাত, অর্থাৎ যি ফালেৰে ভাৱৰীয়াসকলে ছোঁ-ঘৰৰ পৰা খলালৈ প্রৱেশ কৰে তাতে এযোৰ কলপুলি পুতিব লাগে। এই যোৰ কলপুলিক 'যাত্রা কলপুলি' বুলি অভিহিত কৰা হয়।

খুলীয়া ভাওনাৰ দলটোৰ সংযুতি এনে ধৰণৰ— এজন ওজা বা ওঝা, চাৰি-পাঁচজন খুলীয়া, দুই-চাৰিজন তালুৰৈ, চাৰি-পাঁচজন পালি, বিশ-পঁচিছজন মান ভাৱৰীয়া আৰু কেইজনমান সহায়কাৰী ব্যক্তি। খোল-তালৰ ছন্দ আৰু নৃত্যৰে খুলীয়া ভাওনাৰ শুভাৰম্ভ কৰা হয় আৰু এই পর্বটোক 'খোল-ঘাতন' বা 'খোল-ঘাতা' বোলে। ইয়াৰ পাছতেই ওজা প্রৱেশৰ ঘাতা বা চেও বজায় আৰু তেওঁ সোঁহাতত চোঁৰৰ আৰু বাওঁহাতত এখন বস্ত্র লৈ ময়ূৰৰ দৰে প্রৱেশ কৰি ৰাম বা সৰস্বতী বিষয়ক শ্লোক আবৃত্তি কৰে। তাৰ পাছতেই নৃত্য-ভংগী, হস্তমুদ্রা আৰু গতি ভংগীৰে বন্দনা কৰে। বন্দনা অংশ ওজাই গাই যায় আৰু পালিসকলে দোহাৰে।

বন্দনাৰ পৰৱর্তী স্তৰটোৰ নাম 'নাটক-কথনী', ইয়াত নাটকৰ নাম আৰু বিষয়বস্তু সম্পর্কে দর্শকক পূর্বাভাস প্রদান কৰা হয় গীত-নৃত্যৰ ভংগীমাৰে। ইয়াৰ পাছতে ওজাই বিশিষ্ট গীতৰ আবৃত্তি, খোলৰ ছেও আৰু তালবাদনৰ জৰিয়তে প্রতিটো চৰিত্রকে খলাত

প্ৰৱেশ কৰোঁৱায়। এই সময়ত প্ৰৱেশ কৰোঁৱা চৰিত্ৰটোৰ আগ আগে এটা চৰিত্ৰই আঁৰিয়া ধৰি যায়। আঁৰিয়া ধৰা চৰিত্ৰটোৱে মূল চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য অনুসৰি নৃত্য কৰি যায় আৰু মূল চৰিত্ৰটোৱে নৃত্য ভংগীমাৰেই প্ৰৱেশ কৰে। ওজাই মধ্যস্থ ব্যক্তিৰ দৰে অভিনীত হ'বলগীয়া ঘটনাৰ প্ৰতিটো অংশ বা পৰিস্থিতিৰ ইংগিত সমগ্ৰ পৰিৱেশনতে প্ৰদান কৰি যায়, ইয়াক 'ওজাৰ সূচনা' বোলা হয়। সংলাপৰ মাধ্যমেৰে কাহিনীভাগ আগুৱাই নিয়া হয়। সংলাপৰ ভাষা পদ্যধৰ্মী। গদ্যধৰ্মী সংলাপৰ প্ৰয়োগ দেখা নাযায়। চৰিত্ৰসমূহে নৃত্য-ভংগীমাৰে সংলাপ প্ৰক্ষেপণ কৰে। বিলাপ-গীতৰ প্ৰয়োগ খুলীয়া ভাওনাৰ এটা আকৰ্ষণীয় বৈশিষ্ট্য। ইয়াৰ লগতে এই নাটত যুদ্ধৰ অভিনয় চকুত লগা। ওজাই খোল-তালৰ লয়ৰ ক্ৰমবৰ্ধমান সুৰত ওজঃপ্ৰধান গীত গায় আৰু চৰিত্ৰসমূহে সেই একে তালত নৃত্য ভংগীমাৰে যুদ্ধ কৰে। এই লোকনাট্যৰ আন এটি উল্লেখযোগ্য চৰিত্ৰ হ'ল বহুৱা। ''বহুৱাবিলাকৰ গীত-পদ, বচন-সংলাপ আদি আকস্মিক। প্ৰয়োজনবশতঃ তেওঁলোকে সংলাপ ৰচিব পাৰে, গীত গাব পাৰে, প্ৰবাদ-প্ৰবচন, সাঁথৰ-দিষ্টান আদি আওৰাব পাৰে। বহুৱাবিলাকৰ হাস্য-কৌতুক সৃষ্টিৰ মূল সমল হৈছে অসংগতি। তেওঁলোকে বাস্তৱ জীৱনৰ সৈতে কিছু পৰিমাণে মিল নথকা অসংগতিপূৰ্ণ পোছাক-পৰিচ্ছদ, বেষ-ভূষা, লাঠি-টাকন, কথা-বতৰা আদিৰ সহায়ত দৰ্শকৰ অন্তৰত হাস্য ৰসৰ সৃষ্টি কৰে।" অৱশ্যে, এটা কথা উল্লেখযোগ্য যে এওঁলোকে সৃষ্টি কৰা হাস্যৰস প্ৰধানতঃ স্থূল প্ৰকৃতিৰ। মন কৰিবলগীয়া যে খুলীয়া ভাওনাত বহুৱাৰ উপৰি আন আন চৰিত্ৰবোৰৰ সংলাপ আৰু কাৰ্যৰ মাজত হাস্যৰস প্ৰকাশ কৰাৰ প্ৰৱণতা থাকে। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি—ৰামৰ মৃত্যুৰ বতৰা সীতাক দিওঁতে সীতাই নাচি নাচি কান্দে।

খুলীয়া ভাওনাৰ সামৰণি পৰে এটি সমৱেত প্ৰৰ্থনাৰে। কোনো ধৰণৰ বাদ্য সংগত নকৰাকৈ ওজাই গোৱা প্ৰাৰ্থনাটো সকলোৱে দোহাৰে আৰু এনেদৰেই নাটখনৰ সামৰণি পৰে। পূৰ্বতে কথকতা পৰম্পৰাৰে এই নাটসমূহ প্ৰচলিত হৈ আহিছিল যদিও বৰ্তমান *ৰামায়ণ, মহাভাৰতৰ* পৰা একোটা কাহিনী বাচি লৈ নাটক কাটি লোৱা হয়।



জানি থোৱা ভাল

অংকীয়া নাট-ভাওনাৰ সৈতে কিছু পৰিমাণে থকা সামঞ্জস্যৰ বাবে অংকীয়া নাটৰ পৰা ইয়াৰ সৃষ্টি হৈছে বুলি মত পোষণ কৰিব খোজে। এই সম্পৰ্কে লোকসংস্কৃতি গৱেষক নবীন চন্দ্ৰ শৰ্মাৰ মন্তব্যটো উল্লেখযোগ্য— '"কোনো কোনো সচেতন অত্যুৎসাহী লোকে খুলীয়া নাট ৰচনা কৰি তাত অংকীয়া নাটৰ সমল সংযোজন কৰি খুলীয়া নাটবোৰ অংকীয়া নাটৰ পৰা উদ্ভৱ হৈছে এনে এটা অপচেষ্টা কৰিবলৈ যত্ন চলাই আহিছে। এই চেষ্টা নিশ্চিতভাৱে নিন্দনীয়। খুলীয়া নাট আৰু অংকীয়া নাট আমাৰ সংস্কৃতিৰ মূল্যবান সমল, প্ৰত্যেকটোৰেই নিজা

নিজা দেহ আৰু আত্মা আছে, প্ৰত্যেকটি দেহ, প্ৰত্যেকটি আত্মাক স্বকীয়ভাৱে জীয়াই থাকিবলৈ দিয়ক।”



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ খুলীয়া-ভাউৰীয়াৰ কাহিনীসমূহ কৰ পৰা চয়ন কৰা হয়।

.....

প্ৰশ্ন নং ৮ ঃ খুলীয়া ভাওনাত সহ-অভিনয়ৰ প্ৰচলন আছেনে?

.....



চিন্তা-চৰ্চা কৰক — ১৪.২

অসমৰ বিভিন্ন লোকনাট্যানুষ্ঠানৰ বিষয়ে এখন তালিকা প্ৰস্তুত কৰি চমুকৈ পৰিচয় দাঙি ধৰিবলৈ যত্ন কৰক।



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমৰ প্ৰাচীন পৰিৱেশ্য কলাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য অৰ্ধ নাটকীয় নাট্যানুষ্ঠান হ'ল ওজাপালি। এই পৰম্পৰা মূলতঃ ধৰ্মীয় প্ৰসংগৰ লগত সম্পৃক্ত। মন কৰিবলগীয়া যে সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ সৈতে এই লোকনাট্যৰ সাদৃশ্য অতি স্পষ্ট। ওজাপালি শীৰ্ষক লোকনাট্যানুষ্ঠানৰ বিষয়ে অধ্যায়টিৰ মাধ্যমেৰে আপুনি সবিশেষ জানিব পাৰিলে।
- অবিভক্ত গোৱালপাৰা জিলাৰ উত্তৰ পাৰত প্ৰচলিত এটি উল্লেখযোগ্য লোকনাট্যানুষ্ঠান হ'ল কুশান-গান। কুশান-গানক ‘ৰাবান-গান’, ‘কুশান পালা’, ‘বেণা-গান’ আদি অভিধাৰেও অভিহিত কৰা হয়। কুশান গান সম্পৰ্কে বহলাই অধ্যায়টোত আলোচনা কৰা হ'ল।
- মূলতঃ কামৰূপ আৰু দৰঙত প্ৰচলিত ঢুলীয়া ভাওনা অসমৰ আন এটা প্ৰধান লোকনাট্যানুষ্ঠান। ঢুলীয়া ভাওনাক ‘ঢুলীয়া ভাউৰীয়া’, ‘ঢুলীয়া ভাইৰা’ আদি অভিধাৰেও অভিহিত কৰা হয়। ঢোল শব্দটো থকাৰ পৰাই আমি ধাৰণা কৰিব পাৰোঁ যে এই লোকনাট্যবিধত ঢোল ব্যৱহাৰ কৰা হয় অৰ্থাৎ ইয়াত ঢোল বজাই আনৰ ভাও দেখুওৱা হয়। অধ্যায়টিত এই লোককলা বিধৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে।
- ঢুলীয়া ভাওনাৰ সমগোত্ৰীয় আন এটা লোকনাট্যানুষ্ঠান হ'ল খুলীয়া ভাওনা। এই অনুষ্ঠানটি জন সমাজত ‘খুলীয়া ভাউৰীয়া’ নামেৰেহে অধিক জনপ্ৰিয়। এই লোকনাট্যবিধ যিবোৰ

অঞ্চলত বিশেষভাৱে প্ৰচলিত সেই অঞ্চলসমূহত 'ভাওনা' অভিধাটোৰ সলনি 'ভাউৰীয়া' অভিধাটোহে অধিক ব্যৱহৃত হৈ আহিছে। খুলীয়া শব্দটো থকাৰ পৰাই আমি অনুধাৱন কৰিব পাৰোঁ যে এই নাট্যাভিনয়ত খোল বজাই অভিনয় পৰিৱেশন কৰা হয়। ইয়াৰ বিষয়বস্তু, পৰিৱেশন শৈলীৰ বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।



১৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) অসম নাট্য সন্মিলন (১৯৯১); *ভৰতৰ নাট্যশাস্ত্ৰ;* নগাঁও ঃ অসম নাট্য সন্মিলন।

২) তাহেৰ, মহম্মদ (মুখ্য সম্পা.) (২০০৫); *বিশ্বকোষ (অষ্টম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৩) তাহেৰ, মহম্মদ (মুখ্য সম্পা.) (২০০৬); *বিশ্বকোষ (নৱম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৪) নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পা.) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্ৰুগড় ঃ বনলতা।

৫) ভৱালী, শৈলেন (১৯৯২); *অসমীয়া লোক-নাট্য পৰম্পৰা;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৬) ৰাজবংশী, পৰমানন্দ (সম্পা.) (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়।

৭) শৰ্মা, নবীন চন্দ্ৰ (২০১০); *অসমৰ লোকনাট;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৮) শৰ্মা, নবীন চন্দ্ৰ (১৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃবাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৯) শৰ্মা, নবীনচন্দ্ৰ (২০০০); *ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ লোক-সংস্কৃতি;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

১০) শইকীয়া, অজিৎ (সম্পা.)(২০০৮); *ছশ বছৰৰ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱৰ্তন;* দুলীয়াজান ঃ পথাৰ প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

১১) Dutta, B. N. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

১২) Sarma, N.C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasan.

১৩) Vatsyayan, K. (2005). *Traditional Indian Theatre: Multiple Stream.* New Delhi: NBT.



১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ওজাপালি অনুষ্ঠানৰ পাঠ তথা বিষয়বস্তুৰ আধাৰত সামগ্রিকভাৱে দুটা ভাগত, তথা— (ক) মহাকাব্য আশ্রয়ী ওজাপালি আৰু (খ) মহাকাব্য অনাশ্রয়ী ওজাপালি বুলি বিভাজন কৰিব পাৰি।

২ নং প্রশ্নৰ উত্তৰ ঃ ওজা আৰু ডাইনা পালিয়ে।

৩ নং প্রশ্নৰ উত্তৰ ঃ 'ওড্র-মাগধী' প্রবৃত্তিৰ সৈতে।

৪ নং প্রশ্নৰ উত্তৰ ঃ কুশান-গানৰ শেষৰ অভিনয় অংশ "নাচ, গান, সংলাপ, বাদ্য, হাস্যকৌতুক আৰু সামৰণি-প্রার্থনা"ৰ সমষ্টি।

৫ নং প্রশ্নৰ উত্তৰ ঃ ঢুলীয়া ভাওনাত আঁৰিয়া ধৰাজনে এক বিশেষ ভূমিকা পালন কৰে। তেওঁ হাতত আঁৰিয়া ধৰি তাল-খোল-ঢোল আদিৰ সময়লৰ লগত সংগতি ৰাখি গোৱা গীত-পদ আবৃত্তি কৰি, বিভিন্ন নৃত্য ভংগীমাৰে সকলো শিল্পীকে ৰভাখলাত প্রৱেশ কৰোৱায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ ঢুলীয়া পৰিৱেশনত সম্পূর্ণাংগ নাট-অভিনয়ৰ পূর্বে এক ধৰণৰ নৃত্য-নাতিকা প্রদর্শন কৰিবলৈ লোৱা হৈছে, ইয়াকে 'কাটিং' বুলি কোৱা হয়।

৭ নং প্রশ্নৰ উত্তৰ ঃ খুলীয়া ভাওনাৰ কাহিনীসমূহ চয়ন কৰা হয় মূলতঃ *ৰামায়ণ, মহাভাৰত* আৰু ৰাম সৰস্বতী কৃত বধ কাব্যসমূহৰ পৰা।

৮ নং প্রশ্নৰ উত্তৰ ঃ খুলীয়া ভাওনাত সহ-অভিনয়ৰ প্রচলন নাই।



১৪.৭ আৰ্হি প্রশ্ন

বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক —

ক) ওজাপালি অসমৰ মার্গীয় শৈলীৰ নৃত্য পৰম্পৰাৰ অন্তর্ভুক্ত হয়নে?

খ) ঢুলীয়া ভাওনাৰ চণ্ডত কি উপস্থাপন কৰা হয়?

খ) খুলীয়া ভাওনা অংকীয়া ভাওনাৰ পৰা উদ্ভৱ হৈছেনে?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ঢুলীয়া ভাওনাৰ পৰিৱেশনৰ সংযুতি সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ অসমত প্ৰচলিত বিবিধ ওজাপালি শৈলীক অনুষংগ অনুসৰি কেনেদৰে শ্ৰেণী বিভাজন কৰি আলোচনা কৰিব পাৰি চমুকৈ লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)


প্ৰশ্ন ১ ঃ ওজাপালি কাক বোলে? ওজাপালি সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ ঃ কুশান-গান সম্পৰ্কে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ ঢুলীয়া ভাওনা কাক বোলে? এই লোকনাট্যবিধৰ বিষয়ে আলোচনা আগ বঢ়াওক।

প্ৰশ্ন ৪ ঃ খুলীয়া ভাওনা পৰিৱেশন সম্পৰ্কে আলোচনা কৰক।

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) অসম নাট্য সন্মিলন (১৯৯১); *ভৰতৰ নাট্যশাস্ত্ৰ;* নগাঁও ঃ অসম নাট্য সন্মিলন।

২) অসম সাহিত্য সভা (১৯৬২);*অসমৰ জনজাতি;* যোৰহাট।

৩) অসম সাহিত্য সভা (১৯৮৭); *অসমীয়া জাতিৰ ইতিবৃত্ত;* পাঠশালা ঃ সাহিত্য সভাৰ পাঠশালা অধিৱেশন।

৪) আগৰৱালা, জ্যোতিপ্রসাদ (২০০৫);*জ্যোতিপ্রসাদৰ ৰচনাৱলী;* গুৱাহাটীঃ অসম প্রকাশন পৰিষদ।

৫) আচার্য্য, নগেন্দ্র নাথ (১৯৬৮); *অসমৰ ঐতিহাসিক ভূচিত্রাৱলী;* গুৱাহাটী।

৬) কটকী, প্রফুল্ল (২০০৫); *সাহিত্য সংজ্ঞা কোষ;* গুৱাহাটী ঃ জ্যোতি প্রকাশ।

৭) কলিতা, পুলিন (২০১৮); *নামঘৰ ৰৱঞ্জী আৰু বিৱৰণ;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৮) কাকতি, বাণীকান্ত (১৯৫৮); *পুৰণি অসমীয়া সাহিত্য;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৯) কাকতি, বাণীকান্ত (২০০৬); *বাণীকান্ত ৰচনাৱলী, অসমীয়া খণ্ড;* গুৱাহাটী ঃ অসম সাহিত্য সভা।

১০) কাগ্য়ুং, ভৃগুমুনি (সম্পা.) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য;* গুৱাহাটী।

১১) কৌশাম্বী, ডি. ডি. (১৯৮১); *ভাৰতৰ ইতিহাস;* (ভট্টাচার্য, বীৰেন্দ্র কুমাৰৰ অনুঃ) গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ (প্রথম প্রকাশ ১৯৫৬) ।

১২) খাৰঘৰীয়া, যুগল (সম্পা.) (২০০৯); *অসমীয়া জনপ্রৱাহৰ সংস্কৃতি;* শিৱসাগৰ ঃ জয়সাগৰ সাহিত্য সভা ।

১৩) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

১৪) গগৈ, হীৰেন (২০০৪); *অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত;* গুৱাহাটী ঃ অসম প্রকাশন ন্যাস।

১৫) গুহ, অমলেন্দু (২০১০); *ৱৈষ্ণৱবাদৰ পৰা মায়ামৰীয়া বিদ্রোহলৈ;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টৰচ।

১৬) গেইট, এডৱার্ড (১৯৯১); *অসম বুৰঞ্জী;* (বেগম, চেনেহীৰ অনুঃ) গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল (প্রথম প্রকাশ ১৯০৬)।

১৭) গোস্বামী, উপেন্দ্রনাথ (২০০০); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চি।

১৮) গোস্বামী, নাৰায়ণ চন্দ্র (২০০৫); *সত্র সংস্কৃতিৰ স্বর্ণৰেখা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৯) গোস্বামী, পবিত্র প্রাণ (২০০৪); *প্রবন্ধ, গীতৰ ঐতিহ্যবাহী পূর্ব ভাৰতীয় শাস্ত্রীয় সংগীত ৰৰগীতৰ ৰাগ-বিৰৰণ আৰু তাত্বিক আলোচনা সহ স্বৰলিপি;* মিনার্ভা ইণ্ডিয়া।

২০) গোস্বামী, প্রফুল্ল দত্ত (১৯৮৬); *অসমীয়া জন সাহিত্য;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

২১) গোস্বামী, হেমচন্দ্র (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকি*; কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

২২) চলিহা, সদানন্দ (১৯৯১); 'অসমৰ জনগোষ্ঠীত মঙ্গোলীয় উপাদান'; গোস্বামী, প্রকাশ আৰু চৌধুৰী, সতীশ চন্দ্র (সম্পা.)ৰ *বুৰঞ্জীৰ প্রকৃতি আৰু স্বৰূপ* (পৃ. ৫০-৫৬); যোৱহাট ঃ অসম সাহিত্য সভা।

২৩) ঠাকুৰ, নগেন (১৯৮৩); *ভাৰতীয় ভাষাৰ পৰিচয়;* গোলাঘাট ঃ ভাৰতী বুক ষ্টল।

২৪) তাহেৰ, মহম্মদ (মুখ্য সম্পা.) (২০০৫); *বিশ্বকোষ (অষ্টম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

২৫) তাহেৰ, মহম্মদ (মুখ্য সম্পা.) (২০০৬); *বিশ্বকোষ (নৱম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

২৬) দলৈ, ভট্টাচার্য্য, শ্রীচক্রেশ্বৰ (সানুবাদম) (১৯৭২); *যোগিনীতন্ত্রম*; গুৱাহাটী ঃ দত্তবৰুৱা এণ্ড কোম্পানী।

২৭) দাস, ভুবন মোহন (২০০৫); 'জনগোষ্ঠীত প্রজাতীয় উপাদান'; অসম সাহিত্য সভাৰ *অসমীয়া জাতিৰ ইতিহাস* (পৃ. ৯-৩০); যোৱহাট ঃ অসম সাহিত্য সভা।

২৮) দত্ত বৰুৱা, হৰিনাৰায়ণ (সম্পা.)(২০০২); *ৰৰগীত*; গুৱাহাটী ঃ দত্তবৰুৱা পাব্লিচিং কোঃ প্রাঃ লিঃ।

২৯) দাস, যুগল; *অসমৰ লোককলা;* গুৱাহাটী।

৩০) দেৱগোস্বামী, কেশৱানন্দ (১৯৯৭); *ৰৰগীত ঃ পৰম্পৰা আৰু পৰিবেশন পদ্ধতি*; গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।

৩১) দেৱগোস্বামী, কেশৱানন্দ (২০০১); *ভাৰতীয় পটভূমিত শংকৰী সাহিত্য আৰু সত্রীয়া সংগীত*; গুৱাহাটী ঃ বনলতা।

৩২) দেৱগোস্বামী, কেশৱানন্দ (২০০৩); *সত্র-সংগীতৰ স্বৰৰেখা*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৩৩) দেৱগোস্বামী, কেশৱানন্দ (২০০০); *সত্র সংস্কৃতিৰ ৰূপৰেখা*; ডিব্রুগড় ঃ বনলতা।

৩৪) নার্জী, ভবেন (১৯৬৬); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩৬) নেওগ, মহেশ্বৰ (সম্পা.)(১৯৮৬); *গুৰু-চৰিত-কথা*; গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৩৭) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

৩৮) নেওগ,মহেশ্বৰ (সম্পা.) (১৯৬৯); *পবিত্র অসম;* যোৱহাট ঃ অসম সাহিত্য সভা।

৩৯) নেওগ, মহেশ্বৰ (১৯৯৫); *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

৪০) নেওগ, মহেশ্বৰ (১৯৮৭); *শ্রীশ্রী শংকৰদেৱ*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪১) নেওগ, মহেশ্বৰ (২০০৮); *সত্রীয়া নৃত্য আৰু সত্রীয়া নৃত্যৰ তাল*; গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৪২) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পা.) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

৪৩) পাদুন, নাহেন্দ্র (১৯৯৩); *অসমীয়া সংস্কৃতিলৈ জনজাতীয় ৰৱাণি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৪৪) পেগু, খৰ্গেশ্বৰ পেগু (২০০০); *অসমৰ জাতি গঠনত মিচিং জনগোষ্ঠী আৰু নৈপৰীয়া মিচিং সমাজ*; ধেমাজি ঃ ধেমাজি বুকষ্টল।

৪৫) বৰদলৈ, নির্মলপ্রভা (১৯৭১); *অসমৰ লোক সংস্কৃতি*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৪৬) বৰা, দিলীপ (২০০৮); *সমাজ সাহিত্য আৰু সংহতি;* গুৱাহাটী ঃ ভৱানী অফছেট।

৪৭) বৰা, ধ্রুৱজ্যোতি (১৯৯৪); *অ' মোৰ সুৰীয়া মাত;* গুৱাহাটী ঃ ষ্টুডেণ্টচ ষ্টৰচ্।

৪৮) বর্মন, শিৱনাথ (১৯৮২); *লোক কৃষ্টিৰ উৎস;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৪৯) বর্মন, শিৱনাথ (সম্পা.) (১৯৭৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৫০) বৰবৰুৱা, হীতেশ্বৰ (১৯৮৫); *আহোমৰ দিন;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৫১) বৰুৱা, সুখ (২০০৭); *আহোমসকলৰ উৎসৱ অনুষ্ঠান;* গুৱাহাটী ঃ কল্পতৰু প্রকাশন।

৫২) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোক সংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫৩) বৰুৱা, ভীমকান্ত (১৯৯৯); *আহোমসকলৰ পৰম্পৰাগত উৎসৱ;* ডিব্রুগড় ঃ ষ্টুডেণ্টচ্ এম্পৰিয়াম।

৫৪) ভট্টাচার্য, প্রমোদ চন্দ্র (১৯৯১); *লোক উৎসৱ*; নলবাৰী ঃ জার্ণাল এম্পৰিয়াম।

৫৫) ভট্টাচার্য, প্রমোদ চন্দ্র (১৯৯৯); *অসমৰ জনজাতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫৬) ভট্টাচার্য, হৰিচন্দ্র (১৯৮৮); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি (আদিৰ পৰা ১৯৬৭ চন পর্যন্ত);* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫৭) মহন্ত, জগন্নাথ (২০০৫); *সত্রীয়া নৃত্যৰ কথা*; গুৱাহাটী ঃ অসম সাহিত্য সভা।

৫৮) মহন্ত, প্রদীপ জ্যোতি (২০০৭); *শংকৰদেৱৰ শিল্প লোক*; গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

৫৯) মহন্ত, প্রফুল্ল (২০০৯); *জনগোষ্ঠীগত চেতনা ঃ আত্মপ্রতিষ্ঠাৰ প্রশ্ন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৬০) মহন্ত, বাপচন্দ্র (সম্পা.)(১৯৯২); *ৰৱগীত*; গুৱাহাটী ঃ ষ্টুডেণ্ট ষ্টোৰচ্।

৬১) ৰাভা, বিষ্ণু (১৯৮২); *বিষ্ণু ৰাভাৰ ৰচনাৱলী, প্রথম খণ্ড;* নলবাৰী ঃ বিষ্ণু ৰাভা সোঁৱৰণী গৱেষণা সমিতি।

৬২) ৰাজকুমাৰ, সর্বানন্দ (১৯৮০); *ইতিহাসে সোঁৱৰা ছশটা বছৰ;* যোৰহাট ঃ অসম।

৬৩) ৰাজবংশী, পৰমানন্দ (সম্পা.) (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ অসমীয়া বিভাগ, প্রাগ্‌জ্যোতিষ মহাবিদ্যালয়।

৬৪) শইকীয়া, ৰক্তিম ৰঞ্জন আৰু ৰৱদলৈ, মনোৰঞ্জন (২০০৩); *ভাওনা দর্পন;* যোৰহাট ঃ সংকলন কোষ সমিতি।

৬৫) শর্মা, গিৰিধৰ (সম্পা.)(১৯৭৪); *অসমীয়া জাতিৰ ইতিবৃত্ত;* যোৰহাট ঃ অসম সাহিত্য সভা।

৬৬) শর্মা, দেৱব্রত (২০০৬); *অসমীয়া জাতি গঠন প্রক্রিয়া আৰু জাতীয় জনগোষ্ঠীগত অনুষ্ঠানসমূহ;* যোৰহাট ঃ একলব্য প্রকাশন।

৬৭) শর্মা, নবীন চন্দ্র (২০০৯); *অসমৰ সাংস্কৃতিক ইতিহাস* (২য় খণ্ড); যোৰহাট ঃ অসম সাহিত্য সভা।

৬৮) শর্মা, নবীন চন্দ্র (২০১০); *অসমৰ লোকনাট;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৬৯) শর্মা, নবীন চন্দ্র (১৯৯৮); *অসমীয়া লোক সংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৭০) শর্মা, নবীন চন্দ্র (সম্পা.) (১৯৮৭); *ডাক প্রৱচন;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৭১) শর্মা, নবীনচন্দ্র (২০০০); *ভাৰতৰ উত্তৰ পূর্বাঞ্চলৰ লোক-সংস্কৃতি;* গুৱাহাটী ঃ বাণী প্রকাশ।

৭২) শর্মা, সত্যেন্দ্রনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৭৩) শর্মা, সত্যেন্দ্রনাথ (১৯৮৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রিণ্টিং এণ্ড পাব্লিছিং।

৭৪) সিং, মনজিৎ আৰু নাথ, সুৰেশ কুমাৰ (সম্পা.) (২০০৯); *সাহিত্য সংস্কৃতি আৰু অন্যান্য প্রসঙ্গ;* গুৱাহাটী ঃ আপ্পুকাছ (Association of Past and Present Office - Bearers of Cotton College Union Society - APPOCCUS)।

৭৫) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

৭৬) হাকাচাম, উপেন ৰাভা (২০০০); *অসমীয়া আৰু অসমৰ তিৰৱত বর্মীয় ভাষা;* গোৱালপাৰা।

৭৭) হাজৰিকা, অতুলচন্দ্র (১৯৯৫); *মঞ্চলেখা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭৮) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্রথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

বাংলা গ্রন্থ ঃ

৭৯) চট্টোপাধ্যায়, দেবীপ্রসাদ (১৪১৩ বঙ্গাব্দ); *লোকয়ত দর্শন;* কলকাতা।

ইংৰাজী গ্রন্থঃ

৮০) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

৮১) Baruah, B. K. (1978). *History of Assamese Literature*. New Delhi: Sahitya Akademi.

৮২) Baruah, H. (1965). *Assamese Literature*. New Delhi: NBT.

৮৩) Barua, I. et. al. (ed) (2002). *Ethnic groups Cultmal Continuities and Social Change in North-East India.* Delhi: Mittal Publication.

৮৪) Baruah, K. L. (1978). *Early History of Kamrupa*. New Delhi: Sahitya Academy.

৮৫) Bordoloi, B. N. & et. al. (1987). *Tribes of Assam. Part I & II.* Guwahati: Tribal Research Institute, Assam.

৮৬) Boro, A. (2001). *Folk Literature of the Boros – An Introduction*. Guwahati: Adhunik Prakasan.

৮৭) Bhuyan, S. K. (1956). *Studies in the Literature of Assam*. Guwahati: Lawyers Books Stall.

৮৮) Chatterji, S. K. (1974). *Kirat Jana Kriti*. Kolkata: The Asiatic Society.

৮৯) Chatterji, S. K. (1970). *The Place of Assam in the History and Civilisation of India*. Guwahati: Gauhati University.

৯০) Das, B. M. (2010). *The People of Assam*. New Delhi: Gyan Publishing House.

৯১) Das, M.M. (1994). *Ethnic Elements in North East India. In : Bulletia of the Department of Anthropology,* Dibrugarh University. Vol. 22 pg 1-12. Dibrugarh: Dibrugarh University.

৯২) Dordrecht (1724). François Valentijn's *Oud en nieuwOost-Indien*. Natherland: s.l.

৯৩) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

৯৪) Dundes, A. (1978). *Essays in Folkloristics*. Folklore Institute.

৯৫) Dutta, B. N. (ed.) (1999). *Traditional Performing Aarts of North-East*. Guwahati: ABILAC.

৯৬) Dutta, B. N. & el. al. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

৯৭) Erazer, J. (1993). *The Golden Bough: A Study in Magic and Religion*. London.

৯৮) Gogoi, J & Goswami, M. J. (2012). "A Critical and Historical Study of the Staging Technique of Sankaradeva's Plays" in N. B. Goswami (Ed) *The Heritage* (Vol.-III, Issue-2) Guwahati: Aitihya Samstha

৯৯) Goswami, S. C. (1946). *Introducing, Assam Vaisnavism.* Guwahati: Gauhati University.

১০০) Haviland, W. A. (2014). *Cultural Anthropology: The Human Challenge.* US: Thomson Wadswarth

১০১) Herskovits, M.J. (1948). *Man and his Works: The Science of Cultural Anthropology.* New York: Knopf.

১০২) Kakati, B. K. (ed.) (1959). *Aspects of Early Assamese Literature*. Guwahati: Gauhati University.

১০৩) Kakati, B. K. (1962). *Assamese : Its Formation and Development*; Guwahati: Lawyers Books Stall.

১০৪) Kosambi, D. D. (1965). *The Culture and Civilisation of Ancient India in Historical Outline*. London: Routledge & Kegan Paul.

১০৫) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

১০৬) Lenski, G. E. (1966). *Power and Privilege: A Theory of Social Satisfaction.* New York: McGraw Hills.

১০৭) Mahanta, P. J.(1999). 'Bhaona : The Traditional Vaisnava Theatre of Assam', In Dutta. B, & Mahanta. P. J. (Eds.) *Traditional Performing Arts of North East India* (pp. 49-63) Guwahati: Assam Academy for Cultural Relations.

১০৮) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

১০৯) Nath, R. (1949). *The Background of Assamese Culture*. Shillong. s.n

১১০) Neog, M. (s.l.). *Bhaona : The Ritual Play of Assam.* New Delhi: Sangeet Natak Akademi.

১১১ Neog, M. (1965). *Sankardeva and His Times : Early History of the Vaisnava Faith and Movement in Assam.* Guwahati: Gauhati University.

১১২) Olivier, G. (1958). 'Physical Anthropology of the Nagas of Assam', *Man in India,* 38.

১১৩) Sarma, N. C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasan.

১১৪ Sarma, S. N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam.* Guwahati: Gauhati University.

১১৫) Thakur, G. C. Sarma (2007). *Selected Essays of Tribes and Castes of Assam (Part I).* Guwahati: Tribal Research Institute, Assam.

১১৬) Thapar, R. (1990). *A History of India* (Vol 1). Penguin Books. s.n.

১১৭) Tylor E. B.(1920). *Primitive Culture, Vol. 1.* London: John Murray, Albemarle Street.

১১৮) Vatsyayan, K. (2005). *Traditional Indian Theatre: Multiple Stream.* New Delhi: NBT.